# প্ৰাগ্‌জ্যোতিষীয়

# PRAGJYOTISHIYA

## প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় আলোচনী

## চতুশ্চত্বাৰিংশসংখ্যক প্ৰকাশ ঃ ২০১৪-২০১৫

**PRAGJYOTISH COLLEGE MAGAZINE**
**FORTY FOURTH ISSUE: 2014-2015**

বাৰ্ষিক মুখপত্ৰ
প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়
চৌচল্লিশ (৪৪) সংখ্যা

**ANNUAL JOURNAL OF PRAGJYOTISH COLLEGE**
**SESSION: 2014-2015**

তত্ত্বাৱধায়ক
ড° ইন্দিৰা শইকীয়া বৰা

সম্পাদক
ধৃতিকা দেৱী

**PROFESSOR IN-CHARGE**
**DR. INDIRA SAIKIA BORA**

**EDITOR**
**DHRITIKA DEVI**

# প্ৰাগ্‌জ্যোতিষীয়
# PRAGJYOTISHIYA

**প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় আলোচনী ৪৪ সংখ্যক প্ৰকাশ ঃ ২০১৪-২০১৫**

**প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ দ্বাৰা প্ৰকাশিত।**

Annual Journal of Pragjyotish College, 44th Issue, Session: 2014-2015

Published by Pragjyotish College Students' Union, Bharalumukh, Guwahati 781 009

**সম্পাদনা সমিতি ঃ**

| | |
|---|---|
| **সভাপতি** | ঃ অধ্যাপিকা পল্লৱী শৰ্মা, ভাৰপ্ৰাপ্ত অধ্যক্ষ |
| **উপদেষ্টা** | ঃ অধ্যাপক হলধৰ তালুকদাৰ, প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ |
| **কোষাধ্যক্ষ** | ঃ অধ্যাপক প্ৰিয়ম বৰঠাকুৰ |
| **তত্ত্বাৱধায়ক** | ঃ অধ্যাপিকা ইন্দিৰা শইকীয়া বৰা |
| **শিক্ষক সদস্য** | ঃ অধ্যাপিকা প্ৰণতি শৰ্মা গোস্বামী |
| | অধ্যাপিকা সোণালী বুঢ়াগোহাঁই |
| | অধ্যাপক বৈকুণ্ঠ ৰাজবংশী |
| | অধ্যাপিকা কল্পনা তালুকদাৰ |
| | অধ্যাপিকা গাৰ্গী শৰ্মা |
| | অধ্যাপিকা লালটানজুউল খাওবাঙ্‌ |
| | অধ্যাপিকা অঞ্জলী দেৱী |
| **সম্পাদক** | ঃ ধৃতিকা দেৱী |
| **ছাত্ৰ সদস্য** | ঃ হিমাংশু শৰ্মা |
| | নিহাল জ্যোতি দাস |
| | ৰিকী কলিতা |
| | সুৰজিৎ বৰ্মন |
| **বেটুপাত** | ঃ অমৃত সিং |
| **আলোক চিত্ৰ** | ঃ আচিফ |
| **অঙ্গসজ্জা** | **ঃ জয়ন্ত শৰ্মা** |
| **সামগ্ৰিক পৰিকল্পনা** | ঃ সম্পাদক আৰু তত্ত্বাৱধায়ক |
| **কম্পিউটাৰ ৰেখাঙ্কন** | ঃ ভৱদেৱ ৰয়, সুবিনয় বিশ্বাস |
| **মুদ্ৰণ** | ঃ শৰাইঘাট অফছেট প্ৰেছ, বামুণীমৈদাম, গুৱাহাটী- ২১ |

**প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু প্ৰাগ্‌জ্যোতিষীয়ৰ সম্পাদনা সমিতিৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত**

# উৎসৰ্গ

বিগত সময়ছোৱাত যিসকল খ্যাত-অখ্যাত সাহিত্যিক, শিক্ষাবিদ, সমাজবিদ, অভিনেতা, অভিনেত্ৰী, চিত্ৰশিল্পী, ক্ৰীড়াবিদ, সাংবাদিক, জননেতাক হেৰুৱালো তেখেতসকলৰ

সংঘাত-সংঘৰ্ষ, দুৰ্যোগ, দুৰ্ঘটনাত অকালতে মৃত্যুবৰণ কৰা জ্ঞাত-অজ্ঞাত প্ৰতিজন নিৰীহ মানুহৰ,

যিসকল প্ৰয়াত মহান ব্যক্তিৰ অপৰিসীম শ্ৰম আৰু অক্লান্ত সাধনাৰে প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়খন গঢ়লৈ উঠিছে সেই সকলোৰে পুণ্য স্মৃতিত আলোচনীখন নিবেদিত।

# কৃতজ্ঞতা স্বীকাৰ

প্ৰাক্তন অধ্যক্ষ হলধৰ তালুকদাৰ, অধ্যক্ষা পল্লৱী শৰ্মা, ড° পৰমানন্দ ৰাজবংশী, ড° প্ৰণতি শৰ্মা গোস্বামী, ড° সোণালী বুঢ়াগোহাঁই, ড° ইন্দিৰা শইকীয়া বৰা, প্ৰণৱ কুমাৰ দাস, ড° বৈকুণ্ঠ ৰাজবংশী, নীৰেন্দ্ৰ নাথ ঠাকুৰীয়া, অতনু কুমাৰ চৌধুৰী, ড° জ্যোতিৰ্ময় সেনগুপ্ত, প্ৰিয়ংকা শৰ্মা, সীমা কৌৰ, বিশ্বজ্যোতি দেৱমহন্ত, ড° অভিজিৎ দত্ত, ডেইজী কলিতা, ড° ইৰা দাস, ড° গাৰ্গী শৰ্মা, ড° বিদ্যুৎ বিকাশ বৈশ্য, অঞ্জলি দেৱী, বিমল কুমাৰ বৰদলৈ, ড° ৰঞ্জিত দাস, অমৃত কুমাৰ উপাধ্যায়, প্ৰণৱ জ্যোতি কলিতা।

ড° লক্ষ্মীনন্দন বৰা, ড° নগেন শইকীয়া, ড° আনন্দ বৰমুদৈ, জয়ন্ত শৰ্মা, শশী শৰ্মা, ড° সুখ বৰুৱা, ড° ভূপেন সিং, সৌৰভ শইকীয়া, জয়ন্ত শৰ্মা, ডলিতা কলিতা।

গীতাৰ্থ বৈশ্য, ৰাজীৱ শৰ্মা, ৰাতুল বৰ্মন।

যোগেশ কলিতা, অনামিকা নাথ, গৌৰীশঙ্কৰ ভূঞা, মানসজ্যোতি দাস, কিশোৰ কলিতা, মৃণ্ময় কাকতি, হীৰকজ্যোতি দাস, বিশ্বজিৎ শৰ্মা, অংগনা চক্ৰৱৰ্তী, নয়নতৰা চৌধুৰী, নিতুমণি দাস, শুভম দাস, ৰিঙ্কুমণি কলিতা।

প্ৰতিগৰাকী লেখক-লেখিকা আৰু প্ৰাগ্জ্যোতিষীয়ৰ কামত সহায় কৰোঁতা।

GOVERNOR ASSAM



RAJ BHAVAN
GUWAHATI

## Message

I am glad to learn that Pragjyotish College Students' Union 2014-2015 is going to publish the 44th Edition of its Annual College Magazine – "PRAGJYOTISHIYA" within a short time.

Our students must remember that India is a youth country with 68% youth population. Our youths must dedicate themselves towards building a 'Swachh', 'Shashakt', 'Samriddh' and 'Niryog' Bharat.

I wish "PRAGJYOTISHIYA", the Annual College Magazine to be published by Pragjyotish College Students' Union 2014-2015 every success.

(Padmanabha Balakrishna Acharya)
Governor of Assam

Dated: December 4, 2015

গুৱাহাটী বিশ্ববিদ্যালয়
GAUHATI UNIVERSITY

**Dr. Mridul Hazarika**
**Vice Chancellor**
Phone : +91 361 2570412(O), 2570408(R)
Fax : +91-361-2675515
Email ID : hazarika50@gmail.com
vc_gu@yahoo.in



## MESSAGE

I am happy to learn that Pragjyotish College, Guwahati is going to publish the 44th issue of its annual college magazine entitled "PRAGJYOTISHIYA" very soon. College magazine is a strong medium for the constituent members of a college for intellectual exercise. It carries sentiments, emotions, creativity and objectivity to integrate into a totality of views of a community at a given time.

I wish all success in their mission and hope the magazine will be immensely beneficial to all concerned.

Date : 18.11.2015

( Mridul Hazarika )

**Address:** Gopinath Bordoloi Nagar, Jalukbari, Guwahati, Assam 781014
**Phone:** 0361 257 0415
**Website:** www.gauhati.ac.in

# MESSAGE

*From*
*President, Governing Body*
*Pragjyotish College*



The College magazine symbolises the spirit of the institution. It provides a platform for young talents to express themselves. Hence, in a sense, it becomes the voice of the college. A dynamic and creative academic environment is always reflected by a progressive, free-thinking magazine. Pragjyotish College, with its huge student strength, is a melting pot for talents from various cultures and ethnicity. This magazine should help them to find their true potential.

All my good wishes to the Editorial team.

Aditi Chowdhury



# শ্ৰদ্ধাঞ্জলি



**আকাশ দাস**

জন্ম ঃ ইং ০১-১০-১৯৯৮

মৃত্যু ঃ ইং ০৯-০৯-২০১৫

প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ত ১৭-০৬-২০১৫ বৰ্ষত একাদশ শ্ৰেণীত নাম ভৰ্তি কৰা শ্ৰীআকাশ দাসৰ যোৱা ০৯-০৯-২০১৫ তাৰিখে দুৰ্ঘটনাগ্ৰস্ত হৈ অকাল বিয়োগ হয়। তেওঁৰ বিয়োগে সমগ্ৰ প্ৰাগ্‌জ্যেতিষ পৰিয়ালক শোকসন্তপ্ত কৰে। এই গৰাকী প্ৰতিভাশীল ছাত্ৰ আকাশৰ বিয়োগত প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ পৰিয়াল আৰু প্ৰাগ্‌জ্যেতিষীয়ৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰিছোঁ। তেওঁৰ আত্মাই যেন চিৰশান্তি লাভ কৰে— এয়েই ভগৱানৰ ওচৰত প্ৰাৰ্থনা।



**মানসী দাস**

মৃত্যু ঃ ইং ০৬-০১-২০১৫

প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ত ২০১৩-১৪ বৰ্ষত নাম ভৰ্তি কৰা প্ৰাণী বিজ্ঞান বিভাগৰ (মেজৰ অন্তৰ্গত) ছাত্ৰী মানসী দাসৰ জাপানিজ এনকেফেলাইটিচ ৰোগত আক্ৰান্ত হৈ ০৬-০১-২০১৫ তাৰিখে মৃত্যু মুখত পৰে। মানসী দাসৰ ৰোগৰ চিকিৎসাৰ বাবে প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ পৰিয়ালে ২৩,০০০/- টকাৰ আৰ্থিক অনুদানো আগবঢ়াইছিল। কিন্তু মানসী দাস সুস্থ হৈ নুঠিল। এই গৰাকী প্ৰতিভাশীল মেধাবী ছাত্ৰীৰ বিয়োগত প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় পৰিয়ালে আৰু প্ৰাগ্‌জ্যেতিষীয়ৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰিছো। তেওঁৰ আত্মাই যেন চিৰশান্তি লাভ কৰে— এয়েই ভগৱানৰ ওচৰত প্ৰাৰ্থনা।



**অধ্যাপক ধৰ্মেশ্বৰ শৰ্মা**

জন্ম ঃ ইং ০১-০২-১৯৫০

মৃত্যু ঃ ইং ২২-১০-২০১৫

১৯৬৭ চনত চামতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ পৰৱৰ্তী পৰ্যায়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ পৰা ৰসায়ন বিজ্ঞানত সন্মান সহকাৰে স্নাতক পৰীক্ষাত উত্তীৰ্ণ হৈছিল। ১৯৭২ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা ৰসায়ন বিজ্ঞান বিভাগত এম.এছচি. ডিগ্ৰী লাভ কৰি প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ত যোগদান কৰে আৰু শেষলৈ ৰসায়ন বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক আৰু উপাধ্যক্ষ হিচাবে থাকি ২০১০ চনৰ জানুৱাৰী মাহত অৱসৰ গ্ৰহণ কৰে।

অসমৰ এগৰাকী শিক্ষাবিদ তথা প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ অধ্যাপক আৰু উপাধ্যক্ষ ধৰ্মেশ্বৰ শৰ্মাদেৱৰ আকস্মিক বিয়োগৰ খবৰে প্ৰাগ্‌জ্যোতিষ পৰিয়ালক মৰ্মাহত কৰিছে। প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ক এখনি আপোন শিক্ষানুষ্ঠান হিচাবে গণ্য কৰি ইয়াৰ উত্তৰোত্তৰ উন্নতি কামনাৰে দেহেকেহে খাটি মহাবিদ্যালয় পৰিয়ালৰ এগৰাকী সুযোগ্য সদস্য হিচাবে চিনাকি দিয়াই নহয়, শিক্ষাদানৰ দৰে পবিত্ৰ কৰ্তব্য নিষ্ঠা সহকাৰে পালন কৰিছিল। সামাজিক সাংস্কৃতিক দিশতো শৰ্মাদেৱৰ অৱদান গুৰুত্বপূৰ্ণ।

খং, ৰাগহীনতা, সৰলতা, সকলোৰে প্ৰতি সমমৰ্যাদা ৰক্ষাৰ স্বাভাৱিক প্ৰৱণতা, নিঃস্বজনক মনেপ্ৰাণে সহায় কৰাৰ মানসিক প্ৰস্তুতি আদি বিভিন্ন গুণৰ সমাহাৰ শৰ্মাদেৱৰ যোৱা ২২-১০-২০১৫ তাৰিখে পৰলোকপ্ৰাপ্তি হয়।

এইগৰাকী নিষ্ঠাবান শ্ৰদ্ধেয় অধ্যাপক ধৰ্মেশ্বৰ শৰ্মদেৱৰ বিয়োগত সমূহ প্ৰাগ্‌জ্যোতিষীয়ৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰিছো আৰু তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ।







**মবিনুল হক**

জন্ম ঃ ইং ৩১-০৫-১৯৩২

মৃত্যু ঃ ইং ১০-০৩-২০১৬

অধ্যাপক মবিনুল হকদেৱে ৫-১-১৯৬২ তাৰিখে প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগত অধ্যাপক হিচাবে যোগদান কৰি ৩১-০৫-১৯৯২ তাৰিখে অৱসৰ গ্ৰহণ কৰে। অৱসৰ গ্ৰহণৰ পাছত তেখেত ধুবুৰী জিলাৰ অন্তৰ্গত দক্ষিণ শালমৰাৰ হাতশিঙিমাৰী মহাবিদ্যালয়ৰ অধ্যক্ষ ৰূপে নিয়োজিত হৈছিল। অসম কলেজ শিক্ষক সন্থাৰ প্ৰতিষ্ঠাপক সদস্য আছিল। এইগৰাকী ধীৰ স্থিৰ, মাৰ্জিত ভাষা আৰু ভিন্ন জ্ঞানৰ অধিকাৰী মবিনুল হকছাৰ অতিশয় প্ৰচাৰ বিমুখ আছিল। এগৰাকী নিষ্ঠাবান অধ্যাপকৰ বিয়োগত প্ৰাগ্‌জ্যোতিষীয়ৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰিছোঁ। হকদেৱৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক— এয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা।



## অধ্যাপক কোকিল বেজবৰুৱা

জন্ম ঃ ইং ২৩-০৩-১৯২৩

মৃত্যু ঃ ইং ২৫-১০-২০১৫

অধ্যাপক কোকিল বেজবৰুৱাদেৱে ১৯৪১ চনত শ্বিলং চৰকাৰী হাইস্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৪৩ চনত কোচবিহাৰ ভিক্টোৰিয়া কলেজৰ পৰা আই.এ. পাছ কৰে। ১৯৪৫ চনত বুৰঞ্জী আৰু অৰ্থনীতি বিষয় লৈ কটন কলেজৰ পৰা বি.এ. ডিগ্ৰী লাভ কৰে। ১৯৪৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা বুৰঞ্জী বিষয়ত এম.এ. ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছতে গুৱাহাটীৰ কামৰূপ একাডেমী স্কুলত কেইমাহমান কাম কৰি ১৯৪৮ চনত দিল্লী অনাতাঁৰ কেন্দ্ৰৰ পৰা প্ৰচাৰিত অসমীয়া বাতৰি পৰিৱেশন কৰিছিল আৰু গুৱাহাটীৰ অনাতাঁৰ কেন্দ্ৰতো বাতৰি পৰিৱেশন কৰে। ১৯৪৯ চনৰ মাৰ্চ মাহত নগাওঁ কলেজৰ বুৰঞ্জী বিভাগত যোগদান কৰে। অসম সাহিত্য সভাৰ মৰিগাওঁ অধিৱেশনৰ বুৰঞ্জী সন্মিলনৰ সভাপতিৰ আসন অলংকৃত কৰি ৰাইজৰ বিপুল সঁহাৰি লাভ কৰে। ০৯-১১-১৯৫৬ চনৰ পৰা গুৱাহাটী প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগত যোগদান কৰি শেষলৈ মুৰব্বী অধ্যাপকৰূপে ৩১-০১-১৯৮৫ চনত অৱসৰ গ্ৰহণ কৰে। সেই সময়ত তেখেত এন.চি.চি.ৰ মেজৰ পদত অধিষ্ঠিত হৈছিল। ১৯৬২ চনত প্ৰতিষ্ঠা লাভ কৰা উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষও আছিল। ১৯৮৮ চনত মঙ্গলদৈ বাণিজ্য মহাবিদ্যালয়ৰো প্ৰতিষ্ঠাপক অধ্যক্ষ আছিল।

বেজবৰুৱাদেৱ এগৰাকী সৃষ্টিশীল লেখক আৰু নাট্যকাৰ। উল্লেখযোগ্য যে তেখেতে গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ নাট প্ৰযোজক তথা নাট ৰচনা কৰিছিল। ইংৰাজী সাহিত্যত বিশেষ দখল থকা বাবে বাৰ্ণাৰ্ড , ইবচেন আদিৰ দৰে প্ৰখ্যাত নট্যকাৰ সকলৰ আৰ্হিত ‘ৰুণুমী’ নামৰ অনাতাঁৰ নাট ৰচনা কৰে। ঠিক তেনেদৰে নাট্যকাৰ দ্বিজেন্দ্ৰ লালৰ নাটৰ আৰ্হিত ‘ছাহজাহান’ নামৰ অনাতাঁৰ নাট ৰচনা কৰে। ‘সমাজৰ শিখা’ তেখেতৰ এখন পুৰস্কাৰপ্ৰাপ্ত অনাতাঁৰ নাট। প্ৰতিখন নাটৰ জৰিয়তে অসমৰ শ্ৰোতা সমাজৰ পৰা সমাদৰ লাভ কৰিবলৈও তেখেত সক্ষম হৈছিল। আনকি গুৱাহাটী অনাতাঁৰ কেন্দ্ৰত বাৰ্তা লিখক হিচাবেও বৰঙণি আগবঢ়াইছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত স্নাতক মহলাৰ বাবে ‘ইউৰোপৰ বুৰঞ্জী’ (প্ৰথম খণ্ড) নামৰ এখন পাঠ্যপুথি ৰচনাৰ জৰিয়তে তেখেতে বিদ্যায়তনিক দিশতো বিশেষ বৰঙণি আগবঢ়াই গৈছে।

অসমৰ এগৰাকী শিক্ষাবিদ, এগৰাকী প্ৰখ্যাত ইতিহাসবিদ মিতভাষী আৰু অজাতশত্ৰু ব্যক্তিত্বৰ অধিকাৰী শ্ৰদ্ধেয় কোকিল বেজবৰুৱাদেৱৰ বিয়োগত সমূহ প্ৰাগ্‌জ্যোতিষৰ তৰফৰ পৰা গভীৰ শোক প্ৰকাশ কৰিছো। বেজবৰুৱাদেৱৰ আত্মাই পৰলোকত পৰম প্ৰশান্তি লাভ কৰক— এয়ে ভগানৰ ওচৰত প্ৰাৰ্থনা।

**—প্ৰাগ্‌জ্যোতিষীয় সম্পাদনা সমিতি**



# সম্পাদকীয়



সম্পাদকীয় লিখাৰ প্ৰাক্‌মুহূৰ্তত সেইসকল মহান মনীষীৰ চৰণত প্ৰণিপাত জনাইছোঁ, যিসকলৰ একান্ত সাধনা আৰু চৰম প্ৰচেষ্টাৰ বলত ভৰলু আইৰ পাৰত প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ নিচিনা এখনি বিদ্যামন্দিৰ প্ৰতিষ্ঠিত হৈছে। শিক্ষা হৈছে জীৱনৰ আধাৰ। শিক্ষাই এজন ব্যক্তি তথা এখন সমাজক গতিশীল কৰি তোলে। সম্প্ৰতি অসমৰ জাতীয় জীৱন অতি সংকটাপন্ন অৱস্থাৰ সন্মুখীন হৈছে। বৰ্তমান সমাজখনত কোনো যেন নিৰাপদ নহয়। হত্যা, হিংসা, হাহাকাৰ, সাম্প্ৰদায়িক সংঘৰ্ষ, নাৰী নিৰ্যাতন, ধৰ্ষণ, অন্ধবিশ্বাস, সন্ত্ৰাসবাদ আদি নানা সমস্যাই সমগ্ৰ জাতিসত্বাক পংগু কৰি পেলাইছে। সমগ্ৰ জাতিটোৱে আজি নিৰাপত্তাহীনতাত ভূগিছে। ক'ত কাৰ কেতিয়া মৃত্যু হয়, কোন ঠাইত ধ্বংসযজ্ঞ হয়, ক'ত তেজৰ সোঁত বয়, সেয়া যেন আজি কোনেও নাজানে। ভাৱ হয়— আমি সঁচাকৈয়ে স্বাধীন নে? যদি আমি স্বাধীন তেন্তে সঁচাকৈয়ে আমি স্বাধীনতা উপভোগ কৰিব পাৰিছোনে? আমাৰ জাতীয় সত্বাক ধ্বংসৰ গৰাহৰ পৰা উদ্ধাৰ কৰিবলৈ পোনতে থিয় দিব লাগিব আমি ছাত্ৰ-ছাত্ৰীসকল তথা যুৱসমাজ। কিন্তু যুৱ সমাজখন ক্ৰমে শিক্ষিত হৈ যোৱাৰ তুলনাত উচ্ছৃংখলতাৰ পৰিমাণো বৃদ্ধি পাইছে। আজিৰ যুৱ প্ৰজন্মই যেন ব্যক্তিগত জীৱনৰ পৰা সময় উলিয়াই সমাজখনৰ পিনে চকু ফুৰাবলৈ আহৰি নাই। এখন সমাজৰ পৰিৱৰ্তন সাধিবলৈ হ'লে প্ৰয়োজন হয় এমুঠি দায়বদ্ধ লোকৰ। আহক, আমি ছাত্ৰ-ছাত্ৰীসকল প্ৰত্যেকেই নিজৰ সমাজ তথা দেশখনৰ প্ৰতি দায়বদ্ধ হওঁ আৰু ক্ৰমশঃ ধ্বংসৰপিনে ধাৱমান হোৱা আমাৰ জাতিসত্বাক পুনৰুজ্জীৱিত কৰোঁ।

সময় পৰিৱৰ্তনশীল। সময়ৰ লগে লগে সমাজ তথা মানুহৰ চিন্তাধাৰাৰো পৰিৱৰ্তন হয়। কিন্তু বৰ্তমান সময়ত আমাৰ চিন্তাধাৰাৰ যি পৰিৱৰ্তন ঘটিছে সেয়া জানো ইতিবাচক? বৰ্তমান সময়ত আমি সকলোৱে কেৱল আনৰ দোষ বিচাৰি উলিওৱাত গুৰুত্ব দিছো। কিন্তু সদায়ে মনত ৰখা উচিত যে কাৰোবাৰ প্ৰতি আঙুলি টোঁৱালে চাৰিটা আঙুলি নিজৰ পিনেই থাকে। আজিৰ সমাজখনে যিকোনো ক্ষেত্ৰতেই আগৰ যুৱ-প্ৰজন্মক দোষাৰোপ কৰা আৰু যুৱ-প্ৰজন্মই তেওঁলোকৰ প্ৰজন্মটোক দোষাৰোপ কৰা দেখা যায়। কিন্তু আনৰ দোষ খুচৰি চোৱাতকৈ আমি সকলোৱে যদি নিজক চালি-জাৰি চাওঁ তেন্তে হয়তো বহুতো সমস্যাৰ সমাধান আমাৰ হাততেই পাম।

বৰ্তমানৰ সমাজখন পাশ্চাত্যানুগামী। পাশ্চাত্যৰ ভোগ-বিলাসপূৰ্ণ জীৱনে আমাৰ সহজ-সৰল জীৱন প্ৰণালীত কিছু সংখ্যক ইতিবাচক প্ৰভাৱ পেলাইছে যদিও যথেষ্ট ক্ষতি সাধনো কৰিছে। আমি সদায়েই শুনিবলৈ পোৱা এটি প্ৰধান সমস্যা হৈছে নাৰী নিৰ্যাতন। আমাৰ দেশত নাৰীক দেৱীৰ স্থান দিয়া হয় যদিও কিছুমান পশুসুলভ মানসিকতাৰ ব্যক্তিৰ কামনাৰ বা ৰোষৰ বলি হৈ সদায়েই নাৰী নিৰ্যাতিত হ'বলগীয়া হয়। আজিৰ যুৱতীসকলে পাশ্চাত্য সভ্যতা বা বলিউডক অনুকৰণ কৰি অশালীন সাজ-পোছাক পৰিধান কৰে। ইয়াৰ ফলত পুৰুষৰ লোলুপ দৃষ্টিৰ সন্মুখীন হ'বলগীয়া হয়। ফলস্বৰূপে সংঘটিত হয় নাৰী নিৰ্যাতনৰ দৰে জঘন্য ঘটনা। ৰাগিয়াল দ্ৰব্য সেৱনৰ ফলতো এনে ঘটনা সংঘটিত হয়। বৰ্তমান ৰাগিয়াল দ্ৰব্যৰ সেৱনে যুৱ প্ৰজন্মৰ ভৱিষ্যত অন্ধকাৰময় কৰি তুলিছে। আমাৰ যুৱ সমাজ ইয়াৰ প্ৰতি আসক্ত নহৈ আমাৰ সমাজখনত নিচামুক্ত কৰিবলৈ যথাসম্ভৱ প্ৰয়াস কৰিব লাগিব।

আমি সকলোৱে নিজকে অসমী আইৰ সন্তান বুলি পৰিচয় দিও, তেন্তে কিহৰ বাবেনো বাৰে বাৰে সংঘটিত হৈ আহিছে সাম্প্ৰদায়িক সংঘৰ্ষৰ দৰে জঘণ্য ঘটনা? কিহৰ বাবে আমি নিজৰ মাজতে সৃষ্টি কৰিছো সাম্প্ৰদায়িকতাৰ। শঙ্কৰদেৱ-আজান ফকিৰে জাতি ভেদৰ বৈষম্য পৰিহাৰ কৰি সকলোকে একতাৰ এনাজৰীৰে বান্ধি যি আদৰ্শ প্ৰতিষ্ঠা কৰি গ'ল, সঁচাকৈয়ে আজি আমি সন্মান জনাইছোনে সেই আদৰ্শক? আজি স্খলন ঘটিছে মানৱতাৰ, নিলাম হ'বলৈ ধৰিছে নৈতিকতা। কিছুমান সুবিধাবাদী মানুহে আকৌ এনে অৱস্থাৰ সুযোগ লৈ আৰম্ভ কৰিছে ৰাজনীতি। 'ৰাজনীতি' ধাৰণাটো দৰাচলতে বেয়া

নহয়। কিন্তু বৰ্তমানৰ ভদ্ৰতাৰ মুখা পৰিহিত কিছুমান ভণ্ডই এই শব্দটিৰ প্ৰতি এক লেতেৰা, কদৰ্য অৱধাৰণা গঢ়ি তুলিছে। বৰ্তমানৰ ছাত্ৰ সংগঠনবোৰেও ৰাজনীতিৰ বতাহত মতলীয়া হৈ পৰিছে। সমাজৰ কিছুসংখ্যক মুষ্টিমেয় লোকে ছাত্ৰ-ছাত্ৰীৰ জীৱনক লৈ হেতালি খেলিছে এই ছাত্ৰ সংগঠনবোৰৰ জৰিয়তে। হকে বিহকে প্ৰতিবাদ কৰিছে, ধৰ্ণা দিছে, কেৱল মাথো নিজ স্বাৰ্থসিদ্ধিৰ বাবে।

সাম্প্ৰতিক সময়ত প্ৰায়ভাগ মানুহেই উচ্চ শিক্ষা গ্ৰহণ কৰিছে যদিও মানুহবোৰ প্ৰকৃততে শিক্ষিত বুলি ক'ব পাৰি নে সেয়া চিন্তনীয় বিষয়। কিয়নো আজি মানৱীয় মূল্যবোধৰ অৱক্ষয় ঘটিছে। সম্প্ৰতি অসমত বিৰাজমান এই জাতীয় সংকট দূৰ কৰাৰ একমাত্ৰ শক্তি হ'ল যুৱ সমাজ। বন্ধুসৱ, ক্ষন্তেকীয়া মানসিক তৃপ্তিৰ বাবে বা সাময়িক প্ৰাপ্তিৰ আশাত নিজস্বতাক বিসৰ্জন নিদিব। ড০ ভূপেন হাজৰিকাই কোৱাৰদৰে 'আজিৰ অসমীয়াই নিজক নিচিনিলে অসম ৰসাতলে যাব'। এয়াই সঠিক সময় পৰিসংশোধনৰ। নিজৰ বিবেকক জাগ্ৰত কৰি নিজক সংশোধন কৰি প্ৰত্যেকেই সমাজখনক সংশোধন কৰাৰ গুৰু দায়িত্ব হাতত লওঁক। তেতিয়াহে বিশ্বদৰবাৰত আমি নিজকে প্ৰতিষ্ঠা কৰিব পাৰিম।

আমাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰখনৰ নাম 'প্ৰাগ্‌জ্যোতিষীয়'। 'প্ৰাগ্‌জ্যোতিষ' নামৰ তাৎপৰ্য ব্যাখ্যা কৰি *'কালিকাপুৰাণে'* কৈছে 'অত্ৰৈৱ হি স্থিতো ব্ৰহ্মা প্ৰাঙ্‌নক্ষত্ৰং সসৰ্জ হ। ততঃ প্ৰাগ্‌জ্যোতিযাখ্যেয়ং পুৰীশক্ৰপুৰীসমা।' অৰ্থাৎ এই ঠাইতেই বহি স্বয়ং ব্ৰহ্মাই প্ৰথম নক্ষত্ৰটো সৃষ্টি কৰিছিল। সেয়ে ইন্দ্ৰপুৰীৰ দৰে এই দেশৰ নাম 'প্ৰাগ্‌জ্যোতিষ' হ'ল। *কালিকাপুৰাণত* আৰু কোৱা হৈছে যে প্ৰাগ্‌জ্যোতিষ বা কামৰূপৰ মধ্যভাগত অৱস্থিত প্ৰাগ্‌জ্যোতিষপুৰ এই দেশৰ ৰাজধানী আছিল।' (কালিকাপুৰাণ-৩৮.১০০)

পুৰাণ সমূহতো বিশেষকৈ *ভাগৱতপুৰাণত* উল্লেখ আছে যে এইদেশ গিৰিদুৰ্গ, অস্ত্ৰদুৰ্গ, জলদুৰ্গ, অগ্নিদুৰ্গ আৰু অনিলদুৰ্গৰে পৰিবেষ্টিত। মুৰদানৱৰ দ্বাৰা নিৰ্মিত পাশেৰে এই ঠাইৰ চাৰিও দিশ অতিদৃঢ়ভাৱে আবৃত্ত আছিল। সেয়েহে এই দেশৰ জনসংস্কৃতিক আৰ্যসংস্কৃতিয়ে সম্পূৰ্ণৰূপে গ্ৰাস কৰিব নোৱাৰিলে। এই দেশৰ সংস্কৃতি আৰু পৰম্পৰা আৰ্যাবৰ্ত্তৰ আৰ্যসকলতকৈ বহুক্ষেত্ৰত পৃথক আছিল। প্ৰাচীন ভাৰতীয় সাহিত্য ৰামায়ণ, মহাভাৰত আৰু পুৰাণ সাহিত্যত প্ৰাগ্‌জ্যোতিষ নামৰ উল্লেখ পোৱা যায়। (ভাগৱতপুৰাণ-১০.৫৯.৩) (অসমত সংস্কৃত চৰ্চাৰ ইতিহাস- ড° মালিনী গোস্বামী, পৃ.৬)

আমাৰ মহাবিদ্যালয়ৰ নামো গৌৰৱপূৰ্ণ প্ৰাগ্‌জ্যোতিষ নামেৰে নামাকৰণ কৰা হৈছে। এই মহাবিদ্যালয়ত নামভৰ্ত্তি কৰা আমি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী প্ৰাগ্‌জ্যোতিষীয়। মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰৰ নামো 'প্ৰাগ্‌জ্যোতিষীয়' এইকাৰণেই নিৰ্বাচন কৰা হৈছে যে এই মহাবিদ্যালয়ৰ প্ৰতিজন প্ৰাগ্‌জ্যোতিষীয়ই নিজৰ লেখনিৰ দ্বাৰা স্বপ্ৰতিভা প্ৰকাশ কৰিবলৈ সুবিধা পায়। অৰ্থাৎ দাপোনত নিজৰ প্ৰতিবিম্ব প্ৰতিফলিত হোৱাৰ দৰে প্ৰাগ্‌জ্যোতিষীয়তো নিজ লেখনিৰে আত্মপ্ৰকাশ কৰিব পাৰে।

**প্ৰস্তুত প্ৰাগ্‌জ্যোতিষীয়ৰ বিষয়ে একাষাৰ ঃ**

প্ৰস্তুত প্ৰাগ্‌জ্যোতিষীয়ৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ পণ্ডিত তীৰ্থনাথ শৰ্মাদেৱৰ প্ৰতি শ্ৰদ্ধাজ্ঞাপন কৰা হৈছে। ইয়াৰ পিছতে অকালতে মৃত্যুক আকোৱালি লোৱা মহাবিদ্যালয়ৰ ছাত্ৰী মানসী দাস আৰু আকাশ দাসৰ প্ৰতি অশ্ৰু-অঞ্জলি যাচিছো। তাৰোপৰি এই মহাবিদ্যালয়তে অধ্যাপনা কৰি অৱসৰ গ্ৰহণ কৰা তিনিগৰাকী অধ্যাপক ক্ৰমে বুৰঞ্জীবিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক কোকিল বেজবৰুৱা, ৰসায়ন বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ধৰ্মেশ্বৰ শৰ্মা আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক মবিনুল হক চাৰে এই মহাবিদ্যালয়ৰ পৰা চিৰ বিদায় লয়। এই শ্ৰদ্ধেয় চাৰসকলৰ প্ৰতি অশ্ৰু-অঞ্জলি যাচিছো।

আমাৰ হাতলৈ অহা প্ৰাগ্‌জ্যোতিষীয়ৰ প্ৰৱন্ধ সমূহলৈ লক্ষ্য কৰি অসমীয়া আৰু ইংৰাজী দুটা শাখাত (Section)ত ভাগ কৰা হৈছে। অসমীয়া শাখাৰ লেখা সমূহক সশ্ৰদ্ধ স্মৰণ, অতিথিৰ কলম, সাক্ষাৎকাৰ, প্ৰৱন্ধ জীৱনীমূলক প্ৰৱন্ধ, শিল্পজগত, সংস্কৃতি, আইন, সাম্প্ৰতিকী, চুটি গল্প, কবিতা, গ্ৰন্থসমালোচনা, অনুভৱ অভিজ্ঞতা, আৰু খেলজগত মুঠ চৈধ্যটা ভাগত ভগোৱা হৈছে। ইংৰাজী শাখাত প্ৰৱন্ধ, কবিতা, ৰচনা, চুটিগল্প মুঠ চাৰিটা ভাগ হৈছে। উল্লেখনীয় যে মহাবিদ্যালয় সপ্তাহৰ ইংৰাজী আৰু অসমীয়া শাখাৰ সাহিত্য শিতানৰ অন্তৰ্ভূক্ত প্ৰতিযোগিতাসমূহত বঁটাপ্ৰাপ্ত চুটিগল্প, ৰচনা, কবিতা আদিও প্ৰকাশিত হৈছে। ইয়াৰ পিছতে প্ৰতিবেদন, মহাবিদ্যালয়ৰ সঙ্গীত আৰু পূৰ্বৰে পৰা বৰ্ত্তমানলৈকে হোৱা প্ৰাগ্‌জ্যোতিষীয়ৰ সম্পাদক আৰু তত্ত্বাৱধায়কসকলৰ তালিকা দিয়া হৈছে। আমি সম্পাদকৰ দায়িত্ব লওঁতে অধ্যাপক হলধৰ তালুকদাৰ ছাৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ পদত আছিল। তেখেতে ২০১৫ ফেব্ৰুৱাৰীত অৱসৰ লয়। অধ্যাপিকা পল্লৱী শৰ্মা বাইদেউ ২০১৫ৰ মাৰ্চৰ পৰা ২০১৬ৰ জানুৱাৰীলৈকে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্বত থাকে। ২০১৬ ফেব্ৰুৱাৰীৰ পৰা অধ্যাপক ড° পৰমানন্দ ৰাজবংশী চাৰে ভাৰপ্ৰাপ্ত অধ্যক্ষৰ দায়িত্ব গ্ৰহণ কৰে। সেইকাৰণে আমাৰ আলোচনীখনত দুগৰাকী অধ্যক্ষৰ

বক্তব্য দাঙি ধৰা হৈছে।

বাৰ্ষিক আলোচনী এখন হৈছে মহাবিদ্যালয় এখনৰ জীৱন প্ৰবাহৰ প্ৰতীকী স্বৰূপ। আলোচনী এখনৰ মাজেৰে উদ্ভাসিত হৈ উঠে মহাবিদ্যালয়ৰ অন্তৰাত্মা। ছাত্ৰসকলৰ প্ৰতিভা বিকাশৰ অন্যতম দিশ হৈছে আলোচনী এখন। আলোচনীৰ সম্পাদনা এক গুৰুত্বপূৰ্ণ দায়িত্ব বুলি বিবেচনা কৰি সম্পাদক হিচাপে নিৰ্বাচিত হোৱাৰ পাছৰে পৰাই এই দায়িত্ব নিষ্ঠাৰে পালন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছো। কিন্তু মহাবিদ্যালয়ত সাহিত্য চৰ্চা তথা লেখা-মেলাৰ এক অনুকুল পৰিৱেশ আৰু আন আন কাৰণত এই দায়িত্ব পালনত যথেষ্ট প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছোঁ। মহাবিদ্যালয়খনত প্ৰতিভাৰ অভাৱ নাই যদিও বৰ্ত্তমান ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাহিত্য-চৰ্চাৰ অভাৱ বাৰুকৈয়ে পৰিলক্ষিত হৈছে। তদুপৰি লেখা সংগ্ৰহৰ ক্ষেত্ৰত মই যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিলোঁ। এক নতুন অভিজ্ঞতাৰে আলোচনীখনৰ কাম-কাজ আৰম্ভ কৰিছিলোঁ। বহু নজনা কথা শিকিলোঁ। এখন উৎকৃষ্ট আলোচনী প্ৰস্তুত কৰিবলৈ বহু চেষ্টা কৰিলোঁ। এই ক্ষেত্ৰত মোৰ তত্ত্বাৱধায়ক ড০ ইন্দিৰা শইকীয়া বৰা বাইদেৱেও যথাসাধ্য চেষ্টা কৰিছে আৰু সকলো ক্ষেত্ৰতে নিজা মাতৃৰ দৰে মোৰ মাৰ্গদৰ্শন কৰিছে। তেখেতৰ পৰা পোৱা দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতাৰ বাবে মই বাইদেউৰ ওচৰত চিৰকৃতজ্ঞ। তদুপৰি আলোচনীৰ বাবে লেখা সংগ্ৰহৰ ক্ষেত্ৰত বিশেষভাৱে পৰামৰ্শ আগবঢ়োৱা আমাৰ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ বৰ্ত্তমানে অতিথি অধ্যাপক অমৃত কুমাৰ উপাধ্যায় চাৰলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। যিসকলৰ লেখনিৰে এই 'প্ৰাগ্‌জ্যোতিষীয়'ৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে সেইসকল সন্মানীয় অতিথি, অধ্যাপক চাৰ-বাইদেউ, গ্ৰন্থাগাৰিক তথা সহপাঠী ছাত্ৰ-ছাত্ৰী সকলোৰে প্ৰতি কৃতজ্ঞতা জনাইছো। ইয়াৰোপৰি আলোচনীৰ কামত ভিন্ন প্ৰকাৰে সহায় আগবঢ়োৱা চাৰ-বাইদেউ ক্ৰমে ড০ প্ৰিয়ম বৰঠাকুৰ (কোষাধ্যক্ষ), ড০ বৈকুণ্ঠ ৰাজবংশী, বিশ্বজ্যোতিদেৱ মহন্ত, ড০ কল্পনা তালুকদাৰ, প্ৰিয়ংকা শৰ্মা, ডেইজী কলিতা আৰু ইংৰাজী বিভাগৰ অধ্যাপিকাসকল, অৰ্থনীতি বিভাগৰ অধ্যাপিকাসকল, ড০ গাৰ্গী শৰ্মা বাইদেউ, অঞ্জলী দেৱী বাইদেউ, বিমল বৰদলৈ, গোলাপ সূত চাৰৰ উপৰিও সম্পাদনা সমিতিত থকা আৰু মোক বিভিন্ন দিশত সহায় আগবঢ়োৱা প্ৰতিজন শিক্ষাগুৰুলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তদুপৰি আলোচনীৰ কামত মোক সহায় আগবঢ়োৱা মোৰ সতীৰ্থ হিমাংশু শৰ্মা, বিশ্বজিৎ শৰ্মা, মৃণ্ময় কাকতি, হীৰকজ্যোতি দাস, শুভম্ দাস, ৰিকি কলিতা আৰু অন্যান্য বন্ধুবৰ্গৰ লগতে প্ৰত্যেকজন ছাত্ৰ সদস্যকে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

আমাৰ কাৰ্যকালত ছাত্ৰ একতা সভাৰ সভাপতি হিচাপে অধ্যাপক হলধৰ তালুকদাৰ চাৰ (বৰ্ত্তমান প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ) আৰু অধ্যাপিকা পল্লৱী শৰ্মা বাইদেউ, ড০ পৰমানন্দ ৰাজবংশী (বৰ্ত্তমান) ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে পাইছোঁ। তেখেত সকলে আলোচনীখন সৰ্বাঙ্গসুন্দৰ কৰাত আৰু আলোচনীৰ সৈতে জড়িত বিভিন্ন কামত আমাক উৎসাহ আৰু পৰামৰ্শ আগবঢ়াইছিল। তেখেত সকলৰ প্ৰতি আমি অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আলোচনীখনৰ ডিজাইন কৰি দিয়া জয়ন্ত শৰ্মা চাৰলৈকো কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনীখনৰ ডি.টি.পি. কামত সহায় কৰা ভৱদেৱ ৰায় আৰু সুবিনয় বিশ্বাস আৰু শৰাইঘাট অফছেট প্ৰেছৰ সকলো কৰ্মচাৰীৰ প্ৰতিও শলাগ যাচিছোঁ।

সদৌ শেষত, প্ৰাগ্‌জ্যোতিষীয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি, এই গুৰু দায়িত্ব পালনৰ ক্ষেত্ৰত বৈ যোৱা অনিচ্ছাকৃত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি সম্পাদকীয় কলমৰ সামৰণি মাৰিছোঁ।

*জয়তু 'প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় ছাত্ৰ একতা সভা'*

*জয়তু 'প্ৰাগ্‌জ্যোতিষীয়'*

**ধৃতিকা দেৱী**

**সম্পাদক**

**প্ৰাগ্‌জ্যোতিষীয়**

এপ্ৰিল,২০১৬



# îÂN±»ñ±ÛþßÁ1 ÛßÁù÷



**'বিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্নগুপ্তং ধনম্।।'**

*(ভৰ্তৃহৰি/নীতিশতক/২০)*

সংস্কৃত পণ্ডিত ভৰ্তৃহৰিয়ে প্ৰাচীন যুগতে বিদ্যাক মানুহৰ সৰ্বশ্ৰেষ্ঠ স্বৰূপ আৰু হৃদয়ৰ সুৰক্ষিত গুপ্তধন বুলি লিখি থৈ গৈছে। পুনৰ তেওঁ কৈছে যে 'বিদ্যা গুৰুৰো গুৰু'। আধুনিক যুগৰ সমাজ বিজ্ঞানীসকলৰ মতে শিক্ষাই সমাজ পৰিবৰ্ত্তনৰ মাজেৰে উন্নয়ণৰ চালিকা শক্তি হিচাবে মূল ভূমিকা পালন কৰে। এই কথাটো ঐতিহাসিক ভাবেও প্ৰমাণিত হৈছে। সেয়েহে সকলো বাধা বিঘিনি তথা ঘাত-প্ৰতিঘাত নেওচি যিসকল ব্যক্তিয়ে অহোপুৰুষাৰ্থ কৰি এখন উচ্চ-শিক্ষাৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰিলে সেইসকল প্ৰাতঃস্মৰণীয় নমস্য ব্যক্তিৰ প্ৰতি প্ৰাগ্‌জ্যোতিষ পৰিয়ালৰ ফালৰ পৰা প্ৰণিপাত জনাইছো।

শিক্ষা হৈছে অবিৰত যাত্ৰা, শিক্ষানুষ্ঠানো সময়ৰ দৰে গতিশীল, যাৰ যাত্ৰাৰ শেষ নাই। শিক্ষানুষ্ঠানৰ গতিক প্ৰভাৱান্বিত কৰে পৰিবেশ আৰু সমাজৰ উপাদানবোৰে। কেতিয়াবা সেয়েহে এই গতিৰ ক্ষিপ্ৰতা ত্বৰান্বিত হয়, কেতিয়াবা হ্ৰাস হয়। কিন্তু কোনো কাৰণতেই উচ্চশিক্ষাৰ লগত জড়িত আমাৰ শিক্ষক আৰু কৰ্মচাৰীসকলে সমাজৰ প্ৰতি থাকিবলগীয়া দায়বদ্ধতাৰ পৰা আতঁৰি থাকিব নোৱাৰে। বিগত ৬২ বছৰৰ স্মৃতিৰ পাত-লুটিয়ালে দেখা যায় যে প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে প্ৰয়োজনীয় মূহুৰ্ত্তবোৰত কৰ্ত্তব্যবোধৰ পৰিচয় দি আহিছে। মহাবিদ্যালয়ৰ শিক্ষক আৰু কৰ্মচাৰী সকলে কোনো কোনো সময়ত উদ্ভৱ হোৱা মতপাৰ্থক্য, যুক্তি দ্বন্দ্ব আদিক খেলুৱৈ সুলভ মনোবৃত্তিৰে (Sporting spirit) সন্মান কৰি অহাৰ উপৰি শিক্ষানুষ্ঠান খনৰ গতিশীলতা অধিক ত্বৰান্বিত কৰাৰ প্ৰচেষ্টাত আত্মনিয়োগ কৰিছে। তদুপৰি সঠিক চিন্তাৰে নিজৰ বিদ্যা বুদ্ধিমত্তা কলেজৰ উত্তৰণৰ বাবে ঢালি দিবলৈ কেতিয়াও কুণ্ঠাবোধ কৰা নাই।

সময় হৈছে এতিয়া দুঃসময়। 'অনৈক্যৰ মাজত ঐক্য' বিৰাজমান বুলি আমি গৌৰৱ কৰা বৈচিত্ৰময় দেশ-ভাৰতবৰ্ষত এতিয়া সকলোতকৈ স্পৰ্শকাতৰ আৰু ভয়ানক সমস্যা হিচাপে মুৰতুলি উঠিছে সাম্প্ৰদায়িকতাৰ মনোভাৱ আৰু মৌলবাদে। সমান্তৰাল ভাবে চৌপাশে চলি থকা পৰ্বতসম দুৰ্নীতি, সামাজিক বৈষম্য, বৰ্ণ বিদ্বেষ, লিঙ্গ বিদ্বেষ, কু-সংস্কাৰ, অন্ধবিশ্বাস আদি আছেই। এই ক্ষেত্ৰত শিক্ষক সমাজৰো যথেষ্ট গুৰু দায়িত্ব আছে।

আমি আমাৰ ছাত্ৰসকলক পাঠদান কাৰ্য কৰাৰ লগে লগে দেশত তথা সমাজত ঘটি থকা বিশৃঙ্খলতা, অৰাজকতা আদি উন্নয়নৰ অন্তৰায় সমূহ বিজ্ঞানসন্মতভাৱে বিশ্লেষণ কৰি তাৰ মূল কাৰণ সমূহৰ উদ্‌ঘাটন আৰু উৎখাতেৰে নতুন সত্য প্ৰতিষ্ঠাৰ বাবে অনুপ্ৰেৰণা আৰু সাহস যোগাব পাৰিব লাগিব। এই ক্ষেত্ৰত শঙ্কৰদেৱ-মাধৱদেৱ, জ্যোতি-বিষ্ণু, ঢেকিয়াল ফুকন, বেজবৰুৱা আদি সংগ্ৰামী সত্তা আমাৰ কাৰণে পাথেয় হ'ব পাৰে। গীতি কবি কেশৱ মহন্তৰ ভাষাৰে— 'সংগ্ৰাম বিমুখিতা মানে জীৱন বিমুখিতা।' সত্য প্ৰতিষ্ঠাৰ বাবে শিক্ষক সমাজে আৰু ছাত্ৰসকলে এটি সংগ্ৰামী চিত্ত পোষণ কৰিব লাগিব। অন্যথা জাতি আৰু দেশৰ ভৱিষ্যত কেতিয়াও সুখকৰ নহ'ব।

স্বনামধন্য ভাৰতীয় শিক্ষাবিদ সকলৰ মাজত বহুতেই বিশ্বাস কৰে মানুহৰ জন্ম-জন্মান্তৰৰ অৰ্জিত অভিজ্ঞতা লৈ এই পৃথিৱীত জন্মগ্ৰহণ কৰে। শিক্ষাগ্ৰহণ প্ৰক্ৰিয়াটোও এইদৰে জন্ম-জন্মান্তৰ চলি থাকে। মানুহে বিশেষকৈ দুইধৰণে শিক্ষাগ্ৰহণ কৰে। প্ৰথম অনিয়ন্ত্ৰিত শিক্ষা ব্যৱস্থাৰ মাধ্যমেৰে আৰু দ্বিতীয়তে নিয়ন্ত্ৰিত শিক্ষা ব্যৱস্থাৰ মাধ্যমেৰে।

অনিয়ন্ত্ৰিত শিক্ষাব্যৱস্থাত প্ৰকৃতিৰ ক্ৰিয়াৰ লগত আমাৰ প্ৰতিক্ৰিয়াৰ ফলত আমি আমাৰ সহজাত কৰ্মপ্ৰেৰণাৰ পৰিবৰ্ত্তন কৰিবলৈ শিকো আৰু ফলস্বৰূপে শিক্ষা লাভ কৰোঁ।

আনহাতে নিৰ্দ্দিষ্ট অনুষ্ঠানৰ মাজেদি নিয়ন্ত্ৰিত শিক্ষা ব্যৱস্থা

গ্ৰহণ কৰা হয়। ইয়াত এটা পৰিকল্পিত আঁচনিৰ মাধ্যমেৰে শিক্ষাৰ্থীক শিক্ষিত কৰি তোলা হয়। প্ৰকৃত শিক্ষা ব্যৱস্থাত শিক্ষাৰ্থীয়ে তথ্য আহৰণৰ লগে লগে নিজৰ জীৱনকো গঢ় দিব লাগে।

মানুহ জন্মসূত্ৰে স্বাধীন, সৎ আৰু অহিংস। এই প্ৰমাণ আমি শিশু আৰু সাধকসকলৰ সহজ-সৰল নিষ্কপট ব্যৱহাৰৰ মাজত পাওঁ। সেইকাৰণে শিশুসকলক দেৱশিশু বুলি কোৱা হয় আৰু সাধকসকলক শুদ্ধভাৱে শ্ৰদ্ধা কৰোঁ। এই দেৱশিশু সকল সমাজৰ বিভিন্ন পৰিবেশৰ দ্বাৰা প্ৰভাৱিত হৈ নিজৰ সৎ, স্বাধীন আৰু অহিংস স্বভাৱৰ কথা পাহৰি গৈ ভুল পথে পৰিচালিত হ'বলৈ ধৰে। পাছত মানৱতাবোধ জাগ্ৰত হ'লে শুদ্ধপথলৈ আহে। শিক্ষাৰ্থী সকলেও নিজৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰি শুদ্ধপথেৰে জীৱনক গঢ় দিব লাগে। মেঘে সূৰ্যক আৱৰি ৰাখিলে সূৰ্যৰ অনুপস্থিতি নুবুজায়, মেঘ আতঁৰি যোৱাৰ লগে লগেই সূৰ্য ভাস্বৰ হৈ উঠে। তেনেদৰে অজ্ঞানস্বৰূপ মেঘ আঁতৰ হ'লেই জ্ঞান সূৰ্য প্ৰতিভাত হয়।

সাহিত্যৰ সৃষ্টি জীৱনৰ পৰা; বিচিত্ৰ জীৱনটোৰ দৰে সাহিত্যৰ বিষয়বস্তুও বৈচিত্ৰ্যপূৰ্ণ। একোটা জাতিৰ স্বৰূপ আৰু প্ৰকৃতিক সুন্দৰ ভাবে জানিবলৈ এক উৎকৃষ্ট আৰু অন্যতম মাধ্যম হ'ল সাহিত্য। জাতি এটাৰ সভ্যতা সংস্কৃতি, আচাৰ-ব্যৱহাৰ ৰীতি-নীতি সকলো কথা সাহিত্যৰ পৰাই জানিব পাৰি। মুঠতে ক'ব পাৰি যে মানৱীয় সংস্কৃতি সম্পৰ্কে জানিবলৈ সাহিত্যৰ আশ্ৰয় ল'বই লাগিব।

সাহিত্যৰ এনে প্ৰয়োজনীয়তাৰ কথা অনুভৱ কৰিব পাৰি একোখন গ্ৰন্থ বা আলোচনীৰ জৰিয়তে। সেইকাৰণে একোখন গ্ৰন্থ বা আলোচনীৰ মূল্য অপৰিসীম। সেইদৰে মহাবিদ্যালয় এখনতো আলোচনী এখন অতিকে প্ৰয়োজনীয়। আলোচনী এখনে ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল মনৰ পৰিচয় দাঙি ধৰিব পাৰে। সাহিত্যৰ বিশাল পথত অগ্ৰসৰ হ'বলৈ আলোচনী এখনে গুৰুত্বপূৰ্ণ ভূমিকা আগবঢ়াব পাৰে। সেয়ে মহাবিদ্যালয়ৰ আলোচনী এখনৰ গুৰুত্ব সৰ্বত্ৰতে আছে। তত্বাৱধায়কৰ দায়িত্ব লৈ অনুভৱ হৈছে সাহিত্যপ্ৰীতি যেন প্ৰাগ্‌জ্যোতিষ পৰিয়ালৰ হাড়ে হিমজুৰে লগা। ছাত্ৰ-ছাত্ৰীৰ সাহিত্য প্ৰীতি দেখি মই অভিভূত হৈছোঁ। ইয়াৰ ভিতৰত কবিতা আৰু প্ৰবন্ধৰ সংখ্যাই সৰহ। অন্যান্য দিশৰ সাহিত্য তুলনামূলক ভাবে কম। বহুতো ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ যোগেদি ন লেখক-লেখিকাৰূপে আত্মপ্ৰকাশ কৰিছে। সম্পাদনা সমিতিয়ে এই সকলো দিশলৈ লক্ষ্যৰাখি ছাত্ৰ-ছাত্ৰীৰ ৰচনাৰ গুণগত বৈশিষ্ট্যসমূহৰ প্ৰতি মূল্য দিবলৈ যত্ন কৰিছে। সীমিত কলেৱৰত আলোচনীখন প্ৰকাশ কৰি উলিয়াবলগীয়া হোৱা বাবে বহুতৰে লেখা ইয়াত স্থান দিব পৰা নগ'ল। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলৰ লেখনিৰ ইতিবাচক দিশটোৰ ওপৰতহে অধিক মূল্য দিয়া হৈছে। তত্বাৱধায়কৰ দায়িত্ব কষ্টপূৰ্ণ যদিও ইয়াৰ পৰা লাভ কৰা অভিজ্ঞতা মধুৰ।

প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৃষ্টিশীলতাৰ প্ৰতীক হ'ল মহাবিদ্যালয় আলোচনীখন। এখন আলোচনীৰ শ্ৰেষ্ঠতাৰ মূলতে ছাত্ৰ-ছাত্ৰীসকলৰ ভূমিকা যেনেদৰে গুৰুত্বপূৰ্ণ, ঠিক তেনেদৰে আলোচনীৰ সম্পাদক জনৰো ভূমিকা নুই কৰিব নোৱাৰি। সম্পাদিকা গৰাকী যত্নপৰ হোৱা বাবেহে আলোচনীখন পূৰ্ণাঙ্গ ৰূপত প্ৰকাশ পাইছে। এই ছেগতে সম্পাদনা মণ্ডলীৰ হৈ সম্পাদক শ্ৰীধৃতিকা দেৱীলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

আলোচনীখন প্ৰকাশ হোৱাত অনিচ্ছাকৃত বিলম্বক অকপটে স্বীকাৰ কৰি দু-আষাৰ লিখিবলৈ বাধ্য হ'লো। আলোচনীৰ সৌষ্ঠৱবৃদ্ধি কৰা প্ৰতিগৰাকীয়েই বিশেষভাৱে ধন্যবাদৰ পাত্ৰী। আলোচনী একোখন মহাবিদ্যালয়ৰ প্ৰাণৰ স্পন্দন; ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তন-মননৰ দাপোন, অস্তিত্বৰ প্ৰতিবিম্ব। তোমালোকৰ নিৰ্মল চিন্তাৰে পৰিপুষ্ট একোটি লেখা হয়তোবা প্ৰগতিৰ পথত আঁকি থৈ যোৱা একোডাল আমোঘ ৰেখা। সাহিত্যৰ মহান আদৰ্শই হৈছে মানৱৰ কল্যাণ, জগতৰ কল্যাণ। শেষত 'প্ৰাগ্‌জ্যোতিষীয়'ৰ মঙ্গল কামনা কৰি তত্বাৱধায়কৰ একলম্ মোখনি মাৰিলো।

**জয়তু 'প্ৰাগ্‌জ্যোতিষীয়'**

**ইন্দিৰা শইকীয়া বৰা**

**এপ্ৰিল, ২০১৬**

# সূচীপত্র


**সশ্ৰদ্ধ স্মৰণ**

| | | |
|---|---|---|
| ড° এ. পি. জে. আব্দুল কালাম ঃ এক বিৰল প্ৰতিভাৰ গৰাকী | অংগনা চক্ৰৱৰ্তী | ২১ |
| ইন্দ্ৰ বণিয়া ঃ এক প্ৰতিভা | ৰিকী কলিতা | ২৪ |
| ভেষজৰত্ন ড° গুণাৰাম খনিকৰ | অঞ্জলী দেৱী | ২৫ |

**অতিথিৰ একলম**

| | | |
|---|---|---|
| শঙ্কৰদেৱ আৰু অঙ্কীয়া নাট | ড° নগেন শইকীয়া | ২৬ |
| মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ জীৱনীভিত্তিক উপন্যাস | ড° আনন্দ বৰমুদৈ | ৩১ |
| শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচনাত নাৰী | ড° সুখ বৰুৱা | ৩৭ |
| আমি শিক্ষিত জাতিনে? | শশী শৰ্মা | ৪০ |

**সাক্ষাৎকাৰ**

| | | |
|---|---|---|
| ড° লক্ষ্মীনন্দন বৰাদেৱৰ সৈতে মুখামুখি | — | ৪৩ |
| সত্ৰীয়া সঙ্গীতজ্ঞ আৰু নৃত্যকাৰ পদ্মশ্ৰী শ্ৰীযতীন গোস্বামীৰ দেৱৰ সৈতে এখন্তেক | – | ৪৭ |

**প্ৰবন্ধ**

| | | |
|---|---|---|
| শিখধৰ্মৰ আদি কথা | ড° ভূপেন সিং | ৫০ |
| অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰণত বাতৰি কাকতৰ ভূমিকা ঃ এটি বিশ্লেষণ | অমৃত কুমাৰ উপাধ্যায় | ৫৫ |
| 'জীৱনৰ বাটত' উপন্যাসত নাৰী জীৱনৰ চিত্ৰ ঃ এক সামগ্ৰিক বিশ্লেষণ | ডলিতা কলিতা | ৫৯ |
| অসমীয়া সাহিত্য-সংস্কৃতিলৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান | চেতনা বৰ্মন | ৬৩ |
| আধ্যাত্মিকতাৰ উৎকৃষ্ট নিদৰ্শন ঃ ৰাসলীলা | মানসী কুমাৰ | ৬৬ |
| সংস্কৃত সাহিত্যত গদ্যৰ ধাৰা আৰু ইয়াৰ স্বৰূপ | প্ৰাণজিৎ তালুকদাৰ | ৬৮ |
| সাম্প্ৰতিক সমাজ জীৱনত মহাপুৰুষ শঙ্কৰদেৱৰ ধৰ্ম, দৰ্শন, আদৰ্শ আৰু শিক্ষা কিমান প্ৰাসঙ্গিক | কামাখ্যা প্ৰসাদ ডেকা | ৭২ |
| ব্ৰজাৱলী সাহিত্যৰ ধাৰা আৰু অসমৰ ব্ৰজাৱলী সাহিত্যত এভূমুকি | ড° ইন্দিৰা শইকীয়া বৰা | ৭৫ |
| সংস্কৃতৰ মহত্বপূৰ্ণ কথাবোৰ | ঋতুপৰ্ণা ঘোষ | ৮০ |
| ভট্টদেৱৰ কথা-ভাগৱত আৰু কথা-গীতাৰ গদ্যৰীতি | ড° কল্পনা তালুকদাৰ | ৮৩ |

**জীৱনীমূলক প্ৰবন্ধ**

| | | |
|---|---|---|
| ত্যাগ আৰু বিনয়ৰ প্ৰতীক অমলপ্ৰভা দাস | ড° সোণালী বুঢ়াগোহাঁই | ৮৬ |
| বুৰঞ্জীবিদ ড° সূৰ্যকুমাৰ ভূঞা (১৮৯২-১৯৬৪) | জেউতি বৈশ্য | ৯০ |

**শিল্পজগত**

| | | |
|---|---|---|
| মহাভাৰতৰ কাহিনীৰ লগত জড়িত এখন ছবি | সুদীপ্ত বৰকাকতি | ৯২ |

**সংস্কৃতি**

| | | |
|---|---|---|
| বিহু—এক সমাহৰণ উৎসৱ | নয়নতৰা চৌধুৰী | ৯৩ |
| অসমীয়া জাতি-জনজাতিৰ পৰম্পৰাগত সাজপাৰ | ৰিকী কলিতা | ৯৪ |
| অসমৰ কুটীৰ শিল্প আৰু ইয়াৰ ব্যৱসায় | প্ৰীতমজিৎ কাশ্যপ | ৯৬ |
| শুৱালকুছিৰ হস্ততাঁত শিল্প | মিলি আহমেদ | ৯৭ |

| | | |
|---|---|---|
| **সাম্প্ৰতিকী** | | |
| অন্ধবিশ্বাস আৰু কু-সংস্কাৰ | গীতা ৰায় | ৯৯ |
| যুৱপ্ৰজন্ম আৰু সমাজ | চয়নিকা বৰা | ১০০ |
| হিটলাৰৰ দেশত ''পৰীক্ষা'' | ড° চৈতন্য কুমাৰ ভৰদ্বাজ | ১০১ |
| বন্যজন্তু সংৰক্ষণ | প্ৰিয়ঙ্কা বনিয়া | ১০৩ |
| বৃহৎ নদীবান্ধৰ সমস্যা | ধীৰাজ কুমাৰ শৰ্মা | ১০৪ |
| **আইন** | | |
| একবিংশ শতিকাৰ আধুনিক ভাৰতত ন্যায়পালিকা সংস্কাৰৰ প্ৰয়োজনীয়তা | আচমিন চুলতানা | ১০৫ |
| **চুটি গল্প** | | |
| প্ৰতিদান | চাহিন হুছেইন | ১০৮ |
| আবেলি | ভাস্বতী দেৱী | ১১০ |
| আশা | কৰিশ্মা তালুকদাৰ | ১১২ |
| অৱসৰ | ৰিকী কলিতা | ১১৩ |
| নষ্টালজিয়া | শুভাঙ্কৰ বৰুৱা | ১১৫ |
| কুহেলিকা কুলশী পাৰৰ | পৰিস্মিতা দত্ত বৰুৱা | ১১৬ |
| **কৱিতা শিতান** | | |
| 'জীৱন' | ড° ইৰা দাস | ১১৮ |
| 'সুখৰ ঠিকনা' | জগদীশ পাটোৱাৰী | ১১৮ |
| নৌকা নামিছে, বৰষা | | |
| অভিমান | সৌৰভ শইকীয়া | ১১৯ |
| পোহৰ | গীতা ৰায় | ১২০ |
| মইতো তোমাৰ সোঁৱৰণীৰ সোঁৱৰণী নহওঁ | দেৱশ্ৰী শৰ্মা | ১২০ |
| অনুৰাধা | প্ৰশান্ত কুমাৰ হালদাৰ | ১২১ |
| 'অতীতৰ কিছুমান ধূসৰিত পৃষ্ঠা' | চঞ্চল সৰকাৰ | ১২১ |
| শৰতৰ বেলাত | সৃষ্টি চৌধুৰী | ১২২ |
| সিহঁত | চাহিন হুছেইন | ১২২ |
| ঠিকনা বিচাৰি | উদিত শৰ্মা | ১২৩ |
| হেঁপাহ | ধৰিত্ৰী দেৱী | ১২৩ |
| আবিৰ | নিশাৰাণী হাজৰিকা | ১২৪ |
| নষ্টনীড় | সঙ্গীতা দেৱী | ১২৪ |
| এমুঠি সুখৰ সন্ধান | চয়নিকা বৰা | ১২৪ |
| অৰুণিমা আজি হেনো তই যাৱিগৈ | হীৰেন চক্ৰৱৰ্ত্তী | ১২৫ |
| **গ্ৰন্থ সমালোচনা** | | |
| অধ্যাপক পৱন কুমাৰ বৰুৱাৰ 'অসমীয়া গদ্যশৈলী আৰু অন্যান্য' | ধৃতিকা দেৱী | ১২৬ |
| সেহি সব্যসাচী | ভাৱনা কলিতা | ১২৮ |
| **অনুভৱ/অভিজ্ঞতা** | | |
| যুৱ মহোৎসৱৰ অভিজ্ঞতা (১) | সঙ্গীতা ৰাজবংশী | ১৩০ |
| যুৱ মহোৎসৱৰ অভিজ্ঞতা (২) | ধীৰাজ কুমাৰ শৰ্মা | ১৩১ |
| **খেলজগত** | | |
| মেৰী কম ঃ উত্তৰ পূৰ্বাঞ্চলৰ গৌৰৱ | নিতুল নমঃশূদ্ৰ | ১৩২ |

# English Section


Pragjyotish College: A Peep into its Past with an Eye to the Future **Atanu Kr. Chowdhury** ১৩৭

A Glimpse at the Pragjyotish College Commerce Stream **Kabita Medhi** ১৪১

Status of Women in the Changing Social System of Ancient India **Dr. Pranati Sharma Goswami** ১৪৩

Alexander Graham Bell **Chetana Barman** ১৪৭

NITI AAYOG :A New Vibrant Plan Panel **Enamul Hasan** ১৪৮

MAKE IN INDIA: Major Initiatives and Some Success Stories **Dr. Bidyut Bikash Baishya** ১৪৯

Festival and its different categories: Special Reference to the Daul Utsava at Barpeta, Assam **Leena Medhi** ১৫১

Extensive Air Showers (EAS): A Probe for Mystery of the Universe **Dr. Runima Baishya** ১৫৫

Conservation of Wildlife **Rashmita Baruah** ১৫৭

Memorable Visit at Majuli: A Unique River Island **Bhaskar Borah** ১৫৮

The National Cadet Corps (NCC) **Surushree Patowary** ১৬০


**Poetry Section**


If you ask me my address or calling **Samindra Hujuri** ১৬১

Friendship

My Confused Life ... **Madhusmita Kakoti** ১৬২

Woman **Shaheen Hussain** ১৬৩

Love You ... MOM **Sristy Choudhury** ১৬৩

Reflections on Life **Enamul Hasan** ১৬৪

I was Orange, I was Autumn!! **Surushree Patowary** ১৬৪


**Essay**


Role of our Generation in Maintaining of Health and Hygiene **Surushree Patowary** ১৬৫


**Short Story**


Life in a City **Ipsita Dey** ১৬৭

The Marigolds and the Sweater **Bhaskar Borah** ১৬৮

সম্পাদকীয় প্ৰতিবেদন ১৭০



# অসমীয়া বিভাগ

সশ্ৰদ্ধ স্মৰণ

# ড° এ. পি. জে. আব্দুল কালাম ঃ এক বিৰল প্ৰতিভাৰ গৰাকী

অংগনা চক্ৰৱৰ্তী
স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ



*... বিশেষভাৱে তৰুণসকলৰ উদ্দেশ্যে মোৰ এয়াই বাৰ্তা যে তেওঁলোকৰ স্বতন্ত্ৰভাৱে চিন্তা কৰাৰ সাহস থাকিব লাগিব, উদ্ভাৱন আৰু অনাৱিস্কৃত পথ ভ্ৰমণ কৰাৰ সাহস থাকিব লাগিব, অসম্ভৱক আৱিষ্কাৰ কৰাৰ আৰু সমস্যাসমূহক জয় আৰু সাফল্য অৰ্জনৰ সাহস থাকিব লাগিব। এইবোৰ হৈছে বৃহৎ গুণাৱলী যাক আয়ত্ত কৰাৰ বাবে তেওঁলোকে কাম কৰিব লাগিব। এয়াই তৰুণ প্ৰজন্মৰ প্ৰতি মোৰ বাৰ্তা ...*

'যদি তুমি সূৰ্যৰ দৰে জিলিকিব বিচৰা, প্ৰথমতে সূৰ্যৰ দৰে জ্বলিবলৈ শিকা।' এই শাৰী বাক্যৰ বক্তা হ'ল সেইজনা মনীষী, যাৰ অনুপ্ৰেৰণাত যুৱপ্ৰজন্মই ৰচিব শিকিলে যুগান্তৰৰ সপোন। এইজনাই হ'ল আমাৰ আটাইৰে শ্ৰদ্ধাৰ মিছাইল মেন ড° এ. পি. জে. আব্দুল কালাম। তেখেত আছিল সাগৰৰ দৰে বিশাল আৰু গগনৰ দৰে বহল ব্যক্তিত্বৰ গৰাকী।

মিছাইল মেন'ৰ সম্পূৰ্ণ নাম আছিল ড° আবুল পাকিৰ জয়নাল আবেদীন আব্দুল কালাম। তেখেতৰ জন্ম হৈছিল ইং ১৯৩১ চনৰ ১৫ অক্টোবৰত দক্ষিণ ভাৰতৰ বিখ্যাত ৰাজ্য তামিলনাডুৰ তীৰ্থস্থান ৰামেশ্বৰমৰ ওচৰৰ ধনুস্কোভি নামে এখন সৰু গাৱঁত। তেখেতৰ পিতৃ-মাতৃৰ কোনো আনুষ্ঠানিক শিক্ষা দীক্ষা নাছিল যদিও তেওঁলোক আছিল উদাৰমনা। আৰু বুদ্ধিমান। কালামে সমগ্ৰ জীৱন জুৰি দেউতাকক অনুসৰণ কৰিবলৈ চেষ্টা কৰিছিল। ৰামেশ্বৰমতেই প্ৰাথমিক বিদ্যালয় এখনত তেওঁ শিক্ষা গ্ৰহণ কৰিছিল। তাৰ পিছত ৰামনাথপুৰমল শ্বাৰ্টজ হাইস্কুলত শিক্ষা গ্ৰহণ কৰি ত্ৰিচীৰ চেণ্ট জোচেফ্‌চ্ কলেজত ইণ্টাৰমিডিয়েটৰ শিক্ষা গ্ৰহণ কৰে। তাৰ পিছত মাদ্ৰাজ ইন্‌ষ্টিটুাট্ অৱ টে'ক্‌ন'লজীৰ পৰা ইঞ্জিনীয়াৰিংৰ ডিগ্ৰী লাভ কৰে। জ্ঞানৰ বিশাল জগতখনৰ পৰা তেওঁ অনাবিল আনন্দ লাভ কৰিছিল।

আব্দুল কালামৰ জন্ম হৈছিল অতি দৰিদ্ৰ পৰিয়ালত তেওঁৰ পিতৃ এজন নৌৰ ঘাটোৱাল আছিল। তেওঁলোক পৰিয়ালৰ সদস্যৰ সংখ্যাও সৰহ আছিল। সৰুৰে পৰা বহু ঘাত-প্ৰতিঘাতৰ মাজেৰে কালামৰ জীৱন অতিবাহিত হৈছিল। পঢ়া-শুনাৰ খৰচ উলিয়াবলৈ বা পিতৃৰ মুৰৰ পৰা খৰচৰ ভাৰ কমাবলৈ তেওঁ নিজেও কাম কৰিছিল। মাজে সময়ে তেওঁ বাতৰি যোগানিয়াৰৰ কাম কৰিও খৰচ উলিয়াইছিল। কষ্টৰ মাজেৰেও তেওঁ সপোন দেখিছিল সফল হোৱাৰ। তেওঁৰ চেষ্টাই নিজকে গঢ় দিছিল উজ্জ্বল ৰত্ন হিচাপে। সেয়ে এজন অখ্যাত ল'ৰাৰ পৰা তেওঁ হৈ পৰিছিল এজন প্ৰখ্যাত বিজ্ঞানী, ভাৰতৰ ৰাষ্ট্ৰপতি ওৰফে মিছাইল মেন।

কালাম আছিল সৰ্বগুণসম্পন্ন। এজন বিজ্ঞানী হৈয়ো তেওঁ কলা-সংস্কৃতিৰ

জগতখনৰ লগত বিশেষভাৱে জড়িত আছিল। গীত-বাদ্য তেওঁৰ অতিকৈ প্ৰিয় আছিল সেয়েহে আজৰি সময়ত তেওঁ সময় উলিয়াই কবিতা লিখিছিল। ৰাজনৈতিক জীৱন, বিজ্ঞান জগতৰ ব্যস্ততাৰ মাজতো তেওঁ কেবাখনো গ্ৰন্থ লিখি উলিয়াইছিল। তেওঁ লিখা গ্ৰন্থবোৰ হ'ল "ইণ্ডিয়া ২০২০ এ ৰিজন ফ'ৰ দ ন্যু মিলেনিয়ম", "মাই জৰ্ণি", 'ইগ্নটিভ মাইণ্ডস অনলীশিংগ দ পাৱঁৰ ৱিদিন ইণ্ডিয়া" "ইণ্ডিয়া—মায়ড্ৰীম', 'এনৰিজনিংগ অন এমপাৱৰ্ড নেশনঃ টেকনলজী ফ'ৰ চোচিয়েল ট্ৰান্সফ'ৰমেশন। তদুপৰি তেওঁৰ আত্মজীৱনী "উইংছ অৱ ফায়াৰ"খন তেওঁৰ দ্বাৰা ৰচিত এখনি উল্লেখযোগ্য গ্ৰন্থ।

বিজ্ঞানৰ জগতখনত আব্দুল কালামৰ নামটো সোণালী আখৰেৰে উজলি থাকিব। স্নাতক ডিগ্ৰী লাভ কৰাৰ পিছত কালামে ডি. টি. ভি. এণ্ড্ প্ৰডাকশ্যন জ্যেষ্ঠ বিজ্ঞানী সহায়কৰ পদত যোগদান কৰিছিল। ১৯৬২ চনত তেখেতে ভাৰতীয় অন্তৰীক্ষ অনুসন্ধান সমিতিত যোগদান কৰে আৰু তাতেই তেওঁ কেইবাটাও উপগ্ৰহ প্ৰক্ষেপন কাৰ্যত নিজৰ অৰিহনা প্ৰদান কৰে। ১৯৫৩ চনৰ ২১ নৱেম্বৰত তেওঁ ভাৰতৰ প্ৰথম ৰকেট 'নাইক-অপাচী' উৎক্ষেপন কৰে। ১৯৬৯ চনৰ ২০ নৱেম্বৰৰ দিনা তেওঁ পুনৰ "ৰোহিনী-৭৫' নামৰ ৰকেটটো উৎক্ষেপন কৰে। ইয়াৰে মাজভাগতে তেওঁ ড° বিক্ৰম ছাৰৰ সংস্পৰ্শলৈ অহাৰ সুযোগ লাভ কৰে আৰু ছাৰাভাইৰ অনুগ্ৰহতেই তেওঁ মহাকাশ গৱেষণাৰ ভাৰতীয় সমিতিৰ অভিযন্তা পদত নিযুক্ত হয়। ১৯৬৮ চনত তেওঁ ইণ্ডিয়ান ৰকেট ছোচাইটি' গঠন কৰে। ১৯৯২ চনৰ ৮ অক্টোবৰৰ দিনা তেওঁৰ প্ৰদেশৰ বেৰেলী এয়াৰ ফ'ৰ্ট ষ্টেচনত ৰাটো প্ৰণালীৰ সফল পৰীক্ষণ কৰিছিল। ইয়াৰ পৰীক্ষণ সুখোই—১৬ জেট্ এয়াৰক্ৰাফট্ৰ পৰা কৰা হৈছিল। এয়া আছিল বিজ্ঞানৰ জগতত কালামে পুতি যোৱা মাইলৰ খুটি। ১৯৮০ চনত তেওঁ শ্ৰীহৰিকোটৰ পৰা ভাৰতৰ প্ৰথম উপগ্ৰহ উৎক্ষেপন যান "এছ. এল. ভি—৩' উৎক্ষেপন কৰে। তাৰ ঠিক এবছৰ পিছতেই এছ. এল. ভি ৩ডি" উৎক্ষেপনত সফল হয়। ১৯৮২ চনৰ ফেব্ৰুৱাৰী মাহত কালামক "প্ৰতিৰক্ষা গৱেষণা বিকাশ সন্থা"ৰ সঞ্চালক পদত নিযুক্তি দিয়া হৈছিল তেওঁৰ সঞ্চলনাতেই ভাৰতবৰ্ষই ক্ষেপনাস্ত্ৰ বিজ্ঞানত বহুখিনি আগুৱাই যাবলৈ সক্ষম হৈছিল। ১৯৮৪ চনৰ ২৬ জুলাইৰ দিনা কালামে ভাৰতবৰ্ষক 'মিছাইল' প্ৰযুক্তিৰ দিশত নৱ পথৰ সন্ধান দিয়ে। তেওঁ ক্ষেপণাস্ত্ৰৰ পাঁচটা প্ৰকল্প স্থাপন কৰে। সেই প্ৰকল্পকেইটা ক্ৰমে—(১) নাগ, (২) পৃথ্বী, (৩) আকাশ, (৪) ত্ৰিশূল, (৫) অগ্নি। এই পাঁচোটা প্ৰকল্পই অত্যন্ত শক্তিশালী যদিও তাৰ ভিতৰত আটাইতকৈ শক্তিশালী আছিল 'অগ্নি'। ১৯৮৯ চনৰ ২০মে'ত তেওঁ 'অগ্নি' উৎক্ষেপন কৰে। অগ্নি হ'ল আন্তৰ্দেশীয় দূৰত্বভেদী ক্ষেপণাস্ত্ৰ। আমাৰ দেশৰ ৰকেট বিজ্ঞানৰ ইতিহাসত এয়া এক যুগান্তকাৰী ঘটনা হিচাপে পৰিগণিত হৈ ৰ'ব আৰু কালামৰ নামটো হৈ ৰ'ব চিৰযুগমীয়া। মিছাইল প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতবৰ্ষক স্বনিৰ্ভৰশীল কৰি তোলাৰ বাবে গোটেই বিশ্বতে তেওঁ 'ইণ্ডিয়ান মিচাইল মেন' হিচাপে খ্যাতি লাভ কৰিছিল।

এজন অসাধাৰণ বিজ্ঞানী হিচাপে জনাজাত হোৱা আব্দুল কালাম ৰাজনীতিৰ সৈতেও জড়িত আছিল। জনতাৰ স্বাৰ্থৰ হকে কাম কৰাটো তেওঁৰ বাবে এক প্ৰকাৰৰ সেৱা আছিল। ২০০২ চনৰ ১৮ জুলাইত ৯০ শতাংশ বহুমতেৰে সৈতে ড° আব্দুল কালাম ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছিল আৰু ২৫ জুলাইত তেওঁ ৰাষ্ট্ৰপতি পদত শপত গ্ৰহণ কৰিছিল। ২০০৯ চনৰ ২৯ জুলাইত তেখেতৰ কাৰ্যকাল সমাপ্ত হয়। দেশৰ সৰ্ব্বোচ্চ পদত অধিষ্ঠ হৈয়ো তেওঁ সদায় সাধাৰণভাৱেই থাকি ভাল পাইছিল। সাধাৰণ মানুহৰ দৰেই আড়ম্বৰ শূণ্য জীৱন যাপন কৰিছিল। তাৰ উৎকৃষ্ট নিদৰ্শন পোৱা যায় তেখেতে ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাৰ পিছত পোন প্ৰথমবাৰৰ বাবে কেৰালাৰ ৰাজভৱনলৈ যোৱাৰ সময়ত এজন মুচী আৰু এখন ক্ষুদ্ৰ হোটেলৰ মালিকক তেখেতৰ আমন্ত্ৰিত অতিথি হিচাপে আমন্ত্ৰিণ কৰা ঘটনাটিত। তেওঁৰ মতে নেতা হ'ব লাগে দূৰদৃষ্টি থকা আৰু আৱেগিক আৰু কোনো সমস্যাতে শংকিত

*... কালাম আছিল মানৱৰ প্ৰকৃত বন্ধু। জীৱনৰ অন্তিম দিনাও এজন সাধাৰণ সুৰক্ষাকৰ্মীৰ ওচৰত ক্ষমা খুজি তেওঁ দেশবাসীক দেখুৱাই গ'ল প্ৰকৃত মানবীয়তা। দেশৰ সৰ্বোচ্চ আসনত অধিষ্ঠিত হৈও এজন সাধাৰণ মানুহৰ দুখ-কষ্টৰ উমান পোৱা এইজনা মনীষীৰ ওচৰত ভাৰতবাসী সদায়েই কৃতজ্ঞ হৈ থাকিব ...*

নোহোৱা বিধৰ। সেয়ে হয়তো ৰাষ্ট্ৰপতি হিচাপে তেওঁ জনতাৰ মনত সদায়ে বৰ্তি থাকিব।

আব্দুল কালাম আছিল যুৱপ্ৰেৰণাৰ উৎস। কালামে যুৱ প্ৰজন্মক লৈ বহু সপোন ৰচিছিল। তেওঁৰ ধাৰণা মতে যুৱ প্ৰজন্মই হ'ল পৰিৱৰ্তনৰ একমাত্ৰ মাধ্যম। যুৱ প্ৰজন্মইহে ভাৰতবৰ্ষৰ এখনি নতুন ছবি দাঙি ধৰিব বুলি তেওঁ বিশ্বাস কৰিছিল। কিন্তু যুৱ প্ৰজন্মক উদাসীন মানসিকতাই তেওঁক অস্থিৰ কৰি তুলিছিল। কালামে যুৱ প্ৰজন্মৰ লগতে শিশুসকলৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিছিল। তেওঁ নিজৰ জীৱন কালছোৱাত কেইবাহাজাৰো ছাত্ৰ-ছাত্ৰীক লগ কৰিছিল। ছাত্ৰ-ছাত্ৰীৰ মাজতো তেওঁ আছিল বৰ প্ৰিয়। যুব প্ৰজন্মৰ অন্তৰত চেতনাবোধ, আত্মবিশ্বাস জগাই তোলাটোৱেই আছিল কালামৰ উদ্দেশ্য। দেশৰ হকে যুৱপ্ৰজন্মৰ মনত কিবা এটা কৰাৰ হাবিয়াস জন্মাবলৈ তেওঁ কিছুমান বাণীৰে যুৱপ্ৰজন্মক অনুপ্ৰেৰণা দি গ'ল। তেওঁ কৈছিল—'বিশেষভাৱে তৰুণসকলৰ উদ্দেশ্যে মোৰ এয়াই বাৰ্তা যে তেওঁলোকৰ স্বতন্ত্ৰভাৱে চিন্তা কৰাৰ সাহস থাকিব লাগিব, উদ্ভাৱন আৰু অনাৱিস্কৃত পথ ভ্ৰমণ কৰাৰ সাহস থাকিব লাগিব, অসম্ভৱক আৱিষ্কাৰ কৰাৰ আৰু সমস্যাসমূহক জয় আৰু সাফল্য অৰ্জনৰ সাহস থাকিব লাগিব। এইবোৰ হৈছে বৃহৎ গুণাৱলী যাক আয়ত্ত কৰাৰ বাবে তেওঁলোকে কাম কৰিব লাগিব। এয়াই তৰুণ প্ৰজন্মৰ প্ৰতি মোৰ বাৰ্তা।' ইয়াৰোপৰি ছাত্ৰ-ছাত্ৰীসকলক আগুৱাই নিবলৈ তেওঁ পিতৃ-মাতৃ আৰু শিক্ষকসকলক আহ্বান জনাই থৈ গৈছে। নৱপ্ৰজন্মক প্ৰকৃত আৰু আদৰ্শ পথৰ সন্ধান তথা তেওঁলোকৰ পৰিৱৰ্তন সাধন কৰাৰ ক্ষেত্ৰত একমাত্ৰ পিতৃ-মাতৃ আৰু লগতে শিক্ষকেহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। পিতৃ-মাতৃসকলৰ উদ্দেশ্যে তেওঁ কৈ গৈছে যে আহক আমি আমাৰ আজিৰ দিনটোক উৎসৰ্গা কৰো যাতে আমাৰ সন্তানসকলৰ বাবে কাইলৈৰ দিনটো উন্নততৰ হ'ব পাৰে।

আব্দুল কালামে নিজৰ জীৱন কালছোৱাত বিভিন্ন সন্মানেৰে বিভূষিত হৈছিল। ১৯৮১ চনত ভাৰত চৰকাৰে তেওঁক 'পদ্মভূষণ' সন্মান প্ৰদান কৰিছিল। ইয়াৰোপৰি ১৯৯০ চনত 'পদ্মবিভূষণ', ১৯৯৭ চনত 'ভাৰত ৰত্ন' আদি সন্মানেৰে বিভূষিত হৈছিল। এইবোৰৰ উপৰিও বিভিন্ন আন্তৰাষ্ট্ৰীয় সংস্থাৰ পৰাও ভিন ভিন সন্মানেৰে অলংকৃত হৈছিল।

কালাম আছিল মানৱৰ প্ৰকৃত বন্ধু। জীৱনৰ অন্তিম দিনাও এজন সাধাৰণ সুৰক্ষাকৰ্মীৰ ওচৰত ক্ষমা খুজি তেওঁ দেশবাসীক দেখুৱাই গ'ল প্ৰকৃত মানবীয়তা। দেশৰ সৰ্বোচ্চ আসনত অধিষ্ঠিত হৈও এজন সাধাৰণ মানুহৰ দুখ-কষ্টৰ উমান পোৱা এইজনা মনীষীৰ ওচৰত ভাৰতবাসী সদায়েই কৃতজ্ঞ হৈ থাকিব। বিজ্ঞানৰ জগতখনত কালামে ভাৰতবৰ্ষক অন্যান্য ৰাষ্ট্ৰৰ লগত সমানে ফেৰ মাৰিব পৰাকৈ স্থাপন কৰি গ'ল।

তেওঁ উত্তৰ-পূৰ্বাঞ্চলক খুব বেছি ভাল পাইছিল। সেয়ে হয়তো উত্তৰ-পূৰ্বাঞ্চলতেই তেওঁ শেষ নিশ্বাস ত্যাগ কৰিছিল। ২০১৫ চনৰ ২৯ জুলাই তাৰিখে শ্বিলঙৰ 'ৰাজীৱ গান্ধী ইণ্ডিয়ান ইনষ্টিটিউট অৱ মেনেজমেণ্ট'ত বক্তৃতা প্ৰদান কৰি থকাৰ সময়তেই তেওঁ মৃত্যুবৰণ কৰে। কালামৰ মৃত্যু সমগ্ৰ ভাৰতবাসীৰ বাবে এক অপূৰণীয় ক্ষতি। কিন্তু প্ৰতিজন ভাৰতবাসীৰ অন্তৰত কালাম সদায় জীৱন্ত হৈ থাকিব তেওঁ দি যোৱা আদৰ্শৰ মাজেৰে। মানৱৰ মৃত্যু হয় কিন্তু আদৰ্শৰ কেতিয়াও মৃত্যু নহয়। এইজনা মহান ব্যক্তিৰ জীৱন আদৰ্শ প্ৰত্যেকজন ব্যক্তিয়ে মনত ৰখা উচিত। সপোন দেখা আৰু সপোনক বাস্তৱত ৰূপায়িত কৰা এই দুয়েটি কথাই কালামে শিকাই থৈ গ'ল। তেওঁ কৈছিল—'আকাশলৈ চাওক। আমি অকলশৰীয়া নহয়। সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড আমাৰ প্ৰতি বন্ধুত্বমূলক আৰু কেৱল যিসকলে সপোন দেখে আৰু কাম কৰে তেওঁলোকক উৎকৃষ্টখিনি দিবলৈহে ষড়যন্ত্ৰ কৰে।' তেওঁৰ এই মহান আদৰ্শ আগত লৈ যুৱপ্ৰজন্মই আগবাঢ়িলে ভাৰতবৰ্ষই উন্নতিৰ উচ্চ শিখৰত উপনীত হ'বলৈ সক্ষম হ'ব। হে মনীষী, তোমাৰ চৰণ কমলত শতসহস্ৰ প্ৰণাম। ●





# ইন্দ্ৰ বণিয়া এক প্ৰতিভা

**ৰিকী কলিতা**
স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিক
অসমীয়া বিভাগ

সংস্কৃতি সমাজৰ দলিল স্বৰূপ। সংস্কৃতিৰ মাজেৰে অস্তিত্ব প্ৰকাশ পায় আৰু এই সংস্কৃতি, কলা, শিল্পক আৰু এখোপ আগবঢ়াই নিয়া অসমীয়া সাংস্কৃতিক জগতৰ এক উজ্বল নক্ষত্ৰ হ'ল শ্ৰদ্ধাৰ ইন্দ্ৰ বণিয়াদেৱ। তেখেত একেৰাহে অভিনেতা, নাট্যকাৰ, পৰিচালক শ্ৰদ্ধাৰ ইন্দ্ৰ বণিয়াদেৱে অসমীয়া সাংস্কৃতিক জগতখনক বহুক্ষেত্ৰত অৰিহণা যোগাইছিল। তেখেতক অসমীয়া চলচিত্ৰ জগতৰ হোতা বুলি ক'ব পাৰি। জীৱন কালৰ শেষ পৰ্যন্ত সাংস্কৃতিক জগত খনৰ লগত ওতঃপ্ৰোত ভাবে জড়িত থাকি অসমবাসীক দিয়া সাংস্কৃতিক অৰিহণাৰ বাবে তেখেতৰ ওচৰত আমি চিৰ কৃতজ্ঞ।

এনে এজন প্ৰতিভাসম্পন্ন সংস্কৃতিকৰ্মী ইন্দ্ৰ বণিয়াদেৱ আমাৰ শিক্ষামন্দিৰ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়তে কলেজীয়া শিক্ষা গ্ৰহণ কৰিছিল। ইন্দ্ৰ বণিয়া দেৱক প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী বুলি জানি নিশ্চয় প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে গৌৰৱানুভৱ কৰিব।

এই গৰাকী মহান শিল্পীৰ প্ৰতিভাসম্পন্ন জীৱনধাৰা সাংস্কৃতিক কৰ্মৰাজি সকলোৰে আগত দাঙি ধৰা হ'ল—

১৯৪২ চনত উত্তৰ লক্ষীমপুৰৰ চলপুৰগাৱঁত জন্ম গ্ৰহণ কৰা বণিয়াদেৱে ১৯৫৮ চনত স্কুলীয়া শিক্ষা শেষ কৰি উচ্চশিক্ষাৰ বাবে গুৱাহাটীলৈ আহে। কলেজীয়া শিক্ষা গ্ৰহণ কৰি থকা সময়ৰ পৰাই তেখেত সাংস্কৃতিক জগতৰ লগত একাত্ম হৈ পৰে। তেখেতৰ অভিনয় জীৱন আৰম্ভ হয় এজন কৌতুক অভিনেতা ৰূপে। তেওঁ এটা জনপ্ৰিয় কমেডী অনুষ্ঠানৰ যোগেদি অভিনয় জীৱন আৰম্ভ কৰিছিল। শিক্ষা শেষ কৰি তেওঁ অসম ৰাজ্যিক বৈদ্যুতিক বিভাগত চাকৰি কৰি ২০০২ চনত অৱসৰ গ্ৰহণ কৰে।

অসমৰ এটা জনপ্ৰিয় নাম ইন্দ্ৰ বণিয়াদেৱে অভিনয় প্ৰশিক্ষণৰ জগতো জড়িত থাকি বহুলোকক অভিনয়াগ্ৰহী কৰি তোলাৰ লগতে বহু সুদক্ষ অভিনেতাৰ জন্ম দিছিল। তেখেত 'অল ইণ্ডিয়া ৰেডিঅ'ৰ লগত নিয়মিতভাৱে জড়িত আছিল। বণিয়াদেৱে ১৯৬৪ চনত ৰেডিঅ'ৰ দ্বাৰা সম্প্ৰচাৰিত 'গোবৰ্ধন চৰিত' নাটখনৰ প্ৰথম অভিনয় কৰিছিল আৰু পিছত ৰেডিঅ'ৰ দ্বাৰা সম্প্ৰচাৰিত 'মইনাৰ সংবাদ' নামৰ অনুষ্ঠানটিৰ বাবে অধিক জনপ্ৰিয় হৈ পৰিছিল।

১৯৮৮ চনত জনপ্ৰিয় চলচিত্ৰ পৰিচালক জাহ্নু বৰুৱাৰ 'হালধীয়া চৰায়ে বাওধান খায়' ছবিখনৰ বাবে ইন্দ্ৰ বণিয়াদেৱক বাচনি কৰে। এইখন চলচিত্ৰৰ বাবে তেখেতক 'Silver Leopard Best Actor' বঁটাৰে চুইজাৰলেণ্ডত অনুষ্ঠিত 'Lacarno Film Festival'ত সন্মানিত কৰে। এইখন চলচিত্ৰৰ বাবে ১৯৮৮ চনত তেখেতে 'স্বৰ্ণ কমল বঁটা' লাভ কৰে। ২০০১ চনত তেখেত এখন Documentary চলচিত্ৰৰ বাবে Boston International Film Festivalত Best Documentary Award লাভ কৰে।

তেখেতে ৪০খনৰো অধিক অসমীয়া চলচিত্ৰত সুদক্ষ অভিনয় কৰি বিভিন্ন বঁটাগ্ৰহণ কৰাৰ লগতে দৰ্শকৰ বিপুল প্ৰশংসা বুটলিবলৈও সক্ষম হয়। তেখেতে অভিনয় কৰা চলচিত্ৰ সমূহ ক্ৰমে— (১) অপৰূপা (১৯৮২); (২) অগ্নিস্নান (১৯৮৫); (৩) হালধীয়া চৰায়ে বাওধান খায় (১৯৮৭); (৪) হলধৰ (১৯৯২); (৫) দমন (হিন্দী) (২০০১); (৬) (২০০৭); (৭) আই ক'ত নাই (২০০৮); (৮) আদালত; (৯) শ্ৰীমতী মহিমাময়ী; (১০) অপেক্ষা (হিন্দী); (১১) সেন্দুৰ; (১২) পূজা; (১৩) সূৰজ; (১৪) বহাগৰ দুপৰীয়া; (১৫) জেতুকী; (১৬) পাপৰি; (১৭) ধ্ৰুৱতৰা; (১৮) উত্তৰকাল; (১৯) ৰঙা মদাৰ; (২০) মীমাংসা; (২১) উৰ্বশী; (২২) যৌৱনে আমনি কৰে; (২৩) মৎসগন্ধা; (২৪) শেষ উপহাৰ; (২৫) কইনা মোৰ ধুনীয়া; (২৬) মৰমী হ'বানে লগৰী; (২৭) জাংফাই জোনাক; (২৮) ধুনীয়া তিৰোতাবোৰ; (২৯) সমীৰণ বৰুৱা আহি আছে।

তেখেতে ২০১০ চনত নটসূৰ্য ফণী শৰ্মা বঁটাৰে বিভূষিত হৈ অসমবাসীক গৌৰবান্বিত কৰে। এই গৰাকী সাংস্কৃতিক নক্ষত্ৰ অভিনেতা, পৰিচালক, নাট্যকাৰ ইন্দ্ৰ বণিয়াদেৱে যোৱাটো বছৰৰ (২০১৫ চনৰ) মাৰ্চ মাহৰ ২৫ তাৰিখ বুধবাৰ ৭২ বছৰ বয়সত গুৱাহাটীৰ হায়াত হস্পিতালত তেখেতৰ সহধৰ্মীনি মিনু বণিয়া (জনপ্ৰিয় অভিনেত্ৰী)ৰ লগতে পৰিয়ালবৰ্গ আৰু অসমবাসীক অকলশৰীয়া কৰি শেষ নিশ্বাস ত্যাগ কৰে।

ইন্দ্ৰ বণিয়াদেৱৰ মৃত্যু কেৱল সাংস্কৃতিক জগতখনৰে নহয় সমগ্ৰ অসমবাসীৰে এক বৃহৎ ক্ষতি যদিও মৃত্যুৰ লগ লোৱাৰ পাছতো তেখেতৰ শিল্পীক কৰ্মৰাজিৰ মাজেৰে প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সোণালী ইতিহাসত জিলিকি ৰ'ব আৰু প্ৰতিগৰাকী সংস্কৃতিপ্ৰেমী অসমবাসীৰ মনত চিৰদিন সাংস্কৃতিক জগতৰ এক উজ্বল নক্ষত্ৰ হৈ উজলি থাকিব। শেষত এই লেখাটিৰ দ্বাৰাই শ্ৰদ্ধেয় ইন্দ্ৰ বণিয়াদেৱলৈ প্ৰাগ্‌জ্যোতিষ পৰিয়ালৰ হৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো। ●

# ভেষজৰত্ন ডঃ গুণাৰাম খনিকৰ



**অঞ্জলী দেৱী**
**সহকাৰী অধ্যাপিকা**
**সংস্কৃত বিভাগ**

গোলাঘাট জিলাৰ আঠগাঁৰ মৌজাৰ চকৰধৰা গাঁৱৰ এটি খেতিয়কৰ পৰিয়ালত ১৯৪৯ চনৰ ২২ মাৰ্চ তাৰিখে ড০ গুণাৰাম খনিকৰে জন্ম গ্ৰহণ কৰে। খনিকৰৰ পিতৃৰ নাম চন্দ্ৰ খনিকৰ আৰু মাতৃৰ নাম দেৱেশ্বৰী খনিকৰ আছিল। সৰুৰে পৰাই খনিকৰে বনৌষধিৰ বিভিন্ন গছবনৰ লগত চিনাকি হোৱাৰ লগতে নানা ধৰণৰ সহজলভ্য বনদৰৱ শিকিবলৈ আৰম্ভ কৰে আৰু পিতৃ-মাতৃৰ পৰা এই দিশত প্ৰচুৰ প্ৰেৰণা লাভ কৰিবলৈ সক্ষম হয়। গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ত বিজ্ঞানৰ স্নাতক পৰ্যায়লৈকে শিক্ষা গ্ৰহণ কৰে আৰু ২০০১ চনত ইমানেহ ইউনিভাৰচিটিৰ পৰা মাষ্টাৰ ইন ইমানেহপেথিক (এম.ৱাই)ত সোণৰ পদকসহ উপাধি লাভ কৰে। তেখেতে সমগ্ৰ মানৱ জাতিৰ কাৰণে সেৱা আগবঢ়োৱাৰ উপৰিও বহুমূত্ৰ, মেলেৰিয়া আৰু বুকুৰ ধপ্‌ধপনি ৰোগৰ বনৌষধি উদ্ভাৱন কৰাৰ বাবে আহমেদাবাদৰ নেচনেল ইন'ভেচন ফাউণ্ডেচনে ২০০১ চনত নতুন দিল্লীত গুণাৰাম খনিকৰদেৱক ৰাষ্ট্ৰীয় পুৰস্কাৰেৰে সন্মানিত কৰে। ১৯৯৭ চনত অসম চৰকাৰে এক ৰাজহুৱা সম্বৰ্দ্ধনা জনোৱাৰ উপৰিও ভাৰতবৰ্ষৰ ৩৫০ টাতকৈও অধিক বে-চৰকাৰী তথা অনুষ্ঠান-প্ৰতিষ্ঠানে খনিকৰদেৱক সম্বৰ্দ্ধনা জ্ঞাপন কৰে আৰু খনিকৰক বনৌষধিৰ ৰজা, বনৌষধিৰ সম্ৰাট, মানৱমিত্ৰ, ভেষজ-ৰত্ন, বনৌষধিৰ বিশেষজ্ঞ, মানৱতাবাদী, বনৌষধিৰ বিজ্ঞানী, বনৌষধিৰ আচাৰ্য আদি উপাধিৰে বিভূষিত কৰে।

সৰুৰে পৰাই তেখেতে বনৌষধিৰ চৰ্চা কৰি আহিছে যদিও ১৯৭০ চনৰ পৰাহে একানপতীয়াকৈ বনৌষধিৰ চিনাক্তকৰণ, অধ্যয়ন, সংগ্ৰহ, সংৰক্ষণ, প্ৰচাৰ, প্ৰসাৰ আদি বিষয়ত অধিক গুৰুত্ব আৰোপ কৰি আহিছে। বৰ্তমানলৈকে বনৌষধিৰ বিষয়ত খনিকৰদেৱৰ ৩৪ খন কিতাপ প্ৰকাশ পাইছে আৰু ৮৫০ টাতকৈও অধিক লিখনি বিভিন্ন বাতৰি কাকত, আলোচনী, স্মৰণিকা আদিত প্ৰকাশ পোৱাৰ উপৰিও ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সভা আৰু প্ৰদৰ্শনীত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰি প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে। ১৯৯২ চনত গোলাঘাটৰ তেতেলী তলত 'ভাৰতীয় পাৰম্পৰিক চিকিৎসাৰ আঞ্চলিক গৱেষণা আৰু প্ৰশিক্ষণ কেন্দ্ৰ' প্ৰতিষ্ঠা কৰি বনৌষধিৰ প্ৰচাৰ, প্ৰসাৰ, অধ্যয়ন, সংৰক্ষণ, গৱেষণা আদিৰ জনসাধাৰণলৈ সেৱা আগবঢ়াইছিল। জীৱনৰ শেষ সময়ত তেখেতে ভলেণ্টৰী হেল্‌থ্ এছচিয়েচন অব অসমৰ চিনিয়ৰ প্ৰগ্ৰেম অফিচাৰ হিচাবে কাৰ্যনিৰ্বাহ কৰি আছে। খনিকৰদেৱে প্ৰস্তুত কৰি উলিওৱা বহুমূত্ৰ, বুকুৰ ধপ্‌ধপনি, উচ্চ ৰক্তচাপ, পিত্তৰোগ, পেটৰ ঘা, মেলিনা, কেঁচুমুৰীয়া, মেদৰোগ, দাঁতবিষ আদি ৰোগৰ বনদৰৱৰ দেশ-বিদেশত সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে।

খনিকৰদেৱে ২০১০ চনত ৰাষ্ট্ৰীয় গৌৰৱ এৱাৰ্ড (নতুন দিল্লী), ইণ্টাৰনেচনেল গ'ল্ডষ্টাৰ এৱাৰ্ড— ২৮ মে',২০১০ তাৰিখে (বেংকক, থাইলেণ্ড), ১৭ মে',২০১০ চনত 'গ'ল্ড এচিয়া ইণ্টাৰনেচনেল এৱাৰ্ড' (কাঠমাণ্ডু, নেপালত) লাভ কৰে। ২০১০ চনৰ ৩০ ডিচেম্বৰত থাইলেণ্ডৰ বেংককত ইণ্টাৰনেশ্যনেল ইনটেলেকচুৱেল এচিভমেণ্ট এৱাৰ্ড,২০১০-ত বঁটা আৰু প্ৰশস্তিপত্ৰ গ্ৰহণ কৰে। সমাজসেৱাৰ হকে জীৱনযোৱা সাধনাৰ বাবে বঁটা আগবঢ়ায়। ২০১৩ বৰ্ষৰ ২৭ ডিচেম্বৰত ডি.ৱাই-৩৬৫ দূৰদৰ্শন নেচনেল চেনেল যোগে খনিকৰদেৱ নিৰ্বাচিত হয় ২০১৩ বৰ্ষৰ অসমীয়াৰ আটাইতকৈ প্ৰভাৱশালী ব্যক্তি।

ড০ গুণাৰাম খনিকৰদেৱে নাট ৰচনাও কৰিছিল। একাংকিকা নাট কেইখন হৈছে— (ক) প্ৰৱঞ্চক, (খ) পৰিৱৰ্ত্তন, (গ) প্ৰেমলতা। ইয়াৰোপৰি তেখেতে 'সাধনাৰে অমৰ ৫০০ মহান ব্যক্তি' নামৰ এখন গ্ৰন্থও ৰচনা কৰিছে।

এইগৰাকী সমাজসেৱক সৰ্বগুণী ব্যক্তিক আমাৰ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগে ২০১৫ বৰ্ষৰ ৫ ডিচেম্বৰ তাৰিখে এটি কথিকাৰ বাবে আমন্ত্ৰণ জনোৱা হৈছিল। তেখেতে সংস্কৃত বিভাগত সেইদিনা অতি সাৰুৱা ভাষণ প্ৰদান কৰে। লগতে বনৌষধিৰ প্ৰয়োগ আৰু বিভিন্ন ৰোগৰ চিকিৎসাৰ বাবে ভাষণ আগবঢ়ায়। প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী সকলো উপস্থিত থাকি তেখেতৰ ভাষণৰ পৰা উপকৃত হয়।

এনে এগৰাকী গুণী ব্যক্তিয়ে ২০১৬ বৰ্ষৰ ৮ জানুৱাৰী তাৰিখে নশ্বৰদেহ ত্যাগ কৰে। উল্লেখযোগ্য যে প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সংস্কৃত বিভাগত দিয়া ভাষণেই তেখেতৰ শেষ ভাষণ আছিল। পাঁচ জানুৱাৰী ২০১৬ তাৰিখে তেখেতক আমি গুৱাহাটী গ্ৰন্থমেলাত লগ পাইছিলো আৰু আমাক সৰস্বতী বন্দনাটো বিচাৰিছিল কিন্তু পিছদিনাই তেখেত অসুস্থ হয় আৰু ৮ জানুৱাৰী তাৰিখে ডাউন টাউন হস্পিতেলত নিশা ১১ বজাত শেষ নিশ্বাস ত্যাগ কৰে। এইগৰাকী গুণী পুৰুষৰ সান্নিধ্য লাভ কৰিবলৈ পাই আমাৰ প্ৰাগ্‌জ্যোতিষ পৰিয়াল গৌৰৱান্বিত। শেষত তেখেতৰ প্ৰতি সশ্ৰদ্ধ প্ৰণাম আৰু শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ। ●

অতিথিৰ একলম

# শঙ্কৰদেৱ আৰু অঙ্কীয়া নাট

ড° নগেন শইকীয়া

।। এক।।

পঞ্চদশ-ষোড়শ শতিকাত ভাৰতবৰ্ষত যিসকল সন্তই নৱ-বৈষ্ণৱ আন্দোলনৰ জাগৰণ ঘটালে সেইসকলৰ ভিতৰত অসমৰ শ্ৰীমন্ত শঙ্কৰদেৱ (১৪৪৯-১৫৬৮) হ'ল অন্যতম। তেওঁ কেৱল এগৰাকী ধৰ্ম প্ৰচাৰক বা তত্ত্বজ্ঞ পণ্ডিতেই নাছিল, তেওঁ আছিল এগৰাকী নৱোন্মেষশালিনী প্ৰতিভাৰ অধিকাৰী কবি, গীতিকাৰ, সুৰকাৰ, গায়ক, নাট্যকাৰ, নাট্যকলা-বিশাৰদ, অভিনেতা, প্ৰযোজক, পৰিচালক, নৃত্যবিদ, নৃত্যৰচক, নৰ্তক, বাদ্যযন্ত্ৰী, বাদ্যবিদ, তাল-ৰচক, চিত্ৰকৰ, ভাস্কৰ, স্থপতি, এগৰাকী সমাজ সংগঠক আৰু সমাজ সংস্কাৰক। সেইবাবে তেওঁৰ প্ৰিয় শিষ্য শ্ৰীমাধৱদেৱে (১৪৮৯-১৫৯৬) তেওঁক 'সৰ্বগুণাকৰ' শব্দটিৰে অভিহিত কৰিছিল।



শ্ৰীমন্ত শঙ্কৰদেৱৰ এই অসাধাৰণ, মহৎ প্ৰতিভাৰ প্ৰতি লক্ষ্য কৰি বিংশ শতিকাৰ এগৰাকী প্ৰাচ্যতত্ত্ববিদ ড° বাসুদেৱশৰণ অগ্ৰৱালে কৈছে, "কবি আৰু স্ৰষ্টা অনেক আছে, অনেক আছে সন্ত আৰু ধৰ্মগুৰু; সংগীত-বিশাৰদ আৰু ধৰ্ম প্ৰচাৰকো অনেক আছে। কিন্তু শঙ্কৰদেৱ হ'ল এনে এক মহৎপ্ৰতিভা যাৰ অকলশৰীয়া ব্যক্তিত্বৰ মাজত এই সকলো গুণৰ সমাহাৰ হৈছিল।"

বিংশ শতিকাৰ এগৰাকী সুপ্ৰসিদ্ধ পণ্ডিত ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে কৈছে, "ভাৰতবৰ্ষই জন্ম দিয়া সৰ্বশ্ৰেষ্ঠ ধৰ্মগুৰুসকলৰ ভিতৰত প্ৰশ্নাতীতভাৱে শঙ্কৰদেৱো এজন; আৰু শঙ্কৰাচাৰ্য, ৰামানুজাচাৰ্য, বাসাভাপ্পা, ৰামানন্দ, কবিৰ চৈতন্য, মীৰাবাঈ, গুৰু নানক আৰু তুলসী দাসৰ লগত তেওঁৰ নাম একেলগে উল্লেখনীয়।"

ব্ৰিটিছ ভাৰতৰ এগৰাকী ভাইচৰয় লৰ্ড চেমছফ'ৰ্ডে কৈছিল, "চাৰিশ পঞ্চাছ বছৰমান পূৰ্বে বৈষ্ণৱ ধৰ্মৰ আন্দোলনে ভাৰতবৰ্ষৰ সকলোটিকে চৌৱাই পেলাইছিল। কিন্তু অসমত সেই আন্দোলন যিমান বলিষ্ঠ আৰু গভীৰ আছিল আন ক'তো সিমান হোৱা নাছিল।"

গান্ধীজীয়ে কৈছিল, "যি ধৰ্ম অৱলম্বন কৰি মই ৰামৰাজ্য কল্পনা কৰিছোঁ তাতোকৈ সুন্দৰ আৰ্হি শ্ৰীশঙ্কৰদেৱে অসমবাসীক দি গৈছে।"

কাকাচাহেব কালেকাৰৰ দৰে বিদ্বানে কৈছিল, "তেওঁ পূৰ্বৰ নহয়, সমগ্ৰ ভাৰতৰ এগৰাকী মহাপুৰুষ।" আচাৰ্য বিনোৱা ভাৱেই ক'লে, "মই বহুতো ধৰ্মৰ বিষয়ে অধ্যয়ন কৰিছোঁ; কিন্তু শঙ্কৰদেৱৰ ধৰ্মৰ নিচিনা উদাৰ ধৰ্ম এই পৰ্যন্ত ক'তো পোৱা নাই।" বিশ্ববিশ্ৰুত দাৰ্শনিক পণ্ডিত, ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ড° সৰ্বপল্লী ৰাধাকৃষ্ণনে কৈছিল, "শঙ্কৰদেৱ অসমৰ বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক। তেওঁ মূৰ্তি পূজাৰ, বলি-বিধানৰ আৰু বৰ্ণৰ ভিত্তিত সমাজ-বিন্যাসৰ বিৰোধিতা কৰি ভগৱান শ্ৰীকৃষ্ণৰ উপাসনা প্ৰচলন কৰিছিল।" আন এগৰাকী পণ্ডিত চৰ্দাৰ পাণিকাৰে কৈছিল, "শঙ্কৰদেৱে ভাৰতবৰ্ষক অসমলৈ সুমাই আনিলে, আৰু অসমক ভাৰতবৰ্ষৰ ভিতৰলৈ সুমাই নিলে।" উল্লেখযোগ্য যে যদি শঙ্কৰদেৱৰ সময়ত কোচবিহাৰ পৰ্যন্ত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকা তিনিখন স্বাধীন ৰাজ্যত বিভক্ত আছিল আৰু সমগ্ৰ অঞ্চল ভাৰতবৰ্ষৰ ৰাজনৈতিক মানচিত্ৰৰ অন্তৰ্ভুক্ত নাছিল, তথাপি আছিল ভাষিক-সাংস্কৃতিক ভাৰতবৰ্ষৰ অবিচ্ছেদ্য অংগ। শ্ৰীমন্ত শঙ্কৰদেৱে তেওঁৰ সমগ্ৰ ৰচনাৰ মাজত ছয়ছল্লিছ বাৰ ভাৰতৰ প্ৰশংসা কৰিছে। তেওঁ সংস্কৃত 'ভক্তি-ৰত্নাকৰ' গ্ৰন্থত 'ভাৰত ভূ প্ৰশংসা' নামৰ এটা অধ্যায় সংযোগ কৰি লৈছে।

দেশ-বিদেশৰ যিসকল গুণী-জ্ঞানীয়ে শঙ্কৰদেৱৰ বিষয়ে জানিছিল প্ৰত্যেকেই তেওঁৰ বিষয়ে উচ্চ মত পোষণ কৰিছিল। কিন্তু ভাৰতবৰ্ষৰ সৰ্বসাধাৰণ শিক্ষিতসকলৰো শঙ্কৰদেৱৰ বিষয়ে বিশেষ ধাৰণা নাই। বৰং শঙ্কৰদেৱ বুলি ক'লে বহু সময়ত তেওঁবিলাক শঙ্কৰাচাৰ্যৰ লগত বিভ্ৰান্তি ঘটায়।

।। দুই।।

চতুৰ্দশ শতিকাত কমতা (কোচবিহাৰ আৰু কামৰূপৰ একাংশকে ধৰি সেই সময়ৰ এটা বৃহৎ অঞ্চলক লৈ হোৱা স্বাধীন ৰাজ্য) ৰ ৰজা দুৰ্লভ নাৰায়ণে তেওঁৰ মিত্ৰ গৌড়ৰ ৰজাক কেইঘৰমান ব্ৰাহ্মণ আৰু কায়স্থ কমতালৈ পঠাবলৈ অনুৰোধ কৰে। গৌড়েশ্বৰে এই অনুৰোধ ৰক্ষা কৰি সাতঘৰ ব্ৰাহ্মণ আৰু সাতঘৰ কায়স্থক কমতালৈ পঠায়। সাতঘৰ কায়স্থৰ ভিতৰতে আছিল চণ্ডীবৰ। তেওঁবিলাক আছিল দেৱীপূজক শাক্ত। এই

চণ্ডীবৰ বা দেৱীদাসৰ পুত্ৰ ৰাজধৰ উজাই আহি বৰ্তমান নগাঁও জিলাৰ বৰদোৱাত বহিলহি আৰু তাত যথেষ্ট ভূ-সম্পত্তি অধিকাৰ কৰি, নিজৰ এখন ৰাজ্য পাতি 'শিৰোমণি ভূঞা' অৰ্থাৎ ৰাজ্যৰ গৰাকী হ'ল। এই ৰাজধৰৰে পুত্ৰ সূৰ্যবৰ, সূৰ্যবৰ আৰু তেওঁৰ পত্নী খেৰশুতীৰ পুত্ৰ কুসুম্বৰ আৰু এই কুসুম্বৰৰে পুত্ৰ শঙ্কৰদেৱ।

শঙ্কৰৰ শৈশৱতে পিতৃ কুসুম্বৰ আৰু মাতৃ সত্যসন্ধা স্বৰ্গী হোৱাত বুঢ়ীমাক খেৰশুতীয়ে তেওঁক প্ৰতিপাল কৰি ডাঙৰ-দীঘল কৰিলে।

বৰদোৱাৰ অনতিদূৰত থকা এগৰাকী পণ্ডিত মহেন্দ্ৰ কন্দলিৰ সংস্কৃত টোলত শঙ্কৰদেৱক বুঢ়ীমাকে ভৰ্তি কৰালে। আচাৰ্য মহেন্দ্ৰ কন্দলিৰ এই গুৰুকুল টোলৰ পাঠ্যক্ৰম আছিল বিশাল আৰু গধুৰ। বেদ-বেদান্ত, কাব্য, মহাকাব্য, পুৰাণ-উপপুৰাণ, চৈধ্যশাস্ত্ৰ আদি পাঠ্যক্ৰমৰ ভিতৰুৱা আছিল। শঙ্কৰে বৰ্ণমালা শিকাৰ সময়ৰে পৰা তেওঁৰ মেধা আৰু প্ৰতিভা দেখি গুৰু মহদ্ৰে কন্দলিয়ে তেওঁক 'ওজা ছাত্ৰ' স্বৰূপে চিনাক্ত কৰিলে আৰু তেওঁৰ নাম শঙ্কৰৰ পৰিৱৰ্তে 'শঙ্কৰদেৱ'লৈ পৰিৱৰ্তন কৰিলে। আঠবছৰ মহেন্দ্ৰ কন্দলিৰ টোলত শিক্ষা গ্ৰহণ কৰা শঙ্কৰদেৱে বেদান্তৰ তত্ত্বৰ মাজত জীৱন আৰু জগতৰ মূল উৎসৰ সন্ধান পালে আৰু তেওঁ লাভ কৰা শাস্ত্ৰজ্ঞানেৰে সেই সময়ৰ পুৰণি অসমত ধৰ্মৰ নামত চলি থকা তন্ত্ৰ-মন্ত্ৰ, যাদুবিদ্যা, পূজা-পাতল, বৰ্ণভেদ প্ৰথা, অনুষ্ঠানত থকা নানা আসুৰিকতা এইবিলাকৰ পৰিৱৰ্তন ঘটোৱাৰ প্ৰয়োজনীয়তা গভীৰভাৱে অনুভৱ কৰিবলৈ ধৰিলে। এইকথাও তেওঁ অনুভৱ কৰিলে যে বেদান্তৰ অদ্বৈত ব্ৰহ্মক সাধাৰণ নিৰক্ষৰ মানুহৰ বোধগম্য কৰোৱা টান। তেওঁ সেইবাবে দাৰ্শনিক তত্ত্ব-শিক্ষা দিয়াৰ পৰিৱৰ্তে শ্ৰীমদ্ভাগৱত পুৰাণৰ কৃষ্ণলীলাৰ আধাৰত ভক্তিধৰ্ম প্ৰৱৰ্তন কৰিবৰ কাৰণে আৰু কৃষ্ণ চৰিত্ৰৰ যোগেদিয়েই নিৰ্গুণ, নিৰাকাৰ, সৰ্বব্যাপ্ত ব্ৰহ্ম তথা ভগৱানৰ ধাৰণা আৰু বিশ্বাস প্ৰতিষ্ঠা কৰিবৰ কাৰণে যত্ন কৰিলে। তেওঁৰ এই ধৰ্মত ভাগৱত পুৰাণেই হ'ল কৃষ্ণৰ বাঙ্ময় মূৰ্তি। ইয়াত অন্য কোনো চাক্ষুষ মূৰ্তিৰ পূজা-পাতলৰ ব্যৱস্থা নাই। বৰং ভাগৱত পুৰাণৰ যোগেদি ভগৱৎ ভক্তি আৰু ভগৱৎ ভক্তিৰ মহিমা প্ৰচাৰেই হ'ল এই ধৰ্মৰ আধাৰ। ভগৱানৰ নাম শ্ৰৱণ আৰু কীৰ্তনেই হ'ল এই ধৰ্মৰ মাধ্যম। তেওঁ প্ৰৱৰ্তন কৰা এই ধৰ্মৰ নাম হ'ল 'নাম ধৰ্ম।' পৰৱৰ্তী কালত কোনো কোনোৱে ভাগৱতী ধৰ্ম, যিহেতু শ্ৰীমন্ত শঙ্কৰদেৱক 'মহাপুৰুষ' আখ্যাৰে সমকালীন সকলোৱে মান্য কৰিছিল কোনো কোনোৱে একশৰণ নামধৰ্ম আৰু কোনোৱে শঙ্কৰী ধৰ্ম বুলিও কয়।

জনসাধাৰণৰ মাজলৈ এই নৱবৈষ্ণৱ ভক্তি ধৰ্ম তথা নাম-ধৰ্ম বা ভাগৱতী ধৰ্ম লৈ যাবৰ বাবেই শ্ৰীমন্ত শঙ্কৰদেৱে সুকুমাৰ কলাৰ আটাইকেওটা অংগকে প্ৰয়োগ কৰিলে। তাৰ বাবে সুকুমাৰ কলাৰ আটাইকেইটি অংগৰ ওপৰত নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰি ল'লে আৰু অসমৰ ভৌগোলিক, প্ৰাকৃতিক, সামাজিক, সাংস্কৃতিক পৰিৱেশৰ লগত মিলাকৈ এই কলাসমূহৰ নতুন ৰূপ নিৰ্মাণ কৰি উলিয়ালে। তেওঁ ৰচনা কৰা নাট্যাৱলী তেওঁ পৰিকল্পনা কৰা নাটকৰ আহাৰ্য, বাচিক, সাত্বিক, আংগিক অভিনয়ৰ এই চতুৰংগ আৰু নৃত্য, গীত, বাদ্য এই সকলো উপাদানেৰে সমৃদ্ধ কৰি তুলিলে। শ্ৰীমন্ত শঙ্কৰদেৱৰ নাট্যাৱলী সম্পৰ্কে জনাৰ আগতে এই পৃষ্ঠভূমিৰ কথা জানিলেহে নাটকৰ ভাব, বিষয়, নিৰ্মাণ কৌশল আৰু লক্ষ্যৰ কথা পৰিষ্কাৰ হৈ উঠিব। ড° মহেশ্বৰ নেওগে অনুমান কৰে যে অসমীয়া ভাষাত লিখাৰ আগতে তেওঁ সংস্কৃত নাট লিখাৰ কিবা প্ৰয়াস হয়তো কৰিব পাৰে। কাৰণ সংস্কৃত নাটকৰ ঐতিহ্য প্ৰাক্ শঙ্কৰ যুগত অসমত অনুসৃত হোৱাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। ভাস্কৰবৰ্মাৰ ৰাজসভাত চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ সন্মানাৰ্থে আয়োজন কৰা নৃত্য-গীতৰ উল্লেখে অসমত প্ৰাচীন শাস্ত্ৰীয় নৃত্য-গীতৰ আৰু অভিনয় প্ৰচলন কৰাৰ ইংগিত বহন কৰে। তদুপৰি সংস্কৃত টোলসমূহত ভৰতৰ নাট্যশাস্ত্ৰ আৰু সংস্কৃত নাটক পাঠ্যক্ৰমত যে অন্তৰ্ভুক্ত হৈ আছিল সেই বিষয়ে সন্দেহ নাই। আনহাতে 'ওজাপালি'ৰ দৰে অনুষ্ঠান অসমত প্ৰাক্ শঙ্কৰ যুগৰ পৰাই প্ৰচলিত হৈ আহিছে। এই কথাও স্মৰণীয় যে শঙ্কৰদেৱৰ পিতৃ কুসুম্বৰ ভূঞা নিজেও সংগীতত পাৰদৰ্শী আছিল। উল্লেখযোগ্য, শঙ্কৰদেৱে বত্ৰিশ বছৰ বয়সত লগত কেইবাজনো সঙ্গীসহ ভাৰতবৰ্ষৰ তীৰ্থসমূহ ভ্ৰমণ কৰিবৰ কাৰণে ওলায়। তেওঁ উত্তৰ ভাৰতবৰ্ষৰ তীৰ্থসমূহ ভ্ৰমণ কৰাৰ *'কথা গুৰুচৰিত'*ত পোৱা যায় আৰু দীঘলীয়াকৈ তেওঁ ওড়িষাৰ পুৰীত বৈছিল। এই সময়ছোৱাত তেওঁ নৃত্য-গীত-অভিনয়ৰ বিভিন্ন আঞ্চলিক ৰূপৰ লগত আৰু ভাৰতীয় শাস্ত্ৰীয় নৃত্য-গীত-অভিনয়ৰ চাক্ষুষ পৰিচয় লাভ কৰাৰ সুযোগো ঘটিছিল। নৃত্য-গীত-বাদ্য-নাটক আৰু অভিনয় সম্পৰ্কে প্ৰাচীন অসমৰ ঐতিহ্যৰ পৰা পোৱা সমল, তীৰ্থ ভ্ৰমণৰ যোগেদি লাভ কৰা চাক্ষুষ অভিজ্ঞতা আৰু নাট্য শাস্ত্ৰকে ধৰি শাস্ত্ৰসমূহৰ অধ্যয়ন এই আটাইবিলাকেই নাট্যকলাক ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ উপযোগিতা সম্পৰ্কে তেওঁক যে প্ৰত্যয় দান কৰিছিল সেই সম্পৰ্কে সন্দেহ নাই।

।। তিনি ।।

তেওঁৰ চৰিতকাৰ সকলে পদ্য আৰু গদ্যত লিখা 'গুৰুচৰিত' সমূহত তেওঁ প্ৰথমে 'চিহ্নযাত্ৰা' ভাওনা কৰাৰ বিৱৰণ দিছে। শ্ৰীমদ্ভাগৱত পুৰাণৰ কৃষ্ণলীলা দৰ্শকক বুজাবৰ বাবে তেওঁ সপ্ত বৈকুণ্ঠৰ পট আঁকি চিহ্নযাত্ৰা ভাওনা কৰাৰ কথা বৰ্ণিত হৈছে। কিন্তু এতিয়ালৈকে এই চিহ্নযাত্ৰাৰ কোনো পাণ্ডুলিপি আৱিষ্কৃত হোৱা নাই। কোনো কোনোৱে এই ভাওনা তীৰ্থ ভ্ৰমণলৈ যোৱাৰ আগতেই তেওঁ কৰা বুলি উল্লেখ কৰিছে। কোনো কোনোৱে তীৰ্থৰ পৰা ঘূৰি আহি ভাওনা কৰা বুলি অনুমান কৰিছে। পিছৰ অনুমানটো অধিক গ্ৰহণযোগ্য কাৰণ চৰিতপুথিৰ মতেই তেওঁ তীৰ্থভ্ৰমণৰ পৰা আহি বৰদোৱাত গকুল, বৃন্দাবন আদিৰ যি বিৱৰণ দাঙি ধৰিছিল সেই বিৱৰণ শুনি সকলোটিয়ে কৃষ্ণলীলা চাওঁ বোলাত তেওঁ 'চিহ্নযাত্ৰা'ৰ এটি অভিনৱ পৰিকল্পনা কৰি উলিয়ালে। পণ্ডিত মহেশ্বৰ নেওগে লিখিছে, "গুৰুগৃহত ছাত্ৰৰূপী যি কাব্য আৰু নাট্যৰ জ্ঞান আহৰণ কৰিছিল আৰু বাৰ বছৰ তীৰ্থভ্ৰমণত যি অভিজ্ঞতা লভিছিল, তাৰ ওপৰত ভিত্তি কৰি 'চিহ্ন' নামে প্ৰথম অঙ্ক বা নাট লিখি তাৰ যাত্ৰা বা ভাওনা কৰে। এই 'চিহ্নযাত্ৰা'ই অসমীয়া সংগীত আৰু নাট্যকলাৰ এক অভূতপূৰ্ব অভিনয়-অধ্যায় আৰু ভাৰতীয় সংগীত আৰু নাট্য-সাহিত্যৰ বুৰঞ্জীৰ ই এটি নতুন

পাত মুকলি কৰি দিয়ে।”

এই ভাওনা কৰিবৰ বাবে তেওঁ বাদ্যযন্ত্ৰস্বৰূপে ‘খোল’ সাজি উলিয়ালে। ইয়াৰ আকাৰ আৰু গঠন প্ৰণালী মৃদঙতকৈ বেলেগ। ভাওনাত ব্যৱহাৰৰ কাৰণে তেওঁ নতুনকৈ বাদ্যৰ তাল আৰু বোল ৰচনা কৰিলে। কৃষ্ণলীলা দেখুৱাবৰ বাবে চৰিত্ৰসমূহৰ উপযোগীকৈ আহাৰ্য প্ৰস্তুত কৰিলে। হেঙুল, হাইতাল প্ৰস্তুত কৰি তুলাপাতত সাত বৈকুণ্ঠৰ ছবি আঁকিলে। জোঁৰ আৰু মহতা লগাই পোহৰৰ ব্যৱস্থা কৰিলে। সংস্কৃত নাটকৰ পূৰ্বৰংগৰ পৰিৱৰ্তে নাটখনত প্ৰয়োগ কৰিবলৈ লোৱা তাল আৰু বোলসমূহৰে নাট-ধেমালি, সৰু-ধেমালি, বৰ-ধেমালি, ৰাগ-ধেমালি, ঘোষা-ধেমালি আৰু দেৱ-ধেমালি এই বিভাজনেৰে অৰ্থৱহ সমূহীয়া বাদ্যসংগীতৰ ব্যৱস্থা কৰিলে। দেৱ-ধেমালিত তেওঁ নটা খোল অকলেই বজাইছিল বুলি তেওঁৰ জীৱনীগ্ৰন্থই কয়।

চিহ্নযাত্ৰা নাটকৰ পাণ্ডুলিপি নোপোৱাৰ বাবে সংলাপ, গীত, মাত কি আছিল সেই কথা কোৱা সম্ভৱ নহয়। বৰদোৱা গুৰুচৰিতত আছে, “এই কাৰ্যটিত সমুদায় মনুষ্য আচৰিত হৈ বিমোহিত হ’ল।”

চিহ্নযাত্ৰা ভাওনাৰ পিছতেই শংকৰ-প্ৰতিভাৰ প্ৰতি মানুহৰ গভীৰ ভক্তি উপজিল। তেওঁৰ শিক্ষাগুৰু মহেন্দ্ৰ কন্দলি, তেওঁৰ সহপাঠী বন্ধু ৰামৰাম গুৰু, ৰামৰামৰ ভায়েক চতুৰ্ভুজ, অন্যান্যসকলৰ ভিতৰত কৰ্ণপুৰ, কবিৰত্ন, বিদ্যাৰত্ন আৰু ৰামসৰস্বতীকে ধৰি ব্ৰাহ্মণ পণ্ডিতসকলে, শংকৰদেৱৰ পেহাক বুঢ়াখাঁকে ধৰি তেওঁৰ জ্যেষ্ঠসকলে আৰু কনিষ্ঠসকলে আৰু ছন্দৰী আইকে ধৰি মহিলাসকলে শংকৰদেৱক গুৰু মানি কৃষ্ণত শৰণ ল’লে।

পৰৱৰ্ত্তী কালত শংকৰদেৱে ছখন নাট ৰচনা কৰিলে। সেইকেইখন হ’ল কালিদমন, পত্নীপ্ৰসাদ, কেলিগোপাল, ৰুক্মিণীহৰণ, পাৰিজাত হৰণ আৰু ৰামবিজয় নাট। পত্নীপ্ৰসাদ, কালিদমন, কেলিগোপাল আৰু পাৰিজাত হৰণ নাটকৰ কাহিনীৰ আধাৰ হ’ল ভাগৱতৰ দশম স্কন্ধ। ৰুক্মিণী হৰণ নাটৰ আধাৰ হ’ল ‘হৰিবংশ’ত থকা আখ্যান আৰু ৰামবিজয় নাটৰ কাহিনীৰ আধাৰ হ’ল ৰামায়ণ। প্ৰসংগক্ৰমে এই কথা উল্লেখযোগ্য শংকৰদেৱৰ পূৰ্বে উত্তৰ ভাৰতবৰ্ষত আঞ্চলিক ভাষাত নাট ৰচনা হোৱা নাছিল। মৈথিলীত লিখা ‘পাৰিজাত হৰণ’ নামৰ নাটকখন মুখ্যতঃ সংস্কৃত ভাষা-প্ৰধান নাটক। এতেকে শংকৰদেৱ আছিল উত্তৰ ভাৰতবৰ্ষৰ দেশীয় ভাষাৰ প্ৰথম নাট্যকাৰ।

।। চাৰি ।।

শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰি যোৱা নাটকসমূহক অংকীয়া নাট বুলি কোৱা হয়। প্ৰসংগক্ৰমে উল্লেখযোগ্য মাধৱদেৱৰ নাটকেইখনিক চৰিতপুথিত ঝুমুৰা বুলি উল্লেখ কৰিছে। কিন্তু সমূহীয়াকৈ এইখিনিকো অংকীয়া নাট বুলিয়েই কোৱা হয়। শংকৰদেৱ-প্ৰণীত নাটসমূহ কোনো কোনো সময়ত ‘যাত্ৰা’ বুলিও কোৱা হৈছিল। ‘চিহ্নযাত্ৰা’, ‘কালিদমন যাত্ৰা’ আদিয়ে তাৰ ইংগিত দিয়ে। মাধৱদেৱৰ কেইখনি মূলতঃ গীতি নাটকৰ দৰে, আৰু আকাৰ সৰু। কেৱল ‘অৰ্জুন ভঞ্জন’ নাটখনিকহে পূৰ্ণাংগ নাট বুলিব পাৰি। মাধৱদেৱৰ নামত পোৱা নাটকেইখনি হ’ল ‘অৰ্জুন ভঞ্জন’, ‘চোৰধৰা’, ‘ভূমি লেটোৱা’ বা ‘ভূমি লুটিয়া’ ‘পিম্পৰা গুচোৱা’, ‘ভোজন-বিহাৰ’ ‘ব্ৰহ্মামোহন’, ‘ৰাসঝুমুৰা’, ‘ভূষণ হৰণ’, ‘কোটোৱা খেলা’।

প্ৰশ্ন হয়, শংকৰদেৱ আৰু মাধৱদেৱৰ নাটসমূহক অংকীয়া নাট বুলি কিয় কোৱা হয়। ‘নাট্যশাস্ত্ৰ’ত নাটক, প্ৰকৰণ, ভান, প্ৰহসন, ডিম, সমাবকাৰ, ঈহামৃগ, অঙ্ক বা উৎসৃষ্টিকাংক, ব্যয়োগ আৰু বীথি এই দশ ৰূপকৰ ভিতৰত অঙ্কও এবিধ ৰূপক। কিন্তু সংস্কৃত দশ ৰূপকৰ অঙ্কৰ লগত শংকৰদেৱ-মাধৱদেৱৰ অংকীয়া নাটৰ মিল নাই। তদুপৰি ‘নাটক’ শব্দৰ পৰিৱৰ্তে ‘নাট’ শব্দটোৰ প্ৰয়োগো মনকৰিবলগীয়া। ভাৰতবৰ্ষৰ আন কোনো ঠাইতে অংকীয়া নাট বুলি এইবিধ নাটক পোৱা নাযায়। ‘দশৰূপক’ৰ ‘অঙ্কৰ’ পৰা যিদৰে ‘অংকীয়া’ হোৱা নাই, তেনেদৰে ‘নাটক’ শব্দৰপৰাও ‘নাট’ শব্দটো ওলোৱা নাই। বৰং পণ্ডিত তীৰ্থনাথ শৰ্মাই কয় যে ‘নাট’ শব্দটোৰ মূল বৈদিক ‘নৰ্ত্ত’, ইয়াৰ পৰা ‘নট্ট’ শব্দটো ওলাইছে, আৰু ‘নট্ট’ শব্দৰপৰাই ‘নাট’ শব্দ ওলাইছে। দেখা যায় অংকীয়া নাটত গীত, শ্লোক, ভটিমা আৰু কথা তথা সংলাপ এই চাৰিটা প্ৰধান উপাদানৰ উপৰি আছে নৃত্য। অংকীয়া নাট, নৃত্য আৰু গীত প্ৰধান নাট। অংকীয়া নাটত চৰিত্ৰসমূহ প্ৰৱেশ কৰা, কোনো কাৰ্য কৰা বা যুদ্ধাদি কৰা এই সকলোবোৰৰ লগত নৃত্য জড়িত হৈ আছে। ইয়াৰ পৰাই ‘নাট’ শব্দটোৰ প্ৰয়োগ হোৱা বুলি ভবা হয়।

চৰিত পুথিত ভাওনা কৰাক ‘অঙ্ক কৰা’ বুলি কোৱা হৈছে। এতেকে অঙ্ক শব্দটোৱে নাটৰ কাহিনীভাগক বেলেগ বেলেগ ভাগত নভগাই এটা অঙ্কতে সামৰি অভিনয় কৰি দেখুৱাৰ বাবে ‘অঙ্ক কৰা বুলি কোৱা হৈছে—এই বুলিয়েই প্ৰত্যয় যাব পাৰি। অংকীয়া শব্দটোৰ ‘ঈয়া’ প্ৰত্যয় হ’ল ‘থকা অৰ্থ’ত বুজোৱা প্ৰত্যয়। সংস্কৃত নাটকৰ পঞ্চাঙ্কৰ বিপৰীতে শংকৰদেৱে নাটৰ কাহিনী অংশ কেবাটাও কল্পিত দৃশ্যত দেখুৱালেও এটা অঙ্কতে সম্পূৰ্ণ কৰিছিল বাবে শংকৰদেৱৰ পৰৱৰ্ত্তী সময়ত ‘অংকীয়া’ শব্দটোৰ প্ৰয়োগ হ’বলৈ ধৰে। এতেকে অংকীয়া নাট গনঠশৈলীৰ ফালৰ পৰা সংস্কৃত নাটকৰ গঠনশৈলীতকৈ পৃথক। সংস্কৃত নাটকৰ দৰেই অংকীয়া নাটত সূত্ৰধাৰ আছে। কিন্তু সংস্কৃত নাটকত সূত্ৰধাৰ আহি নাটকখনৰ বিষয় জ্ঞাপন কৰি মূল নাটক আৰম্ভ হোৱাৰ পূৰ্বেই নিষ্ক্ৰান্ত হয়। কিন্তু অংকীয়া নাটত সূত্ৰধাৰ আদিৰ পৰা অন্তলৈকে থাকে। অংকীয়া নাটত সূত্ৰধাৰৰ অৱস্থিতি আৰু কাৰ্যৰ লগত গ্ৰীক নাটকৰ কোৰাছ দলৰ আংশিক তুলনা হ’ব পাৰে।

অংকীয়া নাটত সূত্ৰধাৰে চৰিত্ৰৰ পৰিচয় আৰু কাহিনীৰ পৰিচয় শ্লোক আৰু গীতেৰে দিয়ে। অৰ্থাৎ সূত্ৰধাৰে নাটৰ কাহিনী আৰু দৰ্শকৰ মাজত সংযোজক স্বৰূপে তথা কাহিনী আৰু চৰিত্ৰৰ পৰিচয়জ্ঞাপক স্বৰূপে কাম কৰে। যিহেতু শংকৰদেৱৰ ঘাই লক্ষ্যই আছিল ভগৱৎ-ভক্তি আৰু ভগৱৎ-ভক্তিৰ মহিমা দৰ্শক-শ্ৰোতাৰ অন্তৰলৈ সঞ্চৰণ কৰা, এতেকে দৰ্শক-শ্ৰোতাৰ অন্তৰত সেই কথাই যাতে দকৈ সাঁচ বহুৱাব পাৰে সেই লক্ষ্য আগত ৰাখিয়েই সূত্ৰধাৰৰ দায়িত্ব সংস্কৃত নাটকতকৈ পৃথক কৰি তোলা হৈছে। আধুনিক কালত জাৰ্মান নাট্যকাৰ বাৰ্টল্ট ব্ৰেখ্‌টে প্ৰয়োগ কৰা নাট্যশৈলীৰ অংকীয়া নাট্য শৈলীৰ লগত আংশিক তুলনা হ’ব পাৰে।

সূত্ৰধাৰে অঙ্কীয়া নাটত প্ৰথমতে শ্লোকেৰে আৰম্ভ কৰি নাটকৰ মূল বিষয়সাৰৰ পৰিচয় দি নান্দী গীত গায়। নান্দী গীতৰ পিছত নাট চাবলৈ আৰু শুনিবলৈ সভাসদসকলক আহ্বান কৰি ভটিমা গায়, আৰু তাৰ পিছতে চৰিত্ৰৰ প্ৰৱেশৰ কথা ঘোষণা কৰে। পুনৰ গীতেৰে আৰম্ভ কৰি ক্ৰমাৎ চৰিত্ৰবিলাকৰ প্ৰৱেশৰ কথা ঘোষণা কৰে আৰু শ্লোক আৰু গীতেৰে পৰৱৰ্ত্তী বিষয়ৰ আভাস দান কৰে। তাৰ পিছত চৰিত্ৰৰ সংলাপ বা চৰিত্ৰই গোৱা গীত-পদৰ পিছত পুনৰ সূত্ৰধাৰে গীত পদ গাই পৰৱৰ্ত্তী বিষয়ৰ আভাস কথা আৰু শ্লোকেৰে দান কৰে। এনেভাৱে সূত্ৰধাৰে নাটকৰ গোটেই কাহিনী আগবঢ়াই নি থাকে আৰু নাটৰ শেষত কাহিনীৰ অন্তত শেষৰ কাহিনীৰ বৰ্ণনা দি শ্লোক, কথা আৰু গীতেৰে নাটৰ সামৰণি ঘোষণা কৰে। সূত্ৰধাৰৰ চৰিত্ৰত যিদৰে এহাতে সংস্কৃত নাটকৰ সূত্ৰধাৰৰ আৰ্হি দেখা যায়, তেনেদৰে লক্ষণসমূহত দেখা যায় অসমৰ ওজাপালি আৰু পুতলা নাচৰ ওজাৰ কিছু লক্ষণ। অঙ্কীয়া নাটত সূত্ৰধাৰ সেইবাবে সংস্কৃত নাটৰ সূত্ৰধাৰতকৈ স্বাভাৱিকতে পৃথক হৈ আহিছে আৰু তেওঁ এগৰাকী গায়ক আৰু ব্যাখ্যাকাৰলৈ ৰূপান্তৰিত হৈছে।

অঙ্কীয়া নাটৰ শ্লোক, গীত, সূত্ৰ আৰু কথা এই যে চাৰিটা উপাদানৰ কথা কোৱা হৈছে তাৰ ভিতৰত গীতৰ প্ৰাধান্য স্বাভাৱিকতেই চকুত পৰা। অঙ্কীয়া নাটৰ ই এটা প্ৰধান বিশেষত্ব। অৰ্থাৎ নাটৰ ঘাই বাণী গীতেৰে, কথাৰে, সূত্ৰৰে, শ্লোকেৰে যিকোনো প্ৰকাৰে শ্ৰোতা-দৰ্শকৰ অন্তৰলৈ সুমাই দিবই লাগিব এই লক্ষ্য সহজেই অনুমান কৰি ল'ব পাৰি।

অঙ্কীয়া নাটৰ ভাষা আন এটি উল্লেখযোগ্য দিশ। অঙ্কীয়া নাটৰ ভাষা দৰাচলতে এটা কৃত্ৰিম ভাষা। অসমীয়া ভাষা আধাৰ কৰি লৈ ব্ৰজধামৰ ভাষাৰ কিছু উপাদান প্ৰয়োগ কৰি এই ভাষা শঙ্কৰদেৱে নিৰ্মাণ কৰিলে। এনে কৰাৰ দুটা ঘাই কাৰণ আছিল। প্ৰথমটো হ'ল কৃষ্ণ-কথা যদি সাধাৰণ মানুহৰ মুখৰ কথা নহৈ কৃষ্ণৰ জীৱনৰ লগত জড়িত ব্ৰজধামৰ ভাষাৰ দৰে কৰি ল'ব পাৰি তেতিয়া স্বাভাৱিকতে চৰিত্ৰ, বিষয় আৰু ঘটনাৱলীক লৌকিকতাৰ উৰ্দ্ধলৈ নিব পাৰি। অৰ্থাৎ সেই কাহিনী চৰিত্ৰ বা ঘটনাৱলী সাধাৰণ মানুহ-জড়িত কাহিনী হৈ নাথাকি দেৱতা-জড়িত কাহিনীৰ দৰে হৈ উঠে। সাধাৰণ দৰ্শক-শ্ৰোতাৰ মনত এনে ভাষাই এটা ডাঙৰ প্ৰভাৱ পেলাব পাৰে। দ্বিতীয়তে মৈথিলী ভাষাৰ বা বজ্ৰধামৰ ভাষাৰ এই ৰূপটোৰ লগত বংগ, বিহাৰ, ওড়িষা আৰু অসমৰ এটা ঘনিষ্ঠ পৰিচয় আছে। তদুপৰি হিন্দীৰ লগতো মৈথিলী ভাষাৰ পৰিচয় ওচৰ চপা। এতেকে ব্ৰজাৱলী মিশ্ৰিত এনে ভাষাৰ ব্যৱহাৰ নাটকেইখনক অসমৰ সীমাৰ মাজতে আৱদ্ধ নাৰাখি বাকীকেইটা অঞ্চলৰ লোকৰ মাজলৈ লৈ যোৱাৰ এটা সুযোগ ওলাব পাৰে। শঙ্কৰদেৱে নিৰ্মাণ কৰি উলিওৱা এই ভাষাটো অসমত 'ব্ৰজাৱলী' নামে পৰিচিত। লৌকিক ভাষাতকৈ বেলেগ এই ভাষাৰ এটা নিজস্ব আকৰ্ষণ আছে। অঙ্কীয়া নাটৰ ভাষাৰ এই ৰূপটোও মন কৰিবলগীয়া। অৱশ্যেই ইয়াৰ মাজত ঘৰুৱা অসমীয়া শব্দৰ ঠায়ে ঠায়ে প্ৰয়োগো আছে আৰু শিষ্ট বা মান্য অসমীয়াৰ শব্দও আছে। ব্যাকৰণৰ ফালৰ পৰা এই ভাষাৰ ব্যাকৰণ স্বাভাৱিকতেই মধ্যযুগৰ অসমীয়া ব্যাকৰণৰদ্বাৰা প্ৰভাৱিত।

অঙ্কীয়া নাটত গীত দুবিধ আছে। এবিধ ভাৰতীয় ৰাগ সংগীতৰ চৰিত্ৰৰ গীত আৰু আনবিধ সাধাৰণ পয়াৰ। প্ৰৱেশৰ গীত সাধাৰণতে সিন্ধুৰা ৰাগত গোৱা হয়। চৰিত্ৰৰ ভাবানুভূতি প্ৰকাশৰ বাবে আৰু তেওঁবিলাকৰ কাৰ্যাদিৰ পৰিচয় বুজাবৰ বাবে সংলাপৰ মাজে মাজে গীত গোৱা হয়। আনহাতে পয়াৰবিলাক বিশেষকৈ কৰুণ ৰস সৃষ্টিৰ বাবেহে চৰিত্ৰৰ দ্বাৰা গোৱা হয়।

নাটত ব্যৱহৃত শ্লোকবিলাক তিনিটি ভাগত ভগাই ল'ব পাৰি। নান্দী শ্লোক, কাহিনী আৰু চৰিত্ৰৰ ভাব তথা কাৰ্যাৱলী বুজোৱা শ্লোক আৰু নাটকৰ বিষয়ৰ পৰিচয় জনোৱা আৰু শেষত সামৰণি মৰা শ্লোক। সংস্কৃত নাটকৰ নান্দীৰ লগত অঙ্কীয়া নাটৰ নান্দী শ্লোকৰ চৰিত্ৰগত মিল আছে। অঙ্কীয়া নাটৰ নান্দীত দুটা শ্লোক থাকে আৰু পদৰ সংখ্যা থাকে আঠটা। এই দুটি শ্লোকত পৰম ব্ৰহ্মস্বৰূপ শ্ৰীকৃষ্ণক বা শ্ৰীৰামক স্তুতি কৰা হয়। প্ৰথম স্তুতি সাধাৰণতে ভক্তি-মিশ্ৰিত প্ৰশংসাসূচক আৰু দ্বিতীয়টিত নাটকৰ বিষয়ৰ আভাসসূচক।

অঙ্কীয়া নাটৰ ভটিমা আন এটি বিশেষ উপাদান। ভটিমাৰো তিনিটা শ্ৰেণী আছে। শ্ৰীকৃষ্ণ, ৰাম বা শ্ৰীৰামৰ স্তুতিবাচক ভটিমা আৰু নান্দীৰ দৰে মংগলাচৰণ সূচক ভটিমা। আনহাতে সংস্কৃত নাটকত যিদৰে নাটকৰ শেষত 'ভৰতবাক্য' স্বৰূপ মোখনি মৰা শ্লোক থাকে অঙ্কীয়া নাটত তেনে চৰিত্ৰৰ 'মুক্তিমংগল ভটিমা' থাকে। তৃতীয়তে কোনো নাটত থকা ভাট বা সংবাদ কঢ়িওৱা লোকৰ মুখত ভটিমা সংযোগ কৰা হয় নাইবা নাটৰ চৰিত্ৰৰ মুখতো ভটিমা থাকিব পাৰে। ভটিমাৰ যোগেদি নায়ক বা নায়িকাৰ ৰূপ-গুণৰ বৰ্ণনা, কাৰ্য আৰু দায়িত্ব সম্পৰ্কে আভাস দাঙি ধৰা হয়।

অঙ্কীয়া নাটৰ কথাভাগকো দুটা ভাগত ভগাব পাৰি। এটা হ'ল কথাসূত্ৰ য'ত সূত্ৰধাৰে পৰিচয়জ্ঞাপক বা নিৰ্দেশাত্মক বিষয় উত্থাপন কৰে, আৰু দ্বিতীয়টি হ'ল চৰিত্ৰৰ ৰচনা বা সংলাপ। এই ভাষাও দৰাচলতে 'ব্ৰজাৱলী' ভাষাতে ৰচিত, আৰু গদ্য হ'লেও ই ছন্দময় আৰু কবিত্বময়। দৰাচলতে অঙ্কীয়া নাট শ্লোক, গীত আৰু কবিত্বময় তথা ছন্দময় কথাৰ লগত নৃত্যৰে পৰিপূৰ্ণ একোখনি নাটক। সেইবাবে গঠনৰ ফালৰ পৰাই ই সংস্কৃত নাটকৰ গঠনৰ পৰা সম্পূৰ্ণ পৃথক। এটা অঙ্কতে বিভিন্ন স্থান আৰু কালৰ ঘটনাৱলী ক্ৰমান্বয়ে শেষ লক্ষ্যলৈ লৈ যাব পৰাকৈ সূত্ৰধাৰৰ যোগেদি গাঁথি পেলোৱা হয়। এনেভাৱেই শঙ্কৰদেৱে এটা বিশিষ্ট নাট্যৰূপ গঢ়ি তুলিলে। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে পঞ্চদশ-ষোড়শ শতিকালৈকে আমি লিখিত গদ্যৰ নিদৰ্শন নাপাওঁ। কেৱল অসমীয়া ভাষাতে নহয় বাংলা, ওড়িশা, মৈথিলী, হিন্দী আদি ভাষাতো পোৱা নাযায়। অঙ্কীয়া নাটতেই প্ৰথম সূত্ৰধাৰৰ কথা আৰু চৰিত্ৰৰ সংলাপৰ মাজত গদ্যৰ নিদৰ্শন ফুটি উঠে। সেইফালৰ পৰা অঙ্কীয়া নাটৰ গদ্য এই সমগ্ৰ উত্তৰ ভাৰতীয় ভাষাসমূহৰ মাজৰ প্ৰথম গদ্য বুলি ক'ব পাৰি।

বৌদ্ধধৰ্ম প্ৰচাৰৰ বাবে যিদৰে প্ৰাকৃতৰ আধাৰত নৱনিৰ্মাণ কৰি পালি ভাষা ব্যৱহাৰ কৰা হৈছিল তেনেদৰে শঙ্কৰদেৱেও এক শৰণ নাম-ধৰ্ম বা ভাগৱতী ধৰ্ম প্ৰচাৰ কৰিবৰ বাবে এই ভাষাটো সৃষ্টি কৰি লৈছিল। ই দৰাচলতে ব্ৰজাৱলীৰ উপাদানেৰে নব্যৰূপ দিয়া অসমীয়া ভাষা।

উল্লেখ কৰি অহা হৈছে যে অঙ্কীয়া নাট হ'ল নৃত্য গীত-প্ৰধান নাটক। উল্লেখযোগ্য যে ভাৰতীয় ৰাগ সংগীত আৰু ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ আধাৰত শঙ্কৰদেৱে নৃত্য আৰু গীত ৰচনা কৰিছে। এটা বিশেষভাৱে লক্ষ্য কৰিবলগীয়া কথা এয়ে যে ভাৰতীয় ৰাগ সংগীত আৰু শাস্ত্ৰীয় নৃত্য বিশেষভাৱে প্ৰশিক্ষিত গায়ক আৰু নৰ্তক-নৰ্তকীসকলেহে মন্দিৰ প্ৰাঙ্গণত গাইছিল আৰু নাচিছিল। কিন্তু শঙ্কৰদেৱে ৰচনা কৰা নৃত্য, গীত, অভিনয় তেওঁ প্ৰৱৰ্তন কৰা ধৰ্মৰ অংগস্বৰূপে সকলো ভকতে চৰ্চা আৰু অনুশীলন কৰাটো বাধ্যতামূলক আছিল। সেই সময়ৰ নিৰক্ষৰ সাধাৰণ লোকসকলে অনুশীলন কৰিব পৰাকৈ শঙ্কৰদেৱে এই শাস্ত্ৰীয় নৃত্য-গীতৰ এটি নব্য ৰূপ নিৰ্মাণ কৰি উলিয়াইছিল। ভাৰতীয় শাস্ত্ৰীয় নৃত্য-গীতৰ উত্তৰ ভাৰতীয় আৰু দক্ষিণ ভাৰতীয় এই দুটি ধাৰাতকৈ কিছু নিজস্বভাৱে পৃথক এই ধাৰাটিত পূৰ্বী ধাৰা বা পূৰ্বভাৰতীয় ধাৰা বুলিব পাৰি। শঙ্কৰদেৱে ৰচনা কৰা বৰগীত আৰু নাটৰ গীত এই দুয়োবিধ গীতেই ৰাগভিত্তিক হোৱা সত্ত্বেও নিজস্ব বৈশিষ্ট্যৰে এই গীতবিলাক প্ৰতিভাত হৈ আছে।

নৃত্যৰ ক্ষেত্ৰতো দেখা যায় ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ কৰণকে ধৰি যিবিলাক নৃত্য সাধনাৰ আৱশ্যকীয় আধাৰ, শঙ্কৰদেৱে এই কৰণসমূহ তেওঁৰ নৃত্যত ব্যৱহাৰ কৰিছিল। কিন্তু এই কৰণসমূহৰ সংস্কৃত নামৰ ঠাইত সৰ্বসাধাৰণ ভকতসকলে বুজিব পৰাকৈ থলুৱা বিষয়ৰ লগত সংগতি ৰাখি নামকৰণ কৰিছিল। তদুপৰি য'ত যেনেভাৱে প্ৰয়োজন হয় সেইমতে ৰূপ দি লৈছিল। পুৰুষ আৰু নাৰীৰ নৃত্যৰ ক্ষেত্ৰত অৱস্থান গ্ৰহণ কৰাৰ পৰা বিশিষ্ট পৃথক ৰূপ এনেভাৱে প্ৰয়োগ কৰিছিল যে কোনটো পুৰুষ নৃত্য আৰু কোনটো নাৰীৰ নৃত্য হ'ব পাৰে সহজেই চিনিব পৰা হয়। প্ৰসংগক্ৰমে উল্লেখযোগ্য যে নাৰীৰ নৃত্য আৰু অভিনয় যুৱক ভকতৰ হতুৱাই কৰোৱা হৈছিল। নৃত্য, গীত আৰু অভিনয়ত নামঘৰৰ ভিতৰত নাৰীক অংশ গ্ৰহণ কৰিবলৈ দিয়া হোৱা নাছিল। অৱশ্যে নাৰীয়ে নামকীৰ্তন কৰাত কোনো বাধা নাছিল।

শঙ্কৰদেৱে নামকীৰ্তনৰ বাবে আৰু ধৰ্মালোচনাৰ বাবে নামঘৰৰ স্থাপত্য নিজৰ আৰ্হিৰে নিৰ্মাণ কৰাই লৈছিল। এই নামঘৰৰ পূবত আছিল ভাগৱত প্ৰতিষ্ঠাৰ বাবে মণিকূট আৰু এই মণিকূটৰ পশ্চিমত লগালগিকৈ আছিল নামঘৰ। নাটৰ ভাওনা নামঘৰৰ ভিতৰৰ মাজৰ অংশত কৰা হয় আৰু দুয়োফালে দৰ্শকসকল বহে। নাট এখন এনেভাৱে অভিনয় কৰোৱাটো সম্পূৰ্ণ ধৰ্মীয় আনুষ্ঠানিকতাৰে কৰোৱা হয়। অভিনয় কৰিবলৈ লোৱা নাট 'মণিকূট'ৰ ভাগৱতৰ আসনৰ ওচৰত সভক্তিৰে ৰখা হয় আৰু যিদিনা এই নাট অভিনয়ৰ বাবে মেলা হয় নাটখনি সভক্তিৰে খোল আৰু তালৰ নিৰ্দিষ্ট বাদ্য বজাই নামঘৰৰ ভিতৰৰ মাজভাগত উত্তৰ বা দক্ষিণফালে স্থাপন কৰি লোৱা হয়। 'নাট মেলা'ৰ অৰ্থাৎ আখৰা আৰম্ভ কৰাৰ দিনাও নাম প্ৰসংগ কৰিহে নাট মেলা হয়। আখৰা আৰম্ভ হোৱাৰ দিনাৰ পৰা প্ৰত্যেকেই নামঘৰলৈ আহোঁতে স্নানাদি কাৰ্য কৰি শুচি হৈ আহে আৰু আনুষ্ঠানিকভাৱে আখৰা আৰম্ভ আৰু শেষ কৰি আশীৰ্বাদেৰে প্ৰত্যেক ৰাতিৰে আখৰাৰ সামৰণি মাৰে।

যিদিনা অভিনয় হয় সেইদিনা গায়ন-বায়নৰ পৰা আৰম্ভ কৰি অভিনেতাসকলে লঘু আহাৰ কৰি প্ৰায় উপবাসে থাকে। ভাওনাত যেতিয়া চৰিত্ৰসমূহৰ প্ৰৱেশ হয় প্ৰথমতেই শ্ৰীকৃষ্ণ বা শ্ৰীৰামৰ প্ৰৱেশ ঘটে আৰু কৃষ্ণ আৰু ৰাম প্ৰৱেশ কৰাৰ লগে লগে দৰ্শকসকলে তেওঁক কৃষ্ণ বা ৰাম স্বৰূপেই গ্ৰহণ কৰি সেৱা কৰে। অভিনয়ৰ সামৰণি মুক্তিমংগল ভটিমা গোৱাৰ পিছত আশীৰ্বাদ কৰি অভিনয়ৰ সামৰণি মৰা হয়। অভিনয় হৈ যোৱাৰ কেইদিনমানৰ পিছত নাট সামৰা অনুষ্ঠান এটিও হয়। আখৰাৰ বাবে যিদৰে আনুষ্ঠানিকভাৱে নাট মেলা হয় অভিনয়ৰ পিছত আনুষ্ঠানিকভাৱে এদিন সন্ধ্যা 'নাট সামৰা' হয়। সেইদিনাও নাম-প্ৰসংগ কৰি আশীৰ্বাদ দিয়াৰ পিছত সমৱেতসকলে মাহ-প্ৰসাদ লৈ নাট সামৰা কাৰ্যসূচী সমাপন কৰে। অঙ্কীয়া ভাওনাৰ অভিনয়, নাট্যশাস্ত্ৰ-অনুমোদিত ৰূপৰ আধাৰতে হ'লেও সাধাৰণ দৰ্শক-শ্ৰোতাৰ বাবে সহজবোধ্য কৰি তুলিবৰ বাবে যত্ন কৰা হৈছিল আৰু সেইবাবে অভিনয়ৰ ক্ষেত্ৰত কোনো কোনো ক্ষেত্ৰত লৌকিক উপাদানো ব্যৱহৃত হৈছিল। সেইবাবে অনেকে অঙ্কীয়া ভাওনাক লোকনাট্যৰ শাৰীলৈ নিব খোজা দেখা গৈছিল। আগতে কোৱা হৈছে যে এই অভিনয়ৰ ঘাই লক্ষ্য মনোৰঞ্জনৰ বাবে কৰা অভিনয় নহয়, এই অভিনয় হ'ল ধৰ্মৰ অংগস্বৰূপে কৰা আৰু কৰোৱা অভিনয়। এতেকে এই উদ্দেশ্য পূৰণৰ নিমিত্তে যেনেভাৱে প্ৰয়োজন হৈছিল তেনেভাৱেই তাক ৰূপ দিয়া হৈছিল। এই কথাও স্মৰ্তব্য যে শঙ্কৰদেৱৰ পৰৱৰ্ত্তী কালত, বিশেষকৈ উজনি অসমত আধুনিক ভাষাত ভাওনাৰ নাট লিখা ৰীতি গৃহীত হৈ পৰে। এনে নাটকক স্বাভাৱিকতে অঙ্কীয়া নাট বুলি কোৱা নহয়। কেৱল 'নাট' বুলি কোৱা হয়। অৱশ্যেই এনে নাট অভিনয় কৰাৰ ক্ষেত্ৰতো আনুষ্ঠানিক ধৰ্মীয় ৰীতি-নিয়ম সমানভাৱেই পালন কৰা হয়।

মহাপুৰুষ শঙ্কৰদেৱে নামঘৰ প্ৰতিষ্ঠা কৰিছিল। প্ৰত্যেক গাঁৱে গাঁৱে এটা বা ততোধিক নামঘৰ আছে। এই নামঘৰত গাঁৱৰ বাসিন্দাসকলে ধৰ্মীয় অনুষ্ঠানৰ অংগস্বৰূপে নৃত্য-গীত, বাদ্য আৰু অভিনয়ৰো অনুশীলন কৰে আৰু বছৰত কমেও এখন বা দুখন নাটৰ অভিনয় কৰে। শঙ্কৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা অঙ্কীয়া নাট সদায় অভিনয় নকৰিলেও কেতিয়াবা গাঁৱৰ কোনো উপযুক্ত লোকে ৰচনা কৰা নাটেৰেই অভিনয় কৰোৱা হয়। এনে নাটসমূহৰ কাহিনী ভাগৱত পুৰাণ, ৰামায়ণ আৰু মহাভাৰতৰ কাহিনী বা উপ-কাহিনীৰ আধাৰত নিৰ্মাণ কৰি লোৱা হয়। যোৱা পাঁচশ বছৰে অসমত শঙ্কৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা অঙ্কীয়া নাটকেইখনৰ উপৰি 'ব্ৰজাৱলী' ভাষাত আৰু আধুনিক ভাষাত কিমান হাজাৰ-বিজাৰ নাটক লিখা হৈছে ইয়াৰ কোনো পৰিসংখ্যা এতিয়ালৈকে উলিওৱা হোৱা নাই। এনে নাটবিলাক হাতে লিখা অৱস্থাত সত্ৰত, গাঁৱৰ নামঘৰত বা কোনো ব্যক্তিৰ হাতত সংৰক্ষিত হৈ আহি আছে। এনে এক ধৰ্মীয় সংস্কৃতিৰ অংগস্বৰূপে নাট ৰচনা কৰা আৰু অভিনয় কৰাৰ ৰীতি অসমৰ বাহিৰে আন ঠাইত ইমান ব্যাপকভাৱে থকাৰ কথা জনা নাযায়। ●

*(লেখক ড° নগেন শইকীয়া অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি,*
*ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক)*



# মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ জীৱনীভিত্তিক উপন্যাস



ড° আনন্দ বৰমুদৈ

এজন ব্যক্তিৰ জীৱনৰ লিখিত ঘটনাৰ লগত যি সাহিত্যৰ সম্পৰ্ক অথবা এজন ব্যক্তিৰ জীৱনৰ লিখিত ঘটনা যি সাহিত্যৰ বিষয়, সেয়ে জীৱনী। জীৱনী সাহিত্য সেইফালৰ পৰা এজন মানুহৰ বুৰঞ্জী।

জীৱনীত আপেক্ষিকভাৱে মানুহজনৰ জীৱনৰ সম্পূৰ্ণ ঘটনাৰ বিৱৰণ থাকে। লিখকে মানুহজনৰ কৃতি, অভিজ্ঞতা, স্বভাৱ-চৰিত্ৰ আৰু সামাজিক পৰিৱেশ দাঙি ধৰে। উপন্যাস হ'ল কাল্পনিক বৃত্তান্ত (fictional narrative)। বৰ্তমান বিচিত্ৰ ধৰণৰ লেখাক উপন্যাস বুলি কোৱা হয় যদিও সিবিলাক আটায়ে গদ্যত বৰ্ণনা কৰা সম্প্ৰসাৰিত কাল্পনিক বৃত্তান্ত (extended work of fiction narrated in prose)।

জীৱনী, আত্ম-জীৱন, স্মৃতি লেখা (memories) অথবা দিনলিপি আদি কোনো ব্যক্তিৰ জীৱন আৰু কৃতিৰ লগত জড়িত। এগৰাকী ব্যক্তিৰ জীৱনৰ সৰু-ডাঙৰ সকলো ঘটনা সম্বলিত নিৰ্ভৰযোগ্য জীৱনী এখনৰ নিজা মূল্য আছে। মানুহৰ জীৱন আৰু তৎকালীন সমাজ সম্পৰ্কে জীৱনীৰ পৰা অনেক কথা জানিব পাৰি। কিন্তু নিৰ্ভৰযোগ্য জীৱনী এখন থকাৰ পিছত জীৱনীভিত্তিক উপন্যাস এখন লিখাৰ ন্যায্যতা ক'ত? এই প্ৰশ্নৰ উত্তৰ বিচাৰিলে দেখা যায় যে জীৱনীগ্ৰন্থ এখনত থকা নিৰ্ভৰযোগ্য তথ্য আৰু ঘটনাৰ বৰ্ণনাই সেই ব্যক্তি আৰু যুগৰ সামগ্ৰিক সত্য নহ'বও পাৰে। তথ্য বা ঘটনাবোৰৰ আঁৰত পৰৱৰ্তী লিখক এগৰাকীয়ে কল্পনাৰে পুনৰ্নিৰ্মাণ কৰিবলগীয়া অনেক কথা থাকিব পাৰে। পাঠকৰ সমসাময়িক লোকৰ জীৱনীৰ মাজতো ঔপন্যাসিক এজনৰ বাবে কল্পনাৰে পুনৰ্নিৰ্মাণ কৰিবলগীয়া কথা থাকিব পাৰে, জীৱনীগ্ৰন্থৰ ব্যক্তিগৰাকী দূৰ অতীতৰ হ'লে ঔপন্যাসিকৰ সৃষ্টিশীল কল্পনাৰ দায়িত্বও বৃদ্ধি পায়। সাম্প্ৰতিক কালৰ পাঠক এজনে বেজবৰুৱাৰ আত্মজীৱনী অথবা সদৰামীনৰ আত্মজীৱনী আদি পঢ়োতেই অনুভৱ কৰে যে তেতিয়াৰ দিনতকৈ এতিয়াৰ দিন অনেক সলনি হ'ল। কাজেই যোল্লশ বা পোন্ধৰশ শতিকাৰ মানুহ এজনৰ জীৱন আৰু কৃতিক সামৰি উপন্যাস লিখা লিখক এগৰাকীৰ অনুসন্ধানৰ ক্ষেত্ৰ অধিক বিশাল হ'ব। সাম্প্ৰতিক কালত চৈয়দ আব্দুল মালিকৰ ৰূপতীৰ্থৰ যাত্ৰী (১ ম খণ্ড ১৯৬৩, দ্বিতীয় খণ্ড ১৯৬৫), মেদিনী চৌধুৰীৰ ফেৰেংগদাও (১৯৮২), তিলোত্তমা মিশ্ৰৰ স্বৰ্ণলতা, নিৰুপমা বৰগোহাঞিৰ অভিযাত্ৰী (১৯৯৫), নীলিমা দত্তৰ বিদ্যুৎ প্ৰভা (১৯৯৭), চন্দ্ৰপ্ৰসাদ শইকীয়াৰ তোৰে মোৰে আলোকৰে যাত্ৰা (১৯৯৯) ইত্যাদি উল্লেখযোগ্য জীৱনীমূলক উপন্যাস প্ৰকাশ পাইছে। জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণু ৰাভা আৰু চন্দ্ৰপ্ৰভা শইকীয়ানীৰ জীৱন আৰু কৃতিৰ প্ৰতি ঔপন্যাসিকসকলৰ আগ্ৰহ মন কৰিবলগীয়া। এই জীৱনীমূলক উপন্যাস-সমূহে সামগ্ৰিকভাৱে পাঠকক জীৱনী গ্ৰন্থতকৈ অনেক বেছি কথাৰ সম্ভেদ কল্পনাৰে দিব পাৰিছে। জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা আৰু চন্দ্ৰপ্ৰভা শইকীয়ানী স্বাধীনতা সংগ্ৰামত প্ৰত্যক্ষভাৱে জড়িত থকাৰ উপৰি আছিল সৃষ্টিশীল লিখক। জ্যোতিপ্ৰসাদ আৰু বিষ্ণু ৰাভা শিল্পী। আটাইকেইখন উপন্যাসতে ব্যক্তিসকলৰ শিল্পীসত্তাৰ বিকাশৰ দিশটোত ঔপন্যাসিকসকলে মনোযোগ দিছে। দৃষ্টিকোণ (point of view) উপন্যাসত প্ৰয়োজনীয় কথা আৰু ঔপন্যাসিকল নিজা দৃষ্টিকোণেৰে জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা আৰু চন্দ্ৰপ্ৰভাৰ জীৱনীৰ একোটা ব্যাখ্যা (interpretation) আগবঢ়াইছে।

আধুনিক অসমীয়া সাহিত্যত শঙ্কৰদেৱ আৰু মাধৱদেৱক লৈ যি নতুন চিন্তা-চৰ্চা আৰম্ভ হৈছে তাৰেই অংশবিশেষ তেওঁলোকৰ জীৱন আৰু কৃতিক সামৰি লিখা উপন্যাসকেইখন—মেদিনী চৌধুৰীৰ 'বঙুকা বেহাৰ' (১৯৭৬), আব্দুল মালিকৰ 'ধন্য নৰতনু ভাল' (১৯৮৭), লক্ষ্মীনন্দন বৰাৰ 'যাকেৰি নাহিকে উপাম' (১৯৯৩), আব্দুল মালিকৰ 'প্ৰেম অমৃতৰ নদী' (১৯৯৯) আৰু লক্ষ্মীনন্দন বৰাৰ 'সেহি গুণনিধি' (১৯৯৯)। আলোচনালৈ আনিব বিচৰা উপন্যাস পাঁচখনৰ দুখন শঙ্কৰদেৱ আৰু তিনিখন মাধৱদেৱৰ জীৱন আৰু কৃতিক লৈ লিখা হৈছে।

যি জীৱনীৰ আধাৰত উপন্যাসসমূহ লিখা হৈছে সেই জীৱনীসমূহ হৈছে গুৰুচৰিতসমূহ। ঔপন্যাসিকসকলে চৰিত পুথিৰ পৰা বুৰঞ্জী আৰু বৈষ্ণৱ যুগৰ সাহিত্যৰো বিস্তৃত অধ্যয়ন কৰিছে বুলি পাঠকে গম পাব পাৰে।

কম-বেছি পৰিমাণে তিনিওগৰাকী ঔপন্যাসিকেই আধুনিক দৃষ্টিভঙ্গীৰে শঙ্কৰদেৱ আৰু মাধৱদেৱক মানুহ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছে আৰু এই ক্ষেত্ৰত চৰিত পুথিত থকা সকলো সমল ঔপন্যাসিকৰ বাবে

সহায় হোৱা নাই। মহাপুৰুষ দুজনাৰ জীৱন আৰু কৃতিৰ লগত যিবোৰ অলৌকিক কাহিনী জড়িত হৈ আছে সিবিলাক আধুনিক ঔপন্যাসিকে গ্ৰহণ কৰিব, বৰ্জন কৰিব নে সিবিলাকৰ কিবা যুক্তিনিৰ্ভৰ ব্যাখ্যা আগবঢ়াব? গ্ৰহণ বৰ্জনৰ দিশত ই এটা সমস্যা। বিশ্ববিদ্যালয়ৰ পৰা চালবেৰ নোহোৱা পাঠশালা স্কুললৈকে, কলাক্ষেত্ৰৰ পৰা উৰুখা নামঘৰলৈকে সৰ্বত্ৰ, শংকৰ-মাধৱৰ চৰ্চা হয় আৰু সংখ্যাগৰিষ্ঠ পাঠক-শ্ৰোতাৰ অলৌকিক ঘটনাসমূহ মহাপুৰুষৰ জীৱনৰ সত্য ঘটনা। উপন্যাসৰ বৃত্তান্তৰ মাজলৈ অলৌকিক ঘটনা য'ত সোমাই আহিছে তাত কোনোখন উপন্যাসতে অলৌকিকতাৰ সমাধান হোৱা নাই।

ঊনবিংশ শতিকাৰ শেষৰ ফালে অসমীয়া সাহিত্যই ঈশ্বৰৰ পৰা মানুহৰ ফালে বাগৰ সলোৱাৰ লগে লগেই ধৰ্মীয় পৰম্পৰাত গঢ়ি উঠা সাহিত্যৰ লগত আধুনিক সাহিত্যৰ সম্পৰ্ক শিথিল হৈছিল। ড° মহেশ্বৰ নেওগদেৱে কৈছে—'পুৰণি অসমীয়া সাহিত্যত ধৰ্মভাৱৰ আধ্যাত্মিকতা আৰু প্ৰকাশৰ সংযমশীলতাৰ ঠাইত লিৰিক কাব্যৰ ঐহিক স্পৰ্শ আৰু প্ৰকাশভংগীৰ স্বাধীনতা আমাৰ সাহিত্যত নতুন বস্তু। ... আধুনিক কাব্যত শংকৰ মাধৱৰ প্ৰভাৱ প্ৰায় সম্পূৰ্ণ শূন্য।" (অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ২৫৩) এই উক্তি গুৰুত্বপূৰ্ণ। শংকৰদেৱ-মাধৱদেৱৰ যুগৰ সাহিত্যৰ ধৰ্মীয় পৰম্পৰাৰ পৰা আধুনিক সাহিত্য মুক্ত হৈ পৰাৰ লগে লগে তেওঁলোকৰ জীৱনক আধাৰ কৰি উপন্যাস লিখা ঔপন্যাসিকৰ সন্মুখত সমাধা কৰিবলগীয়া আৰু এটা সমস্যাই দেখা দিলে। তেওঁলোকে ঐশিক আৰু ঐহিক দৃষ্টিৰ বিৰোধ মীমাংসা কৰিবলগীয়া হ'ল। বিৰোধ কিন্তু অমীমাংসীয় বিৰোধ। আধুনিক ঔপন্যাসিক এজনে শংকৰদেৱৰ জীৱন আৰু কৃতিক সামৰি উপন্যাস লিখোতে সেই যুগৰ একান্ত ভকত এজনৰ দৃষ্টিৰে চাই নিশ্চয় নিলিখিব। শংকৰদেৱৰ সমসাময়িকৰ দৃষ্টিভংগী গ্ৰহণ কৰাটোও সহজসাধ্য নহয়। চৰিত পুথি আৰু সাহিত্য কৃতিৰ মাজত দেখা পোৱা শংকৰদেৱ-মাধৱদেৱক উপন্যাসত ফুটাই তোলাই ঔপন্যাসিক এজনৰ চূড়ান্ত লক্ষ্য হ'ব লাগে বুলিও ক'ব নোৱাৰি। যদি হয়, তেনে উপন্যাসৰ নিজা অধিকাৰনো কি হ'ব? শংকৰদেৱৰ জীৱন, সাহিত্য আৰু সমাজৰ পাঠোদ্ধাৰ কৰি উপন্যাস এখনে এটা নতুন ব্যাখ্যা (interpretation) দিয়াটোহে এতিয়াৰ পাঠকে আশা কৰিব। পাঠকে বিচাৰিব শংকৰ-মাধৱৰ জীৱন আৰু কৃতিৰ তথ্যক ঔপন্যাসিকে সম্পূৰ্ণ আয়ত্তলৈ আনক, নিজা অভিজ্ঞতা কৰক আৰু সৃজনী কল্পনাৰে সিবিলাক গলাই নতুন ৰূপত নিৰ্মাণ কৰি পাঠকক দিয়ক। সময়ৰ জোখত শংকৰদেৱ পাঁচশ বছৰৰ নিলগৰ হ'লেও আমাৰ কাষ চপাই আনি আমাৰ সমসাময়িক কৰক—আমি অনুভৱ কৰোঁ শংকৰদেৱ-মাধৱদেৱ আমাৰ প্ৰাণৰ প্ৰবাহ। তেওঁলোকৰ ওপৰত দেৱত্ব আৰোপ কৰি আমাৰ পৰা নিলগাই নিয়াত ঔপন্যাসিকৰ কৃতিত্ব নাই।

মহাপুৰুষ দুজনাৰ জীৱনীভিত্তিক উপন্যাসকেইখনৰ ভিতৰত মেদিনী চৌধুৰীৰ 'বণ্ডুকা বেহাৰ'ই প্ৰথম (১৯৭৬) আৰু প্ৰকাশৰ লগে লগে প্ৰকাশত নানা আলোচনা-সমালোচনা আৰু বিতৰ্ক হৈছিল। ড° সত্যেন্দ্ৰ নাথ শৰ্মা, চন্দ্ৰ প্ৰসাদ শইকীয়া, ড° নগেন শইকীয়া, ড° গোবিন্দ প্ৰসাদ শৰ্মা, শ্ৰীতীৰ্থ ফুকন আদি সমালোচকে কিতাপখনৰ বিষয়ে সমালোচনা আগবঢ়াইছিল। কিতাপখন প্ৰকাশ হোৱাৰ তিনি বছৰৰ পিছত মেদিনী চৌধুৰীয়ে লিখিছিল—"শংকৰ আৰু মাধৱে অসমীয়া সাহিত্যক প্ৰথমে সুসংবদ্ধ আৰু সুবিন্যস্ত ৰূপ দিছিল আৰু অসমীয়া ভক্তি আন্দোলনৰ উদ্‌গাতা স্বৰূপে জনসাধাৰণ আৰু ধৰ্মৰ গুৰি ধৰোতা সকলৰ মাজত থকা সংযোগৰ অলংঘনীয় দূৰত্ব নোহোৱা কৰি দিছিল। এই ঐতিহ্য আমাৰ বোধেৰে পৰম গৌৰৱময়।" ('অসমত নতুন সাহিত্য চিন্তা', প্ৰকাশ, ফেব্ৰুৱাৰী, ১৯৭৯) এই উক্তিৰ মাজেদি চৌধুৰীৰ শংকৰ-মাধৱৰ প্ৰতি এক নিৰ্দিষ্ট দৃষ্টিভঙ্গীৰ প্ৰয়োজনীয় ৰূপত প্ৰকাশ পায়। উপন্যাসখনৰ দ্বিতীয় সংস্কৰণৰ (১৯৮৭) লগতে পঢ়ুৱৈলৈ দিয়া এটা টোকাত চৌধুৰীয়ে লিখিছে—"শংকৰীসকলৰ সমাজত আজিও জাতিভেদ প্ৰথাই প্ৰভাৱ বিস্তাৰ কৰা দেখা গৈছে। নীতি হিচাপে হয়তো কোনেও জাতিভেদ স্বীকাৰ নকৰে, কিন্তু জাতিভেদৰ দ্বাৰা প্ৰভাৱিত আচৰণৰ প্ৰতি সৰ্বসন্মত নিৰ্লিপ্ততাৰে প্ৰশ্ৰয় দিয়া হৈছে যাৰ ফলত শংকৰী সমাজখনেই বিভক্ত হৈ পৰিছে।" এই উক্তটো মহাপুৰুষ এজনৰ জীৱন আৰু কৃতিৰ ভিত্তিত উপন্যাস লিখিবলৈ যোৱা চৌধুৰীৰ বিষয় নিৰ্বাচনৰ ক্ষেত্ৰত গ্ৰহণ-বৰ্জন নীতিৰ লগত জড়িত। উপন্যাস আধুনিক মানুহৰ মহাকাব্য হ'লেও মহাপুৰুষ এজনৰ জীৱনৰ সমস্ত তথ্যক নিৰ্বিচাৰে বৃত্তান্তৰ মাজলৈ আনিলে তথ্যৰ সমাৱেশে বৃত্তান্তক আমনিদায়ক কৰাৰ আশংকা। চৌধুৰীয়ে সেই বাবেই সযতনে বিশেষ দৃষ্টিভঙ্গীৰে গ্ৰহণ বৰ্জনৰ যোগেদি উপন্যাসৰ বিষয় নিৰ্বাচন কৰিছে।

'বণ্ডুকা বেহাৰ' উপন্যাসখন সুপৰিকল্পিত। শংকৰদেৱৰ মৃত্যুৰ পিছত মাধৱদেৱ ধৰ্মাধিকাৰ হৈ কাৰ্য পৰিচালনা কৰোঁতে তেওঁ সন্মুখীন হোৱা দুৰ্যোগ, একশৰণীয়া নাম-ধৰ্মৰ সাংগঠনিক দিশলৈ অহা বিভাজন, মাধৱদেৱৰ জীৱনলৈ সংকটকালত গুৰুৰ অনুপস্থিতত অহা অসহায়-নিঃসংগতাবোধ ইত্যাদি সামৰি মাধৱদেৱৰ জীৱনৰ চুটি এছোৱা সময় উপন্যাসৰ ঘটনাপ্ৰবাহৰ আচল সময় হিচাপে ঔপন্যাসিকে নিৰ্বাচন কৰিছে। তীব্ৰ সংঘাতময় এই সময়ছোৱাৰ দ্বন্দ্ব-বিৰোধক বহিৰ্বাস্তৱৰ পৰা সঘনে মাধৱদেৱৰ মনৰ জগতলৈ লৈ যোৱা হৈছে আৰু কায়িকভাৱে অনুপস্থিত হৈও উপস্থিত শংকৰদেৱৰ শিক্ষাই মাধৱদেৱৰ মনৰ জগতৰ দ্বন্দ্ব-বিৰোধ আৰু উদ্বেগৰ (tension) নিষ্পত্তি ঘটাইছে। চৌধুৰীয়ে সৰল স্থিৰ চিত্ৰৰ ৰূপত কাহিনী বা ঘটনাক বৰ্ণনা কৰা নাই, তেওঁৰ বৰ্ণনাৰ ছবিবোৰো নাটকীয় ৰূপ পৰিগ্ৰহ কৰা ছবি (picturised drama)। কালৰ অনুক্ৰমত মাধৱদেৱক এঠাইত ৰখাই স্মৃতি ৰোমন্থনৰ দ্বাৰা শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱনৰ অনেক তাৎপৰ্যপূৰ্ণ ঘটনাপ্ৰবাহ অতীতৰ লগত কিবা কাৰ্য-কাৰণ নীতিত সাঙোৰ খাই আছে নেকি তাক পৰীক্ষা কৰা হৈছে।

মাধৱদেৱৰ জীৱনৰ চমু কাল এছোৱা নিৰ্বাচন কৰাৰ বাবে কৌশলগতভাৱে চৌধুৰীয়ে চৰিত পুথিত থকা অলৌকিক ঘটনাৰ (miracles) আধুনিক যুক্তিনিৰ্ভৰ ব্যাখ্যা এটা দিয়া সহজ হৈ পৰিছে। উদাহৰণ এটা লোৱা হওঁক—ৰাধিকা শান্তিয়ে পলৰে পানী আনি টেম্বুৱানী জান বান্ধিছে। চৌধুৰীয়ে অলৌকিক ঘটনাটো সত্য ঘটনা হিচাপে বৰ্ণনা

কৰা বাদেই তাৰ উল্লেখো কৰা নাই। শঙ্কৰদেৱৰ লগত হোৱা এক কাল্পনিক কথোপকথনত শঙ্কৰদেৱেই পলৰে পানী অনা কাণ্ডটোৰ এটা আধুনিক ব্যাখ্যা দিছেঃ "সমাজত খাটি খোৱা মানুহৰ স্থান ইমান নিম্নস্তৰত নিৰূপণ কৰা হৈছিল যে সমাজৰ কল্যাণ প্ৰচেষ্টাত তেওঁলোকে অংশীদাৰ হোৱাতো দূৰৰ কথা, তেওঁলোকৰ কল্যাণ-অকল্যাণৰ প্ৰতি সমাজৰ নিয়ন্তাসকল আছিল একেবাৰে উদাসীন। "...টেম্বুৱানী জান বন্ধাৰ দৰে কল্যাণমূলক প্ৰচেষ্টা এটাত কৈৱৰ্ত ৰমণী ৰাধিকাক কেৱল অংশ গ্ৰহণৰ সুযোগ দিয়ে ক্ষান্ত থকা নাছিল, ৰাধিকাক নিৰ্বাচন কৰিছিল প্ৰধান হোত্ৰী স্বৰূপে তাৰ অনুৰূপ মৰ্যদা প্ৰদান কৰি।"(পৃ. ৪৬)

আব্দুল মালিকৰ 'ধন্য নৰ তনু ভাল'ত ৰাধিকা শান্তিয়ে পলৰে পানী অনা অলৌকিক কাণ্ডটোক আন বাস্তৱ ঘটনাৰ দৰেই বৰ্ণনা কৰা হৈছেঃ "উপস্থিত সকলোৰে চকু তেতিয়া সেই নৈত নমা গাভৰু বোৱাৰীজনীৰ ওপৰত। পলটো ওপৰলৈ মুকৈ ৰাধিকাই তাত পানী ভৰালে। ফুটা ওলোৱা বাঁহৰ শলা গুঁঠি গুঁঠি সজা মাছধৰা পল। সেই পল পানীৰে ভৰাই ৰাধিকা ওপৰলৈ উঠি আহিল।...কাণ্ড দেখি সকলো বিস্ময়ত হতবাক হ'ল" (পৃঃ ১৭০) ঔপন্যাসিক গৰাকীয়ে ৰাধিকা শান্তিৰ অলৌকিক শক্তিক তেওঁৰ সতীত্বৰ আধাৰত ব্যাখ্যা কৰিছেঃ "ব্ৰাহ্মণ কায়স্থ-ভূঞা সজ্জন সকলোৱে নানা প্ৰবন্ধে ভেটা দিও যি বান্ধ ৰাখিব নোৱাৰিছিল, কৈৱৰ্ত কন্যা ৰাধিকা শান্তিয়ে সেই কাম সমধা কৰিলে—সতীত্বৰ শক্তিৰে। ... চৰিত্ৰ আৰু মনৰ উচ্চতাইহে মানুহক অতিমানৱীয় শক্তিৰ অধিকাৰী কৰে।" (পৃ. ১৭১)। অধ্যায়টোৰ শেষত আধুনিকতাৰ দৃষ্টিৰে অলৌকিক কাণ্ডৰ ওপৰত কাহিনীকাৰৰ মত ব্যক্ত কৰা হৈছেঃ "অখ্যাত টেম্বুৱানী জানৰ পাৰত এক অখ্যাত নাৰীয়ে সামাজিক পুনৰ মূল্যায়নৰ আৰু সামাজিক বিপ্লৱৰ এক নতুন অধ্যায়ৰ পাতনি মেলিলে।" (পৃ. ১৭১)। এই ব্যাখ্যা আধুনিক, কিন্তু এই ব্যাখ্যা অলৌকিকৰ উপস্থাপন অথবা সতীত্বৰ ধাৰণা আধুনিক ব্যাখ্যাৰ মাজত জীন যোৱা নাই।

'যাকেৰি নাহিকে উপাম'ত লক্ষ্মীনন্দন বৰাই এই অলৌকিক কাহিনীটো বৰ্ণনাৰ দায়িত্ব নিধিৰাম নামৰ এজন কৈৱৰ্ত সম্প্ৰদায়ৰ মানুহৰ ওপৰত ন্যস্ত কৰিছে। কিন্তু অলৌকিক কৰি ৰাখিয়েই তাৰ ওপৰত নিধিৰামৰ মুখেদি ঔপন্যাসিকৰ ব্যাখ্যা সাঙুৰি দিয়া হৈছেঃ টেম্বুৱানী জানে এগৰাকী শান্তি তিৰোতাৰ অৰ্থাৎ স্বামীকে সপোনে সচিতে পৰমগুৰু জ্ঞান কৰা সতী তিৰোতাৰ পৰশ বিচাৰিছে ... শঙ্কৰে সকলোকে উদ্দেশ্য কৰি ক'লে, 'এগৰাকী শান্তি তিৰোতাই বাঁহৰ কাঠীৰ পলত এপল পানী ব্ৰহ্মপুত্ৰৰ পৰা আনি জানৰ মুখত ঢালি দিব লাগিব আৰু সেইটো পলৰেই আৰু এপল মাটি আনি তাত পেলাব লাগিব। লগে লগে সেইফালে সোঁত বোৱা পানী বন্ধ হ'ব। ৰাধিকা ব্ৰহ্মপুত্ৰলৈ পল এটা লৈ গ'ল। তাই পলত পানী লৈ উভতিল। পিছে পলত চাৰি আঙুল পানী কমকৈ আহিল। ভনী জোঁৱাইৰ মুখখন দেখা পালোঁ। এইকণেই পাপ।" (পৃ. ১২২-২৩)। এইদৰে বৰ্ণনা কৰাৰ অন্তত নিধিৰামৰ মুখেদিয়েই শঙ্কৰদেৱক উদ্ধৃত কৰা হৈছে— "...সমবেত বৃন্দ, সকলো প্ৰকাৰে শুদ্ধ হ'ব বাবে উচ্চ জাতত উপজিব নালাগে। জাত-কুল যিহকে নহওঁক লাগে, সকলোৱে সমানে শুদ্ধ হ'ব পাৰে। ৰাধিকাই দেখ দেখ প্ৰমাণ।" (পৃ. ১২৩)। 'দেখ দেখ প্ৰমাণ' হিচাপে ৰাধিকাই সতীত্ব গুণৰ জোৰত পলৰে পানী অনা ঘটনাটোহে আছে।

ঔপন্যাসিকগৰাকীৰ অলৌকিক ঘটনাৰ প্ৰতি যে আধুনিকৰ সমালোচনাত্মক দৃষ্টিভংগী নাই তেনে নহয়। নিধিৰামে ঘটনাটো বৰ্ণনা কৰাৰ আগতে কোৱা হৈছে—"...নিধিৰামে, সোণমাইক ৰাধিকা শান্তিৰ আখ্যানটো বিৱৰি গ'ল। মুখ বাগৰি আখ্যানটোৱে ৰূপকথাৰ ৰূপ ল'লে।" (পৃ. ১২২)। একে অধ্যায়ৰে শেষৰ ফালে থকা দুৰ্গা দাস আৰু অৰ্ণৱানন্দৰ কথোপকথনত থকা একাধিক অলৌকিক কাণ্ডৰো কোনো আধুনিক মনে গ্ৰহণ কৰিব পৰা ব্যাখ্যা নাইঃ "শংকৰে কাঁড়পাট যোৱাদি গৈ পোনতে পোৱা হাতীটোৰ শুৰডালত থাপ মাৰি ধৰি পাছ হোঁহকাই নি বিশ্বাশবদে হামখুৰি খুৱাই পেলাই দিলে। দ্বিতীয়টো হাতীৰো দাঁত উঘালি পেলালে। .. ম'হটোৱে খেদি আহিলত শঙ্কৰে ছেগ বুজি তাৰ দুই শিঙৰ মাজত জাপ মাৰি উঠিল তাৰ আগ ভৰি দুখনত নিজৰ ভৰিৰে হেঁচা মাৰি তাক উফাল খুৱাই পেলাই দিলে। তাৰ শিং দুটা উঘালিলে।" (পৃ. ১২৫)।

অলৌকিক কাণ্ড দুটাৰ যুক্তিনিৰ্ভৰ ব্যাখ্যা শব্দৰে আগ নবাঢ়েলেও নাটকীয় পৰিস্থিতিৰ মাজতে অভিনয় কৌশলেৰে ঔপন্যাসিকে পাঠকক জনাব পাৰিছে যে এই অলৌকিক ঘটনাবোৰ শঙ্কৰদেৱৰ শাৰীৰিক শক্তিক কেন্দ্ৰ কৰি গঢ়ি উঠা পুৰাকথা (myth) ঃ

"সঁচানে বাৰু?"

"মোৰ বিশ্বাস হৈছে যেতিয়া তুমি সঁচা বুলিয়েই ধৰা উচিত।"

"তেন্তে শঙ্কৰ ধৰ্মপ্ৰচাৰক নে মল্লযোদ্ধা?" (পৃ. ১২৫) আকস্মিকভাৱে গম্ভীৰ আৰু উত্তেজনাপূৰ্ণ পৰিস্থিতি এটাক হাস্যৰ পৰিস্থিতিলৈ সলনি কৰি হাতী দাঁত আৰু বনৰীয়া ম'হৰ শিং উঘলা ঘটনাৰ বিশ্বাসযোগ্যতাক ঔপন্যাসিকে অনিশ্চিত কৰি দিছে।

ভেল্কিবাজী আৰু মহাপুৰুষ জীৱনৰ লগত জড়িত অলৌকিক কাণ্ডৰ (miracle) মাজত পাৰ্থক্য উদ্দেশ্যৰ। পাৰ্থক্যটো দেখুৱাবলৈ বাৰ্ণাৰ্ড শ্বৰ পৰা উদ্ধৃতি এটা দিব পাৰি— "A miracle, my friend is an even which creats faith that is the purpose and nature of miracles, if they confirm or creat faith, they are true miracles." (বন্ধু, বিশ্বাস গঢ়ি দিয়া ঘটনাই অলৌকিক কাণ্ড। অলৌকিকৰ সেয়ে উদ্দেশ্য আৰু চৰিত্ৰ। সিবিলাকে যদি বিশ্বাসৰ ভেটি সুদৃঢ় কৰে অথবা বিশ্বাস জন্মায়, সিবিলাক সত্য অলৌকিক।) (Saint Joan, Scene II) একে ধৰণৰ অলৌকিক কাণ্ড দেখুৱাই কোনোবাই যদি কাৰোবাক প্ৰৱঞ্চনা কৰিব খোজে সিয়েই হ'ব ধাপ্পাবাজী। শঙ্কৰদেৱ-মাধৱদেৱৰ জীৱনীৰ লগত জড়িত অলৌকিক ঘটনাবোৰো মানুহৰ মনত তেওঁলোকে প্ৰচাৰ কৰা ধৰ্মৰ প্ৰতি বিশ্বাস দৃঢ় কৰিবলৈহে সময়ত জড়িত হৈ পৰিছিল।

'বঙুকা বেহাৰ' এখন সুপৰিকল্পিত উপন্যাস। ইয়াৰ প্ৰথম অধ্যায়টোৱে নিৰ্বাচিত বিষয়ৰ পৰিসীমাক চিহ্নিত কৰিছে। মাধৱদেৱৰ গভীৰ অন্তৰ্দ্বন্দ্বক

উপন্যাসৰ কাহিনীৰ কেন্দ্ৰত ৰখা হৈছে আৰু অন্তৰ্দ্বন্দ্ব আৰু মনৰ বিভিন্ন অৱস্থাক প্ৰকাশ কৰিবলৈ প্ৰতীক, ইংগিত আদিৰ প্ৰয়োগ কৰা হৈছে। ৰঙিয়াল ফুলজোপাক আৰম্ভণিৰে পৰা বিভিন্ন প্ৰসংগত চিত্ৰকল্প আৰু প্ৰতীক হিচাপে মনৰ অৱস্থাক ইংগিত কৰিবলৈ ব্যৱহাৰ কৰা হৈছে। প্ৰথম অধ্যায়তে ৰঙিয়াল ফুলজোপাৰ উল্লেখ সাতবাৰ কৰা হৈছে।

ৰঙিয়াল ফুলজোপাক মনৰ বিভিন্ন অৱস্থা আৰু চিন্তা-ভাবনাৰ বাহক কৰা হৈছে যদিও কেন্দ্ৰীয় অৰ্থ আৰু তাৎপৰ্য ইয়াৰ ওপৰত স্থায়ীভাৱে আৰোপ কৰা হৈছে ঃ "...পাটবাউসীৰ গুৰুগৃহৰ কথা। তাতো আছিল এজোপা ৰঙিয়াল ফুল। ...গুৰুৱে কৈছিল নিষ্কাম সাধনাৰ প্ৰতীক। ফলৰ আশা নকৰি ফুলত জীৱন পাত কৰা ৰঙিয়াল ফুল...।" (পৃ. ১২) গুৰুৰ মৃত্যুৰ পিছতো গুৰুৰ উপদেশ আৰু ৰচনাৱলীৰ পাঠে মাধৱদেৱক সংকটৰপৰা পৰিত্ৰাণ কৰিছে। পথ দেখুৱাইছে আৰু গুৰু উপদেশবোৰ মূল কথা নিষ্কাম ভক্তি আৰু সাধনা।

মাধৱদেৱৰ জীৱনীৰ আধাৰত লিখা 'প্ৰেম অমৃতৰ নদী' আৰু 'সেহি গুণনিধি'ৰ দৰে 'বণ্ডুকা বেহাৰ'ত ঘটনাবোৰ কালানুক্ৰমিকত বৰ্ণনা কৰা হোৱা নাই। সংকটকালত উচিত কৰ্তব্য কি আৰু কোন বাটেৰে আগবাঢ়িব এই চিন্তাত নিমগ্ন অৱস্থাত আশী বছৰতকৈও অধিক বয়সীয়া মাধৱদেৱে জীৱনৰ সুদীৰ্ঘ পথ পৰিক্ৰমাত এৰি অহা বিভিন্ন ঘটনাৰ স্মৃতি অগাপিছাকৈ আৰু সময়ত কুণ্ডলী পকাই মাধৱদেৱৰ মনলৈ আহি আছে। এই উপন্যাসখন সমালোচনা কৰি ড° গোৱিন্দপ্ৰসাদ শৰ্মাই কৈছে ঃ "...উপন্যাসখনৰ কেন্দ্ৰীয় চৰিত্ৰ আৰু বিষয় মাধৱদেৱ নিজেই ইয়াত বৰ স্পষ্ট হৈ নুঠিল, উপন্যাসখনৰ অন্য বহুতো গুণ থকা সত্বেও।" (অসমীয়া সাহিত্যৰ বুৰঞ্জী, ষষ্ঠ খণ্ড, সম্পা, হোমেন বৰগোহাঞি, পৃ. ১৫৪)। ড° শৰ্মাই কোৱা কথাটো উপন্যাসখনৰ পাঠকে নিশ্চয় অনুভৱ কৰে। অৱশ্যে এইটো কথাও ঠিক যে 'বণ্ডুকা বেহাৰ'ত ঘাইকৈ, যন্ত্ৰণাক্লিষ্ট মাধৱদেৱ সৃষ্টিৰ কামত কিদৰে ব্ৰতী হৈছে ('The man who suffers and the mind which creates', Eliot, the Sacred Wood, p.54) তাকহে উপন্যাসখনৰ কাহিনীৰ কেন্দ্ৰত ৰখা হৈছে।

শঙ্কৰদেৱ আৰু মাধৱদেৱৰ এজনক বাদ দি আন এজনৰ জীৱনীক লৈ উপন্যাস লিখিব নোৱাৰি। লিখিলে কিছু কথাৰ পুনৰাবৃত্তি হ'বই। চৈয়দ আব্দুল মালিকদেৱে 'প্ৰেম অমৃতৰ নদী'ত 'ধন্য নৰতনু ভাল'ত উল্লিখিত ঘটনা এৰাই যাবলৈ চেষ্টা কৰিও কিছুমান ঘটনা পুনৰ উল্লেখ কৰিবলৈ বাধ্য হৈছে। ড° বৰাৰ 'যাকেৰি নাহিকে উপাম'ৰ ওঠৰ নম্বৰ অধ্যায়ত মাধৱে শঙ্কৰক লগ পোৱাৰ আগৰ জীৱনছোৱাত এটা চমু বিৱৰণ দি ল'ব লগা হৈছে। জীৱনীমূলক অথবা ঐতিহাসিক উপন্যাস পঢ়াৰ আগতে পাঠকে সেই জীৱনী বা ইতিহাস জনা থাকিলে উপন্যাসৰ পাঠোদ্ধাৰ সহজ হয়। জীৱনীমূলক উপন্যাস লিখা ঔপন্যাসিকেও ধৰি লয় যে পাঠক কম-বেছি পৰিমাণে জীৱনীৰ লগত পৰিচিত।

'ধন্য নৰতনু ভাল'ত মালিকে যথাসম্ভৱ কম উপাদান আৰু তথ্য চৰিত পুথিসমূহৰ পৰা নিৰ্বাচন কৰিছে আৰু ঔপন্যাসিকৰ কল্পনাই মুক্ত বিচৰণ কৰিছে। কিছুমান কাল্পনিক হোজা গাঁৱলীয়া মানুহৰ কথা-বতৰা আৰু কাম-কাজৰ মাজেদি সমসাময়িক সমাজ জীৱনৰ ছবি এখন মালিকে মূৰ্ত কৰিবলৈ চেষ্টা কৰিছে। ৰাজনৈতিক অস্থিৰতা, ৰাজ-ৰোষ, যাতায়াত আৰু যোগাযোগৰ অসুবিধা, থকা ঠাইৰ পৰিৱৰ্তন ইত্যাদি নানা প্ৰতিকূল পৰিৱেশৰ মাজতে শঙ্কৰদেৱৰ কৃতি সাঁচকৈয়ে বিস্ময়কৰ। আজিৰ মানুহৰ কাৰণে বাৰ বছৰ আৰু ছমাহ দুবাৰকৈ কৰা তীৰ্থ ভ্ৰমণো আন এক বিস্ময়। এই প্ৰতিকূল পৰিৱেশক মালিক আৰু ড° বৰা দুয়োগৰাকী ঔপন্যাসিকেই পাঠকৰ আগত বাস্তৱ কৰি দাঙি ধৰিছে। 'ধন্য নৰতনু ভাল'ৰ কাহিনীকাৰক সময়ত কাহিনীৰ স্বতঃস্ফূৰ্ত গতিয়ে টানি লৈ যায়। কলম, চিঁয়াহী আৰু সাঁচিপাত প্ৰস্তুতকৰণৰ সুদীৰ্ঘ আৰু সম্পূৰ্ণ বিৱৰণেই তাৰ প্ৰমাণ। এনে বিৱৰণ নিজাববীয়াকৈ আমোদজনক আৰু তাত থকা তথ্য দৰ্কাৰী, কিন্তু কাহিনীৰ বান্ধোন সিবিলাকে কিছু শিথিল কৰে। উপন্যাসখনৰ এটা চমৎকাৰ অধ্যায় তৃতীয় খণ্ডৰ আৰম্ভণি অধ্যায়টো। চমৎকাৰ এই বাবেই যে ভাৰতত ইছলাম ধৰ্মৰ প্ৰসাৰ আৰু ইছলাম ধৰ্মৰ মূল নীতিক বুদ্ধিদীপ্ত মিতব্যয়িতাৰে ইয়াত দাঙি ধৰা হৈছে, কিন্তু স্বয়ংসম্পূৰ্ণভাৱে ই যিমান মূল্যৱান সেই পৰিমাণে কাহিনী সংহত কৰাত ই সহায় কৰা নাই। মালিকে শঙ্কৰদেৱক এই সৰ্বভাৰতীয় প্ৰেক্ষাপটত প্ৰতিষ্ঠা কৰিছে। অন্ত্যজ জাতিসমূহক নাম-ধৰ্মৰ মাজেদি এক নতুন সামাজিক মৰ্যাদা দান কৰা শঙ্কৰদেৱ দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণলৈ যাওঁতে কবীৰৰ ভেটিও দেখা কৰি অহা তথ্যৰ আধাৰত মালিকদেৱে ইছলামৰ একেশ্বৰবাদ, কবীৰৰ ধৰ্মীয় গোড়ামিৰ বিৰোধিতা আৰু শঙ্কৰদেৱৰ জাতিভেদ প্ৰথাৰ বিৰোধিতাৰ মাজত থকা সাদৃশ্যক প্ৰেম, ভাতৃত্ব আৰু মৈত্ৰীৰ আদৰ্শৰে কাহিনীৰ মাজত ঠাই দিছে ঃ "ধৰ্মৰ গোড়ামিৰ বিৰুদ্ধে সৰৱ বিদ্ৰোহ কৰা কবীৰৰ জীৱনৰ মাজত যেন শঙ্কৰদেৱেও আৰ্হি আৰু প্ৰেৰণাৰ থলৰ সন্ধান পাইছিল। মানুহক মানুহ বুলি স্বীকৃতি দিয়া, মানুহক মানুহৰ মৰ্যাদা দিয়া, সেয়ে ধৰ্ম—কবীৰে চিঞৰি কৈছিল। শঙ্কৰদেৱেও মানুহৰ এই পৰিচয়েৰে প্ৰতিষ্ঠাৰ সংগ্ৰাম কৰি গৈছিল সমগ্ৰ জীৱন। কেৱল মানুহৰ কিয়?—কুকুৰ শৃগাল গৰ্দ্দৰ্ভৰো আত্মাৰাম...।" (পৃ. ৪২৯)

'যাকেৰি নাহিকে উপাম'ত শঙ্কৰদেৱৰ চিন্তাৰ সৰ্বভাৰতীয় প্ৰেক্ষাপটখন এই প্ৰসংগত প্ৰথম পুৰুষত কৰা ৰোমন্থন আৰু বৰ্ণনাৰে মুকলি কৰা হৈছে ঃ "জগন্নাথৰ পথতে ভক্ত কবীৰৰ মঠ। তাতে কবীৰৰ লগতে জীয়েক আৰু জোঁৱায়েকক লগ পালোঁ। কবীৰৰ কেবাবছৰ আগতেই দেহাৱসান ঘটিল। তেওঁৰ শৱটো লৈ হিন্দু আৰু মুছলমানৰ মাজত টনা-আঁজোৰা লাগিছিল। মই চান্দসাইক আতৈ কৰাৰ প্ৰেৰণা পাইছিলোঁ কবীৰৰ জীৱনৰ পৰাই। আলিনগৰত কবীৰৰ ভেটিলৈ গৈ এই মহাপুৰুষজনাক শ্ৰদ্ধা জনালোঁগৈ। তেওঁৰ থানখন দেখিও আনন্দ পালোঁ।" (পৃ. ৩০৬)। ড° বৰা আৰু মালিকদেৱে নিজা ধৰণেৰে আৰু গভীৰ নিষ্ঠাৰে মহাপুৰুষ শঙ্কৰদেৱক ভাৰতৰ আন ঠাইৰ মহাপুৰুষৰ মাজত প্ৰতিষ্ঠা কৰিছে ঃ "নিজে প্ৰণাম জনোৱাৰ উপৰি শিষ্য-ভকত সকলকো কবীৰৰ কবৰত প্ৰণিপাত জনাবৰ বাবে শঙ্কৰদেৱে নিৰ্দেশ দিছিল। মানুহৰ ভাবজগতত আলোড়ন সৃষ্টি কৰা এজন সাহসী লোক কবি আৰু সমাজ সংস্কাৰক জাতি-ধৰ্মৰ বিচাৰেৰে বিচাৰ নকৰি সমাধিতো প্ৰণিপাত জনাই শঙ্কৰদেৱে

সন্ত সাধক কবীৰৰ মাজত যেন এজন সহযোগীৰ অস্তিত্বৰ সন্ধেদ পাইছিল।" (ধন্য নৰতনু ভাল, পৃ. ৪৩০)

ড° লক্ষ্মীনন্দন বৰাৰ দুয়োখন উপন্যাসেই তথ্যসমৃদ্ধ। বিস্তৰ অধ্যয়নৰ পিছতহে যে উপন্যাস দুখন লিখা হৈছে সেই কথা পাঠকে গম পায়। কিন্তু চৰিত পুথিসমূহত থকা প্ৰায় সমস্ত ঘটনা সামৰি লিখিবলৈ যোৱাৰ কাৰণে কিছুমান অলৌকিক ঘটনাৰ কোনো নতুন ব্যাখ্যা দিবলৈ লিখকে আহৰি পোৱা নাই। শঙ্কৰদেৱক মানুহ হিচাপে দেখুৱাতকৈও ঐশ্বৰিক শক্তিৰ অধিকাৰী হিচাপে দেখুওৱাত কাহিনীকাৰ অধিক আগ্ৰহী। 'যাকেৰি নাহিকে উপাম'ত শঙ্কৰদেৱৰ ওপৰত আৰোপ কৰা ঐশ্বৰিক মহিমাৰ কেইটামান উদাহৰণ এনে ধৰণৰ ঃ 'শঙ্কৰে বুৰ মাৰি তলীত থকা কাছ ধৰিছিল, ভুটুঙাই ওলোৱা শিহু ধৰি সকলোকে চমক লগাইছিল। তাৰ গাত আসুৰিক শক্তি। কিন্তু সকলোৰে কয়, এয়া আসুৰিক শক্তি নহয়, ঐশ্বৰিক শক্তিহে।' (পৃ. ৩০)। কাহিনীকাৰেও এই শক্তিক ঐশ্বৰিক বুলি নভবাৰ কোনো ইংগিত নাই। 'অলংকাৰ-পাতি গঙ্গাত পেলাই দিয়া হ'ল। কিন্তু গঙ্গাৰ তললৈ নগ'ল। ওপঙি থাকিল।" (পৃ. ৩৫)। এই অলৌকিক কাণ্ড আৰু পানীত পৰা ফলি এখন কাছ এটাই মুখেৰে কামুৰি পাৰলৈ আনি গৰাকীক দিয়াৰ নিচিনা কথা বুঢ়ীমাকে শিশু শঙ্কৰক কোৱা কথা বুলি বাদ দিলেও প্ৰথম পুৰুষত শঙ্কৰদেৱে নিজে কোৱা কথাৰ মাজতো অলৌকিকতা আছেঃ "শুঁড়ডালহে হাতীৰ আক্ৰমণৰ অস্ত্ৰ।" এতেকে মই হাতত সাৰে ভৰিত সাৰে আগবাঢ়ি গৈ তাৰ শুৰত ধৰিলোঁ। এতিয়া অস্ত্ৰহীন হাতীটোক বল প্ৰয়োগ কৰি অৱশ কৰিবলৈ মোৰ বেছি সময় নালাগিল। শুৰডালত আঘাত হানিলো, তাৰ ওপৰত দেহৰ সমস্ত ভৰ এৰি দিলোঁ...সি নেগুৰ দাঙি আটাহ পাৰি হাবিলৈ লৰহে মাৰিছে।" (পৃ. ১০৮)।

'যাকেৰি নাহিকে উপাম'ৰ প্ৰাক্‌কথনত ঔপন্যাসিকে লিখিছে—'শ্ৰীমন্ত শঙ্কৰ এনে এজন প্ৰচণ্ড পুৰুষ যি অদ্যাপিও অসমীয়াৰ জনজীৱনৰ নায়ক।" এই উক্তি সকলোৰে বাবে গ্ৰহণীয়। ঔপন্যাসিকে লগতে এই কথাও কৈছে—"অৱশ্যে মানুহ হিচাবেহে এই বিচাৰ। চৰিত পুথিত থকা অলৌকিক ঘটনাখিনি বাদ দিয়া হৈছে।" অলৌকিক ঘটনাবোৰৰ আধুনিক যুক্তি নিৰ্ভৰ অথবা কিবা প্ৰতীকী ব্যাখ্যা ইংগিতেৰেও দি নগ'লে অথবা মহাপুৰুষজন ঐশ্বৰিক শক্তিৰ অধিকাৰী হৈ থাকিলে সাধাৰণ পাঠকে মহাপুৰুষগৰাকীৰ লগত দূৰত্ব অনুভৱ কৰে। ঔপন্যাসিকে অলৌকিক বাদ দিয়া বুলি কোৱাৰ পিছতো কিন্তু উপন্যাসখনত অনেক অলৌকিক উপাদান থাকি গৈছে।

আটাইকেইগৰাকী ঔপন্যাসিকেই জীৱনীমূলক উপন্যাস লিখোঁতে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য কৃতিৰ আধাৰত কিছু পৰিমাণে জীৱনীক পুনৰ নিৰ্মাণ কৰিবলৈ চেষ্টা কৰিছে। একোটা বিশেষ পদ, ঘোষা বা বৰগীত মহাপুৰুষ দুগৰাকীৰ জীৱনৰো বিশেষ পদ, ঘোষা বা বৰগীত মহাপুৰুষ দুগৰাকীৰ জীৱনৰো বিশেষ ঘটনাৰ লগত জড়িত বুলি উপন্যাসকেইখনৰ একাধিক ঠাইত দেখুৱা হৈছে। শঙ্কৰদেৱ-মাধৱদেৱৰ সাহিত্যকৃতিৰ পৰা উপন্যাসকেইখনৰ কাহিনীৰ মাজত দিয়া উদ্ধৃতিৰ পৰাই এই কথাৰ উমান পাব পাৰি।

'ধন্য নৰতনু ভাল'ৰ প্ৰসংগত ঔপন্যাসিকৰ কল্পনাৰ মুক্ত বিচৰণৰ এটা উদাহৰণ প্ৰথম খণ্ডৰ ষষ্ঠ অধ্যায়টো। নাটকীয় পৰিস্থিতি উদ্ভাৱনত মালিকৰ দক্ষতা চমৎকাৰ কল্পনাৰ সহায়ত পঞ্চমবাৰ সাধনাৰ এক নাটকীয় পৰিস্থিতি ঔপন্যাসিকে ৰচনা কৰিছে। অধ্যায়টোৰ অন্তত কাহিনীকাৰে কৈছে—'ৰাতিৰ নিৰন্ধ্ৰ অন্ধকাৰত পুৰুষ-নাৰী একাকাৰ। ব্যভিচাৰেই পূজা, সেৱা। সকলো মুকলি, সকলো গোপন, এয়া বিকৃত মহাযান।" (পৃ. ৫২)

মালিকৰ অন্যান্য গল্প-উপন্যাসত পেটৰ ভোকে আন সকলো সমস্যাতকৈ অগ্ৰাধিকাৰ পোৱা কথাটো 'ধন্য নৰতনু ভাল'ৰ ক্ষেত্ৰতো প্ৰযোজ্য। ধুৱাহাটত এবাৰ এজন ভকতৰ বিৰুদ্ধে দেৱীপূজাৰ প্ৰসাদ খোৱা অভিযোগ আহোঁতে মানুহজনে স্বীকাৰোক্তি কৰিছেঃ "একো উপায় নেপাই ল'ৰা-ছোৱালীকেইটা ভোকত কলমলাই থকা চাই থাকিব নোৱাৰি দেৱী পূজা হোৱা দেউললৈকে গ'লো। মিছা নকও, দেৱীক সেৱা এটাও কৰিলোঁ। পিছে সত্যে কৈছো, দেৱীৰ কাৰণে ভকতিত নহয়, ভোগৰ মাহ প্ৰসাদ এমুঠি পাবৰ কাৰণেহে" (পৃ. ২৭১)। এই দাৰিদ্ৰ্য, অজ্ঞতা, কুসংস্কাৰ, অন্ধবিশ্বাস, ধৰ্মীয় শোষণ আদি আটাইকেখন উপন্যাসৰে সমাজ জীৱনত মূৰ্ত হৈছে। 'বঞ্চুকা বেহাৰ'ত অজ্ঞতা, যুগ যুগৰ জাতিভিত্তিক অৱহেলা আৰু অন্ধবিশ্বাসৰ কাৰণে মাধৱদেৱ চিন্তিত হৈছে যে অৱহেলিত মানুহৰ মাজৰ কোনোবাই নাম-ধৰ্ম গ্ৰহণ কৰাৰ পিছত ভুল কাৰণতে তেওঁৰ ওপৰতে দেৱত্ব আৰোপ কৰিব পাৰে। এটা উদাহৰণ হীৰামণি আৰু তুলসী। মাধৱদেৱৰ ওচৰত শৰণ লোৱাৰ প্ৰতি তেওঁলোকে একান্ত আগ্ৰহ দেখুৱাইছে, কিন্তু তেওঁলোকৰ বিশ্বাস মাধৱৰ আশীৰ্বাদে নিঃসন্তান দম্পতীক সন্তান দান কৰিব। পৰিস্থিতিটো কেৱলীয়া মাধৱৰ বাবে শ্লেষাত্মক হৈ পৰিছে। 'যাকেৰি নাহিকে উপাম'তো শঙ্কৰদেৱৰ শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক শৌৰ্যক কেন্দ্ৰ কৰি গঢ়ি উঠা লোকবিশ্বাসে তেওঁক জীৱন্তে ঈশ্বৰৰ শাৰীলৈ তুলি দিছে। বঞ্চুকা বেহাৰত অলৌকিকতাৰ প্ৰতি আধুনিকৰ সমালোচনাত্মক দৃষ্টিভংগী প্ৰকাশ পাইছে। মাধৱদেৱ চিন্তিত হৈছে ঃ 'অলৌকিকতাৰ অনুভৱে অন্ধ আনুগত্যৰ সৃষ্টি কৰে। এটা বিশেষ স্তৰত যদি ইয়াক ৰোধ কৰিব পৰা নহয়, তেন্তে ধৰ্মত অন্ধ গোড়ামি আৰু কুসংস্কাৰ সোমাই পৰাটো ৰোধ কৰিব পৰা নাযায়।" (পৃ. ১২২)। এই ক্ষেত্ৰত পৰিস্থিতি অধিক বিপজ্জনক হ'ব পাৰে যদি সংশ্লিষ্ট ব্যক্তিয়ে নিজেও নিজৰ কিংবদন্তীত বিশ্বাস কৰিবলৈ লয়।

আটাইকেইগৰাকী ঔপন্যাসিকে আলোচনা কৰা এটা বিষয় হ'ল গড় বান্ধি আৰু নেবান্ধি যুঁজা যুঁজ অৰ্থাৎ গাৰ্হস্থ্য আৰু কেৱলীয়া পথৰ মাজত সম্ভাব্য বিৰোধ। 'বঞ্চুকা বেহাৰ'ত মাধৱদেৱ অপবাদ পাই সুন্দৰীদিয়ালৈ যাব লগা হোৱাত তেওঁ চিন্তা কৰিছে ঃ "গুৰুৰ উপদেশ অমান্য কৰাৰ বাবেই এনে দুৰ্ভোগ ভুগিবলগীয়া হ'ল নিশ্চয়। নহ'লে আজি তেওঁ পোহৰৰ ভয়ত, মানুহৰ ভয়ত সুন্দৰীদিয়াত এই বুঢ়ী লুইতৰ পাৰত দিন কটাবলগীয়া নহ'লহেঁতেন।" (পৃ. ১৫) এই দুঃচিন্তাই মাধৱক লগ এৰা নাই। স্থানান্তৰত তেওঁ আকৌ ভাবিছে ঃ "বনগঞাগিৰিৰ জঘন্য অপবাদৰ হাত সাৰিবলৈ এনেদৰে সুন্দৰীলৈ আহিবলগীয়া নহ'লহেঁতেন।" (পৃ. ৩০)। বনগঞাগিৰিয়ে মাধৱক দিয়া অপবাদৰ প্ৰসংগত মাধৱে বিয়া কৰোৱা-নকৰোৱাটো বদনামৰ হাতসৰাৰ কৌশলগত দিশ হৈহে আছে। মাধৱে বিয়া কৰোৱা হ'লেই বনগঞাগিৰিয়ে অপবাদ নিদিলেহেঁতেন বুলি ক'ব নোৱাৰি। ঔপন্যাসিকে

কেৰলীয়া পন্থৰ আন দিশো আলোচনালৈ আনিছেঃ "সুন্দৰ সুঠাম হীৰামণি, অপৰূপ সৌন্দৰ্যৰ অধিকাৰী তুলসী। দুয়োৰে মাজত কি অপূৰ্ব স্নেহৰ সম্বন্ধ। কিন্তু সেই শান্তিৰ সতে তেওঁ যে কোনোদিন পৰিচয় হোৱা নাই। সেই শান্তিৰ আস্বাদৰ পৰা তেওঁ যে চিৰতৰে বঞ্চিত।" (পৃ. ১১৮)। 'যাকেৰি নাহিকে উপাম'ত আনহাতে শঙ্কৰদেৱে গাৰ্হস্থ্য জীৱনক সাময়িকভাৱে ঈশ্বৰ চিন্তাৰ ক্ষেত্ৰত বাধা বুলি ভাবিছেঃ "তেওঁ (শঙ্কৰে) ভাবিলে, তেওঁ মাধৱৰ নিচিনা হ'ব পৰাহেঁতেন কিমান যে মুকলিমূৰীয়া হৈ ঈশ্বৰ চিন্তা আৰু ঈশ্বৰ গৰিমা প্ৰকাশক কাম কৰিব পাৰিলেহেঁতেন। তেওঁৰ মাধৱলৈ ঈৰ্ষা হ'ল। কিছুমান বিষয়ত শিষ্য হৈও মাধৱদেৱ গুৰুৰ উৰ্ধ্বত। শঙ্কৰক নিমিষতে আত্মগ্লানিয়ে জৰ্জৰিত কৰিলে।" (পৃ. ২০৪)।

মালিকৰ দুয়োখন উপন্যাসতে বিয়া কৰোৱা নকৰোৱা কথাটো সহজভাৱে গ্ৰহণ কৰা হৈছে—"এই বিষয়ত মাধৱদেৱ দৃঢ়মনা। সংসাৰৰ মায়াজালত সোমাই পৰি যে নিষ্কাম, উদাৰ, নিঃস্বাৰ্থ ধৰ্মীয় জীৱন-যাপন কৰাটো সহজ কথা নহয় সেই কথা মাধৱদেৱে খোলাখুলিকৈ কৈ দিবলৈ সংকোচ নকৰে।" (প্ৰেম অমৃতৰ নদী, পৃ. ৬৬)। 'ধন্য নৰতনু ভাল'ত ধুৱাহাটৰ দুগৰাকী তিৰোতাৰ মাজত বিষয়টো আলোচিত হৈছে—'বৰ মনৰ বল থকা মানুহ মাধৱদেউ। ৰুক্মিণীক দেখিছা নহয়... ৰূপহী ছোৱালীজনী, পাটগাভৰু হৈছে। ইপিনে শঙ্কৰ গুৰুৰ নিচিনা এজনা ভূঞাৰ জীয়েক। তাতো নিজা মত এৰি নিদিলে মাধৱে।" ভকত হ'বলৈ হ'লে এনেকুৱা মনৰ বল থাকিব লাগে তেহে।" (পৃ. ৩৪২-৪৩)। 'ধন্য নৰতনু ভাল'ৰে তৃতীয় খণ্ডৰ আৰম্ভণিতে কোৱা হৈছে—"ইছলামে কোনো ক্ষেত্ৰতে সন্ন্যাস বা বৈৰাগ্যক অনুমোদন নকৰে। সমাজৰ মাজত আৰু সমাজৰ লগত থাকি সংসাৰী জীৱন-যাপন কৰাটোহে ইছলামৰ কাম্য" (পৃ. ৩২৩)। এই কথাটোকে মালিকে 'সুৰুযমুখীৰ স্বপ্ন'ত ধেমেলীয়া সুৰত কৈছেঃ "গাঁৱত খোৰা, কণা, লেঙেৰা কোনোৱে বিয়া নকৰোৱাকৈ নাথাকে। বিয়া কৰোৱাটো চুন্নত, অৱশ্যে পালনীয় কৰ্ম। বিয়া নকৰোৱাটো ডাঙৰ গুনাহৰ কথা, পাপৰ কথা।" (পৃ. ৩৯)।

আব্দুল মালিকদেৱে 'ধন্য নৰতনু ভাল' জ্যোতিপ্ৰসাদৰ পৱিত্ৰ সোঁৱৰণত উছৰ্গা কৰি লিখিছেঃ 'জ্যোতিপ্ৰসাদে যুগস্ৰষ্টা শঙ্কৰদেৱক শিল্প-সাহিত্য-সংস্কৃতি আৰু নতুন মানুহৰ প্ৰতীক আৰু প্ৰতিনিধিৰূপে চিনাকি কৰি দিয়াৰ সাহস কৰিছিল গভীৰ উপলব্ধিৰে।' মালিকৰ শঙ্কৰদেৱো যুগস্ৰষ্টা, নতুন মানুহৰ প্ৰতীক আৰু প্ৰতিনিধি। মহাপুৰুষ গুৰুজনে অন্তিম দিনত নিজকে সুধিছেঃ 'মানুহক মানুহ বুলি প্ৰতিষ্ঠা কৰিব পাৰিলোনে মই? (পৃ. ৪৬৩)। এই দৃষ্টিকোণ পৰিষ্কাৰ হৈছে উপন্যাসৰ বৃত্তান্তত। মালিকৰ শঙ্কৰদেৱে সকলো জাতি পৰিচয়ৰ উৰ্ধ্বত—ব্ৰাহ্মণ, ক্ষত্ৰিয়, শূদ্ৰ, বৈশ্য, কলিতা, কোচ, কছাৰী, খৈৰামী, গাৰো, ম্লেচ্ছ, যৱন, মিচিং, কৈৱৰ্ত, আহোম, মৰাণ, মটক, চুতীয়া, লালুং, ডিমাচা, কাৰ্বি, চিংফৌ, নক্তে, আৰ্য-অনাৰ্য—এই সকলোৰে উৰ্ধ্বত মানুহৰ মানৱীয় পৰিচয় প্ৰতিষ্ঠা কৰিছে। তৃতীয় পুৰুষত কৰা বৰ্ণনা, নাটকীয় সংলাপৰ ব্যৱহাৰ আৰু পৰিস্থিতি উদ্ভাৱন, সংলাপৰ বুদ্ধিদীপ্ততা আৰু উজ্জ্বল হাস্য, সময়ত কাহিনীকাৰৰ নিয়ন্ত্ৰণৰ পৰা ওলাই যোৱা কাহিনীৰ স্বতঃস্ফূৰ্ত গতি, ফকৰা-যোজনাৰ সঠিক পৰিস্থিতিত প্ৰয়োগ, কথিত আৰু মান্যভাষাৰ ওপৰত সমান দখল, গম্ভীৰ (serious) তাত্ত্বিক আলোচনাৰ পিছে পিছে চহা লোকৰ ধেমেলীয়া কথা-বতৰাৰ মাজেদি জনজীৱনৰ ওপৰত শঙ্কৰ-মাধৱৰ প্ৰভাৱ দেখুওৱা কৌশল আদিয়ে 'ধন্য নৰতনু ভাল'ক এখন সুখপাঠ্য উপন্যাস কৰিছে। ঔপন্যাসিক হিচাপে লক্ষ্মীনন্দন বৰাৰ কলা-কৌশলৰ ওপৰত নিয়ন্ত্ৰণ প্ৰশংসনীয় আৰু কল্পনাক মুক্ত বিচৰণ কৰিবলৈ এৰি দিয়াত 'যাকেৰি নাহিকে উপাম'ৰ আৰম্ভণিৰ অধ্যায় কেইটাই শঙ্কৰদেৱৰ ল'ৰালি কাল পাহৰিব নোৱাৰাকৈ চিত্ৰিত কৰিছে। আইতাক খেৰসূতীৰ শঙ্কৰদেৱৰ চৰিত্ৰৰ গঠন আৰু বৃদ্ধিত (growth) থকা প্ৰভাৱৰ ছবিখনো মনোৰম। শঙ্কৰদেৱ গভীৰ অধ্যয়ন আৰু গহীন সামাজিক কাম-কাজত জড়িত হৈ পৰাৰ লগে লগে কাহিনীকাৰৰো কথাৰ সুৰ গম্ভীৰ হৈ পৰিছে। বৰাদেৱৰ দৃষ্টিকোণ আৰু উদ্দেশ্য মালিকৰ পৰা কিছু পৃথক। উপন্যাসখনৰ তৃতীয় সংস্কৰণৰ প্ৰাক্‌কথনত তেওঁ কৈছেঃ "মোৰ দৃঢ় বিশ্বাস যে দুটা মাধ্যমেহে অসমৰ প্ৰাণ প্ৰতিষ্ঠিতা আৰু সৰ্বযুগৰ সৰ্বশ্ৰেষ্ঠ পুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱক এখন বৃহত্তৰ সমাজ আৰু বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত মনোমুগ্ধকৰভাৱে সদৰী কৰিব পাৰে। মাধ্যম দুটা হ'ল চলচ্চিত্ৰ আৰু উপন্যাস। শঙ্কৰদেৱক মনোমুগ্ধকৰ ৰূপত পাঠকৰ মাজত সদৰী কৰাত ঔপন্যাসিক সফল হৈছে। এই উদ্দেশ্যৰেই ঔপন্যাসিকজনে দুয়োখন উপন্যাসতে চৰিত পুথিসমূহৰ প্ৰায় সকলো তথ্য বৃত্তান্তৰ মাজলৈ আনিছে। আধুনিক পাঠক অনেকেই চৰিত পুথিসমূহ পঢ়া নাই। ঔপন্যাসিক বৰাদেৱৰ 'যাকেৰি নাহিকে উপাম' আৰু 'সেহি গুণনিধি'য়ে পাঠকক বৃত্তান্তৰ মাজেদিয়ে তথ্যসমূহৰ যোগান ধৰিছে।

এক ব্যক্তিগত সাক্ষাৎকাৰত জ্যোতিপ্ৰসাদৰ জীৱন আৰু কৃতিক লৈ 'তোৰে মোৰে আলোকৰে যাত্ৰা' লিখা চন্দ্ৰপ্ৰসাদ শইকীয়াক জীৱনীমূলক উপন্যাস লিখাৰ মূল কথা কি বুলি "জীৱনীমূলক উপন্যাস কল্পনাৰে লিখিব লাগিব, জীৱনীৰে নহয়।" উক্তিটো মন কৰিবলগীয়া। তেওঁ জীৱনীক বাদ দিয়া অথবা জীৱনীৰ তথ্যক বিকৃত কৰাৰ কথা কোৱা নাই, কিন্তু আন উপন্যাসৰ দৰেই জীৱনীমূলক উপন্যাসতো কল্পনা সৃষ্টিশীল হোৱাটোহে আচল কথা। চৰিত পুথিসমূহত শঙ্কৰদেৱ আৰু মাধৱদেৱৰ জীৱনীৰ অনেক তথ্য সম্বলিত হৈ আছে, কিন্তু জীৱনীমূলক উপন্যাসত পাঠকে ইবিলাকৰ উপৰি আন কিছুমান কথাও বিচাৰিব। শঙ্কৰ-মাধৱৰ সকলো সাহিত্য কৃতি আৰু চৰিত পুথিসমূহ পঢ়াৰ পিছতো মহান সৃষ্টিৰ গৰাকী মহাপুৰুষ দুজনাৰ চৰিত্ৰ আৰু জীৱন পাঠকৰ আগত জীৱন্ত আৰু মূৰ্ত হৈ নুঠিব পাৰে। সৃষ্টিৰ আঁৰত থকা সেই মানুহজন—সকলো মানৱীয় সুখ-দুখ, দোষ-দুৰ্বলতা, সজগুণ, মহত্তৰ অধিকাৰী মানুহজন—যি মানুহ হিচাপে জন্মিও নিজৰ কৃচ্ছ্ৰসাধনাৰ ফলত মহাপুৰুষ হ'ব পাৰিছে, সেই মানুহজনক পাঠকে উপন্যাসত বিচাৰে। সম্প্ৰতি অসমীয়াত ৰচিত মহাপুৰুষ দুজনাৰ জীৱনীভিত্তিক উপন্যাস পাঁচখনে এই আকাংক্ষা আংশিকভাৱে পূৰণ কৰিছে।●

*(লেখক ড° আনন্দ বৰমুদৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক)*

# শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰচনাত নাৰী

ড° সুখ বৰুৱা

খ্ৰীষ্টীয় পঞ্চদশ পৰা সপ্তদশ শতিকালৈ সুদীৰ্ঘ সময়খিনিক অসমীয়া বৈষ্ণৱ সাহিত্যৰ উত্থান আৰু উত্তৰণৰ সময় বুলি ধৰি ল'লে মধ্যযুগৰ অসমৰ অভ্ৰভেদী ব্যক্তিত্ব হ'ল শঙ্কৰদেৱৰ ব্যক্তিত্ব। কিয়নো পঞ্চদশ শতিকাৰ ইতিহাসেই হ'ল অসমৰ ধৰ্মীয়, সাংস্কৃতিক আৰু সামাজিক জীৱনৰ ভেটি নিৰ্মাণৰ ইতিহাস। অসমৰ সামাজিক জীৱনক এক পৰিশীলিত গতি দিয়াৰ লক্ষ্যৰে শ্ৰীমন্ত শঙ্কৰদেৱে ভাৰতীয় আধ্যাত্মিক সাধনাৰ ফলস্বৰূপে বেদান্তবাদী চিন্তাচৰ্চাক অসমৰ সমাজ জীৱনলৈ বোৱাই আনিলে আৰু ভাৰতীয় সুকুমাৰ কলাৰ লগত অসমৰ সাংস্কৃতিক পৰম্পৰাৰ সংমিশ্ৰণ ঘটাবলৈ আত্মনিয়োগ কৰিলে। অসমীয়া জনজীৱনৰ মাজত নিহিত হৈ থকা সূক্ষ্মতম নান্দনিক সৌন্দৰ্য চেতনা, বিনয়, দয়া, ক্ষমা, অহিংসা, সহিষ্ণুতা, উদাৰতা, মানৱতা আদি কৰি মানৱীয় প্ৰমূল্যসমূহৰ বিকাশ আৰু উত্তৰণৰ বাবে প্ৰচেষ্টা লোৱাটোও নিঃসন্দেহে এই সময়ছোৱাৰ ফল। সেইবাবেই সম্ভৱতঃ সাহিত্যসেৱাৰ বিভিন্ন সমালোচকক মধ্যযুগৰ সময়ছোৱাক অসমীয়া সাহিত্যৰ প্ৰথম স্বৰ্ণযুগৰ বুলি অভিহিত কৰা দেখা যায়।

খ্ৰীষ্টীয় পঞ্চদশ শতিকাত ভাৰতীয় বেদান্তবাদী সাধনাৰ ফলস্বৰূপ বৈষ্ণৱ সাহিত্যৰ ধাৰা অসমলৈ বোৱাই অনা অৰ্থাৎ নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক শ্ৰীমন্ত শঙ্কৰদেৱ আছিল একেধাৰে কবি, সাহিত্যিক, নাট্যকাৰ, গীতিকাৰ, সংগীতজ্ঞ, শিল্পী, সমাজদ্ৰষ্টা, সমাজ সংস্কাৰক আদি কৰি বিবিধ অভিধাৰে বিভূষিত এক বিৰল ব্যক্তিত্বৰ অধিকাৰী ব্যক্তি। শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মৰ শতিকাটো আছিল অসম বুৰঞ্জীৰ এক উল্লেখযোগ্য শতিকা। শ্ৰীমন্ত শঙ্কৰদেৱ নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ প্ৰস্তুতিৰ সময়ছোৱাত অসমৰ সামাজিক জীৱন, ধৰ্মীয় জীৱন আদি সংকটাপূৰ্ণ অৱস্থাত আছিল। অসম ধৰ্মীয় আৰু সামাজিক জীৱনত চলি থকা নানা কু-সংস্কাৰ, ব্যভিচাৰ, অত্যাচাৰ, অন্ধবিশ্বাস, বলি-বিধান আদিৰ অৱসান ঘটাই নৱ-বৈষ্ণৱ ধৰ্ম প্ৰৱৰ্তন আৰু প্ৰসাৰৰ লগতে জনসাধাৰণৰ মাজত আধ্যাত্মিক তথা ভক্তিভাৱ জগাই তোলাৰ মানসেৰে গীত, কাব্য, নাট, ভাওনা, গায়ন-বায়ন আদি বিবিধ বিষয়ত নিজৰ সৃষ্টিশীল প্ৰতিভাৰ বোল সানি সৃষ্টি কৰি শঙ্কৰদেৱে এখন সুস্থ সবল সমাজ গঢ়াৰ বাবে অগ্ৰণী ভূমিকা ল'বলৈ আগবাঢ়ি আহিছিল। ধৰ্ম যে সমাজ সাংস্কৃতিক দায়বদ্ধ চেতনাযুক্ত হ'ব লাগে এই মহান বাণী উপলব্ধি কৰি কাৰ্যত পৰিণত কৰিবলৈ চেষ্টা কৰিছিল শ্ৰীমন্ত শঙ্কৰদেৱে। ধৰ্ম প্ৰৱৰ্তকজন যদি উদাৰ হয়, বিশাল দৃষ্টিভংগীৰে মানৱ দৰদী হয়, নৈতিকতাৰ বাবে মানৱতাবাদী আৰু শৈল্পিক কলাসুলভ মনৰ গৰাকী হয় তেতিয়াহে অৰ্থাৎ তেনে মহান হৃদয়ৰ ব্যক্তিৰ আদৰ্শৰ যোগেদিহে ধৰ্মই সমাজ সাংস্কৃতিক মৰ্যাদাৰে ঐশ্বৰ্যমণ্ডিত হ'ব। ধৰ্মক শ্ৰীমন্ত শঙ্কৰদেৱে শৈল্পিক কলা-কৌশলেৰে এনে উচ্চ পৰ্যায়লৈ লৈ গ'ল যে পৰৱৰ্ত্তী সময়ত ধৰ্ম হৈ পৰিল কলাৰ নান্দনিক সৌন্দৰ্যৰে ঐশ্বৰ্যশালী কৰিব পৰা জীৱন আৰু অনুৰাগীসকলৰ জীৱনচৰ্যাই লাভ কৰিলে বৌদ্ধিক উত্তৰণৰ বাবে শৃংখলাবদ্ধ অধ্যয়নৰ ব্যৱস্থা।

শ্ৰীমন্ত শঙ্কৰদেৱৰ কেৱল ধৰ্মপ্ৰচাৰক হিচাবে খ্যাতি অৰ্জন কৰাৰ লক্ষ্য নাছিল। তেখেতৰ সাগৰ সদৃশ বিশাল প্ৰতিভা আছিল। শ্ৰীমন্ত শঙ্কৰদেৱে অধ্যয়ন কৰা গ্ৰন্থসমূহৰ ভিতৰত—চাৰি বেদ, চৈধ্যশাস্ত্ৰ, ওঠৰ পুৰাণ, ওঠৰ কাব্য, ওঠৰ কোষ, চৈধ্য ব্যাকৰণ, ওঠৰ সংহিতা, মহাভাৰত, ৰামায়ণ (পূৰ্ণাংগ কথাগুৰু চৰিত পুথিত উল্লেখ কৰা মতে) আদিয়েই প্ৰধান আছিল। এনে তত্ত্বগধুৰ গ্ৰন্থসমূহ অধ্যয়ন কৰাৰ ফলত তেখেত সাগৰ সংকাশ গভীৰ জ্ঞানৰ অধিকাৰী হ'ব পাৰিছিল। গভীৰ জ্ঞানেৰে পুষ্ট হোৱা শ্ৰীমন্ত শঙ্কৰদেৱে উপলব্ধি কৰিছিল এখন সমাজ সুসংগঠিত কৰি শৃংখলাবদ্ধভাৱে পৰিচালনা কৰিবলৈ হ'লে সমাজ এখনৰ অৰ্ধ শতাংশ নাৰীৰ অংশ গ্ৰহণ অপৰিহাৰ্য। সেয়ে তেখেতে বিবিধ বিষয়ৰ ৰচনাসমূহত নাৰী সৃষ্টি কৰি শৃংখলিত সমাজ সংস্কাৰ কৰাৰ অবিৰত যাত্ৰাত নাৰীৰ গুৰুত্ব, দায়িত্ব আৰু অধিকাৰ উপলব্ধি কৰিয়েই ভাগৱতৰ একাদশ স্কন্ধত কৈছে—

'কাক বুলি হৰি কথা হৰিৰ কীৰ্ত্তন কিবা
যিটো সৱে একোৱে নজানে।
স্ত্ৰী শূদ্ৰ অন্ত্যজাতি তাকো শিক্ষা দিবা মাতি
ধৰিবে সিসৱে অহোপ্ৰাণে।।"৩৩২

এইদৰে মহাপুৰুষজনাই ধৰ্মীয়, আধ্যাত্মিক, শৈক্ষিক আৰু আৰ্থিক দিশত স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত নাৰীক সৱলীকৰণ আওতাৰ মাজলৈ আনিব নোৱাৰিলেও মৰ্যাদাসহকাৰে নাৰীয়ে যাতে জীৱন অতিবাহিত কৰিব পাৰে তাৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। মনকৰিবলগীয়া যে শ্ৰীমন্ত শঙ্কৰদেৱে ৰচনাসমূহত স্থান দিয়া নাৰী চৰিত্ৰবোৰ সংগ্ৰহ কৰিছিল তেখেতে অধ্যয়ন কৰা বেদ, উপনিষদ, পুৰাণ আৰু উপপুৰাণৰ পৰা। তাৰ মাজতে তেখেতৰ স্বকীয় শৈল্পিক প্ৰতিভাৰে চৰিত্ৰসমূহত বোল সানি স্বাভাৱিক সৌন্দৰ্যৰে চৰিত্ৰবোৰ বাস্তৱ আৰু জীৱন্ত কৰি তুলিছে। সেয়ে তেখেতৰ ৰচনাৰাজিত উজলি উঠা নাৰী চৰিত্ৰসমূহ বিচিত্ৰ আৰু মনোগ্ৰাহী হৈছে। বিভিন্ন চৰিত্ৰত চিত্ৰিত হোৱা নাৰীক বিভিন্ন ৰূপত সজাই তুলিছে। উদাহৰণস্বৰূপে নাৰী ক্ৰমে মমতাময়ী মাতৃ, স্নেহশীল ভগ্নী, পৰামৰ্শদাত্ৰী পত্নী, মৰম আকলুৱা আৰু ভাগৱত প্ৰেমাসক্তা প্ৰেমিকা, কন্যা, প্ৰিয়সখি আদি একাধিক ৰূপত চৰিত্ৰসমূহ অঙ্কন কৰিছে। উল্লেখনীয় যে তেখেতৰ অনুপম সৃষ্টিত শ্ৰীকৃষ্ণৰ

লীলা অৱতাৰৰ বৰ্ণনাইহে গুৰুত্বপূৰ্ণ স্থান লাভ কৰিলেও তেখেতে মৌলিকতাৰ ৰহন সানি চৰিত্ৰবোৰ কেতিয়াবা তদানীন্তন সমাজ এখনৰ বাস্তৱ জীৱনৰ লগত সাঙুৰ খাই অধিক প্ৰাণময় হৈ উঠিছে। তেখেতৰ সুদক্ষ, সুনিপুণ হাতৰ পৰশত সৃষ্টি হোৱা কেইবাগৰাকী নাৰীৰ গৰিমাময় চৰিত্ৰ হিচাপে অসমীয়া সাহিত্যৰ ইতিহাসৰ পাতত জাজ্বল্যমান হৈ জিলিকি থাকিবলৈ সক্ষম হৈছে। সেইসকলৰ ভিতৰত ৰুক্মিণী,দৈৱকী, যশোদা, শশী, সত্যভামা, বিপ্ৰ পত্নীসকল আৰু শৈব্যা, বিন্ধ্যাৱলী এই ক্ষেত্ৰত উল্লেখনীয়। গোপীসকলো তেখেতৰ চৰিত্ৰ চিত্ৰণত উল্লেখযোগ্য নাৰী। চৰিত্ৰবিলাকত বিৰাজ কৰা নাৰীসুলভ কমনীয়তা, চাৰিত্ৰিক নিৰ্মলতা, সতী, সহিষ্ণুতা, ধৈৰ্যশীল আৰু স্নেহশীল আদি মানৱীয় গুণেৰে বিভূষিতা। আনহাতেদি তেখেতৰ প্ৰত্যুৎপন্নমতী সম্পন্ন দৃষ্টিৰ আলোকত সীমাত আৱদ্ধ কৰি সাধাৰণ নাৰীৰ মাজত থকা হিংসা, দ্বেষ, ঈৰ্ষা, খং, অভিমান, মায়াবিনী আৰু কামসিক ৰূপটোও সাৰি যাব পৰা নাই। চৰিত্ৰবিলাক বিভিন্ন শাস্ত্ৰৰ পৰা সৃষ্টি কৰিলেও চৰিত্ৰবোৰে তেখেতৰ সৃষ্টিশীল প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে ই স্বীকাৰ্য।

শ্ৰীমন্ত শঙ্কৰদেৱৰ অন্যতম সৃষ্টি নাটকসমূহতেই নাৰী চৰিত্ৰৰ বিশাল সমাবেশ ঘটিছে। বিশিষ্ট সাহিত্যিক, সমালোচক ড° সত্যেন্দ্ৰনাথ শৰ্মাই 'পত্নী প্ৰসাদ' নাটকেই শঙ্কৰদেৱৰ প্ৰথম নাটক বুলি অভিহিত কৰিছে। এই নাটকৰ বিষয়বস্তু, চৰিত্ৰাঙ্কন, সংলাপ, উপস্থাপন ৰীতিলৈ লক্ষ্য কৰিলেই পত্নী প্ৰসাদ তেখেতৰ নাট্য ৰচনাৰ প্ৰথম প্ৰয়াস বুলি অনুমান কৰিব পাৰি। কিয়নো নাটখনত নাৰী চৰিত্ৰসমূহত বিকাশ ঘটোৱাৰ বিপৰীতে কৃষ্ণ-ভক্তিত অটল হোৱা ব্ৰাহ্মণ পত্নীসকলৰ চৰিত্ৰত একোটি সংলাপৰ যোগেদি উপস্থাপন কৰিছে। অন্যহাতেদি সূত্ৰ আৰু গীত-পদৰ যোগেদি অভিব্যক্তি দাঙি ধৰা হৈছে এইদৰে—

"... ওহি শুনি ব্ৰাহ্মণিসৱ ঃ পৰম হৰসিত মনে ঃ শ্ৰীকৃষ্ণক প্ৰতি ঃ পৰম সুগন্ধি অন্ন বেঞ্জন ঃ পিঠাপনা ঃ পৰমান্ন ঃ পনস ঃ শুক্ল চেনি ঃ বহুবিধ ষড়ৰস ঃ বিচিত্ৰ পাত্ৰত ভৰি লয়া কহোঁ ঃ জৈচে চলল ঃ তা দেখহ ঃ শুনহ ঃ নিৰন্তৰে হৰি বোল হৰি।"

ইয়াৰোপৰি সূত্ৰধাৰৰ মাজেদি ব্ৰাহ্মণীসকলৰ চাৰিত্ৰিক বৈশিষ্ট্য প্ৰকাশ ঘটাইছে। বিশেষকৈ ভক্তি বিৰোধী ব্ৰাহ্মণসকলৰ দম্ভ অহংকাৰ বিপৰীতে কৃষ্ণ-ভক্তিপৰায়ণা ব্ৰাহ্মণ পত্নীসকলৰ চৰিত্ৰ চিত্ৰণে ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰকাশ কৰাটো নাটখনৰ অন্যতম বৈশিষ্ট্য। 'কালিয় দমন'ত যশোদাৰ মাজেদি স্নেহশীলা মাতৃৰ আকুলতা প্ৰকাশ কৰিছে। কালি হ্ৰদত কালি নাগে কৃষ্ণক দংশন কৰিলে মৃত্যু নিশ্চিত ভাবি সন্তানৰ বিচ্ছেদ সহিব নোৱাৰি কান্দি কান্দি বাউলী হোৱা নহয় হ্ৰদত জাপ দিবলৈ দহনৰ গভীৰতা প্ৰকাশ সন্তানহীনা মাতৃৰ বিননিৰ চিত্ৰ ফুটাই তুলিছে এইদৰে—

"কাহাঁ যাঅ জ্বালিয়ে অগনি মেৰি গাৱ।
কেনা আসি হামাক বোলব অৰ মাৰ।।
ধূলাজাৰি কাহাক ধৰবো বোকে তুলি।
হৃদয় ধাকুৰে জসোমতী এহি বুলি।।
এগৃহ গোধন ধন সাঞ্চো কাৰ তৰে।
কোন পান কৰৱ গোৰস মেৰি ঘৰে।।
মধুৰ অধৰে কোনে বজাইবে বেনু।
চাৰৰ বিহানে কোনে মেলি মেৰি ধেনু।।
কিনা দোযে প্ৰাণ পুত্ৰ তেজলি হামাৰি।
হৰয় চেতন দিশ দেখু আন্ধিআৰি।।
তোহাৰি জননি হেৰ মৰি যাঞঁ তাপে।
কহতু শঙ্কৰ জসোমতীক সন্তাপে।।"

তদুপৰি নাগপত্নীসকলৰ স্বামীৰ প্ৰাণ ভিক্ষা কৰা কাতৰ দৃশ্য অতি হৃদয়স্পৰ্শী হৈছে।

'কেলিগোপাল' নাটকত নৃত্য-গীতৰ মাধ্যমেৰে গোপবালক-সকলৰ কৃষ্ণৰ প্ৰতি প্ৰেমৰ ব্যাকুলতা, অস্থিৰতা, গভীৰতাক প্ৰকাশ কৰিছে। মূল ভাগৱতত এগৰাকী নাৰীৰূপে দেখা দিয়া নাৰীক ৰাধা ৰূপ দি কৃষ্ণৰ প্ৰধান প্ৰেমিকাৰূপে চিহ্নিত কৰিছে। কিন্তু শঙ্কৰদেৱে ৰাধাক বিশেষ স্থান দিয়া নাই। সাধাৰণ গোপীসকলৰ মাজৰ এগৰাকী বুলিহে দেখুৱাইছে। গুৰুজনাৰ কালজয়ী গ্ৰন্থ কীৰ্ত্তন-ঘোষাৰ ৰাসলীলাতো গোপী-কৃষ্ণৰ মাজত প্ৰেম আত্মা-পৰমাত্মাৰ মিলন বুলিয়েই কৈছে।

'ৰুক্মিণীহৰণ' নাটকৰ নায়িকা ৰুক্মিণী। তেওঁৰ ৰূপৰ তুলনা নাই। ত্ৰৈলোক্যত সমৰূপ নাহি ৰুক্মিণীক নাৰীসুলভ অনুভূতিৰে পৰিপূৰ্ণ সালংকৃতা ৰুক্মিণী কেৱল স্বামী হিচাপে কৃষ্ণক পাবলৈ বাঞ্ছা কৰা মনৰো গৰাকী হৈছে লগতে সহোদৰ ভ্ৰাতৃৰ প্ৰতি স্নেহ ৰুক্মিণীৰ চৰিত্ৰৰ আন এটি উল্লেখনীয় দিশ। কিয়নো ৰুক্মবীৰে যেতিয়া কৃষ্ণক দুব্যৱহাৰ কৰিছে তেতিয়া বিপদৰ উমান পাই ভ্ৰাতৃ স্নেহত আত্মহাৰা হৈ কৃষ্ণৰ পদ প্ৰান্তত বৈ কাকুতি কৰিছে এইদৰে—

"ভায়াকেৰি দুখ দেখিয়ে জীউ যায়
ৰাখহু পাপীক প্ৰাণ।
চৰণকু আগুঃ আঞ্চোল পাতি মাগু
দেহু মেৰি সোদৰ দান।।
যৱহু সোদৰ দেৱ নকৰসি ৰক্ষণ
আগহি লেহু জীউ মোই।
হৰিক পাৰে পৰি বৰবালা বিলপতি
কহ শঙ্কৰ ৰস ওই।।"

ৰুক্মিণীৰ মাতৃ শশীপ্ৰভা অন্য এক নাৰী চৰিত্ৰ। কন্যা ৰুক্মিণীৰ বিবাহ অনুষ্ঠানত 'পুত্ৰ মাজে মোৰ জীউ এখানি' বুলি কৈ শশীপ্ৰভাই শ্ৰীকৃষ্ণৰ মাতৃ অৰ্থাৎ বিয়নি দৈৱকীক মৰম আকলুৱা জীয়েক ৰুক্মিণীক মৰম মিশ্ৰিত শাসনেৰে বিবাহৰ পিছত সুখত ৰাখিবলৈ অনুৰোধ জনোৱা কাৰ্যই সন্তানৰ প্ৰতি থকা অপত্য স্নেহভৰা হৃদয় এখনৰ সংবাদ দিছে। যদিও শশীপ্ৰভা শ্ৰীমন্ত শঙ্কৰদেৱৰ কাল্পনিক চৰিত্ৰ তথাপি তেখেতৰ ভাষাত শশীপ্ৰভা ৰূপে-গুণে অনিন্দিতা যেনে বিদ্যাধৰী। অনুপম মাতৃ চৰিত্ৰ হিচাবে শশীপ্ৰভা 'ৰুক্মিণী হৰণ'ত জিলিকি আছে। ধাই মাতৃ সুমালিনী, সখীসকলৰ চৰিত্ৰ অঙ্কনে ৰুক্মিণীৰ প্ৰতি গভীৰ স্নেহ, ভালপোৱা, দায়িত্বৰ কথা সুন্দৰভাৱে বৰ্ণনা কৰিছে।

শ্ৰীমন্ত শঙ্কৰদেৱৰ আটাইকেইখন নাটকৰ ভিতৰত 'পাৰিজাত হৰণ' নাটকৰ মাজতেই নাৰী চৰিত্ৰৰ পূৰ্ণ বিকাশ ঘটিছে। লৌকিক তথা বাস্তৱ জীৱনৰ আধাৰত মুখামুখি হৈ আমোদ সৃষ্টি কৰা পৰিলক্ষিত হৈছে। বিশেষকৈ সুন্দৰ

বস্তুৰ প্ৰতি নাৰীৰ দুৰ্বাৰ আকৰ্ষণ আৰু লাভ কৰাৰ প্ৰতিও সহজাত প্ৰবৃত্তিয়েই যেন পাৰিজাত হৰণ নাটকৰ মূল প্ৰতিপাদ্য বিষয়। নাটকখনৰ মূল বিষয়বস্তু পাৰিজাত ফুলক লৈ কৃষ্ণৰ পত্নী সত্যভামা, ৰুক্মিণী আৰু ইন্দ্ৰৰ পত্নী শচীৰ মাজত যি তীব্ৰ সংঘাত তথা আন্তঃকলহৰ সৃষ্টি হৈছে সি লৌকিকতাৰ সীমা চেৰাই জনজীৱনৰ মাজত দৈনন্দিন ঘটি থকা হাই-কাজিয়া, দ্বন্দ্ব-খেয়ালি আদিৰে পূৰ্ণ বাস্তৱ গাঁৱলীয়া জীৱনৰ ছবি এখনৰ অৱতাৰণা হোৱা যেন অনুভৱ হৈছে। কিয়নো সত্যভামা চৰিত্ৰটো গ্ৰাম্য কলহপ্ৰিয় নাৰীৰ দৰে অঙ্কন কৰাটো শঙ্কৰদেৱৰ নাটকৰ অন্যতম সফলতা। ইন্দ্ৰপত্নী শচীৰ চৰিত্ৰই নাৰী বিদ্বেষৰ ৰূপটো দেখুৱাইছে। কিন্তু ইয়াৰ বিপৰীতে কৃষ্ণৰ অষ্ট মহিষীৰ ভিতৰত প্ৰধান ৰুক্মিণী কৃষ্ণৰ পৰম ভক্তা প্ৰেমিক ৰূপে উপস্থাপন কৰি আটাইকেইটা চৰিত্ৰৰ বিচিত্ৰ ৰূপ দেখুৱাবলৈ সক্ষম হৈছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰুক্মিণী হৰণ নাট আৰু ৰুক্মিণী হৰণ কাব্য দুয়োটা প্ৰকৰণতেই নাৰী চৰিত্ৰ চিত্ৰণ বিচিত্ৰ আৰু চমকপ্ৰদ।

শ্ৰীমন্ত শঙ্কৰদেৱে জীৱনৰ শেষ সময়খিনিত ৰচনা কৰা নাটকখনেই হৈছে 'ৰাম বিজয়' নাট। নায়িকা জনকনন্দিনী সীতা। সীতাক জাতিস্মৰ কন্যা হিচাপে তেখেতে উল্লেখ কৰিছে। এইখন নাটকৰ আটাইতকৈ উজ্বল আৰু আকৰ্ষণীয় চৰিত্ৰ হৈছে সীতাৰ চৰিত্ৰ। পূৰ্বজন্মতে ৰামক পতি হিচাপে পাবৰ বাবে সাধনা কৰিছিল সেই হাবিয়াস পূৰণৰ অনিশ্চয়তাই যেতিয়া সীতাক উদগ্ৰীৱ কৰি ৰাখিছিল সেই সময়ত সীতাৰ প্ৰিয়সখী মদনমঞ্জৰা আৰু কনকাৱতীৰ সহযোগিতাই সীতাক আশ্বাস দিছিল। কিয়নো সখীদ্বয়ে ৰাম স্বয়ম্বৰলৈ অহাৰ বাতৰি যোগাইছিল। ধনুত গুণ দিয়াৰ মুহূৰ্ততো সীতাক অজান আশংকাই ব্যথিত কৰিছে। এইখন নাটকত শ্ৰীমন্ত শঙ্কৰদেৱে নাৰীৰ মনস্তত্ত্ব দিশটোৰ আভাস দিছে।

'উত্তৰকাণ্ড ৰামায়ণ'তো শ্ৰীমন্ত শঙ্কৰদেৱে অঙ্কন কৰা সীতাৰ চৰিত্ৰটোৰ স্বকীয় বৈশিষ্ট্য ফুটাই তুলিছে। সীতাক এগৰাকী পতিব্ৰতা নাৰী, সতী, আদৰ্শ নাৰীৰূপে অংকন কৰি সীতাৰ সতীত্ব, নিষ্কলুষ চৰিত্ৰ সৎসাহস আৰু ত্যাগৰ প্ৰতিভূ স্বৰূপে উপস্থাপন কৰিছে। আনহাতেদি সীতাৰ চৰিত্ৰৰ মাধ্যমেৰে নাৰীৰ এক প্ৰতিবাদী সত্ত্বাৰ সন্ধান দিবলৈ চেষ্টা কৰিছে। পাতাল প্ৰৱেশৰ সময়ত সীতাই ৰামে কৰা তেওঁৰ প্ৰতি ঘোৰ অন্যায়ৰ কথা সোঁৱৰাই দি সামাজিকভাৱে ৰামৰ পুনৰ মুখ চাবলৈ নিবিচৰা সীতাই ৰামৰ সন্মুখতে "ফাট দিয়া বসুমতী পাতালে লুকাও" বুলি যি চাৰিত্ৰিক দৃঢ়তা দেখুৱালে সিয়ে নাৰীক যুগে যুগে উদ্বেলিত কৰি মহিমামণ্ডিত কৰি তুলিছে।

'হৰিশ্চন্দ্ৰৰ উপাখ্যান'ত ৰাণী শৈব্যাৰ চৰিত্ৰটিত নাৰীসুলভ তথা পত্নীসুলভ শাস্ত্ৰসন্মত গুণৰ সমাবেশ ঘটিছে। শৈব্যা ৰূপত পতিব্ৰতা সতী পাৰ্বতীৰ প্ৰতিফলন ঘটিছে। স্বামী হৰিশ্চন্দ্ৰৰ সত্য ৰক্ষাৰ বাবে শৈব্যাই নিজেই প্ৰাৰ্থনা কৰিছে নিজক বিক্ৰী কৰিবলৈ "আমাক বিক্ৰয় কৰি দিয়োক দক্ষিণা"। স্বামীৰ অবিহনে জীয়াই থকা যে সপোনৰো অগোচৰ "স্ত্ৰী জাতি ভৈলে তাৰ স্বামী প্ৰাণ" বুলি কোৱা কথাষাৰে শৈব্যাৰ অটল স্বামী ভক্তিৰ নিদৰ্শন দাঙি ধৰিছে। শঙ্কৰদেৱৰ অপূৰ্ব সৃষ্টি বিৰল প্ৰতিভাৰ অধিকাৰিণী, ধৰ্মজ্ঞান, আত্মজ্ঞান, কষ্ট-সহিষ্ণুতা, ধৈৰ্য আৰু সাহসৰ বাবে শৈব্যা অদ্বিতীয়া নাৰী। বিশেষকৈ স্বামীক নিজ কৰ্তব্য পালন কৰিবলৈ উদ্‌গণি দি শৈব্যাই নিৰ্মল চৰিত্ৰৰ নাৰী হিচাপে বিৰল চানেকি উত্তৰ পুৰুষৰ বাবে ৰাখি থৈ গৈছে।

'বলিছলন উপাখ্যান'ত বলিৰ পত্নী বিন্ধ্যাৱলীয়ে স্বামীৰ অহংকাৰ নাশ হোৱাত সন্তোষ প্ৰকাশ কৰিছে। ব্ৰাহ্মণৰূপী বিষ্ণুক অনেকবাৰ স্তুতি-মিনতি কৰি স্বামীৰ মুক্তিৰ বাবে প্ৰাৰ্থনা কৰিছে। শঙ্কৰদেৱৰ হাতত প্ৰাণ পাই উঠা বিন্ধ্যাৱলীৰ চৰিত্ৰ ৰসোত্তীৰ্ণ হৈছে।

ইয়াৰ উপৰিও শঙ্কৰদেৱে সাধাৰণ নাৰীৰ চৰিত্ৰও অঙ্কন কৰিছিল। সেই চৰিত্ৰ সমূহৰ ভিতৰত চণ্ডালিনী, সুমালিনী ধাই, কুঁজিবুঢ়ী, সখীসকলৰ চৰিত্ৰৰ যোগেদি তেখেতৰ ৰচনাই জনপ্ৰিয়তা লাভ কৰিছিল। চৰিত্ৰবিলাক মূল সংস্কৃত গ্ৰন্থৰ আধাৰিত হ'লেও শঙ্কৰদেৱৰ বুদ্ধিদীপ্ত প্ৰতিভাৰে স্বকীয় বৈশিষ্ট্য প্ৰদান কৰি আঞ্চলিকতাবাদৰ সাঁচ বহোৱাৰ বাবে আৰু ৰচনাসমূহত স্থান পোৱা বাবে ই সমাজৰ বাবে অতি আপোন হৈ পৰিছে আৰু সমগ্ৰ ৰচনাৰাজিয়ে জনজীৱনৰ মাজত সমাদৰ লাভ কৰিছে।

এইদৰে বৈষ্ণৱযুগৰ সাহিত্যৰাজিত আলোকপাত কৰিলে অনেক সৰু-সুৱা নাৰী চৰিত্ৰই ভূমুকি মাৰিব যাৰ বিষয়ে সাধাৰণতে অৱগত হোৱা নহয় যদিও সেই সময়ত সেইসকল নাৰীৰ ভূমিকাই জাতীয় জীৱনলৈ একো একোটা মহৎ বাণী আনিছিল। যিয়ে জাতীয় জীৱন বৰ্ণময় আৰু সমৃদ্ধিশালী কৰিবলৈ সক্ষম হৈছিল। স্বৰূপাৰ্থত শ্ৰীমন্ত শঙ্কৰদেৱৰ সমগ্ৰ সৃষ্টিত তথা বাচকৱনীয়া সাহিত্যৰাজিৰ মাজত নাৰী সৃষ্টিৰ প্ৰেৰণা, কৰ্মদায়িনী, জ্ঞানদায়িনী, পৰামৰ্শদাত্ৰী, পতিব্ৰতা, সন্তান বৎসলা, আধ্যাত্মিকভাৱেৰে অনুৰক্তা নাৰী চৰিত্ৰই শ্ৰীমন্ত শঙ্কৰদেৱৰ নাটক আৰু কাব্যত জনসমাজৰ আদৰণীয় হৈ ভূমুকি মাৰিছে। যি সময়ত নাৰী শিক্ষাৰ পোহৰ পৰা নাছিল, যি সময়ত নাৰী মুক্ত নাছিল সেই সমসাময়িক সমাজতে শ্ৰীমন্ত শঙ্কৰদেৱে তেখেতৰ অনুপম সৃষ্টি নাটক আৰু কাব্যত নাৰী চৰিত্ৰ অংকন কৰিছিল আৰু স্ত্ৰী-পুৰুষ উভয়ে ভাৰতীয় ধ্ৰুপদী সাহিত্যৰ অমৃত ৰস পান কৰিবলৈ এক আধ্যাত্মিক তথা ধৰ্মীয় সামাজিক পৰিৱেশ গঢ় দিছিল। উল্লেখনীয় যে তেখেতৰ বিশাল ৰচনাৰাজিৰ মাজতে গভীৰ জ্ঞান, তত্ত্বদৰ্শী, সামাজিক আৰু ধৰ্মীয় চেতনাসম্পন্ন মনৰ অফুৰন্ত প্ৰকাশ ঘটিছে আৰু এই সৃষ্টিশীল কৰ্মৰাজিৰ মাজতে বিভিন্ন ৰূপত প্ৰাণপাই উঠা একাধিক বৰ্ণময় নাৰী চৰিত্ৰই মহিমাময়ী ৰূপত অৱস্থান গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বাহিৰেও নাৰী-পুৰুষৰ যে হৰি-ভকতিত সমান অধিকাৰ আছে তাকো সাব্যস্ত কৰিবলৈ তেওঁ লিখিছে এইদৰে—

নাৰীয়ে পুৰুষে হৈবা একমতি।
তেবেসে সিজিব হৰিত ভকতি।।

এইদৰে শ্ৰীমন্ত শঙ্কৰদেৱে মানুহৰ সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক কল্যাণ সাধনৰ কামত জীৱনৰ সুদীৰ্ঘ সময় উৎসৰ্গিত কৰি অসমীয়া সমাজত গণতন্ত্ৰৰ বীজ ৰোপণ কৰি সমাজত ঐক্য, সংহতিৰ ভেটি নিৰ্মাণ কৰাই অন্যতম লক্ষ্য কৰি লৈছিল। এই লক্ষ্য আৰু উদ্দেশ্যত মানৱীয় গুণেৰে বিভূষিতা একাধিক নাৰীৰ বিচিত্ৰ সমাবেশে তেখেতৰ ৰচনাৰাজি নিঃসন্দেহে এক কালজয়ী অমৰ সাহিত্যলৈ উত্তৰণ ঘটাইছে আৰু জনসমাজত অভূতপূৰ্ব জনপ্ৰিয়তা লাভ কৰি সমাদৃত হৈ আছে। ●

*(লেখিকা ড° সুখ বৰুৱা মৰাণ কন্যা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষা)*

# আমি শিক্ষিত জাতিনে ?

শশী শৰ্মা

আমি মানে আমি অসমীয়া, ভাৰতীয়সকল। অসম, ভাৰতত জনবসতি কেতিয়া আৰম্ভ হৈছিল, তাক সঠিকভাৱে কোনেও ক'ব নোৱাৰে। আদিম মানুহৰ মহাপ্ৰব্ৰজনৰ ফলতহে অসম-ভাৰতত জনবসতি আৰম্ভ হৈছিল। পুৰাতাত্ত্বিক আৰু নৃতাত্ত্বিকসকলৰ স্পষ্ট অভিমত যে ক'লাছালৰ নিগ্ৰো, দ্ৰাবিড় আৰু ককেচী সকলেই সমগ্ৰ ভাৰতৰ দৰে অসমৰো প্ৰাচীনতম অধিবাসী হ'ব লাগে। আজি সিন্ধু উপত্যকা দেশ বিভাজনৰ ফলত পাকিস্তানৰ অন্তৰ্ভুক্ত। সিন্ধু উপত্যকাৰ মহেঞ্জোদাৰো-হৰপ্পাৰ বৰ্তমান অৱস্থা কেনে তাক নাজানো। কিন্তু সিন্ধু সভ্যতাৰ আৱিষ্কাৰক জন মাৰ্চেলৰ ৰচনাৰ পৰা জনা যায় যে মহেঞ্জোদাৰো আৰু হৰপ্পাৰ ভগ্নাৱশেষ অন্ততঃ খ্ৰীষ্টপূৰ্ব পাঁচ হাজাৰ বছৰ আগৰ আৰু পৃথিৱীৰ ভিতৰতে অন্যতম প্ৰাচীনতম সভ্যতাৰ নিদৰ্শন। 'আৰ্য' নামে পৰিচিত ভাৰতীয়সকলে সিন্ধু সভ্যতাৰ নিদৰ্শন আৰ্য সভ্যতাৰ নিদৰ্শন বুলি দাবী কৰিছিল। জন মাৰ্চেলে কিন্তু স্পষ্ট ভাষাৰে জানিবলৈ দিছে যে আৰ্যসকলে যেতিয়া সিন্ধু উপত্যকাৰ নামেই শুনা নাছিল, তেতিয়াই মহেঞ্জোদাৰো আৰু হৰপ্পাত বিশিষ্ট কৃষিকেন্দ্ৰিক নাগৰিক সভ্যতা গঢ় লৈ উঠিছিল। সেইখন সমাজ আছিল সমূহীয়া সমাজ, তাত ব্যক্তিগত সম্পত্তিৰ স্থান নাছিল। খেতিপথাৰ সমূহীয়া ধানৰ ম'ৰণামৰা পথাৰ, সমূহীয়া ধানৰ ভঁৰাল, সমূহীয়া স্নানাগাৰ এই সকলো তচনচ কৰি দিলে আৰ্যসকলে।

ঋক্বেদ ভাৰতত আৰ্য সভ্যতা-সংস্কৃতিৰ প্ৰাচীনতম নিদৰ্শন। কিন্তু ঋক্‌বেদ এটা বিশিষ্ট কালৰ সাহিত্যকৃতি নহয়। ঋক্‌সমূহৰ ৰচক কোন জনাৰ উপায় নাই, সংগ্ৰাহক দ্ৰষ্টাসকলৰহে নাম আছে। আৰ্যসকল আছিল নৰ্ডিক প্ৰজাতিৰ লোক। তেওঁলোকক শীতপ্ৰধান ঠাই মধ্য এছিয়া কি চাইবেৰিয়া অঞ্চলৰ অধিবাসী আছিল বুলি কোৱা হয়। তেওঁলোক সিন্ধু উপত্যকাৰে ভাৰতত অনুপ্ৰৱেশ কৰি মহেঞ্জোদাৰো আৰু হৰপ্পাৰ সভ্যতাৰ নিদৰ্শন দেখি বিস্মিত হয়। তেওঁলোক বগাছালৰ মানুহ। নিগ্ৰো, দ্ৰাবিড়, ককেচীয়সকল কলাছালৰ। ইউৰোপ, আমেৰিকাৰ বগাছালৰ মানুহবিলাকৰ সেৱা শুশ্ৰূষা কৰিবলৈহে সৃষ্টি কৰিছে। 'আৰ্য' শব্দৰ অৰ্থই হ'ল শ্ৰেষ্ঠ। অথচ ক'লাছালৰ সিন্ধু উপত্যকাবাসীসকলে সভ্যতা-সংস্কৃতিৰ ক্ষেত্ৰত অকল্পনীয় উন্নতি সাধিছে।

নৰ্ডিক আৰ্যসকলৰ নেতৃ ইন্দ্ৰ। 'চন্দ্ৰ' শব্দৰ অৰ্থই শ্ৰেষ্ঠ। বগাছালৰ আৰ্যসকলৰ নেতা ইন্দ্ৰ ভাৰতৰ নৰ্ডিক আৰ্যসকলৰ ৰজা। তেওঁলোকে ইতিমধ্যে নিজক দেৱতা বুলি ঘোষণা দিছেই। মিচিংসকলৰ পুৰোহিত আছিল মিৰি মিবু। সমকালৰ দুই-এক মিচিং পণ্ডিতে কয় ভৈয়ামৰ অনামিচিংসকলেহে গোষ্ঠীটোক মিৰি বুলি অভিহিত কৰিছিল। কিন্তু সত্য কথা হ'ল এয়ে যে মিচিংসকলৰ পুৰোহিত মিৰিয়েই নিজৰ গৌৰৱ-গৰিমা বিস্তাৰৰ বাবে মিচিং গোষ্ঠীটোকেই মিৰি নামেৰে অভিহিত কৰিছিল।

নৰ্ডিক আৰ্যসকলৰ ক্ষেত্ৰতো এক কথাই পৰিলক্ষিত। দেৱতা জীয়াই থাকে জনগণৰ পূজা-সেৱা উপভোগ কৰি। মহেঞ্জোদাৰো হৰপ্পাৰ সমাজ কিন্তু সমূহীয়া সমাজ। আৰু আৰ্য সমাজ এককেন্দ্ৰিক সামন্ত সমাজ। গতিকে সৃষ্টি হ'ল বিৰোধৰ। ইন্দ্ৰ শ্ৰেষ্ঠ। তেওঁৰ গোষ্ঠীটোৱে ইন্দ্ৰ। ইন্দ্ৰৰ অস্ত্ৰ বজ্ৰ অৰ্থাৎ শিল। সমূহ ইন্দ্ৰগোষ্ঠী বজ্ৰ শিলেৰে সজ্জিত হৈ অভিযান চলালে আদিবাসীসকলৰ বিৰুদ্ধে। বজ্ৰৰ আঘাত সহিব নোৱাৰি সাগৰীয় পথেৰে পলাই গৈ আশ্ৰয় ল'লে সাগৰীয় দ্বীপ মালয় আদিত। তাৰ অধিবাসী ওংগেছসকল নিগ্ৰো প্ৰজাতিৰ পৰা বঢ়া লোকৰূপে পৰিচিত। কোনো কোনো নৃবিজ্ঞানীৰ মতে অবিভক্ত অসমৰ নগা পাহাৰত নিগ্ৰো প্ৰজাতিৰ লোকৰ বসতি হৈছিল। আৰু বিশেষ উল্লেখযোগ্য যে অসমৰ উপৰি ভাৰতৰ কোনো কোনো ঠাইৰ জনজাতীয় জনগণৰ লোক-সংস্কৃতিৰ ওংগেছসকলৰ লোক-সংস্কৃতিৰ অনুপম সাদৃশ্য আছে। উদাহৰণস্বৰূপে মিচিং জনগোষ্ঠীৰ মাজত প্ৰৱৰ্ত্তি থকা চাংঘৰৰ কথালৈ আঙুলিয়ালেও হয়।

কিন্তু দুখৰ বিষয় যে দেশ স্বাধীন হোৱাৰ ঊনসত্তৰ বছৰতো ৰাষ্ট্ৰসংঘৰ সমীক্ষা অনুসৰি ভাৰতৰ শতকৰা সাতত্ৰিশ শতাংশ লোক অনাখৰী আৰু দৰিদ্ৰও। আনকি যিসকল লোকে আখৰী আনকি ওখ আৰু দায়িত্বপূৰ্ণ পদত অধিষ্ঠিত, সাৰ্বভৌম গণতান্ত্ৰিক প্ৰজাতন্ত্ৰৰ চিন্তা-চেতনাৰহিত কাৰণে সেইসকলকো প্ৰকৃতাৰ্থত শিক্ষিতৰূপে অভিহিত কৰা টান। আমাৰ সমূহ অনাখৰী আৰু দৰিদ্ৰ লোক কিন্তু অশিক্ষিত বুলি অভিহিত কৰা অনুচিত। কাৰণ মহা প্ৰকৃতিৰ পৰা তেওঁলোকে জীৱনৰ কাৰণে বহু শিক্ষা লাভ কৰিছে। চন্দ্ৰ-সূৰ্যৰ উদয় অস্তৰ পৰা তেওঁলোকে নিয়মানুৱৰ্তিতাৰ শিক্ষা লাভ কৰিছে। বতাহ ৰ'দ, বৰষুণ আদিৰ পৰা লাভ কৰিছে সমতাৰ আদৰ্শ। ধনিক শ্ৰেণীয়ে তেওঁলোকৰ গাড়ী-গুড়া আৰু অবৈজ্ঞানিকভাৱে প্ৰতিষ্ঠিত কল-কাৰখানা আদিৰে পৃথিৱীৰ জলবায়ু কৰিছে প্ৰদূষিত। পৃথিৱী ধ্বংস হোৱাৰ কথা প্ৰচাৰ মাধ্যমে প্ৰচাৰ কৰিয়ে আছে। আৰু এই কথাও প্ৰচাৰ হৈ আছে যে পৃথিৱী ধ্বংস হোৱাৰ মূল কাৰণ হ'ল ধূলি, ধোঁৱা তাপ আৰু শব্দেৰে সমাজক জ্বলা-কলা কৰি আছে, বহু লোকক দুৰাৰোগ্য ৰোগতো ভোগাই আছে। কিন্তু হয়তো

সেই উদ্যোগৰ মালিকসকল বিজ্ঞান, কলা আদি বিষয়ৰ উচ্চ উপাধিধাৰী লোক ব্যক্তিগত আৰু সমাজ জীৱনত যি শিক্ষাৰ প্ৰয়োগ নাই, সেই শিক্ষাৰে শিক্ষিত লোকক শিক্ষিত বুলিব কোনে? প্ৰকৃত অৰ্থত শিক্ষিত মানুহ বাহিৰে-ভিতৰে এক আৰু অভিন্ন।

সিন্ধু উপত্যকাৰ মহেঞ্জোদাৰো আৰু হৰপ্পাৰ সভ্যতা-সংস্কৃতিৰ কথা উল্লেখ কৰি আহিছো। আমাৰ দেশৰ একাংশ ক্ষমতা খঁকুৰা ৰাজনৈতিক নেতাৰ ক্ষমতাৰ খঁকতে চিৰদিন অবিভক্ত ভাৰত প্ৰথমে ভাৰত-পাকিস্তান নামত দ্বিখণ্ডিত আৰু পিছত ভাৰত-পাকিস্তান-বাংলাদেশৰ নামত ত্ৰিখণ্ডিত। এই বিভাজনৰ ফলতে পৃথিৱীৰ ভিতৰত অন্যতম প্ৰাচীনতম সভ্যতাৰ লীলাভূমি সিন্ধু সভ্যতাক তথা মহেঞ্জোদাৰো-হৰপ্পাক ভাৰতে চিৰদিনৰ কাৰণে হেৰুৱালে। আমি বৰ্তমানৰ একো অংশ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, বিভিন্ন স্তৰৰ আমোলাৰ পৰা জানিছো যে তেওঁলোকে মহেঞ্জোদাৰো-হৰপ্পাৰ নামেই শুনা নাই। ভূগোল-বুৰঞ্জী বাধ্যতামূলকভাৱে অধ্যয়নৰ প্ৰশ্নই নাই নহয়।

এয়ে আমাৰ স্বাধীন অসম, স্বাধীন ভাৰতৰ এটা কলংকিত ৰূপ। ইমানেই নে? স্বাধীন ভাৰতে আঠষষ্ঠী বছৰ পূৰাই ঊনসত্তৰ বছৰত ভৰি দিছে। কিন্তু দুখৰ বিষয় যে আমাৰ এক বিপুলসংখ্যক ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, আমোলাই নাজানে যে স্বাধীনতা মানে স্বাৱলম্বী অৰ্থাৎ ব্যক্তি সকলো ক্ষেত্ৰতে আত্মনিৰ্ভৰশীল। আমাৰ শিক্ষাই আমাক পাৰিছেনে আত্মনিৰ্ভৰশীল ৰূপে গঢ়ি তুলিব। ১৯৫০ চনত আনুষ্ঠানিকভাৱে সংবিধান গ্ৰহণ কৰি ভাৰত গণৰাষ্ট্ৰৰ পৰা দহ বছৰৰ ভিতৰত অৰ্থাৎ ১৯৬০ চনৰ ভিতৰত নিৰক্ষৰতা আৰু দাৰিদ্ৰ্য বিলোপ পাব বুলিও ঘোষণা দিছিল। কিন্তু ১৯৬০ ৰ পিছত ২০১৫ লৈ প্ৰায় সাতোটা দশক অতিবাহিত হ'ল। কিন্তু ৰাষ্ট্ৰসংঘৰ সমীক্ষা অনুসৰি আজিও ভাৰতৰ সাতত্ৰিশ শতাংশ লোক অনাখৰী আৰু দৰিদ্ৰ। সংবিধানত ঘোষণা দিছিল নিশ্চয় সমাজতান্ত্ৰিক ছোভিয়েট দেশৰ অনুকৰণতহে। ১৯১৭ চনৰ ২৫ অক্টোবৰৰ দিনা লেনিনৰ নেতৃত্বত বলছেভিক দলে বিপ্লৱ সফল কৰে। আৰু ২৬ অক্টোবৰৰ দিনা পুৱাবেলা লেলিনে অন্যান্য বহুতো ঘোষণাৰ লগতে কৈছিল যে দহ বছৰৰ ভিতৰত সমাজতান্ত্ৰিক ছোভিয়েট দেশৰ পৰা অশিক্ষা আৰু দৰিদ্ৰ লোপ পাব। ১৯২৭ চনত বিপ্লৱৰ দশম বাৰ্ষিকী উৎসৱত ভাৰতক প্ৰতিনিধিত্ব কৰিছিল তেতিয়াৰ যুৱক জৱাহৰলাল নেহৰুৱে। তাৰ পৰা আহি তেওঁ বিস্ময়বিমুগ্ধ চিত্তে নানা আলোচনা লেখি ছোভিয়েট গণতন্ত্ৰৰ গুণগান কৰিছিল। ১৯৩৬ চনত আত্মজীৱনী ৰচনা কৰিও ঘোষণা দিবলৈ এৰা নাছিল যে স্বাধীনতা লাভৰ পিছত ভাৰতক সমাজতান্ত্ৰিক দেশৰূপে গঢ়িবই লাগিব।

কিন্তু দুখ আৰু লাজৰ বিষয় যে দ্বিতীয় মহাসমৰৰ লগে লগে ব্ৰিটিছ সাম্ৰাজ্যৰ প্ৰধান মন্ত্ৰী প্ৰগতিবাদী এটলিয়ে শীঘ্ৰে ভাৰতক স্বাধীনতা দিয়া হ'ব বুলি ঘোষণা দিয়াৰ লগে লগে নেহৰুৰ প্ৰমুখ্যে গৰিষ্ঠসংখ্যক নেতা-নেত্ৰী ক্ষমতা লাভৰ খঁকত হ'ল বলিয়া। পাহৰি গ'ল সকলো প্ৰতিশ্ৰুতি। সমাজতান্ত্ৰিক গণতন্ত্ৰৰ সলনি প্ৰতিষ্ঠা কৰিলে বুৰ্জোৱা গণতন্ত্ৰ। নেতৃস্থানীয়সকলৰ ভিতৰত আদৰ্শত অটল আছিল একমাত্ৰ মহাত্মা গান্ধী। গান্ধীজী আছিল প্ৰকৃত অৰ্থত গণতান্ত্ৰিক। অৱশ্যে তেওঁ শ্ৰেণীহীন ভাৰত নিৰ্মাণৰ পক্ষত নাছিল, ধনিক শ্ৰেণীৰ ন্যাসৰক্ষী পাতিব বিচাৰিছিল নহয়। অৱশ্যে তেওঁ শাসন-শোষণৰ তীব্ৰবিৰোধী আছিল। মহাধনীসকলকো তেওঁ নিজৰ ৰূপত গঢ়িবলৈহে লৈছিল। তেওঁৰ এটা প্ৰধান বৈশিষ্ট্য আছিল এয়ে যে তেওঁ মানুহৰ মৰম আন্তৰিকতাক বিশ্বাস কৰিছিল। অৱশ্যে শৈশৱৰে পৰা মাক আৰু পিতাকৰ পৰা শিকা দেৱ-দেৱীৰ বিশ্বাস জীৱনৰ অন্তিমলৈ অটুট আছিল। নিহত হোৱাৰ দিনাও সমূহৰ সৈতে প্ৰাৰ্থনা সভাত যোগ দিবলৈয়ে আগবাঢ়ি গৈছিল। আন যিয়েই নহওঁক, তেওঁ আছিল সততাৰ প্ৰতিৰূপ। দক্ষিণ আফ্ৰিকাত থকা অৱস্থাতে তেওঁ ৰচনা কৰিছিল সেই গ্ৰাম স্বৰাজ বোলা এধানিমান গ্ৰন্থখন। তেওঁৰ ভাষ্য অনুসৰি স্বৰাজেই হ'ল স্বাধীনতাৰ মূলমন্ত্ৰ। স্বৰাজ মানে নিজেই নিজৰ শাসক। স্বাধীনতা মানেও সেই একেই অৰ্থ— নিজক সম্পূৰ্ণ স্বাৱলম্বী কৰি তোলাই হ'ল স্বাধীনতাৰ মূলমন্ত্ৰ। ভাৰতবৰ্ষ আছিল গাঁওময় ভাৰতবৰ্ষ। সম্প্ৰতি নগৰ-চহৰৰ সংখ্যা কিছু বাঢ়িছে। কিন্তু গ্ৰাম স্বৰাজ ৰচনাকালত নগৰ-চহৰৰ সংখ্যা আছিল তেনেই নগণ্য। গান্ধীজীৰ বিশ্বাস আছিল যে গাঁওবিলাক যদি প্ৰকৃত অৰ্থত স্বাধীন বা স্বৰাজ হয়, তেতিয়াহে ভাৰতৰ পূৰ্ণ বিকাশ সম্ভৱপৰ হ'ব আৰু তাৰ কাৰণে প্ৰৱৰ্তন কৰিবলৈ লৈছিল বুনিয়াদী শিক্ষা। বুনিয়াদ শব্দৰ অৰ্থ হ'ল ভিত্তি বা ভেটি। ই জীৱনৰ ভেটি। বুনিয়াদীৰ অৰ্থ হ'ল ভিত্তি বা ভেটি। শিক্ষা হ'ল শিকা। শিক্ষাৰ মাজেদি যদি জীৱনৰ ভেটি শক্তিশালীৰূপে গঢ়ি তুলিব পৰা হয়, তেনেহ'লে জীৱন হ'ব সুন্দৰ-সুঠাম। বুনিয়াদী শিক্ষাৰ কাৰণে ধনৰ আৱশ্যক নহয়। অতি সহজে জীৱনক স্বাৱলম্বী বা স্বাধীনৰূপে গঢ়ি তুলিব পাৰি। শৈশৱেই হ'ল শিশুৰ জীৱনৰ অতি গুৰুত্বপূৰ্ণ কাল। শৈশৱতে শিশুক স্বাৱলম্বীৰূপে গঢ়ি তুলিব পাৰিলে শিশুৰ ভৱিষ্যৎ জীৱন সুন্দৰ-সুখময় কৰি তোল সম্ভৱপৰ। কিন্তু দুখৰ বিষয় গান্ধীজীক নিহত কৰাৰ পিছৰ পৰা চৰকাৰে বুনিয়াদী শিক্ষাৰ উত্তৰোত্তৰ বিকাশ সাধনৰ প্ৰতি কোনো গুৰুত্বই নিদিলে। মাথোঁ ঠায়ে ঠায়ে বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ বোলা নামফলিবোৰহে ওলমি আছে।

জীৱনৰ অৱলম্বনহীন শিক্ষা ব্যৱস্থাতে প্ৰৱৰ্তন কৰি আছে। তাৰ ফলত নিৰনুৱা সমস্যাই ভাৰতক খুলি-খুলি খাই আছে। সিয়ে সৃষ্টি কৰি আছে চোৰ-ডকাইত। মানৱীয় মৰম, স্নেহ ভাৰতৰ পৰা প্ৰায় তিৰোহিত হৈছে। প্ৰায় সকলোবিলাক মন্ত্ৰী, বিধায়ক, সাংসদ প্ৰৱঞ্চক। আৰু সেইকাৰণেই দেশখনক আৱৰি ধৰিছে হত্যা-সন্ত্ৰাস, ঘৃণাই। আৰু আচৰিত যে দায়িত্বপূৰ্ণ স্থানত অধিষ্ঠিত ব্যক্তিসকল হৈছে হিংসা-ঘৃণাৰ কাৰণ। শান্তিৰক্ষী আৰক্ষী আৰু আজাদী ৰক্ষী সেনাসকলে ঠায়ে ঠায়ে বিক্ষুব্ধ হৈ উঠি কেনেদৰে হত্যা-সন্ত্ৰাসৰ সৃষ্টি কৰি আছে, সিয়ে এই সত্য অনুভৱ কৰাত সহায় নকৰেনে?

আমাৰ এই পৃথিৱীখনৰ দ্বীপৰাষ্ট্ৰ হ'ল জাপান। ভূমিকম্প, আগ্নেয়গিৰি আৰু মহাসাগৰীয় ছুনামিয়ে জাপানক ব্যতিব্যস্ত কৰি আছে। ২০১১ চনৰ ভূমিকম্প আৰু ছুনামিয়ে জাপানৰ এক বিশিষ্ট অংশক কিদৰে ধ্বংসস্তূপত

পৰিণত কৰিলে তাক অনুসন্ধিৎসু কোনেও পাহৰা নাই। জাপানীসকলৰ জীৱনৰ বুনিয়াদী শিক্ষাৰ মাধ্যমত ইমান শক্তিশালীৰূপে গঢ় লৈ উঠিছে যে সেই মহাপ্ৰলয়ৰ কালত অৱশিষ্ট জাপানবাসীয়ে জাপানক অতি শক্তিশালীৰূপে গঢ়ি তুলিলে। তেওঁলোকে দৃঢ়তাৰে ঘোষণা দিছে যে ভূমিকম্প, ছুনামি আদিয়ে জাপান আৰু অনিষ্ট সাধিব নোৱাৰে। জাপানবাসী দেশপ্ৰেমী, কিন্তু সেই প্ৰেমত নাই উগ্ৰতাৰ স্থান। উগ্ৰতা, বিলাসিতাক তেওঁলোকে জয় কৰিছে হত্যা. সন্ত্ৰাস, ধৰ্ষণ আদিৰ দৰে অমানৱীয় কাৰ্যৰ স্থানো জাপানত নাই।

অসমৰ ৰাজকোষৰ ধন ভগন কৰি মুখ মন্ত্ৰী গগৈ জাপান ভ্ৰমণ কৰিবলৈ গৈছিল। ঘূৰি অহাত গুৱাহাটীৰ সাংবাদিকসকলে তেওঁ জাপানৰ শিক্ষা ব্যৱস্থাৰ বিষয়ে কি জানি আহিল তাক জানিব বিচৰাত তেওঁ দাঁত চেলাই চেলাই হাঁহি সমিধান দিলে বোলে সময় নহ'ল। বোধহয় তেওঁৰ কোনোবা আপোনজন জাপানত আছে আৰু তেওঁলোকৰ বা-বাতৰি ল'বলৈহে ৰাজ্যৰ ভঁৰালৰ ধন ভগন কৰি জাপান ভ্ৰমণ কৰি আহিল। ই কেনে লাজৰ কথা। জাপানৰ গাঁৱে গাঁৱে উদ্যোগ। তাত পেলনীয়া বুলিবলৈ একোৱেই নাই। আলিবাটত এটুকুৰা কাগজ বা কাঠৰ টুকুৰা পৰিলে লগে লগে বুটলি নি জমা দিয়ে উদ্যোগত। আৰু আমাৰ অসম-ভাৰতৰ বাট-পথ, নলা-নৰ্দমা পেলনীয়া বা এৰেহাৰে উপচি থাকে।

ভাৰতৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীয়েও জাপানকে ধৰি দেশৰ পিছত দেশ ভ্ৰমণ কৰি ফুৰিছে ৰাজকোষৰ ধন ভগন কৰি। কিন্তু তেওঁ বিদেশৰ পৰা স্বদেশ ভাৰতৰ কাৰণে আনিলে কি? জাপানলৈ গৈ তেওঁৰ সমষ্টি বাৰানসীখন নতুন প্ৰযুক্তিৰ সহায়ত নতুনকৈ গঢ়ি দিয়াৰ অনুৰোধহে জনালে। এদল ভাৰতীয়ক জাপানলৈ নি উদ্ভাৱন কৰা নতুন প্ৰযুক্তিৰে শিক্ষিত কৰি তোলাৰ ব্যৱস্থাতো নকৰিলে। সম্প্ৰতি তেওঁ ব্যস্ত ৰাজহুৱা খণ্ডৰ উদ্যোগবোৰ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰিত কৰাত। ব্যাপক জনগণৰ দুখ-দুৰ্গতি লোপ কৰাৰ সলনি কোটিপতি ধনকুবেৰবিলাকৰ ঐশ্বৰ্যৰ পাহাৰ অধিক উচ্চ কৰাহে যেন মোডীৰ নেতৃত্বাধীন ভাৰত চৰকাৰৰ লক্ষ্য।

এই মন্ত্ৰীসকলৰ জ্ঞানৰ দৌৰ দেখি লাজ লাগে। এওঁলোকে ভাৰতক চিনিয়ে নাপায়। কবিগুৰু ৰবীন্দ্ৰনাথে ভাৰতৰ স্বৰূপ বৰ্ণাই গাইছিল যে—

'হেথায় আৰ্য হেথায় অনাৰ্য, হেথায় দ্ৰাবিড় চীন।
শক হুন দল পাঠান মোগল একদেহে হ'ল লীন।'

*... শিক্ষা হ'ল শিকা। শিক্ষাৰ মাজেদি যদি জীৱনৰ ভেটি শক্তিশালীৰূপে গঢ়ি তুলিব পৰা হয়, তেনেহ'লে জীৱন হ'ব সুন্দৰ-সুঠাম ...*

ভাৰত তীৰ্থৰ তাৎপৰ্য যেন এই মন্ত্ৰী-পাত্ৰ, ডা-ডাঙৰীয়াসকলে উপলব্ধি কৰাত ব্যৰ্থ। ধৰ্ম-সম্প্ৰদায় নিৰপেক্ষ ভাৰতৰ আদৰ্শ সংবিধানৰ বুকুতে আৱদ্ধ। তাক বাস্তৱ জীৱনত প্ৰয়োগ কৰাৰ চেষ্টা যেন সমূলি নাই। আৰু সেই অনৈতিহাসিক ৰাম জন্মভূমি অযোধ্যাত ৰাম মন্দিৰ গঢ়াৰ তাড়নাত উখল-মাখল লগাই থাকে। ঐতিহাসিক জ্ঞানৰ অভাৱতে বাবৰি মছজিদ ধ্বংস কৰি তাৰ ওপৰত ৰাম-মন্দিৰ সজাবলৈ উথপথপ লগাইছিল। সম্ভৱ এওঁলোকে নাজানে যে ৰাম এটা ৰূপক ধৰ্মী শব্দহে। ৰামায়ণ, মহাভাৰত, গীতা ভাগৱত আৰু অন্যান্য পুৰাণ আদিও ৰূপক ধৰ্মী। ৰামৰ অৰ্থ হ'ল ৰমণীয়, সুন্দৰ। সমাজ বিজ্ঞানে জানিবলৈ দি আছে যে আদিম মানুহৰ জীৱন পশুতকৈ বেছি ভিন্ন নাছিল। কিন্তু দুভৰিৰ ওপৰত চৰি ফুৰা মানুহৰ মস্তিষ্ক কোষৰ বিকাশ ঘটে। তাৰ ফলত মানুহ হয় নতুনৰ অভিলাষী। মানুহে সৃষ্টি কৰিলে কুঠাৰ আদি অস্ত্ৰ। ফলত জীৱন কিছু ৰমণীয় হ'ল, সেই জীৱনেই পৰশুৰাম। পৰশু মানে কুঠাৰহে। তাৰ পিছত মানুহে গৰু আদি পশুপালন কৰিবলৈ ল'লে। মানুহৰ ভ্ৰাম্যমান জীৱনৰ অন্ত পৰিল। গাঁও পাতি ঘৰ সাজি থাকিবলৈ ল'লে। জীৱন হ'ল আৰু ৰমণীয়, শ্ৰীৰাম। মানুহে নাঙল আদি নিৰ্মাণ কৰি নাঙলেৰে হাল বাই খেতি-বাতি কৰিবলৈ ল'লে। খেতিৰ উদ্বৃত্তৰ ব্যৱসায়-বাণিজ্য কৰিবলৈও ল'লে। ন-ন অস্ত্ৰ-শস্ত্ৰ, যন্ত্ৰ-পাতিৰো সৃষ্টি হ'ল। (এই জীৱন হলিৰাম-লিপিৰ উদ্ভৱ হ'ল), লগে লগে উদ্ভৱ হ'ল। সমাজত উদ্যোগ আদি গঢ় লৈ উঠিল। বিজ্ঞান-প্ৰযুক্তিৰ বিকাশ ঘটিল। ভিন ভিন দিনত নানা গ্ৰন্থৰাজি উপচি পৰিল। সমাজ পূৰ্ণ বিকাশৰ পথত। এই যুগেই শ্ৰীকৃষ্ণ।

কালক্ৰমত এই বিকাশৰ যুগকেই ধৰ্মান্ধসকলে কৰিলে অৱতাৰ। একে কথা ভগৱানৰ ক্ষেত্ৰতো সত্য। আদিম কালত সমাজ আছিল সমূহীয়া। ভগৱানে সম্পদ। সমূহীয়া সমাজৰ সম্পদৰ অধিকাৰী আছিল সমাজখন। সম্পদৰ অধিকাৰী সমাজকে বুলিছিল ভগৱান। সমূহীয়া সম্পদৰ অংশীদাৰ ব্যক্তি আজিৰ ভক্ত আৰু সম্পদৰ অংশ আছিল ভক্তি।

শিক্ষাই মানুহক এই সকলোবোৰ তত্ত্ব উপলব্ধি কৰিবলৈ সমৰ্থ কৰি তুলিব পাৰিব লাগিব আৰু তেতিয়াহে সমাজ হ'ব প্ৰকৃত অৰ্থত শিক্ষিত সমাজ। আৰু এনেদৰে শিক্ষিত সমাজ হ'ব প্ৰকৃত অৰ্থত সংস্কৃতিসম্পন্ন সমাজ। সেই সমাজৰ সকলোৱে হ'ব সুখী আৰু আনন্দিত। সেই সংস্কৃতিসম্পন্ন শিক্ষিত সমাজত লোপ পাব হিংসা, ঘৃণা, হত্যা-সন্ত্ৰাসৰ আতংক। বিৰাজ কৰিব প্ৰশান্তি।

এনে প্ৰকৃত শিক্ষিত সমাজ গঢ়িবলৈ আমি একমুঠ হৈ আগবাঢ়িব লাগিব। তেতিয়াহে আমাৰ জীৱন হ'ব সাৰ্থক। আৰু তেতিয়া পূজা দিবলৈ বুলিও কোনোৱে এটা ৰাম মন্দিৰ সাজিবলৈ ব্যস্ত নহ'ব। কাৰণ তেতিয়া সমগ্ৰ দেশখনেই গঢ় লৈ উঠিব এটা ৰমণীয় মন্দিৰৰূপে। আমাৰ শিক্ষাই সেই দিন আমাৰ সেই সমাজ গঢ়ি তুলিবলৈ সমৰ্থ হ'লেহে আমাৰ শিক্ষা হ'ব সাৰ্থক। ●

*(লেখক শশী শৰ্মা এগৰাকী বিশিষ্ট সাহিত্যিক)*

# সাক্ষাৎকাৰ

# ড° লক্ষ্মীনন্দন বৰাদেৱৰ সৈতে মুখামুখি



*।। প্ৰচলিত শিক্ষা ব্যৱস্থা আৰু বৰ্তমান সমাজৰ বিভিন্ন প্ৰাসঙ্গিক দিশ সম্পৰ্কে কেবাগৰাকী সচেতন ছাত্ৰ-ছাত্ৰীৰ মতামতৰ ভিত্তিত প্ৰস্তুত কৰা কেইটামান বিষয় সন্দৰ্ভত বিশিষ্ট ঔপন্যাসিক, গল্পকাৰ, অসম সাহিত্যৰ প্ৰাক্তন সভাপতি সৰস্বতী সন্মানেৰে সন্মানিত লেখক ড° লক্ষ্মীনন্দন বৰাদেৱৰ সৈতে ধৃতিকা দেৱী, ৰিকি কলিতা আৰু হিমাংশু শৰ্মাৰ কথোপকথনৰ সম্পাদিত অংশ।।*

◈ *নমস্কাৰ ছাৰ। প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ আলোচনী সম্পাদনা সমিতিৰ তৰফৰ পৰা আপোনালৈ আন্তৰিক শ্ৰদ্ধা আৰু প্ৰণিপাত জনাইছোঁ। পোন প্ৰথমে আপোনাৰ পৰা জানিবলৈ বিচাৰিছো বিজ্ঞানৰ লগত জড়িত হৈয়ো কেনেদৰে সাহিত্য ৰচনাৰ প্ৰতি আকৃষ্ট হ'ল?*

➧ যিহেতু মই বিজ্ঞানৰ ছাত্ৰ আছিলো, সাহিত্যৰ বিষয়ে একো পঢ়া নাছিলো, কিন্তু কলিকতাত এম.এছচি. পঢ়ি থাকোতে শঙ্কৰদেৱৰ সভা পাতোতে শঙ্কৰদেৱৰ বিষয়ে এটি বক্তৃতা প্ৰদান কৰাৰ দায়িত্ব মোক দিলে। যদিও সাহিত্য সম্পৰ্কে বিশেষ জ্ঞান নাই শঙ্কৰদেৱ, অঙ্কীয়া নাট, খোল আদি বস্তুবোৰৰ সম্পৰ্কে মোৰ যথেষ্ট জ্ঞান আছিল আৰু সেই বক্তৃতাটো শুনি তাত থকা অসমীয়া ছাত্ৰ-ছাত্ৰী বা অইন কিছু লোকেও মোক ক'লে যে মই ভাল গল্প বা উপন্যাস ৰচনা কৰিব পাৰিম। সেই ৰাতিয়েই মই 'ভাওনা' নামৰ গল্পটো লিখি পেলালো আৰু পিছদিনাই 'ৰামধেনু'লৈ প্ৰকাশৰ বাবে পঠিয়াই দিলো। পৰীক্ষা দি ঘৰলৈ ঘূৰি আহি আকৌ চাৰিটামান গল্প লিখিলো। তাৰ পাছত আৰু লেখাৰ কথা ভবা নাছিলো। মই জে.বি. কলেজত কাম কৰাৰ সময়ত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই আকৌ মোক গল্প ৰচনা কৰিবলৈ ক'লে। হেম বৰুৱা আদি কেবাজনো ব্যক্তিয়ে মোক সাহিত্যৰ লগত জড়িত থাকিবলৈ ক'লে। এনেদৰেই লাহে লাহে মই অনুভৱ কৰিলো যেতিয়া মোৰ মনলৈ গল্পৰ প্লট এটা আহে সেইটো নিলিখালৈকে মই শান্তি নোপোৱা হ'লো। তাৰ পিছতেই মই প্ৰথমখন উপন্যাস 'গঙা চিলনীৰ পাখি' লিখি উলিয়ালো। লাহে লাহে কিতাপ-পত্ৰও প্ৰকাশ পালে। লাহে লাহে এইটো অভ্যাসত পৰিণত হ'ল।

◈ *সাহিত্য ৰচনাৰ আদৰ্শ বুলি কাক ক'ব খোজে?*

➧ এই ক্ষেত্ৰত মই লক্ষ্মীনাথ বেজবৰুৱা আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ নাম লম। তেওঁলোকৰ জীৱনত বহুতো ঘাত-প্ৰতিঘাত আছিল। তথাপি তেওঁলোকে যি মহৎ সাহিত্য সৃষ্টি কৰি গৈছে, তেওঁলোকৰ জীৱন সংঘাতবোৰ অতিক্ৰমি যিখিনি কৰি থৈ গৈছে তাৰ পৰাই মই অনুপ্ৰেৰণা পাওঁ।

◈ *অসমৰ প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যায়লৈকে যি শিক্ষা পদ্ধতি চলি আছে— এই সন্দৰ্ভত আপোনাৰ মতামত?*

➧ বৰ্তমানৰ শিক্ষা পদ্ধতিটো সম্পূৰ্ণভাৱে অপৰিকল্পিত আৰু

ইয়াৰ মান অনুন্নত। যদি আমাৰ বিশ্ববিদ্যালয়ৰ শিক্ষা পদ্ধতি উচ্চ মানৰ হ'লহেঁতেন, তেন্তে বছৰেকেত বিশ-পঁচিশ হাজাৰ ল'ৰা-ছোৱালী বাহিৰত পঢ়িবলৈ গ'লহেঁতেন নে? মোৰ এটি সন্দেহ যে আমাৰ যিবোৰ পাঠ্যক্ৰম সেইবোৰ আধুনিক নহয় যেন লাগে আৰু তাৰ ফলস্বৰূপেই অন্য ঠাইত ফাৰ্ষ্ট ডিভিজন পোৱা ল'ৰা এটাই আই.আই.টি.ৰ নিচিনা ইনষ্টিটিউটবোৰত আসন পায়, কিন্তু আমাৰ SEBA বোৰ্ডৰ সৰ্বোচ্চ নম্বৰ লাভ কৰাজনেও আসন নাপাব পাৰে। তাৰোপৰি আজিকালিৰ ব্যক্তিগত বিদ্যালয়সমূহে পৰীক্ষাত সুফল লাভ কৰিবলৈহে পাঠদান কৰে, কিন্তু জ্ঞানৰ ক্ষেত্ৰত তেওঁলোকে গুৰুত্ব আৰোপ নকৰে। আকৌ আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ নিজ ভাষা আৰু ইংৰাজী ভাষাৰ জ্ঞান সম্পূৰ্ণ নহয়। ইংৰাজী মাধ্যমৰখিনিয়ে অসমীয়া নাজানে, আকৌ অসমীয়া মাধ্যমৰখিনিয়ে ইংৰাজী নাজানে। ইয়াৰ শিক্ষা পদ্ধতিৰ ভিতৰত মই তেজপুৰ ইউনিভাৰচিটি আৰু গুৱাহাটী আই.আই.টি.ৰ নাম ল'ব খোজো।

◈ *বিশ্ব সাহিত্যৰ তুলনাত অসমীয়া সাহিত্যৰ স্থিতি কেনেকুৱা বুলি ভাবে?*

➧ এই ক্ষেত্ৰত মই তুলনা কৰিব নিবিচাৰো। বিশ্ব সাহিত্য গোটেই বিশ্বই পঢ়ে। আমাৰ ভাৰতীয় ভাষাৰ বহুতো এনে উপন্যাস বিশ্ব সাহিত্যৰ অন্তৰ্ভুক্ত হৈছে যিবোৰ হয়তো বহুতে নাজানে। ৰবীন্দ্ৰনাথ ঠাকুৰে 'গীতাঞ্জলি'ৰ বাবে ন'বেল বঁটা পাইছিল, কিন্তু চাবলৈ গ'লে সেইখনক 'নাম-ঘোষা'ৰ নতুন সংস্কৰণ বুলি ক'ব পাৰি। গতিকে বিশ্ব সাহিত্যৰ ক্ষেত্ৰত মই বিশেষ একো ক'ব নোৱাৰিম।

◈ *আপোনাৰ স্বৰচিত কোনখন উপন্যাস আপোনাৰ আটাইতকৈ প্ৰিয় আৰু কিয়?*

➧ মোৰ প্ৰত্যেকখন উপন্যাসেই মোৰ প্ৰিয়। প্ৰত্যেকখনৰে কাহিনী ভিন্ ভিন্ দিশৰ লগত জড়িত। গতিকে মই প্ৰত্যেকখন উপন্যাসেই ভাল পাওঁ। বিশেষকৈ 'গঙা চিলনীৰ পাখি'খনৰ কথা মনলৈ আহে।

◈ *সাহিত্য ৰচনাৰ ক্ষেত্ৰত বিশেষ প্ৰেৰণা কাৰ পৰা লাভ কৰিছিল? সমসাময়িক লেখকসকলৰ সম্পৰ্কে আপোনাৰ ধাৰণা কেনে ধৰণৰ?*

➧ সাহিত্য ৰচনাৰ ক্ষেত্ৰত ভবেন্দ্ৰ নাথ শইকীয়াদেৱে মোক অনুপ্ৰেৰণা দিছিল। সমসাময়িক লেখক বুলিবলৈ মোৰ সময়ত একমাত্ৰ ময়েই লিখিছো। মোৰ পৰা বিশ বছৰ আগতে লিখিছে কিন্তু সেইখিনি সম্পৰ্কে মই একো ধাৰণা কৰিব নোৱাৰো বা সেইখিনি জানিব দৰকাৰ নপৰে।

◈ *সাম্প্ৰতিক সাহিত্য সৃষ্টিৰাজিক লৈ আপুনি সন্তুষ্ট নে?*

➧ নাই, মই সন্তুষ্ট নহয়। দৰাচলতে মই আমাৰ সময়ৰ সাহিত্য সৃষ্টিক লৈয়ো অসন্তুষ্ট। সেইখিনি সময়তে যিখিনি সাহিত্যৰ সৃষ্টি হ'ব লাগিছিল সেয়া হোৱা নাই। আমাৰ সমাজত কিমানজন মানুহে লেখা-মেলা কৰে? এতিয়াৰ মানুহখিনিয়ে সাহিত্য ৰচনাৰ প্ৰতি আগ্ৰহী নহয়। বহু ক্ষেত্ৰত পইচাই মানুহক নষ্ট কৰিছে।

◈ *নৱ প্ৰজন্মৰ লেখক-লেখিকা সম্পৰ্কে আপোনাৰ অভিমত?*

➧ বৰ্তমান সময়ৰ লেখকখিনিয়ে নতুন ধাৰা এটাৰ সৃষ্টি কৰিছে। প্ৰভাৱশালী চুটি গল্প ৰচনা কৰোঁতা আছে কিন্তু প্ৰভাৱশালী উপন্যাসিক নাই। কিন্তু বৰ্তমান এই লেখকসকল যিটো তোমালোকৰ বয়সৰ পৰা আৰম্ভ কৰি চল্লিশ বছৰলৈকে তেওঁলোকৰ মাজত সাধনাৰ অভাৱ পৰিলক্ষিত হয়। তেওঁলোকে অবিচ্ছেদ্যভাৱে এটা কামত লাগি নাথাকে। তেওঁলোকে ক্ৰমান্বয়ে লিখিব পাৰে নে নোৱাৰে সেইটোও ঠিক নাই। এইচাম লেখকৰ এটা গল্প বহু উৎকৃষ্ট মানদণ্ডৰো হয়, আকৌ আন এটা ভাল নহ'বও পাৰে। তেওঁলোকৰ চিন্তাধাৰা আৰু ৰচনাৰাজিৰ ধাৰাবাহিকতা নাই। বিভিন্ন বৃত্তিৰ মানুহে সাহিত্য ৰচনা কৰিলে সাহিত্যত বৈচিত্ৰতা প্ৰকাশ পায়, কিন্তু বৰ্তমান সময়ত মাত্ৰ নিউজ পেপাৰত কাম কৰা আৰু কলেজত কাম কৰা মানুহখিনিয়েহে সাহিত্য ৰচনাত ব্ৰতী হৈছে, গতিকে সাহিত্যৰ পৰিসৰো সীমিত হৈছে।

◈ *এজন সফল ছাত্ৰ হ'বৰ বাবে কি কি গুণৰ আৱশ্যক বুলি আপুনি ভাবে?*

➧ মই ভাবো এজন সফল ছাত্ৰ হবলৈ ধৈৰ্য আৰু অধ্যৱসায়ৰ যথেষ্ট প্ৰয়োজন। এই দুটা গুণ নহ'লে কোনোৱে একো কৰিব নোৱাৰে।

◈ *Creative Literature-ত সিদ্ধি লাভ কৰিবলৈ ইয়াৰ আঁৰত কিবা গোপনীয়তা আছে নেকি?*

➧ মানুহৰ লগত সংযোগ থাকিলেহে এই ক্ষেত্ৰত সিদ্ধি লাভ কৰিব পাৰি। এই ক্ষেত্ৰত সাহিত্যৰ জ্ঞানৰো বিশেষ দৰকাৰ নহয়। সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত সাহিত্যৰ জ্ঞানে বাধা আৰোপ কৰে বুলিহে মই ভাবো।



◈ *মহিলাৰ সৱলীকৰণ হোৱা বুলি আপুনি ভাবেনে?*

➧ বৰ্তমান সময়তো মহিলাৰ সম্পূৰ্ণ সৱলীকৰণ হোৱা নাই। কিন্তু বৰ্তমানৰ ছোৱালীখিনি ল'ৰাতকৈ আগবঢ়া। পঢ়াৰ ক্ষেত্ৰতো ছোৱালী ল'ৰাতকৈ বেছি আগবঢ়া। কিন্তু আমাৰ সমাজত এই আগবঢ়া ছোৱালীজনীয়েও প্ৰত্যেক খোজতেই বিপদৰ সন্মুখীন হবলগীয়া হয়। গতিকে মহিলাৰ সৱলীকৰণ হোৱা নাই বুলিয়েই ক'ব খোজো।

◈ *আমাৰ সমাজত বিবাহ বিচ্ছেদ হ'লে পুৰুষজনতকৈ মহিলাগৰাকী সামাজিকভাৱে বেছি সমস্যাৰ সন্মুখীন হবলগীয়া হয় আৰু এই ক্ষেত্ৰত পুৰুষে দ্বিতীয় বিবাহ কৰাব পাৰে, কিন্তু বিবাহ বিচ্ছেদ হোৱা নাৰীগৰাকীৰ পুনৰ বিবাহৰ ক্ষেত্ৰত বহুতো বাধা আহি পৰে। সেই ক্ষেত্ৰত আপুনি কি ক'ব?*

➧ মহিলা সৱলীকৰণৰ অভাৱৰ বাবেই নাৰীগৰাকী এই সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়।

◈ *বৌদ্ধিক সমাজখনে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলক দিগভ্ৰান্ত বুলি ক'ব খোজে। ইয়াৰ পৰা উদ্ধাৰৰ কিবা তাৎক্ষণিক উপায় আছেনে?*

➧ প্ৰথম কথা হৈছে আমাৰ শিক্ষা ব্যৱস্তাত মানৱীয় আৰু ধৰ্মৰ দিশটো থাকিব লাগে, তেতিয়াহ'লে ভাল হ'ব। তেতিয়া ছাত্ৰ-ছাত্ৰীবোৰে আধ্যাত্মিক দিশৰ ওপৰত গুৰুত্ব দিব। ঈশ্বৰৰ অস্তিত্ব সঁচা নে মিছা সেয়া কোনেও নাজানে। কিন্তু ঈশ্বৰৰ ধাৰণাই সমাজত বিশৃংখলতা নিয়ন্ত্ৰণ কৰে।

◈ *বৰ্তমানৰ নিবনুৱা সমস্যাৰ প্ৰধান কাৰকটো কি বুলি ভাবে?*

➧ যি ধৰণৰ শিক্ষাই আমাৰ ল'ৰা-ছোৱালীক নিযুক্তি দিয়াত সহায় কৰে, সেই ধৰণৰ শিক্ষা আমাক দিয়া হোৱা নাই। বৰ্তমান আমাৰ শিক্ষা ব্যৱস্থা কাৰিকৰীমূলক আৰু ব্যৱহাৰিক হ'ব লাগিব, তেতিয়াই এই সমস্যাৰ ওৰ পৰিব।

◈ *বৰ্তমানৰ সমাজখনে পাশ্চাত্যক অনুকৰণ কৰিছে নেকি আৰু ভাৰতীয় সংস্কৃতিত ইয়াৰ প্ৰভাৱ পৰিছে নেকি? এই সন্দৰ্ভত আপুনি কি ক'ব?*

➧ পাশ্চাত্যৰ অনুকৰণ সম্পূৰ্ণৰূপে হোৱা নাই। কিন্তু পাশ্চাত্যৰ অনুকৰণে কিছুমান নেতিবাচক প্ৰভাৱ পেলোৱা বুলিও ক'ব পাৰি। পাশ্চাত্যৰ লোকসকলৰ যি দেশপ্ৰেম সেয়া আমাৰ মানুহৰ মাজত দেখা নাযায়। পাশ্চাত্যৰ আচল গুণসমূহ আমাৰ মানুহে আহৰণ কৰা নাই। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ওপৰত পাশ্চাত্যৰ লোকসকলৰ আস্থা বেছি, কিন্তু সেই ক্ষেত্ৰত আমাৰ মানুহ পিছপৰা। গতিকে পাশ্চাত্যক অনুকৰণ কৰা বুলি ক'ব নোৱাৰি। আৰু ভাৰতীয় সংস্কৃতিতো ইয়াৰ প্ৰভাৱ পৰা বুলি মই নাভাবো। পুৰীলৈ হাজাৰ হাজাৰ মানুহ সদায় যায়, এলাহাবাদৰ জনবসতি দহ লাখ, কিন্তু কুম্ভমেলাত এঘাৰ লাখ মানুহ কিয় যায়? দেশ গঢ়িবলৈ আমি পাশ্চাত্যক অনুকৰণ কৰিব লাগিব বুলিও মই ভাবো, কিয়নো ধৰ্মৰ কথা কৈ দেশ গঢ়িব নোৱাৰি, দেশ গঢ়িবলৈ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আৱশ্যক।

◈ *সাম্প্ৰতিক দেশৰ পৰিস্থিতিত মহৎ সাহিত্য সৃষ্টিৰ পৰিৱেশ অনুকূলনে?*

➧ মহৎ সাহিত্য সৃষ্টি হ'বলৈ সামাজিক অন্তৰ্দ্বন্দ্ব থাকিবই লাগিব। এখন সমাজত যিমানেই বেছি সংঘাত, অন্তৰ্দ্বন্দ্ব থাকিব সিমানেই গণ্ডগোল থাকিব তেতিয়াই মহৎ সাহিত্যৰ সৃষ্টি হ'ব। য'ত সকলো ধৰণৰ গণ্ডগোল হ'ব ত'তেই সাহিত্যৰ সৃষ্টি হ'ব। উদাহৰণ স্বৰূপে মহাভাৰত সৃষ্টি হৈছে সংঘাতৰ বাবেহে।

◈ *বৰ্তমান সময়ত সাহিত্য সভাৰ প্ৰতি আপোনাৰ ধাৰণা কি? সংবাদ মাধ্যমে বা বিভিন্ন ক্ষেত্ৰত সাহিত্য সভাৰ নেতিবাচক সমালোচনা হয়, এই ক্ষেত্ৰত আপুনি কি ক'ব খোজে?*

➧ সাহিত্য সভাই আগৰ কামখিনিকে কৰি আছে। যিসকলে সমালোচনা কৰিছে তেওঁলোকে কি কৰিছে, সাহিত্য সভাই কিবাতো কৰি আছে। যদি বেয়া কাৰ্য কৰিছে প্ৰত্যাহ্বান নজনায় কিয়?

◈ *বৰ্তমান চলি থকা এটা প্ৰসঙ্গ বিহু মঞ্চত বিহু সাজপাৰ পৰিধান কৰি অনুষ্ঠান পৰিৱেশন কৰা এই ক্ষেত্ৰত আপুনি কি ক'ব খোজে?*

➧ সেইটো সম্পূৰ্ণ শুদ্ধ পদক্ষেপ। মই আন ঠাইত দেখিছো সকলোতে জাতীয়তাবোধ আছে কিন্তু আমাৰ মাজত সেয়া লোপ পাইছে। গতিকে সেয়া সম্পূৰ্ণ শুদ্ধ পদক্ষেপ।

◈ *আপুনি কৃষি বিভাগৰ লগত জড়িত আছিল, গতিকে বৰ্তমান আমাৰ দেশৰ কৃষি পদ্ধতিৰ বিষয়ে কি কব বিচাৰে?*

➧ প্ৰযুক্তিৰ ক্ষেত্ৰত আমাৰ দেশ উন্নত, কিন্তু চৰকাৰৰ হেমাহী আৰু দুৰ্নীতিৰ বাবে আমাৰ কৃষিখণ্ড পিছপৰি আছে, প্ৰযুক্তিৰ পিনৰ পৰা নহয়।

◈ *বৰ্তমান আপুনি গৰীয়সীৰ সম্পাদক। গৰীয়সীৰ লগত জড়িত হৈ আপোনাৰ অনুভৱ?*

➧ 'গৰীয়সী'ৰ লগত আমি যথেষ্ট কষ্ট কৰিবলগীয়া হৈছে। প্ৰথম কথা হ'ল প্ৰবীণ সাহিত্যিকখিনিয়ে একো নিলিখে, সেইবাবে আমি তোমালোকৰ বয়সৰ মানুহখিনিৰ পৰাই গৰীয়সীখন উলিয়াব লগীয়া হৈছে। চাৰিটা গল্পৰ বাবে আমি চল্লিশটা গল্প পঢ়িবলগীয়া হৈছে। গৰীয়সীয়ে নিজৰ মান ৰক্ষা কৰিছে আৰু আমি নতুন লেখকৰ সৃষ্টি কৰিব পাৰিচো বুলি ভাবো।

◈ *ৰাজনীতিয়ে অসমৰ উন্নয়নত বাধা আৰোপ কৰা বুলি আপুনি ক'ব খোজেনেকি?*

➧ অসমৰ উন্নয়নৰ হেঙাৰ হৈছে ৰাজনৈতিক নেতাসকল নিজেই। তেওঁলোকৰ দুৰ্নীতিৰ বাবে অসম আজিও উন্নয়নৰ ক্ষেত্ৰত পিছপৰি আছে।

◈ *শেহতীয়া ৰাজনৈতিক স্থিতি সম্পৰ্কে কি ক'ব?*

➧ বৰ্তমানৰ চৰকাৰখন সলনি হ'ব লাগে। তেতিয়াহে অসমৰ উন্নতি হ'ব। বাকী ৰাজনৈতিক স্থিতি সম্পৰ্কে একো ক'ব নিবিচাৰো।

◈ *শেষত আপোনাৰ বহুমূলীয়া সময়খিনি আমাক দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো লগতে আপোনাৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছো।*

➧ তোমালৈও আলোচনীখন সুন্দৰভাৱে প্ৰস্তুত কৰাৰ বাবে আশীৰ্বাদ থাকিল।

# ।। জীৱন-পঞ্জী ।।

***নাম ঃ*** ড° লক্ষ্মীনন্দন বৰা। জন্ম ঃ ১ মাৰ্চ, ১৯৩২ চন।
***ঘৰ ঃ*** নগাওঁ চহৰৰ ওচৰৰ কুঁজিদাহত।
***শিক্ষা ঃ*** প্ৰাথমিক শিক্ষা কুঁজিদাহ। বেবেজীয়া হাইস্কুলত অষ্টম শ্ৰেণীলৈ। নগাওঁ চৰকাৰী বালক বিদ্যালয়ত প্ৰৱেশিকা পৰীক্ষা। কটন কলেজ ঃ স্নাতক (পদাৰ্থ বিজ্ঞানত সন্মানসহ)। কলিকতা বিশ্ববিদ্যালয় ঃ স্নাতকোত্তৰ। অন্ধ্ৰ বিশ্ববিদ্যালয় ঃ ডক্টৰেট ডিগ্ৰী (মৌচম বিভাগ)
***কৰ্মজীৱন ঃ*** শ্বিলঙৰ ছেইণ্ট এন্থনীজ কলেজ, যোৰহাটৰ জগন্নাথ বৰুৱা কলেজ, নগাওঁৰ কলেজ, কটন কলেজ আৰু ধুবুৰীৰ ভোলানাথ কলেজত তেওঁ অধ্যাপনা কৰিছিল। ১৯৫৮ চনত তেওঁ অসম কৃষি বিস্ববিদ্যালয়ৰ প্ৰবক্তা হিচাপে যোগ দি কৃষি মৌচুমী বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে অৱসৰ লয়। ১৯৮৯ চনত জাৰ্মানীৰ মাইন্‌ছৰ জোহান্স গোটেনবাৰ্গ বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগত জলবায়ুবিজ্ঞানৰ ভিজিটিং প্ৰফেছৰ আৰু ১৯৮৯-৯২ চনলৈ ইণ্ডো জাৰ্মান গৱেষণা প্ৰকল্পৰ সঞ্চালক হিচাপে সেৱা আগবঢ়াইছিল। তেখেত অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষও আছিল। ১৯৯২-৯৪ চনলৈ 'ৰংপুৰ' নামৰ সাপ্তাহিক কাকতখনো সম্পাদনা কৰিছিল। বৰ্তমান *Assam Tribune*-ৰ সাহিত্য প্ৰকাশৰ দ্বাৰা প্ৰকাশিত 'গৰীয়সী'ৰ সম্পাদক। অসম সাহিত্য সভাৰ দ্বাষষ্ঠিতম্ (বোকাখাত, ১৯৯৬) অধিৱেশনত সভাপতিত্ব কৰিছিল।

## প্ৰকাশিত পুথি

***উপন্যাস ঃ*** গঙা চিলনীৰ পাখি (১৯৬৩), নিশাৰ পূৰৱী (১৯৬২), ছাঁ জুইৰ পোহৰত (১৯৬৬), বলুকাত বিজুলী (১৯৬৯), মাটিত মেঘৰ ছাঁ (১৯৭০), উত্তৰ পুৰুষ (১৯৭০), বিশেষ এৰাতি (১৯৭৯), আকৌ শৰাইঘাট (১৯৮০), ঘাতক পলাতক (১৯৮৫), পাতাল ভৈৰৱী (১৯৮৬), কাল দিঙৰাৰে পাল (১৯৮৮), গণেশগুৰি (১৯৮৮), নায়ক-অধিনায়ক (১৯৯২), যাকেৰি নাহিকে উপাম (১৯৯৩), হিয়াত তিৰেবিৰায় (১৯৯৩), মৎস কন্যা (১৯৯৫), সেহি গুণনিধি (১৯৯৭), মেঘত মাদল বাজে (১৯৯৯), কায়কল্প (২০০৮), যৌচন গগন বিয়াপি (২০১০), সেহি সব্যসাচী (২০১৪) ইত্যাদি।
***গল্প সংকলন ঃ*** দৃষ্টিৰূপা (১৯৫৮), সেই সুৰে উতলা (১৯৬০), গৌৰীৰূপক (১৯৬১), গোলন গধূলি (১৯৬১), কাঁচিয়ালিৰ কুঁৱলী (১৯৬১), এই ৰূপ এই ছন্দ (১৯৬৩), অচিন কইনা (১৯৬৩), দেৱতাৰ ব্যাধি (১৯৬৬), কঠিন মায়া (১৯৬৬), আৱেশ ইন্দ্ৰজাল (১৯৬৭), সেহি অনুৰাগে (১৯৮৩), এৰাবাৰীৰ লেছেৰি (১৯৮৩), প্ৰেয়সী (১৯৯৬) ইত্যাদি।
***ভ্ৰমণ কাহিনী ঃ*** পশ্চিমৰ পম খেদি (১৯৯১), জোৰা লগা জাৰ্মেনীত (১৯৯৩), সীমাৰ পৰিধি ভেদি (১৯৯৭)।
***অন্যান্য ঃ*** গাঁৱৰে সৰগ ৰচোঁ (১৯৬০), জনম ৰহস্য আৰু পৰিয়াল আঁচনি (১৯৬৮), মই ধনীৰামৰ ধন (১৯৮৫), পৰিৱেশ বিজ্ঞান সাৰথি (১৯৯৫)।
***নাটক ঃ*** বৰাৰ সিপুৰীৰ আঁচনি (১৯৬১), একাংক যুগল (১৯৭২)
***বঁটা সন্মান ঃ*** সাহিত্য অকাদেমী (১৯৮৮) 'পাতাল ভৈৰৱী' উপন্যাসৰ বাবে, 'সৰস্বতী' সন্মান (২০০৮) 'কায়কল্প' উপন্যাসৰ বাবে জীৱনযোৰা সাধনাৰ বঁটা (২০১২), Assam Valley Literary Award (2004)
*(বিঃ দ্ৰঃ— ড০ বৰাদেৱৰ ইয়াৰ পিছতো ভালেমান লেখা প্ৰকাশিত হৈ আছে। বৰ্তমান তেখেত 'গৰীয়সী' আলোচনীৰ সম্পাদক)*



*[বৰ্ত্তমান সমাজত সত্ৰীয়া সংস্কৃতিৰ ধাৰণা আৰু সমাজৰ বাবে ইয়াৰ প্ৰয়োজনীয়তা ইত্যাদি কেইটামান বিষয় লৈ সত্ৰীয়া সঙ্গীতজ্ঞ আৰু নৃত্যকাৰ পদ্মশ্ৰী যতীন গোস্বামী দেৱৰ সৈতে ধৃতিকা দেৱীৰ এখন্তেক আলাপৰ সম্পাদিত ৰূপ।]*

# সত্ৰীয়া সঙ্গীতজ্ঞ আৰু নৃত্যকাৰ পদ্মশ্ৰী শ্ৰীযতীন গোস্বামীৰ দেৱৰ সৈতে এখন্তেক

◈ *নমস্কাৰ ছাৰ। পোন প্ৰথমতে আপোনাৰ পৰা জানিব বিচাৰিম আপুনি কিয় আৰু কেনেদৰে সত্ৰীয়া নৃত্যৰ প্ৰতি আকৃষ্ট হৈছিল?*

□ মোৰ জন্ম সত্ৰত। সত্ৰীয়া পৰিৱেশত জন্ম হোৱা বাবে সত্ৰত সদায় প্ৰয়োজনীয় নৃত্য আমি শিকাটো বাধ্যতামূলক আছিল। যিকোনো উৎসৱ, শঙ্কৰদেৱৰ তিথি, মাধৱদেৱৰ তিথি, জন্মোৎসৱ এইবোৰত নৃত্য কৰিবলগীয়া হৈছিল। গতিকে আমাৰ এক দায়বদ্ধতা আহিছিল। তেতিয়া সত্ৰীয়া নৃত্যৰ কোনো স্কুল নাছিল সেৱাৰহে অঙ্গ আছিল। স্বাভাৱিক ভাৱেই।

◈ *এই ক্ষেত্ৰত আপোনাৰ পিতৃ-মাতৃৰ কিবা ভূমিকা আছিলনে?*

□ মোৰ প্ৰথম গুৰুৱেই আছিল মোৰ পিতৃ। মাতৃৰ সৰুতেই মৃত্যু হোৱা বাবে মাতৃৰ পৰা বিশেষ লাভ কৰিব নোৱাৰিলো।

◈ *বঁটা-সন্মান আদিয়ে শিল্পীক আকৃষ্ট কৰে বুলি আপুনি ভাবেনে?*

□ নিশ্চয়, যিকোনো বঁটা প্ৰাপ্তিয়ে শিল্পীক কাম কৰিবলৈ উৎসাহ যোগায়। কিন্তু এই বঁটা মানুহে কাম কৰিবলৈ সক্ষম থাকোতে দিলে বেছি ফলপ্ৰসূ হয় বুলি মই ভাবো।

◈ *বিদেশৰ মাটিত কৰা প্ৰদৰ্শনৰ অভিজ্ঞতা অলপ ক'বনে?*

□ কেৱল নেপাললৈ গৈছিলো। খুব সুন্দৰ পৰিৱেশ। ১৯৭৫ চনত মই গৈছিলো তেতিয়া তাত ৰজা আছিল। তেওঁলোকৰ পৰা বৰ সুন্দৰ সাদৰ-সম্ভাষণ লাভ কৰিছিলো।

◈ চলিত সমাজ ব্যৱস্থা সম্পৰ্কে আপোনাৰ ধাৰণা।

□ এজন নৃত্যশিল্পী হিচাপে সমাজখন সকলো ফালৰ পৰাই সুন্দৰ হৈ থকাটো বিচাৰো। কিন্তু বৰ্ত্তমান সমাজৰ কিছুমান আসুৰিক কৰ্মই মনত যথেষ্ট দুখ দিয়ে। দেশক ভালপোৱা জাতিক ভালপোৱা, সংস্কৃতিক ভালপোৱা মানুহৰ সংখ্যা লাহে লাহে সমাজত কমি আহিছে আৰু তাৰ ফলতেই সমাজত কিছুমান নঘটিবলগীয়া কাম হৈছে যাৰ ফলত সমাজত বিশৃঙ্খলতাৰ সৃষ্টি হৈছে।

◈ *আপোনাৰ সংস্কৃতি জগতৰ প্ৰতি কিবা আক্ষেপ আছে নেকি?*



☐ মই অসমৰ সমাজ জীৱনলৈ যি দিব পাৰিছো তাতোকৈ বহু বেছি ৰাইজ আৰু ৰজাঘৰৰ পৰা মৰম, স্নেহ, শ্ৰদ্ধা আৰু সন্মান পাইছো। সেয়ে মই নিজকে অসমৰ এজন সুখী নৃত্যশিল্পী বুলি ভাবো। মোৰ আক্ষেপ কৰিবলগীয়া একো নাই।

◈ *আধৰুৱা কিবা আশা, যিয়ে আপোনাক দুখিত কৰে।*

☐ মোৰ জীৱনত দুটা দুখ থাকিল। এটা হ'ল—মই সংস্কৃত ভাষাটো ভালকৈ নাজানিলো আৰু আনটো হ'ল সত্ৰীয়া নৃত্যক বিশ্ববাসীৰ আগত ভালকৈ চিনাকী কৰাই দিব নোৱাৰিলো।

◈ *বিশ্ব দৰবাৰত সত্ৰীয়া নৃত্যৰ কেনে সমাদৰ বুলি ভাবে?*

☐ বিশ্বৰ নৃত্য ক্ষেত্ৰখনত সত্ৰীয়া নৃত্য যদিও প্ৰদৰ্শিত হৈছে, সি অতি নগণ্য। য'ত য'ত প্ৰদৰ্শিত হৈছে নৃত্যৰসিক সকলে ভালদৰেই গ্ৰহণ কৰিছে। কিন্তু এতিয়াও কৰিবলগীয়া কাম যথেষ্ট আছে। তাৰ বাবে অসম চৰকাৰে কিবা উচিত পদক্ষেপ লোৱাটো মই বিচাৰো।

◈ *আপুনি ভ্ৰাম্যমান নাট্যদলৰ লগত কেনেকৈ জড়িত হ'ল?*

☐ মই নোযোৱা ভ্ৰাম্যমান নাট্যদল নাই বুলিয়েই ক'ব পাৰি। মই নগ'লেও মোৰ কোনোবা ছাত্ৰই তাত নাচ শিকাইছে। মোৰ নৃত্য-নাটিকা নোহোৱাকৈ বোধ হয় কোনো নাট্যদল হোৱা নাই। এই নৃত্য-নাটিকা একোখন ১০-১২ বছৰলৈকে চলি আছে আৰু বহুক্ষেত্ৰত দেখিছো এখন নৃত্য-নাটিকা বিভিন্ন দলে ভিন্ন নামেৰে কৰিছে। ১১৫/১২০ খন নৃত্য-নাটিকা লিখিছো যদিও সেইবোৰৰ মোৰ কোনো সংগ্ৰহ নাই। চনত কালচাৰেল এফেয়াৰ্ছৰ চাকৰিৰ পৰা ইস্তাফা দি অঙ্কীয়া ভাওনাৰ ভ্ৰাম্যমান দল 'প্ৰাগ্‌জ্যোতি কলা পৰিষদ' গঠন কৰিছিলো। ১৯৭৫ চনত উজনি অসমৰ প্ৰথম ভ্ৰাম্যমান নাট্যদল 'ভাস্কৰ থিয়েটাৰ' গঠন আৰু পৰিচালনা কৰিছিলো।

◈ *আপোনাৰ জীৱনত বেছিকৈ প্ৰভাৱ পৰা ব্যক্তিজন কোন?*

☐ বিষ্ণুপ্ৰসাদ ৰাভা। তেখেতক লগ পোৱাৰ পৰাই মোৰ জীৱনৰ গতিধাৰা সলনি হৈছিল। নৃত্যৰ যিখিনি তাত্ত্বিক দিশ সেইখিনি মই তেখেতৰ পৰাই শিকিছিলো। ব্যৱহাৰিক দিশতো তেখেতৰ পৰা বহুতো কথা শিকিছো।

◈ *শিল্পী সমাজৰ প্ৰতি কিবা আহ্বান জনাব নেকি?*

☐ যিবিলাক কাৰ্যই সমাজৰ চৰিত্ৰ গঠন কৰে সেয়াই শিল্প। সমাজত যাতে কোনো অশুভ ক্ৰিয়া প্ৰতিক্ৰিয়া নহয় সেই সম্পৰ্কে সজাগ হ'বলৈ শিল্পীসকলক আহ্বান জনাইছো।

◈ *অসমীয়া সমাজত পাশ্চাত্যৰ প্ৰভাৱ সম্পৰ্কে ধাৰণা।*

☐ অসমৰ জনজীৱনত ৰাতিপুৱা শুই উঠাৰে পৰা শোৱাপাটীলৈ যোৱালৈকে সকলোখিনিতে পাশ্চাত্য প্ৰভাৱ আছে। ভাষা, সাহিত্য, সংস্কৃতি সকলোতে যে পাশ্চাত্যৰ প্ৰভাৱ পৰিছে তাক উলাই কৰিব পৰা সম্ভৱ নহয়। আমি বৰগীত গাওঁতে হাৰমনিয়াম ব্যৱহাৰ কৰো কিন্তু হাৰমনিয়ামটো অসমীয়া বাদ্যযন্ত্ৰ হয় জানো? এয়া পাশ্চাত্যৰ প্ৰভাৱ।

◈ *সাম্প্ৰতিক প্ৰসঙ্গ বিহু সংৰক্ষণৰ প্ৰতি আপোনাৰ মতামত জনাবনে?*

☐ বিহু লৈ বিতৰ্কৰ শেষ নাই। অসম বিহু সমিতিৰ মুখ্য উপদেষ্টা সকলৰ বিহু সুৰক্ষাৰ প্ৰয়োজন কিয় হ'ল? গছৰ তলৰ বিহু, ৰংঘৰৰ বাকৰি, দেউতাৰ পদূলি আৰু ৰাইজৰ চোতাল পাৰ হৈ মঞ্চ পালেহি। বিহু নাচকলৈ নানা পৰীক্ষা-নিৰীক্ষা চলিল বিহু কুৱঁৰী, বিহু ৰাণী, বিহু সম্ৰাজ্ঞী আৰু প্ৰতিযোগিতাৰ সৃষ্টি হ'ল। ফলস্বৰূপে বিহু নাচ আৰু বিহু নামত নানা নতুন চিন্তাৰ সংযোজন ঘটিল। বিহু নাচে স্বকীয়তা হেৰুৱাৰ উপক্ৰম হ'ল। সেইবাবেই বহু বিহুপ্ৰেমী ৰাইজে বিহু সুৰক্ষাৰ প্ৰয়োজন অনুভৱ কৰিলে। তাৰবাবে আলোচনা-সমালোচনা হৈছে. সময়ে সঠিক বাট ল'ব বুলি মই ভাবো।

◈ *বৰ্ত্তমান ৰাজনীতিৰ পৰা কি বিচাৰে?*

☐ ভাষা, সাহিত্য, সংস্কৃতি, ধৰ্ম সকলোৰে লগত প্ৰত্যক্ষ বা পৰোক্ষ ভাবে ৰাজনীতিৰ সম্পৰ্ক আছে। কোনেও ৰাজনীতিক এৰাই চলিব নোৱাৰে। কিন্তু বৰ্ত্তমান দেশৰ অস্থিৰ ৰাজনীতিয়ে সকলোকে অস্থিৰ কৰিছে বুলি ভাবো। মই কেৱল এখন শুদ্ধ, নিকা আৰু ৰাইজৰ হকে কাম কৰা চৰকাৰ হোৱাটো বিচাৰো।

◈ *অসমত প্ৰচলিত ৰাসক সত্ৰীয়া নৃত্যৰ আধাৰত সজাই তুলিব পাৰি নে?*

☐ সত্ৰীয়া নাচৰ আধাৰক ৰাসক নকৈ সজাই তুলিব পাৰি। ই ভাল কথা। কিন্তু লগতে সাজ-পোছাকৰ ক্ষেত্ৰত চকু দিব লাগিব।

◈ *সত্ৰীয়া নৃত্যৰ কিছুমান নিজস্ব হস্ত আছে। সেই বিষয়ে কওকচোন।*

☐ হস্তৰ প্ৰয়োগত কিছুমান নিজস্ব ৰীতি আছে। অৰ্থসূচক হস্তৰ ক্ষেত্ৰত নহয়, শুদ্ধ হস্তৰ ক্ষেত্ৰতহে ব্যৱহাৰ কৰিব পাৰি। সত্ৰীয়াৰ ক্ষেত্ৰত নিজস্ব হস্তবোৰৰ প্ৰয়োগ হৈ আছে। সত্ৰীয়া নৃত্যত নিজস্ব হস্ত তিনিখন— মুজুৰা, শসক আৰু হায়ৰে। এই হস্তবোৰৰ ব্যৱহাৰ ভাৰতৰ কোনো নৃত্যৰ ক্ষেত্ৰতে দেখা নাযায়। সেইবাবে ই সত্ৰীয়াৰ ক্ষেত্ৰত নিজস্ব হস্ত। বহু লোকে কোৱাৰ ধৰণে ইয়াৰ প্ৰয়োগ সত্ৰভেদে বেলেগ নহয়।

◈ *সত্ৰভেদে নাচৰ পাৰ্থক্য বা ভিন্নতা সম্পৰ্কে আপুনি কি ক'ব বিচাৰে?*

 ভিন্নতা বা পাৰ্থক্য নুই কৰিব নোৱাৰি। ঝুমুৰা, নাডুভংগী নাচ কমলাবৰীয়া মূলৰ সত্ৰতহে আছে। মূল সত্ৰ সাতখন হ'ল— কমলাবাৰী, নতুন কমলাবাৰী, উত্তৰ কমলাবাৰী, ৰজাবাৰী, ভোগপুৰ, বেলগুৰি আৰু বদুলা। অন্য সত্ৰই ইয়াক প্ৰয়োগ কৰি মৌলিক বৈশিষ্টক অটুট ৰাখিব নোৱাৰিলে ই বিকৃত হ'বই। তেনেদৰে সত্ৰভেদে কিছুমান নাচ আছে। আউনিআটী, কুৰুৱাবাহী, গড়মূৰ, দক্ষিণপাট আদি ব্ৰহ্ম সংহতিৰ সত্ৰকেইখনত 'নটুৱা নাট' বিধ দেখা যায়। ই অন্য সত্ৰত নাই।

◈ *ভাৰতৰ দূৰদৰ্শনৰ নৃত্যানুষ্ঠান কৰা আপুনি প্ৰথম অসমীয়া। সেই অভিজ্ঞতাৰ কথা কওকচোন।*

 ১৯৬০ চনত যোৰহাটৰ পৰা আমাৰ এটা সাংস্কৃতিক দল দিল্লীলৈ গৈছিল। নিছিল 'ঊষা নৃত্য পৰিষদে'। পৰিচালক আছিল মুনীন বৰুৱা। তেতিয়া প্ৰথম আমি সত্ৰীয়া নাচ প্ৰদৰ্শন কৰিছিলো দূৰদৰ্শনত। মোৰ ভনীজনীয়ে সূত্ৰধাৰী নাচ নাচিছিল। মই বজাইছিলো। তেতিয়া কিন্তু অকল দিল্লীৰ মানুহখিনিয়েহে দূৰদৰ্শন দেখে। এইটোৱেই মোৰ দূৰদৰ্শনত প্ৰথম অসমীয়া প্ৰগ্ৰেম আছিল। মই বিষ্ণু ৰাভালৈ টেলিগ্ৰাম কৰি খবৰ দিছিলো। তেখেতে বোলে সেইখন জেপত লৈ বহু মানুহক দেখুৱাইছিল। কৈছিল— চোৱা, মোৰ ছাত্ৰই আজি দিল্লী দূৰদৰ্শনত প্ৰগ্ৰেম কৰিছে। সেইদিনা দিল্লীৰ বহু অসমীয়া মানুহে আহি তাত আমাৰ অনুষ্ঠান চাইছিলো।

◈ *সদৌ শেষত আপোনাৰ দীৰ্ঘায়ু আৰু সুস্বাস্থ্য কামনা কৰাৰ লগতে আপোনাৰ বহুমূলীয়া সময়খিনি আমাক দিয়াৰ বাবে ধন্যবাদ জনাইছোঁ।*



# যতীন গোস্বামীৰ জীৱন-তথ্য

***জন্ম*** **ঃ** ২ আগষ্ট, ১৯৩৩ চন।
আধাৰ সত্ৰ, দেৰগাওঁ, গোলাঘাট।

***পিতৃ-মাতৃ*** **ঃ** ধৰণীধৰ দেৱ গোস্বামী আৰু চন্দ্ৰপ্ৰভা দেৱী।

***শিক্ষা*** **ঃ** জে.বি. কলেজৰ পৰা আই.এ. পৰীক্ষাত উত্তীৰ্ণ। বি.এ. পৰীক্ষা গুৱাহাটী কলেজৰ পৰা দিব লাগিছিল। কিন্তু তদানীন্তন ৰাষ্ট্ৰপতি জাকিৰ হুছেইন গুৱাহাটীলৈ অহাৰ সময়ত নৃত্যনুষ্ঠান পৰিৱেশন কৰিব লগা হোৱাত এই পৰীক্ষা দিব নোৱাৰিলে।

## বঁটা প্ৰাপ্তি

| | |
|---|---|
| ১৯৯৪ | ঃ শিল্পী দিৱস বঁটা। |
| ১৯৯৭ | ঃ Best Dance Director Award |
| ১৯৯৯ | ঃ নৃত্যাচাৰ্য্য উপাধি লাভ। |
| ২০০৩ | ঃ 'ভাৰতীয়ম্' সন্মান লাভ। |
| ২০০৪ | ঃ সঙ্গীত নাটক একাডেমী বঁটা। |
| ২০০৫ | ঃ অসম নাট্য সন্মিলন বঁটা। |
| ২০০৭ | ঃ 'নৃত্য শিৰোমণি' উপাধি লাভ। |
| ২০০৮ | ঃ পদ্মশ্ৰী বঁটা। |
| ২০০৯ | ঃ Leo-Expo Award |
| ২০১০ | ঃ শঙ্কৰদেৱ অৱতাৰ বঁটা। |
| ২০১১ | ঃ আনন্দমোহন ভাগৱতী নৰ্ত্তন বঁটা। |
| ২০১২ | ঃ ভবেন শইকীয়া মোবাইল থিয়েটাৰ বঁটা। |
| ২০১৩ | ঃ ওড়িচি গুৰু দেৱ প্ৰসাদ দাস বঁটা। |
| ২০১৪ | ঃ মঘাই ওজা বঁটা। |
| ২০১৫ | ঃ ৰামেশ্বৰ বৰবায়ন বঁটা। |

## লিখিত পুথি

(১) শঙ্কৰী নৃত্যৰ মাটি আখৰা।
(২) নৃত্যৰ পৰিভাষিক শব্দ আৰু সংজ্ঞা।
(৩) নৃত্যৰ প্ৰাথমিক হস্ত পৰিচয়।
(৪) সোণৰ পদুম।

প্ৰবন্ধ

# শিখধৰ্মৰ আদি কথা



**ড° ভূপেন সিং**
**প্ৰাক্তন অধ্যক্ষ**
**প্ৰাগ্জ্যোতিষ মহাবিদ্যালয়**

মানৱ সৃষ্টিৰ কোনটো ক্ষণত ধৰ্মৰ প্ৰাদুৰ্ভাৱ হৈছিল সেয়া কোৱা কঠিন। শিক্ষা আৰু সভ্যতাৰ পূৰ্বৰ অৱস্থাত মানুহে প্ৰাকৃতিক অৱস্থাৰ লগত খাপ খুৱাই কেতবোৰ দেৱ-দেৱীৰ সৃষ্টি কৰি পূজা অৰ্চনাৰ জৰিয়তে নিজকে সুৰক্ষিত কৰাৰ প্ৰয়াস কৰিছিল। সভ্যতাৰ এইটো স্তৰতে মানুহে এক সৰ্ব্বশক্তিমান অদৃষ্ট নিয়ন্তাৰ কল্পনা কৰি তেওঁক সন্তুষ্ট কৰি ৰখাৰ বাবে কেতবোৰ সুনিৰ্দ্দিষ্ট নীতি নিয়মৰ মাজেৰে জীৱন নিৰ্বাহৰ উপায় বান্ধি দিছিল। আমি ধৰ্ম বুলিলে সাধাৰণ অৰ্থত যি বুজো হয়তো এয়াই আছিল তাৰ আদিম স্তৰ। এই দৰেই বিশ্বৰ বিভিন্ন দেশত ভিন্ ভিন্ ধৰ্মই গা কৰি উঠিছিল। প্ৰথম অৱস্থাত যাতায়াত ব্যৱস্থাৰ অসুবিধাৰ বাবে এখন দেশত প্ৰৱৰ্ত্তিত ধৰ্মই আন এখন দেশলৈ শিপাব পৰা নাছিল। পিছলৈ সাগৰত নৌকা যাত্ৰা সুচল হৈ পৰাত সম্পদৰ পৰিবহনৰ লগতে এখন দেশৰ মানুহ অন্য দেশলৈ সহজে যাব পৰা হ'ল। এইদৰেই ধৰ্মও বিভিন্ন দেশলৈ সম্প্ৰসাৰিত হ'ল। উপনিবেশিক যুগত উন্নত দেশবোৰে অনুন্নত দেশলৈ নিজ ধৰ্ম প্ৰচাৰৰ বাবে ধৰ্ম প্ৰচাৰক লগত লৈ গৈছিল। বৃটিছ সাম্ৰাজ্যত এদিন বেলি মাৰ নগৈছিল। তাৰ সুযোগ লৈ বৃটিছসকলে, ইউৰোপ, এচিয়া, আমেৰিকা, আফ্ৰিকাৰ বৃহৎ অংশত নিজৰ ধৰ্ম বিয়পাই দিছিল। আন কিছুমান শক্তিশালী দেশে সামৰিক শক্তি প্ৰয়োগ কৰি ওচৰৰ ৰাজ্যবোৰ জয় কৰি নিজ দেশৰ ধৰ্ম গ্ৰহণ কৰিবলৈ জনসাধাৰণক বাধ্য কৰিছিল। আৰব সাম্ৰাজ্যৰ পৰাক্ৰমী ৰজাসকলে ভাৰতৰ দুৰ্বল হিন্দু সাম্ৰাজ্যবোৰ উন্নত যুদ্ধ কৌশলৰে এখন এখনকৈ জয় কৰি অনেক হিন্দুক ধৰ্মান্তৰিত কৰি ইছলাম সাম্ৰাজ্য বিস্তাৰ কৰিছিল। বহু বৌদ্ধ পৰিব্ৰাজক বা ধৰ্মপ্ৰচাৰকেও তিব্বত, ম্যানমাৰ, শ্ৰীলঙ্কা, থাইলেণ্ড আনকি চীন, মংগোলিয়া, জাপান আদি দেশত বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰিছিল। আধুনিক যুগত এইদৰে ধৰ্মপ্ৰচাৰৰ জৰিয়তে ধৰ্ম ভিত্তিত ৰাষ্ট্ৰ গঠন সম্ভৱ

নহলেও সাৰ্বভৌমত্বৰ লগত ৰাষ্ট্ৰধৰ্ম গভীৰভাবে জড়িত হৈ পৰিছে।

যি কোনো ধৰ্মকে সামাজিক, ৰাজনৈতিক, পাৰমাৰ্থিক আৰু তাত্বিক দিশৰ পৰা অধ্যয়ন কৰিব পৰা যায়। প্ৰতীক, ধৰ্মীয় আচাৰ ব্যৱহাৰ উপাসনা পদ্ধতি আদিৰ ক্ষেত্ৰত বিভিন্ন ধৰ্মৰ মাজত বিভিন্নতা দেখা যায় যদিও মানুহৰ খাদ্য পদ্ধতি, পোছাক পৰিচ্ছদ আদিত পৰিলক্ষিত হোৱা বিভিন্নতাও এই বিষয়ত তেনেই নগণ্য নহয়। কোনো এখন দেশৰ কোনো বিশেষ সময়ৰ ঐতিহাসিক, ভৌগোলিক, ৰাজনৈতিক আদিৰ ক্ষেত্ৰত উপৰোক্ত কাৰণ সমূহ যদিও সংযোজিত হৈ থাকে তথাপিও ধৰ্মীয় আচাৰ ব্যৱহাৰ উপাসনা পদ্ধতিতো ইয়াৰ প্ৰভাৱ পৰা দেখা যায়। সেয়ে ধৰ্মীয় আন্দোলনকো ৰাজনীতিৰ কাৰণ বা ফলশ্ৰুতিৰ পৰা পৃথককৈ অধ্যয়ন কৰিব নোৱাৰি। ঠিক যেনেকৈ নীতি শাস্ত্ৰৰ দৃষ্টিভঙ্গীৰে চালে কিছুমান বিশেষ প্ৰভাৱ দেখা যায় যিবোৰে এখন সমাজৰ স্থায়িত্ব বা দৃঢ়তা আৰু মঙ্গলক নিয়ন্ত্ৰণ কৰে। ইয়ে ৰাজহুৱা তথা জনগণৰ মাজত সন্তুষ্টি; শান্তি আদি প্ৰদান কৰে। সেয়ে সমাজত চলি থকা কিছুমান কুসংস্কাৰ আঁতৰাবলৈ আৰু মানুহৰ অন্তঃৰ্নিহিত গুণবোৰক উত্তৰণৰ পৰ্যায়লৈ আনিবলৈ সময়, স্থান, কাল আৰু জাতি ধৰ্ম বৰ্ণ নিৰ্বিশেষে এইবোৰ দিশত গুৰুত্ব আৰোপ কৰা হয়।

দৰ্শন শাস্ত্ৰৰ দৃষ্টিৰ পৰা অত্যন্ত প্ৰয়োজনীয় কথা হ'ল উপাসনাৰ দেৱ আৰু দেৱীৰ ধৰ্ম প্ৰচাৰকসকলে কি ভাবে ৰূপ দিয়ে, মানৱী জীৱনৰ উদ্দেশ্য কি ভাবে তেখেতসকলে নিৰ্ণয় বা স্থিৰ কৰে আৰু মুক্তি বা নিৰ্বাণ যাৰ জৰিয়তে মানৱ আত্মাই এই পৃথিৱীৰ শৃঙ্খলিত অৱস্থাৰ পৰা কি দৰে মুক্তি লাভ কৰিব পাৰে, আদি নানা কথাই এটা ধৰ্মৰ বিশেষ দিশটো সৰ্বসাধাৰণক অৱগত কৰিব পাৰে। শিখ ধৰ্মৰ মূল বিশ্বাসত এই আটাইবোৰ দিশক সাঙুৰি এক গোট কৰা হৈছে যাতে ব্যৱহাৰিক জীৱনত ইয়াৰ কাৰ্যকাৰিতাৰ লগতে এটি শাশ্বত তথা পাৰমাৰ্থিক জীৱনৰ অধিকাৰী হ'ব পৰা যায়। বিশ্বৰ মানৱ কল্যাণ তথা মুক্তিৰ বাণীৰে শিখ ধৰ্ম কণিষ্ঠতম সন্তান হৈয়ো সমগ্ৰ পৃথিৱীতে নিজৰ স্থিতি বজাই ৰাখিব পাৰিছে। শিখ ধৰ্মই নৈতিকতা, সততা, ন্যায় আৰু ভাতৃত্ববোধৰ ওপৰত সদায়ে গুৰুত্ব প্ৰদান কৰি আহিছে। সমগ্ৰ মানৱৰ সেৱা তথা কল্যাণেই ইয়াৰ মুখ্য উদ্দেশ্য।

'শিখ' শব্দৰ অৰ্থ হ'ল শিষ্য। যি গৰাকীয়ে এক পৰমাত্মাত তথা এই ধৰ্মৰ প্ৰৱৰ্তক গুৰু নানক সমেত দহোগৰাকী গুৰুৰ বাণী, শিক্ষা লগতে শিখ সমাজৰ অশৰীৰী বা অবিনাশী গুৰু 'শ্ৰীগুৰু গ্ৰন্থ সাহিব'ত বিশ্বাস তথা আস্থা ৰাখে তেনে গৰাকী ব্যক্তিকে সহজ অৰ্থত 'শিখ' বুলি কোৱা হয়। শিখ এগৰাকী এনে ব্যক্তি যিজনাৰ সাংসাৰিক বিপৰ্যয়ত স্বকীয় অস্তিত্ব হেৰাই নাযায়, যিজন সাংসাৰিক লাহ বিলাসত বা জীৱন প্ৰাচুৰ্যৰ প্ৰতি আকৰ্ষিত নহয়, যিজনে জীৱনৰ দুখ কষ্টক অনুভৱ আৰু হোলাৰঙে সহ্য কৰিব পাৰে, সৰ্বোপৰি যিজনৰ ধ্যান ধাৰণা হয়গৈ 'সত্য'ৰ পিনে প্ৰবাহমান এটি বোৱতী সুঁতি। 'শিখ' শব্দটো আধ্যাত্মিক দিশত অত্যন্ত অৰ্থপূৰ্ণ আৰু মূল্যবান। ইয়ে সৃষ্টিৰ মূলক অনুভৱ কৰাটোকে অকল নুবুজায় লগতে ইয়াৰ বহুমূলীয়া অন্তৰ্নিহিত তত্বকো উপলব্ধি কৰা বুজায় আৰু এনে উচ্চতম স্তৰত উপনীত হোৱা জনেই অনুভৱ কৰে পৰম 'সত্য'ক।

পৃথিৱীৰ সকলোবোৰ ধৰ্মীয় বিশ্বাসৰ কেন্দ্ৰস্থল বা কেন্দ্ৰবিন্দু হৈছে ভগৱান বা পৰমেশ্বৰ। গুৰু নানক প্ৰৱৰ্তিত শিখ ধৰ্মৰ প্ৰধান শিক্ষা একেশ্বৰবাদ, গুৰু নিৰ্ভৰতা আৰু নাম জপ। শিখ ধৰ্মৰ আধাৰভূত ধাৰণা পৰমেশ্বৰ কোনো এখন দেশ বা সমাজৰ নহয়। ঈশ্বৰে মানুহক কেৱল পাপৰ দণ্ড দিবলৈকে সৃষ্টি কৰা নাই। সৃষ্টি কৰিছে সেই পৰমেশ্বৰ বা পৰমসত্যক বিচাৰিবৰ বাবে যাৰ পৰা পৃথক হৈ হে মানৱৰ সৃষ্টি হৈছিল। এই ধৰ্মই জাতিভেদ, মূৰ্তিপূজা, অন্ধবিশ্বাস আদিত বিশ্বাস নকৰে। ই দেৱ-দেৱীৰ অস্তিত্ব অলীক বুলি জ্ঞান কৰে। পৰমেশ্বৰৰ লীলা সাধাৰণ মানুহৰ বোধগম্য নহয়। জীৱ আৰু জড় জগতৰ সকলোকে তেঁৱেই ধাৰণ কৰি আছে। এই সমস্ত তেওঁতেই লীন যাব।

শিখ ধৰ্মত গুৰুৰ শিক্ষা আৰু ব্যক্তিত্বই শিষ্যসকলৰ সমস্ত জীৱন নিয়ন্ত্ৰণ কৰে তথা জীৱনক গঢ় দিয়াৰ বাবে উপযুক্ত ভাবে মাৰ্গ প্ৰদৰ্শন কৰে। গুৰু অবিহনে জ্ঞান সম্পূৰ্ণ নহয়। গুৰুৱে মনেপ্ৰাণে সমস্তই ঈশ্বৰত অৰ্পণ কৰে আৰু প্ৰভুৱে মধুৰ প্ৰেম আৰু ঐশ্বৰিক শক্তি গুৰুৰ জৰিয়তে পৃথিৱীলৈ প্ৰেৰণ কৰে। গুৰু নানকৰ মতে জীৱ ব্ৰহ্মৰ ক্ষুদ্ৰতম অংশ বিশেষ। জীৱই ব্ৰহ্ম নহয়। কিন্তু জীৱ যিহেতু ব্ৰহ্মৰ অংশ বিশেষ সেয়ে জীৱই ব্ৰহ্মৰ কিছুহ'লেও গুণ লাভ কৰে। আত্মাৰ বিনাশ নাই। মানৱ শৰীৰ নিঃশেষ হৈ যায় কিন্তু আত্মা অমৰ। ইয়াৰ পৰিভ্ৰমণৰ অন্ত নাই। মায়া ঈশ্বৰৰে সৃষ্টি ই সদায় জীৱক বিপথে পৰিচালিত কৰে। ঈশ্বৰৰ সান্নিধ্যৰ পৰা আতঁৰাই ৰাখিবৰ বাবে যত্ন কৰে। যেতিয়াই জীৱে মায়াক জয় কৰিব পাৰে তেতিয়াই ই ব্ৰহ্মৰ সান্নিধ্য লাভ কৰি তেওঁত বিলীন হয়। মনক সংযম কৰিব পাৰিলেই পাপৰ পৰা অব্যাহতি পাব পাৰি। গুৰুজনাৰ মতে কৰ্ম সদায় মায়া আৰু অহঙ্কাৰৰ পৰা উৰ্দ্ধত হোৱা উচিত। মায়াযুক্ত কৰ্মৰে ঈশ্বৰৰ কৰুণা লাভ কৰা সম্ভৱ নহয়। সকলো কৰ্ম সদায় ঈশ্বৰৰ প্ৰতিহে নিবিষ্ট হ'ব লাগে। ভাল কৰ্মৰ ফলত স্বৰ্গপ্ৰাপ্তি হয় আৰু বেয়া কামৰ বাবে নৰকগামী হ'ব লগাত পৰে। ঈশ্বৰৰ সৈতে মনক স্থিতি কৰি তেওঁৰ ইচ্ছা বা আজ্ঞাবহ হৈ ভক্তি ভাবে চলিবলৈ গুৰুসকলৰ অনুগ্ৰহ বা দৰ্শনৰ জৰিয়তে আত্মজ্ঞান তথা বিবেকৰ সৎ-জ্ঞানৰ বিকাশ ঘটাব পাৰি। গুৰু হৈছে নিৰ্বাণ লাভৰ নাওঁ স্বৰ্গাৰোহনৰ জখলা—মানুহ আৰু ঈশ্বৰক একাত্মা

কৰোঁতা।

গুৰু নানকৰ এই ধৰ্ম হৈছে গৃহস্থীৰ ধৰ্ম। 'গৃহতে থাকিয়া দেখিলো তযু চৰণ।' গৃহস্থী হৈ ভগৱৎ প্ৰাপ্তিৰ পথ কেনেকৈ পাব পাৰি সেয়া গুৰুজনাৰ প্ৰৱৰ্তিত ধৰ্মত বিধান আছে। গুৰুৱে 'বৰ্ণ' আৰু 'আশ্ৰম'ক সমূলি অগ্ৰাহ্য কৰিছে। তেৰাৰ মতে জন্মতে কোনো ডাঙৰ বা সৰু হৈ নাহে এই প্ৰভেদ মানুহৰ সৃষ্টি। কৰ্মকৰা আৰু পৰিশ্ৰমী হোৱাই গুৰুৰ দৰ্শনৰ নীতি। যি পথে ঈশ্বৰৰ সমীপলৈ নিনিয়ে তেনে পথ পৰিত্যাগ কৰা উচিত। মানৱ সমাজৰ পালন কৰিব লগা গুণ সমূহ হৈছে— সত্যৰ পথত চৰণ বুলোৱা, পৱিত্ৰতা, ভয়হীনতা, দানশীলতা, কৃপাগুণ, মধুৰতা, ভক্তি, প্ৰেম, মধুৰ বক্তব্য সন্তুষ্টি আদি। শিখ দৰ্শনত নিৰাশাবাদৰ স্থান নাই। ই উৎসাহ আৰু আনন্দৰ পথ।

গুৰু নানকে পাঁচ প্ৰকাৰৰ আধ্যাত্মিক তথা আত্মিক বিকাশৰ কথা উল্লেখ কৰিছে। সেয়া হৈছে ধৰ্মখণ্ড (কৰ্তব্যপন্থ), জ্ঞানখণ্ড, শ্ৰমখণ্ড, কৰ্মখণ্ড আৰু সত্য খণ্ড। উপৰোক্ত পঞ্চমাৰ্গৰে আত্মাই মুক্তি লাভ কৰি জন্ম মৃত্যুৰ বহু ভেদ কৰি ঈশ্বৰ প্ৰাপ্তি লাভ কৰিব পাৰে। গুৰুজনাৰ ধৰ্মীয় ব্যৱস্থাত সেই সময়ৰ হিন্দু অথবা ইছলাম ধৰ্মৰ কঠোৰ আচাৰ নীতিৰ প্ৰচলন নাই। এক বৰ্ণ বিভেদ বৰ্জিত সমভাৱ সম্পন্ন মুক্ত তথা সহজ, সৰল প্ৰাৰ্থনাৰহে তেৰাই পৃষ্ঠপোষকতা কৰিছিল। গুৰুজনাই ঈশ্বৰৰ নাম স্মৰণৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। মনক সংযম কৰি চিত্ত শুদ্ধ কৰি একান্ত প্ৰাৰ্থনাৰ জৰিয়তে ঈশ্বৰৰ কৰুণা লাভ কৰিব পাৰি। তেৰাই সকলো প্ৰকাৰৰ পূজা পাৰ্বণ, উচৰ্গা, তথা কথিত আচাৰ পদ্ধতিক অস্বীকাৰ কৰিছিল। তেৰাৰ মতে এই সৃষ্টিৰ গৰাকী একমাত্ৰ ঈশ্বৰহে, তেনেস্থলত ইয়াত আন কোনো ব্যক্তি সত্বা নাথাকে। সেয়ে এই জগতত একমাত্ৰ ঈশ্বৰ আৰু তেওঁৰ ইচ্ছাইহে সত্য। সত্যই ঈশ্বৰ। বাকী সকলো মায়া। ঈশ্বৰ প্ৰেমেই প্ৰকৃত প্ৰেম। মানৱ সেৱাৰ জৰিয়তেহে এই স্বৰ্গীয় প্ৰেমৰ অনুভূতি লাভ কৰিব পাৰি। 'মই' আৰু 'মোক' পৰিত্যাগ কৰিহে প্ৰকৃত সেৱা কৰিব লাগিব আৰু সেই সেৱাৰে ভগৱানৰ দয়া বা অনুকম্পা লাভ কৰি বিমল আনন্দ প্ৰাপ্তি হয়। প্ৰাৰ্থনাই অন্তৰত বিশ্বাস জন্মায় আৰু অন্তৰৰ পৰা অজ্ঞানতা আঁতৰ কৰাত সহায়ক হয়। প্ৰাৰ্থনাই আত্মাক পৰমাত্মাৰ লগত মিলিত হোৱাত বৰঙণি যোগায়। শিখসকলে 'শ্ৰীগুৰু গ্ৰন্থ সাহিব'ৰ বাণী শ্ৰৱণৰ লগতে চৰ্চা কৰে আৰু সংগীতৰ ৰাগৰ লহৰেৰে প্ৰাৰ্থনা জনায়।

গুৰু নানকে শিখ অৰ্থাৎ তেৰাৰ অনুগামী শিষ্যসৱক কঠোৰ নৈতিকতা পালনৰ ওপৰত গুৰুত্ব দিছিল। প্ৰত্যেকগৰাকী শিখকে এজন আদৰ্শ পুৰুষ আৰু দেশপ্ৰেমী হ'বলৈ আহ্বান জনাইছিল। লগতে মানৱ সেৱাত আত্মনিয়োগ কৰাৰ ওপৰত গুৰুত্ব দিছিল। সজ চিন্তা, সজ কৰ্ম, আৰু মধুৰ বচনৰ অধিকাৰী হৈ প্ৰকৃত ব্যক্তি হিচাপে চিহ্নিত হ'ব লাগে।

গুৰু নানকৰ দৰ্শনে শিখধৰ্মক এটি অন্যতম শ্ৰেষ্ঠ ধৰ্ম হিচাপে পৰিগণিত হ'বলৈ সক্ষম কৰাইছে। ভাৰতবৰ্ষৰ সমাজ ব্যৱস্থাৰ কেৰোণ সমূহ আঁতৰ কৰি এক জাতি ভেদ বিহীন, অন্ধ সংস্কাৰ মুক্ত গতিশীল বৈজ্ঞানিক আৰু আধুনিক যুক্তিবাদী সমাজ এখনৰ গঢ় দিয়াই আছিল গুৰুজনাৰ সমাজ দৰ্শনৰ উদ্দেশ্য। জাতি-ভেদ প্ৰথা নাশ কৰি প্ৰেম আৰু আত্মীয়তাৰে সমাজ সুদৃঢ় কৰাৰ ক্ষেত্ৰত বিশেষ জোৰ দিছিল। সমাজত কোনো উচ্চ-নীচ নহয়। প্ৰত্যেক গৰাকী ব্যক্তিয়ে কঠোৰ শ্ৰমেৰে উপাৰ্জ্জন কৰা, দুখীয়া নিচলাক সহায় কৰা, নাৰীক সন্মান আৰু ৰক্ষা কৰাৰ লগতে স্বাভিমান আৰু দেশৰ স্বাধীনতা ৰক্ষা কৰিবলৈ প্ৰাণ পৰ্যন্ত আহুতি দিবলৈ প্ৰস্তুত থাকিব লাগিব। নাৰী পুৰুষৰ সম অধিকাৰৰ উপৰিও দেশৰ ভৱিষ্যত যে নাৰীৰ উন্নতিৰ ওপৰতে নিৰ্ভৰ কৰে সেই কথা গুৰুজনাই সঁকিয়াই দিছিল। সেই সময়ত প্ৰচলিত সতীদাহ প্ৰথাৰ ঘোৰ বিৰোধিতা কৰিছিল। শিখ সমাজত নাৰীৰ বিশেষ ভূমিকা আছে। নাৰীয়ে সমাজ তথা পৰিয়াললৈ আগবঢ়োৱা সেৱাক শ্ৰদ্ধাৰে চোৱা হয়। আধ্যাত্মিক বিকাশৰ সাধনাত পুৰুষৰ দৰে নাৰীৰো সম অধিকাৰ আছে। নাৰীয়ে 'সংগত'ত (ধৰ্ম সবাহ) ভেদ ৰহিত ভাৱে উপস্থিত থাকি গুৰুদ্বাৰত সেৱা, কীৰ্ত্তন, আলোচনা, গ্ৰন্থসাহিব পাঠ আদি সকলো কৰিব পাৰে। শিখ নাৰীয়ে পৰ্দ্দা নলয়। তেওঁলোকে সকলো ধৰ্ম কাৰ্য সঞ্চালন কৰিব পাৰে। বিধবাৰ পুনৰ বিবাহৰ বিধান আছে।

গুৰুৱে তেৰাৰ শিষ্যসকলক শাৰীৰিক আৰু মানসিক দুয়োটা ফালৰ পৰা পৱিত্ৰ আৰু চাফ-চিকুণ হৈ জীৱন নিৰ্বাহ কৰিবলৈ উপদেশ প্ৰদান কৰিছিল। বিশুদ্ধ পানীত স্নান কৰি দেহটো চাফ-

*... শিখ সমাজত নাৰীৰ বিশেষ ভূমিকা আছে। নাৰীয়ে সমাজ তথা পৰিয়াললৈ আগবঢ়োৱা সেৱাক শ্ৰদ্ধাৰে চোৱা হয়। আধ্যাত্মিক বিকাশৰ সাধনাত পুৰুষৰ দৰে নাৰীৰো সম অধিকাৰ আছে। নাৰীয়ে 'সংগত'ত (ধৰ্ম সবাহ) ভেদ ৰহিত ভাৱে উপস্থিত থাকি গুৰুদ্বাৰত সেৱা, কীৰ্ত্তন, আলোচনা, গ্ৰন্থসাহিব পাঠ আদি সকলো কৰিব পাৰে। শিখ নাৰীয়ে পৰ্দ্দা নলয় ...*

চিকুণ কৰি ঈশ্বৰৰ নাম জপ কৰি, সত্য পথত শ্ৰমৰ পৰা উপাৰ্জিত ধনৰ এক দশমাংশ গুৰুদ্বাৰ বা গুৰু গৃহ বা সমাজৰ জন হিতকৰ কাৰ্যৰ বাবে দান কৰিবলৈ উপদেশ দিছিল। গুৰুৰ শিষ্যসকলক সৎকৰ্মী কঠোৰ পৰিশ্ৰমী, লালসা বিহীন লগতে অইনৰ প্ৰতি ঈৰ্ষাহীন হ'বলৈ পৰামৰ্শ দিছিল।

শিখসকলৰ প্ৰাৰ্থনা গৃহক 'গুৰুদ্বাৰ' বুলি কোৱা হয়। শিখ এজনে যি কোনো স্থানত যিকোনো সময়ত তেওঁ পৰমেশ্বৰৰ প্ৰাৰ্থনা কৰিব পাৰে। গুৰুদ্বাৰ নিৰ্মাণ হয় সমাজৰ নিমিত্তে। ইয়াত ধৰ্মীয় সবাহ সমূহ পালন কৰাৰ লগতে সামাজিক সমস্যা সমূহ আঁতৰ কৰিবলৈ আলোচনা কৰা, সমূহীয়াভাবে ধৰ্মীয় কীৰ্ত্তন শ্ৰৱণ কৰা, প্ৰাৰ্থনা কৰাৰ উপৰিও ভক্ত সকলে ৰান্ধি পৰিৱেশন কৰা খাদ্য একেলগে বহি জাতি বৰ্ণ, ধৰ্ম, ভাষা তথা সামাজিক সন্মানৰ কোনো বিভেদ নাৰাখি একেলগে আহাৰ গ্ৰহণ কৰে। ইয়াকেই 'পংগত' বা 'গুৰুকা-লংগৰ' বোলা হয়। বহু শতাব্দী ধৰি চলি অহা জাতি ভেদ প্ৰথা এনে দৰে ভংগ কৰা হৈছিল। লংগৰ সেৱা, মমতা, ভাতৃত্ব তথা আত্মীয়তাৰ প্ৰতীক হৈ উঠিছিল। গুৰু গ্ৰন্থ সাহিবৰ সন্মুখত উপৰিষ্ট হৈ ধৰ্মীয় আলোচনা, শবদ কীৰ্ত্তন কৰা ভক্তসকলক লৈয়ে গঠিত হয় 'সংগত'। গুৰুদ্বাৰত শিখসকলৰ শ্ৰেষ্ঠতম ধৰ্মগ্ৰন্থ 'শ্ৰীগুৰু গ্ৰন্থ সাহিব' থাপনাত প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ বাহিৰে আন কোনো গ্ৰন্থ ৰখা নহয়। 'শ্ৰীগুৰু গ্ৰন্থ সাহিব' পঞ্চম গৰাকী শিখ গুৰু, গুৰু অৰজন দেৱে সংকলন কৰিছিল। তেৰাই শিষ্য সবক 'অমৃতসৰৰ হৰি মন্দিৰ' (বৰ্ত্তমানে স্বৰ্ণ মন্দিৰ নামে খ্যাত) নিৰ্মাণ কৰি দেশৰ ভক্তবৃন্দলৈ উৎসৰ্গিত কৰাৰ পিছত এখনি একত্ৰিত ধৰ্ম গ্ৰন্থ উপহাৰ দিবলৈ মানস কৰিলে। এই উদ্দেশ্যে প্ৰথমে তেৰাই পূৰ্ববৰ্ত্তী চাৰি গৰাকী গুৰু অৰ্থাৎ গুৰু নানক, গুৰু অংগদ, গুৰু অমৰ দাস আৰু গুৰু ৰামদাসৰ পদ সমূহ সংগ্ৰহ কৰিলে আৰু সেয়া সংকলন কৰি নিজে ৰচনা কৰা স্তুতি পদ সমূহো তাত সংযোজন কৰিলে। ইয়াৰ পিছত গুৰুজনাই হিন্দু আৰু ইছলাম দুয়ো ধৰ্মৰে বহু বিদগ্ধ সাধু, সন্ত, পীৰ, কাজীক আমন্ত্ৰণ জনালে। এই ধৰ্মত তেখেত সকলৰ বিশ্বাস আৰু আদৰ্শৰ বাণী অন্তৰ্ভূক্ত কৰিবলৈ বাণী সমূহৰ ব্যাখ্যা কৰিবলৈ অনুৰোধ জনালে। গুৰু অৰজনদেৱে তেখেত সকলৰ পদবোৰ অতি মনোযোগেৰে শ্ৰৱণ কৰি গুৰু নানকৰ ধৰ্ম, শিক্ষা, আদৰ্শ আৰু দৰ্শনৰ সৈতে মিল থকা পদ সমূহ এই গ্ৰন্থত সন্নিৱিষ্ট কৰিলে। ঈশ্বৰৰ গুণ কীৰ্ত্তন, স্মৰণ, সত্যক অগ্ৰাধিকাৰ দিয়াৰ লগতে অন্ধবিশ্বাস, কু-সংস্কাৰ, বৰ্ণ বৈষম্য আদিক প্ৰকাশ্যভাবে নিন্দা কৰাই পদবোৰৰ বিষয়বস্তু আছিল। যিসকলে ঈশ্বৰৰ একত্ব আৰু মানৱ ভাতৃত্বত বিশ্বাস ৰাখে সেইসকল দৈৱিক সাধুৰ বাণীহে ইয়াত অন্তৰ্ভূক্ত কৰা হৈছিল। এয়াই আছিল 'শ্ৰীগুৰু গ্ৰন্থ সাহিব'ৰ প্ৰথম সংকলন আৰু এই সংকলনটোক 'আদিগ্ৰন্থ' বুলি কোৱা হৈছিল। শিখধৰ্মৰ মূল তত্ত্বৰ ওপৰত ভিত্তি কৰি একে ভাবাদৰ্শৰ কবীৰ, ৰবিদাস, জয়দেৱ, বাবা ফৰীদ, বাবা মৰ্দ্দনাকে সমন্বিত ছয়ত্ৰিশ গৰাকী দৈৱিক গ্ৰন্থকাৰৰ বাণী সন্নিৱিষ্ট কৰা হৈছিল। ইয়াৰ ভিতৰত মাত্ৰ ছয়গৰাকীহে শিখগুৰু, সতাইশ গৰাকী বিভিন্ন জাতি পাতৰ হিন্দু আৰু তিনি গৰাকী মুছলমান গ্ৰন্থকাৰৰ বাণী। 'শ্ৰীগুৰু গ্ৰন্থ সাহিব'ত মুঠ ৩৩৮৪টা স্তুতি পদ বা ১৫৫৭৫টা পদ্যৰ চৰণ বা শ্লোক আছে। ছপা আখৰত ১৪৩০ পৃষ্ঠাৰ এই মহাগ্ৰন্থ মুঠ ৩৩টা অধ্যায়ৰ সমষ্টি। ইয়াৰ ভিতৰত ৩১টা অধ্যায় পৰিৱেশন বা নামকৰণ কৰা হৈছে ভাৰতবৰ্ষৰ প্ৰখ্যাত ৰাগ সমূহৰ নামেৰে। বিভিন্ন ধৰ্ম আৰু কৰ্মত সাধনাৰত ভাৰত ভূমিৰ ভিন ভিন প্ৰান্তৰ মনীষীসকলৰ বাণী একত্ৰিত কৰি একেখন মঞ্চৰ পৰা এক ভগৱানৰ পিতৃত্ব আৰু মানৱ প্ৰাণৰ ভাতৃত্বৰ উদাত্ত আহ্বান জনোৱা এই মহান গ্ৰন্থই ভাৰতৰ সংহতিৰ সেঁতু ৰচনা কৰাৰ লগতে শিখ ধৰ্মক জাত-পাতৰ উৰ্দ্ধত সংস্থাপিত কৰাত বহু পৰিমানে সফল হৈছিল।

'শ্ৰীগুৰু গ্ৰন্থ সাহিব'ক শিখসকলৰ চিৰস্থায়ী গুৰু-ৰূপে অভিহিত কৰি গৈছে শিখসকলৰ দশমজনা গুৰু। গুৰু গোৱিন্দ সিং দেৱে ইং ১৭০৫ চনত যেতিয়া তালবন্দি চাবোত জিৰণি লৈছিল তেতিয়া তেৰাই গুৰু টেগবাহাদুৰৰ বাণীসমূহ এই 'আদিগ্ৰন্থ'ত সন্নিৱিষ্ট কৰে। ইং ১৭০৮ চনত গুৰুজনা মহাৰাষ্ট্ৰৰ প্ৰদেশৰ নন্দেড়লৈ যোৱাৰ সময়ত এই আদিগ্ৰন্থৰ প্ৰতিলিপি এটি লগত লৈ গৈছিল আৰু এই 'আদিগ্ৰন্থ'কে শিখসকলৰ শাশ্বত গুৰু ৰূপে অভিষিক্ত কৰাৰ পিছত 'শ্ৰীগুৰু গ্ৰন্থ সাহিব' নামেৰে প্ৰসিদ্ধি লাভ কৰে। গুৰু গোৱিন্দ সিং মহাৰাজে যেতিয়া অনুভৱ কৰিছিল যে তেৰাৰ পাৰ্থিব প্ৰবাসৰ কাল চমু চাপি আহিছে তেৰাৰ শিষ্য সবক এই কথা অবগত কৰিছিল। ভৱিষ্যতে কোন গুৰু হ'ব সেই সম্বন্ধে শিষ্যসবে তেৰাক সুধিছিল। গুৰুৱে তেতিয়া পূৰ্বতে গুৰু অভিষিক্ত কৰাৰ প্ৰথাৰে পাঁচটা পইচা আৰু নাৰিকল এটি এই ধৰ্মগ্ৰন্থৰ সন্মুখত ৰাখি শিৰ দোৱাই কৈছিল 'আমাৰ পিছতে শিখসকলৰ কোনো কায়িক গুৰু নাথাকিব। এই 'শ্ৰীগুৰু গ্ৰন্থ সাহিব'ই শিখসকলৰ চিৰস্থায়ী গুৰু হ'ব। আমাক গুৰু জ্ঞান কৰা প্ৰত্যেকজনেই যেন এই গ্ৰন্থক গুৰু বুলি মানি ইয়াৰ বাণীসমূহ আখৰে আখৰে পালন কৰে।' সেয়ে 'শ্ৰীগুৰু গ্ৰন্থ সাহিব'ক শিখসকলৰ অশৰীৰী বা অবিনাশী গুৰুৰূপে শিখ সমাজে মানি লৈ এই মহান গ্ৰন্থৰ প্ৰতি ভক্তি শ্ৰদ্ধা প্ৰদৰ্শন কৰি আহিছে। 'আদিগ্ৰন্থ'ক ইং ১৬০৪ চনৰ ১৬ আগষ্ট সোমবাৰে প্ৰথমবাৰৰ বাবে অমৃতসৰৰ হৰি মন্দিৰত থাপিত কৰা হৈছিল।

প্ৰত্যেক গৰাকী শিখৰ বাবে অমৃত-পান (শিখধৰ্ম ধাৰণ সংস্কাৰ) অপৰিহাৰ্য। ইয়াৰ বাবে বয়সৰ কোনো সীমা নিৰ্দ্ধাৰিত কৰা নাই। ইয়াত এগৰাকী শিখে পণ কৰে যে ধৰ্মৰ মৰ্যাদা অনুসৰি জীৱন অতিবাহিত কৰিব। যিকোনো জাতি, বৰ্ণ, দেশ বা সমাজৰ পুৰুষ

অথবা মহিলাই গুৰুসকলে দেখুওৱা ধৰ্মীয় মাৰ্গ অনুসৰণ কৰাৰ ইচ্ছা থাকিলে তেওঁ অমৃত পান কৰাৰ অধিকাৰ লাভ কৰে। দশম গুৰু গোৱিন্দ সিংদেৱে ১৬৯৯ চনৰ পহিলা বহাগত এটি অভিনৱ অনুষ্ঠানৰ জৰিয়তে 'খালসা' (পৱিত্ৰ বা সদাচাৰী) পন্থ স্থাপন বা সৃষ্টি কৰি ইয়াৰ সকলো সদস্যৰ বাবে অমৃত পান আৰু 'পঞ্চক' ধাৰণ কৰা বাধ্যতামূলক কৰিছে। 'পঞ্চক' কোৱা হয় এই কাৰণেই যে প্ৰত্যেকটো প্ৰতীক বা চিহ্নৰ নামৰ আদি আখৰ গুৰুমুখী ভাষাৰ 'ক'ৰে আৰম্ভ হয়। সেয়া হ'ল (১) কেশ (২) কংগা (চিৰণি) (৩) কচচ (অধঃ পৰিচ্ছদ) (৪) কড়া (লোৰ খাৰু বা বালা) আৰু (৫) কৃপাণ (তৰোৱাল)। অমৃত তৈয়াৰ কৰিবৰ বাবে গুৰুজনাই এটি লোৰ পাত্ৰত কিছু নিৰ্মল পানী লৈছিল আৰু সেয়া 'খাণ্ডা' (দুমুখীয়া তৰোৱাল)ৰে লৰাইছিল আৰু স্তোত্ৰ পাঠ কৰিছিল। এই পাঠ কৰা স্তোত্ৰসমূহ আছিল 'জপজী' 'জপ' 'দহ সৱৰ্যা' 'চোপাই' আৰু 'আনন্দ সাহিব'। গুৰুৱে পানী লৰাই পাঠ কৰি থাকোতে গুৰু পত্নী মাতা সাহিব দেৱানে কিছু বাতাচা আনি পাত্ৰটোত ঢালি দিলে। তেতিয়া গুৰুজনাই ব্যক্ত কৰিলে স্ত্ৰীসকলৰ পৰম সৌভাগ্য যে তেওঁলোকেও এই মহান কাৰ্যৰ সফলতাত অৰিহণা যোগালে। দয়া, মমতা আৰু নম্ৰতাৰ অবিহনে এই বীৰ পন্থটো নিশ্চয় অসম্পূৰ্ণ হৈ থাকিলহেঁতেন। বাতাচাৰ মিঠা সোৱাদৰ নিচিনা এই পন্থটোৰ ব্যক্তিসকলৰ অন্তৰো দয়া, মমতাৰে ভৰপূৰ হৈ থাকিব। ইয়াৰ দ্বাৰা এইটো বুজোৱা হ'ল যে এই অমৃত ধাৰী ব্যক্তি সকল লৌহ ব্যক্তি হোৱাৰ লগতে মিষ্টি ভাষী, মৰমীয়াল আৰু বলবিদও হ'ব। অমৃত প্ৰস্তুত কৰি প্ৰথমে তেৰাৰ আহ্বানত জীৱন আহুতি দিবলৈ অহা লাহোৰৰ ক্ষত্ৰিয় দয়াৰাম, দিল্লীৰ কৃষক ধৰমদাস, দ্বাৰকাৰ ধুবী মোহকামচাঁদ, বিদাৰৰ নাপিত চাঁহিব চাঁদ, আৰু জগন্নাথ পুৰীৰ কমাৰ হিম্মৎ ৰায়ক অমৃত পান কৰায়। এই অমৃত পান কৰা পাঁচ গৰাকীয়ে প্ৰাদেশিক বিভিন্নতা জাতিগত অসমানতাৰ উৰ্দ্ধত স্থিতি লৈ নতুন মানৱতাৰ সমতল ভূমিত খোজ পেলাই দয়া সিং, ধৰম সিং, মোহকাম সিং, চাহিব সিং আৰু হিম্মৎ সিঙলৈ ৰূপান্তৰিত হ'ল—পাঁচপ্যাৰা অৰ্থাৎ পঞ্চপ্ৰিয় বুলি। দয়া, ধৰম, শক্তি, সাহস আৰু মৰ্যাদাৰ অপূৰ্ব্ব সমাহাৰ হৈ জিলিকি উঠিল গুৰুজনাৰ দ্বাৰা স্থাপিত এই নতুন 'খালসা' পন্থত। এইদৰেই সৃষ্ট হ'ল এদল সাধু সৈনিকৰ এই প্ৰক্ৰিয়াৰ পৰা গুৰু গোৱিন্দ নিজেও ভিন্ন হৈ নাথাকিল। 'পাঁচ প্যাৰাৰ' পৰা অমৃত গ্ৰহণ কৰি গোৱিন্দ সিঙলৈ ৰূপান্তৰিত হ'ল আৰু স্বয়ং গুৰু আৰু চেলাৰ দৃষ্টান্ত দাঙি ধৰিলে। এনেদৰেই সৃষ্ট হ'ল 'খালসা' পন্থৰ সাধু-সৈনিকৰ।

শিখসকলৰ পাঁচখন অতিশয় গুৰুত্বপূৰ্ণ মহাপীঠ আছে যাক 'তখট' বোলা হয়। এই 'তখট' হৈছে অমৃতসৰৰ অকাল তখট, পাটনাৰ হৰিমন্দিৰ সাহিব, পঞ্জাবৰ আনন্দপুৰৰ কেশগড় সাহিব, পঞ্জাবৰ ভাতিণ্ডাৰ তালবন্দি চাবোৰ দমদমা সাহিব আৰু মহাৰাষ্ট্ৰৰ নন্দেড়ৰ সচ খণ্ড শ্ৰীহুজুৰ সাহিব। এই মহাপীঠ সমূহত শিখ সমাজৰ মহান গুৰুসকলৰ অৰ্থে ভক্তি অৰ্ঘ নিৱেদন কৰাৰ লগতে সমাজৰ কল্যাণ তথা হিত সাধন, কাৰ্য্যাৱলী আৰু বিভিন্ন সমস্যা আদিৰ সমাধানৰ বাবেও বিভিন্ন আঁচনি গ্ৰহণ কৰা হয়।

জন্ম নামকৰণ, অমৃত পান, আনন্দ কৰাজ (বিবাহ) আৰু মৃতক সংস্কাৰেই হ'ল শিখসমাজৰ অনিবাৰ্য সংস্কাৰ। এই সংস্কাৰ সমূহৰ ভিতৰত অমৃত পানেই মহত্বপূৰ্ণ বুলি ধৰা হয়। এই সংস্কাৰবোৰৰ লগত কোনো বিশেষ ৰীতিৰ সম্পৰ্ক নাই।

শিখধৰ্মৰ প্ৰৱৰ্তক গুৰু নানকৰ উপৰিও আৰু ন-গৰাকী গুৰুৱে এই ধৰ্মৰ ভেটি সুদৃঢ় কৰিছিল—তেৰাসকল হ'ল ক্ৰমান্বয়ে গুৰু অংগদ, গুৰু অমৰ দাস, গুৰু ৰামদাস, গুৰু অৰজন দেৱ, গুৰু হৰগোৱিন্দ, গুৰু হৰিৰায়, গুৰু হৰিকৃষণ, গুৰু টেগবাহাদুৰ আৰু গুৰু গোৱিন্দ সিং। ●

# অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰণত বাতৰি কাকতৰ ভূমিকা ঃ এটি বিশ্লেষণ




**অমৃত কুমাৰ উপাধ্যায়**
**প্ৰাক্তন ছাত্ৰ**

**অৱতৰণিকা ঃ**

অসমীয়া ভাষা সাহিত্যৰ প্ৰচাৰ, প্ৰসাৰ, জনপ্ৰিয়কৰণ তথা সমৃদ্ধি সাধনত আৰম্ভণিৰে পৰা অসমীয়া বাতৰি কাকতসমূহে শক্তিশালী ভূমিকা গ্ৰহণ কৰি আহিছে। বৰ্তমান যুগত বাতৰি কাকতসমূহৰ প্ৰচলন বৃদ্ধি পাইছে আৰু সেইমতে পাঠকৰ সংখ্যাও দ্ৰুত গতিত বাঢ়ি আহিব ধৰিছে। মুষ্টিমেয় এচাম লোকৰ বাবে ভাষা-সাহিত্যৰ পদ্ধতিগত সাধনা সম্ভৱ হ'লেও অধিকাংশ লোকৰ বাবে অসমীয়া ভাষা শিক্ষা আৰু চৰ্চাৰ প্ৰাথমিক মাধ্যম হ'ল বাতৰি কাকত। বাতৰি কাকতত প্ৰকাশিত খবৰ আৰু আন আন শিতানসমূহৰ নিয়মিত অধ্যয়নৰ জৰিয়তে সাধাৰণ পাঠকৰ স্বাভাৱিকভাৱেই ভাষা চৰ্চা হৈ যায়। আনহাতে নতুনকৈ অসমীয়া ভাষা শিকিবলৈ লোৱা অনা-অসমীয়া লোকসকলেও বাতৰি কাকতকে প্ৰাথমিক মাধ্যম হিচাপে লোৱা দেখা যায়। অসমীয়া ভাষালৈ বিভিন্ন ধৰণৰ প্ৰত্যাহ্বান নামি অহাৰ সময়তে অসমীয়া বাতৰি কাকতসমূহে অসমীয়া ভাষাৰ পঠন-পাঠনৰ অভ্যাস বৃদ্ধিৰ লগতে অসমীয়া ভাষাক ঠেক গণ্ডীমুক্ত কৰি বহল পৰিসৰলৈ লৈ যোৱাত যি ভূমিকা লৈছে সেয়া অত্যন্ত গুৰুত্বপূৰ্ণ। এনে কাৰণতে সংবাদ মাধ্যমৰ ভাষা এক উল্লেখযোগ্য বিষয় হিচাপে বিবেচিত হৈ আহিছে। বৰ্ত্তমান প্ৰবন্ধটোত অসমীয়া বাতৰি কাকতৰ ভাষাৰ স্বৰূপ, অসমীয়া ভাষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু জনপ্ৰিয়কৰণত কাকতসমূহৰ ভূমিকা আদি দিশসমূহ চালি জাৰি চাবলৈ যত্ন কৰি অসমীয়া বাতৰি কাকতৰ ভাষাগত দিশসমূহৰ ওপৰতো আলোকপাত কৰিবলৈ চেষ্টা কৰা হ'ল।

**ঐতিহাসিক অৱলোকন ঃ**

ঐতিহাসিক দৃষ্টিকোণৰ পৰা লক্ষ্য কৰিলে দেখা যায় যে অসমীয়া ভাষাক প্ৰকৃতাৰ্থত আধুনিক ৰূপ প্ৰদান কৰাৰ মূলতেই হ'ল সংবাদ পত্ৰ। ঊনবিংশ শতিকাৰ চতুৰ্থ দশকত জন্ম লাভ কৰা প্ৰথম অসমীয়া সংবাদ পত্ৰ 'অৰুনোদই'য়ে এই ক্ষেত্ৰত শক্তিশালী ভূমিকা গ্ৰহণ কৰিছিল। 'অৰুনোদই' কাকতখনেই প্ৰথমতে অসমীয়া ভাষা-সাহিত্যত আধুনিক যুগৰ সূচনা কৰে। অসমীয়া জাতীয় জীৱনলৈ বাৰে বৰণীয়া বৰঙণি আগবঢ়াই থৈ যোৱা অৰুণোদয়ৰ এটা গুৰুত্বপূৰ্ণ দিশ হ'ল ইয়াৰ গদ্যশৈলী, যিয়ে পৰৱৰ্তী অসমীয়া গদ্যক ব্যাপকৰূপত প্ৰভাৱান্বিত কৰিছে। শিৱসাগৰৰ কথিত ভাষাকেই মিছনেৰীসকলে সাহিত্যসৃষ্টি আৰু ধৰ্মপ্ৰচাৰৰ মাধ্যমৰূপে ব্যৱহাৰ কৰিছিল। এই প্ৰসংগত বাণীকান্ত কাকতিয়ে কৈছে ঃ

> Thus the traditions of the Ahom court, supported by the mission press established the language of eastern Assam as the literary language of the entire province.[১]

অৰুণোদয়ে অসমীয়া ভাষাক এক পৰিপক্কতা প্ৰদান কৰিলে। এই ভাষাটোক তেওঁলোকে আধুনিক ভাৱপ্ৰকাশৰ মাধ্যম কৰি তুলিলে। মহেশ্বৰ নেওগৰ ভাষাত ক'বলৈ গ'লে —

> ব্যপ্তিষ্টসকলে অসমীয়া ব্যাকৰণ, অভিধান, পঢ়াশালীয়া, পুথি, জ্ঞান-বিজ্ঞানৰ পুথি লিখি আৰু প্ৰকাশ কৰি আলোচনী তথা খবৰ কাগজৰ উৎকৃষ্ট নিদৰ্শন অৰুনোদই ত্ৰিশবছৰ কালৰ অধিক চলাই পঢ়াশালি-আদালতত অসমীয়া ভাষাৰ হেৰুৱা ঠাই পুনৰুদ্ধাৰৰ যুঁজত প্ৰথম আৰু শক্তিশালী যুঁজাৰু হৈ, অসমীয়া লেখকক নতুন অসমীয়া ভাষা লিখাত কলম ধৰাই, অসমীয়া শব্দাৱলীত ইংৰাজী সম্ভাৰ আৰু অসমীয়া বাক্যৰীতিত ইংৰাজী প্ৰভাৱ সুমুৱাই অসমীয়া ভাষাক মৃত সঞ্জীৱনীৰে নতুন জীৱন দিলে। আধুনিক সাহিত্য সৃষ্টিৰ বাবে অসমীয়া ভাষাৰ পথাৰত প্ৰথম নাঙল চোঁচৰালে আৰু আটাইতকৈ ডাঙৰ, অসমীয়া মানুহক আত্মপ্ৰত্যয় শিকালে।[২]

উল্লিখিত কথাৰ পৰাই অনুধাৱন কৰিব পাৰি যে অৰুণোদয়ৰ যোগেদিয়ে অসমীয়া ভাষাৰ আধুনিকমুখী জয়যাত্ৰা আৰম্ভ হৈছিল। কাকতখনৰ যোগেদিয়েই অসমীয়া ভাষা তথা গদ্যই ন ন ধাৰণা তথা জটিল ভাব প্ৰকাশৰ উপায় হিচাপে গঢ় লাভ কৰিলে। এনেদৰে অৰুণোদয় কাকতে অসমীয়া ভাষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু জনপ্ৰিয়কৰণত অভূতপূৰ্ব অৰিহণা আগবঢ়ালে। ইয়াৰ ভেটিতেই পৰৱৰ্তী সংবাদ পত্ৰসমূহে অসমীয়া ভাষাৰ বিকাশ আৰু সমৃদ্ধি সাধনৰ প্ৰচেষ্টা অব্যাহত ৰাখে।

ঊনবিংশ শতিকাৰ শেষৰফালে আন এক যুগান্তকাৰী বাৰ্তালোচনী 'জোনাকী' প্ৰকাশ হৈছিল। ইয়াৰ মূল উদ্দেশ্য আছিল অসমীয়া ভাষা-সাহিত্যৰ সৰ্বাংগীণ বিকাশ সাধন। ১৮৮৯ চনত প্ৰকাশ পোৱা জোনাকীৰ গুৰিতেই আছিল অসমীয়া ভাষা উন্নতি সাধিনী সভা। এই সভাৰ মূল উদ্দেশ্যসমূহ আছিল—

১। পুৰণি পুথি সংগ্ৰহ আৰু প্ৰকাশ।
২। অসমৰ সকলো শিক্ষানুষ্ঠানত অসমীয়া ভাষাৰ প্ৰচলন।
৩। অশুদ্ধ ব্যাকৰণ আৰু বৰ্ণবিন্যাসৰ ঠাইত শুদ্ধ ব্যাকৰণ আৰু বৰ্ণবিন্যাসৰ প্ৰচলন।
৪। সংস্কৃত বা আন ভাষাৰপৰা ভাল ভাল পুথিৰ অনুবাদকৰণ।
৫। অসমৰ সামাজিক আৰু ধাৰ্মিক ৰীতি-নীতিৰ বৃত্তান্ত সংগ্ৰহ আৰু বুৰঞ্জী প্ৰণয়ন।
৬। সাহিত্যৰ পাঠ্যপুথিৰ অভাৱ দূৰীকৰণ আদি।

তাৎপৰ্যপূৰ্ণভাৱে এই উদ্দেশ্যসমূহৰ কাৰ্যৰূপায়ণৰ বাবেই জোনাকীৰ প্ৰকাশ কৰা হৈছিল। গতিকে স্বাভাৱিকতে কাকতখনে অসমীয়া ভাষা-সাহিত্যৰ প্ৰকাশ আৰু সমৃদ্ধিসাধনৰ বাবে সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিছিল। লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী, পদ্মনাথ গোহাঞিবৰুৱা, সত্যনাথ বৰা, কনকলাল বৰুৱা আদি কাকতখনৰ গুৰিয়ালসকলো অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি তথা জাতীয় জীৱনৰ অগ্ৰণী ব্যক্তি আছিল।

১৯০৯ চনত লক্ষ্মীনাথ বেজবৰুৱাৰ সম্পাদনাত প্ৰকাশিত 'বাঁহী' কাকতখনেও অসমীয়া ভাষা সহিত্যৰ বিকাশত বহু অৰিহণা যোগাইছে। সাহিত্যৰথী বেজবৰুৱাই বাঁহীৰ যোগেদিয়েই স্বদেশ আৰু স্বজাতিৰ উন্নতি আৰু মংগল মন্দিৰৰ সিংহদুৱাৰ মাতৃভাষা বুলি যি মহামন্ত্ৰেৰে অসমীয়া জাতিক উদ্বুদ্ধ কৰিলে তাৰ তুলনা নাই।[৩] পদ্মনাথ গোহাঞি বৰুৱাৰ সম্পাদনাত প্ৰকাশিত 'ঊষা' আলোচনীতো আন আন দিশৰ লগতো ভাষা-সহিত্যৰ আলোচনাই গুৰুত্ব পাইছিল। ১৯২৯ চনত নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ পৃষ্ঠপোষকতাত আৰু দীনানাথ শৰ্মাৰ সম্পাদনাত প্ৰকাশিত 'আৱাহন' কাকতৰ গুৰিতে আছিল ভাষিক জাতীয় চেতনা। ১৯৫১ চনত প্ৰকাশিত 'ৰামধেনু' কাকতখনেও অসমীয়া ভাষা সাহিত্যক উচ্চ মৰ্যাদা প্ৰদান কৰিলে। এইবোৰৰ উপৰি অৰুণোদয়ৰ পিছৰ পৰা ৰামধেনুলৈকে বহুকেইখন সৰু বৰ কাকত-আলোচনীৰ জন্ম হৈছিল। ইয়াৰ অধিকাংশ কাকত-আলোচনীয়ে প্ৰত্যক্ষ বা পৰোক্ষভাৱে অসমীয়া ভাষা-সাহিত্যৰ প্ৰচাৰ, প্ৰসাৰ, সমৃদ্ধিসাধন তথা জনপ্ৰিয়কৰণত সহায় কৰিছে।

গতিকে ঐতিহাসিক প্ৰেক্ষাপটৰ পৰা বিশ্লেষণ কৰিলে দেখা যায় অসমীয়া ভাষাৰ প্ৰচাৰ প্ৰসাৰত বাতৰি কাকতৰ ভূমিকা গ্ৰন্থতকৈ অধিক। অসমীয়া সাহিত্যৰ যুগসমূহ একো একোখন কাকত-আলোচনীৰ আধাৰত গঢ় লৈ উঠিছে। উদাহৰণ স্বৰূপে জোনাকী যুগ, আৱাহন যুগ, ৰামধেনু যুগ আদিৰ কথা ক'ব পাৰি। অসমীয়া ভাষা সাহিত্য তথা জাতীয় জীৱনত এই কাকত আলোচনীৰ প্ৰভাৱ কিমান শক্তিশালী আছিল হোমেন বৰগোহাঞিৰ এষাৰ কথাৰ পৰা উমান পাব পাৰি— '১৯৫১ চনত বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ সম্পাদনাত ৰামধেনু প্ৰকাশ হোৱাৰ লগে লগে অসমীয়া সাহিত্যৰ যুদ্ধোত্তৰ যুগৰ দ্বিতীয় আৰু আটাইতকৈ ফলবান দশকটো আৰম্ভ হ'ল। আধুনিক অসমীয়া সাহিত্যত ৰামধেনুৰ গুৰুত্ব ইমান বেছি যে 'জোনাকী' যুগ আৰু 'আৱাহন' যুগৰ দৰে এই যুগটোও 'ৰামধেনু যুগ' নামেৰে অভিহিত হ'বৰ যোগ্য।[৪]

এইখিনিতে উল্লেখ কৰিব পাৰি যে, জন হ'হেনবাৰ্গে 'প্ৰফেছনেল জাৰ্ণেলিষ্ট' নামৰ গ্ৰন্থত ঊনবিংশ শতিকাটো ঔপন্যাসিকৰ যুগ আৰু বিংশ শতিকাটো সাংবাদিকতাৰ যুগ বুলি অভিহিত কৰিছে। এনেধৰণৰ মন্তব্যৰ আধাৰত অসমীয়া ভাষা সাহিত্য আৰু অসমৰ সাংবাদিকতা সম্পৰ্কত আলোচনা কৰিব পাৰি। যোৱা কেইটামান দশকৰ ভিতৰত অসমীয়া ভাষাত বহুকেইখন বাতৰি কাকত প্ৰকাশ পাইছে। এনেদৰে দৈনিক কাকতৰ সংখ্যা বৃদ্ধিৰ লগে লগে ৰাজ্যখনৰ চুকে কোণে অনেক ঠাইৰ পৰা সংবাদ প্ৰেৰণ কৰা লোকৰ সংখ্যাও বাঢ়িছে। ইফালে একান্তভাৱে সাহিত্য সৃষ্টিত ব্ৰতী হোৱা লোকৰ সংখ্যা ক্ৰমশঃ হ্ৰাস পাই আহিছে। এই সময়ছোৱাত অসমৰ বিশিষ্ট সাহিত্যিকসকলেও বাতৰি কাকত, আলোচনী আদিৰ সম্পাদনাৰ দায়িত্ব লোৱা পৰিলক্ষিত হয়।[৫]

**বৰ্তমান প্ৰেক্ষাপটত ইয়াৰ বিশ্লেষণ ঃ**

বৰ্তমান যুগত বাতৰি কাকতৰ ভূমিকা যথেষ্ট বৃদ্ধি পাইছে। ফলস্বৰূপে অসমীয়া ভাষাৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰতো কাকতসমূহৰ ভূমিকা বাঢ়ি আহিছে। উচ্চ শিক্ষিত মানুহৰ পৰা ন্যূনতম শিক্ষিত লোকলৈকে সকলোৱে বাতৰি কাকতৰ যোগেদিয়েই সংবাদ আহৰণৰ লগে লগে পঠন-পাঠনৰ অভ্যাসো গঢ়ি তোলে। ইফালে দিনে দিনে বাতৰি কাকতৰ সংখ্যা বৃদ্ধিৰ লগে লগে কাকতসমূহৰ মাজত প্ৰতিযোগিতামূলক মানোভাবো গা-কৰি উঠিছে। কাকতসমূহে পাঠকক আকৰ্ষণ কৰিবলৈ নিতৌ নতুন শিতান প্ৰকাশ কৰিছে। পুৰুষ, মহিলা, শিশু, বৃদ্ধ, নিবনুৱা, ছাত্ৰ-ছাত্ৰী, সাহিত্য প্ৰেমী আদি সকলোধৰণৰ পাঠকৰ ৰুচিবোধৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকে শিতানবোৰ প্ৰকাশ কৰিছে। এই ব্যৱস্থাই কাকতসমূহৰ জনপ্ৰিয়কৰণত বহু অৰিহণা আগবঢ়াইছে। তদুপৰি কাকতসমূহে পাঠকৰ ৰুচিৰ পৰিতৃপ্তি সাধনৰ লগতে স্বাভাৱিকভাৱেই পাঠকৰ পঠন-পাঠনৰ অভ্যাস বৃদ্ধি কৰিছে। আনহাতে এই শিতানসমূহে শিশু, যুৱক-যুৱতী আদি সকলোকে অধ্যয়নৰ লগতে ভাষা-সাহিত্য চৰ্চাৰ বাবে উদ্বুদ্ধ কৰি তুলিছে। আমাৰ অসম কাকতৰ 'নতুন পুৰুষ' শিতান দৈনিক প্ৰতিদিনত প্ৰকাশিত হোৱা 'জোনাকী মেল' আদি ইয়াৰ উদাহৰণ।

বৰ্তমান অসমৰ বাতৰি কাকতসমূহে সংবাদ পৰিৱেশনৰ লগতে সাহিত্য সৃষ্টিতো প্ৰভূত অৰিহণা আগবঢ়াই আহিছে। প্ৰায় প্ৰত্যেকখন অসমীয়া কাকতে অন্ততঃ সপ্তাহত এবাৰ হ'লেও সাহিত্য পৃষ্ঠা প্ৰকাশ কৰে। এই সাহিত্য শিতান সমূহত চুটি গল্প, কবিতা, প্ৰবন্ধ, সমালোচনা তথা আন আন সাহিত্যমূলক ৰচনা প্ৰকাশ হয়। 'অসমীয়া খবৰ' কাকতে ধাৰাবাহিকভাৱে উপন্যাস প্ৰকাশ কৰি সংবাদ সাহিত্যক আন এক মাত্ৰা প্ৰদান কৰিছে। বৰ্তমান প্ৰচলিত অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি, দৈনিক বাতৰি, খবৰ, নিয়মীয়া বাৰ্তা, জনসাধাৰণ, দৈনিক অসম, সাদিন, আজিৰ অসম, প্ৰতিবেদন আদি প্ৰত্যেকখন কাকততে নিয়মীয়াকৈ সাহিত্য পৃষ্ঠা প্ৰকাশ হৈ আহিছে। এই সাহিত্য শিতানসমূহে নতুন নতুন লেখক সৃষ্টিত অভূতপূৰ্ব অহিৰণা আগবঢ়াই আহিছে। তাৎপৰ্যপূৰ্ণভাৱে অসমৰ অধিকাংশ লেখক-লেখিকাৰ সাহিত্য চৰ্চাৰ আৰম্ভণি বাতৰি কাকতসমূহৰ জৰিয়তেই হৈছিল। এই কাকতসমূহে বিশেষকৈ নতুন প্ৰজন্মৰ লেখক লেখিকাসকলক সাহিত্য চৰ্চাৰ উৰ্বৰ ক্ষেত্ৰ তৈয়াৰ কৰি দিয়াৰ লগতে লাখ লাখ পাঠকৰ ওচৰত পৰিচয় কৰাই দিয়ে। ইয়াৰ ফলত স্বাভাৱিকতে ভাষা-সাহিত্যৰ চৰ্চা তথা পঠন-পাঠনৰ অভ্যাস আগতকৈ বৃদ্ধি পাইছে।

বাতৰি কাকতৰ ভাষা তুলনামূলকভাৱে সহজ হোৱাৰ বাবে অসমীয়া ভাষা কমকৈ চৰ্চা কৰা খিলঞ্জীয়া মানুহ আৰু অনা-অসমীয়া মানুহেও খবৰ আহৰণ তথা অন্যান্য কাৰণত অসমীয়া বাতৰি কাকত পঢ়ে। অসমৰ কেইবাটাও খিলঞ্জীয়া ভাষাগোষ্ঠীৰ মাজত অসমীয়া ভাষাৰ ব্যৱহাৰ কমি আহিছে। আনকি বহু ক্ষেত্ৰত জনগোষ্ঠীয়ে বসবাস কৰা অঞ্চলসমূহৰ বিদ্যালয়সমূহত শিক্ষাৰ মাধ্যম আৰু লিপি এতিয়া অসমীয়াৰ পৰিৱৰ্তে অন্য লিপি আৰু মাধ্যমহে ব্যৱহৃত হৈছে। কিন্তু নানা ব্যৱহাৰিক কাৰণত তেওঁলোকে অসমীয়া ভাষাক বিসৰ্জন দিব পৰা নাই, ভৱিষ্যতলৈও নোৱাৰে। অসমৰ দুটা অন্যতম বৃহত্তম জনগোষ্ঠী চাপৰিবাসী মুছলমান আৰু চাহ শ্ৰমিক গোষ্ঠীৰ এক বৃহৎসংখ্যক লোকে নিয়মীয়াকৈ অসমীয়া বাতৰি কাকত পঢ়ে।[৬] অসমত বসবাস কৰা বহুকেইটা জাতি-জনগোষ্ঠীৰ ক্ষেত্ৰত এই কথাটো প্ৰযোজ্য। তেওঁলোকৰ মাজৰ মুষ্টিমেয় এচামে সচেতনভাৱে ভাষা-সাহিত্যৰ চৰ্চা কৰিলেও সৰহসংখ্যকৰ ক্ষেত্ৰত ই এটা স্বভাৱসিদ্ধ চৰ্চাহে। সেয়ে এই সৰহসংখ্যক মানুহৰ বাবে বাতৰি কাকত এক গুৰুত্বপূৰ্ণ অৱলম্বন।

অৰ্থনৈতিক স্বাধীকাৰ তথা জাতীয় অস্তিত্ব ৰক্ষাৰ কাৰণে অসমীয়া জাতিয়ে সময়ে সময়ে আন্দোলন কৰি আহিবলগীয়া হৈছে। ঠিক তেনেদৰে ভাষাৰ বাবেও ৰাজ্যভাষা আন্দোলন (১৯৬০), মাধ্যম আন্দোলন (১৯৭২) আদিৰ দৰে আন্দোলন কৰি আহিবলগীয়া হৈছে। গতিকে অসমীয়া ভাষাক অসমৰ চৰকাৰী ভাষা কৰিবলৈ যাওঁতে যথেষ্ট ত্যাগ স্বীকাৰ কৰিবলগীয়া হৈছে। এটা সময়ত অসমীয়া ভাষাটো অসমৰ

চৰকাৰী ভাষা আৰু শিক্ষাৰ মাধ্যমৰূপে স্বীকৃত হ'ল যদিও বাস্তৱ ক্ষেত্ৰত ই বিশেষ ফলপ্ৰসূ নহ'ল। সাম্প্ৰতিক অসমৰ অধিকাংশ অনুষ্ঠান-প্ৰতিষ্ঠানৰ নাম ফলক আদিত অসমীয়া ভাষাৰ সিমান ব্যৱহাৰ দেখা নাযায়। আনকি অসমৰ জাতীয় অনুষ্ঠান অসম সাহিত্য সভা, সদৌ অসম ছাত্ৰ সন্থা আদিয়েও এই ক্ষেত্ৰত সবল আৰু ফলপ্ৰসু কাৰ্য ব্যৱস্থা হাতত লোৱা দেখা নাযায়। এনে এক প্ৰেক্ষাপটত অসমীয়া বাতৰি কাকতসমূহে যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। প্ৰায়েই বাতৰি কাকতসমূহে ৰাজ্যভাষা আইনৰ সঠিক ৰূপায়ন সন্দৰ্ভত বাতৰি পৰিৱেশন কৰি আহিছে। তদুপৰি ৰাজ্যভাষাৰ প্ৰতি চৰকাৰ তথা আন আন সংগঠনৰ আওকণীয়া মনোভাৱ প্ৰকাশ কৰাৰ সময়তে অসমৰ লাখ লাখ মানুহৰ মাজত বাতৰি কাকত পঢ়াৰ অভ্যাস গঢ়ি তোলাটোও এক গুৰুত্বপূৰ্ণ কথা।

বৰ্তমান উন্নত তথ্য-প্ৰযুক্তিৰ বিকাশৰ যুগত ভাষাৰ ব্যৱহাৰৰ কাৰিকৰী দিশটোৱে যথেষ্ট গুৰুত্ব লাভ কৰিছে। কাৰণ ভাষাটো সমৃদ্ধিশালী হ'লেও কাৰিকৰী দিশত উন্নত আৰু ব্যৱহাৰ যোগ্য নহ'লে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। বিশেষকৈ ডি টি পি, লে-আউট, ইণ্টাৰনেটত ভাষাটোৰ ব্যৱহাৰ, ইংৰাজী তথা আন আন অনা-অসমীয়া শব্দৰ অসমীয়া লিপ্যন্তৰ আদি দিশত উন্নত তথা আধুনিকতম কাৰিকৰী কৌশল ব্যৱহাৰ নকৰিলে ভাষাটোক উচ্চ পৰ্যায়লৈ নিয়াটো সম্ভৱ নহয়। এই ক্ষেত্ৰত অসমীয়া বাতৰি কাকতসমূহে ভাষা প্ৰয়োগৰ ক্ষেত্ৰত আধুনিকতম কাৰিকৰী কৌশল প্ৰয়োগ কৰি ইয়াক অধিক ব্যৱহাৰযোগ্য কৰি তুলিছে। বিশেষকৈ কাকতসমূহৰ ইণ্টাৰনেট সংস্কৰণৰ ফলত বিশ্বৰ যিকোনো প্ৰান্তত পঢ়িব পৰাৰ সুবিধা হৈছে। অসম তথা ভাৰতৰ বাহিৰত থকা প্ৰবাসী অসমীয়াসকলে ইণ্টাৰনেট সংস্কৰণৰ যোগেদিয়ে অসমীয়া ভাষাৰ বাতৰি কাকত পঢ়াৰ সুবিধা লাভ কৰিছে। ফলত পৃথিৱীৰ বিভিন্ন ঠাইত অসমৰ পৰা এক প্ৰকাৰ বিচ্ছিন্ন হৈ থকা অসমীয়াসকলে বাতৰি কাকত অধ্যয়নৰ জৰিয়তে হ'লেও ভাষা চৰ্চাৰ তথা পঠন-পাঠনৰ সুযোগ পাইছে। তদুপৰি নিত্য নতুন প্ৰযুক্তি বিদ্যাৰ ব্যৱহাৰৰ ফলত কম সময়ত অধিক কাকত ছপাব পৰা হ'ল। এই কাকতসমূহ চহৰতে আবদ্ধ নাথাকি গ্ৰামাঞ্চলো গৈ পোৱাৰ ব্যৱস্থা হ'ল। ইয়াৰ ফলত ক্ৰমশঃ নগৰ-চহৰ-গাঁও সকলোতে বাতৰি কাকতৰ ভাষা এক নিৰ্দিষ্ট মানৰ (standard) ভাষা হিচাপে স্বীকৃত হৈছে। অৱশ্যে এই ক্ষেত্ৰত কাকতসমূহৰো কিছু দায়বদ্ধতাৰ প্ৰয়োজন আছে। লাখ লাখ মানুহে বাতৰি কাকত অধ্যয়ন কৰাৰ বাবে ভাষাৰ শুচিতাৰ ওপৰত লক্ষ্য ৰখাটো বাঞ্চনীয়। অন্যহাতে ই ভাষা শিক্ষণৰ ক্ষেত্ৰত বিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে।

**উপসংহাৰ ঃ**

বৰ্তমান যুগ অত্যন্ত জটিল আৰু ঘটনাবহুল। দৈনন্দিন সমাজ জীৱনত ঘটা অসংখ্য ঘটনা গ্ৰন্থৰ জৰিয়তে প্ৰকাশ কৰা সম্ভৱ নহয়। তদুপৰি আধুনিক মানুহৰ সময়ৰ নাটনিয়েও মানুহক পূৰ্বৰ তুলনাত গ্ৰন্থ অধ্যয়নৰ পৰা বিৰত ৰাখিছে। ইয়াৰ বিপৰীতে বাতৰি কাকতৰ জনপ্ৰিয়তা বাঢ়িছে। সচৰাচৰ গ্ৰন্থ অধ্যয়ন নকৰা মানুহেও বাতৰি কাকত অধ্যয়ন কৰা দেখা যায়। সেয়ে খবৰ সংগ্ৰহ তথা আন আন দিশৰ লগতে ভাষা শিক্ষণৰ ক্ষেত্ৰত বাতৰি কাকতসমূহে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। তদুপৰি বিচ্ছিন্ন হ'ব ধৰা অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত এতিয়াও অসমীয়া বাতৰি কাকতৰ ব্যাপক প্ৰচলন আছে। মুঠতে অসমত প্ৰচলিত ত্ৰিশখনতকৈ অধিক বাতৰি কাকতে অসমৰ প্ৰতিটো প্ৰান্তত পাঠক, সংবাদসেৱী, লেখক আদিৰ সৃষ্টিত অভূতপূৰ্ব অৰিহণা যোগাইছে। এনেদৰেই বাতৰি কাকতসমূহে অসমীয়া ভাষাৰ প্ৰচাৰ, প্ৰসাৰ, সমৃদ্ধিসাধন তথা জনপ্ৰিয়কৰণত ব্যাপক অৱদান আগবঢ়াই আহিছে।

● ● ●

**পাদটীকা ঃ**

১। Banikanta Kakati, Assamese: *Its Formation and Development*, 1987, p-17

২। মহেশ্বৰ নেওগ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* পৃ- ২২৬

৩। সংবাদিকতা আৰু অসমৰ ছহিদ সাংবাদিক, পৃ- ৫০

৪। অসমীয়া বাতৰি কাকত-আলোচনীৰ ডেৰশবছৰীয়া ইতিহাস, পৃ- ৫৬৯

৫। অসমীয়া বাতৰি কাকত-আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস, পৃ- ৫৬৯

৬। সাংবাদিকতা আৰু অসমৰ ছহিদ সাংবাদিক, পৃ- ২৪-২৫

**গ্ৰন্থপঞ্জী ঃ**

১। গগৈ, টুনুজ্যোতি; মৰাণ, বিকাশ ঃ *সাংবাদিকতা আৰু অসমৰ ছহিদ সাংবাদিক,* পৃথিৱী প্ৰকাশন, গুৱাহাটী, ২০০৯।

২। নেওগ, মহেশ্বৰঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* বাণী মন্দিৰ, ডিব্ৰুগড়, ১৯৮৬।

৩। শইকীয়া, চন্দ্ৰপ্ৰসাদ (সম্পা.) ঃ *অসমৰ বাতৰি কাকত আলোচনীৰ ডেৰশ বছৰীয়া ইতিহাস,* অসমৰ বাতৰিকাকতৰ ডেৰশবছৰীয়া জয়ন্তী উদ্‌যাপন সমিতি গুৱাহাটী, ১৯৯৮।

৪। শইকীয়া, অৰূপজ্যোতি ঃ অ*ৰুনোদই, সংকলিত আৰু পুনঃসম্পাদিত,* ক্ৰান্তিকাল প্ৰকাশন, নগাঁও, ২০০২।

৫। শৰ্মা, সত্যেন্দ্ৰ নাথ ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* সৌমাৰ প্ৰকাশ, গুৱাহাটী, ২০১১।



# ‘জীৱনৰ বাটত’ উপন্যাসত নাৰী জীৱনৰ চিত্ৰ
## *এক সামগ্ৰিক বিশ্লেষণ*

ডলিতা কলিতা
প্ৰাক্তন ছাত্ৰী

**অৱতৰণিকা ঃ**

চুটিগল্পৰ দৰে অসমীয়া সাহিত্যত উপন্যাসো পাশ্চাত্য সাহিত্যৰ ফল। আধুনিক যুগৰ সৃষ্টিশীল ৰচনাসমূহৰ ভিতৰত উপন্যাস অন্যতম। অসমীয়া উপন্যাস সাহিত্যক চল্লিশৰ দশকত বিৰিঞ্চি কুমাৰ বৰুৱাই বীণা বৰুৱা ছদ্মনামেৰে লিখা ‘জীৱনৰ বাটত’ নামৰ উপন্যাসখনে এক বিশেষ মহত্ব প্ৰদান কৰিলে। ‘জীৱনৰ বাটত’ উপন্যাসে বৰ্ণনাশৈলীকে ধৰি কাহিনী বিন্যাস, ভাৱবস্তু আদি সকলো দিশতে এক পূৰ্ণতাৰ স্বাক্ষৰ দাঙি ধৰিলে। সেয়েহে জীৱনৰ বাটত উপন্যাসখনক আধুনিক অসমীয়া সাহিত্যৰ কেন্দ্ৰীয় মূল্যধাৰা বুলি ক’ব পাৰি। এই উপন্যাসখনক পুৰুষ শাসিত সমাজত নাৰীৰ ওপৰত চলা নিৰ্যাতনৰ এক বাস্তৱ আৰু মৰ্মস্পৰ্শী চিত্ৰ বুলি অভিহিত কৰা হয়। পুৰুষৰ শাস্তি সমাজৰ নিৰ্মমতাক নাৰীয়ে মানি ল’ব নোৱাৰিলেও ইয়াৰ প্ৰতিবাদমুখৰো হ’ব পৰা নাই। উপন্যাসত নাৰীয়ে বিনা প্ৰতিবাদে সকলো অত্যাচাৰ মূৰ পাতি গ্ৰহণ কৰিছে। বিশ-ত্ৰিশ দশকৰ উপন্যাস ‘ৰহদৈ লিগিৰি’, ‘সাধনা’, ‘বিদ্ৰোহিনী’ (উপন্যাসিকা) আদিত নাৰী মংগল, নাৰী মুক্তিৰ যি চেতনা প্ৰকাশ হৈছিল, সেই চেতনা চল্লিশৰ দশকৰ ‘জীৱনৰ বাটত’ উপন্যাসত আমি স্তিমিত হৈ পৰা দেখিবলৈ পাওঁ।

**ঔপন্যাসিকৰ পৰিচয় ঃ**

বিৰিঞ্চি কুমাৰ বৰুৱাৰ জন্ম হৈছিল ১৯০৮ চনৰ ১৬ অক্টোবৰ তাৰিখে নগাঁৱৰ পুৰণি গুদামত। তেওঁৰ পিতৃ বিজয় ৰাম বৰুৱা আৰু মাতৃ লীলাৱতী বৰুৱা। বিৰিঞ্চি কুমাৰ বৰুৱাই নগাঁৱত স্কুলীয়া শিক্ষা

সাং কৰি উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যায়। কলিকতাৰ পৰা তেওঁ সুখ্যাতিৰে আই এ পাছ কৰি পালি ভাষাত স্নাতক আৰু স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত তেওঁ কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰাচীন ভাৰতীয় সভ্যতা আৰু সংস্কৃতি অধ্যয়ন কৰিবলৈ লয়। কলিকতা বিশ্ববিদ্যালয়ত আধুনিক ভাৰতীয় ভাষাৰ প্ৰবক্তা হিচাপে নিয়োগ লাভ কৰা বৰুৱাই উক্ত বিশ্ববিদ্যালয়তে ১৯৩৭ চনত পালি ভাষাৰ অংশকালীন প্ৰবক্তা হিচাপে নিযুক্তি লাভ কৰে। ১৯৩৮ চনত তেওঁ কটন কলেজত অধ্যক্ষ হিচাপে নিযুক্তি পায়। পাছত বৰুৱাই গৱেষণাৰ বাবে লণ্ডনলৈ যায়। ১৯৪৮ চনত 'লণ্ডন স্কুল অব্ অৰিয়েণ্টেল এণ্ড আফ্ৰিকান ষ্টাডিজ'ত গৱেষণাৰ বাবে বিৰিঞ্চি কুমাৰ বৰুৱাক লণ্ডন বিশ্ববিদ্যালয়ে ১৯৪৮ চনত ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। পাছত বৰুৱাই গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগত ৰীডাৰৰূপে যোগদান কৰি কিছুদিন পিছতে অধ্যাপকৰূপে যোগদান কৰি মুৰব্বী অধ্যাপক হিচাপেও নিযুক্তি পায়। বিৰিঞ্চি কুমাৰ বৰুৱাই ১৯৫০ চনত বিশ্ববিদ্যালয়ৰ শ্ৰেণীসমূহৰ সচিব হিচাপে নিযুক্ত হয়।

বিৰিঞ্চি কুমাৰ বৰুৱাই অসমীয়া ভাষা, সাহিত্য আৰু সংস্কৃতি সম্পৰ্কে ইংৰাজীত ৰচনা কৰা গ্ৰন্থকেইখন হ'ল— 'A cultural History of Assam (Early Period) Vol-I, 'Assamese Literature', 'Studies in Early Assamese Literature', 'Modern Assamese Literature' 'History of Assamese Literature' 'Sankaradeva, Vaishnava Saint of Assam' আৰু 'Early Geography of Assam'। অসমীয়া ভাষাত ৰচনা কৰা তেওঁৰ গ্ৰন্থসমূহ হ'ল— 'অসমীয়া ভাষা', 'অসমীয়া ভাষা আৰু সংস্কৃতি' 'অসমৰ লোক-সংস্কৃতি', 'বৌদ্ধধৰ্ম আৰু সাহিত্য', 'অসমীয়া কথা সাহিত্য (পুৰণি ভাগ)', 'কাব্য আৰু অভিব্যঞ্জনা', 'চুইজাৰলেণ্ডৰ

*... বীণা বৰুৱা ছদ্মনামেৰেই তেওঁ 'আঘোণীবাই' আৰু 'পট পৰিৱৰ্তন' নামৰ গল্পপুথি দুখন ৰচনা কৰে। বীণা বৰুৱাই ৰচনা কৰা একমাত্ৰ নাটখন হ'ল 'এবেলাৰ নাট'। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে বিৰিঞ্চি কুমাৰ বৰুৱাই ভালেকেইখন পুথি ৰচনা তথা সম্পাদনা কৰি উলিয়াইছিল.....*

ভ্ৰমণ', 'প্ৰফেচাৰ বৰুৱাৰ চিঠি', 'দেশ-বিদেশৰ সাধু'। তেওঁৰ দ্বাৰা সম্পাদিত পুথিসমূহৰ ভিতৰত শঙ্কৰদেৱ, মাধৱদেৱ আৰু গোপালদেৱৰ অঙ্কীয়া নাট্যসমূহৰ সংকলন 'অঙ্কীয়া নাট', 'অৰুনোদই যুগৰ সাহিত্য সম্পৰ্কে সম্পাদিত গ্ৰন্থ 'অৰুনোদইৰ ধলফাঁট', 'বভ্ৰুবাহনৰ যুদ্ধ আৰু তাম্ৰধ্বজৰ যুদ্ধ', 'মনসা কাব্য', 'শ্ৰীৰাম আতা আৰু ৰমানন্দৰ গীত', 'শত্ৰুজয়', 'মধুমালতী', 'অদ্ভুত ৰামায়ণ' আদি উল্লেখযোগ্য। আনহাতে বৰুৱাই ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'চিত্ৰাঙ্গদা' অসমীয়ালৈ একে নামেৰে অনুবাদ কৰে।

বিৰিঞ্চি কুমাৰ বৰুৱাই ছদ্ম নামেৰে দুখন উপন্যাসৰ ৰচনা কৰে। বীণা বৰুৱাৰ নামেৰে 'জীৱনৰ বাটত' আৰু ৰাস্না বৰুৱাৰ নামেৰে 'সেউজী পাতৰ কাহিনী' নামৰ উপন্যাস দুখন অসমীয়া উপন্যাস সাহিত্যলৈ তেওঁৰ যুগজয়ী অৱদান। আনহাতে, বীণা বৰুৱা ছদ্মনামেৰেই তেওঁ 'আঘোণীবাই' আৰু 'পট পৰিৱৰ্তন' নামৰ গল্পপুথি দুখন ৰচনা কৰে। বীণা বৰুৱাই ৰচনা কৰা একমাত্ৰ নাটখন হ'ল 'এবেলাৰ নাট'। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে বিৰিঞ্চি কুমাৰ বৰুৱাই ভালেকেইখন পুথি ৰচনা তথা সম্পাদনা কৰি উলিয়াইছিল।

**'জীৱনৰ বাটত' উপন্যাসৰ কাহিনী ঃ**

'জীৱনৰ বাটত' উপন্যাসৰ কাহিনী আলোচনা কৰিলে দেখা যায় যে ভোগদত্ত মৌজাদাৰৰ বৰজীয়েকৰ বিয়ালৈ বৰপুতেক কৃষ্ণদত্তৰ লগত তেওঁৰ বন্ধু কমলাকান্ত আহে আৰু বিবাহ-বাহৰতেই ঘটনাক্ৰমে তগৰ আৰু কমলাকান্তৰ মাজত প্ৰেমৰ সূত্ৰপাত হয়। বিয়াৰ শেষত বিদায়ৰ এক আৱেগিক মুহূৰ্তত কমলাকান্তই তগৰক আঙঠি পিন্ধাই বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দিয়ে।

কিন্তু ঘটনাই অন্যফালে গতি কৰিলে। কমলাকান্ত হাকিম হোৱাৰ পাছত ব্যক্তিগত স্বাৰ্থ সিদ্ধিৰ বাবেই চহৰত ধনী ঘৰৰ ছোৱালী সুপ্ৰভাৰ লগত তেওঁৰ বিয়া হৈ যায়। আনফালে তগৰে পিতৃৰ আদেশ, মাতৃ বিয়োগ, লোকনিন্দা সকলো মূৰ পাতি লৈ উক্ত অঞ্চলৰ 'উইভিং মাষ্টৰ' ধৰণীৰ লগত বিয়াত বহিবলৈ বাধ্য হ'ল। মাত্ৰ কমলাকান্তৰ পূৰ্বস্মৃতি ৰৈ গ'ল তগৰৰ অন্তৰত।

শাহুৱেকৰ ঘৰলৈ যোৱাৰ পাছত ধৰণীৰ মাতৃ আহিনীয়ে মাতৃৰ কৰ্তৃত্ব হেৰাই যোৱাৰ আশংকাত তগৰৰ প্ৰতি প্ৰতিহিংসাত জ্বলি উঠিল। ৰক্ষণশীল সমাজে তাত ঘিউ ঢালিলে। তগৰৰ ওপৰত নিৰ্যাতনৰ লঘু-লাঞ্চনাৰ সীমা নাইকিয়া হৈ আহিল। কিন্তু সিহঁতৰ সংসাৰখনলৈ তগৰৰ জীয়েক কমলীৰ আৱিৰ্ভাৱে তগৰৰ শাহুৱেকৰ বোৱাৰী নিৰ্যাতনৰ ওৰ পেলালে। ঘটনাক্ৰমে আহিনীৰ মৃত্যু আৰু ধৰণীৰ অসহযোগ আন্দোলনত যোগদানে তগৰৰ জীৱনলৈ দুখ-দাৰিদ্ৰৰ ক'লা ডাৱৰ নমাই আনিলে। ধৰণী জে'ললৈ গ'ল। থানাৰ দাৰোগাৰ দ্বাৰাও তগৰ লাঞ্চিতা হ'ল। শেষত ধৰণীয়ে জে'লৰ পৰা মুক্তি পালে যদিও ক্ষয়ৰোগত আক্ৰান্ত হৈ মৃত্যুৰ ক্ষণ গণি থাকিল। অশেষ চেষ্টা কৰিও গোলাপ

ডাক্তৰে ধৰণীক ৰক্ষা কৰিব নোৱাৰিলে। নিঃশেষ হৈ যাব খোজা মাক-জীয়েকক জীয়াই ৰখাৰ বাবেই গোলাপ ডাক্তৰে তগৰক শিপিনী সংঘৰ কামত নিয়োগ কৰিলে।

সময়ৰ পাকচক্ৰত হাকিম কমলাকান্তৰ ঘৈণীয়েক সুপ্ৰভাৰ লগত সেই ঠাইলৈ আহিল। কমলাকান্তৰ পত্নী সুপ্ৰভাই কাপোৰ ববলৈ ইচ্ছা কৰাত তগৰক মাতি পঠালে। হাকিমৰ ঘৰলৈ আহি তগৰে হাকিমক পিছপিনৰ পৰা দেখি চিনি পালে। তগৰ মূৰ্চ্ছিতা হৈ পৰিল। এখন ভাৰাক্ৰান্ত হৃদয় লৈ তগৰ তাৰ পৰা গুচি আহিল।

ইয়াৰ পিছত কমলাকান্তৰ ঘৰত হোৱা চুৰি সংক্ৰান্ত ঘটনাত আৰক্ষীয়ে তগৰৰ ঘৰ খানতালাচ কৰি কমলাকান্তৰ নাম থকা আঙঠিটো পালে। আৰক্ষীয়ে আঙঠিটো নি কমলাকান্তক দেখুৱালে। আঙঠিটো দেখি দুষ্মন্তই শকুন্তলাৰ পূৰ্বস্মৃতি ঘূৰাই পোৱাৰ দৰে কমলাকান্তৰো সকলো কথা মনত পৰিল। তেওঁ কৰা ভুলৰ বাবে কমলাকান্ত অনুতপ্ত হৈ পৰিল। ইয়াতে 'জীৱনৰ বাটত' উপন্যাসৰ কাহিনীটো শেষ হৈছে।

**'জীৱনৰ বাটত' উপন্যাসৰ নাৰী চৰিত্ৰৰ বিশ্লেষণ ঃ**

উপন্যাসখনৰ মূল নাৰী চৰিত্ৰ তগৰ। ঔপন্যাসিকে তগৰৰ চৰিত্ৰটো এটা সংবেদনশীল, কৰুণ নাৰী চৰিত্ৰ হিচাপে অংকন কৰিছে। সামন্তযুগীয় ধ্যান-ধাৰণাৰ মাজতে ডাঙৰ-দীঘল হোৱা অসমীয়া সমাজৰ একোণত তগৰ চিৰন্তন নাৰী। যৌৱনৰ ৰ'দ-কাচলিত কমলাকান্তৰ প্ৰতি প্ৰথম প্ৰণয় ওপজা তগৰে খুব ভয় খাইছিল যেতিয়া কমলাকান্তই সংগোপনে তগৰৰ আঙুলিত আঙঠি পিন্ধাই দিছিল। কাৰণ অসমীয়া সমাজত ছোৱালীৰ বিয়া-বাৰুৰ ক্ষেত্ৰত বাপেক-মাকৰ সিদ্ধান্তই চৰম সিদ্ধান্ত। ইয়াত ছোৱালীৰ আপত্তি কৰাৰ কোনো প্ৰশ্ন নুঠে। সেয়ে মাক-বাপেকৰ সন্মতি নোলোৱাকৈ কমলাকান্তই তগৰৰ আঙুলিত আঙঠি পিন্ধাই পৰম্পৰাৰ ওপৰত আঘাত কৰাত তগৰ সচকিত হৈ উঠি কমলাকান্তক কৈছে, *'আপুনি মোৰ সৰ্বনাশ কৰিলে কিয়?'* অৰ্থাৎ তগৰে নিজেও ৰক্ষণশীল ধ্যান-ধাৰণাৰ দ্বাৰাই পৰিচালিত। তগৰে ভাবে ইংৰাজী গ্ৰন্থ শাস্ত্ৰ নহয়; আনকি যি শাস্ত্ৰৰ বিধান মতে নাৰীয়ে সমাজত নিজস্ব অধিকাৰ হেৰুৱাই পেলালে সেই শাস্ত্ৰৰ বাক্যসমূহ অলংঘনীয় বুলি তাই সৰলভাৱে মানি লয়। যেতিয়া কমলাকান্তই তগৰক সোধে—

*"'শাস্ত্ৰ জানো তুমি মানা?'*

*'ও আই, শাস্ত্ৰ নামানিম কিয়?' প্ৰশ্ন শুনি তগৰ জিকাৰ খাই উঠে।"*

পৰম্পৰাগত সমাজখনৰ দৃষ্টিতো নাৰী শিক্ষাৰ কোনো মূল্য নাই। কমলাকান্ত আৰু মৌজাদাৰণীয়ে তগৰ সম্পৰ্কে পতা কথাৰ পৰা এইটো স্পষ্ট হৈ উঠিছে—

*"বাপেকে আকৌ ইংৰাজী পঢ়াবলৈ ওলাইছিল, আমিহে হাক দিলো।"*

*গাখীৰৰ বাটিত মুখ দি কমলাকান্তই ক'লে, "জাত যায় বুলি?" এই বিদ্যা অৰ্জাতনো কি জাত যোৱা কথা? পিছে আমাৰ গাঁৱলীয়া ছোৱালীয়ে ইংৰাজী পঢ়ি কি বিদ্যাখন শিকিব? শিকিব লগা জানিব লগা কথা আমাৰ শাস্ত্ৰত নাই জানো?*

*... ছোৱালীক বেছিকৈ পঢ়াই-শুনানো কি লাভ? ঘৰ-গৃহস্থালিৰ কামখিনি পৰিপাটিকৈ শিকি বুলিলেই হ'ল। কি কোৱা, নহয় জানো?"*

পাশ্চাত্য শিক্ষাৰ বিস্তাৰে যে অসমীয়া পৰম্পৰাগত সমাজখনৰ ভেটি চল্লিশৰ দশকতো কঁপাব পৰা নাছিল এই কথাই তাৰ প্ৰমাণ। চহৰৰ মধ্যবিত্ত শ্ৰেণীৰ মাজত স্ত্ৰী শিক্ষাই সমাদৰ লাভ কৰিলেও গাঁৱৰ মহিলাৰ মাজত ইংৰাজী শিক্ষা গ্ৰহণৰ অনিচ্ছা তেতিয়াও আছিল। ঘৰ-গৃহস্থালীৰ কামত পটু হ'ব পাৰিলেই নাৰীৰ শিক্ষা সমাপ্ত হোৱা বুলি অসমীয়া সমাজৰ মাজত পৰম্পৰাগত ধাৰণা ৰৈ আছিল।

অসমীয়া সমাজত নাৰী পুৰুষৰ অবাধ মিলা-মিছা তেতিয়ালৈকে সমৰ্থিত নাছিল। উইভিং মাষ্টৰ ধৰণীয়ে যেতিয়া তগৰক কাপোৰত ফুল বছা শিকাবলৈ তগৰৰ ঘৰলৈ আহিছিল তেতিয়া এজন পুৰুষৰ লগত এজনী অবিবাহিতা নাৰীৰ সম্পৰ্ক দেখি সহ্য কৰিব নোৱাৰি মৌজাদাৰণীয়ে তগৰৰ বাপেক বাপুৰামক কৈছিল এইদৰে—

*"...ছোৱালীক পঢ়ুৱাই-শুনুৱাই [যথা] আপুনি কি কৰাইছে গাঁৱৰ দহজনে দেখি আছে। আপোন বুলি আমিও দেখিও নেদেখা ভাও জুৰি আছোঁ। এদিনলৈকো আপোনাৰ (?) ছোৱালীৰ কথা লৈ উচ্-বাইচ্ কৰা নাই। গাভৰু ছোৱালী থকা ঘৰলৈ ধৰণী মাষ্টৰৰ ঘন ঘন আহ-যাহ কিহৰ? তগৰৰো এতিয়া ডেকা ল'ৰাটোৰ পৰা ফুল তুলিবলৈ শিকিলেহে হয়? এইবোৰ কথা কওঁ কওঁ বুলিয়েই আছিলোঁ। এনেকৈ কিছুদিন চলিলে বাদ-অপবাদৰ ভয়হে আছে। সেয়েহে কৈছোঁ, মানুহে কিবি-বা-বা নৌ লগাওঁতেই ভালে ভালে ছোৱালীজনী উলিয়াই দিয়ক।"*

সাংসাৰিক জীৱনত তগৰ অতিশয় ধৈৰ্যশীলা আৰু সহনশীলা হৈ থাকিব পাৰিছিল। ভাৰতীয় নাৰীৰ এই গুণসমূহ তগৰে সৰুৰে পৰাই আয়ত্ত কৰি ল'ব পাৰিছিল। এদিন দুপৰীয়া বহু সময় ৰ'দত থকা কাৰণে তগৰৰ মূৰ ঘূৰাইছিল। ইতিমধ্যে তেতিয়া তাই অন্তঃসত্বা আছিল। ভিতৰত তগৰ মূৰ ঘূৰাই পৰি থকা কাৰণে গৰুৱে চোতালৰ ধান খালে। সেই কথাত আহিনীয়ে বোৱাৰীয়েকক বহুখিনি বলকিলে। পিছ মুহূৰ্ততে ধৰণী আহি তগৰৰ খবৰখাতি লৈ আলপৈচান ধৰাত আহিনী খঙত উদ্বাউল হৈ পুতেক-বোৱাৰীয়েকক এৰি ওচৰৰ মানুহ এঘৰলৈ গুচি গ'ল। মূৰ ঘূৰণি ভাল হ'লত সুস্থ হৈ তগৰে গিৰীয়েকৰ লগত গৈ আহিনীক হাতে-ভৰিয়ে ধৰি কাবৌ-কোকালি কৰি নিজৰ ঘৰলৈ ঘূৰাই আনিলে। তগৰৰ এনে কাৰ্যত এগৰাকী অসমীয়া আদৰ্শ বোৱাৰীৰ প্ৰতিচ্ছবি জ্ঞান সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে।

তগৰৰ চৰত্ৰটোৰ যোগেদি লেখকে ভাৰতীয় নাৰীৰ ঐতিহ্য আৰু

পৰম্পৰাকে দাঙি ধৰিবলৈ চেষ্টা কৰিছে যেন ধাৰণা হয়। পিতৃৰ ইচ্ছামতেই তেওঁ বিবাহপাশত আৱদ্ধ হৈছে। স্বামীসেৱা আৰু ঘৰখনৰ গৃহিণী হিচাপে নিজৰ দায়িত্ব পালন কৰাৰ মাজতেই তেওঁৰ জীৱনৰ সাৰ্থকতা বিচাৰি পাইছে। কিন্তু মানুহৰ জীৱন বিচিত্ৰৰে ভৰপূৰ। যৌৱনৰ আৰম্ভণিতেই এজন পুৰুষক তেওঁ আকস্মিকভাৱে লগ পাইছিল। সেই পুৰুষৰ মৰম আৰু প্ৰতিশ্ৰুতিত ভোল গৈ সেইজনক তেওঁ স্বামীৰূপে বৰণ কৰি পেলাইছিল গোপনে এটি সেৱাৰে। কিন্তু সেই পুৰুষ তাইৰ জীৱনৰ পৰা আঁতৰে আঁতৰে আঁতৰি গ'ল। মাথোন তাইলৈ এৰি গৈছিল এটি সোণৰ আঙঠি আৰু অলপ সোণোৱালী স্মৃতি। কিন্তু সেই সোণৰ আঙঠিয়েই তাইৰ জীৱনলৈ এদিন ভাবিব নোৱাৰা মিছা কলঙ্ক কঢ়িয়াই আনিছিল। জীৱন এইদৰেই কেতিয়াবা মৰ্ম্মন্তুদ বেদনাৰে ভাৰাক্ৰান্ত হৈ পৰে। অদৃষ্টৰ পৰিহাস গ্ৰহণ কৰি লোৱাৰ বাহিৰে বহু সময়ত মানুহৰ গত্যন্তৰ নাথাকে।

উপন্যাসখনৰ আন এটি গুৰুত্বপূৰ্ণ চৰিত্ৰ হ'ল তগৰৰ শাহুৱেক আহিনীৰ চৰিত্ৰটো। আহিনীৰ চৰিত্ৰটোৰে অসমৰ গ্ৰাম্য জীৱনৰ বাস্তৱ ছবি এখন দাঙি ধৰিছে। গিৰীয়েকৰ মৃত্যুৰ পিছত আহিনীৰ সংসাৰত ধৰণীৰ বাহিৰে আৰু কোনো নাই। উইভিং মাষ্টৰ কৰি ধৰণীয়ে দুই-এপইচা উপাৰ্জন কৰিছে। সেয়া আহিনীৰ কাৰণে যেনেকৈ আনন্দ আৰু গৌৰৱৰ কথা, আহিনীৰ চুবুৰীয়া বহুতৰ কাৰণে আকৌ ঈৰ্ষাৰ কথা। ধৰণীয়ে উজনিৰ আহোমনী এজনী আনিব খুজিছে বুলি যেতিয়া গাঁৱত প্ৰচাৰ হ'ল, তেতিয়া আহিনীৰ মনোকষ্ট হোৱা স্বাভাৱিক। ছোৱালী বিয়া কৰাই থৈ ধৰণী ঘৰলৈ গুচি আহিল। শুনদৰ পুতেক মনোহৰে গাৱঁত ক'লেহি যে তগৰৰ দেউতাক কলিতা মানুহ আৰু অৱস্থাপন্ন মানুহ। তদুপৰি ধৰণীয়ে কাপোৰ আৰু চিকা টকা দি কাক কেনেকৈ সন্তুষ্ট কৰিব লাগে সেই কথা জানিছিল। গতিকে ধৰণী আৰু তগৰৰ বৈবাহিক জীৱনকলৈ গাঁৱৰ মানুহৰ বিৰোধিতা কমিল। উপন্যাসখনত আহিনীৰ চৰিত্ৰটো কাৰ্যতঃ কিছু কঠোৰ হিচাপে ৰূপায়ণ কৰা হৈছে যদিও কমলিৰ জন্ম পাছত চৰিত্ৰটোৱে এক নতুন গতি লাভ কৰিছে। অসমীয়া সমাজৰ পৰম্পৰাগত শাহুৱেকৰ চৰিত্ৰ বহন কৰা আহিনীয়ে কিন্তু মৃত্যুৰ সময়ত সংসাৰৰ সমস্ত দায়িত্ব তগৰৰ হাততে অৰ্পণ কৰি গৈছে। আহিনীৰ এই উদাৰতাই চৰিত্ৰটোক এক উচ্চ পৰ্যায়লৈ তুলি নিছে।

উপন্যাসখনৰ আন এটা আকৰ্ষণীয় নাৰী চৰিত্ৰ হৈছে কমলি। কমলিৰ চৰিত্ৰটোৰ যোগেদি ধৰণী আৰু তগৰৰ জীৱনৰ কাৰুণ্য ফুটাই তোলা হৈছে। কমলিয়ে অসুখীয়া দেউতাকৰ মুখত ধ্ৰুৱৰ সাধু শুনি পিছদিনা হাবিৰ মাজত ঈশ্বৰ আৰাধনা কৰি দেউতাকৰ আৰোগ্য কামনা কৰাৰ প্ৰয়াস হৃদয়স্পৰ্শী। কমলিৰ এই কাৰ্যৰ যোগেদি শিশুমনৰ সৰল বিশ্বাস আৰু ঈশ্বৰৰ প্ৰতি থকা গভীৰ আন্তৰিকতা প্ৰতিফলিত হৈছে। ইফালে স্কুলত সমনীয়াই কমলিক ডাক্তৰৰ ছোৱালী বুলি জোকাই। কথাযাৰৰ গূঢ়াৰ্থ অনুধাৱন কৰিব নোৱাৰিলেও তাই যে ডাক্তৰৰ ছোৱালী নহয় সেই কথা কমলিয়ে দৃঢ়ভাৱে বিশ্বাস কৰে। বুজি নাপালেও শিশুৰ অন্তৰে কিছুমান কথা সঁচা বুলি জানে। এয়া শিশু মনস্তত্ত্বৰে আন এটা দিশ।

উপন্যাসখনত চিত্ৰায়িত আন এটা চৰিত্ৰ হৈছে সুপ্ৰভা। সুপ্ৰভাৰ চৰিত্ৰটো অলপ জটিল ধৰণৰ। আপেক্ষিক অৰ্থত ক'বলৈ হ'লে তগৰৰ এক বিপৰীত বিন্দুত অৱস্থান কৰিছে সুপ্ৰভাৰ চৰিত্ৰটোৱে। আধুনিক সমাজৰ তথাকথিত 'ম'ডাৰ্ণ' নাৰীৰ ভূমিকাত অৱতীৰ্ণ হৈছে সুপ্ৰভাৰ চৰিত্ৰটো। সুপ্ৰভাই কলেজত পঢ়ি থকা সময়ছোৱাত কমলাকান্তৰ পৰীক্ষাৰ ৰিজাল্ট শুনি ভাল পাইছিল যদিও কমলাকান্তৰ প্ৰতি কোনো আগ্ৰহ অনুভৱ কৰা নাছিল, অথচ কমলাকান্তই চাকৰি লাভ কৰাৰ পাছত সুপ্ৰভাই কমলাকান্তৰ সৈতে বিবাহপাশত আৱদ্ধ হৈছে। তথাকথিত আধুনিক সমাজৰ একাংশ ব্যক্তিৰ দৰে অন্তৰ্মুখী স্বভাৱৰ বাবে সুপ্ৰভা সুখী হ'ব নোৱাৰিলে আৰু কমলাকান্তৰ জীৱনো যন্ত্ৰণাময় কৰি তুলিলে।

**সামৰণি ঃ**

অসমীয়া উপন্যাস সাহিত্যৰ মাইলৰ খুঁটি, ইতিপূৰ্বে বহুচৰ্চিত আৰু বহু প্ৰশংসিত ড° বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'জীৱনৰ বাটত' নামৰ উপন্যাসখনত যুদ্ধোত্তৰ যুগৰ অসমীয়া নাৰী সমাজৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। উপন্যাসখনৰ আটাইবোৰ চৰিত্ৰই বাস্তৱানুগ। অজস্ৰ সংঘাতৰ মাজেৰে জীয়ৰী, বোৱাৰী, মাতৃত্ব আৰু বৈধব্যৰ চাৰিটি অধ্যায় প্ৰকট কৰা 'তগৰ' বীণা বৰুৱাৰ অনুপম সৃষ্টি। সমগ্ৰ উপন্যাসখনেই পুৰুষপ্ৰধান সমাজৰ দ্বাৰা নাৰী কেনেদৰে দলিত, লুণ্ঠিত আৰু উপেক্ষিত হৈছে তাৰ এখন নিৰ্মম দলিল। ●

**প্ৰসংগপুথি ঃ**


১। শৰ্মা, গোবিন্দ প্ৰসাদ ঃউপন্যাস আৰু অসমীয়া উপন্যাস, ষ্টুডেণ্ট ষ্ট'ৰ্চ, প্ৰথম প্ৰকাশ, ১৯৯৫

২। নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা চন্দ্ৰ প্ৰকাশ, দশম তাঙৰণ, ২০০৮

৩। শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত অৰুণোদয় প্ৰেছ, নৱম সংস্কৰণ, ২০০৪

৪। বৰগোহাঞি, হোমেন (সম্পা.) ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জী আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, প্ৰথম প্ৰকাশ, ১৯৯৩

৫। ঠাকুৰ, নগেন (সম্পা.) ঃ এশ বছৰৰ অসমীয়া উপন্যাস, জ্যোতি প্ৰকাশন, নৱেম্বৰ, ২০০০

৬। বৰুৱা, হেম ঃ অসমীয়া সাহিত্য নেচেনেল বুক ট্ৰাষ্ট, ১৯৭০

# অসমীয়া সাহিত্য-সংস্কৃতিলৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান

চেতনা বৰ্মন
একাদশ শ্ৰেণী
কলা শাখা



**আৰম্ভণি ঃ**

যেতিয়াই ধৰাত ধৰ্মৰ গ্লানি হয়, অধৰ্মৰ প্ৰাদুৰ্ভাৱ বাঢ়ে তেতিয়া সাধুসকলৰ পৰিত্ৰাণ আৰু দুষ্কৃতিকাৰীসকলৰ বিনাশ সাধন কৰি ধৰ্ম সংস্থাপন কৰিবলৈ যুগে যুগে ভগৱানে অৱতাৰ ধৰে।

যদা যদা হি ধৰ্মস্য গ্লানিৰ্ভৱতি ভাৰত।
অভ্যুত্থানমধৰ্মস্য তদাত্মানাং সৃজাম্যহম্।।

(শ্ৰীমদ্ভাগৱতগীতা, ৪/৭)

গীতাত ভগৱান শ্ৰীকৃষ্ণই কোৱা এইষাৰ বাণী। যিদৰে ধৰ্ম জগতৰ চিৰন্তন সত্য বুলি মানি লোৱা হৈছে, সেইদৰেই ই ইতিহাসতো সত্য। অধৰ্মই মানুহৰ চকু অন্ধ কৰি তুলিছিল। দেৱ-দেৱতাৰ সন্তুষ্টিৰ বাবে মানুহৰ জীৱ-জন্তু বলি দিয়া এটা ৰীতি আছিল। কোনো ঠাইত মানুহে দেৱ দেৱতাৰ সন্তুষ্টি অৰ্থাৎ নিজৰ মঙ্গলৰ বাবে মানুহো বলি দিছিল। আহোম যুগত আহোম ৰজা বা ৰজাঘৰীয়া মানুহসকলে ৰজাঘৰীয়া অপায়-অমঙ্গলৰ পৰা মুক্তি পাবলৈ প্ৰতি বছৰে একো একোটাকৈ মানুহ বলি দিছিল। বলিবোৰক “ভোগী” আখ্যা দিয়া হৈছিল। ধৰ্মৰ নামত মানুহে মানুহৰ ওপৰত নানা অত্যাচাৰ কৰিছিল। ইতিহাসৰ এইছোৱা কলঙ্কিত সময়তে জন্ম হৈছিল অধৰ্মৰ বিনাশকাৰী ধৰ্ম প্ৰতিষ্ঠাকাৰী আৰু মানুহৰ মনৰ পৰা অন্ধ বিশ্বাস দূৰ কৰা আৰু মানুহক বিষ্ণুৰ অংশ বুলি সূচনা কৰা

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ। পঞ্চদশ শতাব্দীৰ মাজভাগত শ্ৰীমন্ত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ হৈছিল আৰু তেখেতে মানুহৰ জীৱনলৈ ধৰ্ম-চেতনা ঘূৰাই আনিছিল। তেওঁৰ ধৰ্ম, শিক্ষা, সাহিত্য, সংস্কৃতিৰ বহুমুখী প্ৰতিভাৰ ছত্ৰছায়াত অসমীয়া জাতিয়ে ভেদাভেদ পাহৰি একতাৰ এনাজৰীৰে বান্ধ খাই অসমৰ বুকুত এক মহান সাম্যৰ ৰাজ প্ৰতিষ্ঠা কৰিছিল। ধৰ্মীয় জীৱন, সামাজিক জীৱন, আৰু সাহিত্য-সংস্কৃতি আদি সকলো ক্ষেত্ৰতে নৱোন্মেষৰ সৃষ্টি কৰি অসমত নৱজাগৰণৰ সূচনা কৰিছিল। অন্ধকাৰে ছানি ধৰা অসমত মহাপুৰুষজনাৰ জ্ঞান-জ্যোতিৰ পৰশে সমগ্ৰ অসম উজলাই তুলিছিল।

**জন্ম-বংশৰ চমু পৰিচয় ঃ**

শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম হয় ১৪৪৯ খ্ৰীষ্টাব্দত আহিন মাহৰ শুক্ল দশমী তিথিত বৰদোৱাৰ আলীপুখুৰী গাঁৱত। তেওঁৰ পিতৃ আৰু মাতৃৰ নাম ক্ৰমে কুসুম্বৰ ভূঞা আৰু মহাপুণ্যৱতী সত্যসন্ধা। ভগৱানৰ কৃপাত কুসুম্বৰ ভুঞাই এই সৰ্ব সুলক্ষণযুক্ত পুত্ৰটি লাভ কৰিছিল বাবে তেওঁৰ নাম থোৱা হৈছে শঙ্কৰ। শাৰদীয় চন্দ্ৰমাৰ মধুস্মিত, স্নিগ্ধ জ্যোতিৰ আলোকত মহাপুৰুষজনাৰ জন্ম হৈছিল। শৈশৱতে তেওঁ পিতৃ-মাতৃক হেৰুৱাইছিল। কিন্তু বুঢ়ীমাক খেৰসূতী আইৰ বুকুৰ আলসুৱা মৰমত লালিত-পালিত হৈছিল। পঢ়াৰ প্ৰতি অকনো মন নথকা দুৰ্দান্ত শঙ্কৰক লৈ বুঢ়ীমাক খেৰসুতী বৰ দোমোজাত পৰিব লগা হৈছিল। জীৱনৰ আনন্দৰে মধুৰ হৈ থকা দিনকেইটা অৰ্থাৎ শৈশৱৰ কালছোৱাত তেওঁ ধূলি-ধেমালিৰ সৈতে পাৰ কৰিছিল। শঙ্কৰদেৱৰ এই কাৰ্যৰদ্বাৰা বুঢ়ীমাক খেৰসুতী মহা সংকটত পৰিব লগা হয় যদিও অশেষ বুজনিৰ অন্তত সেই কালৰ এজন সন্মানীয় শিক্ষক মাধৱ কন্দলীৰ বিদ্যালয়ত ভৰ্তি কৰি দিব পাৰিছিল। কিন্তু বিদ্যা-শিক্ষাৰ প্ৰতি অকণো মন নথকা শঙ্কৰদেৱে কেইদিনমান বিদ্যালয়লৈ গৈ ক-ফলাখন শিকিয়ে তেওঁ এক অফুৰন্ত মেধা, প্ৰজ্ঞা, প্ৰতিভা আৰু ঈশ্বৰৰ প্ৰতি শ্ৰদ্ধাশীলৰ মনোভাৱৰ পৰিচয় দিলে। যাৰ বাবে তেওঁক গুৰুৰ প্ৰিয়ভাজন কৰি তুলিলে আৰু গুৰুৱে তেওঁক ‘দেৱ’ উপাধিৰে বিভূষিত কৰিলে আৰু ওজা ছাত্ৰ পাতিলে। তেওঁৰ নাম তেতিয়াৰ পৰা শঙ্কৰদেৱ হ’ল। তেওঁৰ ছাত্ৰ জীৱনৰ প্ৰতিভাৰ অবিস্মৰণীয় স্বাক্ষৰ বহন কৰিছে এইফাঁকি মনোৰম অথচ ভাৱ-গম্ভীৰ ভাগৱৎস্তোত্ৰই—

কৰতল কমল দল নয়ন।
ভৱনৱ দহন গহন বন শয়ন।।
নপৰ নপৰ পৰ সতৰত গময়।
সভয় মভয় ভয় মমহৰ সততয়।।
খৰতৰ বৰ হত দশবদন।
খগচৰ নগধৰ ফণধৰ শয়ন।।
জগদঘ মপহৰ ভৱভয় তৰণ।
পৰপদ লয় কৰ কমলজ নয়ন।।

(শ্ৰীশ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱ/
লক্ষ্মীনাথ বেজবৰুৱা, পৃ.১৭,১৮)

**মতবাদ আৰু ধৰ্ম প্ৰচাৰ ঃ**

শিশু শঙ্কৰদেৱৰ মনীষাৰ চূড়ান্ত নিদৰ্শন নিহিত আছে এই স্তোত্ৰটিৰ প্ৰতি শব্দৰ মৰ্মে। অতি কম সময়ৰ ভিতৰতে তেখেতে চাৰিবেদ, চৈধ্য শাস্ত্ৰ, ওঠৰ পুৰাণত ব্যুৎপত্তি লাভ কৰি বিদগ্ধ পাণ্ডিত্যৰ পৰিচয় দিছিল। ইমান সাধনা আৰু এটা মতবাদৰ ওপৰত ভিত্তি কৰি তেখেতে একশৰণ হৰিনাম ধৰ্ম-প্ৰৱৰ্তন কৰে। যিটো অসমীয়া সমাজলৈ এক ডাঙৰ অৱদান শঙ্কৰদেৱে দি থৈ গৈছে। সেই মতবাদটো হ’ল—ভগৱানেই সৰ্বময় কৰ্তা, “একমেবাদ্বিতীয়ম্।” তেৱেঁই স্ৰষ্টা, তেৱেঁই ধাতা, তেৱেঁই ত্ৰাতা আৰু তেৱেঁই সংহাৰোতা। সৃষ্টি, স্থিতি, প্ৰলয়ৰ তেৱেঁই অধিকাৰী। তেওঁৰ একশৰণ হৰিনাম ধৰ্ম অৰ্থাৎ বৈষ্ণৱ ধৰ্মই গোটেই অসমীয়া আৰু নগা, মিৰি, খাচী, গাৰো, যৱন আদি বিভিন্ন জাতি আৰু জনজাতিক একতাৰ এনাজৰীৰে মেৰিয়াই ধৰিছিল। মহাপুৰুষজনাৰ এই ধৰ্মত অস্পৃশ্যতা, জাতি ভেদ, জীৱ হিংসাৰ স্থান নাই। সকলোৱে তেওঁৰ এই মহান ধৰ্মৰ প্ৰতি আকৃষ্ট হৈছিল আৰু শিষ্যত্ব গ্ৰহণ কৰি এই মহান ধৰ্মৰ বিষয়ে বিভিন্ন জ্ঞান লাভ কৰিব পাৰিছিল। মহাপুৰুষজনাৰ মহিমা অপাৰ। শঙ্কৰদেৱে ২১ বছৰ বয়সত সূৰ্য্যৱতীক বিয়া কৰায়। তেওঁলোকৰ কন্যা সন্তান মনুৰ জন্মৰ পিছতে তেখেতৰ পত্নী সূৰ্য্যৱতীৰ মৃত্যু হয়। মনৰ দুখত শঙ্কৰদেৱ তীৰ্থভ্ৰমণলৈ যায়। ১২ বছৰ তীৰ্থ ভ্ৰমণ কৰি তেওঁ ৪৪ বছৰত অসমলৈ ঘূৰি আহে আৰু একশৰণ হৰিনাম অৰ্থাৎ নৱ-বৈষ্ণৱ ধৰ্ম প্ৰসাৰ আৰু প্ৰচাৰত নিজকে নিয়োগ কৰে। সেই সময়ত তেওঁ পৰিয়ালৰ অত্যন্ত হেঁচাত দ্বিতীয়বাৰ কালিন্দী আইক বিয়া কৰায় আৰু ছকুৰি শিষ্যৰ সৈতে তেওঁ ৯২ বছৰ বয়সত দ্বিতীয়বাৰৰ বাবে তীৰ্থ ভ্ৰমণলৈ যায়। ঘূৰি অহাৰ পিছত কোচবিহাৰৰ ৰজা নৰনাৰায়ণে সন্মান সহকাৰে মহাপুৰুষজনক নিজৰ ৰাজসভাত ঠাই দিয়ে। কোচবিহাৰৰ মধুপুৰ সত্ৰত ১৪৯০ শকৰ ভাদৰ শুক্লা দ্বিতীয়া তিথিত ছকুৰি বছৰ বয়সত মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে পৰলোকলৈ গতি কৰে।

**অসমীয়া সাহিত্য-সংস্কৃতিত শঙ্কৰদেৱৰ অৱদান ঃ**

(১) সাহিত্যৰ ক্ষেত্ৰত শ্ৰীমন্ত-শঙ্কৰদেৱৰ অসমীয়া জাতিলৈ যথেষ্ট অৱদান আছে। শঙ্কৰদেৱৰ সাহিত্যিক কৃতিসমূহ কাল অনুসৰি ভাগ কৰা হৈছে এনেধৰণৰ—

(ক) আদিকাল বা বাৰভূঞা ৰাজ্যত কটোৱা কাল (১৪৩৮ শকলৈ বিস্তৃত)

(১) ভক্তি-প্ৰদীপ (গৰুড় পুৰাণ)।
(২) কীৰ্ত্তন-ঘোষাৰ উৰেষা-বৰ্ণন (ব্ৰহ্ম পুৰাণ)।
(৩) হৰিশ্চন্দ্ৰ উপাখ্যান (মাৰ্কেণ্ডেয় পুৰাণ)।
(৪) ৰুক্মিণী হৰণ কাব্য (হৰিবংশ)।
(৫) প্ৰহ্লাদ চৰিত্ৰ, হৰমোহন, বলিছলন।

(৬) ষষ্ঠ স্কন্ধ বা অজামিল উপখ্যান।

(৭) বৰগীত—প্ৰথম বৰগীত 'মন মেৰি ৰাম চৰণহি লাগু'

(৮) অষ্টম স্কন্ধ বা গজেন্দ্ৰ উপখ্যান।

(খ) মধ্যকাল বা অসম ৰাজ্যত কটোৰা কাল—অশান্তি, বিৰোধ আত্ম সমালোচনা আৰু শেহান্তৰত অগ্ৰসৰৰ কাল (১৪৩৮-১৪৬৫ শক)

(১) পত্নী-প্ৰসাদ নাট (ভাগৱতৰ দশম স্কন্ধ)

(২) কীৰ্ত্তন-ঘোষাৰ শিশুলীলা, পাৰিজাত হৰণ।

(৩) কীৰ্ত্তন-ঘোষাৰ পাষণ্ড-মৰ্দন, নাম-অপৰাধ।

(গ) শেষ কাল বা কোচ ৰাজ্যত কটোৰা কাল (১৪৬৫-১৪৯০ শক)

(১) অনাদি পতন (তৃতীয় স্কন্ধ, বামণ, পুৰাণ)।

(২) বলিছলন (অষ্টম স্কন্ধ)

(৩) ভাগৱত ভাঙণি আৰু কাহিনী।

(৪) গুণমালা, ভক্তি-ৰত্নাৱলী, কালিয়-দমন, কেলিগোপাল।

**উপাখ্যান আৰু পদ ভাঙনি ঃ**

শঙ্কৰদেৱৰ অনুবাদ প্ৰাঞ্জল আৰু মূল সংস্কৃতিৰ নিচেই কাষ চপা। 'হৰিশচন্দ্ৰ উপাখ্যান', ৰুক্মিণী হৰণ, 'ৰামায়ণৰ উত্তৰাকাণ্ড', 'ভাগৱতৰ বিবিধ খণ্ড' আদিত ইয়াৰ পৰিচয় আছে।

**(১) শঙ্কৰদেৱৰ শ্ৰেষ্ঠ কীৰ্তি ঃ**

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে অসমীয়া জাতিলৈ আগবঢ়োৱা শ্ৰেষ্ঠ কীৰ্তি কীৰ্ত্তন-ঘোষা। কীৰ্ত্তন-ঘোষা অসমীয়া জাতিৰ এক আপুৰুগীয়া সম্পদ। এইখন পুথি আজিও প্ৰতিজন অসমীয়াৰ ঘৰে-ঘৰে হৃদয়ে হৃদয়ে। ইয়াত মহাপুৰুষজনাৰ অসাধাৰণ কবি প্ৰতিভা পৰিস্ফুট হৈছে।

**(২) আধ্যাত্মিক অৱদান ঃ**

সৰলতা সত্যৰ উপলব্ধিৰ জৰিয়তে সামাজিক চৈতন্য জাগৰণ, বাহ্যিক অনুষ্ঠানৰ ঠাইত আন্তৰিক ভক্তিক দিয়া প্ৰাধান্য, সামাজিক শ্ৰেণী বিভাজন অপসাৰণ কৰ্ম-ধৰ্মৰ বিভীষিকা নিবাৰণ,—এই চতুৰংগ দান (ড° বাণীকান্ত কাকতিৰ মতে) অসমীয়া আধ্যাত্মিক জীৱনৰ নিদৰ্শন স্বৰূপ।

**(৩) দাৰ্শনিক অৱদান ঃ**

'ভক্তি-প্ৰদীপ', 'অনাদি পাতন,' 'নিমি-নৱসিদ্ধ সংবাদ' আদিত ভক্তিতত্বৰ গভীৰ আলোচনা আছে। শঙ্কৰদেৱৰ ভক্তিতত্ব সম্পৰ্কে মাধৱদেৱে নাম-ঘোষাত বৰ্ণনা দিছে এইদৰে—

'মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।
সমস্ত মস্তক মণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।।"

**(৪) নৃত্যৰ ক্ষেত্ৰত অৱদান ঃ**

শঙ্কৰী নৃত্য শঙ্কৰদেৱৰ এক অবিস্মৰণীয় অৱদান। ইয়াৰ লয়লাস, ভংগীমাই স্বকীয়তা দাবী কৰে। আজি শঙ্কৰদেৱৰ এই নৃত্যই সৰ্বভাৰতীয় পৰ্যায়ত স্বীকৃতি পোৱাটো আমাৰ বাবে গৌৰৱৰ বিষয়।

**(৫) অভিনয়, গীত-মাতৰ ক্ষেত্ৰত অৱদান ঃ**

'চিহ্ন-যাত্ৰা'ৰ উদ্ভাৱন শঙ্কৰদেৱৰ অভিনয় প্ৰতিভা আছিল তুলনাবিহীন। তেওঁ মুঠতে ছখন নাট ৰচনা কৰি থৈ গৈছে। নাটসমূহ ৰচনা কৰোঁতে তেওঁ নাট্যশাস্ত্ৰ, সংস্কৃত নাট আৰু থলুৱা সংস্কৃতিৰ সহায় লৈছে। ইয়াৰ আন এক বিশেষত্ব হ'ল ইয়াত ব্ৰজাৱলী ভাষাত আৰু অসমীয়া গদ্য ব্যৱহাৰ কৰিছে।

গীত, বৰগীত আৰু ভটিমা সমূহো শঙ্কৰদেৱৰ অনুপম অৱদান। বৰগীত সমূহত শাস্ত্ৰীয় সংগীত আৰু লোক সংগীতৰ অপূৰ্ব সমাহাৰ ঘটিছে। মহাপুৰুষ জনাই প্ৰায় বাৰকুৰি বৰগীত ৰচনা কৰিছিল যদিও বৰ্তমান একুৰি চৈধ্যটাহে পোৱা গৈছে। মহাপুৰুষ জনাৰ অনুপম অৱদান 'ভটিমা' আৰু 'তোটয়'। 'ভটিমা' মানে হৈছে স্তুতি বা প্ৰশস্তি। ই ভাটৰ গীত।

**(৬) চিত্ৰকলাৰ ক্ষেত্ৰত অৱদান ঃ**

চিত্ৰকলাৰ ক্ষেত্ৰতো শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান আছিল অপৰিসীম। কোচবিহাৰৰ চিলাৰায়ে শঙ্কৰদেৱৰ মুখত কৃষ্ণলীলা শুনি অতিশয় আনন্দিত হৈছিল। তেতিয়া বীৰ চিলাৰায়ে কৃষ্ণলীলা ছবিত চাবলৈ আগ্ৰহ আদৰ্শ প্ৰকাশ কৰিলে আৰু মহাপুৰুষজনাই তেওঁৰ ইচ্ছামতে বৃন্দাবনী বস্ত্ৰত শ্ৰীকৃষ্ণৰ জন্মৰ পৰা কংস বধলৈকে সকলোবোৰ চিত্ৰ অঙ্কণ কৰিছিল। বৃন্দাবনী বস্ত্ৰ শঙ্কৰদেৱৰ চিত্ৰ প্ৰতিভাৰ অপূৰ্ব নিদৰ্শন। বৰ্ত্তমান বৃন্দাবনীবস্ত্ৰ বৃটিছ মিউজিয়ামত আছে।

**(৭) অসমীয়া বাদ্য-যন্ত্ৰৰ ক্ষেত্ৰত অৱদান ঃ**

খোল, ভোৰতাল, মৃদংগ, বাঁহী আদি সম্পূৰ্ণ অসমীয়া পৰম্পৰাগত লোকবাদ্যৰ উদ্ভাৱক আছিল শঙ্কৰদেৱ। এই বাদ্যযন্ত্ৰবোৰ মূলতঃ বৰগীত ভটিমা, সত্ৰীয়া নৃত্য আদিৰ এক অবিচ্ছেদ্য অংগ।

**(৮) স্থাপত্যকলালৈ শঙ্কৰদেৱৰ অৱদান ঃ**

শঙ্কৰদেৱে অসমৰ বিভিন্ন ঠাইত প্ৰতিষ্ঠা কৰা নামঘৰসমূহৰ স্থপতি অপূৰ্ব। নামঘৰৰ ভিতৰ চ'ৰাৰ নিৰ্মাণ কাৰ্য্য, প্ৰৱেশদাৰ, গুৰু আসনে শঙ্কৰদেৱৰ অনুপম শৈল্পিক চেতনাকে সূচায়।

**সামৰণি ঃ**

মহাপুৰুষ জন্মৰ বিভিন্ন অৱদানে অসমৰ সাহিত্য সংস্কৃতিৰ ভঁৰাল চহকী কৰি থৈ গৈছে। এই ভঁৰালৰ পৰা চহকী হৈ অসমীয়া জাতিয়ে বিশ্বৰ দৰবাদত মূৰ তুলি থিয় দিব পৰিছে। অসমীয়া সমাজৰ ওপৰত শঙ্কৰদেৱৰ প্ৰভাৱ স্থায়ী আৰু গভীৰ। এই বাবেই তেওঁ মহাপুৰুষৰ শাৰীলৈ উন্নিত হৈছে। মেধা আৰু মনীষাৰে শঙ্কৰদেৱ আজি আমাৰ শ্ৰদ্ধা আৰু ভক্তিৰ পাত্ৰ। সকলো ব্ৰহ্মাণ্ডৰ যি একমাত্ৰ অধিপতি সেই বিৰাট পুৰুষৰ আদৰ্শ উদ্ধাৰ কৰি নিষ্কামভাৱে তাৰ উপাসনা কৰি কেনেকৈ সকলো কামনাৰ নিবৃত্তি সাধন কৰি মুকুতি পথত আগুৱাব পাৰি, তাৰ সন্ধান অসমীয়া সমাজক মহাপুৰুষ জনাই দি থৈ গৈছে। ●

# আধ্যাত্মিকতাৰ উৎকৃষ্ট নিদৰ্শন ঃ ৰাসলীলা

**মানসী কুমাৰ**
**দ্বাদশ শ্ৰেণী**
**কলা শাখা**

শুকমুনি বদতি শুনিয়ো পৰীক্ষিত।
কহো ৰাসক্ৰীড়া কথা কৃষ্ণৰ চৰিত।।
শৰত কালৰ ৰাত্ৰি আতি বিতোপন।
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন।।
(কীৰ্ত্তন-ঘোষা (একাদশ খণ্ড/১/৮০৭)

ভাৰতীয় জনগণৰ অটল আধ্যাত্মিকতাৰ উৎকৃষ্ট নিদৰ্শন ৰাসক্ৰীড়া। ভাগৱত পুৰাণ, ব্ৰহ্মবৈৱৰ্ত পুৰাণ, হৰিবংশ, বিষ্ণু পুৰাণ, কীৰ্ত্তন-ঘোষা আদি গ্ৰন্থত শৰৎকালত উদ্‌যাপিত হোৱা ৰাসক্ৰীড়াৰ বিস্তৃত বৰ্ণনা পোৱা যায়। ৰাসক্ৰীড়া, ৰাসলীলা, ৰাসমেলা, ৰাসোৎসৱ, ৰাসকেলি আদি বিভিন্ন নামেৰে বিভূষিত এই শাৰদোৎসৱৰ মূল নায়ক-নায়িকা হৈছে যথাক্ৰমে ব্ৰজধামৰ বাসুদেৱ শ্ৰীকৃষ্ণ আৰু ব্ৰজৰ গোপীসকল।



অসমত নৱ-বৈষ্ণৱ ভক্তিধৰ্ম মূলত ঃ ভাগৱত প্ৰধান; য'ত কেৱল কৃষ্ণকেই পৰমেশ্বৰৰূপে প্ৰতিষ্ঠা কৰিব বিচৰা হৈছে। কৃষ্ণভক্তিৰ যি মাহাত্ম্য আৰু লীলা তাক বিভিন্ন আখ্যান আৰু কাহিনীৰ জৰিয়তে প্ৰতিপন্ন কৰাৰ প্ৰয়াস কৰা হৈছে। ভাগৱতৰ দশম স্কন্ধত শ্ৰীকৃষ্ণৰ মানৱীয় লীলা প্ৰদৰ্শনৰ যোগেদি শ্ৰীকৃষ্ণক ভগৱানৰূপে উপস্থাপন কৰিবলৈ বিচৰা হৈছে। শ্ৰীকৃষ্ণৰ সেই লীলাসমূহৰেই অন্তৰ্ভুক্ত ৰাসলীলা।

ভাৰতীয় আধ্যাত্মিক দৰ্শনৰ ফালৰপৰা জীৱাত্মা আৰু পৰমাত্মাৰ মিলনেই ৰাসলীলাৰ মূল উদ্দেশ্য। ৰাসলীলাত শ্ৰীকৃষ্ণ আৰু গোপীসকলৰ মিলনৰ দৃশ্য অংকন কৰা হৈছে। বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্ত্তা হৈছে—ভগৱান শ্ৰীকৃষ্ণ। এই জগতৰ স্থিতি আৰু সংহাৰ, তেওঁৰ অনুগ্ৰহতে সম্পন্ন হয়। ধৰ্ম সংস্থাপনৰ বাবে যুগে যুগে তেওঁ মানৱ সমাজত অৱতাৰ গ্ৰহণ কৰিছে। ত্ৰেতাযুগত ৰামে অৱতাৰ গ্ৰহণ কৰা কালত দণ্ডকাৰণ্যত ৰামচন্দ্ৰক দৰ্শন কৰি অৰণ্যৰ ঋষিসকল ইমানেই আনন্দিত হৈছিল যে, তেওঁলোকে শ্ৰীৰামচন্দ্ৰক ভগৱানৰ ৰূপ বুলি ভাবি সেৱা কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিছিল। ত্ৰেতাযুগত তেওঁলোকৰ এই হাবিয়াস অপূৰ্ণ হৈ ৰ'ল। শ্ৰীৰামচন্দ্ৰই তেওঁৰ পিছৰ অৱতাৰত তেওঁলোকৰ হাবিয়াস পূৰণ হ'ব বুলি আৰ্শীবাদ দিছিল। তেওঁলোকে দ্বাপৰযুগত গোপীৰূপে জন্মগ্ৰহণ কৰি শ্ৰীকৃষ্ণৰ সেৱা কৰিবলৈ সুযোগ পালে।

ৰাসলীলা বস্ত্ৰহৰণ লীলাৰে আৰম্ভ হৈছে। ভগৱান শ্ৰীকৃষ্ণই বস্ত্ৰহৰণ যোগেদি কাত্যায়ণী ব্ৰত পালন কৰা গোপীসকলৰ কৃষ্ণভক্তিৰ গভীৰতাৰ পৰীক্ষা কৰিলে। যেতিয়া গোপীসকল ভগৱন্তৰ চৰণত একান্তভাৱে নিমজ্জিত হোৱাৰ কথা জানিব পাৰিলে, তেতিয়া ভক্তাৰ প্ৰতি মন বিগলিত হৈ পৰিল। শৰৎকালৰ শুভ্ৰ জোনাক ৰাতি যমুনাৰ পাৰত কদম গছত উঠি ভগৱান শ্ৰীকৃষ্ণই মোহন বেণু বজালে। সেই বেণুৰ মাত শুনি ব্ৰজৰ গোপীসকলে বাস্তৱ জীৱনৰ সকলো বান্ধোন এৰি পৰমব্ৰহ্মতে লীন হ'বৰ বাবে উদ্ধাউল হৈ পৰিল।

শ্ৰীকৃষ্ণ তেতিয়া দ্বাৰকা ৰাজ্যত। শ্ৰীকৃষ্ণই সাগৰৰ উপকূলৰ পিণ্ডাৰক তীৰ্থত এটি সমুদ্ৰ যাত্ৰাৰ আয়োজন কৰিছিল। উগ্ৰসেনৰ হাতত নগৰ ৰক্ষাৰ ভাৰ দি সকলো প্ৰজাক তেওঁ লগত ল'লে। কৃষ্ণ আৰু বলোৰামৰ পত্নী ৰেৱতীও ওলাল। যাদৱ কোঁৱৰসকলৰ আমোদৰ হেতু সহস্ৰ গণিকাকো যাবলৈ আদেশ কৰা হ'ল। সাগৰৰ উপকূলত জলক্ৰীড়া আৰম্ভ হ'ল। শ্ৰীকৃষ্ণই স্বৰ্গৰপৰা পঞ্চচূড়া, মাহেন্দ্ৰী আদি অপেস্বৰীসকলক যাদৱ কোঁৱৰসকলৰ আমোদৰ বাবে বিশ্বৰূপ শক্তিৰ সহায়ত নমাই আনিলে।

বাৰাংগনাসকলে উছৱৰ উপযোগী ভাষা, সাজ-সজ্জা আৰু অংগী-ভংগীৰে ৰাস গান আৰম্ভ কৰিলে। গীতৰ যোগেদি শ্ৰীকৃষ্ণৰ জীৱনৰ শৈশৱ-কালৰপৰা ঘটি অহা অলৌকিক আৰু গৌৰৱপূৰ্ণ কাৰ্যবিলাকৰ গীত আবৃত্তি কৰিলে। ৰেৱতীৰ সৈতে বলোৰামে আৰু সত্যভামাৰ সৈতে কৃষ্ণয়ো নৃত্যত যোগ দিলে। সেইদৰে যাদৱ কোঁৱৰসকলেও নৃত্যত যোগদান কৰি আনন্দ কৰিলে। ৰসেই আনন্দ আৰু আনন্দই ৰাস। অৰ্জুন আৰু নাৰদ মুনিও তাত অতিথিৰূপে উপস্থিত আছিল। অৰ্জুনে পত্নী শুভদ্ৰাৰ সৈতে আৰু দেৱৰ্ষি নাৰদে যাদৱসকলৰ লগত নৃত্য কৰিলে। নাৰদ নৃত্যত ইমানেই উন্মাদ হৈ পৰিল যে, তেওঁ ৰাস প্ৰণেতা হৈ ৰাসৰ ভাও দিবলৈ ধৰিলে। ৰাসৰ শেষত শ্ৰীকৃষ্ণই নাৰদে অৰ্জুনৰ হাতত ধৰি কিছু ক্ৰীড়া কৰিবলৈ সাগৰৰ বুকুত জাঁপ দিলে।

শ্ৰীকৃষ্ণই গোপীসকলৰ ভগৱানক পোৱাৰ ইচ্ছা পূৰণৰ বাবে শৰৎকালৰ সুন্দৰ সন্ধিয়া সুশোভিত বৃন্দাবনত ৰাসক্ৰীড়াৰ পাতনি মেলিছিল। কৃষ্ণৰ সুমধুৰ গীতৰ লহৰৰ ধ্বনিত গোপীসকল মোহিত হৈ পৰিছিল। সেই ধ্বনিযুগ্ধ গোপীসকলে মনোনিৱেশ কৰি থকা তেওঁলোকৰ বিভিন্ন কৰ্ম ত্যাগ কৰি কৃষ্ণক চিন্তা কৰি কৃষ্ণক দেখাৰ বাবে উত্ৰাৱল হৈ পৰিল। সকলোৱে য'ৰে কাম ত'তে পেলাই কৃষক পাবলৈ বৃন্দাবনলৈ ঢাপলি মেলিলে। কৃষ্ণৰ ওচৰত থকা পৰম আকুলতাৰে উপস্থিত হোৱা গোপীসকলক শ্ৰীকৃষ্ণই তেওঁলোকৰ মনৰ সকলো প্ৰকাৰৰ অসংস্কৃতি, কামনা-বাসনা, মোহ, আকাংক্ষা, দ্বেষ-বিদ্বেষ আদিৰ পৰা মুক্ত হয় নে

… ñ:ÇüÑ¦š±Âó1 Âõ±ËÂõ ûÅËá ûÅËá ÎïÂYÒ
÷±ò›ü÷±æÂïÂ Ò›ïÂ±1 ¢¡ÿÃÃí ßÂ¿1ËåÂ¼
ÎSïÂ±ûÅáïÂ 1±Ë÷ Ò›ïÂ±1 ¢¡ÿÃÃí ßÂ1± ßÂ±ÌïÂ
ðÃGßÂ±1íËïÂ 1±÷ÿÂfßÂ ðÃûÇò ßÂ¿1 ÕÌíË1
ÙÂ¿ø¸ûßÂÙy×ÃÃ÷±Ëò y×ÃÃÒ±ò¿µïÂÂEyÃÃ¿ÿÃÙ Îû,
ÎïÂYÒËÙ±ËßÂ Â1±÷ÿÂfßÂ ðÂá›±ò1 1±Âó ÂõÂ¿ù
ðÂ±¿Âõ Îû›±ßÂ¿1ÂõÙy×ÃÃ2Ã± ›ßÂ±ûßÂ¿1¿ÿÂù …

নহয় পৰীক্ষা কৰিলে। পৰমাত্মাৰূপে শ্ৰীকৃষ্ণক লাভ কৰিবলৈ হ'লে জীৱই সকলো প্ৰকাৰৰ ঈৰ্ষা, অসূয়া, নীচতা, ক্ষুদ্ৰতা, সৰ্বান্তঃকৰণে পৰিহাৰ কৰা বাঞ্চনীয়। শ্ৰীকৃষ্ণই গোপীসকলক পৰীক্ষাত উত্তীৰ্ণ হোৱা বাবে নিজৰ পৰা আঁতৰ কৰিব নোৱাৰিলে। ভগৱান শ্ৰীকৃষ্ণ পৰিপূৰ্ণ সংস্কৃতিৰ প্ৰতীক। একান্ত ভক্তিৰ বাবে ভগৱান শ্ৰীকৃষ্ণ পৰম সন্তুষ্ট হৈ গোপীসকলৰ লগত নৃত্য কৰিব ধৰিলে।

কৃষ্ণৰ প্ৰতি গোপীসকলৰ এনে প্ৰেমৰ উমান ল'বলৈ আনকি এগৰাকী গোপীক লৈ আৰু সেইগৰাকী গোপীকো এৰি কৃষ্ণ সাময়িকভাৱে অন্তৰ্ধান হ'ল। কৃষ্ণৰ অনুপস্থিতিত বিৰহ-বেদনাত ব্যাকুল হৈ পৰা গোপীসকলৰ মনৰপৰা অহমিকা, অহংকাৰীভাব আঁতৰ হোৱাত প্ৰতিজনী গোপীয়েই কৃষ্ণৰ পুনঃসান্নিধ্য লাভ কৰিবলৈ সক্ষম হ'ল।

বিশিষ্ট গৱেষক পণ্ডিত ড° নবীন চন্দ্ৰ শৰ্মাই তেওঁৰ *'পুৰণি সাহিত্যৰ সুবাস'* গ্ৰন্থত লিখিছে—"ৰাসলীলা সাধাৰণতে স্ত্ৰী-পুৰুষৰ মিলনৰ দৃশ্য নহয়। পৰমপুৰুষ, পূৰ্ণ ব্ৰহ্মশক্তি ভগৱান শ্ৰীকৃষ্ণ আৰু তেওঁৰেই আনন্দাংশ বা হ্লাদিনী শক্তিস্বৰূপিনী গোপীসকলৰ লগত মিলনৰ মহানন্দৰ মহোৎসৱ। ৰাসক্ৰীড়াত যি ক্ৰীড়াৰ পৰিস্ফুৰণ ঘটিছে, সেই ক্ৰীড়া কামভাবৰ পৰা আঁতৰত, জগত প্ৰপঞ্চ ভগৱন্তৰ লীলা মাথোন। ৰাসলীলা এনে লীলা, যি লীলাৰ সংযোগত ভক্তৰ মনত সাংসাৰিক কামনা-বাসনা, মায়া-মমতা একো নাথাকে। থাকে সপ্ৰেমা ভক্তি, যি ভক্তিৰ বলত জীৱই ব্ৰহ্মৰ লগত একীভূত হ'বলৈ প্ৰয়াস কৰে।" মূলতঃ এই কথা সত্য যে, ৰাসলীলাৰ অন্তৰালত আছে পৰমাত্মাৰ আনন্দ বিহাৰৰ অনবদ্য ৰূপ।

লক্ষ্মীনাথ বেজবৰুৱাই ৰাসলীলা তত্ত্বত লিখিছে—জীৱ ব্ৰহ্মৰ আলিঙ্গনৰ অভিনয়েই প্ৰকৃতাৰ্থত ৰাসলীলাৰ অন্যতম তাৎপৰ্য। এই ৰাসলীলাত ক্ৰীড়া নাই, ফল আছে; কামনা নাই, তৃপ্তি আছে; সম্ভোগ নাই, আনন্দ আছে। ●

# সংস্কৃত সাহিত্যত গদ্যৰ ধাৰা আৰু ইয়াৰ স্বৰূপ

**প্ৰাণজিৎ তালুকদাৰ**
স্নাতক ষষ্ঠ যান্মাসিক
কলা শাখা

'গদ্যং কবীনাং নিকষং বদন্তি' অৰ্থাৎ গদ্য-সাহিত্য কবিসকলৰ কবিত্ব প্ৰতিভাৰ উৎস। সংস্কৃত সাহিত্যত গদ্য সাহিত্যৰ পৰম্পৰা বৈদিক সংহিতাবোৰৰ পৰাই প্ৰচলিত। ঋগ্বেদৰ নিগদাধ্যায়, কৃষ্ণ যজুৰ্বেদৰ অন্তৰ্গত তৈত্তিৰীয় সংহিতা, কাঠক সংহিতা, মৈত্ৰায়ণী সংহিতা, অথৰ্ববেদৰ ব্ৰাত্যকাণ্ড সম্ভৱত ঃ প্ৰাচীন গদ্যৰ সুন্দৰ চানেকি। তদুপৰি সমস্ত ব্ৰাহ্মণ সাহিত্য, আৰণ্যক তথা পুৰণি উপনিষদৰ মাজেৰেও গদ্য সাহিত্যই বিকাশ লাভ কৰিছে। কল্পাদি সূত্ৰত সূত্ৰাত্মক শৈলীয়ে গদ্যৰ নতুন ধাৰাৰ পৰিচয় দিয়ে। মহাভাষ্যৰ দৰে গ্ৰন্থত সৰল গদ্য চকুত পৰে। তাৰ লগতে মহাভাৰত আৰু বিষ্ণু পুৰাণৰ অংশ বিশেষতো সহজ-সৰল গদ্য দেখা যায়। পুৰণি শিলালেখ, তাম্ৰলিপি, বিভিন্ন দৰ্শনৰ ভাষ্যকাৰৰ ভাষ্যসমূহতো সুন্দৰ গদ্য সাহিত্যৰ নিদৰ্শন পোৱা যায়।

সংস্কৃত গদ্য কাব্য দুই শ্ৰেণীত বিভক্ত—

(ক) কথা, (খ) আখ্যায়িকা।

'কাব্যালঙ্কাৰ' গ্ৰন্থৰ ৰচয়িতা ভামহে কথা আৰু আখ্যায়িকাৰ পাৰ্থক্যৰ বিষয়ে এইদৰে নিৰ্দেশ দিছিল—

"প্ৰকৃতানাকুলশ্ৰব্য শব্দাৰ্থ পদবৃত্তিনা।
গদ্যেন যুক্তো যুক্তোদাত্তাৰ্থ সোচ্ছ্বাসাখ্যায়িকা মতা।।
বৃত্তমাখ্যায়তে তস্যাং নায়কেন স্বচেষ্টিতম্।
বক্ত্ৰাং চাপৰ বক্ত্ৰাং চ কালে ভাব্যৰ্থশংসি চ।।
কবেৰভিপ্ৰায়কৃতৈ্ত ঃ কথনৈঃ কৈশ্চিদঙ্কিতা।
কন্যাহৰণ সংগ্ৰাম বিপ্ৰলম্ভোদয়ান্বিতা।।
ন বক্ত্ৰাপৰ বক্ত্ৰাভ্যাং যুক্তানোচ্ছ্বাসৱত্যপি।
সংস্কৃতং সংস্কৃচেষ্টা কথাপভ্ৰংশভাক্ তথা।।
অন্যৈঃ স্বচৰিতাং তস্যাং নায়কেন তু নোচ্যতে।
স্বগুণাবিষ্কৃতিং কৰ্যাদভিজ্ঞাতঃ কথং জনঃ।।"

অৰ্থাৎ, 'আখ্যায়িকা'ৰ নায়কে স্বয়ং অভিজ্ঞতাৰ কাহিনী বৰ্ণনা

কৰিব। ই সৰল গদ্যত ৰচিত হ'ব, মাজে সময়ে 'বক্ত্ৰ' আৰু 'অপৰবক্ত্ৰ' ছন্দত ৰচিত শ্লোক থাকিব আৰু 'উচ্ছ্বাসত' বিভক্ত হ'ব। কন্যাহৰণ, যুদ্ধ-বিগ্ৰহ প্ৰভৃতিৰ মাজেদি শেষলৈকে নায়কক বিজয়ী কৰা হ'ব। 'আখ্যায়িকা' সংস্কৃততেই ৰচিত হ'ব। 'কথা' সংস্কৃত বা অপভ্ৰংশত ৰচিত হ'ব পাৰে। কল্পিত কাহিনী অৱলম্বনত ব্যক্তি ইয়াৰ বক্তা হ'ব লাগিব। 'বক্ত্ৰ' বা 'অপৰবক্ত্ৰ' ছন্দত ৰচিত শ্লোক বা উচ্ছ্বাস বিভাগ ইয়াত নাথাকিব।

সংস্কৃত গদ্য সাহিত্যৰ নিদৰ্শন স্বৰূপ 'কথা' আৰু 'আখ্যায়িকা'সমূহ কালৰ বুকুত লয় পালেও তাৰ কেতবোৰৰ উল্লেখ অ'ত ত'ত পোৱা যায়। বাৰ্তিককাৰ কাত্যায়নে (৪০০ খৃ. পূ.) তেনে আখ্যায়িকাৰে সুপৰিচিত আছিল। আন এজন বৈয়াকৰণ মহাভাষ্যকাৰ পতঞ্জলিৰ (২০০ খৃ.পূ.) বিষয়ে এইটো বিশ্বাস হয় তেওঁৰ 'বাসবদত্তা', 'সুমনোত্তৰা', 'ভৈমৰথী' নামৰ আখ্যায়িকা কেইখন পৈণত হাতৰ পৰিচয়। তেওঁৰ 'মহাভাষ্য' গদ্য-সাহিত্য বিকাশৰ প্ৰৌঢ় পৰিচায়ক। গদ্যকাৰ বাণে ভট্টাৰক হৰিশ্চন্দ্ৰক গদ্যলেখক হিচাপে গণ্য কৰিছে। তেনেদৰে জল্হনৰ মতে বৰৰুচিয়ে ৰচি যোৱা 'চাৰুমতী', ৰৌমিল্লসৌমিল্ল বিৰচিত 'শূদ্ৰক কথা', ধনপালৰ মতে শ্ৰীপালিকৃত 'তৰঙ্গৱতী কথা' আৰু 'আন্ধ্ৰভৃত্য সাতবাহনসকলৰ দিনত ৰচিত 'শাতকৰ্ণি হৰণ' আৰু 'নমোৱন্তী কথা' আদি গ্ৰন্থবোৰে প্ৰাচীন গদ্য সাহিত্যৰ ধাৰাবাহিকতাক সমৰ্থন কৰে। সম্প্ৰতি উপলব্ধ দণ্ডী, সুবন্ধু আৰু বাণভট্টৰ প্ৰৌঢ় গদ্যসমূহেও তেনে এক প্ৰাচীন সাহিত্যৰ পৰম্পৰাক সমৰ্থন কৰে, নহ'লে হঠাতে এইসকলে পৰিপক্ক আৰু উচ্চমানবিশিষ্ট গদ্য সাহিত্য আমাৰ হাতত তুলি দিবলৈ নোৱাৰিলেহেঁতেন।

সংস্কৃত গদ্য সাহিত্যত বিশেষকৈ সুবন্ধু, দণ্ডী আৰু বাণকৃত ৰচনাসমূহক শ্ৰেষ্ঠ হিচাপে ধৰা হয়। তলত তেওঁলোকৰ বিষয়ে চমু আলোচনা কৰা হ'ল—

**সুবন্ধুৰ 'বাসৱদত্তা' ঃ**

সম্প্ৰতি উপলব্ধ সংস্কৃত গদ্যকাব্যৰ কবিসকলৰ ভিতৰত সুবন্ধুকেই প্ৰথম বুলি স্বীকাৰ কৰিব লাগিব। কোনো কোনো পণ্ডিতে অৱশ্যে সুবন্ধুক বাণৰ পৰৱৰ্ত্তী, আকৌ কিছুমানৰ মতে বাণৰ পূৰ্বৱৰ্তী বুলি ক'বলৈ প্ৰয়াস কৰে। বাসৱদত্তাৰ অন্তৰঙ্গ প্ৰসঙ্গৰ পৰা সুবন্ধু বাণৰ পূৰ্বৱৰ্তী বুলি বিদিত। এইটো নিশ্চিত যে যদি সুবন্ধু বাণৰ পৰৱৰ্ত্তীকালৰ, তেনেহ'লে বাসৱদত্তাৰ স্বয়ম্বৰত উপস্থিত ৰাজকুমাৰ কন্দৰ্পকেতুৰ প্ৰসঙ্গত বৰ্ণিত নল-দময়ন্তী, অজ-ইন্দুমতী, দুষ্যন্ত-শকুন্তলা, নৰবাহন-মদনমঞ্জৰী, নল-কুবেৰ, ৰম্ভা, ধৰ্মৰাজ,-ধুৰ্মোণা, কুবেৰ-ঋদ্ধি, দেবেন্দ্ৰ-ইন্দ্ৰাণীৰ প্ৰসিদ্ধ প্ৰেমাখ্যানৰ চৰিত্ৰ উল্লেখ কৰি এওঁ চন্দ্ৰাপীড় কাদম্বৰীৰ উল্লেখ কৰিছে। উক্ত আধাৰত এইটো স্পষ্টৰূপে প্ৰমাণিত হয় সুবন্ধু বাণৰ পূৰ্বৰ।

সুবন্ধু, বাণ আৰু দণ্ডী—এই তিনিওজন ব্যক্তি ৫০০ খৃ. ৰ পৰা ৬৫০ খৃ.ৰ ভিতৰত। কিন্তু সকলোবিলাক কথা অতি সূক্ষ্মভাৱে পৰ্য্যালোচনা কৰি চালে দেখা যায় সুবন্ধু ষষ্ঠ শতাব্দীৰ শেষ ভাগৰ। সুবন্ধুৰ একমাত্ৰ ৰচনা হৈছে *'বাসৱদত্তা'*।

সুবন্ধুৰ ৰচনা কৰা বাসৱদত্তাৰ কাহিনীৰ সাৰভাগ হৈছে এনে ধৰণৰ—

চিন্তামণি নামে এজন প্ৰতাপী ৰজা আছিল। সকলো সজ গুণেৰে বিভূষিত, প্ৰজাৰঞ্জক ৰজাৰ কন্দৰ্পকেতু নামে এজন অতুলনীয় ৰূপৱান, গুণৱান আৰু বিবিধ সজ গুণান্বিত পুত্ৰ আছিল। কন্দৰ্পকেতুৱে যৌৱনত ভৰি দি এদিন সপোনত পৰম সুন্দৰী ৰাজকন্যাক দেখা পালে। মকৰধ্বজৰ বিজয় পতাকাৰ দৰে লাৱণ্যৰ সঙ্কেত ভূমিৰ নিচিনা সেই সুন্দৰীৰ ৰূপ দেখি কন্দৰ্পকেতুৱে সাৰ পাই নিজক চম্ভালিব নোৱাৰা হ'ল। তাৰ পাছত ৰাজকুমাৰে তেওঁৰ বন্ধু মকৰন্দক লগত লৈ স্বপ্নদৃষ্টা কন্যাক বিচাৰি নগৰৰ পৰা ওলাই গ'ল। পথক্লান্ত দুই বন্ধুৱে বিন্ধ্যাপৰ্বতৰ পাদদেশত এজোপা গছৰ তলত জিৰণি ল'লে। তাতেই কন্দৰ্পকেতুই পাটলিপুত্ৰৰ ৰাজকন্যা বাসৱদত্তাৰ কথা গছত থকা ভাটৌ জোৰাৰ পৰা জানিলে। তাৰ পাছত দুয়ো বন্ধুই পাটলিপুত্ৰৰ ফালে যাত্ৰা কৰিলে।

এদিন বাসৱদত্তায়ো সপোনত কন্দৰ্পকেতুক দেখা পালে আৰু তেওঁৰ নামো জানিলে। তাৰ পাছত তেওঁ সখীয়েকক সেই অপৰূপ যুৱকক বিচাৰি উলিয়াবলৈ ক'লে।

ইফালে ভাটৌ জোৰাৰ কথা মতে আহি কন্দৰ্পকেতু আৰু বাসৱদত্তাৰ মিলন হ'ল। কিন্তু কন্যা পিতৃ শৃঙ্গাৰশেখৰে কোনো এজন বিদ্যাধৰলৈ বাসৱদত্তাক বিয়া দিবলৈ মনস্থ কৰা কথা শুনি বাসৱদত্তাক লৈ কন্দৰ্পকেতুৱে কুসুমপুৰৰ ৰাজ প্ৰসাদৰ পৰা পলাই গৈ আকৌ বিন্ধ্যাটবীত আশ্ৰয় লয়।

কন্দৰ্পকেতু শুই থকা সময়ত বাসৱদত্তাই ফল আহৰণ কৰিবলৈ অৰণ্যত প্ৰবেশ কৰে। বাসৱদত্তাক দেখি তেওঁক পাবলৈ উদ্বাউল হোৱা দুজন কিৰাতৰ মাজত তুমুল দ্বন্দ্ব যুদ্ধ হ'ল। যুদ্ধত দুয়োজনে আশ্ৰমৰ শান্তি ভঙ্গ কৰাত ঋষিয়ে অৰণ্যৰ শান্তি আহৰণ কৰিবলৈ অৰণ্যত প্ৰৱেশ কৰে। বাসৱদত্তাই শান্তি ভঙ্গকাৰী বুলি ভাবি বাসৱদত্তাকে শিলামূৰ্তি হ'বলৈ শাপ দিলে। বাসৱদত্তা শিলাত পৰিণত হ'ল। কন্দৰ্পকেতুৱে টোপনিৰ পৰা উঠি প্ৰিয়াক ক'তো বিচাৰি নাপাই আত্মহত্যা কৰিবলৈ উদ্যত হওঁতে আকাশী বাণীয়ে তেওঁক তেনে দুঃসাহসৰ পৰা বিৰত হ'বলৈ কয় আৰু অচিৰে প্ৰিয়াৰ মিলন হ'ব বুলি আশ্বাস পায়। কন্দৰ্পকেতুৱে মিলনৰ আশাত ঘূৰি ফুৰি ঋষিৰ আশ্ৰমতে থকা প্ৰস্তৰমূৰ্তিৰ ওচৰ পায়।

প্ৰিয়াৰ সৈতে মূৰ্তিৰ সাদৃশ্য দেখা পাই মূৰ্তিটোক আলিঙ্গন কৰিলত বাসৱদত্তাই জীৱন্তৰূপত ধৰা দিলে আৰু আকৌ দুয়োৰে পুনৰ মিলন হ'ল।

সুবন্ধুৰ ৰচনাত প্ৰাকৃতিক বৰ্ণনা বাণৰ দৰে নিপুণ নহ'লেও, শব্দ প্ৰয়োগ আৰু ভাৱ প্ৰকাশত তেওঁৰ নিপুণতা প্ৰকাশ পাইছে। তেওঁৰ ভাষা বাণতকৈ সহজ। তেওঁ অনুপ্ৰাস, উৎপ্ৰেক্ষা, শ্লেষ আদি অলঙ্কাৰত পটু। অলঙ্কাৰ বহুল তেওঁৰ ৰচনাই সেই সময়ত বিশেষ প্ৰশংসা পাইছিল। তেওঁ বক্ৰোক্তিত অতি সুনিপুণ আছিল।

**দণ্ডী ঃ**

গদ্যকাব্যৰ আন এজন প্ৰখ্যাত লিখক দণ্ডী 'অৱন্তিসুন্দৰী কথা'ত লিখা মতে দণ্ডীৰ পূৰ্বপুৰুষসকল গুজৰাটৰ আনন্দপুৰ নামৰ ঠাইৰ নিবাসী। তাৰ পৰা এওঁলোক নাসিকলৈ আহে। তাৰ পিছত 'অচলপুৰ'লৈ আহি তাত বাস কৰে। এওঁৰ আৱিৰ্ভাৱকালক লৈ পণ্ডিত সমাজত মতভেদ আছে। দণ্ডীয়ে আলঙ্কাৰিক ভামহৰ সমালোচনা কৰিছে আৰু আলঙ্কৰিক বামনে দণ্ডীৰ সমালোচনা কৰিছে। ইয়াৰ পৰা অনুমান হয় যে ৭ম শতাব্দীৰ শেষ ভাগ বা ৮ ম শতাব্দীৰ আদিভাগ দণ্ডীৰ সময়। মেক্সমূলাৰ, ৱেবৰ, মেকডোনাল, কৰ্ণেল জেকব আদি পশ্চিমীয়া পণ্ডিত তথা আধুনিক ভাৰতীয় পণ্ডিতসকলৰ মতে দণ্ডী ৭ ম শতাব্দীৰ।

**দণ্ডীৰ দশকুমাৰচৰিত ঃ**

সুবন্ধুৰ 'বাসৱদত্তা' আৰু বাণভট্টৰ 'কাদম্বৰী'ৰ পাছতে দণ্ডীৰ 'দশকুমাৰচৰিত'ক গদ্যসাহিত্যত 'গদ্যত্ৰয়' বুলি জনা যায়। কাহিনীৰ ৰোমাঞ্চকৰ বৰ্ণনা আৰু কৌতুহলোদ্দীপক কথন-ভঙ্গীৰ বাবে 'দশকুমাৰচৰিত' জনপ্ৰিয়। দহজন কুমাৰৰ বৈচিত্ৰ্যপূৰ্ণ জীৱনচৰিত পুথি। দণ্ডীৰ 'দশকুমাৰচৰিত' দুই ভাগত বিভক্ত—পূৰ্ব-পীঠিকা আৰু উত্তৰ-পীঠিকা। পূৰ্ব-পীঠিকা আৰু উত্তৰ-পীঠিকা মুঠতে আঠটা উচ্ছ্বাসৰ সমষ্টি। উত্তৰ পীঠিকাত ৰাজবাহন প্ৰভৃতি আঠজন ৰাজকুমাৰৰ চৰিত্ৰ আৰু কাৰ্যাৱলী বৰ্ণনা কৰা হৈছে। কোনো কোনো পণ্ডিতৰ মতে নামৰ সাৰ্থকতা ৰক্ষাৰ বাবে দুজন ৰাজকুমাৰৰ বৰ্ণনা পূৰ্বপীঠিকাৰ পাছত সুমুৱাই দিয়া হৈছে। আকৌ আন কিছুমানৰ মতে দণ্ডীৰ লিখা এই অংশ হয়তো লোপ হ'বও পাৰে।

**বাণভট্ট ঃ**

সংস্কৃত গদ্য-সাহিত্যত অতি বিখ্যাত আৰু জনপ্ৰিয় কবি বাণভট্ট। বাণভট্টৰ আৱিৰ্ভাৱ কাল সম্পৰ্কে পণ্ডিতসকলৰ মাজত মতানৈক্য আছে। যদিও তেওঁৰ কাল নিৰ্ণয় কৰাটো বৰ সহজ। বাণৰ বিষয়ে সৰ্বজনবিদিত আৰু সৰ্বসন্মত তথ্য অনুসৰি তেওঁ সম্ৰাট হৰ্ষবৰ্ধনৰ সমসাময়িক। হৰ্ষবৰ্ধনৰ কাল ৬০৬-৬৪৬ বা ৬৪৭ খ্ৰষ্টাব্দ বুলি জনাজাত। সেয়ে বাণভট্টৰ কাল ৭ ম শতাব্দী বুলি নিশ্চিন্ততকৈ জনাজাত। খৃষ্টীয় ৬০৬-৬৪৫ চনৰ ভিতৰত ভাৰত ভ্ৰমণ কৰি ভাৰত সম্বন্ধে বিশেষ টোকা ৰচনা কৰি থৈ যোৱা চীনা পৰিব্ৰাজক হিউৱেন চাঙে হৰ্ষবৰ্ধন আৰু তেওঁৰ শাসন ব্যৱস্থাৰ উল্লেখ কৰিছে। বাণেও তেওঁৰ অন্যতম গ্ৰন্থ হৰ্ষচৰিতত হৰ্ষবৰ্ধনৰ জীৱনৰ বিষয়ে অনেক কথা লিখি থৈ গৈছে। হিউৱেন চাঙ আৰু বাণে যে একেজন হৰ্ষৰ বিষয়ে লিখি গৈছে তাত সন্দেহ নাই। ককায়েক ৰাজ্যবৰ্ধনৰ মৃত্যুৰ পিছতে মন্ত্ৰীসকলে হৰ্ষবৰ্ধনক কিদৰে ৰাজপাটত বহি ৰাজ্যশাসন কৰিবলৈ প্ৰেৰণা দিছিল হিউৱেন চাঙে তাৰ সবিশেষ বৰ্ণনা দিছে। একেদৰে হৰ্ষচৰিততো ৰাজ্যবৰ্ধনৰ মৃত্যুৰ পাছত সিংহনাদে হৰ্ষক প্ৰেৰণা দিয়া কথা বাণে উল্লেখ কৰিছে।

নিজৰ বিষয়ে সবিশেষ সম্ভেদ দি যোৱা কবিসকলৰ ভিতৰত বাণ অগ্ৰগণ্য। হৰ্ষচৰিতৰ পাতত বাণে আত্ম পৰিচয় দিছে। তাৰপৰা জনা যায় যে তেওঁৰ পিতামহৰ নাম অৰ্থপতি, পিতৃৰ নাম চিত্ৰভানু আৰু মাতৃৰ নাম আছিল ৰাজদেৱী। তেওঁ বাৎসগোত্ৰীয় ব্ৰাহ্মণ আছিল। পানীকেঁচুৱাতে বাণে মাকক হেৰুৱায়। তেওঁৰ চৈধ্য বছৰ বয়সত পিতৃৰো বিয়োগ হয়। শোকে—দুঃখে ম্ৰিয়মান হৈ তেতিয়া বাণে অনেক লগ-লগৰীয়াৰে সৈতে দেশ পৰ্যটনলৈ ওলায়। অনেক ঠাই ভ্ৰমণ কৰি তেওঁ নানান জ্ঞান অৰ্জন কৰি বাসস্থান প্ৰীতিকূটলৈ উভতি আহে।

হৰ্ষবৰ্ধনৰ ভায়েক কৃষ্ণৰ সূচনা মতে তেওঁ ৰজাক দেখা কৰে আৰু ৰাজানুগ্ৰহ লাভ কৰি প্ৰীতিকূটলৈ আহে। প্ৰীতিকূটৰ লোকসকলৰ অনুৰোধক্ৰমে বাণে হৰ্ষবৰ্ধনৰ বিষয়ে সবিশেষ কথা সকলোকে জনায়।

বাণৰ নামত মূলত ঃ তিনিখন গ্ৰন্থ পোৱা যায়—চণ্ডীশতক, হৰ্ষচৰিত আৰু কাদম্বৰী। নলচম্পূৰ টীকাকাৰ চণ্ডপালে বাণৰ নামেৰে 'মুকুট-তাড়িতক' নামক এখন নাটকৰ উল্লেখ কৰিছে। সম্প্ৰতি দুষ্প্ৰাপ্য।

**হৰ্ষচৰিত ঃ**

'হৰ্ষচৰিত' এখন আখ্যায়িকা শ্ৰেণীৰ গদ্য কাব্য। হৰ্ষচৰিতত

ßÁµÂÓÇËßÁîÅÂÊ› ÎûÌ›òîÂ öÂ¿1 ¿õÃ Û¿õÃò üÊÂó±òîÂ Âó1÷ üÅµ1Ï 1±æÃßÁóÉ±ßÁ ÎõÃà± Âó±Ëü¼
÷ßÁ1ñÃõæÃ1 ¿ÂõæÃµ ÂóîÂ±ßÁ±1 õÃË1 ü±›íË1 üË,îÂ öõÂ¿÷1 ¿ò¿äÂò± Îüý×ÃÃ üÅµ1Ï1 1±Âó ÎõÂ¿à
ßÁµÂÓÇËßÁîÅÂÊ› ü±1 Âó±ý×ÃÃ ¿òæÃßÁ äÂý±¿ùÂõ Îò±›±1±ýÃÃ'ü¼îÂ±1 Âó±åÃîÂ 1±æÃßÅÂ÷±Ë1 ÎîÂÝÒ1 ÂõçÅ ÷ßÁ1µßÁ
ùáîÂ Æü ¦¤›ÝÕÃØ±ßÁóÉ±ßÁ ¿ÂõäÂ±¿1 òá11 Âó1± Ýü±ý×ÃÃ á'ü

বাণে যি বিৱৰণ দিছে, তাৰ লগত চীন পৰিব্ৰাজক হিউৱেন চাঙৰ বিৱৰণ তুলনা কৰিলে বুজিব পাৰি যে কনৌজৰ হৰ্যবৰ্ধনৰ শিলাদিত্যই (৬০৬-৬৪৮ খৃঃ) বাণৰ পৃষ্ঠপোষক আছিল। হৰ্যৰ ৰাজত্ব কালতেই এই গ্ৰন্থ লিখা হয়। ই এখন ঐতিহাসিক গদ্যকাব্য।

বাণৰ 'হৰ্যচৰিত' গ্ৰন্থখন ৮ টা উচ্ছ্বাসত বিভক্ত। ইয়াৰ আৰম্ভণিতে বাণে তেওঁৰ পূৰ্ববৰ্ত্তী কবি সাহিত্যিকসকলৰ যশস্যা বৰ্ণনা কৰিছে। সুৱন্ধু, ভাস, কালিদাস আদিৰ গুণানুকীৰ্ত্তন কৰিছে। ইয়াত প্ৰায় আঢ়ৈ উচ্ছ্বাসত বাণৰ বংশ আৰু কাহিনী বৰ্ণনা কৰা হৈছে। তাৰ পাছত হৰ্যৰ বংশ আৰু কাহিনী বৰ্ণনা কৰা হৈছে। হৰ্যচৰিতৰ আচল কথা আৰম্ভ হয় ৪ ৰ্থ উচ্ছ্বাসৰ পৰা।

থানেশ্বৰৰ ৰজা পুষ্পভূতিৰ বংশত প্ৰভাকৰবৰ্দ্ধন নামে এজন প্ৰতাপী ৰজা আছিল। তেওঁৰ পুত্ৰ ৰাজ্যবৰ্দ্ধন আৰু হৰ্যবৰ্দ্ধন আৰু কন্যা ৰাজ্যশ্ৰী। মৌখৰীৰাজ গ্ৰহ বৰ্মণৰ লগত ৰাজ্যশ্ৰীৰ বিয়া হয়। ৰাজ্যবৰ্দ্ধনে হুনবিলাকক পৰাজয় কৰি উভতি আহে। ইতিমধ্যে মালৱৰাজে গ্ৰহ বৰ্মনক বধ কৰি ৰাজশ্ৰীক বন্দী কৰা বুলি খবৰ পায়। ৰাজ্যবৰ্দ্ধনে মালৱ আক্ৰমণ কৰিবলৈ যাত্ৰা কৰে। ৰাজ্যবৰ্দ্ধনে মালৱৰাজক জয় কৰি উভতি আহোতে বাটতে গৌড়াধিপতিয়ে তেওঁক বধ কৰে। ৰাজ্যবৰ্দ্ধনৰ বিজয় অভিযানৰ সময়তে প্ৰভাকৰৰ মৃত্যু হয়।

এইদৰে গ্ৰহবৰ্মণৰ হত্যা, ৰাজশ্ৰীৰ আটক, ৰাজ্যবৰ্দ্ধনৰ হত্যা আদি বহু বিপদে একেলগে আৱৰি ধৰাত, হৰ্যবৰ্ধনে অসীম ধৈৰ্য আৰু সাহসেৰে এইবোৰৰ প্ৰতিশোধৰ বাবে যুদ্ধ যাত্ৰা আৰম্ভ কৰে। তেওঁ প্ৰথমে গ্ৰহ বৰ্মণৰ মৃত্যুৰ পাছত বিন্ধ্য পৰ্বতৰফালে পলাই যোৱা ৰাজ্যশ্ৰীক বিচাৰি যায়। হৰ্যবৰ্ধন আৰু ৰাজ্যশ্ৰীৰ সাক্ষাততে গ্ৰন্থখন শেষ হোৱাত হঠাতে শেষ হোৱা যেন লাগে।

'হৰ্যচৰিত' এখন ঐতিহাসিক কাব্য। ইয়াত সেই সময়ৰ ভাৰতৰ ঐতিহাসিক, বৌদ্ধিক আৰু সাংস্কৃতিক জীৱনৰ বহু ছবি দাঙি ধৰা হৈছে। ইয়াৰ ঐতিহাসিক মূল্য যথেষ্ট উল্লেখযোগ্য। তথাপি ই এখন কাব্যহে, ইতিহাস নহয়।

**কাদম্বৰী ঃ**

কাদম্বৰী গ্ৰন্থখন সংস্কৃত গদ্য সাহিত্যৰ আটাইতকৈ শ্ৰেষ্ঠ ৰচনা। ই দুই ভাগত বিভক্ত—পূৰ্বাৰ্দ্ধ আৰু উত্তৰাৰ্দ্ধ। পূৰ্বাৰ্দ্ধ গ্ৰন্থখনৰ দুই-তৃতীয়াংশ বাণৰ ৰচিত। কিন্তু উত্তৰাৰ্দ্ধ ভাগ তেওঁৰ মৃত্যুৰ পাছত তেওঁৰে সুযোগ্য পুত্ৰ পুলিন্দভট্টই (ভূষণভট্ট) এই অংশ ৰচনা কৰি কাদম্বৰী গ্ৰন্থখন সম্পূৰ্ণ কৰে। কাদম্বৰী কথাত উজ্জয়িনীৰ চন্দ্ৰাপীড় আৰু গন্ধৰ্বকুমাৰীৰ প্ৰণয়কাহিনীয়ে ইয়াৰ প্ৰধান কাহিনী। প্ৰাসঙ্গিক কাহিনী-পুণ্ডৰীক আৰু মহাশ্বেতাৰ (কাদম্বৰীৰ সখী) প্ৰণয়কাহিনী। ইয়াৰ বক্তা বৈশম্পায়ন নামে এটা শুকপক্ষী আৰু শ্ৰোতা বিদিশাধিপতি শূদ্ৰক।

কাদম্বৰী গ্ৰন্থখনৰ কাহিনীভাগ এনে ধৰণৰ—এদিনাখন এজনী চণ্ডালৰ ছোৱালীয়ে মানুহৰ মাত মাতি কথা কব পৰা এটা ভাটৌ চৰাই লৈ শূদ্ৰকৰ ৰাজসভাত উপস্থিত হ'ল। বৈশম্পায়ন নামৰ এই ভাটৌ চৰাইটোৰ মুখৰ পৰা কাদম্বৰীৰ কথা ওলাল। ভাটৌটোৰ কথাৰ মাজতে জাবালিয়ে কোৱা চন্দ্ৰাপীড় আৰু বৈশম্পায়নৰ কথা ওলাল। তাৰ মাজতে আকৌ মহাশ্বেতাই কোৱা মহাশ্বেতা আৰু পুণ্ডৰীকৰ প্ৰণয় কাহিনীও ওলাই পৰে। তাৰ পাছত কাদম্বৰীৰ লগত চন্দ্ৰাপীড়ৰ সাক্ষাৎ হয় আৰু দুয়ো দুয়োৰে প্ৰতি আকৃষ্ট হয়। চন্দ্ৰাপীড় উজ্জয়িনীলৈ উভতি আহে। তাৰ পাছত পত্ৰলেখাই চন্দ্ৰাপীড়ক কাদম্বৰীৰ খবৰ জনালে। ইয়াতে কাদম্বৰীৰ পূৰ্বভাগ শেষ হয়।

ইফালে মহাশ্বেতাক পাবলৈ ইচ্ছা কৰা বৈশম্পায়নক মহাশ্বেতাই অভিশাপ দিয়াত বৈশম্পায়নে এটা ভাটৌ চৰাইৰ ৰূপ লয়। এনে অৱস্থাতে কাদম্বৰীক বিচাৰি অহা চন্দ্ৰাপীড়ে বন্ধুৰ এনে শোকাৱহ অৱস্থা দেখি দেহ ত্যাগ কৰে। মৃত্যুত কাদম্বৰীয়ে বিলাপ কৰে আৰু পিতৃ-মাতৃ তাৰাপীড় আৰু বিলাসৱতী শোকাভি ভূত হয়। জাৱালিৰ কথা ইয়াত শেষ হয়।

তাৰ পাছত ভাটৌ চৰাইটোক (পুণ্ডৰীকক) বিচাৰি বন্ধুৱে জাৱালিৰ আশ্ৰম পায়। চৰাইটো এদিন উৰি গুচি গ'ল। এজন চণ্ডালে ধৰি জীয়েকক দিয়ে আৰু জীয়েকে তাক লৈ শূদ্ৰকৰ ওচৰলৈ আনে। চণ্ডালৰ জীয়েকে নিজকে পুণ্ডৰীকৰ মাক লক্ষ্মীদেৱী বুলি পৰিচয় দিয়ে।

পুণ্ডৰীকেই পূৰ্ব জন্মৰ বৈশম্পায়ন আৰু এই জন্মৰ ভাটৌ চৰাই। শূদ্ৰকেই আগৰ জন্মৰ চন্দ্ৰাপীড়। ইয়াকে কৈ লক্ষ্মীদেৱী অন্তৰ্দ্ধান হ'ল। পাছত শূদ্ৰক আৰু ভাটৌ চৰাইয়ে দেহত্যাগ কৰি আকৌ চন্দ্ৰাপীড় আৰু পুণ্ডৰীক হৈ নতুন জীৱন পালে। শেষত কাদম্বৰীৰ লগত চন্দ্ৰাপীড়ৰ আৰু মহাশ্বেতাৰ লগত পুণ্ডৰীকৰ মিলন হয় আৰু ইয়াতে কাহিনীভাগৰ সমাপ্তি ঘটে।

কাদম্বৰীৰ ৰচনাতে বাণৰ যশস্যা সু প্ৰতিষ্ঠিত। অৱশ্যে পাশ্চাত্য পণ্ডিত ৱেবাৰে তেওঁক কঠিন ভাষাৰে সমালোচনা কৰিছে। নায়ক-নায়িকাৰ বৰ্ণনা আৰু প্ৰাকৃতিক বৰ্ণনাৰ অফুৰন্ত আগ্ৰহত মাত্ৰা হেৰাই গৈছে। দ্ব্যৰ্থক শব্দ, দীঘল সমাসবদ্ধ পদ আদিৰ প্ৰয়োগৰ বাবে পাঠকৰ সংযোগ বিচ্ছিন্ন হয়। মূল আখ্যানৰ লগত অপূৰ্ব কৌশলেৰে বহুতো আখ্যান সংযোগ কৰি দিয়াৰ বাবেও পাঠক দিক্‌হাৰা হয়। ৱেবাৰৰ এতিয়াৰ সমালোচনা বৰ্তমানৰ ৰুচিৰ ফালৰ পৰা হয়তো সত্য হ'ব পাৰে। কিন্তু বাণভট্টৰ যুগত থিয় দি ভাবিলে ই মুঠেই দুৰ্ব্বোধ্য নহয়। গতিকে কবিৰ যুগত আৰু তাৰ কিছু পাছৰ যুগতো ই অতি আদৰৰ উচ্চ স্তৰৰ গদ্যকাব্য আছিল। আজি আমাৰ শব্দজ্ঞান আৰু শব্দৰ ব্যুৎপত্তি কমি অহা বাবেহে এনে মতৰ অৱতাৰণা হৈছে। বাণভট্টৰ দুয়োখন গদ্যকাব্যই উচ্চ প্ৰশংসা লাভ কৰি আহিছে। ●

# সাম্প্ৰতিক সমাজ জীৱনত মহাপুৰুষ শঙ্কৰদেৱৰ আদৰ্শ কিমান প্ৰাসঙ্গিক

**কামাখ্যা প্ৰসাদ ডেকা**
**ভাৰপ্ৰাপ্ত গ্ৰন্থাগাৰিক**

এজন ক্ষণজন্মা পুৰুষৰ কালজয়ী প্ৰতিভা অসীম প্ৰভাবেৰে এটা জাতি, এখন সমাজ সভ্যতাৰ আকাশত অনন্ত কাললৈ প্ৰতিভাত হৈ থাকিব পাৰে। মহাকবি উইলিয়াম শ্বেইক্সপীয়েৰ, মহামানৱ মহাত্মা গান্ধী এনে প্ৰতিভাৰ উজ্জ্বল নিদৰ্শন। অসমৰ জাতীয় বুৰঞ্জীত শ্ৰীমন্ত শঙ্কৰদেৱৰ আবিৰ্ভাৱ এক যুগান্তকাৰী ঘটনা।

খৃষ্টীয় চতুৰ্দশ শতিকাত সমগ্ৰ উত্তৰ ভাৰতত যি ধৰ্মীয় বিপ্লৱৰ ঢল নামিছিল তাৰ ফলত ভাৰতীয় সভ্যতাৰ ইতিহাসত নতুন যুগৰ সূচনা হয়, আধ্যাত্মিক চিন্তাদৰ্শনতো নতুন দিগন্তৰ উন্মোচন ঘটে। পঞ্চদশ শতিকাত অসমতো মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ নেতৃত্বত নৱবৈষ্ণৱ ভক্তি আন্দোলন গঢ়ি উঠে। এইখিনিতে এটা কথা স্পষ্ট কৰি দিয়া ভাল যে বৈষ্ণৱ ধৰ্ম এটা বস্তু, তাৰ মাজত নৱবৈষ্ণৱ আকৌ কেনেদৰে আহিল? ঠিক এনে প্ৰশ্নৰ অৱকাশ নথকা নহয়। উক্ত আন্দোলন মূলতঃ ধৰ্মীয় তথা সমাজ সংস্কাৰক আন্দোলন। ই এক বৈপ্লৱীক চিন্তা-চেতনাৰে মানুহৰ বাবে ধৰ্মক এক জীৱন পদ্ধতি হিচাবে প্ৰতিষ্ঠিত কৰাৰ লগতে মানৱীয় প্ৰমূল্য সমূহক পুনৰুজ্জীৱিত কৰাত জাগৰণ আনিলে।

অসমৰ জাতীয় জীৱনৰ ইতিহাসত নৱবৈষ্ণৱ ভক্তি আন্দোলন উল্কাৰ দৰে আকাশৰ পৰা হঠাৎ আহি পৰা ঘটনা নহয়। সৌভাগ্য নে দুৰ্ভাগ্য কোৱা টান যে অসমৰ ধৰ্মীয় ইতিহাস জানিবলৈ দুখন প্ৰাচীন গ্ৰন্থ যেনে ‘কালিকাপুৰাণ’ আৰু ‘যোগিনীতন্ত্ৰ’ৰ বাহিৰে আন কোনো তথ্য পাবলৈ নাই। অৱশ্যে সেই দিশত আলোচনা কৰা আমাৰ এই নিবন্ধৰ বিষয়বস্তু নহয়। চমুকৈ কওঁ যে সেই সময়ৰ সমাজ জীৱনৰ দুৰ্যোগপূৰ্ণ পটভূমি বৰ জীৱন্ত হৈ উঠিছিল। ত্ৰয়োদশ শতিকাৰ আৰম্ভণিৰ পৰা পঞ্চদশ শতিকাৰ মধ্যভাগলৈ এই সুদীৰ্ঘ সময়ছোৱা কামৰূপৰ বুৰঞ্জীৰ অন্ধকাৰ যুগ বুলিব পাৰি। উচ্চ আধ্যাত্মিক দৰ্শনত আধাৰিত কোনো সামাজিক আদৰ্শ নাছিল। কেৱল ভিন ভিন সম্প্ৰদায়ভুক্ত সমাজৰ বহু ধৰ্মীয় মতবাদ, ধ্যান ধাৰণা, অদ্ভুত আচাৰনিষ্ঠ ধৰ্ম সাধনাৰ নিৰ্দেশ, নীতি নিয়ম যিবোৰ প্ৰকৃতাৰ্থত সভ্য মানুহৰ চৰিত্ৰৰ পৰিপন্থী, অৰ্থাৎ এককথাত অকৰ্ম, আনকি দেৱ-দেৱীৰক অনুগ্ৰহ লাভৰ বাবে জীৱহত্যাৰ দৰে জঘন্য ক্ৰিয়াকাণ্ডক ধৰ্মীয়কৰণেৰে দুৰ্নীতিপুষ্ট এক অত্যন্ত ব্যভিচাৰী বাতাৱৰণ বিৰাজ কৰিছিল। গুৰুচৰিতত এই অৱস্থাৰ উল্লেখ সুন্দৰভাৱে পোৱা যায়—

পূৰ্বকালে ইটো ৰাজ্যে নাছিল ভকতি।
নানাদেৱ পূজা মাত্ৰ আচৰে সম্প্ৰতি।।
নানাদেৱ পূজয় কৰয় বলিদান।
হংস ছাগ মহিষ কাটি অসংখ্য প্ৰমাণ।

এনেদৰে আধ্যাত্মিক চিন্তা চেতনাৰ পৰা জ্ঞানৰূপী সূৰ্য ক্ৰমান্বয়ে আঁতৰি যোৱাৰ ফলত অসমৰ জাতীয় জীৱনলৈ কাল সন্ধিয়াৰ ঘোৰ অমানিষা নামি আহিছিল। হেন সময়তে মহাকবি বাল্মীকিৰ ‘ৰামায়ণ’ত বৰ্ণিত সীতাহৰণ ঘটনাৰ দৰে ৰাম লক্ষ্মণৰ অনুপস্থিত মহাকালৰূপী ৰাৱণে পঞ্চৱতী বনৰ পৰ্ণ কুটীৰৰ পৰা অসহায়া সীতা আইক হৰণ কৰি নিয়াৰ ঘটনা অসমী আইৰ ক্ষেত্ৰতো ঘটিল। কোৱা বাহুল্য যে ধৰ্মদৰ্শন, সমাজ আৰু সংস্কৃতিৰ ক্ষেত্ৰত এক শক্তিজীৱি কৰ্ত্তৃত্ববাদৰ (authoritarianism) আগ্ৰসন প্ৰৱল বেগে গা কৰি উঠিল। ফলত ধৰ্মৰ মূল উদ্দেশ্য হেৰাই গ'ল। য'ত কেৱল স্বৰ্গসুখ লাভেই জীৱনৰ একমাত্ৰ লজ্জা ৰূপে পৰিগণিত কৰিব বিচৰা হ'ল। কামনা বাসনাৰ মোহময়ী লালসাত অকল দেহি দেহি— ৰূপং দেহি, জয়ং দেহি, যশোঃ দেহি প্ৰভৃত্তিৰে মানুহক একপ্ৰকাৰ ভিক্ষাৰীৰ শাৰীলৈ নমাই অনা হ'ল। এনে ধৰণৰ ধৰ্মীয়তা সামাজিক বিভ্ৰাট, অনাচাৰ, অবিচাৰ আৰু ক্ৰমাগত বৌদ্ধিক দাৰিদ্ৰৰ বিৰুদ্ধে এক উচ্চ আধ্যাত্মিক আদৰ্শৰ ওপৰত আধাৰিত

জীৱন দৰ্শন, মানৱীয় মূল্যবোধৰ ধাৰণাৰে উদ্বুদ্ধ জীৱন পদ্ধতি প্ৰতিষ্ঠিত কৰা, মানসিকভাৱে সৰ্ব্বোত্তম বিকাশ সাধনৰ প্ৰচেষ্টাই আছিল ভক্তি আন্দোলনটিৰ মূল উদ্দেশ্য। অসমতো এনে এক সময় সন্ধিত নৱবৈষ্ণৱ ভক্তি আন্দোলনৰ অন্যতম প্ৰবক্তা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তেতিয়াৰ বহু খেলত বিভক্ত সম্প্ৰদায় সমূহক একত্ৰ কৰি একেখন ধৰ্মীয় পতাকাৰ তলত বহুৱাই এক জাতি, এক প্ৰাণৰ ভাৱনাৰে উদ্বুদ্ধ কৰি এখন সৰ্বাঙ্গসুন্দৰ মানুহৰ সমাজ গঠনৰ উদ্দেশ্যে ভক্তি আন্দোলনৰ যোগেদি উদাত্ত আহ্বান দিছিল। ভক্তি ধৰ্মৰ উত্তম প্ৰকাশক গ্ৰন্থ 'ভাগৱত পুৰাণ'ৰ 'কৃষ্ণস্তু ভগবান স্বয়ং', গীতাৰ 'একশৰণ' আৰু পদ্মপুৰাণৰ ভগৱন্তৰ নাম, গুণানুকীৰ্ত্তন সাৰোদ্ধাৰেৰে— একশৰণ হৰি নাম ধৰ্মৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিবলৈ ক'লে—

কলিত কেৱল হৰিনাম মহাধৰ্ম।
এহিমানে সমস্ত শাস্ত্ৰৰ তত্ত্বমৰ্ম।। (ভক্তি-ৰত্নাকৰ)

অনন্ত কৌটি ব্ৰহ্মাণ্ডৰ হৰিহে অধিকাৰী বেদৰ বিহিত আন ধৰ্মসমূহ হৰিনামৰ কিঙ্কৰ। হীনকুলীয়া বুলি সমাজত সদায় অৱহেলিত সকলৰ বৌদ্ধিক সাংস্কৃতিক আৰু আৰ্থসামাজিক বিকাশৰ বাবেও আন্দোলনৰ যোগেদি আঁচনিভুক্ত কৰা হ'ল আৰু ধৰ্মীয় আদৰ্শৰ যোগেদি ঘোষণা কৰা হ'ল—

নাহি ভকতিত জাতি অজাতি বিচাৰ।

গ্ৰীক দাৰ্শনিক চক্ৰেটিছ, প্লেটোৰ দৰে শঙ্কৰদেৱে ৰাজনৈতিক তত্ত্ব আবিষ্কাৰ কৰা নাছিল সঁচা। অথচ ফৰাচী বিপ্লৱৰ বহুকাল পূৰ্বে অসমত 'নামঘৰ' নামৰ বিশেষ অনুষ্ঠান প্ৰতিষ্ঠাৰ যোগেদি সমমৰ্যাদা, সম-অধিকাৰ দাবীৰে মানৱ অধিকাৰ আৰু গণতান্ত্ৰিক আদৰ্শৰ প্ৰথম প্ৰবক্তা।

সমস্ত প্ৰাণীক সাৰৰূপে মনে মানি।
কৰা তুতি প্ৰণতি উদ্ধৱ মহাজ্ঞানী।।
ব্ৰাহ্মণ চণ্ডাল চোৰ দাতা ক্ৰূৰ শান্ত।
সবাত আমাক তুমি দেখিবা নিতান্ত।
(সপ্তদশ অধ্যায় ঃ ভক্তি-ৰত্নাকৰ)

'পৰ ধৰ্মক নিহিংসিবা কদাচিৎ।'

আদি শিকনিৰে বৰ্ণ বিভেদ, জাতিভেদৰ দুৰ্লঙ্ঘ্য প্ৰাচীৰ ভাঙি শান্তিকামী সমাজৰ সুদৃঢ় ভেঁটি নিৰ্মাণ কৰিছিল য'ত গোষ্ঠীগত সংঘৰ্ষৰ স্থান নাই, আছিল শান্তিপূৰ্ণ সহঅৱস্থানৰ বাবে সুস্থিৰ পৰিৱেশ।

ঈশ্বৰ, জগত, সৃষ্টি, মায়া, আত্মা-পৰমাত্মা, মোক্ষ আদি জটিল দাৰ্শনিক তত্ত্ব মহাপুৰুষে বিচক্ষণ প্ৰতিভাৰ বলত মাতৃভাষালৈ অনূদিত কৰি সৰ্বসাধাৰণ লোকৰ বোধগম্য কৰি জাতিটোৰ যি উপকাৰ সাধিলে তাৰ তুলনা নাই।

আজিৰ যুগ বিজ্ঞানৰ যুগ। তথ্য-প্ৰযুক্তিৰ চৰম উন্নতিৰ সময়ত মধ্যযুগীয়া শঙ্কৰ দৰ্শন বা আদৰ্শ বৰ্তমানৰ সমাজৰ বাবে কিমান প্ৰাসঙ্গিক, তাকে লৈ প্ৰশ্নৰ অৱকাশ নথকা নহয়। এই সন্দৰ্ভত এই কথা উল্লেখ কৰিব পাৰি যে মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত এক শৰণ হৰিনাম ধৰ্ম দৰ্শন আৰু আদৰ্শ সমূহ বৈজ্ঞানিক সত্য আৰু বিশুদ্ধ মতাদৰ্শৰ ওপৰত প্ৰতিষ্ঠিত। ধৰ্মগুৰু হিচাবে বাদ দিলেও মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱেক সমাজ বিজ্ঞানী হিচাবে স্বীকাৰ কৰিবই লাগিব। কিয়নো তেওঁৰ দৰ্শন, আদৰ্শ আৰু প্ৰতিভাত বৈজ্ঞানিক মানসিকতাৰ পৰিচয় স্পষ্ট। জোনাকী যুগতে সাহিত্যৰথী বেজবৰুৱাই 'বাঁহী'ৰ পাতত অসম-সঙ্গীত ৰচি ঘোষণা কৰিলে—

শঙ্কৰে দিলে বিশুদ্ধ ধৰম
লাচিতে বাহুত বল
সতী জয়মতীৰ সতীত্ব তেজেৰে
অসমী আই প্ৰবল।

শঙ্কৰদেৱৰ প্ৰৱৰ্ত্তিত একশৰণ হৰিনাম ধৰ্মৰ উচ্চ আদৰ্শ সমূহে এই ধৰ্মদৰ্শনক বিশেষ বৈশিষ্ট্য প্ৰদান কৰিছে। ইয়াৰ অজস্ৰ উদাহৰণ আছে। তাৰে এটা বা দুটা ল'লেই এই কথাৰ সত্যতা প্ৰতিপন্ন হ'ব। যেনে— একশৰণ হৰিনাম ধৰ্মত নিষ্ঠুৰ নিয়মাৱলী, কঠোৰ নীতি-নিৰ্দেশ স্থাপন অৰ্থাৎ জাপি দিয়া (imposition) দস্তুৰ নাই; বৰং সত্য সুন্দৰক উজলাই ধৰা (exposition) অৰ্থাৎ বন্ধু, ভাই-ভনীৰ আলোচনাত সকলো কথা ভাঙিপাতি কোৱাৰ দৰে মৰমসনা দস্তুৰহে আছে। ইয়াত যি ভদ্ৰতাৰ প্ৰকাশ তাক দেখিলে সঁচাকৈ অভিভূত নোহোৱাকৈ থকা টান। ঠায়ে ঠায়ে ভাতৃত্বৰ মধুৰ সম্ভাষণেৰে গুৰুৱে শিষ্যক কৈছে—

'ভাৱক ভাই ভজ ভগৱন্ত ভক্তিভাৱে।
ভগৱন্ত ভজিয়া পৰম গতি পাৱে।' (নাম-ঘোষা)

আকৌ মাত্ৰ এফাঁকি পদেৰে জীৱৰ মুক্তি সন্ধান দিবলৈ যত্ন কৰাৰ উদাহৰণ—

ভাই মুখে বোলা ৰাম হৃদয়ে ধৰা ৰূপ।
এতেকে মুকুতি পাইবা কহিলো স্বৰূপ।।
(কীৰ্ত্তন-ঘোষা ঃ স্যমন্ত হৰণ)

যন্ত্ৰশাসিত যুগত আজিৰ মানুহৰ মন এনে ভাবনাই কিভাৱে আকৰ্ষণ কৰিব সেই কথা কোৱা টান। কিন্তু এটা সময় আছিল যি সময়ত শক্তিয়ে সকলোকে উৎপীড়ন কৰিছিল, ধৰ্মৰ নামত ব্যভিচাৰ, ভ্ৰষ্টাচাৰ চলিছিল। কৌশলগত বৌদ্ধিক প্ৰতাৰণাৰে নিৰক্ষৰ হোজা সহজ সৰল সমাজত বেদৰ দোহাই দি কু-সংস্কাৰ, অন্ধবিশ্বাস যেনে— তন্ত্ৰ-মন্ত্ৰ, ভূত-প্ৰেত আদিৰ পূজাৰে এক প্ৰকাৰ শোষণ-শাসনৰ ষড়যন্ত্ৰকাৰী এক শ্ৰেণীৰ প্ৰভাৱ শক্তিশালী হৈ পৰিছিল। সাংসাৰিক যন্ত্ৰণাত কাতৰ সকলে জীৱৰ প্ৰতি, সংসাৰৰ প্ৰতি মোহভঙ্গ অৱস্থাত ভগৱানে একমাত্ৰ আশ্ৰয় বুলি প্ৰচলিত ধৰ্মত শৰণ ল'বলৈ গৈ অকৰ্ম কৰি অধঃপতিতহে হৈছিল। শান্তি বিচাৰি অজ্ঞান অন্ধকাৰৰ বুকুত কক্‌বকাই মৰিব লগা অৱস্থাৰ পটভূমি সমাজত জীৱন্ত হৈ উঠিছিল। তেতিয়াই মহাপুৰুষ শঙ্কৰদেৱে মানৱ প্ৰেমৰ বাণী লৈ জনশিক্ষাৰে নৃত্য, নাট, ভাওনা, বৰগীত আদি শক্তিশালী গণমাধ্যমৰ যোগেদি অধঃপতিত সমাজখন শোষণ নিপীড়নৰ বিৰুদ্ধে কোঙা হোৱা মেৰুদণ্ড পোনাই থিয় হৈ অন্যায়ৰ প্ৰতিবাদেৰে মানৱ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছিল। শিকনিসমূহ আছিল—

ধৰ্ম অধিকাৰ মানুহৰ জন্মগত চৰ্ত্ত। বিশ্বনিয়ন্তা ঈশ্বৰ এজনহে।

আত্মা-পৰমাত্মাৰ মিলন অধিক ওচৰ চপাই আনিবলৈ তেখেতে সাংসাৰিক বৈৰাগ্য, জীৱন বিমুখ মুক্তিবাঞ্ছাৰ বিপৰীতে ঈশ্বৰক ঐশ্বৰ্যময় স্বৰ্গৰ পৰা নমাই আনি মৰ্ত্তৰ দুখীয়াৰ পঁজাত স্থাপন কৰি ঈশ্বৰৰ কৃপা লাভৰ উপায় দিবলৈ গৈ ক'লে—

গৃহতে থাকিয়া হৰিক স্মৰিয়া
মোক্ষ সাধা হৰিনামে।।

ইয়াৰ উপৰিও 'নামঘৰ' অনুষ্ঠানৰ সৃষ্টি কৰি নৃত্য-গীত, ভাওনা, মুখা, বাদ্য আদি কলা-কৃষ্টিৰ শিক্ষাৰে এটা সংস্কৃতিবান জাতি গঠনৰ প্ৰচেষ্টা আৰু তাত সফলতা লাভ এক বিৰল দৃষ্টান্ত। নামঘৰত নিয়মিতভাৱে পাঠকে পুথিপঢ়া, ভকতে শ্ৰৱণৰ যোগেদি ভক্তিৰস পানকৰা, পুথি প্ৰণয়নে সাহিত্য সৃষ্টি, অধ্যয়নৰ অভ্যাস গঠনৰ (creating reading habit) চেষ্টা জ্ঞানী সমাজ গঠনৰ (Knowledge society) আৰ্হিৰ নামান্তৰ।

বৈষ্ণৱ আন্দোলনকো শুদ্ধ নীতি আৰু আদৰ্শই বিশেষ বৈশিষ্ট্য প্ৰদান কৰিছিল। আজিৰ আন্দোলনৰ স্পষ্ট নীতি নাই। বহু সময়ত নেতাৰো কোনো আদৰ্শ নাই। অৱশ্যে সকলোৰে ক্ষেত্ৰত একে কথা প্ৰযোজ্য নহয়। ব্যতিক্ৰমো আছে। নীতি আদৰ্শৰ বিচাৰত শঙ্কৰদেৱ আছিল হিমাদ্ৰীৰ দৰে অলৰ অচৰ। আজিৰ দৰে হোৱা হ'লে নিজৰ স্বাৰ্থলৈ চাই তেতিয়াও কোনো ৰাজশক্তি অনুগ্ৰহত শিৰোমণি কবিৰত্ন উপাধিৰে 'ৰয়েলি যি, পেষ্ট্ৰনাইজ্‌ড্' হৈ সাহিত্য-সঙ্গীত চৰ্চা কৰিও স্বৰ্গসুখত জীৱন অতিবাহিত কৰিব পাৰিলেহেঁতেন। আনহাতে তেওঁৰ জীৱনৰ বহুত সংকট কালত লোৱা কঠিন সিদ্ধান্তবোৰো মন কৰিবলগীয়া। সেইবোৰলৈ লক্ষ্য কৰিলে কেতিয়াবা তেওঁ যুগনায়ক, সমাজ সংস্কাৰক আৰু কেতিয়াবা এজন বিপ্লৱী হিচাবে সমালোচকৰ দৃষ্টিত ধৰা দিয়ে।

শঙ্কৰদেৱৰ প্ৰতিভাৰ নিৰহংকাৰী স্বভাৱ অন্য এক উল্লেখনীয় বৈচিত্ৰ্য। নিজে বিদগ্ধ পণ্ডিত হৈয়ো গৰ্বশূন্য হৈ অগ্ৰজ-অনুজৰ প্ৰতি অসীম শ্ৰদ্ধা-প্ৰীতিৰ ভাব অন্তৰত পোষণ কৰিছিল। ৰামায়ণ সম্পূৰ্ণ কৰা সময়ত অগ্ৰজ 'পূৰ্ব কবি অপ্ৰমাদী মাধৱ কন্দলি' আদি আখ্যাৰে গুণীৰ গুণ বুজা আৰু যোগ্যজনক যথোচিত সন্মান যাচিব জনা উদাৰ স্বভাৱৰ পৰিচয় দাঙি ধৰিছিল। যিটো সকলোৰে বাবে অনুকৰণীয়।

আজি আমি যিখন পৃথিৱীত বাস কৰিছো তাত মানৱ জাতি ক্ৰমান্বয়ে ন-ন সংঘাত সমস্যাৰ মুখামুখি হ'ব ধৰা সকলোৱে লক্ষ্য কৰিছে। এই সমস্যা দুই ধৰণে উদ্ভৱ হৈছে— এক প্ৰাকৃতিক কাৰণ, আনটো মানৱ সৃষ্ট। বিশ্ব পৰিৱেশ তন্ত্ৰৰ ভাৰসাম্যহীনতা গোলকীয় উষ্ণতা (global warming), সন্ত্ৰাসবাদ প্ৰমুখ্যে হেজাৰ সমস্যাই সকলোকে সন্ত্ৰাসিত কৰি তুলিছে। আমাৰ মহাপুৰুষে তেতিয়াই এনে অৱস্থাৰ কথা চিন্তা কৰি পৰিৱেশ সজাগতা, জীৱকুলৰ সুৰক্ষাৰ হকে উপদেশ দিছিল—

যত জীৱ জঙ্গম কীট পতঙ্গম
অগ নগ জগ তেৰি কায়া।
সবকছু মাৰি পূৰত ওহি উদৰ
নাহি কৰত ভূত দায়া। (বৰগীত)

নামাৰিবে পশুক এড়িবে মাংস আশা।
(নিমি নৱসিদ্ধ সংবাদ)

ইয়াত মানুহে নিজৰ স্বাৰ্থৰ বাবে প্ৰকৃতি অৰ্থাৎ গছ গছনি, জীৱ-জন্তু আদি হত্যা ধ্বংস কৰি জগতৰ বিনাশ নকৰি জীৱৰ প্ৰাণ স্বৰূপ প্ৰকৃতিক ৰক্ষা কৰি ভূতদায়া অৰ্থাৎ জীৱৰ প্ৰতি দয়া মৰমেৰে প্ৰকৃতিপ্ৰেমী হ'বলৈ উপদেশ দি গৈছে। অথচ কোটি টকীয়া আঁচনিৰে আজিৰ চৰকাৰে পৰিৱেশ সংৰক্ষণ, গঁড়হত্যা, বননি ধ্বংসৰ গৰাহৰপৰা পৃথিৱী ৰক্ষাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে।

শঙ্কৰদেৱ মূলতঃ ধৰ্মগুৰু। একশৰণ হৰিনাম ধৰ্মৰ প্ৰৱৰ্ত্তনেৰে মানৱতাৰ প্ৰবক্তা। আজিৰ ইণ্টাৰনেট যুগৰ শিক্ষাৰ্থীসকল তেওঁৰ ধৰ্মত দীক্ষিত হৈ দীঘলকৈ চুলি ৰাখি গলত গামোচা লৈ নামঘৰলৈ গৈ 'কৃষ্ণ কৃষ্ণ' বুলি কীৰ্ত্তনত ব্ৰতী হ'বলৈ নিৰ্দেশ দিব বিচৰা নাই। চাৰিবেদ চৈধ্যশাস্ত্ৰ আৰু ওঠৰখন পুৰাণ সাৰ ভাগৱত গ্ৰন্থৰ আধাৰত মাতৃভাষাক স-সন্মানে শিৰত তুলি সৰ্বসাধাৰণৰ বোধগম্য, অসমৰ মৌচাক কীৰ্ত্তন পুথিৰ দৰে অমূল্য গ্ৰন্থৰ সৃষ্টিৰে জাতীয় জীৱনক, মাতৃভাষাক উচ্চতাৰ চৰম শিখৰত প্ৰতিষ্ঠা কৰাৰ দৃষ্টান্তৰ প্ৰতিহে মনোযোগ আকৰ্ষণ কৰিব বিচৰা হৈছে। ধৰ্মৰ প্ৰচাৰমুখী আদৰ্শ আৰু শিক্ষাৰ জৰিয়তে কল্যাণকামী, সৰ্বাঙ্গ সুন্দৰ মানুহৰ সমাজ গঠনৰ প্ৰচেষ্টাৰ লগে লগে বৈজ্ঞানিক মানসিকতাৰ প্ৰতিফলন আৰু যুগোপযোগী শিক্ষাৰ অনুকৰণৰ প্ৰতি দৃষ্টিপাত যেনে— সমসাময়িক যুগৰ কোঁচ ৰাজেশ্বৰ বিচক্ষণ নৃপতি নৰনাৰায়ণৰ নিৰ্দেশত হাতী মাৰি ভুৰুকাত ভৰাবলৈ যাওঁতে সৃষ্টি হোৱা 'গুণমালা' পুথি শঙ্কৰদেৱৰ অসাধাৰণ পাণ্ডিত্যৰ পৰিচায়ক। তথ্য-প্ৰযুক্তিৰ বিস্ফোৰণৰ যুগত (Information explosion) আধ্যাত্মিক দৰ্শনৰ প্ৰচাৰ প্ৰকাশৰ Miniaturization বুলি ক'লেও বোধহয় ভুল কোৱা নহ'ব। আজিৰ প্ৰতিযোগিতামূলক বিশ্বত নিজৰ যোগ্যতা প্ৰতিপন্ন কৰিবলৈ, মানৱী গুণ, কৰ্মদক্ষতাৰে সৎ চৰিত্ৰবান মানুহ হ'বলৈ আৰু তাৰ বলত নিজৰ বাবে, দহৰ বাবে অৰ্থাৎ জাতিটোৰ বাবে কিঞ্চিৎ অৰিহণা যোগাবলৈ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দৰ্শন আদৰ্শ আৰু শিক্ষা সকলো কালৰ বাবে উপাদেয় তথা প্ৰাসঙ্গিক। অকল সেয়ে নহয়, চিৰ নবীন, চিৰ উজ্জ্বল চিৰ সুন্দৰ যুগৰ প্ৰভাৱে ইয়াক নিঃষ্প্ৰভ কৰিব নোৱাৰে। ●

**সহায়ক গ্ৰন্থ ঃ**

ক) *মহীয়সী-মুকুৰ* ঃ প্ৰথম প্ৰকাশ, ফেব্ৰুৱাৰী,২০১৫, সম্পাঃ ড০ ইন্দিৰা শইকীয়া বৰা

খ) *পণ্ডিত তীৰ্থনাথ শৰ্মা সোঁৱৰণী বক্তৃতামালা* (প্ৰথম খণ্ড), সম্পাঃ ড০ প্ৰণতি শৰ্মা গোস্বামী, পৰমানন্দ মজুমদাৰ

গ) *মুকুতি*, স্মৃতিগ্ৰন্থ, সম্পাঃ শ্ৰীনগেন চৌধুৰী, শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ, নৱগ্ৰহ প্ৰাথমিক শাখা

# ব্ৰজাৱলী সাহিত্যৰ ধাৰা আৰু অসমৰ ব্ৰজাৱলী সাহিত্যত এভূমুকি

**ড° ইন্দিৰা শইকীয়া বৰা**
সহকাৰী অধ্যাপিকা
*সংস্কৃত বিভাগ*

*....আজি পাঁচশ বছৰে অসমৰ চুকে-কোণে থকা শ শ সত্ৰত ব্ৰজাৱলী ভাষাত অসংখ্য নাট আৰু গীত ৰচিত হৈ আহিছে। অৱশ্যে স্বীকাৰ কৰিব লাগিব যে শঙ্কৰ-মাধৱে যি প্ৰাণ স্বচ্ছন্দ ব্ৰজাৱলীত যি গীত-নাট ৰচনা কৰিছিল, পিছলৈ সেই প্ৰাণ স্বচ্ছন্দতাৰ অভাৱ হ'ল...*

মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ ৰচিত নাটক, বৰগীত আৰু ভটিমাৰ ভাষা আন গ্ৰন্থাৱলীৰ ভাষাৰ দৰে একে নহয়। সেইদৰে আন গ্ৰন্থসমূহৰ ভাষাও আকৌ কথিত অসমীয়া ভাষাৰ। তথাপি মহাপুৰুষ দুজনাৰ ৰচনাৰ ভাষাৰ দৰে নহয়। শঙ্কৰদেৱৰ পূৰ্বৰ কবি মাধৱ কন্দলিৰ ভাষাও সেই যুগৰ কথিত অসমীয়া ভাষাৰ দৰে নহয়। শঙ্কৰদেৱ আৰু মাধৱদেৱে নাট-গীত-ভটিমাৰ বাবে এটি শুৱলা ভাষাৰ সৃষ্টি কৰিছিল। সেই ভাষাৰ নাম মহাপুৰুষ দুজনাই কি থৈছিল আজি আমাৰ জানিবৰ উপায় নাই। কিন্তু অৰ্বাচীন কালত সেই কৃত্ৰিম ভাষাকে 'ব্ৰজাৱলী' বোলা হৈছিল। 'ব্ৰজাৱলী' শব্দটোক বিসন্ধি কৰিলে দেখা যায় ব্ৰজ+অৱলী='ব্ৰজাৱলী'। 'ব্ৰজ' শব্দটোত 'আৱলী' প্ৰত্যয় যোগ হৈ 'ব্ৰজাৱলী' শব্দ সিদ্ধ হৈছে বুলি কোৱা হয়। আকৌ অন্য প্ৰকাৰে 'ব্ৰজ' মানে 'ব্ৰজৰ' আৰু 'বোলৰ' (কথা বা ভাষাৰ) পৰা 'বোলি' অপভ্ৰংশ হৈ 'ৱলী' যোগ হোৱাত 'ব্ৰজাৱলী' শব্দটো নিষ্পন্ন হৈছে বুলিও অৰ্থ কৰা হয়। ইয়াৰ সম্পূৰ্ণ অৰ্থ হ'ব 'ব্ৰজৰ ভাষা' অৰ্থাৎ ই কৃষ্ণকেন্দ্ৰিক ভাষা।

উক্ত ব্ৰজাৱলী ভাষা বা মিশ্ৰ ভাষা, বা কৃত্ৰিম উপভাষা আদি নানাজনৰ নানা মতেৰে প্ৰকাশিত হ'লেও এইবোৰৰ ব্যাখ্যা বাদ দি এটি নিশ্চিত সিদ্ধান্তত উপনীত হ'ব পাৰি যে দুজনা মহাপুৰুষে যে থলুৱা ভাষাৰ মিশ্ৰণেৰে যি ভাষাটোক সজাই-পৰাই নতুন ৰূপ দি সাহিত্যৰ সৃষ্টি কৰিছে তাকেই 'অসমীয়া ব্ৰজাৱলী' ভাষা বোলা হয়। মহাপুৰুষ শঙ্কৰদেৱে সৰ্বভাৰতীয় ভিত্তিত বোধগম্য হোৱাকৈ এই ভাষাটোক ব্যৱহাৰ কৰিছে। বৰ্তমান আমাৰ প্ৰবন্ধটিত ব্ৰজাৱলী সাহিত্যৰ

ধাৰা আৰু অসমৰ ব্ৰজাৱলী সাহিত্য বিষয়ত আলোকপাত কৰা হ'ব।

অসামান্য প্ৰতিভাধৰ কবি, নাট্যকাৰ, গীতিকাৰ মহাপুৰুষ শঙ্কৰদেৱৰ অমৃত নিস্যন্দী লেখনিৰ জৰিয়তে ব্ৰজাৱলী ভাষাটোৱে প্ৰসাৰতা লাভ কৰাৰ জৰিয়তে বিকশিত হৈছে। নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে মহাপুৰুষে ভগৱান শ্ৰীকৃষ্ণ আৰু ৰামচন্দ্ৰৰ অৱতাৰী লীলাৰ আধাৰত যি কেইখন নাট ৰচনা কৰিছিল, তাৰে ছয়খনি নাটহে পোৱা যায়। এই নাট কেইখন— *পত্নীপ্ৰসাদ, কালিয়দমন, কেলিগোপাল,* (ৰাসক্ৰীড়া), *ৰুক্মিণীহৰণ, পাৰিজাত হৰণ* আৰু *শ্ৰীৰামবিজয়* বা *সীতাস্বয়ম্বৰ*। এই নাটকেইখনৰ ভিতৰত শ্ৰীৰামবিজয় অন্তিম ৰচনা। জানিব পৰা যায় যে এই নাটখনি চিলাৰায়ৰ অনুৰোধত ১৪৯০ শক বা ১৫৬৮ খৃষ্টাব্দত মহাপুৰুষে ৰচনা কৰিছিল। বাকী পাঁচখন নাটৰ ৰচনাক লৈ পণ্ডিতসকলৰ মাজত মতানৈক্য আছে। কালিৰাম মেধিৰ মতে *কালিয়দমন* তেওঁৰ প্ৰথম নাট আৰু ১৫১৮ খৃষ্টাব্দৰ আগে-পাছে ৰামৰায়ৰ অনুৰোধত বৰদোৱাত ৰচনা কৰিছিল।[১] ড০ মহেশ্বৰ নেওগে আকৌ *পত্নীপ্ৰসাদ*কহে মহাপুৰুষৰক প্ৰথম নাট বুলি কৈছে।[২] বাকী পাঁচখনি নাট 'ভকতি ৰসিক সুজান' ৰামৰায়ৰ নেতৃত্বত অভিনীত হৈছিল। পাটবাউসীত থকাকালত গুৰুজনাই লিখি ভাওনা কৰোৱা *জন্মযাত্ৰা*খনি পোৱা দুৰ্লভ। গোপী-উদ্ধৱ-সংবাদৰ ভেটিত ৰচনা কৰিবলৈ লোৱা নাটখনি অসম্পূৰ্ণ অৱস্থাতে বনপোৱা জুইত অগ্নিদগ্ধ হোৱাৰ কথা গোপাল আতাৰ পুথিত উল্লেখ আছে।[৩]

কৰ্মকাণ্ডী, জাত্যাভিমানী ব্ৰাহ্মণৰ সৈতে কৃষ্ণভক্তিপৰায়ণ গোপবালক আৰু বিপ্ৰসকলৰ বিৰোধৰ কাহিনীয়েই হৈছে *পত্নীপ্ৰসাদ* নাট।[৪] *ভাগৱত*ৰ দশম স্কন্ধৰ ষোড়শ অধ্যায়ৰ ভেটিত ৰচিত *কালিদমন* নাটত কালিহ্ৰদৰ বিষপানী পান কৰি গোপবালক সকলৰ মৃত্যু। শ্ৰীকৃষ্ণৰ মাহাত্ম্যৰ গুণত তেওঁলোকৰ পুনৰ জীৱন লাভ। কালিনাগৰ ফণাৰ ওপৰত শিশু কৃষ্ণই নৃত্য কৰি নাগপত্নীসকলৰ স্তুতিত তেওঁক ৰমণক দ্বীপলৈ যাবলৈ আদেশকৰণ আৰু শ্ৰীকৃষ্ণৰ বনাগ্নি পান বিবৃত হৈছিল।[৫] *কেলিগোপাল*ৰ মূলহ'ল *ভাগৱতপুৰাণ*ৰ দশম স্কন্ধৰ ২৬-৩৪ অধ্যায়। *বিষ্ণুপুৰাণ, ভাগৱতপুৰাণ* আৰু *হৰিবংশ*ৰ কথাবস্তুৰে ৰচনা কৰা *ৰুক্মিণীহৰণ* নাটত মহাপুৰুষৰ কবি প্ৰতিভাৰ পৰিচয় প্ৰোজ্বল ৰূপত পোৱা যায়।[৬] *পাৰিজাত হৰণ*ৰো আধাৰগ্ৰন্থ *ৰুক্মিণী হৰণ*ৰ কথাবস্তুৰ মিল দেখা যায়। চৰিত্ৰ চিত্ৰণৰ ফালৰ পৰাও মহাপুৰুষৰ এইখন শ্ৰেষ্ঠ নাট। *ৰামায়ণ*ৰ আদিকাণ্ডৰ পৰা বিষয়বস্তু চয়ন কৰি *শ্ৰীৰামবিজয়* নাট ৰচনা কৰে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পাছত ব্ৰজাৱলী ভাষাত সাৰ্থকৰূপে নাট ৰচনা কৰা নাট্যকাৰ হ'ল মাধৱদেৱ। *অৰ্জুন-ভঞ্জন, চোৰধৰা, পিম্পৰাগুচোৱা, ভোজনবেহাৰ* আৰু *ভূমিলেটোৱা* এই পাঁচখনি মাধৱদেৱৰ স্বৰচিত। *কোটোৰাখেলা, ব্ৰহ্মামোহন, ভূষণহৰণ* আৰু *ৰাসঝুমুৰা* এই চাৰিখনো মাধৱদেৱৰ নামত চলিত[৭] মহাপুৰুষজনাই *ৰাসযাত্ৰা* আৰু *গোবৰ্দ্ধনযাত্ৰা* নামেৰেও আন দুখন নাট ৰচনা কৰি অভিনয় কৰাৰ কথাও চৰিত পুথিত পোৱা যায়।[৮] পিছে নাট দুখনিৰ সবিশেষ আজিলৈকে কোনোৱে পোৱা নাই। *অৰ্জুনভঞ্জন* মহাপুৰুষ মাধৱদেৱৰ একমাত্ৰ নাট।[৯] মহাপুৰুষ শঙ্কৰদেৱৰ ৰচনাৰ প্ৰভাৱ ইয়াত স্পষ্টভাৱে পৰে। বাকী কেইখন *ঝুমুৰা* নামে খ্যাত।[১০] *অৰ্জুনভঞ্জন*ৰ কথাবস্তু *ভাগৱতপুৰাণ*ত থাকিলেও মাধৱদেৱে লীলাশুকৰ *কৃষ্ণকৰ্ণামৃত*ৰ আধাৰতহে ৰচনা কৰা যেন লাগে।[১১] *ভোজনবেহাৰ* আৰু *ব্ৰহ্মামোহন* দুয়োখনি দশমস্কন্ধ ভাগৱতৰ আখ্যানৰ আধাৰত ৰচনা কৰে। *ৰাসঝুমুৰা*ৰ কাহিনী *ভাগৱত*ৰ উপৰি *হৰিবংশ, বিষ্ণুপুৰাণ*ৰ পৰা গ্ৰহণ কৰিছে। যমুনাৰ বালিত গোপবালকসকলৰ সৈতে কৰা কোটোৰা খেলা, গোপীসকলৰ সৈতে কৰা মুখ চুপতি আৰু নৃত্যই *কোটোৰা খেলা* ঝুমুৰাৰ বিষয়বস্তু। শিশুৰ সৰল হাঁহি-ধেমালি সংযুক্ত কৰ্মসমূহৰ জৰিয়তে মোক্ষৰ পথ প্ৰদৰ্শন মাধৱদেৱৰ নাটৰ মূল কথা।[১২]

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মহাপুৰুষ মাধৱদেৱৰ অনুগামীসকলে লোকৰঞ্জন আৰু ধৰ্মপ্ৰচাৰৰ কাৰণে অঙ্কীয়া নাট ৰচনাত আগভাগ লৈছিল। সময় আগবঢ়াৰ লগে লগে সংহতি বিভাজিত হৈছিল, যাৰ ফলস্বৰূপে সত্ৰৰ সংখ্যা বাঢ়ি আহিছিল। সত্ৰসমূহত অঙ্কীয়া নাট ভাওনাক অপৰিহাৰ্য অঙ্গৰূপে গণ্য কৰাৰ ফলত এইবিধ নাটৰ সংখ্যা বাঢ়ি আহিল। সপ্তদশ-অষ্টাদশ শতিকাত কালসংহতি আৰু পুৰুষ সংহতিৰ সত্ৰীয়া সকলৰ মাজত নাট ৰচনাৰ প্ৰথাটো অধিক সজীৱ হৈ উঠে।[১৩] এই অঙ্কীয়া নাটভাওনাই সময়ত সত্ৰ-নামঘৰৰ চাৰিবেৰৰ মাজতে আৱদ্ধ নাথাকি ৰাজসভাৰ বিপুল পয়োভৰৰ মাজতো প্ৰৱেশ কৰিছিল। ৰাজ অভিষেক আৰু যুদ্ধজয়ৰ শেষত অঙ্কীয়া নাট ভাওনা কৰাটো এইখিনিতে স্মৰণ কৰিব পাৰি।[১৪] চলিহা বাৰেঘৰ সত্ৰৰ ভকতসকলে ৰুদ্ৰসিংহৰ ৰাজসভাত তিনিখন ভাওনা পাতিছিল— *নৃসিংহযাত্ৰা, ৰামবিজয়* আৰু *অজামিল উপাখ্যান*। স্বৰ্গদেউ শিৱসিংহৰ ৰাজদৰবাৰৰ মঞ্চত *নৃসিংহযাত্ৰা, অজামিল উপাখ্যান* আৰু *ভীষ্মমোক্ষণ* নাটৰ অভিনয় হৈছিল।[১৫] কাছাৰ আৰু মণিপুৰৰ নৃপতিৰ অভ্যৰ্থনা উপলক্ষে স্বৰ্গদেউ ৰাজেশ্বৰ সিংহৰ ৰাজসভাত যি *বাৰণবধ* ভাওনা হৈছিল. তাত সাতশ অভিনেতাই অভিনয় কৰাটো মন কৰিবলগীয়া।[১৬] কমলেশ্বৰ সিংহ স্বৰ্গদেউৰ দিনবোৰত বাৰেঘৰ সত্ৰৰ মহন্তই *ৰুক্মিণীহৰণ* আৰু দিহিং নামটি সত্ৰৰ মহন্তই *অক্ৰুৰগমন* নাটৰ অভিনয় কৰি প্ৰশংস্যা পাইছিল। গৌৰীনাথ সিংহৰ দিনতো পদুমৰীয়া বা ন গোহাঁইৰ পুতেকে ৰাজসভাত *পদ্মাৱতীবধ*ত ভাও কৰি প্ৰশংসা লাভ কৰিছিল।[১৭] নাট্যকাৰ লক্ষ্মীনাথ দাসৰ 'কুমৰহৰণ' নাটৰ প্ৰথম অভিনয় সম্পন্ন হৈছিল স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহৰ নিৰ্দেশত।[১৮]

শঙ্কৰদেৱ-মাধৱদেৱৰ পৰৱৰ্তী নাট্যকাৰ সকলৰ ভিতৰত ভৱানীপুৰীয়া গোপাল আতা (আনুমানিক ১৫৩৩-১৬০৮ খ্ৰীষ্টাব্দ) অন্যতম। তেওঁৰ নাট তিনিখন— *জন্মযাত্ৰা, বোকাযাত্ৰা* আৰু *গোপী-*

*উদ্ধৱ-সংবাদ*বা *উদ্ধৱযান অঙ্ক*। আটাইকেইখন নাটকৰ আধাৰ *ভাগৱতৰ* দশমস্কন্ধ। মাধৱদেৱৰ ভাগিন ৰামচৰণ ঠাকুৰ (খ্ৰীঃ ১৫২১-১৬০০)। তেওঁ ভাগৱতৰ কাহিনীৰ আধাৰত *কংসবধ* নাট ৰচনা কৰে। ৰামচৰণ ঠাকুৰৰ পুত্ৰ দৈত্যাৰি ঠাকুৰে শঙ্কৰদেৱৰ *কীৰ্ত্তন* পুথিৰ প্ৰহ্লাদ চৰিত্ৰ আৰু স্যমন্তহৰণৰ আলমত ৰচনা কৰে *নৃসিংহযাত্ৰা* আৰু *স্যমন্তহৰণ* নাট। দৈত্যাৰিৰ সমসাময়িক আন এজন নাট্যকাৰ হ'ল দ্বিজ ভূষণ। তেওঁ ৰচনা কৰা *অজামিল উপাখ্যান* নাটত শঙ্কৰদেৱৰ অজামিল উপাখ্যানৰ পদৰ প্ৰচুৰ প্ৰভাৱ।

গোপাল আতাৰ অন্যতম শিষ্য আৰু কালঝাৰ সত্ৰৰ ধৰ্মাচাৰ্য ৰাম আতাই *সুভদ্ৰাহৰণ* ৰচনা কৰে। ইয়াত তৃতীয় পাণ্ডৱ অৰ্জুনে সন্যাসীৰ বেশেৰে দ্বাৰকালৈ গৈ সুভদ্ৰাক হৰণ কৰাৰ কাহিনী বিবৃত হৈছে। ৰমানন্দ দ্বিজৰ পুত্ৰ ৰামগোপালে *কুমৰহৰণ* নাট ৰচনা কৰা বুলি চৰিতপুথিত পোৱা যায়। শঙ্কৰদেৱৰ নাতি হৰিচৰণৰ কন্যা গোবিন্দপ্ৰিয়াৰ নাতি নৰোৱা সত্ৰৰ ৰমাকান্ত আতাই "কীৰ্ত্তন ঘোষাৰে পদ ভাঙি ভাঙি *স্যমন্তহৰণ নাট* কৰিলা গ্ৰন্থণ।" বুলি অনিৰুদ্ধদেৱৰ চৰিতত পোৱা যায়। এই নাটত শঙ্কৰ-মাধৱে ব্যৱহাৰ নকৰা দুটি ৰাগ পোৱা গৈছে— চালেংগি আৰু ৰামগিৰি। ৰমাকান্তৰ নাতি লক্ষ্মীদেৱে *বাৰণবধ* নাট আৰু নৰোৱাৰ ৰামচন্দ্ৰ আতাই কংসবধ ৰচনা কৰিছিল। পিছৰখনৰ বিষয়বস্তু *কীৰ্ত্তনক*পৰা চয়ন কৰিলেও তাত নাট্যকাৰৰ সৃজনী প্ৰতিভাৰ পৰিচয় পোৱা যায়। শঙ্কৰদেৱ আৰু মাধৱদেৱৰ পৰৱৰ্তী কালত ৰচিত উক্ত নাটসমূহৰ উপৰিও ভালেসংখ্যক নাট ৰচিত হৈছে। বিস্তৃতিৰ বাবে ইয়াত উল্লেখ কৰা নহ'ল। কিন্তু সকলো নাট ব্ৰজাৱলীৰ সমপৰ্যায়ৰ নহয়। বহুবোৰ অক্ষম নট্যকাৰৰ নাটত ব্ৰজাৱলীৰ পূৰ্ণাৱস্থা প্ৰাপ্ত নহয়। তথাপি অসমৰ ব্ৰজাৱলী নাট্যসাহিত্যৰ বুৰঞ্জীত তাক স্থান দিয়াতো উচিত হ'ব। নাটমালাত ব্যৱহৃত বিভিন্ন ৰাগসমৃদ্ধ গীতসমূহৰ আন এটি সুকীয়া বৈশিষ্ট্য বিদ্যমান।

**ব্ৰজাৱলী ভাষাৰ গীত ঃ**

প্ৰত্ন অসমীয়া স্তৰৰ চৰ্যাপদৰ দিনৰ পৰা অসমীয়া গীতিসাহিত্যৰ প্ৰৱাহমান স্ৰোতধাৰা ক্ষন্তেকলৈকো থমকি ৰোৱা নাই। মহাপুৰুষ শঙ্কৰদেৱে ব্ৰজাৱলীত বৰগীত আৰু ভটিমা ৰচনা কৰি অসমীয়া গীতি সাহিত্যত এক নৱজাগৰণৰসৃষ্টি কৰিবলৈ সমৰ্থ হয়। 'মন মেৰি ৰাম চৰণহি লাগু' গুৰুজনাৰ প্ৰথম বৰগীত। সেই বৰগীতটো প্ৰথমবাৰ তীৰ্থ ভ্ৰমণ কৰিবলৈ যাওঁতে বদৰিকাশ্ৰমত ৰচনা কৰে। তৎকালীন অসমত প্ৰচলিত কথিত ভাষাৰ সৈতে উত্তৰ ভাৰতৰ ভিন্ন প্ৰান্তৰ বৈষ্ণৱ সন্তসকলৰ কাব্য-গীতত ব্যৱহাৰ হোৱা ভাষাৰ অদ্ভুত মিলে হয়তো গুৰুজনাক সেই কথিত ৰূপটোত গীত আৰু নাট ৰচিবলৈ অনুপ্ৰেৰণা যোগাইছিল। গুৰুজনাই ব্ৰজাৱলীত মুঠতে 'বাৰকুৰি গীত' ৰচনা কৰিছিল যদিও কমলা বায়নে আওৰাবলৈ নিওঁতে সেইখিনি চ'তমহীয়া বনপোৱা জুইত পোৱা গ'ল।[19] তেতিয়া শঙ্কৰদেৱে মাধৱদেৱক খেদকৈ ক'লে— 'বৰা পো অনেক শ্ৰম কৈ গীতখানি কৈলো, পুইলে। গীত কিছু কৰা, মই নকৰো আৰু।'[20] গুৰুবাক্য শিৰত তুলি লৈ মাধৱদেৱে নকুৰি এঘাৰটা গীত ৰচনা কৰে। বৈষ্ণৱ সন্ত-মহন্ত সকলে শঙ্কৰদেৱ-মাধৱদেৱ বিৰচিত এই গীতখিনিকে বৰগীত বুলি কয়। ভগৱান শ্ৰীকৃষ্ণৰ ঐশ্বৰিকত্ব আৰু পুৰুষত্ব প্ৰকাশেই বৰগীতৰ মূলকথা। আধ্যাত্মিক উচ্চভাৱ সম্পন্ন, শাস্ত্ৰৰ বিভিন্ন ৰাগ সম্বলিত ব্ৰজাৱলী ভাষাত বিৰচিত উপাসনা আৰু প্ৰসঙ্গৰ গীতকেই পণ্ডিতসকলে বৰগীত আখ্যা দিছে।[21] শঙ্কৰ-মাধৱৰ গীতখিনি অসমীয়া ধ্ৰুপদী সঙ্গীতৰ আকৰ স্বৰূপ।[22]

শঙ্কৰদেৱ-মাধৱদেৱৰ ব্ৰজাৱলী ভাষাত ৰচিত অঙ্কৰ গীতসমূহৰো কম মূল্য নহয়। মহাপুৰুষ শঙ্কৰদেৱৰ ছয়খন নাটত মুঠতে দুশ পঞ্চাশটা উচ্চাঙ্গ সঙ্গীতৰ সংযোজন মন কৰিবলগীয়া। মাধৱদেৱৰ নাট আৰু ঝুমুৰা সমূহতো ব্ৰজাৱলী ভাষাত ভালেমান গীত পোৱা যায়।

ব্ৰজাৱলী ভাষাত ৰচিত ভটিমা সমূহো অন্যতম। ভটিমাৰ মূলগত অৰ্থ হৈছে— স্তুতি বা প্ৰশস্তি। শঙ্কৰদেৱৰ ভটিমা সমূহক তিনিটা ভাগত ভগোৱা হৈছে— নাট ভটিমা, দেৱ ভটিমা আৰু ৰাজ ভটিমা। মহাপুৰুষ মাধৱদেৱে ইয়াৰ লগত গুৰু ভটিমাৰ সংযোজন ঘটায়। মাধৱদেৱে গুৰু ভটিমাত গুৰুজনাৰ দৈহিক সৌন্দৰ্য্য আৰু পৰমাৰ্থিক দিশৰ যি মধুৰ মূৰ্তি আঁকিছে সিয়ে আজিও সহস্ৰ ভক্তৰ চিত্ত পৰশি যায়।

শঙ্কৰোত্তৰ কালত কালসংহতিৰ সত্ৰসমূহৰ অধিকাৰ সকলে সবাতোকৈ সৰহ গীত ৰচনা কৰা দেখা যায়। অৱশ্যে আন সংহতিৰ সত্ৰসমূহতো গীত ৰচনা কৰাৰ প্ৰযত্ন শলাগিবলগীয়া। মায়ামৰা, দিহিং, কাটনিপাৰ, চেঁচা, প্ৰভৃতি সত্ৰৰ অধিকাৰ সকলৰ ৰচিত ভালেমান গীত পোৱা যায়। কিন্তু শঙ্কৰোত্তৰ কালত ঠায়ে ঠায়ে বঙ্গীয় বৈষ্ণৱ সম্প্ৰদায়ৰ গীতৰ প্ৰভাৱ পৰা দেখা যায়।

শঙ্কৰদেৱ-মাধৱদেৱৰ পৰৱৰ্তী উল্লেখযোগ্য গীতিকাৰ হ'ল ভৱানীপুৰীয়া গোপাল আতা। ড০ মহেশ্বৰ নেওগদেৱৰ সম্পাদিত গ্ৰন্থত আতাৰ ৪২ টা গীতে স্থান পাইছে। শঙ্কৰদেৱৰ প্ৰিয় শিষ্য নাৰায়ণদাস ঠাকুৰ আতায়ো দুই এটি ভক্তিমূলক গীত ৰচনা কৰে। ভৱানীপুৰীয়া গোপাল আতাৰ শিষ্য শ্ৰীৰামদেৱ ভাটি আতাই ঘোষাৰ পটল সংকলন কৰাৰ উপৰিও ভালেখিনি গীতো ৰচনা কৰিছিল। গীতৰ বিষয়বস্তু শঙ্কৰ-মাধৱৰ অভিন্ন হ'লেও প্ৰকাশভঙ্গীত মৌলিকত্ব বৰ্তমান। ৰাগ-ৰাগিনীযুক্ত ৰাম আতাৰ ৮১ টা গীতে আতাৰ সৃজনী প্ৰতিভাৰ পৰিচয় দিয়ে। শ্ৰীৰাম আতাৰ তিৰোভাৱৰ পিছত ৰামানন্দ কালজাৰ সত্ৰৰ অধিকাৰ পদত সমাসীন হৈ *শঙ্কৰচৰিত* পুথিৰ উপৰিও ৭৮ টা গীত ৰচনা কৰে।

কালসংহতিৰ মায়ামৰা সত্ৰৰ প্ৰতিষ্ঠাতা 'ভূএগ্ৰাৰপো' অনিৰুদ্ধদেৱে পঞ্চমস্কন্ধ ভাগৱতৰ পদ ভাঙনি কৰাৰ উপৰি *পুৰঞ্জন উপাখ্যান*, নকুৰি

গীত-ভটিমা-ভক্তিমঙ্গল ৰচনা কৰে। ভটিমা আৰু কথা আৰু শ্লোকসমে *অত্যন্ত গুপুত* এখনি গ্ৰন্থ ৰচনা কৰে। ভৱানীপুৰীয়া আতাৰ আজ্ঞাপৰ মহন্ত যদুমণিদেৱে সাতকুৰি গীত, কুৰিটা ঘোষা আৰু ঝুমুৰা ৰচনা কৰা বুলি তেওঁৰ চৰিতত উল্লিখিত হৈছে।[২৩] শঙ্কৰদেৱৰ বৰপো ৰামানন্দৰ পুত্ৰপুৰুযোত্তম হ'ল 'পুৰুষ সংহতি'ৰ প্ৰৱৰ্ত্তক। পুৰুযোত্তম ঠাকুৰে 'ন-ঘোষা' নামৰ ভক্তিজ্ঞাপক গ্ৰন্থ ৰচনা কৰাৰ উপৰিও ভালেখিনি গীত ৰচনা কৰি থৈ যায়। মায়ামৰীয়া অনিৰুদ্ধদেৱৰ বংশৰ হৰিৰামদেৱে ১৬৮ টা গীত ৰচনা কৰিছিল। তাৰে ভালেসংখ্যক গীত মায়ামৰা সত্ৰত সংৰক্ষিত হস্তলিখিত পুথিৰ পোৱা যায়। ভগাৰজাৰ নিৰ্দেশত বধ কৰা মায়ামৰা সত্ৰৰ চতুৰ্থ গৰাকী অধিকাৰ নিত্যানন্দদেৱে আঠকুৰি গীত ৰচনা কৰিছিল। ৰমানন্দদেৱ হৈছে যদুমণিদেৱৰ শিষ্য। তেওঁ ভালেমান গীত আৰু ভক্তিমূলক পুথি এখনিৰ ৰচক। ৰমানন্দদেৱৰ শিষ্য হৈছে কৃষ্ণদেৱ। তেওঁৰ পুত্ৰ জগত মোহন, তেওঁৰ পুত্ৰ ব্ৰহ্মানন্দ, চতুৰ্ভুজ, জয়দেৱ, পদ্মনাভ তথা সহদেৱ। ব্ৰহ্মানন্দৰ পুত্ৰ শুকদেৱৰ ৰচিত ভালেখিনি গীত ইতিমধ্যে সঙ্কলিত হৈছে।[২৪] শঙ্কৰদেৱৰ শিষ্য চান্দসাঁইৰ গীত এটা *ভক্তি-গীতসঙ্কলন*ত পোৱা যায়। ভৱানীপুৰীয়া গোপাল আতাৰ কন্যা পদ্মপ্ৰিয়াই ভালেমান গীত ৰচনা কৰিছিল।[২৫] পদ্মপ্ৰিয়াই কোনো আনুষ্ঠানিক শিক্ষাৰ মুখ দেখা নাছিল। পিতৃ গোপাল আতাৰপৰা যিখিনি শিকিছিল, সেইয়াই আছিল পদ্মপ্ৰিয়া আইৰ শিক্ষাৰ মূল ভেঁটি। পদ্মপ্ৰিয়াই কিমান গীত ৰচনা কৰিছিল, তাৰ বিতং তথ্য পাবলৈ নাই। তেওঁৰ ৰচনা সংখ্যাত তাকৰ হ'লেও কালসংহতিৰ প্ৰখ্যাত গীতিকাৰ সকলৰ মাজত পদ্মপ্ৰিয়াকো স্থান দিব পাৰি। তেওঁ ৰচনা কৰা গীতবোৰত আধ্যাত্মিক ভাৱৰ স্ফুৰণ দেখা যায়, গীতসমূহ বৰগীতৰ দৰে যদিও সম্পূৰ্ণ বৰগীত যেন নালাগে। সপ্তদশ শকিতাৰ প্ৰথম ভাগত ৰচনা কৰা পুৰুযোত্তম ঠাকুৰৰ *'নৱঘোষা'*ৰ দুই এটা ঘোষাৰ সৈতে কিছু মিল থকা বুলি গৱেষক সকলৰ পৰা জনা যায়। পদ্মপ্ৰিয়া হৈছে অসমৰ প্ৰথম মহিলা বৈষ্ণৱ কবি। ৰমাকান্ত, ৰামচন্দ্ৰ, ৰামকৃষ্ণ আদিৰ নামতো কেইটামান গীত পোৱা যায়।[২৬] পাটবাউসী সত্ৰৰ খগেন্দ্ৰ নাথ পাঠক সঙ্কলিত*গীতাৱলীত* হৰিআতা, ৰতিকান্ত দামোদৰদেৱ, গোপালমিশ্ৰ, কৃষ্ণানন্দ, ভট্টদেৱ, ৰত্নাকৰ, লক্ষ্মীপতি, জয়ধ্বজ সিংহ, শ্ৰীহৰি আৰু দেউপতিৰ তিনিকুৰি দুটা ব্ৰজবুলি গীত সন্নিবিষ্ট হৈছে। দিহিং সত্ৰৰ শ্ৰীশ্ৰীৰাজীৱলোচন চন্দ্ৰ গোহাঞিৰ দ্বাৰা সংগৃহীত আৰু সম্পাদিত *গীতমন্দাকিনীত* যদুমণিদেৱৰ পুত্ৰ সনাতনদেৱৰ ৪৭টা, তেওঁৰ পুত্ৰ জগবন্দনদেৱৰ ২১টা, তেওঁৰ পুত্ৰ প্ৰেমভূষণদেৱৰ ১৫টা, কৈৱলানন্দনদেৱৰ ৭৩টা, ব্ৰজনন্দনদেৱৰ ১২টা, বৃন্দাবনদেৱৰ ২১টা, বল্লভচন্দ্ৰদেৱৰ ২৩টা, নিৰ্মলচন্দ্ৰদেৱৰ ২৩টা আৰু ভগৱানচন্দ্ৰদেৱৰ ৯টা গীত পোৱা যায়।[২৭]

আহোম স্বৰ্গদেউসকলৰ ভিতৰত জয়ধ্বজ সিংহৰ সাহিত্যকৰ্মৰ প্ৰতি থকা অনুশীলনৰ কথা শ্ৰদ্ধাৰে স্মৰণীয়। দিহিং সত্ৰৰ ৰতিকান্তৰ পুত্ৰ উদিৎৰামদেৱৰ গুৰুচৰিতত ৰুদ্ৰসিংহ স্বৰ্গদেৱে গীত ৰচনা কৰাৰকথা উল্লেখ আছে। ড০ নেওগৰ ভক্তি-গীত সঙ্কলনত আলোচিত নৃপতিজনাৰ ছটা গীতৰ অন্তৰ্ভূক্তি তাৎপৰ্যপূৰ্ণ। শিৱসিংহৰ নামতো এটি গীত পোৱা যায়। ড০ কেশৱানন্দ দেৱগোস্বামী সম্পাদিত *শঙ্কৰোত্তৰ গীত সঙ্কলন*ৰ তৃতীয় খণ্ডত ১৬১টা শঙ্কৰোত্তৰ যুগৰ যি গীত সঙ্কলিত হৈছে তাৰে ৭০টা গীতৰ ৰচয়িতাৰ নাম নাই। বাকীখিনিত ২৬জন গীতিকাৰৰ নাম আছে। সেই গীতবোৰত ব্যৱহাৰ হোৱা ৰাগৰ সংখ্যা ৪৪ আৰু তালৰ সংখ্যা হ'ল ১২। সেই গীতখিনিৰ কবিসকল হয়তো আহোম স্বৰ্গদেউৰ ছত্ৰছায়াত জীৱন নিৰ্বাহ কৰি সমাজত প্ৰতিপত্তি লাভৰ নিমিত্তে গীতমাতৰ যোগান ধৰি ৰাজপোষণৰ অৰ্থে এনে কৰ্মৰ আশ্ৰয় লৈছিল আৰু দুই এজন হয়তো আগৰ কামৰূপ ৰাজ্যৰ অন্তৰ্ভূক্ত কোনো বঙ্গভাষা-ভাষী লোক আছিল।[২৮]

এনেদৰেই আজি পাঁচশ বছৰে অসমৰ চুকে-কোণে থকা শ শ সত্ৰত ব্ৰজাৱলী ভাষাত অসংখ্য নাট আৰু গীত ৰচিত হৈ আহিছে। অৱশ্যে স্বীকাৰ কৰিব লাগিব যে শঙ্কৰ-মাধৱে যি প্ৰাণ স্বচ্ছল ব্ৰজাৱলীত যি গীত-নাট ৰচনা কৰিছিল, পিছলৈ সেই প্ৰাণ স্বচ্ছলতাৰ অভাৱ হ'ল।

**ব্ৰজাৱলী সাহিত্যৰ দাৰ্শনিক দিশ ঃ**

মহাপুৰুষ শঙ্কৰদেৱৰদ্বাৰা প্ৰৱৰ্ত্তিত অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ স্বৰূপ আৰু তাৰ দাৰ্শনিক দিশটোৰ বিষয়ে জানিবলৈ হ'লে ব্ৰজাৱলীৰ গীত-নাটৰ উপৰিও মহাপুৰুষ দুজনাৰ আন আন গ্ৰন্থবো পাত লুতিয়াব লগাত পৰে। অসমৰ নৱ-বৈষ্ণৱ ধৰ্মৰ মূল বস্তু চাৰিটা— গুৰু, দেৱ, নাম, ভকত।

**গুৰু ঃ** মহাপুৰুষ শঙ্কৰদেৱে পোন প্ৰথমে দেৱ, নাম, ভকত— এই তিনিবস্তুৰ প্ৰচাৰ কৰিছিল। মাধৱদেৱে 'গুৰু'ৰ সংযোজন ঘটায়। গুৰু দেৱ নাম ভক্ত চাৰিটি শৰণ। *ভক্তি-ৰত্নাকৰ* গ্ৰন্থত প্ৰথম অধ্যায়ত গুৰুৰ মাহাত্ম্য বিশদভাৱে বৰ্ণিত হৈছে। বাসুদেৱ শ্ৰীকৃষ্ণই একশৰণ নামধৰ্মৰ বৈষ্ণৱসকলৰ গুৰু। মায়াপাশৰ পৰা মুক্ত হ'বলৈ পথ প্ৰদৰ্শক গুৰুৰ প্ৰয়োজন। গুৰুৱেই পৰম ঈশ্বৰ আৰু পথপ্ৰদৰ্শক। শঙ্কৰদেৱে স্বয়ং শ্ৰীকৃষ্ণক গুৰুৰূপে স্বীকৃতি দিছিল— 'হৃদয়ৰ পৰম ঈশ্বৰ মোৰ গুৰু। প্ৰভু ভগৱন্ত ভকতৰ কল্পতৰু।।' পৰৱৰ্তী অসমৰ বৈষ্ণৱ সম্প্ৰদায়ে গুৰুক চাৰিটা শ্ৰেণীৰ অন্তৰ্ভূক্ত কৰে।

ইষ্ট গুৰু— শ্ৰীকৃষ্ণ। উপকাৰী গুৰু— তত্ত্বোপদেশ দাতা বা শীল শিক্ষাদাতা। ভজনীয় গুৰু— শিক্ষাগুৰু, সুহৃদ গুৰু— ভক্ত গুৰু।

ভক্তি-ৰত্নাকৰত আছে—

সামান্য বিদ্যাক গুৰু উপদেশ পাই।
হৰিৰ ভকতিগুৰু সেৱা বিনে নাই।।

**দেৱ ঃ** একশৰণ হৰিনাম ধৰ্মৰ 'সৰ্বকাৰণ কাৰণম্'।পৰমেশ্বৰ পৰম

গতিদাতা আৰু পৰম ভজনীয় দৈৱকীপুত্ৰ শ্ৰীকৃষ্ণই একমাত্ৰ উপাস্য দেৱতা।

**নাম ঃ** অসমৰ নৱ-বৈষ্ণৱ ধৰ্মত ভজনীয় দেৱ একমাত্ৰ কৃষ্ণ। কৃষ্ণৰ নাম শ্ৰৱণ-কীৰ্ত্তনেই কলিযুগত মুক্তি আৰু ভক্তি সাধনৰ একমাত্ৰ পথ। কীৰ্ত্তনাদেৱ কৃষ্ণস্য মুক্তবন্ধঃ পৰং ব্ৰজেত্। (ভাগৱত ঃ ১২।৩।৫১)

হৰিনাম বিনে জপ-যজ্ঞ দানে সাধিবে নপাৰে গতি।
নামৰ সমান নাহি পুণ্য আন জানিবা নৃপতি। (ষষ্ঠস্কন্ধ)

মাধৱদেৱে *নাম-ঘোষাত* কৈছে—

হৰিগুণনাম শ্ৰৱণে কীৰ্ত্তন কৰয়চিত্ত নিৰ্মল।
হৰিৰচৰণে কেৱল ভকতি লভিবাহা সুমঙ্গল।। (২৭১)

**ভকত ঃ** ভকতৰ সঙ্গ পৰম ভাগ্যৰ ফল। দৰাচলতে বিষ্ণু-বৈষ্ণৱৰ কিঞ্চিত নাহি ভেদ। ভকতৰ সঙ্গই ভকতি প্ৰকাশ কৰে। ভক্ত তিনিবিধ— উত্তম, মধ্যম আৰু প্ৰাকৃত। উত্তমভক্ত মধ্যমভক্ত আৰু প্ৰকৃত ভক্ত।

উত্তমভক্ত নিষ্কাম, কৃষ্ণৈকচিত। তেওঁ ভগৱানক একান্ত ভক্তিৰে ভগৱানক প্ৰত্যক্ষ কৰে আৰু বিশ্বক বিষ্ণুমায়া বুলি ভাবে। মধ্যম ভক্তই কৃষ্ণক সৰ্বনিয়ন্তা জ্ঞান কৰে। প্ৰাকৃত ভক্তই পূজা আগবঢ়ায়। একাদশস্কন্ধ *ভাগৱতত* শঙ্কৰদেৱে ভক্তৰ সহায়ত ভগৱান প্ৰাপ্তিৰ কথা কৈছে এনেদৰে— “আন কৰ্ম কৰিয়া মিছাত পৰে লোক। ভকতৰ সঙ্গত সম্যকে পাৱে মোক।” ভকতক নিন্দা কৰা মানেই ভগৱানক নিন্দা কৰা। *নাম-ঘোষাত* আছে—

হৰিৰ পৰম প্ৰিয়তম নাই নিজ ভকতত পৰে।
হেন ভকতক যিজনে নিন্দয় হৰিতেসে নিন্দা কৰে। (২৭৬)

এনেদৰে মধ্যযুগত মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱকে প্ৰমুখ্য কৰি ভালেমান বৈষ্ণৱ কবিয়ে গীত-পদ আৰু নাটেৰে বৈষ্ণৱ ভক্তি সাধনাৰ বিস্তীৰ্ণ ক্ষেত্ৰখনলৈ ব্ৰজাৱলী সাহিত্যৰ ধাৰাটো প্ৰৱাহিত কৰিছিল। ●

*পাদটীকা ঃ*

১.কালিৰাম মেধি ঃ *অঙ্কাৱলী,* ১ম খণ্ড, ভূমিকা, পৃঃ১৭
২.মহেশ্বৰ নেওগ ঃ *শ্ৰীশ্ৰীশঙ্কৰদেৱ,* পৃঃ১৪৪
৩.সত্যেন্দ্ৰ নাথ শৰ্মা ঃ *অসমীয়া নাট্যসাহিত্য,* পৃঃ৩৯
৪.নাৰায়ণ দাস ঃ *শঙ্কৰী সাহিত্যৰ ভূমিকা,* পৃঃ২১৭
৫.—ঐ— ঃ *কালিয়দমন নাট* (সম্পাঃ)ৰ ভূমিকা
৬.—ঐ— ঃ *ৰুক্মিণীহৰণ নাট* (সম্পাঃ)ৰ ভূমিকা।
৭.হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য ঃ *অসমীয়া নাট্য সাহিত্যৰ জিলিঙণি,* পৃঃ৪৪
৮.উপেন্দ্ৰ নাথ লেখাৰু ঃ (সম্পাঃ) *কথা-গুৰুচৰিত,* পৃঃ৪০৯, ৪৩৩।
৯.মহেশ্বৰ নেওগ ঃ *শ্ৰীশ্ৰীমাধৱদেৱ,* পৃঃ১০৬।
১০.ভৱপ্ৰসাদ চলিহা (সম্পাঃ) ঃ *মাধৱদেৱৰ সাহিত্যৰ* প্ৰবন্ধ— ড০ সত্যেন্দ্ৰনাথ শৰ্মাৰ ‘ঝুমুৰাৰ উৎপত্তি’।
১১.সত্যেন্দ্ৰনাথ শৰ্মা ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক অধ্যয়ন,* পৃঃ৬০।
১২.মহেশ্বৰ নেওগ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* পৃঃ১২৭।
১৩.সত্যেন্দ্ৰনাথ শৰ্মা ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃঃ৬৯।
১৪.—ঐ— ঃ —ঐ—, পৃঃ৭০।
১৫.অতুল চন্দ্ৰ হাজৰিকা ঃ *মঞ্চলেখা,* পৃঃ৬২।
১৬.সূৰ্যকুমাৰ ভূঞা (সম্পাঃ) ঃ *তুংখুঙীয়া বুৰঞ্জী, ছেদ* ৯৪।
১৭.—ঐ— ঃ — ঐ— ছেদ ঃ ১৮০, ৩২৯, ৩৩২।
১৮.নাৰায়ণ দাস ঃ লক্ষ্মীনাথ দাসৰ *কুমৰ হৰণ* নাটৰ ভূমিকা,পৃঃ২-৭।
১৯.বাণীকান্ত কাকতি ঃ *পুৰণি অসমীয়া সাহিত্য,* পৃঃ৭৩।
২০.উপেন্দ্ৰ চন্দ্ৰ লেখাৰু (সম্পাঃ) ঃ *কথাগুৰুচৰিত,* পৃঃ২১২।
২১.মহেশ্বৰ নেওগ ঃ *শ্ৰীশ্ৰীশঙ্কৰদেৱ,* পৃঃ১৬৩-১৬৮
২২.Maheswar Neog : The Bhakti Circle of Assamese Lyrics, Bargit and after in– Journel of the University of Guwahati,1950.
২৩.সাতকুৰি গীত ঘোষা ঝুমুৰা ৰচিলা ঃ যদুমণিদেৱৰ চৰিত্ৰ পদ, ৯৮৭।
২৪.সত্যেন্দ্ৰনাথ শৰ্মা (সম্পাঃ) ঃ *ভক্তি-গীত-পদ সঞ্চয়ন।*
২৫.মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *ভক্তি-গীত সঙ্কলন,* ভূমিকা, পৃঃ১৮
২৬.—ঐ— ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃঃ ২০৭।
২৭.মহেশ্বৰ নেওগ (সম্পাঃ) ঃ *ভক্তি-গীত সঙ্কলন,* পৃঃ৬০৩
২৮.*শঙ্কৰোত্তৰ গীত- সঙ্কলন,* উপক্ৰমণিকা, পৃঃ১১।

**সহায়ক গ্ৰন্থ ঃ**

১.শ্ৰীমন্তশঙ্কৰদেৱ সঙ্ঘ ঃ *মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বাক্যামৃত,* ১ম প্ৰকাশ,১৯৯৮ খ্ৰীষ্টাব্দ।
২.ড° মহেশ্বৰ নেওগ ঃ *শ্ৰীশ্ৰীশঙ্কৰদেৱ।*
৩.ড° মহেশ্বৰ নেওগ ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা।*
৪.ড° নাৰায়ণ দাস ঃ *শঙ্কৰী সাহিত্যৰ ভূমিকা।*
৫.ড° নাৰায়ণ দাস ঃ *ব্ৰজবুলি ভাষা আৰু সাহিত্য,* ৩য় প্ৰকাশ,২০১২।
৬.শ্ৰীনাৰায়ণ চন্দ্ৰ দেৱগোস্বামী ঃ ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ আৰু অভিধান, ১ম প্ৰকাশ,১৯৯০, লয়াৰ্ছ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী।

# সংস্কৃতৰ মহত্বপূৰ্ণ কথাবোৰ

**ঋতুপৰ্ণা ঘোষ**
**তৃতীয় ষান্মাসিক**
*পদাৰ্থ বিজ্ঞান*

বিদ্যা দদাতি বিনয়ং বিনযাদ্ যাতি পাত্ৰতাম্।
পাত্ৰত্বাদ্ধনমাপ্নোনি ধনাদ্ধৰ্ম ততো সুখম্॥ (হিতোপদেশ-৬)

—'বিদ্যাই বিনম্ৰতা প্ৰদান কৰে, বিনম্ৰতাই যোগ্য পাত্ৰ গঠন কৰে। যোগ্যতাই ধন আনে, ধনৰ পৰা ধৰ্ম হয় আৰু ধৰ্মৰ পৰা সুখ হয়।'

ঐতিহাসিক ভাৰতবৰ্ষৰ ধাৰ্মিক চিন্তাধাৰাবোৰৰো প্ৰধান কেন্দ্ৰবিন্দু শিক্ষা। একো নজনা অৱস্থাৰ পৰাই আমাক শিক্ষাৰ সাগৰত শৰণ ল'ব দিয়া হয়। কিন্তু আজি আমি ইমানেই শিক্ষিত হৈছো যে আমাৰ পৰম্পৰা, ইতিহাস, সংস্কৃতি সকলোতে ভাৰতবৰ্ষৰ পটচিত্ৰ অংকন নকৰি বিদেশী শক্তিৰ ছবিত ৰং সানিছো। এনে পৰ্যালোচনাত 'সংস্কৃত ভাষা', উদাহৰণৰ সূচীত প্ৰথম স্থানৰ গৰাকী। যিখন দেশত 'মহৰ্ষি বাল্মীকি', 'মহৰ্ষি বেদব্যাস' ৰচিত 'ৰামায়ণ', 'মহাভাৰত'ৰ অমৰ কথাবোৰে শ্ৰেষ্ঠত্বৰ খিতাপ অৰ্জন কৰিছিল, সেইখন দেশৰ সংস্কৃতিৰ পৰা 'সংস্কৃত' অধুনালুপ্ত। এয়া আমাৰ বাবে নিশ্চয়কৈ শোভনীয় নহয়। পাশ্চাত্যৰ ভাষা, ইংৰাজী নজনাটো বৰ লাজৰ কথা, কিন্তু তেনে ক্ষেত্ৰত আমাৰ বাবে গৌৰৱৰ কথা হ'ব কেতিয়াও নোৱাৰে। আজি যিবিলাক বাহিৰা শক্তিয়ে সভ্যতাৰ পতাকা হাতত লৈছে, তাৰো বহু পূৰ্বে ভাৰতবৰ্ষীয় সভ্যতা 'সিন্ধু উপত্যকাৰ সভ্যতা' মূৰ দাঙি উঠিছিল আৰু যিটো সময়ত ভাৰতীয় শিক্ষা-সংস্কৃতিয়ে উন্নতিৰ চৰম শিখৰত থিয় দিছিল সেই সময়ত, বৰ্তমান বিশ্বৰ উচ্চস্তৰীয় সভ্যতাসম্পন্ন দেশবোৰ গঠিত হোৱাই নাছিল। এই বিষয়ত এটি ৰোমাঞ্চকৰ ঘটনা উদাহৰণ ল'ব বিচাৰিছোঁ। স্বামী বিবেকানন্দই লণ্ডনৰ বিশাল জনসভাত 'ভাৰতীয় সংস্কৃতি' সম্বন্ধে ভাষণ প্ৰদান কৰিছিল। তেওঁ প্ৰশংসা কৰিছিল—ভাৰতীয় ঋষিৰ অতুলনীয় জ্ঞানক। এজন ইংৰাজ ভদ্ৰলোকে তেওঁৰ কথাত অতিষ্ঠ হৈ পৰিল। তেওঁ খঙেৰে ক'লে—"Then why your risis did not come to England to teach us? স্বামীজিয়ে দৃঢ় কণ্ঠেৰে উত্তৰ দিছিল—"Because there was no England to come to whether they preach to the forest?" তেখেতে আৰু একো প্ৰতিবাদ কৰা নাছিল।

বাৰু!! সেয়া যি কি নহওঁক, ঐতিহ্যমণ্ডিত ভাৰতবৰ্ষৰ কিছুমান উল্লেখনীয় তথ্য মই এই লিখনিৰ জৰিয়তে দাঙি ধৰিব খুজিছোঁ।

হয়তোবা আমাৰ অৱগত নহয়, কিন্তু ৫০০০ বছৰ পূৰ্বেই ভাৰতবৰ্ষত ঋষি-মহৰ্ষিৰ অক্লান্ত সাধনা, অধ্যয়ন আৰু চেষ্টাৰ ফলত শ্ৰেষ্ঠ হিচাপে পৰিচিত হৈছিল ভাৰতীয় শিক্ষা তথা সংস্কৃতি। অতি সাধাৰণ জীৱন-যাপন কৰা ঋষি-মুনিসকলে ধ্যান, যোগবিদ্যাৰ সহায়েৰে শিক্ষা ব্যৱস্থাক এক বিশেষ স্থান প্ৰদান কৰিছিল ফলস্বৰূপে, চাৰিখন বেদ, ওঠৰ পুৰাণ, এঘাৰ উপনিষদ, ছয় বেদাংগ, চৈধ্য শাস্ত্ৰ, ওঠৰ পুৰাণকে ধৰি বিভিন্ন মহৎ সৃষ্টি আৰ্বিভূত হৈছিল। মহৰ্ষি ব্যাসদেৱ ৰচিত বেদবোৰ ক্ৰমে ঋক্‌বেদ যৰ্জুবেদ, সামবেদ, আৰু অথৰ্ববেদ, আৰু এইবোৰক শৃংখলাবদ্ধভাৱে বিভাজন কৰি মুঠতে ১১৩১খন শাখা নামাংকন কৰা হৈছিল। এয়া হৈছিল ৫০০০ বছৰৰ পূৰ্বকথা। নালন্দা, তক্ষশীলা বিশ্ববিদ্যালয় তথা অন্যান্য প্ৰতিষ্ঠানসমূহত এই সম্পদবোৰ সংৰক্ষিত হৈ আছিল। কিন্তু পৰাধীন ভাৰতৰ পৰাধীনতা! জ্বলাই দিয়া হৈছিল সেই শিক্ষানুষ্ঠান। বছৰ বছৰ যোৱা আৱিষ্কাৰ ধুলিসাৎ

হৈ গৈছিল। কিছু অংশ হেৰাই গৈছিল, কিছু অংশ লুটি নিয়া হৈছিল ১০০০বছৰযোৱা পৰাধীনতাৰ অন্তৰালত ১১৩১খন শাখাৰ মাত্ৰৰ ১১খন শাখা আজিৰ যুগত বিচাৰি পোৱা গৈছে। ১১২০খন শাখাৰ পৰা এতিয়াও ভাৰতীয় বঞ্চিত।

দ্বিতীয়তে, বিজ্ঞান সম্বন্ধে ভাৰতবৰ্ষৰ সিদ্ধান্তসমূহ তথা পৰ্যালোচনাবোৰে সংস্কৃত ভাষাত ৰচিত শাস্ত্ৰবোৰত সৰ্বপ্ৰথমে আনুষ্ঠানিকতা লাভ কৰিছিল। প্ৰমান হিচাপে তথ্যৰ সংখ্যা বৰ তাকৰীয়া। কিছুমান তথ্য নিশ্চয়কৈ প্ৰসাৰৰ মাধ্যম পোৱা নাই অৰ্থাৎ অপ্ৰকাশিত। কিন্তু উদ্ধাৰ হোৱা তথ্যসমূহ ভাৰতৰ ভৱিষ্যৎ গঢ়ি উঠা শিক্ষানুষ্ঠানসমূহত এশ শতাংশ গুৰুত্ব তথা সমাদৰ লাভ কৰিলে ভাৰতবৰ্ষৰ সম্পৰ্কে ভাৰতবাসীৰ লগতে বিদেশী ৰাষ্ট্ৰবো ধাৰণা সলনি হয়। উল্লেখনীয় যে, বিজ্ঞানৰ বিভিন্ন ক্ষেত্ৰ যেনে—Astronomy, Physics, Chemistry, Mathematics, Medicine, Aeronatics, Engineering ইত্যাদিবোৰত সমানভাৱে অগ্ৰগতি লাভ কৰিছিল। কেইটিমান সংস্কৃত শ্লোক ভাঙনি কৰি তাৰে উদাহৰণ দিব বিচাৰিছোঁ—

**(a) Astronomy :**

**(i) Cause of Eclipse :**

छादयति शशी सूर्य शशिनं महती च भूच्छाया॥

(–Aryabhatiyam–Golapaadah, 37)

–The moon covers the sun and the great shadow of the Earth covers the moon.

**(ii) Seasons when comets influence the Earth :**

तेषां विद्युत्सम्मोहस्तु।
शरद्वासन्तयो: क्रमात्।
भवन्त्यादित्यकिरणे-
ष्वन्तर्भूता: स्वभावत:।।
(–Brihad-Vimana–Shastram,
Kriyasara–tantram, Page 185)

–The influence of these comets is increased rapidly in the seasons of autumn and spring as these naturally and inherently exists in the solar rays.

**(iii) The moon satellite of the Earth :**

आयं गौ: पृश्निरक्रमीत् असदन्मातरं पुर:।
पितरं च प्रयन्त्स्व॥(–Rigveda-10.169.1, Yajurveda,
Taittiriya Samhita-1.5.1.34)

–The moon, being the satellite of the earth, revolves round its mother planet and follows it in its revolution round the self-luminous father planet (The sun).

**(b) Physics :**

**(i) Speed of light :**

तरणिर्विक्ष्वदर्शतो ज्योतिष्कुदसि सूर्य।
विश्वमाभासि रोचनम् (–Rik–Samhita-1.50.4)

–The sun quickly pervades the whole world.

तथा च स्मर्यते योजनानां सहस्त्रं द्वे द्वे शते च द्वे च योजने।
एकेन निमिषार्धेन क्रममाण नमोऽस्तु ते।। इति॥

–"It is remembered that the sunlight travels 2, 202 yojana in half a nimisha."

1 yojana = 9 miles
110 yards = 9.6025 miles
2,202 yojanas = 21, 144.705 miles.

Time taken = $\frac{1}{2}$ nimisha = $\frac{1}{8.75}$ = 0.114286 seconds

speed of light = 1,8,5016.169 miles/second
Modern value = 186,000 miles/second.

**(ii) Motion :**

(1) संयोग-विभाग-वेगानां कर्म समानम्।
(वेशेषिकदरनिम् - 1. 1. 20)

(2) गुरुत्व-प्रयत्व-संयोगानाम् उत्क्षेपणम्।
(वेशेषिकदर्शनिम् - 1. 1. 21)

(3) मणिगमनं सुच्याभिसर्पणम् अदृष्ठकरणम।
(वेशेषिकदरनिम् - 4. 1. 25)

(1) Motion is the case of conjunction, disjunction and velocity.

(2) Motion against gravity is due to effort and conjuction is the effort.

(3) Motion of precious stones and compass needle due to the invisible cause.

**(iii) Elasticity :**

ये घना: निबिडा: अवयबसन्निवेशा: तै: विशिष्टेषु स्पावत्सु द्रव्येषु वर्तमान: स्थितिस्थापक: स्वाश्रयमन्यथा कतमवनामितम् यथावत्स्थापयति पूर्वबदृजु: करोति। (-न्यायकन्दली)

–Elasticity (স্থিতিস্থাপকতা) is a property for visit of which bodies resist defomation force applied on them. This property helps them to regain its original state.

**(C) Engineering :**

**(i) Ships**

न सिन्धु गाद्यार्हति लोहेबन्धनं
तल्लोह कान्तै: हियते हि लोहम्।
विपद्यन्तै तेन जलेषु नौका:
गुणेन बन्धं निजगाद भोज:॥

(–Yuktikalpataru-verse 88)

–Bhoja says that no iron should be used in joing the

planks in the botton of ship. This exposes the ship to the influence of Magnetic rocks in the sea and brings it within the magnetic field, causing it to sink.

**(d) Aeronautics :**

आकाशपञ्चमे कक्ष्ये विमानः सञ्चरेद्यदि।
क्षत्रकोलाहलज्वाला वेगात् भस्मीकृतं भवेत्॥
तस्मात् तत्परिहाराय रौद्रीदर्पणयत्रकम्।
(Samarangansutradhara 50.51,
Vimanashastram, Yantradhikaranam)

–If the aircraft enters into the fifth layer, of the atmosphere, due to strong eddies it may be damaged. The contrivance called Roudri Darpana Yantram offeres the required protection.

**(e) Chemistry :**

**(i) Salts**

लवणानि षडुच्यन्ते सामुद्रं सैन्धवं बिडम्।
सौवर्चलं रोमकञ्च चुल्लिकालवणं तथा।।
(–Rasaratnasamuchayam-10.11)

–There are six types of salts–

Samudram – sea salts (NaCl + MgCl)
Saindhavam – Rock salts (NaCl + traces of $Na_2S$)
Bida – the salt mixture which produces aqua regia on heating.
Sauvarca – $KNO_3$
Romaka –NaCl 75% + $Na_2So_4$ 18% + traces of $Na_2CO_3$ 5%
Cullika lavana – salt formed in the hearth by burning wood ($NH_4Cl$)

**(f) Mathematics (Geometry):**

**(i) Area of Triangle :**

त्रिभुजस्य फलशरीरं समदल कोटी भुजार्धसंवर्गः
(–Aryabhatta (476 A.D.))

–The area of a triangle is the product of $V_2$ of one side and the perpendicular (from opposite vertex) to it.

$(\frac{1}{2} \times AB \times CP)$

**(ii) Zero :**

Sunya – Sanskrit
Si-fir – Arabic
Ziffire – Latin
Zero – English

ওপৰোক্ত শ্লোকবোৰৰ উপৰিও বহুতো তথ্যৰ প্ৰমাণ পোৱা হৈছে। যেনে—'History of Indian Literatureৰ ৰচয়িতা পশ্চিমীয়া পণ্ডিত ৱেবাৰৰ মতে, 'Indians must have discovered stars since the nomenclature of stars is perticularly Indian."

আনহাতে, Encyclopaedia Britannica ৰ মন্তব্য অনুসৰি "The science for which the Brahmins, however were most remarkable, is that astronomy and in this, their progres was so great as even to finish matter of admiration to the moderns.

এইখিনিতে আৰু এটা উল্লেখ কৰিবলগীয়া গেলিলিঅ' যি সত্য আৱিষ্কাৰ কৰাৰ অপৰাধত শাস্তি পাবলগীয়া হৈছিল, সেয়া হাজাৰ পূৰ্বে আৰ্যভট্টদেৱে প্ৰমান কৰি দিছিল। তাৰোপৰি নিউটনৰ প্ৰায় ৫০০ বছৰ আগতে ভাস্কৰাচাৰ্যই মধ্যাকৰ্ষণৰ শক্তি সম্বন্ধে স্বীকাৰ্য আগবঢ়াইছিল। আনকি শল্য চিকিৎসাৰ ক্ষেত্ৰতো ভাৰতবৰ্ষই পোন প্ৰথমে পাতনি মেলিছিল। Father of plastic Surgery বুলি ক'লে Sir Harold Gilliesৰ কথাহে সকলোৱে গম পায়। কিন্তু মহৰ্ষি সুশ্ৰুতে তেখেতৰ বহুশ পূৰ্বেই শল্য চিকিৎসাৰ পাতনি মেলে। তেন্তে তেখেতক আমি প্ৰাপ্য মৰ্যাদা তথা সন্মান কিয় দিব পৰা নাই? father of gravitational law বুলি ক'লে কিয় ভাষ্কৰাচাৰ্যৰ কথা স্থান নাপায়? আৰু ইমানতো আমি আমাৰ ভাৰতবৰ্ষক প্ৰথমৰ পৰাই বৈজ্ঞানিক দিশত পিছপৰা বুলি কমনে?

আইনষ্টাইনে কৈছিল—'We owe a lot to indians who taught us how to count, without which no worth–while scientific discovery could have been made."

অথচ আমাৰ ভাৰতবৰ্ষ সম্বন্ধে ভাৰতবাসীৰ জ্ঞান অতি সীমিত। ঋষি-মহৰ্ষিসকলৰ বাদে পাশ্চাত্যৰ সকলো শক্তিয়ে আমাৰ জীৱন প্ৰণালীত প্ৰভাৱ পেলাইছে। কিন্তু এয়াও ঠিক যে, যদি বেদ, পুৰাণ তথা বিভিন্ন গ্ৰন্থবোৰ প্ৰতিদিনে অধ্যয়ন কৰা হয় তেন্তে বিশ্বব্ৰহ্মাণ্ডৰ বহুতো নজনা সত্য চাগে পোহৰলৈ আহিব।

ভাৰতবৰ্ষ শ্ৰেষ্ঠ আছিল আৰু আজিও শ্ৰেষ্ঠ। ইয়াত কেৱল দীন দুখীয়া বা অসামৰ্থ মানুহৰ বসবাস নহয়। এই পূণ্যভূমিত জন্ম গ্ৰহণ কৰা সকলো মানুহ যথেষ্ট সমৰ্থবান। সেয়ে শেষত স্বামী বিবেকানন্দৰ প্ৰতিটো বক্তৃতাৰ প্ৰধান কথাখিনি উঠি অহা যুৱশক্তিক মনত পেলাই দিব বিচাৰিছোঁ মহানায়কৰ বাণীৰে—

"Wake up!! All power is within in you ....."
(Science in Sanskrit) ●

# ভট্টদেৱৰ কথা-ভাগৱত আৰু কথা-গীতাৰ গদ্যৰীতি

**ড° কল্পনা তালুকদাৰ**
*সহযোগী অধ্যাপিকা*
*অসমীয়া বিভাগ*

অসমীয়া গদ্য সাহিত্যৰ ইতিহাসত বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য অৰ্থাৎ ভট্টদেৱৰ (১৫৫৮-১৬৩৮) নাম উল্লেখযোগ্য। অসমীয়া গদ্য সাহিত্যৰ ক্ৰমবিকাশৰ ইতিহাস অতি প্ৰাচীন। অসমীয়া গদ্য সাহিত্যৰ উদ্ভৱ কেতিয়াৰপৰা প্ৰথমতে কেনেকৈ হৈছিল সেয়া একেষাৰতে ক'ব নোৱাৰি। নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ ভিতৰত প্ৰথমতে অসমীয়া গদ্য সাহিত্যৰেই উদ্ভৱ হৈছিল।[1] অসমীয়া গদ্য সাহিত্যৰ ক্ৰমবিকাশৰ গতিপথৰ প্ৰথম অৱস্থাতে মন্ত্ৰৰূপী গদ্য দেখা পোৱা যায় যদিও মন্ত্ৰৰ মাজেৰে অসমীয়া গদ্যৰ আদি স্বৰূপটো নিৰ্ণয় কৰিব নোৱাৰি। খ্ৰীষ্টীয় যোড়শ শতিকাৰ মাজভাগত মহাপুৰুষ শঙ্কৰদেৱৰ কাপেৰে সৃষ্টি হোৱা অঙ্কীয়া নাটসমূহৰ মাজতেই প্ৰথম অসমীয়া গদ্যৰ সাহিত্যিক বিকাশ অনুধাৱন কৰিব পাৰি। গুৰুজনাই পূৰ্বসূৰী কবিসকলৰ পৰম্পৰা ভঙ্গ কৰি এক নতুন আঙ্গিকৰ মাধ্যমত অঙ্কীয়া নাটসমূহ লিখিছিল, সেই দৃষ্টিকোণৰ পৰা অসমীয়া গদ্যৰ বুৰঞ্জী মহাপুৰুষ শঙ্কৰদেৱৰ অঙ্কীয়া নাটতেই সূচনা হয়। অসমীয়া গদ্যৰ প্ৰথম নিদৰ্শন স্বৰূপে শঙ্কৰদেৱ মাধৱদেৱ আদিৰ নাটৰ নাটকীয় গদ্যকেই ল'ব পাৰি।[2] অঙ্কীয়া নাটসমূহৰ মাজতেই প্ৰথম অসমীয়া গদ্যৰ সাহিত্যিক ৰূপৰ পৰিচয় পোৱা যায় যদিও সি কিন্তু শুদ্ধ অসমীয়া গদ্য নহয়। বাক্য বিন্যাসগত ক্ৰমৰ মাজেদি যি গদ্য গঢ় লৈ উঠিব লাগে, তেনে ধৰণৰ নিয়ম অঙ্কীয়া নাটসমূহত থাকিলেও প্ৰকৃতাৰ্থত সেই ক্ৰম ৰক্ষিত হোৱা নাই। মন্ত্ৰপুথি আৰু অঙ্কীয়া নাটৰ মাজেৰে অসমীয়া গদ্যৰ প্ৰাচীনতম ৰূপটোহে প্ৰতিফলিত হৈছে। কিন্তু প্ৰকৃত অসমীয়া গদ্যৰ উদ্ভৱ হয় যোড়শ শতিকাৰ শেষ দশকত ভট্টদেৱৰ হাতত।

ভট্টদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ হ'ল— কথা-ভাগৱত, কথা-গীতা আৰু কথা-ৰত্নাৱলী। ভট্টদেৱে এনে গভীৰ তত্ত্বমূলক গ্ৰন্থসমূহ অসমীয়া গদ্যলৈ ভাঙি অসমীয়া গদ্যৰীতিৰ বান্ধ দৃঢ় কৰিলে। ভট্টদেৱৰ লিখনীৰ গুৰিতেই আছিল গুৰু দামোদৰদেৱ। তেওঁৰ আদেশতেই ভাগৱত, গীতা, ভক্তি-ৰত্নাৱলীৰ দৰে তিনিখনকৈ দুৰ্বোধ্য সংস্কৃত গ্ৰন্থৰ অসমীয়া গদ্যলৈ ভাঙনি কৰে।[3] অঙ্কীয়া নাটৰ সূত্ৰধাৰ তথা নাটকীয় চৰিত্ৰৰ কথাতহে গদ্য দিয়া হৈছে। কিন্তু ভট্টদেৱৰ ৰচনা সম্পূৰ্ণ গদ্যত লিখিত। কথা-ভাগৱত ভট্টদেৱৰ আদি ৰচনা। এইখন মূল ভাগৱতৰ সংক্ষিপ্ত সংস্কৰণ। কথা-গীতা ইয়াৰ পিছৰ ৰচনা। সুদূৰ যোড়শ শতিকাতে ভট্টদেৱৰ কথা-ভাগৱত আৰু কথা-গীতাই অসমীয়া গদ্যক এটা প্ৰতিষ্ঠিত ৰূপ দিলে। কথা-ভাগৱত আৰু কথা-গীতা অসমীয়া সাহিত্যৰ দুটি অমূল্য সম্পদ। অকল অসমীয়া সাহিত্যৰেই নহয়, ভাৰতীয় প্ৰাদেশিক ভাষাসমূহৰ ভিতৰতেই ই আদি গদ্য সাহিত্য।[4] কথা-ভাগৱতৰ তুলনাত কথা-গীতাৰ গদ্য মধুৰ হোৱাৰ লগতে উন্নত বিধৰো। কথা-গীতা সম্বন্ধে আচাৰ্য প্ৰফুল্ল চন্দ্ৰ ৰায়ে দিয়া মন্তব্য এই প্ৰসঙ্গতে প্ৰণিধানযোগ্য। "Indeed the

prose Gita of Bhattadeva composed in the sixteenth century is unique of its kind ............ It is priceless treasure. Assamese prose literature developed to a stage of the far distant sixteenth century which no other literature of the world reached except the writings of Hooker and Latimer in England".[৫] কথা-গীতা প্ৰসংগতে বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে পণ্ডিত হেমচন্দ্ৰ গোস্বামীলৈ লিখিছিল— "You may very well be proud of the author of this book who would handle prose in such a remarkable lucid style more than a century before we had any prose in Bengali."[৬] আচাৰ্য আশুতোষ মুখাৰ্জীয়ে এই সন্দৰ্ভত কৈছিল— "The people who could write Gita in such prose in the sixteenth century was not a small people."[৭] পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে তেওঁৰ সম্পাদিত কথা-গীতাৰ পাতনিত এনেদৰে লিখিছে— "কথা-ভাগৱতৰ ভাষাতকৈ কথা-গীতাৰ ভাষা বেছি কোমল আৰু সৰল। কথা-ভাগৱতত যিমান পুৰণি অপ্ৰচলিত শব্দৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়, কথা-গীতাত সিমান নাই। কথা-ভাগৱতৰ ৰচনাতকৈ কথা-গীতাৰ ৰচনাও বেছি প্ৰাঞ্জল আৰু মধুৰ।"[৮] সেই ফালৰ পৰা কথা-গীতা কথা-ভাগৱতকৈ পিছত ৰচিত।

কথা-ভাগৱতৰ ৰচনাশৈলী সংস্কৃতীয়া। গহীন আৰু উচ্চ-পৰ্যায়ৰ ভাষাৰে সমৃদ্ধ হোৱা বাবে কথা-ভাগৱতৰ গাম্ভীৰ্য বৃদ্ধি পাইছে। "ভট্টদেৱৰ কথা-ভাগৱতে যে অকল সেই যুগৰ সৰ্বসাধাৰণৰ আধ্যাত্মিক জ্ঞান লাভৰ পথকেই উজু কৰি দিছিল এনে নহয়, ই পৰৱৰ্তী লেখকসকলৰ কাৰণেও গদ্য-সাহিত্যৰ বাট মুকলি কৰি দিছিল। ইয়াৰ সৰল ৰচনা-ৰীতি, চুটি চুটি বাক্য-বিশিষ্ট লেখা আৰু কথোপকথনমূলক (Conversational) ৰচনা-ভঙ্গিমা আদিয়ে পৰৱৰ্তী চৰিতকাৰসকলক প্ৰভাৱান্বিত কৰিছিল।"[৯]

ভট্টদেৱৰ হাততেই অসমীয়া কথ্য ভাষাই প্ৰাণ পাই উঠে। কথোপকথনমূলক ৰীতিৰে চুটি চুটি বাক্যত কথা-ভাগৱতখন লিখা হৈছে। উদাহৰণ স্বৰূপে—

"নাৰদে বোলন্তঃ হে মহাৰাজ তুমি কাহাকো লাগি শোক নকৰিবা। যাতো ঈশ্বৰাধীন সকল জগত। আৰো আত্মা নিত্য, দেহ নশ্বৰ ঃ ব্ৰহ্ম শুদ্ধ ঃ এতেকে অজ্ঞানকৃত শোক এৰা। আপুন কাল কৰ্ম্ম গুণাধীন। কেমনে আনক ৰাখিবা। যাতো জীৱে জীৱৰ জীৱিকা হৈয়া আছে। এতেকে জানিবা সৰ্ব্বৰূপে ভগৱন্ত প্ৰকাশ কৰা। সেই ভগৱন্ত দ্বাৰকাৰ কৃষ্ণ ঃ তেঞ্ৰ দেৱৰ সকলে কাৰ্য্য কৰিলা। কিছো মাত্ৰ অৱশেষ আছে। পাছে বৈকুণ্ঠ যাইবা ঃ তেবে তোৱায়ো চলিবা।"[১০]

ভট্টদেৱৰ গদ্যত এক ছন্দোময় লালিত্য আছে। সেই কাৰণে বহুতে ভট্টদেৱৰ গদ্যক প্ৰকৃত গদ্য নুবুলি ছন্দোময় উক্তি"[১১] বুলিও ক'ব খোজে। কিয়নো তত্ত্বগধুৰ তিনিওখন গ্ৰন্থৰ মূল সংস্কৃত তথা সেইবোৰ কাব্যিক গুণেৰে সমৃদ্ধ হোৱা বাবে তেওঁৰ গদ্য ছন্দযুক্ত বুলি ক'ব পাৰি। তেওঁৰ ৰচনাত গদ্যৰ বাক্য-বিন্যাসগত ক্ৰমৰ সলনি ছন্দৰ লয়লাস ভঙ্গী অনুভৱ কৰিব পাৰি এইদৰে—

"কেমন ৰূপ? —শ্যাম-সুন্দৰ-পীতাম্বৰ; প্ৰসন্ন-বদন; কমল-নয়ন; নাসা তিলফুল, অধৰ ৰাতুল; মুখে মন্দ হাস; কটাক্ষ-বিলাস; পৰম নিৰুজ; চাৰু চতুৰ্ভুজ; শঙ্খ-চক্ৰধৰ; গদা-পদ্ম-কৰ; সৰ্ব্বাঙ্গ-সুন্দৰ; ৰূপ-মনোহৰ; কিৰীটিৰ কান্তি; অলঙ্কাৰ-পান্তি; কৰ্ণত কুণ্ডল; শোভে গণ্ডস্থল; কৌস্তুভ কণ্ঠত; শ্ৰীবৎস বক্ষত; কটিত কিঙ্কিনী-ৰঞ্জিত; চৰণ-দুতয় নূপুৰে শোভয়; ৰঙ্গা পদতল, অঙ্কুশ-কমল-ধ্বজ-ব্ৰজ-পান্তি; নখ-চন্দ্ৰ-কান্তি; জঙ্ঘা-জানুবৰ, উৰু-কৰিকৰ; কিশোৰ বয়স, আছে সৰ্ব্বৰস; ভকত-বৎসল, পৰম উজ্বল; ভক্ত হৃদয়ত থাকন্ত সতত।"[১২]

গীতা শাস্ত্ৰৰ অসমীয়া অনুবাদ ভট্টদেৱৰ আগতে কোনেও কৰা নাছিল। এনে ভাৰগধুৰ জটিল শাস্ত্ৰ এখন সাধাৰণ পাঠকে যাতে হৃদয়ঙ্গম কৰিব পাৰে সেই উদ্দেশ্যেৰে অতি চমুকৈ সহজ-সৰলভাৱে ব্যাখ্যা কৰি গৈছে। "কথা-গীতা পঢ়িলে এনেহে লাগে যেন নামঘৰত ৰাইজ গোট খাইছে আৰু ভাগৱতীয়ে শাস্ত্ৰ পাঠ কৰি টীকাসহ ব্যাখ্যা কৰিছে; মাজে মাজে গভীৰ বিষয়ৰ প্ৰশ্ন তুলি নিজেই যেন তাৰ সমাধান কৰিছে। অন্তৰালৰ এই কথকতাৰ অৱস্থালৈ লক্ষ্য নকৰিলে কথা-গীতাৰ ৰচনা সৌন্দৰ্য্যৰ সম্যক সোৱাদ পাব নোৱাৰি। কথোপকথন, প্ৰশ্ন-উত্তৰ আৰু তৰ্ক-পদ্ধতিৰ ৰীতিৰে গোটেই পুথিখনি ৰচনা কৰা হৈছে।"[১৩] উদাহৰণ স্বৰূপে কথা-গীতাৰ কিয়দাংশ তলত উদ্ধৃত কৰা হ'ল—

"যদি বোলা স্বৰ্গাদি যেবে পৰম ফল নহে, তেবে কেনে বেদে তাৰ সাধন কৰি, কৰ্ম্মসব বিধান কৰে, তাত শুনা। সকামী লোককে প্ৰতিসে বেদে কৰ্ম্মফল কহে। তুমি নিষ্কামী হ'বা। নিষ্কামী হৈবাৰ উপায় শুনা। সুখ-দুখ সহা, মহাধৈৰ্য্যক আশ্ৰয় কৰা, অপ্ৰাপ্ত বস্তুক স্বীকাৰ এড়া, প্ৰাপ্ত বস্তুকো ৰক্ষা তেজা, তেবে নিষ্কামী অৱশ্যে হৈবা। যদি বোলা, বেদোক্ত নানা ফল এড়ি নিষ্কাম হুয়া পৰমেশ্বৰৰ আধাৰত যি ব্যৱসায় বুদ্ধি কহিলা; আক কুবুদ্ধিসে বুলি, তাত শুনা।"[১৪]

ভট্টদেৱৰ গদ্য ব্যাখ্যামূলক হ'লেও তাৰ মাজতেই তেওঁৰ মৌলিকতা প্ৰকাশ পাইছে। কথা-গীতাৰ গদ্য সাৱলীল আৰু প্ৰাঞ্জল। মূলৰ গধুৰ দাৰ্শনিক তত্ত্বসমূহ সৰ্বসাধাৰণে বুজিব পৰাকৈ নিজৰ ভাষাৰে বৰ্ণিত কৰিছে এনেদৰে—

মূল শ্লোক ঃ
ন জায়তে ম্ৰিয়তো ৱা কদাচিৎ
নায়ং ভূত্বা ভৱিতা ৱা ন ভূয়ঃ।
অজো নিত্যঃ শাশ্বতোহয়ং পুৰাণো
ন হন্যতে হন্যমানে শৰীৰে।।[১৫]

অনুবাদ ঃ "স্বৰূপত আত্মাৰ জন্ম নাই, মৰণো নঘটে, আছে হেনো নোহে, টুটনো নাই পৰিণামো নেদেখি, বৃদ্ধিয়ো নহয়; এতেকে শৰীৰ নষ্ট হৈলে, আত্মাৰ নাশ নাই।"[১৬]

বক্তব্য বিষয়ক চমুকৈ চিত্ৰধৰ্মী ৰূপত ৰূপায়িত কৰিব পৰাটো

ভট্টদেৱৰ লেখাৰ এটা বৈশিষ্ট্য। নিদৰ্শন স্বৰূপে—

"হৰি কথা নুশুনিলে দুয়ো কৰ্ণ গৰ্ত্ত-সম ঃ হৰি-নাম নলৈলে বেঙ্গৰ জিহ্বা সম জিহ্বা। হৰিক প্ৰণাম নকৰিলে কিৰীটি-যুক্ত শিৰো কেৱলে ভাৰ। হৰিৰ কৰ্ম্ম নকৰিলে কঙ্কণ-যুক্ত হস্তো মৃতকৰ হস্ত সম। হৰিৰ মূৰ্ত্তি নেদেখিলে দুই চক্ষু ময়ুৰৰ পুচ্ছ। হৰিৰ ক্ষেত্ৰ নগৈলে বৃক্ষ-মূল-সম দুই চৰণ। বৈষ্ণৱৰ পদ-ৰেণু নলৈলে জীৱন্তে মৰা শৰ। হৰিৰ নিৰ্মাল্য তুলসীৰ ঘ্ৰাণ নলৈলে সাক্ষাতে শৰ বুলি। হৰিৰ গুণ-নাম গাইতে যদি হৃদয় নদ্ৰৱে, প্ৰেম-পুলক নহে, তেৱে সি হৃদয় শিলা-সম। এতেকে আমাক তুমি হৰিৰ চৰিত্ৰ কহ, যাক-শুকে ৰাজাত কহিছা।"[১৭]

ভট্টদেৱ সংস্কৃত শাস্ত্ৰ তথা ব্যাকৰণৰ অগাধ পণ্ডিত আছিল। সংস্কৃত পুথি লিখা আৰু অনুবাদ কৰা বাবেই তেওঁৰ লেখাত সংস্কৃত বাক্যৰীতিৰ প্ৰভাৱ পৰিদৃশ্যমান। তৎসম শব্দ প্ৰচুৰ থাকিলেও সিয়ে তেওঁৰ গদ্যক শক্তিশালীহে কৰি তুলিছে—

"যেন মনুয্যে জীৰ্ণবস্ত্ৰক পৰিত্যাগ কৰি, নবীন বস্ত্ৰক গ্ৰহণ কৰে, এমনে আত্মায়ো পুৰাণ দেহক এড়ি, নবীন দেহক স্বীকাৰ কৰে; কৰ্ম্মনিবন্ধন নতুন দেহ অৱশ্যে হৈব। জীৰ্ণ দেহ নাশত শোক কৰিতে নালাগে। এই আত্মাক অস্ত্ৰেয়ো নাকাটে, অগ্নিয়ো নদহে, জলেয়ো কোমল নকৰে, বায়ুয়ো নুশুখাৰে। এতেকে অছেদ্য অদাহ্য অক্লেদ্য অশোচ্য নিত্য সৰ্ব্বগত অচল সনাতন অব্যক্ত অচিন্ত অপ্ৰাপ্য কৰি কহে।"[১৮]

ভট্টদেৱৰ গদ্যৰীতিৰ মাজত সংস্কৃত সন্ধি-সমাসবদ্ধ ৰূপো বিৰাজমান। যেনে— কায়বাক্যমনে, সৰ্ব্বজন প্ৰবোধসঞ্চাৰ-শক্তিযুক্ত, যুদ্ধোৎসৱ, লুপ্তপিণ্ড-জলাঞ্জলি, ইষ্টসংযোগবিয়োগাদিয়ো, শীতোষ্ণাদি, ঈশ্বৰাৰ্পিত, বিঘ্নবৈগুণ্য, শোকপঙ্কমগ্ন ইত্যাদি।

ভট্টদেৱৰ গদ্যত তৎসম শব্দৰ উপৰিও অৰ্দ্ধতৎসম, তদ্ভৱ, ব্ৰজবুলি, কামৰূপী, বিদেশী শব্দ চয়নৰ কৌশল প্ৰশংসনীয়। উদাহৰণ স্বৰূপে— ভকতি, তৃপিতি, হৰিষ, পৰশ (অৰ্দ্ধতৎসম); বধিলা, উঠিলা, মথন, পুনু (তদ্ভৱ); পুছন্ত, কয়ল, কহিতে, দেখল (ব্ৰজবুলি); নাইকা, নেদা, চাৱা, ভিজ, তোঠেৰ, শুখায় (কামৰূপী) আৰু চাবুক, হাজাৰ, চাকৰ (বিদেশী) ইত্যাদি।

ভট্টদেৱৰ গদ্যত সৰল, জটিল আৰু যৌগিক— তিনিওবিধ বাক্যৰ প্ৰয়োগ দেখা যায়। তেনেদৰে ভাবৰ ফালৰ পৰা বৰ্ণনাত্মক, আজ্ঞাসূচক, প্ৰশ্নসূচক বাক্যৰ ব্যৱহাৰো দেখা যায়। যেনে—

বৰ্ণনাত্মক বাক্য ঃ "ঘোৰ অখণ্ড তপস্যাত সনক, সনন্দন, সনাতন, সনতকুমাৰ, চাৰি ৰূপ হয়া আত্মজ্ঞান কহিলা।"[১৯]

আজ্ঞাসূচক বাক্য ঃ "বুদ্ধ-অৱতাৰ হয়া পাষণ্ডৱাদে অসুৰ মুহিবা।"[২০]

প্ৰশ্নসূচক বাক্য ঃ "এতেকে তান্ত বিনে কাত শৰণ পশিবো?"[২১]

"মুঠতে সংস্কৃত শব্দাৱলী তথা ব্যাকৰণ আৰু পুৰণি অসমীয় পদ-কাব্যৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত নোহোৱা সত্বেও ভট্টদেৱৰ কথাশৈলীৰ মাজে মাজে উজলি উঠা ঠায়ে ঠায়ে কথিত ৰূপৰ কাষ চাপি যাব খোজা নিখুঁত গদ্যই তেওঁক অসমীয়া গদ্যৰ প্ৰথম সুঁতিটোৰ এগৰাকী সৰ্বশ্ৰেষ্ঠ প্ৰতিভাশালী গদ্য লেখক হিচাপে প্ৰতিষ্ঠিত কৰিছে।"[২২] তত্বপ্ৰধান তিনিওখন গ্ৰন্থই সুদূৰ ষোড়শ শতিকাতে অসমীয়া গদ্য সাহিত্যিক যি স্তৰত উপনীত কৰালে সিয়েই অসমীয়া গদ্য সাহিত্যৰ এক মাইলৰ খুঁটি স্বৰূপ।

●●●

*পাদটীকা ঃ*

১।বিৰিঞ্চি কুমাৰ বৰুৱা; অসমীয়া কথা সাহিত্য, ১৯৯৭, আগকথা, পৃঃ ১
২।মহেশ্বৰ নেওগ; অসমীয়া সাহিত্যৰ ৰূপৰেখা, ১৯৮৬, পৃঃ ৯৩
৩।হৰিনাথ শৰ্ম্মা বৰদলৈ (সম্পাদিত); কথা-ভাগৱত (১ম স্কন্ধ), ১৮৯২ শক, পৃঃ ২০
৪।উক্ত গ্ৰন্থ, পৃঃ ২১
৫।বিৰিঞ্চি কুমাৰ বৰুৱা; অসমীয়া কথা সাহিত্য, ১৯৯৭, পৃঃ ১৬
৬।হৰিনাথ শৰ্ম্মা বৰদলৈ (সম্পাদিত); কথা-ভাগৱত (১ম স্কন্ধ), ১৮৯২ শক, পৃঃ ২১
৭।উক্ত গ্ৰন্থ, পৃঃ ২১
৮।বিৰিঞ্চি কুমাৰ বৰুৱা; অসমীয়া কথা সাহিত্য, ১৯৯৭, পৃঃ ১৬
৯।হৰিনাথ শৰ্ম্ম বৰদলৈ (সম্পাদিত); কথা-ভাগৱত (১ম স্কন্ধ), ১৮৯২ শক, পৃঃ ২৪-২৫
১০।উক্ত গ্ৰন্থ, পৃঃ ৭৪
১১।উক্ত গ্ৰন্থ, পৃঃ ২২
১২।মহেশ্বৰ নেওগ (সম্পাদক); শ্ৰীভাগৱত-কথা (দ্বিতীয় আৰু তৃতীয় স্কন্ধ), ১৯৫৯, তৃতীয় স্কন্ধ, অষ্টাবিংশ অধ্যায়, পৃঃ ৭৮
১৩।বিৰিঞ্চি কুমাৰ বৰুৱা; অসমীয়া কথা সাহিত্য, ১৯৯৭, পৃঃ ১৮
১৪।ভৃগুমোহন গোস্বামী (সম্পাদনা); ভট্টদেৱৰ কথা-গীতা, ২০১১, পৃঃ ৩৫
১৫।কিৰণ শৰ্ম্মা (অনুবাদক); শ্ৰীমদ্ভগৱদ্‌গীতা, ১৯৯৯, পৃঃ ৪৫
১৬।ভৃগুমোহন গোস্বামী (সম্পাদনা); ভট্টদেৱৰ কথা-গীতা, ২০১১, পৃঃ ৩৩
১৭।মহেশ্বৰ নেওগ (সম্পাদক); শ্ৰীভাগৱত কথা (দ্বিতীয় আৰু তৃতীয় স্কন্ধ), ১৯৫৯, দ্বিতীয় স্কন্ধ, তৃতীয় অধ্যায়, পৃঃ ১০
১৮।ভৃগুমোহন গোস্বামী (সম্পাদনা); ভট্টদেৱৰ কথা-গীতা, ২০১১, পৃঃ ৩৩
১৯।মহেশ্বৰ নেওগ (সম্পাদক); শ্ৰীভাগৱত কথা (দ্বিতীয় আৰু তৃতীয় স্কন্ধ), ১৯৫৯, দ্বিতীয় স্কন্ধ, সপ্তম অধ্যায়, পৃঃ ২১
২০।উক্ত গ্ৰন্থ, পৃঃ ২৪
২১।উক্ত গ্ৰন্থ, তৃতীয় স্কন্ধ, দ্বিতীয় অধ্যায়, পৃঃ ৬
২২।লীলাৱতী শইকীয়া বৰা; ভাষা-সাহিত্যৰ সুবাস, ১৯৯২, পৃঃ ৬৩

জীৱনীমূলক প্ৰবন্ধ

# ত্যাগ আৰু বিনয়ৰ প্ৰতীক অমলপ্ৰভা দাস



**ড° সোণালী বুঢ়াগোহাঁই**
*প্ৰাক্তন সহযোগী অধ্যাপিকা*
*উদ্ভিদ বিজ্ঞান বিভাগ*

যোৰা শতিকাত এগৰাকী মহীয়সীৰ অসমত জন্ম হৈছিল যাৰ জীৱনৰ প্ৰতিটো পল দেশ সেৱাৰ বাবে উৎসৰ্গিত হৈছিল। নীৰৱে কিন্তু দৃঢ়তাৰে, নিষ্ঠাৰে, সততাৰে গ্ৰাম্য সমাজ আৰু অৰ্থনীতিৰ বিকাশৰ এগচি বন্তি জ্বলাই শত-শত জনৰ পথ প্ৰদৰ্শিকা গৰাকীয়েই হৈছে প্ৰয়াত অমল প্ৰভা দাস। তেওঁ আছিল কৰ্মপটু, মহান, নিয়মানুবৰ্ত্তিতাৰ নিদৰ্শন আৰু নিঃস্বাৰ্থতাৰ প্ৰতীক।

**জন্ম আৰু পৰিয়াল পৰিচয়ঃ** অমলপ্ৰভা দাসৰ জন্ম হৈছিল ১৯১১ চনৰ ১২ নবেম্বৰত। তেখেতৰ পিতৃ আছিল ডাঃ হৰিকৃষ্ণ দাস আৰু মাতৃ হেমপ্ৰভা দাস। ডাঃ দাস ডিব্ৰুগড়ৰ অসমৰ তেতিয়াৰ একমাত্ৰ আধুনিক চিকিৎসাৰ শিক্ষানুষ্ঠান বেৰী হোৱাইট মেডিকেল স্কুল (এতিয়াৰ অসম মেডিকল কলেজ)ৰ শল্য চিকিৎসক আছিল। মাতৃ আছিল ডিব্ৰুগড় মডেল বালিকা বিদ্যালয়ৰ প্ৰধান শিক্ষয়ত্ৰী। পিতৃ-মাতৃ দুইগৰাকীয়েই এক সংস্কৃতিবান পৰিয়ালৰ সদস্য। ডাঃ দাসৰ পিতৃ জুৰৰাম দাসে ওকালতি কৰিছিল আৰু আধুনিক চিকিৎসা ল'বৰ বাবে বৰপুত্ৰ জয়কৃষ্ণক সুদূৰ মুম্বাইলৈ পঠাইছিল। পিতৃৰ আশা পূৰ্ণ হ'ল যদিও গুৱাহাটীত জয়কৃষ্ণই চিকিৎসা সেৱা আৰম্ভ কৰোতেই হঠাৎ তেওঁৰ পিতৃ বিয়োগ ঘটে। সেই সময়ত হৰিকৃষ্ণৰ বয়স আছিল মাত্ৰ ৭ বছৰ। জেষ্ঠভাতৃয়ে শিশু ভাতৃক কলিকতাৰ বৰ্ডিং স্কুলত নাম লগাই দিলে। স্কুলীয়া শিক্ষা সাং কৰি তেওঁ কলিকতাৰ পৰাই ১৯০০ চনত এজন চিকিৎসক হ'ল। সেই সময়তে তেওঁৰ পিতৃসম ভাতৃ জয়কৃষ্ণৰো অকাল বিয়োগ ঘটিল। স্থিতপ্ৰজ্ঞ হৰিকৃষ্ণই ঘৰৰ সকলো দায়িত্ব ল'লৈ। সময়ত পত্নীৰূপে তেওঁৰ জীৱননৌকাৰ গুৰি ধৰিলেহি হেমপ্ৰভা দত্ত নামৰ এগৰাকী বিদুষী মহিলাই। যি সময়ত সমাজত কন্যা সন্তানক সৰুৰে পৰা কেৱল গৃহস্থালি চম্ভালিবলৈকে তালিম দিছিল সেই সময়ত ডিব্ৰুগড়ৰ সম্ভ্ৰান্ত ব্যক্তি মাধৱ চন্দ্ৰ দত্তই পত্নীক কলিকতাত ঘৰ ভাড়া কৰি ৰাখি তাতে দুই কন্যা দুৰ্গাপ্ৰভা আৰু হেমপ্ৰভাক বেথুন স্কুলত পঢ়ুৱাইছিল। হেমপ্ৰভাই হৈছে এফ.এ. পাছ প্ৰথম অসমীয়া মহিলা। হৰিকৃষ্ণ আৰু হেমপ্ৰভাৰ বিবাহ মণিকাঞ্চন সংযোগৰ দৰেই হৈছিল।

উচ্চশিক্ষিত এই দম্পতিৰ প্ৰথম সন্তান তিলোত্তমাৰ জন্ম গুৱাহাটী হৈছিল যদিও ২য়া সন্তান অমলপ্ৰভাৰ জন্ম ডিব্ৰুগড়ত হয়। সেইসময়ত অসমত স্ত্ৰীশিক্ষাৰ কোনো সুব্যৱস্থা নাছিল। এই অভাৱ পূৰাবলৈ হেমপ্ৰভা দাস দৃঢ়সংকল্প হৈ ডিব্ৰুগড়ত 'মডেল বালিকা বিদ্যালয়' নামেৰে এক শিক্ষানুষ্ঠান আৰম্ভ কৰিলে। আঢ্যৱন্ত পৰিয়ালৰ ঘৰে ঘৰে গৈ স্ত্ৰীশিক্ষাৰ প্ৰয়োজনীয়তাৰ কথা প্ৰচাৰ কৰি তেওঁ ছাত্ৰী সংগ্ৰহ কৰিব লগা হৈছিল। তেওঁ এগৰাকী নিপুণ গৃহিনীও আছিল। স্কুলৰ প্ৰধান শিক্ষয়িত্ৰীৰ চাকৰি আৰু গৃহস্থালি অতি নিয়াৰিকৈ চলাইছিল। দুই কন্যাই সেইস্কুলতে শিক্ষা গ্ৰহণ কৰিলে। এই স্কুলখনেই পিছলৈ অসমৰ প্ৰথম চৰকাৰী বালিকা হাইস্কুললৈ উন্নীত হৈছিল।

**শৈশৱ আৰু কৈশোৰঃ** ডাঃ দাস আৰু তেওঁৰ পৰিবাৰ আছিল "সহজসৰল জীৱন যাপন আৰু মহৎ চিন্তাত জীৱন অতিবাহিত কৰা" দৰ্শন অনুকৰণ কৰা লোক, পুত্ৰসন্তান নাছিল যদিও দুই কন্যাক তেওঁলোকে আদৰযত্নেৰে পালন কৰি এটা সংস্কৃতিবান মনৰ গৰাকীনী কৰিছিল। চহকী পৰিয়ালত সচৰাচৰ প্ৰচলিত লাহ-বিলাহৰ পৰিবৰ্তে দুয়ো ত্যাগ, দেশসেৱা আদি মহান আদৰ্শৰেহে দীক্ষিত হৈছিল। অলংকাৰ,

সুন্দৰ সাজ-পাৰ আদিৰ প্ৰতি অমলপ্ৰভাৰ লেশমানো দুৰ্বলতা নাছিল। আনকি কাণফুলি পিন্ধিবলৈ তেওঁৰ কাণকে ফুটোৱা নাছিল[১]। সেয়ে আজীৱন খাদী-বস্ত্ৰ পৰিহীতা অমলপ্ৰভাই সোণ-ৰূপৰ গহনাৰ পৰিবৰ্তে সূচিতা, ত্যাগ, নীৰৱ সাধনা আৰু জনগণৰ সেৱা আদি গুণেৰেহে সালংকৃতা হ'ল।

কিশোৰী অমলপ্ৰভা ৰাংঢালী স্বভাৱৰ আছিল। পঢ়াশুনাত মেধাবী আছিল যদিও সমান্তৰাল ভাবে তেওঁ খেল-ধেমালি, সংগীত, ঘৰুৱা কামকাজ, ফুলনিৰ আপদাল আদি কামতো নিপুনতা দেখুৱাইছিল। বেডমিন্টন খেল, ৰচনা প্ৰতিযোগিতা, কবিতা, আবৃত্তি, ৰবীন্দ্ৰ সংগীত প্ৰতিযোগিতাত যোগ দি পুৰস্কাৰো পাইছিল। সৰুৰে পৰা কলিকতাত পঢ়াশুনা কৰা বাবে ডাঃ দাসে ব্ৰহ্ম সংগীত আৰু ৰবীন্দ্ৰ সংগীত শিকাৰ সুবিধা পাইছিল। তেওঁ দুই কন্যাক সেই শিক্ষা দিছিল। অতি সুন্দৰকৈ ৰবীন্দ্ৰ সংগীত গাব জনা অমলপ্ৰভাৰ জীৱনৰ পাথেয় হৈ ৰ'ল এই সংগীতৰ মাধুৰীমা। আনকি শেষপ্ৰয়াণৰ কিছু আগলৈকে তেওঁ শেষবাৰৰ বাবে গাইছিল—

"প্ৰভাত হয়ে এসেছে ৰাতি<br>নিবিয়া গেল কোনেৰ বাতি<br>পৰেছে ডাক, ছলেছি আমি তাই"[২]

১৯২১ চনৰ মহাত্মাজীৰ অসহযোগ আন্দোলন অসমতো ঠন ধৰি উঠিছিল। ডাঃ দাসৰ পৰিয়ালেও বিদেশী বস্ত্ৰ বৰ্জন কৰি খাদীবস্ত্ৰ পৰিধান আৰু যতৰত সূতা কাটিবলৈ ল'লে। চৰকাৰী চাকৰীয়াল হোৱা স্বত্বেও হৰিকৃষ্ণ দাসৰ ঘৰত স্বৰাজ আন্দোলনৰ নেতা-কৰ্মী সকলৰ গোপন বৈঠক হৈছিল। এইবোৰ দেখি-শুনি তেওঁলোকৰ দুই কন্যাৰে মন দেশ সেৱাৰ প্ৰতি আকৃষ্ট হৈছিল।

**যৌৱনৰ দুৱাৰ দলিত অমলপ্ৰভাঃ** বয়স বঢ়াৰ লগে লগে পখিলাৰ পিছে পিছে দৌৰা অমলপ্ৰভা নিজে নজনাকৈয়ে গহীন হৈ পৰিল আৰু পঢ়াশুনাৰ প্ৰতি অধিক মনোযোগ দিবলৈ ধৰিলে। এইদৰেই ১৯২৭ চনত তেওঁ অঙ্ক আৰু ভূগোলত লেটাৰ লৈ প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে। সেই সময়ত ছাত্ৰীৰ বাবে উচ্চশিক্ষাৰ অনুষ্ঠান নাছিল। একান্ত ইচ্ছা থকা স্বত্বেও অমলপ্ৰভাই কটন কলেজত পঢ়াৰ সুবিধা নাপালে। কাৰণ, কটন কলেজত তদানীন্তন অধ্যক্ষ থমচন চাহাব কটনত সহশিক্ষাৰ সপক্ষে নাছিল। উপায়ন্তৰ হৈ তেওঁ কলিকতাৰ বেথুন কলেজত নাম ভৰ্তি কৰি ১৯২৯ চনত আই. এছ. ছি. পাছ কৰি স্নাতক শিক্ষাৰ বাবে বেনাৰসৰ বিখ্যাত হিন্দু কলেজৰ ছাত্ৰী হ'লগৈ।

স্বাধীনতা সংগ্ৰামৰ বাবে সেই সময় চোৱাত দেশ উত্তাল হৈ পৰিছিল। স্কুল-কলেজবোৰত পঢ়াৰ পৰিবেশ নোহোৱা হৈছিল— কাৰণ বহু ছাত্ৰই প্ৰকাশ্যে বা গোপনে এই সংগ্ৰামত জড়িত হৈ পৰিছিল। পঢ়াশুনাত ব্যাঘাত আৰু স্বাস্থ্যজনিত কাৰণত অমলপ্ৰভাই বেনাৰস এৰি ঘৰ পালেহি। পিছত দেশৰ অৱস্থা কিছু সুস্থিৰ হোৱাত তেওঁ বেনাৰসৰ পৰিবৰ্তে কলিকতাৰ স্কটিছ চাৰ্চ কলেজত নাম লগাই ১৯৩৩ চনত ডিষ্টিংচন সহ বিজ্ঞানৰ স্নাতক হয়। ইয়াৰ দুবছৰ পিছত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা এপ্লাইড কেমেষ্ট্ৰিত স্নাতকোত্তৰ ডিগ্ৰী লৈ অসমৰ প্ৰথম গৰাকী মহিলা এম. এছ. ছি. হোৱাৰ সন্মান লাভ কৰে।

**জীৱিকা সন্ধানতঃ** অমলপ্ৰভাৰ দৰে উচ্চশিক্ষিতা মহিলাৰ বাবে লোভনীয় চাকৰীৰ নিশ্চয় অভাৱ নাছিল। তেওঁ প্ৰৱেশিকা পৰীক্ষা পাছ কৰাৰ পিছত পিতৃয়ে অৱসৰ পালে। স্বাধীনতা সংগ্ৰামত অধিকভাৱে জড়িত কৰিবলৈকে মাতৃয়েও চৰকাৰী চাকৰি ইস্তিফা দি স্বামীৰ লগত পানবজাৰৰ ঘৰলৈ ঘূৰি আহিল। ডাঙৰ ছোৱালী ডাঃ তিলোত্তমাৰ বিয়া হ'ল ডাঃ প্ৰভাত ৰায়চৌধুৰীৰ লগত। তেওঁলোকৰ ঘৰতে তিনিজন ডাক্তৰ। তাৰে লগত সামঞ্জস্য ৰাখি অমলপ্ৰভাই নিজৰ বাবে এটি উপাৰ্জ্জন পথৰ সন্ধান কৰিলে। তেওঁ কলিকতাৰ ট্ৰপিকেল স্কুল অব মেডিচিনত ছমহীয়া প্ৰশিক্ষণ লৈ দেউতাকৰ চেম্বাৰৰ কাষতে এটা ক্লিনিকেল লেবৰেটৰী খুলি ল'লে। কিন্তু অমলপ্ৰভাৰ ইচ্ছা আছিল এজন বিমানৰ পাইলট হোৱাৰ মাকৰ আপত্তি নাথাকিলেও পিতৃয়ে এনে এটা বিপদ সংকুল কামৰ বাবে উদগনি দিব নুখুজিলে। সেয়ে ডাৱৰৰ মাজে মাজে পাইলট হৈ বিমান উৰুৱাৰ স্বপ্ন বাস্তৱায়িত নহ'ল। কিন্তু অমলপ্ৰভাই অতি দক্ষতাৰে গাড়ী চলাব পাৰিছিল। পিছৰ দিনবোৰত তেওঁ নিজেই গাড়ী চলাই সংগঠনৰ কামকাজবোৰ অসমৰ ইমূৰৰ পৰা সিমূৰলৈ চলাই ফুৰিব পাৰিছিল।

ডাঃ হৰিকৃষ্ণ দাসে এজন গৃহশিক্ষক ৰাখি পৰিয়ালৰ সকলোকে হিন্দী ভাষাৰ প্ৰশিক্ষণ দিয়াইছিল। তদুপৰি এজন উইভিং মাষ্টৰ ৰাখি বোৱা-কটা বিদ্যাটো খৰচি মাৰি শিকিবলৈ অমলপ্ৰভাক সুবিধা কৰি দিছিল।[৩] এই সকলোবোৰে প্ৰকৃততে তেওঁৰ ভৱিষ্যত সংগ্ৰামী জীৱনৰ পাথেয় আছিল।

**মহাত্মাজীৰ সান্নিধ্যঃ** গান্ধীজীৰ আদৰ্শই সৰুৰে পৰা অমল প্ৰভাৰ মন আকৃষ্ট কৰি আহিছিল। কলিকতাত পঢ়ি থাকোতে কিছু ছাত্ৰই তেওঁক বিপ্লৱী দলত যোগ দিবলৈ গোপনে বহু চেষ্টা কৰিছিল। কিন্তু গান্ধীজীৰ অহিংস আন্দোলনত মন সমৰ্পিত কৰা অমলপ্ৰভাই এনে হিংসাৰ পথ দৃঢ়ভাৱে প্ৰত্যাখ্যান কৰিছিল। ১৯৩৪ চনত মহাত্মাজীয়ে হৰিজন আন্দোলন সংক্ৰান্তত অসমলৈ আহি ডাঃ হৰিকৃষ্ণ দাসৰ পানবজাৰৰ ঘৰতে অতিথি হৈছিল। বিশ্ববিদ্যালয়ৰ ছাত্ৰী অমলপ্ৰভা বন্ধত আহি ঘৰতে আছিল। বাপুজীৰ সান্নিধ্য তেওঁ ঘৰতে পালে। তেখেতৰ মুখৰ পৰাই অসহযোগ আন্দোলনৰ মূলনীতি আৰু কাৰ্যসূচী জানিব পাৰিলে। ১৯৩৮ চনত হৰিপুৰাত হোৱা কংগ্ৰেছ কমিটিৰ সন্মিলনলৈ ডাঃ দাস সপৰিয়ালো গৈছিল। ইয়াৰ পৰাই তেওঁলোক গান্ধীজীৰ গঠনমূলক অনুষ্ঠানবোৰ চাবলৈ ৱাৰ্দ্ধালৈ গ'ল বাপুজীৰ প্ৰিয় শিষ্যা মীৰা বেনৰ সহায়ত তেওঁলোকে মহামানৰ গৰাকীৰ সাক্ষাৎ পায়। গান্ধীজীয়ে আন্তৰিকতাৰে তেওঁলোকৰ লগত কথা-বতৰা পতাৰ উপৰিও অসমৰ

বিভিন্ন সমস্যা সমূহৰ বুজ লয়।

**দেশ সেৱাত সমৰ্পিত অমলপ্ৰভাঃ** মহাত্মাজীৰ লগত ৱাৰ্দ্ধাত হোৱা ২য় সাক্ষাৎকাৰ আছিল অমলপ্ৰভাৰ জীৱনৰ ডাঙৰ টাৰ্ণিং পইন্ট। ব্যক্তিগত জীৱনৰ সুখ-স্বচ্ছন্দ সকলো হেলাৰঙে নেওচি তেওঁৰ জীৱন সমৰ্পিত হ'ল গান্ধীজীৰ আদৰ্শ বাস্তৱত প্ৰতিফলিত কৰাৰ বাবে তেওঁৰ ব্যক্তিগত জীৱন বুলি একো নাথাকিল। পৰৱৰ্ত্তী জীৱনৰ বিষয়ে কিবা জানিব বিচাৰিলে তেওঁৰ বিভিন্ন দেশ সেৱাৰ মাজতে তেওঁক বিচাৰিব লাগিব।

**সত্যাগ্ৰহী জীৱন আৰু কাৰাবৰণঃ** ১৯৩৯ চনত মাতৃৰ লগত অমলপ্ৰভাই পুনৰ ৱাৰ্দ্ধালৈ গৈ ঘানিত তেল পেৰা, হাতেৰে চাবোন বনোৱা, কাগজ তৈয়াৰ কৰা, মৌ পালন আদিৰ প্ৰশিক্ষণ লয়। হেমপ্ৰভাই গুৱাহাটীৰ শৰণীয়া পাহাৰত থকা তেওঁলোকৰ মাটিত প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিলে।

সেইসময়ত সমগ্ৰ ভাৰতৰ লগতে অসমতো স্বৰাজ আন্দোলন তীব্ৰৰ পৰা তীব্ৰতৰ হৈ আহিল। অমলপ্ৰভাই প্ৰকাশ্যেই ইয়াৰ লগত জড়িত হৈ পৰে। ইতিমধ্যে অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে কংগ্ৰেছ মহিলা শাখাৰ দায়িত্ব পুষ্পলতা শইকীয়া (পিছলৈ দাস) আৰু অমলপ্ৰভাক দিয়ে। দুইনেত্ৰীয়ে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ঘূৰি স্বাধীনতা আন্দোলনৰ প্ৰচাৰ চলালে। ফলস্বৰূপে গাঁও-ভূই সমূহৰ মহিলাৰ মাজতো অদ্ভুত জন চেতনাৰ উন্মেষণ হ'ল হাজাৰ-হাজাৰ মহিলা স্বাধীনতা ৰণত জপিয়াই পৰিল।

মুক্তি সংগ্ৰামত এইদৰে দেহে-কেহে লাগি থাকোতেই ১৯৪১ চনত অমলপ্ৰভা গ্ৰেপ্তাৰ হ'ল। একে অপৰাধতে পুষ্পলতাও গ্ৰেপ্তাৰ হ'ল। ডেৰমাহ কাৰাবন্দী হৈ থকাৰ পিছত তেওঁ মুক্তি পালে।

ইতিমধ্যে ২য় মহাবিশ্বযুদ্ধৰ সুযোগ গ্ৰহণ কৰি কংগ্ৰেছ ১৯৪২ চনৰ ৮ আগষ্টত 'ভাৰত ত্যাগ' ধ্বনিৰে পূৰ্ণস্বায়ত্বৰ দাবী অৱতাৰণা কৰিলে। সচকিত হৈ বৃটিছ চৰকাৰে পিছদিনাই গান্ধীজী, নেহৰুকে আদি কৰি কংগ্ৰেছ ৱৰ্কিং কমিটিৰ শীৰ্ষ বিষয়ববীয়া সকলক গ্ৰেপ্তাৰ কৰিলে। ইমানতে ক্ষান্ত নহৈ তেওঁলোকে কংগ্ৰেছৰ প্ৰায় সকলো নেতাকে কাৰাবন্দী কৰিলে। কিছু নেতা আত্মগোপন কৰিবলৈ বাধ্য হ'ল। অসমতো বৰদলৈ, সিদ্ধি নাথ শৰ্মা, ফকৰুদ্দিন আলি আহমেদ, বিষ্ণুৰাম মেধি, মৌলানা তৈয়ৰ্বুল্লা আদি নেতা জেলত সোমাল। দেশৰ এনে পৰিস্থিতিত এই কাৰ্য জুইত ঘিউ জ্বলাৰ দৰে হ'ল। তেতিয়াৰ সংযোগ ব্যৱস্থা আজিৰ দৰে উন্নত নাছিল যদিও "মৰিলে স্বৰ্গ, তৰিলে দেশ" এই মহামন্ত্ৰ সৰোগত পৰি লাখ লাখ লোক সংগ্ৰামত নামি পৰিল। ডাঃ হৰিকৃষ্ণ দাসো কাৰাবন্দী হ'ল। এনে বিষম পৰিস্থিতিতো বিচলিত নহৈ সাহসী অমলপ্ৰভাই নিজৰ ঘৰৰ গাড়ীখন লৈ বুটা সিং নামৰ বিশ্বাসী ঘৰুৱা ড্ৰাইভাৰ জন লগত লৈ উজনি-নামনি সমগ্ৰ অসমতে আন্দোলনৰ কাম চলাই নিলে। কিন্তু সৰহদিন তেওঁ মুক্ত হৈ থাকিব নোৱাৰিলে, ১৯৪৩ চনত তেওঁ পুনৰ কাৰাবন্দী হ'ল। গুৱাহাটী কাৰাগাৰত তেওঁ সংগী হ'ল পুষ্পলতা আৰু চন্দ্ৰপ্ৰভা শইকীয়ানী। তেওঁলোকে সূতা কটা, অধ্যয়ন আদি কামত ব্যস্ত আছিল যদিও মহিলা কয়েদীক লিখা-পঢ়া শিকাই জেলৰ মাজতো জ্ঞানৰ জ্যোতি বিলাইছিল। ডেৰ বছৰ পিছত তেওঁ মুক্তি লাভ কৰে।

**কস্তুৰবা গান্ধী স্মাৰক নিধি আৰু অমলপ্ৰভাঃ** অমলপ্ৰভা জেলত থাকোতেই ৰাষ্ট্ৰমাতা কস্তুৰবাই ইহলীলা সম্বৰণ কৰে। তেওঁৰ স্মৃতিৰক্ষাৰ্থে দেশত 'কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক নিধি' নামৰ ন্যাস গঠন কৰা হ'ল। গান্ধীজীৰ পৰামৰ্শমতে এই ন্যাসৰ অধীনত গাঁওৰ মহিলা আৰু শিশুৰ কল্যাণৰ বাবে বিভিন্ন আচঁনি লোৱা হ'ল। অসমতো গোপীনাথ বৰদলৈ দেৱক সভাপতি আৰু অমলপ্ৰভাক সম্পাদিকা ৰূপে লৈ ন্যাসৰ বাবে ১ লাখ ২০ হাজাৰ টকা সংগ্ৰহ কৰা হৈছিল। কস্তুৰবা নিধিৰ কাম খৰচি মাৰি শিকিবলৈ অমল প্ৰভা ৱাৰ্দ্ধালৈকো গ'ল। গান্ধীজীয়ে তেওঁলোকে দাখিল কৰা আচঁনিৰ কিছু সংশোধন কৰিলে আৰু অমলপ্ৰভাক উপদেশ দি কৈছিল যে নিধিৰ আচঁনি স্বাৱলম্বী হ'ব লাগিব— ই হ'ব লাগিব এনে শিক্ষানুষ্ঠান যত শিল্প চৰ্চাৰ লগতে তাত উৎপাদিত সামগ্ৰীৰ দ্বাৰা শিক্ষাৰ্থীৰ খৰচো ওলাব লাগিব। অমলপ্ৰভাই অসমৰ এড়ী, মুগা, পাট শিল্পৰ কথা অৱগত কৰাত গান্ধীজীয়ে অনুমোদন জনালে।

এইখিনি সময়তে অমলপ্ৰভাৰ জীৱনৰ মাৰ্গ-দৰ্শিকা, প্ৰেৰণাৰ উৎস মাতৃ হেমপ্ৰভাৰ ১৯৪৫ চনত দেহাৱসান ঘটিল। অমলপ্ৰভাৰ হৃদয় চুৰমাৰ হ'ল। ডাঃ হৰিকৃষ্ণ দাসে অসীম ধৈৰ্য্য আৰু স্নেহেৰে সৰু জীয়াৰীক আবৰি 'কৰ্মই ধৰ্ম' এই ব্ৰতত দৃঢ় সংকল্প হ'বলৈ অনুপ্ৰেৰণা যোগালে। হেমপ্ৰভা দাসে শৰণীয়াত এটি হস্তশিল্প কেন্দ্ৰ প্ৰতিষ্ঠা কৰি বোৱা-কটা, তেল পেৰা, চাবোন, কাগজ তৈয়াৰ কৰিছিল। মাতৃবিয়োগত মৰ্মাহত হোৱা অমলপ্ৰভাই কস্তুৰবা স্মাৰক নিধিৰ কাম সুচাৰুৰূপে চলাই নিবলৈ হৰিকৃষ্ণ দাসে শৰণীয়া পাহাৰত থকা ৫৮ বিঘাৰ বিশাল ভূ-সম্পত্তি নিধিক দান কৰে। দেহমনৰ সমস্ত শক্তিৰে অমলপ্ৰভাই নিধিৰ আচঁনি সফল কৰাত লাগিল। ১৯৪৬ চনত গান্ধীজী শেষবাৰলৈ অসমলৈ আহোতে শৰণীয়াৰ কস্তুৰবা আশ্ৰমতে অতিথি হ'ল। তেখেতে আনুষ্ঠানিক ভাবে কস্তুৰবা স্মাৰক নিধি, অসম শাখাৰ কাৰ্য্যালয় আৰু গ্ৰামসেৱিকা বিদ্যালয়ৰ শুভ উদ্বোধন কৰে। তেতিয়াৰে পৰা ১৯৬৪ চনলৈকে অমলপ্ৰভাই অসাধাৰণ দক্ষতাৰে এই নিধিৰ প্ৰতিনিধি ৰূপে পৰিচালনা কৰিছিল।

**স্বাধীনতাৰ পিছত অমলপ্ৰভাৰ কৰ্মৰাজিঃ** আমাৰ দেশ স্বাধীন হ'ল, ইচ্ছা কৰিলে অমলপ্ৰভাই বিধায়ক, মন্ত্ৰী হৈ সক্ৰিয় ৰাজনীতিত অংশ গ্ৰহণ কৰিব পাৰিলে হয়। কিন্তু প্ৰকৃত গান্ধীবাদী অমলপ্ৰভাৰ ৰাজনৈতিক ক্ষমতাৰ প্ৰতি নিৰ্লিপ্ত আছিল। দৰিদ্ৰ জনগণৰ অৰ্থনৈতিক, মানসিক উন্নিতকৰণৰ প্ৰতিহে তেওঁ যত্নপৰ আছিল।

১৯৫২ চনত গঠন হোৱা ৰাজ্যিক সমাজ কল্যাণ পৰিষদৰ অধ্যক্ষৰ দায়িত্ব অমলপ্ৰভাৰ কান্ধতে পৰিল। তদুপৰি মুখ্যমন্ত্ৰী বৰদলৈৰ

অনুৰোধত অসমৰ বুনিয়াদী শিক্ষা ব্যৱস্থাৰ উপদেষ্টাও হ'ব লগা হৈছিল। গান্ধীজীৰ মৃত্যুৰ পিছত গঠন কৰা গান্ধী স্মাৰক নিধিৰ প্ৰাদেশিক শাখাৰ সঞ্চালকৰ দায়িত্বও বহু বছৰ পালন কৰিছিল। এই সকলোবোৰ কাম তেওঁ কেৱল সেৱাৰ মনোভাৱেৰে কৰিছিল। সকলো কাম তেওঁ অবৈতনিক ভাবে কৰিছিল। এনেবোৰ কামৰ দ্বাৰা তেওঁ গাৱঁৰ মানুহৰ অধিক কাষ চাপি গৈছিল। তেওঁ গান্ধীজী স্মাৰক নিধিৰ কেন্দ্ৰীয় কমিটিৰ পূঁজি আনি অসমত ৯টা কেন্দ্ৰ খুলি উন্নত কৃষি ব্যৱস্থা, গো-পালন, খাদী আৰু গ্ৰামোদ্যোগৰ দ্বাৰা দুখীয়া জনগণৰ অৰ্থনৈতিক উন্নতিৰ হকে চেষ্টা কৰিছিল।

অমলপ্ৰভাৰ নিঃস্বাৰ্থ দেশ সেৱাৰ স্বীকৃতি দি কেন্দ্ৰীয় চৰকাৰে তেওঁলৈ 'পদ্মবিভূষণ' সন্মান আগবঢ়ালে। কিন্তু দেশসেৱাৰ বিনিময়ত এনে বটা ল'বলৈ তেওঁ বিনয়েৰে অস্বীকাৰ কৰিলে।

**বৰ ভুঁইকপ আৰু মৈত্ৰী আশ্ৰমঃ** ১৯৫০ চনত অসমত হোৱা বৰ ভুঁইকপ আৰু তাৰ পিছৰ প্ৰলয়ংকাৰী বানপানীয়ে উজনি অসম বিশেষকৈ অবিভক্ত লক্ষীমপুৰ জিলাৰ বিস্তৰ ক্ষতি সাধন কৰিছিল। বাট-পথ ধ্বংস হৈ যোৱা এই দুৰ্গম অঞ্চলবোৰত এদল নিষ্ঠাবান মহিলা কৰ্মী লৈ অমলপ্ৰভাই যিদৰে দেহে-কেহে খাটিছিল আজিৰ প্ৰজন্মৰ বাবে আশ্চৰ্য্যৰ কথা। নেফা আৰু অসমৰ মাজৰ পথালি পাম অঞ্চলত এখন আশ্ৰম খুলি তাতে দুৰ্গত বিধবা মহিলা, শিশু সকলক আশ্ৰয় দি থকা-মেলা আৰু পঢ়া-শুনাৰ ব্যৱস্থা কৰি দিছিল। পিছত এই আশ্ৰমৰ নাম মৈত্ৰী আশ্ৰম ৰখা হয়।

**ভূদান যজ্ঞ আৰু পদযাত্ৰাঃ** গান্ধীজীৰ অনুগামী বিনোৱা ভাৱে ভাবিছিল পানী, বায়ুৰ দৰেই দেশৰ মাটিৰ ওপৰতো সকলো মানুহৰে অধিকাৰ আছে। সেয়ে তেওঁ আৰম্ভ কৰিছিল ভূদান যজ্ঞ। মাটিৰ গৰাকীয়ে তেওঁৰ অতিৰিক্ত মাটি দুখীয়া ভূমিহীন ৰাইজৰ বাবে দান দিব। অসমত এইকাম অমলপ্ৰভাৰ তলত নিয়াৰিকৈ চলিছিল। ১৯৬২ চনত বিনোৱাজী পদব্ৰজে অসমত প্ৰবেশ কৰে। গোটেই অসমতে চলা এই পদযাত্ৰাত অমলপ্ৰভা বিনোৱাজীৰ লগত থাকি তেখেতৰ ভাষণবোৰ অসমীয়ালৈ অনুবাদ কৰি জনসাধাৰণক ভূদান যজ্ঞৰ উদ্দেশ্য বুজাত সহায় কৰিছিল।

**জীৱনৰ শেষ কালচোৱাঃ** প্ৰাকৃতিক দুৰ্যোগ, গো-হত্যা বিৰোধী আন্দোলন, সাম্প্ৰদায়িক সংঘৰ্ষৰোধ, নগালেণ্ড পিছ মিছন বা আলফা দমনৰ নামত অসমত চলা সেনাৰ বৰ্বৰ আচৰণৰ প্ৰতিবাদ এই সকলোবোৰ কামতে অমলপ্ৰভাই জীৱনৰ সমস্ত শক্তিৰে যুঁজিছিল। ১৯৫৮ চনত পিতৃ বিয়োগ ঘটাৰ পিছত দুই কন্যাই পিতৃৰ আগ্ৰহ মৰ্মেই গুৱাহাটীৰ পানবজাৰত থকা পৈত্ৰিক সম্পত্তি "সৰ্বোদয় ট্ৰাষ্ট"ক দান কৰে।

গোটেই জীৱন জনগণৰ সেৱাত ব্ৰতী হৈ থকা অমলপ্ৰভা দাসে শেষ বয়সত হৃদৰোগত আক্ৰান্ত হ'ল। শেষ দিন কেইটা তেওঁ তিলোত্তমা ৰায়চৌধুৰীৰ ঘৰতে কটালে। কাৰণ তেখেতৰ ভিনদেৰেকৰো ইতিমধ্যে মৃত্যু হৈছিল। ১৯৯৪ চনৰ জুলাই মাহত ডাঃ তিলোত্তমা ৰায়চৌধুৰীয়েও এই সংসাৰ ত্যাগ কৰিলে। এটি এটি কৈ আপোনজন আতৰি গ'ল— মাত্ৰ সংগী হ'ল ৰবীন্দ্ৰ সংগীত। সেই বছৰৰে ৩০ ডিচেম্বৰৰ দিনা এই গৰাকী মহীয়সীৰ কৰ্মময় জীৱনৰ অৱসান ঘটিল।

আজিৰ দিনত অমলপ্ৰভা দাসৰ নিচিনা ত্যাগী মানুহৰ কথা অবিশ্বাস্য যেনেই লাগে। সোণ-ৰূপৰ চামুচ মুখত লৈ জন্ম গ্ৰহণ কৰিও আজীৱন শুভ্ৰ খাদী বস্ত্ৰ পৰিধান কৰি মহিলা সকলক দয়া, ক্ষমা, কৰুণাৰে শক্তিশালী হ'বলৈ উৎসাহিত কৰিছিল।

বিনয়ৰ মূৰ্ত প্ৰতীক এই গৰাকী ত্যাগী, সত্যাশ্ৰয়ী মহীয়সী নাৰীৰ বৰ্ণাঢ্যময় আদৰ্শ জীৱনৰ কথা সমগ্ৰ বিশ্বই জনা উচিত। কিন্তু বাস্তৱত ই হৈ উঠা নাই। বিশ্ব বা ভাৰত নালাগে আজিৰ অসমৰ নৱ প্ৰজন্মই তেখেতৰ কৰ্মৰাজিৰ বিষয়ে নাজানে। আনহে নালাগে অসম চৰকাৰৰ ফালৰ পৰাও এই গৰাকী অক্লান্ত গান্ধীবাদী সেৱাকৰ্মীৰ স্মৃতি ৰক্ষাৰ্থে একো পদক্ষেপ লোৱা দেখা নাই। যিসময়তে মহিলা সকল ঘৰৰ চাৰি বেৰৰ মাজতে আৱদ্ধ আছিল সেই ৪০ৰ দশকতে অমলপ্ৰভাই এদল নিষ্ঠাবান মহিলাক উলিয়াই আনিছিল গান্ধীজীৰ আদৰ্শৰে বিভিন্ন কৰ্মত নিয়োগ কৰিবলৈ। সময় এতিয়াও পাৰ হৈ যোৱা নাই। আমি চিৰকৌমাৰ্য্যব্ৰতী এই গৰাকী দেশসেৱিকাৰ স্মৃতিৰে সমাজক উদ্বুদ্ধ কৰিব পাৰো— লাগে মাথো এটা পৱিত্ৰ আৰু নিঃস্বাৰ্থ মন। ■

**বিঃ দ্ৰঃ** অসমত অমলপ্ৰভা দাসৰ স্মৃতি ৰক্ষাৰ্থে বিশেষ পদক্ষেপ লোৱা নাই যদিও গুৱাহাটীৰ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সদ্যনিৰ্মিত তিনিমহলীয়া ছাত্ৰীবাসটো তেখেতৰ নামেৰেই নামাকৰণ কৰা হৈছে। ■

**পাদটীকাঃ**

(১) কুৰি শতিকাৰ কুৰিজন বিশিষ্ট অসমীয়া, পৃ. ১৫৪
(২) অমলপ্ৰভা দাস জন্ম শতবৰ্ষ উপলক্ষে স্মৰণিকা,পৃ. ৪০
(৩) Amal Prava Das, পৃ. ১০



# বুৰঞ্জীবিদ ড° সূৰ্যকুমাৰ ভূএঞা (১৮৯২-১৯৬৪)



সংগ্ৰাহক ঃ জেউতি বৈশ্য
*স্নাতক দ্বিতীয় বাৰ্ষিক*
*কলা শাখা*

ড° সূৰ্যকুমাৰ ভূএঞাৰ জন্ম হয় ১৮৯২ চনৰ ২৭ জানুৱাৰীত নগাঁওৰ কলঙৰ পাৰৰ ফৌজদাৰী পট্টীত। তেওঁৰ পিতৃৰ নাম ৰবিৰাম ভূএঞা আৰু মাতৃৰ নাম ভুৱনেশ্বৰী ভূএঞা। তেওঁলোকৰ পূৰ্বপুৰুষ কৌনৰ সিংহ। তেওঁ বিহাৰৰ পূৰ্ণিয়া জিলাৰ এগৰাকী আঢ্যৱন্ত লোক। তেওঁৰ জন্ম সময় ১৭০৯। কৌনৰ সিংহৰ দুজন পুত্ৰ আৰু এজনী কন্যা। পুত্ৰ দুজন হ'ল সহদেৱ সিংহ আৰু মংগল সিংহ। সহদেৱ সিংহ আৰু কন্যাগৰাকী ঢুকায়। মংগল সিংহই ইষ্ট ইণ্ডিয়া কোম্পানীৰ তলত সৈনিকৰ চাকৰিত সোমায়। এসময়ত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমীয়া সৈন্যক প্ৰশিক্ষণ দিবলৈ তেওঁলোকৰ সৈন্য অসমলৈ পঠিয়াম। অসমলৈ অহা সৈন্যৰ ভিতৰত মংগল সিংহও এজন। দিখৌ নৈৰ পাৰৰ কান্ধুলীমাৰী চাপৰিত তেওঁলোকে প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰিছিল। পিছে স্বৰ্গদেউ গৌৰীনাথ সিংহৰ কৃপা লাভ কৰি তেওঁ মাটি সম্পত্তি লাভ কৰে। তেওঁ অসমীয়া সমাজখনৰ লগত মিলি যাবলৈ ইচ্ছা কৰি, শিৱসাগৰৰ শনি ভূএঞা পৰিয়ালৰ এগৰাকী কন্যাক বিয়া কৰায়। এইজন মংগল সিংহই আছিল ড° সূৰ্যকুমাৰ ভূএঞা আজোককাক।

সূৰ্যকুমাৰ ভূএঞাৰ সৰুকালৰ শিক্ষা নগাওঁ সদৰ স্কুলত আৰম্ভ হয়। সেই কালত তেওঁ বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে পাইছিল গোলোক চন্দ্ৰ চক্ৰৱৰ্ত্তীক। প্ৰখ্যাত কবি ধনাই বৰাকো তেওঁ বিদ্যালয়ত শিক্ষকৰূপে পাইছিল আৰু ঘৰুৱা শিক্ষক হিচাপেও পাইছিল। ১৯০১ চনত তেওঁ নগাঁও চৰকাৰী হাইস্কুলত ভৰ্ত্তি হয়। এই বিদ্যালয়ত তেওঁ প্ৰধান শিক্ষক হিচাপে পাইছিল ৰাজেন্দ্ৰনাথ দত্তক। সূৰ্যকুমাৰ ভূএঞাৰ দেউতাকে নগাঁৱৰ উপায়ুক্তৰ কাৰ্যালয়ত কেৰাণীৰ চাকৰি কৰিছিল। পিছত সেই চাকৰি সলনি কৰি ১৯০৪ চনৰ পৰা শ্বিলঙৰ সচিবালয়ত যোগদান কৰে। সূৰ্যকুমাৰ ভূএঞাই দেউতাকৰ লগত শ্বিলঙলৈ যায় আৰু আৰু শ্বিলং চৰকাৰী হাইস্কুলত ভৰ্ত্তি হয়। ১৯০৯ চনত তেওঁ সুখ্যাতিৰে এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰে। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অসম-উপত্যকাৰ ভিতৰত তেওঁ প্ৰথম স্থান লাভ কৰিবলৈ সমৰ্থৱান হয়। ১৯১১ চনত কটন মহাবিদ্যালয়ৰ পৰা আই. এ আৰু ১৯১৩ চনত কলিকতাৰ প্ৰেছিডেন্সী কলেজৰ পৰা ইংৰাজীত অনাৰ্চসহ বি. এ পৰীক্ষা পাছ কৰে। ১৯১৬ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইংৰাজীত এম এ পাছ কৰে। ১৯২৪ চনত তেওঁ উক্ত বিশ্ববিদ্যালয়ৰ পৰা বি এল উপাধি লাভ কৰে। ১৯৩৬ চনত তেওঁ বিলাতলৈ যায়। বিলাতত থাকি লণ্ডন স্কুল অৱ অৰিয়েণ্টেল ষ্টাডিজত "An Anglo-Assamese Relation" শীৰ্ষক গৱেষণা গ্ৰন্থ লিখি ১৯৩৮ চনত পি এইচ ডি উপাধি লাভ কৰে। ১৯৫১ তেওঁ ডি লিট উপাধিও লাভ কৰে।

ড° ভূএঞাৰ চাকৰি জীৱন আৰম্ভ হয় যোৰহাট। ১৯১৬ চনত তেওঁ যোৰহাটৰ বেজবৰুৱা হাইস্কুলত শিক্ষকতা কৰে।

১৯১৭ চনত তেওঁ লক্ষেশ্বৰী ভূএঞাৰ সৈতে বিবাহপাশত আৱদ্ধ হয়। ১৯১৮ চনত ভূএঞাদেৱে যোৰহাটৰ মিছন স্কুলত শিক্ষকতা কৰে। ১৯১৮ চনৰ ৪ জুলাইৰ পৰা তেওঁ কটন মহাবিদ্যালয়ৰ ইংৰাজী বিষয়ৰ অধ্যাপক হিচাপে নিযুক্ত হয়। তেওঁ কটন কলেজৰ প্ৰথম স্থায়ী অসমীয়া অধ্যাপক।

১৯২৮ চনত তেওঁ অসম বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ অবৈতনিক সহকাৰী সঞ্চালক হিচাপে নিযুক্ত হয়। ১৯৪১ চনৰ পৰা তেওঁ অসম উপত্যকাৰ ভাৰপ্ৰাপ্ত স্কুল পৰিদৰ্শক নিযুক্ত হয়। ১৯৪৩-৪৫ চনলৈ তেওঁ প্ৰভিঞ্চিয়েল পাব্লিচিটি আৰু ৰিক্ৰুইটিং বিষয়া হিচাপে নিযুক্ত হয়।

তেওঁ কামৰূপ অনুসন্ধান সমিতিৰ লগতো জড়িত আছিল। ১৯১৮-

-১৯২২ চনলৈ তেওঁ ইয়াৰ সম্পাদক আছিল। ড° সূৰ্যকুমাৰ ভূঞা দুবছৰ কাল (১৯৫২-৫৪ লৈ) ৰাজ্যসভাৰ সদস্য পদত মনোনীত হৈছিল।

ড° ভূঞা আছিল গুৱহাটী বিশ্ববিদ্যালয়ৰ দ্বিতীয়জনা উপাচাৰ্য। কৃষ্ণকান্ত সন্দিকৈৰ পিছত তেওঁ উপাচাৰ্যৰ পদ গ্ৰহণ কৰে।

ড° ভূঞাই ইংৰাজী ভাষাত যোল্লখন মৌলিক গ্ৰন্থ জীৱিত কালত ছপা কৰি উলিয়ায়। ইয়াৰ ভিতৰত তেওঁৰ গৱেষণা-গ্ৰন্থ 'এংলো আছামিজ ৰিলেশ্বন ১৭৭১-১৮২৬' নামৰ গ্ৰন্থখনো আছে। অনেক কষ্ট কৰি নথিপত্ৰ যুগুতাই তেওঁ ইংৰাজীত পাঁচখন ৰিপট-বুলেটিন ছপা কৰে। জীৱিত কালত 'লণ্ডন মেমৰি'কে ধৰি এঘাৰখন ইংৰাজী ভাষাৰ গ্ৰন্থ ছপাশালৰ উপযোগী কৰি থৈ যায়। আনহাতে, ইংৰাজী ভাষাৰ মীৰজুমলাৰ ইনভেঞ্চন অৱ আসামকে ধৰি আঠখন গ্ৰন্থ ছপাৰ উপযোগী কৰি যোৱাৰ কামো তেওঁ হাতত লৈছিল।

অসমীয়া ভাষাত ড° ভূঞাই কুৰিখন মৌলিক গ্ৰন্থ জীৱিত কালত ছপা কৰি উলিয়ায়। তাৰ ভিতৰত ১৯০৭ চনৰ পৰা ১৯১৭ চনৰ ভিতৰত লিখা কবিতাৰ পুথি নিৰ্মালী, চুটিগল্পৰ পুথি 'পঞ্চমী' (১৯২৭) আৰু অনুপম জীৱনীগ্ৰন্থ আনন্দৰাম বৰুৱাখনো আছে।

ড° ভূঞাই ইংৰাজী আৰু অসমীয়াত দীঘলীয়া পাতনি সংযোগ কৰি এঘাৰখন পুথি অসম বুৰঞ্জী সম্পাদনা কৰি ছপা কৰি উলিয়ায়। 'কলি ভাৰত, বেলিমাৰৰ সংযোগ, কামৰূপ বুৰঞ্জী, দেওধাই অসম বুৰঞ্জী, কছাৰী বুৰঞ্জী, জয়ন্তী বুৰঞ্জী, ত্ৰিপুৰা বুৰঞ্জী, অসম বুৰঞ্জী, গদাধৰ সিংহৰ শাসনকালৰ আৰম্ভণিৰ পৰা 'সাতসৰী' অসম বুৰঞ্জী। প্ৰতিখন বুৰঞ্জী বিজ্ঞানসন্মতভাৱে অধ্যয়ন কৰি তেওঁ সম্পাদনা কৰি থৈ গৈছিল। তেওঁ ছপাৰ উপযোগী কৰি থৈ যোৱা নৱ নিৰ্মালি, অনাদৰী, লাচিত বৰফুকন (হিন্দী ৰূপান্তৰ) সপ্ত ব্যৱধান (হিন্দী ৰূপান্তৰ) আৰু পঞ্চকলি এতিয়াও অপ্ৰকাশিত হৈ আছে।

**ভূঞা ডাঙৰীয়াৰ প্ৰকাশিত গ্ৰন্থ হ'ল—**

(১) জীৱনী-মহাত্মা গোপালকৃষ্ণ গোখলে (১৯১৬)
(২) ৰবীন্দ্ৰনাথ ঠাকুৰ, (১৯২০)
(৩) আনন্দৰাম বৰুৱা (১৯২০)
(৪) জোনাকী (১৯২৮)
(৫) চানেকী (১৯২৮)
(৬) ৰমণী গাভৰু (১৯৫১)
(৭) হৰিহৰ আতা (১৯৬০)

**বুৰঞ্জীমূলক গ্ৰন্থ—**

(১) আহোমৰ দিন (১৯৫৫)
(২) মীৰজুমলাৰ অসম আক্ৰমণ (১৯৫৬)
(৩) অসম জীয়ৰী (১৯৩১)
(৪) স্বৰ্গদেউ ৰাজেশ্বৰ সিংহ (১৯৭৫)
(৫) অসম বুৰঞ্জী (১৯৩০)
(৬) কামৰূপৰ বুৰঞ্জী (১৯৩০)
(৭) লাচিত বৰফুকন (১৯৬২)
(৮) তুংখুঙীয়া বুৰঞ্জী (১৯৩২)
(৯) দেওধাই অসম বুৰঞ্জী (১৯৩৩)
(১০) অসমৰ পদ্য বুৰঞ্জী (১৯৩৩)
(১১) বাদশ্বাহ বুৰঞ্জী (১৯৩৪)
(১২) কছাৰী বুৰঞ্জী (১৯৩৬)
(১৩) জয়ন্তীয়া বুৰঞ্জী (১৯৩৭)
(১৪) অসম বুৰঞ্জী (১৯৪৫)
(১৫) সাতসৰী অসম বুৰঞ্জী (১৯৬০)
(১৬) ত্ৰিপুৰা বুৰঞ্জী (১৯৩৭)

**কবিতা পুথি—**

(১) নিৰ্মালি (১৯২৮)

**গল্প সংকলন—**

(১) পঞ্চমী (১৯২৭)

**ইংৰাজী বিষয়ৰ গ্ৰন্থ—**

(1) An Assamese Nurjahan (1926)
(2) Ealrly British Relation with Assam
(3) Assamese Historical literature
(4) Assamese Literature : Ancient& Modern
(5) An Account of Assam.
(6) Lachit Barphukan and His Time
(7) Anglo in the literature of Assam
(8) Studies in the literature of Assam
(9) Men, I have met (1962)

১৯৫৩ চনৰ ৮ নৱেম্বৰত শ্বিলঙত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ দ্বাবিংশ অধিবেশনৰ তেওঁ সভাপতি আছিল। সভাত তেওঁ কৈছিল—প্ৰজাৰ মঙ্গলেই হৈছে শাসনৰ একমাত্ৰ উদ্দেশ্য। আদৰ্শত স্থিৰচিত্ত হৈ থাকিবলৈ হ'লে মনৰ নৈতিক বলৰ প্ৰয়োজন। নৈতিক বলৰ প্ৰেৰণা দিব পাৰে অকল সাহিত্যই। নহ'লে দেশত সংসদ সদস্যৰ উভৈনদী হ'লেও ৰাইজৰ মংগল সাধনা নোহোৱাকৈ থাকিব পাৰে। গণতন্ত্ৰৰ যুগত সাহিত্যৰ প্ৰচাৰ নিতান্তই আৱশ্যক। যাতে সাধাৰণ নাগৰিক ভোটাৰৰ পৰা আৰম্ভ কৰি সৰ্বোচ্চ শাসকলৈকে সকলোৱে নৈতিক আদৰ্শৰদ্বাৰা প্ৰণোদিত হৈ দেশৰ শাসনৰ কাম পৰিচালিত কৰিব পাৰে। নৈতিক আদৰ্শৰ অভাৱ ঘটিলে ৰাইজৰ অৱস্থা কৌটিকলীয়া আন্ধাৰত পৰি থাকিব। এই কৰ্মযোগী জ্ঞানসাধক সাহিত্যিক গৰাকী ১৯৬৪ চনৰ ৮ জুন তাৰিখে আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি যায়। তেওঁৰ মহৎ কৰ্মই তেওঁক জীয়াই ৰাখিব তেখেতৰ অমৰাত্মা য'তেই আছে, তাৰ পৰাই আমাৰ নমস্কাৰ গ্ৰহণ কৰক। ●

শিল্পজগত

# মহাভাৰতৰ কাহিনীৰ লগত জড়িত এখন ছবি

**সুদীপ্ত বৰকাকতি**
*স্নাতক প্ৰথমবৰ্ষ*
*বিজ্ঞান শাখা*

মহাভাৰতৰ কাহিনীৰ লগত জড়িত এখন ছবি

Rajneeti mein faisla sahi ya galat Nahi hota hain, uska mol to maksadh (aim) pura karne ke liye hota hain, chahe jese bhi ho.

*–Nana Patekar as Brij Gopal.*

হয়, মই প্ৰকাশ ঝাৰ দ্বাৰা পৰিচালিত RAJNEETI ছবি পুংখানুপুংখ বিৰৰণ আগবঢ়াইছো।



'Raajneeti'ৰ STORYLINE ছবিখনৰ আটাইতকৈ ডাঙৰ HERO। Prakash Jha আৰু Anjum Rajabaliএ অতি সুন্দৰভাৱে ছবিখনৰ কাহিনীৰে ছবিখন উপস্থাপন কৰিবলৈ সক্ষম হৈছে। উল্লেখনীয়ভাৱে এই ছবি এখনৰ কাহিনীৰ মূল উৎস হৈছে মহাভাৰত। লেখকদ্বয়ে অতি সুন্দৰভাৱে আধুনিক যুগত মিলাকে এখন মহাভাৰতৰ নিচিনা কুৰুক্ষেত্ৰ বা ৰাজনীতি বনাবলৈ সক্ষম হৈছে।

প্ৰথম দৃশ্যৰ পৰা কৰ্ণৰ নিচিনা অজয় দেৱগনৰ জন্ম। কৌৰৱ আৰু পাণ্ডৱৰ নিচ্ছিনাকে দুজন ভায়েকে এটা আঞ্চলিক ৰাজনৈতিক দল অতি শক্তিশালীভাৱে চলাই লৈ যায়। হঠাৎ ডাঙৰ ককায়েকৰ অসুস্থতাৰ ফলত সৰু ভায়েকক তেওঁৰ স্থানত বহুৱা হয় ফলত ডাঙৰ ভায়েকৰ পুত্ৰৰ মনত নিজৰ ক্ষমতা লালসাৰ আৰম্ভণি হয়। নিজৰ দেউতাৰ সূত্ৰে সৰু ভায়েকৰ ডাঙৰ পুত্ৰ অৰ্জুন ৰামপাল আৰু ক্ষমতাৰ পৰা বঞ্চিত মনোজ বাজপায়ী অৰ্থাৎ ডাঙৰ ভায়েকৰ মাজত ক্ষমতাকেন্দ্ৰীক ৰাজনীতিৰ সূত্ৰপাত হয়। কিন্তু অসুস্থ দেউতাকক দুৰ্ব্যৱহাৰ কৰি অতি চলনাপূৰ্ণভাৱে অৰ্জুন ৰামপাল আৰু ৰণবীৰ কাপুৰক দলৰ পৰা বহিষ্কাৰ কৰে। ইয়াৰ উপৰিও নিজৰ খুৰায়েকক হত্যা কৰোৱায় আৰু ক্ষমতা নিজৰ হাতলৈ আনে।

সৰু ভায়েকৰ বা খুৰাকৰ পৰিয়ালৰ বা আন সকলো সা-সুবিধাৰ পৰা আঁতৰাই আনে। ঠিক মহাভাৰতত দুৰ্যোধন পঞ্চপাণ্ডৱক বনবাসত পঠিওৱাৰ নিচ্ছিনাকৈ। আনকি অৰ্জুন ৰামপাল জেললৈ যাবলগীয়া হয়। তাৰ পিছত অৰ্জুন ৰামপাল আৰু ৰণবীৰ কাপুৰে নানা পাটেকাৰৰ সহায়ত নতুন দলৰ গঠন কৰি নিৰ্বাচনত অৱতীৰ্ণ হয়। ৰণবীৰ কাপুৰে অতি বুদ্ধিমত্তাৰে নিজৰ দলৰ হৈ কাম কৰি গৈ থাকে। অতি সুক্ষ্মভাৱে ৰাজনীতি খেলৰ বা যুদ্ধ কৰিবলৈ আৰম্ভ কৰে; নানা পাটেকাৰৰ সহায়ৰ ফলত প্ৰত্যেক যুদ্ধতে জয় লাভ কৰিবলৈ সক্ষম হয়। ঠিক অৰ্জুন আৰু কৃষ্ণৰ নিচ্ছিনাকৈ ৰণবীৰ কাপুৰৰ চৰিত্ৰতো ভগৱান বা পাৰ্গত যোদ্ধা অৰ্জুনৰ পৰা প্ৰতিফলিত আৰু নানা পাটেকাৰৰ ভগৱান সৰ্বজ্ঞানী শ্ৰীকৃষ্ণৰ পৰা প্ৰতিফলিত হোৱা দেখা যায়। শেষত ৰণবীৰ কাপুৰৰ দলে নিৰ্বাচনত জয়ী হয়। অৰ্জুনে কৃষ্ণৰ উপদেশত পতিয়ন গৈ ধনু-কাড় বা অস্ত্ৰ হাতত তুলি লয় ঠিক তেনেদৰে নানা পাটেকাৰ কথাত ৰণবীৰ কাপুৰে মনোজ বাজপায়ী আৰু অজয় দেৱগণৰ নিকৃষ্ট কামত প্ৰতিশোধ লবলৈ সফল হয়।

ছবিখন অতি উচ্চমানৰ আৰু গোটেই ৰাজনৈতিক ব্যৱস্থাক অতি সুন্দৰভাৱে উপস্থাপন কৰা হৈছে। সকলো চলচিত্ৰ প্ৰেমীয়ে নিশ্চয় ছবিখন চাইছে আৰু উপভোগ কৰিছে।

Film : RAAJNEETI (2010)

Director : Prakash Jha

Producer : Prakash Jha and Siddharth Ray Kapoor

Music : Wayne Sharpe, Pritam, Shantanu Moitra, Aadesh Shrivastava.

Writing credits : Prakash Jha and Anjum Rajabali

Cast: Naseeruddin Shah (Bhaskar Sanyal) Arjun Rampal (Prithviraj C. Pratap), Nana Patekar (Brij Gopal) Ranbir Kapoor (Samar Pratap), Katrina Kaif (Indu. R. Saksena) Ajay Devgan (Sooraj Kumar), Manoj Bajpayee (Veerendra B. Pratap). ●

# সংস্কৃতি

# বিহু ঃ এক সমাহৰণ উৎসৱ

**নয়নতৰা চৌধুৰী**
**স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক**
**অসমীয়া বিভাগ**

অসমীয়া জাতিৰ অতিকৈ আদৰৰ উৎসৱ হৈছে বিহু উৎসৱ। এই উৎসৱ অসমৰ পাহাৰে ভৈয়ামে যিবোৰ জাতি জনজাতি আছে সেই জাতি-জনজাতিৰ লগতে সমগ্ৰ অসমীয়া জাতিয়ে অতি উলহ মালহেৰে পালন কৰে। এই বিহু উৎসৱ হৈছে এক সমাহৰণৰ উৎসৱ। সমস্ত ভাৰতবৰ্ষৰ লগতে উত্তৰ-পূৰ্বাঞ্চলতো সমাহৰণৰ ভাষা-সংস্কৃতি দেখিবলৈ পোৱা যায়। গোটেই ভাৰতীয় সংস্কৃতিত দ্ৰাবিড়ীয়, এষ্টলয়ড, মংগোলয়ড আৰু আৰ্য সংস্কৃতিৰ প্ৰভাৱৰ ফলত এক মধুৰ আৰু বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতিৰ সমাহাৰ দেখিবলৈ পোৱা যায়।

ভাৰতীয় সংস্কৃতিৰ এটা ক্ষুদ্ৰ অংশ হৈছে অসমীয়া সংস্কৃতি। অসমীয়া সংস্কৃতিৰ প্ৰধান অংগ হিচাপে পৰিচিত হৈ আহিছে অসমীয়া জাতিৰ 'বিহু' উৎসৱটি। এই 'বিহু' শব্দটোৰ উৎপত্তি হৈছে সংস্কৃত 'বিষুৱৎ' শব্দৰ পৰা। ভাৰতৰ অইন বহুতো অঞ্চলত বিহুৰ লেখিয়াকৈ উৎসৱ পালন কৰা দেখা যায়। আৰু সেই উৎসৱৰ বিভিন্ন কাৰ্যৰ লগত বিহুৰ কাৰ্যৰ মিল আছে। আমাৰ মাঘ বিহুত প্ৰচলিত 'মেজি' শব্দটো আহিছে সংস্কৃতৰ 'মেধ্য' শব্দৰপৰা। নামনি অসমৰ 'ভেলাঘৰ' শব্দটো আহিছে সংস্কৃত 'মেষ পুহ' ৰ পৰা অহা। মাঘ বিহুৰ ম'হ যুঁজ দ্ৰাবিড় সংস্কৃতিৰ পৰা অহা বুলি কোৱা হয়। আকৌ অসমৰ পণ্ডিতসকলে মত পোষণ কৰিছে যে মেজি পোৱা ৰীতি লগত আৰ্যসকলৰ অগ্নি পূজাৰ সাদৃশ্য পৰিলক্ষিত হয়।

বিহু উৎসৱৰ লগত অসমৰ বিভিন্ন জনজাতিৰ উৎসৱৰ বহু সাদৃশ্য দেখিবলৈ পোৱা যায়। মাঘ মাহৰ দোমাহীক বড়ো কছাৰীসকলে 'দোমাহী' বুলি কয় আৰু বহাগ বিহুটিক 'বাইছাগু' বোলে। এই বাইছাগুৰ ভাগ দুটা ঠিক আমাৰ অসমীয়া বহাগ বিহুৰ দৰে। প্ৰথমটো গৰু বিহু আৰু দ্বিতীয়টো মানুহ বিহু। ৰাভাসকলৰ 'বায়খু' আৰু বিহু উৎসৱৰ বহু মিল দেখা যায়। আনকি ৰাভাসকলে ইয়াকো ক'ব খোজে যে 'বিহু' শব্দটি 'বয়খু' শব্দৰ পৰাই অহা। 'বায়খু' শব্দটোৰ অৰ্থ হৈছে—'বায়' মানে দেৱতা আৰু 'খু' মানে দিয়া অৰ্থাৎ 'বায়খু' শব্দৰ অৰ্থ দেৱতাই দিয়া ৰং-ধেমালি। বহাগ, জেঠ মাহত শালি খেতিৰ বাবে কঠিয়া সিঁচাৰ আগে আগে 'বায়খু' আৰু কৃষি দেৱতাক বলি বিধান দি খেতি ভাল হওঁক বুলি কামনা কৰে আৰু বায়খু উৎসৱ পালন কৰে। বিহুত যিদৰে কৃষিক উদ্দেশ্য কৰি বিভিন্ন উৎসৱ পালন কৰে 'বায়খু' উৎসৱটো কৃষিৰ মংগল কামনা কৰি ৰাভাসকলে এই উৎসৱ পালন কৰে। ৰাভাসকলৰ উপৰিও মিছিংসকলৰ 'আলি-আই-লিগাঙ', ডিমাছাসকলৰ 'বুসু', আৰৰসকলৰ 'উঞিং' বা 'আৰাণ' অৰুণাচলৰ ৰাঞ্চো সমাজৰ 'লুকু' উৎসৱ, টাংছাসকলৰ চাবণুমোৰ, কামেঙৰ চেৰদুকপে আৰু মনপাসকলৰ 'লোচেৰ' উৎসৱৰ বহু মিল দেখা যায়।

চিটাগঙ অঞ্চলতো 'বিষুও' উৎসৱৰ প্ৰচলন আছে। আৰাকান আৰু চিটাগঙত বাস কৰা চাক্মাবিলাকৰ প্ৰধান উৎসৱ 'বিষো'। এই উৎসৱ এপ্ৰিল মাহত উদযাপিত হয়। সেই সময়ত সৰ্বস্তৰৰ মানুহ মহামুনি মন্দিৰলৈ যায় আৰু গৌড়মা মন্দিৰত আনন্দৰে নৈবেদ্য আগবঢ়ায়। Oraon বিলাকে তেওঁলোকৰ গ্ৰীষ্ম চিকাৰক 'বিষু' চিকাৰ বোলে। দক্ষিণ ভাৰতৰ নায়াৰসকলৰ মাজত প্ৰচলিত নৱবৰ্ষৰ উৎসৱটো 'বিষু' ৰূপে পৰিচিত। তেনেদৰে হিমাচল প্ৰদেশৰ খাচীবিলাকৰ মাজতো 'বিষু' নৱবৰ্ষৰ উৎসৱৰূপে উদযাপিত হয়। ইয়াৰ বাহিৰেও ভাৰতৰ বিভিন্ন প্ৰদেশত বসন্তোৎসৱ, মহাবিষুঃ সংক্ৰান্তি আদি উৎসৱ জাক-জমকতাৰে পালন কৰা দেখা যায়।

ইয়াৰপৰা আমি দেখিবলৈ পাওঁ যে অসমীয়া জাতিৰ বিহুৰ লগত আন আন জাতি-জনজাতিৰ বিভিন্ন সমাহাৰ ঘটিছে। বিহুত বিভিন্ন জাতি-জনজাতিসমূহৰ সংস্কৃতিৰ আঁহ সোমাই পৰিছে। বিহু আচলতে এক কৃষি ভিত্তিক উৎসৱ। বহাগ, কাতি আৰু মাঘ মাহত পালন কৰা তিনিটা বিহুৰ লগত খেতি কাৰ্যৰ এক বিশেষ সম্পৰ্ক আছে। বছৰৰ প্ৰধান খেতিৰ বতৰৰ আৰম্ভণি হয় বহাগত। বহাগ মাহত পতা হয় ৰঙৰ উৎসৱ ৰঙালী বিহু। আকৌ কাতি মাহত খেতিপথাৰৰ শস্যবোৰ ভাল হ'বৰ বাবে খেতি পথাৰত আকাশবন্তি জ্বলায় আৰু তুলসী তলত চাকি জ্বলায় প্ৰাৰ্থনা কৰে, এই কাতি বিহুক কঙালী 'বিহু' বোলে, আকৌ খেতি চপোৱাৰ আনন্দ প্ৰকাশ কৰে মাঘ বিহুটিত। সকলোৰে ঘৰ সোণালী ধানেৰে ভৰপূৰ হৈ পৰে আৰু এই উৎসৱ হৈছে ভোগৰ উৎসৱ, সেয়েহে এই বিহু হৈছে 'ভোগালী বিহু।'

কিন্তু সাধাৰণতে কৃষিভিত্তিক উৎসৱ যদিও বিহুৰ লগত জড়িত হৈ আছে বিভিন্ন ৰীতি-নীতি জন বিশ্বাস, আচাৰ-ব্যৱহাৰ আদি। এই সমূহত সকলো জাতি জনজাতিৰ সংস্কৃতিৰ এক মধুৰ সমাহৰণ সাধন হৈছে। ●



# অসমীয়া জাতি-জনজাতিৰ পৰম্পৰাগত সাজপাৰ

**ৰিকী কলিতা**
**স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিক**
**অসমীয়া বিভাগ**

*সোণাৰালী বুটা বচা অসমীয়া পাট*
*জিকিমিকি কৰে চোৰা সোণালী দেহাত।*
*দুগদুগী গামখাৰু থুৰীয়া চমকে*
*মেখেলাৰ পাতলিত ময়ূৰ জিলিকে।।*

বিশাল জনৰাশিৰে সমৃদ্ধ বৰ অসমৰ বিভিন্ন জাতি-জনজাতি সমূহৰ পৰম্পৰাগত সাজপাৰ সমূহে অতীজৰে পৰা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন জাতি জনজাতিৰ সুকীয়াকৈ পৰিচয় দাঙি ধৰে সাজপাৰসমূহে।

তথাকথিত আধুনিকতাৰ চাকনৈয়াত অসমীয়া পৰম্পৰাগত সাজপাৰ সমূহৰ গুৰুত্ব কমি অহা পৰিলক্ষিত হয়। ফেচন, ফিটনেচ্, সৌন্দৰ্যৰ ক্ষেত্ৰখনত এচাম লোকে এই পৰম্পৰাগত সাজপাৰবোৰক আচুতীয়া কৰি ৰাখিছে যদিও সমাজৰ এচাম লোকে দিনে-নিশাই এইলোক ঐতিহ্য পুনৰুদ্ধাৰত ব্ৰতী হোৱাও সমানে পৰিলক্ষিত হয়।

লজ্জা নিবাৰণাৰ্থে সাজ পোছাক পৰিধান কৰা হয় যদিও অতীজৰে পৰা বৰ্তমানলৈ বিশেষকৈ মহিলাসকলে সৌন্দৰ্য চৰ্চ্চাৰ বাবে নিজ হাতে বৈ বিভিন্ন সাজ পোছাক পৰিধান কৰি আহিছে। নিজহাতে বৈ পৰিধান কৰা এই সাজপাৰ সমূহৰ মান বজাৰৰ সময় অনুযায়ী সলনি হোৱা বিভিন্ন শৈলীৰ সাজপাৰ সমূহৰ তুলনাত অধিক অতুলনীয়, এই পৰম্পৰাগত সাজপাৰ সমূহে এটা জাতিক চিনাকী দিয়াত সহায় কৰে।

মহাবাহু ব্ৰহ্মপুত্ৰৰ বিস্তীৰ্ণ পাৰলৈ যুগে যুগে আগমন ঘটা বিভিন্ন জাতি জনজাতি সমূহৰ পৰম্পৰাগত সাজপাৰৰ বিষয়ে কিছু আভাস ধৰা হ'ল—

অতীজৰে পৰা অসমীয়া বয়ন শিল্পই এক অভূতপূৰ্ব স্থান দখল কৰি আহিছে। অসমীয়া শিপিনীয়ে কল্পনাৰ সাতোৰঙ বোলাই ৰিহা, মেখেলা-চাদৰ গামোছা বয়। চালি ধৰা ময়ূৰ, উৰণীয়া মইনা, শেন বা বিভিন্ন প্ৰকৃতিৰ চৰাই, পখিলা, গড়ুৰ পক্ষী, গড়, হাতী, ঘোঁৰা, গছলতা, লিহিৰি পাত, আঠপহীয়া, ছয় পহীয়া নতুবা চাৰিপহীয়া ফুল, লটকন, মগৰ, জোন-তৰা আদিৰে অসমীয়া শিপিনীয়ে তাত শালত বুটা বাছে। বিহুগীতত তাৰেই প্ৰতিফলন ঘটিছে—

ৰিহাতে বাচিলোঁ ফুটুকী ডবুৱা
গামোচাত বাচিলো কেঁচ
তোমাৰ মোৰোকনি লেছীয়া মোহনী
ভাঙিব নোৱাৰোঁ পেঁচ।

আনহাতে জনজাতীয় সকলো ৰেখা ত্ৰিভুজ আদি জ্যামিতিক চিত্ৰও কাপোৰত বোৱা দেখা যায়। অসমৰ ঐতিহ্যপূৰ্ণ বয়ন শিল্পৰ সুন্দৰ নিদৰ্শন হ'লে শঙ্কৰদেৱৰ দ্বাৰা বৃন্দাৱনী বস্ত্ৰ। অসমীয়া তিৰোতাৰ সাজপাৰ—

অসমীয়া মহিলাৰ সাজপাৰ সামাজিক অৱস্থা আৰু
বিবাহিত আৰু অবিবাহিত ভেদে বেলেগ বেলেগ।

প্ৰাক্ বৈষ্ণৱ আৰু বৈষ্ণৱ যুগৰ কিছু সংখ্যক তিৰোতাই যে শাৰী পিন্ধিছিল এই কথা লিখিত সাহিত্যই প্ৰমাণ কৰে। এটা কালত মেখেলা স্ত্ৰী পুৰুষ উভয়ে পৰিধান কৰিছিল। সেয়ে পুৰুষৰ সাজৰ বৰ্ণনাত পোৱা যায়—

'শ্যাম কটি পীত ধতি উৰৱে মেখেলা।

ৰিহা মেখেলা অসমীয়া মহিলাৰ সম্ভ্ৰান্ত সাজ। উচ্চ শ্ৰেণীৰ অসমীয়া তিৰোতাই ভৰিৰ সৰু গাঠিলৈ বিস্তৃত মেখেলা পিন্ধে। আৰু বুকুৰ পৰা ৰিহা মেৰাই লয়। বৈষ্ণৱ যুগৰ সাহিত্যত প্ৰাপ্ত 'কুচৰ কাঞ্চুলি'ৰ কাম সমাধা কৰা ৰিহাই পিছপিনৰ মেখেলাৰ এটা অংশ ঢাকি ধৰি ককালৰ ঋজুতা আৰু নিতম্ব দেশৰ বৰ্তুল ৰেখাৰ স্পষ্টীকৰণত সহায় কৰে, সম্ভ্ৰান্ত তিৰোতাসকলে ৰিহাৰ ওপৰত চাদৰো ব্যৱহাৰ কৰিছিল।

ড° লীলা গগৈয়ে টাই সংস্কৃতিৰ ৰূপৰেখাত তিৰোতাই পিন্ধা বিভিন্ন ৰিহাৰ লেখ দিছে এনেদৰে—আঁচু অলীয়া ৰিহা, আচলে পাৰিয়ে গুণা-কটা ৰিহা, কেঁচ বচা ৰিহা ইত্যাদি। একেদৰে মেখেলাও বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে—কিংখাপৰ মেখেলা, গুণাকটা মেখেলা, গোমচেঙৰ মেখেলা আদি। অসমীয়া পুৰুষৰ সাজ—

পুৰণি পুথি অথবা ভাস্কাৰ্য সমূহৰ পৰা পুৰণি কালৰ সাজপাৰৰ আভাস পাব পাৰি। অতীজৰে পৰা অসমীয়া পুৰুষে ধুতী পৰিধান কৰে। উচ্চশ্ৰেণীৰ লোকে পৰিধান কৰা দুখন বস্ত্ৰৰ প্ৰথমখন ধুতী আৰু দ্বিতীয়খন হ'ল উত্তৰীয়া বা পিচৌৰা। এই বস্ত্ৰ সাধাৰণতে ডিঙিত পেলাই দুবাহুৰ ওপৰেদি আনি সন্মুখৰ ফালে ওলোমাই ৰখা হয়। অসমৰ পুৰুষে মূৰত পাগুৰি মাৰিছিল। গাঁৱৰ ডেকাই মূৰত গামোচা মাৰি বিহু মৰা ৰীতি এতিয়াও প্ৰচলিত।

**তিৱা জনগোষ্ঠীৰ সাজপাৰ ঃ**

বৰ্তমান অসমৰ কাৰ্বি আংলং, কামৰূপ, দৰং ধেমাজী প্ৰভৃতি জিলাত বাস কৰা তিৱাসকলৰ মাজত জাতীয় সাজপাৰৰ ভূমিকা অধিক।

মহিলাসকলে কাছংখন (মেখেলা) বুকুৰ পৰা ভৰিৰ সৰু গাঠি অথবা কলাফুলৰ ওপৰত পৰাকৈ বিশেষভাৱে মেৰিয়াই পিন্ধে। কাছংখন দুই মূৰে গাঠি দি পিন্ধিব পৰাকৈ কপাহী সূতাৰে তৈয়াৰী বিশেষ ধৰণৰ ৰচী লগোৱা ব্যৱস্থা থাকে। উৎসৱ পাৰ্বন আৰু নিজা সংস্কৃতি প্ৰদৰ্শনৰ কালত তিৱা গাভৰু হ'তে বক্ষ আৱৰণী বস্ত্ৰ ফাচ্‌কাই পিন্ধে।

পুৰুষসকলে টাগলা নামৰ এবিধ চোলা পৰিধান কৰে। পৰম্পৰাগত টাগলাৰ ডিঙি অংশটো নকটা আৰু নিসিয়াকৈ ৰখা। পুৰুষসকল ব্যৱহাৰ কৰা ফালি (গামোছা) খন ৰঙা, হালধীয়া, সেউজীয়া পাৰি দিয়া দুয়ো মুখে ফুল পখিলা আদি চানেকী বচা।

**মিচিং জনজাতিৰ সাজপাৰ ঃ**

বয়ন শিল্পত পাৰদৰ্শী মিছিংসকলে নিজৰ ৰীতিত কাপোৰ বৈ পৰিধান কৰে। তিৰোতাসকলে ককালত কেববুং মবুং এগে গাছৰ, বিৰি গা টৌ (ফুলাম ৰিহা মেখেলা) পিন্ধে। ৰঙীন মেখেলা সাধাৰণতে পোৱতী তিৰোতাই পিন্ধে। মিছিং গাভৰুৱে আলি আঃ য়ৌ লৃগাঙৰ কালত গাত বিঃবি গাচৌং পৰিধান নকৰিলে নহয়।

পুৰুষসকলে গনৰ উপগন (ধুতীৰ লেখীয়া আঠুৰ তললৈ পৰা চুৰীয়া) গাপা (টঙালি) মূৰত দুমৌৰ (পাগুৰি) আৰু গাত তবক গালুক (এবিধ চোলা পিন্ধে)।

**ডিমাচা জনজাতিৰ সাজপাৰ ঃ**

ডিমাচাসকল সাজপাৰৰ ক্ষেত্ৰত অত্যন্ত চহকী। প্ৰতিগৰাকী ডিমাচা মহিলা একোগৰাকী নিপুণ শিপিনী। এড়ী সূতাৰ পৰা মহিলাসকলে ৰিগু (মেখেলা) ৰিজাস্ফাইন (ৰিহা) ৰিটাব আৰু ৰিকাউচা তৈয়াৰ কৰে। বৰ্তমান অৱশ্যে ডিমাচা মহিলাই ব্লাউজ পেটিকোটৰ ব্যৱহাৰৰ ওপৰিও মেখেলা-চাদৰো পৰিধান কৰে।

পুৰুষসকলে সাধাৰণতে চুৰীয়া আৰু কামিজ পিন্ধে। অতীততে ডিমাচা পুৰুষসকলে চোলা হলাউ নামৰ এক প্ৰকাৰৰ অভাৰকোট আৰু পাগুৰি পৰিধান কৰিছিল।

**গাৰো জনজাতিৰ সাজপাৰ ঃ**

গাৰোসকল এটা কালত পিন্ধা উৰাত উদাসীন আছিল বাবে তেওঁলোকৰ পিন্ধন সাধাৰণ আছিল। গাৰো মহিলাসকলে এহাতকৈও কম বহল গামোছা আকৃতিৰ ৰেখিং বা গানাৰেখিং নামৰ কাপোৰ ককালত মেৰিয়াই লৈছিল। বৰ্তমান গাৰো মহিলাই নিজে হাতে বোৱা দাকমান্দা নামৰ ভৰিৰ গোৰোহালৈ পৰা এখন ৰঙ্-বিৰঙৰ ফুলাম কাপোৰ ককালত মেৰিয়াই পিন্ধে।

সেইদৰে পুৰুষসকলেও উৎসৱৰ সময়ত কান্ধৰ ওপৰেদি গাঠি দি পিন্ধা পানদ্ৰা নামৰ এবিধ বিশেষ সাজ পিন্ধে।

**কাৰ্বিসকলৰ সাজপাৰ ঃ**

কাৰ্বি পুৰুষ মহিলাই ব্যৱহাৰ কৰা সাজপাৰ সৰল কিন্তু সৌন্দৰ্যময়। পুৰুষসকলে গাত চই হংখৰ আৰু চয় আপং নামৰ চোলা প'হ নামৰ পাগুৰি আৰু ধুতী পৰিধান কৰে। তিৰোতা-সকলে কঁকালৰ পৰা ভৰিৰ কলাফুলৰ ওপৰত নপৰাকৈ পিনি নামৰ মেখেলা পৰিধান কৰে। মেখেলাখনক ৱামকক নামেৰে সৰু টঙালি এখনেৰে ককালত বান্ধি লোৱাটো উল্লেখযোগ্য।

বিভিন্ন জাতি জনজাতিৰ বাসভূমি বৰ্ণাঢ্য অসমভূমিৰ এই পৰম্পৰাগত সাজপাৰবোৰে এনে একোটা জাতি-জনজাতিক স্বীকৃতি দিয়ে। বিশ্বায়নৰ প্ৰভাৱত পাশ্চাত্য সংস্কৃতিৰ দুৰন্ত প্ৰবাহে আমাৰ সমাজ সংস্কৃতিকো চুই যোৱাৰ ফলত পাশ্চাত্য সাজ পোছাকবোৰেও আমাৰ দেহ মন অধিকাৰ কৰিবলৈ সক্ষম হৈছে। সংস্কৃতি গ্ৰহণ এটা ভাল পদক্ষেপ। কিন্তু অন্য সংস্কৃতিৰ অন্তৰালত স্বকীয় সংস্কৃতি উপেক্ষা কৰাটো অনুচিত। এই সকলোবোৰ ঐতিহ্য একোটা জাতিৰ পৰিচয়ৰ বাহক। সেয়ে এই লোক সাজ-পাৰ সমূহ আদৰণীয় কৰি ৰাখিবলৈ প্ৰতিজন অসমীয়াই যত্নপৰ হ'ব লাগে। তেতিয়াহে বৰ্ণাঢ্য অসমীয়া জাতিটোৰ জাতীয় জীৱনৰ বৰ্ণাঢ্য সাংস্কৃতিক সত্তাৰ পৰিচয় জিলিকি থাকিব। ●

**প্ৰসঙ্গ পুথি ঃ**

১। ভট্টাচাৰ্য, প্ৰমোদচন্দ্ৰ (সম্পা) 'অসমৰ জনজাতি', কিৰণ প্ৰকাশন, তৃতীয় সংস্কৰণ, অক্টোবৰ, ২০০৮

২। দাস, নাৰায়ণ (মুখ্য সম্পা), 'অসমীয়া সংস্কৃতিৰ কণিকা', দ্বিতীয় সংস্কৰণ, জুলাই ২০১৪, জ্যোতি প্ৰকাশন, পানবজাৰ, গুৱাহাটী।



# অসমৰ কুটীৰ শিল্প আৰু ইয়াৰ ব্যৱসায়

**প্ৰীতমজিৎ কাশ্যপ**
**প্ৰথম যাণ্মাসিক স্নাতকোত্তৰ**
**অসমীয়া বিভাগ**

প্ৰকৃতিৰ জীয়ৰী অসমী আইক স্ৰষ্টাই সৃষ্টি-কৌশলৰ সকলো মহিমাৰে মনোহৰা, মনোৰমাকৈ সৃষ্টি কৰিয়েই এৰা নাই, অসমীক প্ৰকৃতিৰ বুকুৰ সকলো সম্ভাৰেৰে ঐশ্বৰ্যশালী কৰিও সৃষ্টি কৰিছে। সেয়েহে ৰামায়ণ-মহাভাৰতৰ যুগৰ পৰাই অসম-কামৰূপ ঐশ্বৰ্য আৰু কলা-সংস্কৃতিৰ অক্ষয় ভাণ্ডাৰৰূপে পৰিগণিত হৈ আহিছে। শিল্প-কলাৰ ক্ষেত্ৰতো অসমৰ খ্যাতি এসময়ত বৈ-বৈ গৈছিল। কিন্তু কালৰ কুটিল গতিত আজি অসম ভাৰতৰ ভিতৰতে আটাইতকৈ পিছপৰা ৰাজ্য।

এড়ী, মুগা, পাট, কপাহী আদি কাঁহ-পিতলৰ নানাবিধ বাচন, বয়ন শিল্প, বাঁহ-বেতৰ শিল্প, মাটিৰ বাচন আদি কুটীৰ শিল্প অসমৰ বুকুত গজ্‌গজীয়া হৈ আছিল আৰু অসমক স্বাৱলম্বী কৰি তোলাৰ লগতে স্বয়ংসম্পূৰ্ণ কৰি তুলিছিল। বৰপেটা অঞ্চলৰ পাটৰ কাপোৰত মহাপুৰুষ শ্ৰীমন্ত-শঙ্কৰদেৱৰ তত্বাৱধানত বৈকুণ্ঠৰ পট্ চিত্ৰ, ফুল আদি সৰ্বজনবিদিত এক গৌৰৱময় অধ্যায়। ১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছ মহাসভাৰ মণ্ডপ নগাঁও জিলাৰ ৰহা, বাৰপূজীয়া মৰিগাঁও আদি অঞ্চলত তৈয়াৰ হোৱা কপাহী কাপোৰেৰে এনে মনোমোহাকৈ সজোৱা হৈছিল যে সমগ্ৰ ভাৰতৰ নেতাসকলে অসমীয়া শিপিনীৰ বয়ন-নৈপুণ্য দেখি চমৎকৃত হৈ ভূয়সী প্ৰশংসা কৰিছিল। কাঁহ-পিতলৰ শিল্পৰ বাবেও অসম এসময়ত ভাৰত বিখ্যাত আছিল। বাঁহ-বেতৰ, আচবাব-পাচি খৰাহী, ডলা, চালনী, মাছ-মৰা সঁজুলি — জাকৈ, পল, আদি অসমীয়া সমাজৰ আদৰৰ বস্তু। মাটিৰ বচন-বৰ্তন তৈয়াৰ কৰাটোও এক শ্ৰেণীৰ অসমীয়া মানুহৰ ব্যৱসায়। দুখীয়া শ্ৰেণীৰ লোকৰ ই এটা জীৱিকাৰ উপায়। বৰ্তমানেও অসমৰ বিভিন্ন ঠাইত এই শিল্প বৰ্তি আছে আৰু ই দুখীয়া শ্ৰেণীৰ মানুহৰ উপকাৰ সাধন কৰি আছে। সোণ-ৰূপৰ অলংকাৰ তৈয়াৰী শিল্পও অসমৰ এক মূল্যবান শিল্প। কুটীৰ-শিল্পত পৰিশ্ৰম বেছি, অথচ উৎপাদন কম হয়। ফলত মূল্য বেছি হয়। গতিকে যান্ত্ৰিক উৎপাদনৰ তুলনাত অধিক মূল্যৰ বস্তুৰ প্ৰতি, মানুহৰ অৱহেলা আহি পৰিছে। অসমীয়া শিল্পীসকলে এই শিল্পসমূহ জীয়াই ৰাখিবৰ কাৰণে যি প্ৰচেষ্টা চলাই আহিছে সি উচ্চ প্ৰশংসনীয়। অসমীয়া জাতি আৰ্থিক দিশত অনগ্ৰসৰ, কাৰিকৰী দিশত বহু পৰিমাণে অনুন্নত— গতিকে বহল ভিত্তিত এই শিল্পসমূহৰ উৎপাদনৰ কাৰণে চৰকাৰী সাহায্য আৰু পৃষ্ঠপোষকতাৰ একান্ত আৱশ্যক। জাতীয় কুটীৰ-শিল্পসমূহৰ উন্নতি হ'লেহে নিবনুৱা সমস্যাৰ পথো প্ৰশস্ত হ'ব।

•••

Be the change that you wish to see in the world. – Mahatma Gandhi
The World as we have created it is a process of our thinking. It cannot be changed without changing our thinking. – Albert Einstein

# শুৱালকুছিৰ হস্ততাঁত শিল্প

**মিলি আহমেদ**
একাদশ শ্ৰেণী
কলা শাখা

পাট-মূগাৰ মেখেলা-চাদৰযোৰৰ সৈতে অসমীয়াৰ পাৰস্পৰিক চেতনা, প্ৰথা আৰু আৱেগ জড়িত হৈ আছে। অসমীয়া লোক-জীৱনত ইয়াৰ প্ৰভূত মূল্য আছে। বিয়া এখনৰ আয়োজন আৰম্ভ হয় পাট-মূগাৰ মেখেলা-চাদৰযোৰৰ ক্ৰয়েৰে। আজিৰ পৰা বিশটা বছৰ আগেয়ে পাত্ৰীৰ তাঁতশাল বোৱাৰ ক্ষেত্ৰত থকা দক্ষতাও আছিল বিবাহযোগ্যতাৰ বিচাৰৰ এক মাপকাঠি। সময়ৰ সোঁতত সেয়া সলনি হ'ল। তথাপিও অসমীয়াৰ মনৰ পৰা পাট-মূগাৰ প্ৰতি থকা দুৰ্বাৰ হেঁপাহৰ তাৰতম্য নঘটিল।

অসমীয়াৰ হিয়াৰ আমঠু পাট-মূগাৰ কাপোৰযোৰ তৈয়াৰ কৰা পদ্ধতিটো সুকীয়া; প্ৰথমে এৰী-পলুবোৰ গছত এৰি দিয়া হয়। সিহঁতে দিনত গছৰ তললৈকে নামি আহে আৰু গছৰ পাত খায়। ৰাতি হ'লে গছৰ ওপৰত উঠি যায় আৰু ৰাতি তাতে কটায়। পলুবোৰ লাহে লাহে পকিব ধৰে আৰু সেইবোৰ এটা কোঠাত কিছুমান গছৰ পাতত ওলোমাই ৰখা হয়। সেইবোৰৰ পৰাই সূতাঁ তৈয়াৰ কৰা হয়। সেই সূতাঁবোৰ আকৌ গুলি বা অন্য কিবাত ভৰাই মাকোত লগোৱা হয়। মাকোৰে আকৌ তাঁত শালত দি বিভিন্ন ধৰণৰ ৰং বিৰঙৰ কাপোৰ প্ৰস্তুত কৰা হয়।

এসময়ত জাতিৰ পিতাৰ মহাত্মা গান্ধীয়ে শুৱালকুছিলৈ গৈ তাৰ শিপিনীসকলৰ প্ৰতিভা দেখি কৈছিল যে অসমৰ শিপিনী পাট-মূগাৰ ফুলত সপোন ৰচিব পাৰে। কিন্তু অজানিতেই আমাৰ পাট-কাপোৰ তৈয়াৰ কৰা শিপিনীসকল সন্মুখীন হ'বলগীয়া হ'ল হেজাৰ সমস্যাৰ।



*দ্বিতীয় বিশ্বযুদ্ধৰ পিছতে কালীৰাম কাৰিকৰে ফ্লাই চাটল বা আজি আমি সঘনে দেখা হাতেৰে টানি ব্যৱহাৰ কৰিব পৰা মাকোৰ প্ৰচলন কৰিছিল। প্ৰথমতে সজোৰে সেই প্ৰত্যাখান কৰিলেও দুই-তিনি বছৰ পিছত এই বেগী মাকোৰে দিয়া লাভ অনুধাৱন কৰি মানুহবোৰে হাতেৰে দলিয়াই তাঁতশালৰ ইমূৰ-সিমূৰ কৰি থাকিবলগীয়া হোৱা সময় খৰচী মাকোৰ ব্যৱহাৰ এৰিছিল*

সোঁতৰ শতিকাৰ কেইটিমান তাঁতী পৰিয়ালৰ একক প্ৰচেষ্টাৰে গঢ়ি উঠা শুৱালকুছি এদিন উজ্বলি উঠিছিল। ফেক্টৰী প্ৰথা আহিছিল দ্বিতীয় বিশ্বযুদ্ধৰ পিছতে। পাট-মুগা কাপোৰৰ দাম বাঢ়িছিল। তাঁতী পৰিয়ালকেইটাই ঘৰতে তিনি-চাৰিখন তাঁতশাল বহুৱাই ব্যৱসায়িক ভাৱে বোৱনৰ কাম আৰম্ভ কৰিছিল। লাহে লাহে অইন জীৱিকাৰ সৈতে জড়িত মানুহবোৰো আকৰ্ষিত হৈছিল এই হস্তশিল্পৰ প্ৰতি। মাছুৱৈ, পুৰোহিতসকলেও নিজৰ জীৱিকা সলনি কৰি বোৱনৰ এই নতুন কৰ্মত নামিছিল। উৎপাদন কৰ্মত প্ৰয়োজক হিচাপে নমা এই নতুন শ্ৰেণীটো পৰিচিত হৈছিল মালিক শিপিনী হিচাপে। তেওঁলোকৰ অধীনত বানচৰ বিনিময়ত বোৱা শিল্পত নিয়োজিত হোৱাসকল আছিল শিপিনী। শুৱালকুছিৰ ট্ৰেড ইউনিয়নৰ লগত জড়িতসকলৰ মতে ১৯৭০-৮০ ৰ দশকত কৰ্ম প্ৰকৰণ আৰু মূলধনৰ ওপৰত ভিত্তি কৰি শুৱালকুছিত শিপিনী বা বনুৱাৰ বিভাজন স্পষ্ট হৈছিল। যিসকলে নিজৰ তত্ত্বাৱধানত অইন শিপিনী নিয়োগ কৰি প্ৰয়োজকৰ ভূমিকা লৈছিল, তেওঁলোক পৰিচিত হৈছিল মাষ্টাৰ উইভাৰ বা মালিক শিপিনী হিচাপে। তেওঁলোকৰ অধীনত কাম কৰাসকল পৰিচিত হৈছিল তাঁতশালবিহীন শিপিনী হিচাপে। অইন একাংশ আছিল, যাৰ ঘৰৰ তাতঁশালত স্বামী স্ত্ৰী দুয়ো বহিছিল। তেওঁলোকৰ অইন শিপিনী নিয়োজিত নাছিল। তেওঁলোক আছিল স্বাধীন শিপিনী।

চাবলৈ গ'লে শুৱালকুছিৰ হস্তশিল্পৰ এক দীঘলীয়া ইতিহাস আছে। সোঁতৰ শতিকাৰ এই শিল্পই পিছে আজি পাইছেনে বিশ্ব দৰবাৰত যোগ্য স্থান? শুৱালকুছিৰ হস্তশিল্পৰ ভৱিষ্যতৰ স্বাৰ্থত এই আত্মবিশ্লেষণ জৰুৰী। অকল ইতিহাসেৰে গৌৰৱান্বিত হৈ থাকিলে ভৱিষ্যৎ কাৰোৰেই নাথাকে।

শুৱালকুছিৰ উৎপাদিত বস্ত্ৰৰ মূল বজাৰ অসম। মুঠ উৎপাদনৰ 20% কলকতালৈ যায়। বাদ বাকী বজাৰ নাই বুলিবই পাৰি। দুই একে ব্যক্তিগত প্ৰচেষ্টাত নিজৰ সামগ্ৰী ভাৰতৰ বাহিৰলৈ পঠিয়াই আছে। ২০০৮ চনতে এখন নক্সা ৰাজ্য চৰকাৰৰ হাত অৰ্পণ কৰা হৈছিল। যিখন মুখ্যমন্ত্ৰীয়ে ক'ত ৰাখিছে তাৰ শুং সূত্ৰয়েই নাই। এই নক্সাত বাহিৰৰ মানুহে বিচৰা অনুসৰি অপাৰম্পৰিক ডিজাইনৰ বস্ত্ৰ প্ৰস্তুতৰ ব্যৱস্থা কৰাৰ পোষকতা কৰা হৈছিল। বস্তু উৎপাদন আৰু বিপণনৰ সুবিধা একেটা স্থানতে ৰাখি অধিক গ্ৰাহক আকৰ্ষণৰ পথ উলিওৱা এই মডেল ভিলেজে চৰকাৰৰ সহাঁৰি নোপোৱাটো পৰিতাপৰ বিষয়। শুৱাকুছিৰ মূল সমস্যা মানুহৰ প্ৰযুক্তিৰ প্ৰতি থকা উদাসহীনতা। উন্নত প্ৰযুক্তিৰ ব্যৱহাৰৰ আশংকা ইয়াৰ মূল কাৰণ। চৰকাৰীভাৱে শিপিনীসকলক প্ৰযুক্তিগত দিশত কুশলী কৰি তুলিলে এই সমস্যাৰ উদ্ভৱ নহ'লহেতেন।

শুৱালকুছিত দ্বিতীয় বিশ্বযুদ্ধৰ পিছতে কালীৰাম কাৰিকৰে ফ্লাই চাটল বা আজি আমি সঘনে দেখা হাতেৰে টানি ব্যৱহাৰ কৰিব পৰা মাকোৰ প্ৰচলন কৰিছিল। প্ৰথমতে সজোৰে সেই প্ৰত্যাখান কৰিলেও দুই-তিনি বছৰ পিছত এই বেগী মাকোৰে দিয়া লাভ অনুধাৱন কৰি মানুহবোৰে হাতেৰে দলিয়াই তাঁতশালৰ ইমূৰ-সিমূৰ কৰি থাকিবলগীয়া হোৱা সময় খৰচী মাকোৰ ব্যৱহাৰ এৰিছিল। ফ্লাই ছাটলক আদৰি লৈছিল। আমাৰ উৎপাদিত সামগ্ৰীয়ে বাহিৰৰ বজাৰ দখল কৰিবলৈ হ'লে আমি কাপোৰৰ উজ্জ্বলতা আৰু গাঁথনিত নিপুণতাৰ কথাটো উলাই কৰিব নোৱাৰো। বেনাৰসৰ অসাধু ব্যৱসায়ীয়ে আমাৰ ডিজাইন নি মিলত ৰাতিটোৰ ভিতৰতে হেজাৰ-বিজাৰযোৰ কাপোৰ বনায়। আমি ধৰিবই পৰা নাই। বৰঞ্চ সেই উজ্জ্বল কাপোৰখিনিক আচল বুলি ধৰি লৈ কিনি আছো। এই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ এটা উপায় আছে আমাৰ কাপোৰখিনি আৰু উজ্জ্বল কৰা, কাৰিকৰী নিপুণতাৰ প্ৰয়োগ কৰা।

অকল আৱেগে কোনো এটা শিল্প জীয়াই ৰাখিব নোৱাৰে। আৱেগৰ লগত বাস্তৱৰ মুখামুখি হ'ব পৰাকৈ প্ৰস্তুতি থাকিব লাগিব। শুৱালকুছিক ই-কমাৰ্চ লাগে। বিশ্বৰ বজাৰ দখল কৰিবলৈ আমাৰ উৎপাদিত বস্ত্ৰ Interestৰ জৰিয়তে ক্ৰয় কৰাৰ সুযোগ জাপান, কানাডা বা অষ্ট্ৰেলিয়াৰ মানুহে পাব লাগিব, অন্যথা কেৰল মুগা-চাদৰ মেখেলাযোৰ কিনিবলৈ তেওঁলোক তাৰ পৰা ইয়ালৈ নাহে। এইবোৰ বাস্তৱ সত্য, যিবোৰ আমি অনুধাৱন কৰি পৰিকল্পনা কৰিব লাগিব ভৱিষ্যতৰ বজাৰ নীতিৰ। অন্যথা আমাৰ শিল্প আমাৰ মাজতে ৰৈ যাব। অসম আৰু কলকতাৰ বজাৰতে আবদ্ধ থাকি আমি আগুৱাব নোৱাৰিম। হয়তো থকাখিনিও হেৰুৱাম। জোৰ পুৰি হাত পোৱাৰ আগতেই আমি সজাগ হ'বৰ হ'ল। ●

সাম্প্ৰতিকী

# অন্ধবিশ্বাস আৰু কু-সংস্কাৰ

**গীতা ৰায়**
স্নাতক তৃতীয় ষান্মাসিক
কলা শাখা

ঈশ্বৰৰ অনেক ৰূপ আছে। সংসাৰৰ সকলো ঠাইতে, সকলো জীৱ আৰু বস্তুতে ঈশ্বৰ আছে। তেৱেঁই সকলোৰে সৃষ্টিকৰ্তা। আনকি ঈশ্বৰৰ কৃপাতহে এই জগত চালিত হৈছে। সমাজৰ কিছুমান লোক বহুতো জীৱ-জন্তুক ভগৱানৰ মন্দিৰত তথা ভগৱানৰ পূজা-অৰ্চনাত বলি দিয়ে। আজিকালি সমাজৰ বেছিভাগ লোকেই মন্দিৰত পাঁৰ, ছাগলী, আদিৰ বলি দিয়ে। এই প্ৰথা অনন্ত কালৰ পৰা চলি আহিছে। বহু সময় পূৰ্বেও এই বলি দিয়া কাৰ্য চলিছিল আৰু এতিয়াও চলি আছে আৰু ভৱিষ্যতেও চলি থাকিব। এই পৰম্পৰা কেতিয়াও শেষ নহয়।

আজি-কালি ঠায়ে ঠায়ে বিভিন্ন মন্দিৰ নিৰ্মাণ কৰা হৈছে। ইয়াৰে বেছিভাগ মন্দিৰতে জীৱ বলি দিয়া প্ৰথা চলি আহিছে। সমাজৰ কোনো লোকেও নাভাৱে মন্দিৰ য'ত ঈশ্বৰৰ নাম লোৱা হয় তাৰ নিচিনা পৱিত্ৰ আৰু শান্তিপূৰ্ণ ঠাইত বলিৰ নিচিনা প্ৰথাৰ দ্বাৰা অধিক মাত্ৰাত জীৱক হত্যা কৰা হয়। তেওঁলোকে কেৱল জীৱক হত্যা কৰা কাৰ্যত মিলিত হৈ পূজা কৰি ঈশ্বৰক সন্তুষ্ট কৰিব বিচাৰে। তেওঁলোকে নাভাৱে যে কোনো এটা জীৱক হত্যা কৰা দেখি ঈশ্বৰো মনে-মনে দুখিত হয়। তেওঁলোকে ঈশ্বৰ সন্তুষ্ট হয় বুলি এই কৰ্ম কৰিয়ে থাকে। তেওঁলোকে নাজানে যে জীৱ এটাক বলি দিয়া প্ৰথাটো বেয়া পৰম্পৰা বা অসৎ কৰ্ম। তেওঁলোকে এই কুসংস্কাৰবোৰ বাধা উৎপন্ন নকৰি এই দুষ্কৰ্মত বেছিকৈ সহযোগহে কৰে। তেওঁলোকে কেৱল ঈশ্বৰক সন্তুষ্ট কৰিব বিচাৰে। নিজে কৰা পাপবোৰক ঢাকিবলৈ জীৱক ঈশ্বৰৰ পূজাত বলি দি আকৌ পাপী হ'বলৈ ধৰে। তেওঁলোকে নাভাৱে যে জীৱ হত্যা মহাপাপ।

আজি-কালি গাঁৱে-ভূঞে ডাইনী হত্যা বুলি এটি অন্ধবিশ্বাস প্ৰচলিত হ'বলৈ ধৰিছে। কিছুমান লোকে এই অন্ধবিশ্বাসক সঁচা বুলি মানি ইয়াক আৰু বঢ়াবলৈ দিয়ে। গাঁৱে-ভূঁঞে এই অন্ধবিশ্বাস অধিকভাৱে বিয়পি পৰিছে। গাঁৱৰ মানুহৰ মন বৰ সৰু থাকে বাবে তেওঁলোকে এই অন্ধবিশ্বাসবোৰক সঁচা বুলি বিশ্বাস কৰে। গাঁৱত থকা মানুহে ভূত-পিশাচ ডাইনী আদি ধৰা বুলি কিছুমান মানুহক হত্যা কৰিবলৈ ধৰে আৰু এই অন্ধ বিশ্বাসবোৰ বাঢ়িবলৈ ধৰে। এই কু-সংস্কাৰ আৰু অধিকভাৱে সকলোতে বিয়পিলৈ ধৰিছে। বিশেষকৈ ডাইনী হত্যা গাঁৱে-ভূঁঞে বেছিকৈ প্ৰচলিত হ'ব ধৰিছে। এই কু-সংস্কাৰবোৰক আমিহে বঢ়াবলৈ চেষ্টা কৰো। আমি এইবোৰক আমাৰ সমাজৰ পৰা আঁতৰ কৰিলেহে এইখন সমাজৰ কল্যাণ হ'ব। আমি এইবোৰক আমাৰ সমাজত ঠাই দিব নালাগিব তেতিয়াহে সমাজৰ সকলোৰে মনত শান্তিভাৱ আহিব আৰু হৃদয় স্থিৰ হ'ব।

গতিকে, আমি এইবোৰক আমাৰ সমাজৰ পৰা গুচাবলৈ এতিয়াৰ পৰাই চেষ্টা কৰা উচিত আৰু এইবোৰৰ বাবে মাত-মতা উচিত। তেতিয়াহে আমি এখন সভ্য, শান্তিৰ সমাজ পাম। ●

# যুৱপ্ৰজন্ম আৰু সমাজ

**চয়নিকা বৰা**
**স্নাতকোত্তৰ প্ৰথম যান্মাসিক**
**অসমীয়া বিভাগ**

সমাজ ... আজিৰ সমাজ আৰু বেছি যান্ত্ৰিক হৈ পৰিছে আৰু যান্ত্ৰিক সমাজৰ মানুহবোৰৰ মনবোৰ, ধাৰণাবোৰো ক্ৰমাৎ যান্ত্ৰিক হ'বলৈ ধৰিছে। যাৰ বাবে কেৱল সমাজখনক দোষ দিলেই ন'হব সমাজত বসবাস কৰা যান্ত্ৰিকতাক আকোৱালী লোৱা মানুহেই অৰ্থাৎ আমিয়েই বহুক্ষেত্ৰত দোষী। নিজৰ মনবোৰক শুদ্ধ ক্ষেত্ৰত পৰিচালিত কৰাৰ পৰিৱৰ্ত্তে আমিয়েই সুখ বিচাৰি কিছুমান যান্ত্ৰিকতাক আকোৱালী লৈছো। যাৰ ফলত জীৱনবোৰ সহজ হোৱাৰ পৰিৱৰ্তে বেছি কঠিনতালৈহে সোঁমাই গৈ আছে।

আজিৰ শিশু কাইলৈৰ ভৱিষ্যত। কিন্তু বৰ্তমানক সঠিক ৰূপত পৰিচালিত কৰিব পাৰিলেহে কাইলৈৰ ভৱিষ্যত সমাজখন শুদ্ধ দিশে আগুৱাই যাবলৈ সক্ষম হ'ব। বৰ্তমানৰ যুৱ প্ৰজন্ম উচ্ছৃংখলতাৰ প্ৰথম দোষী যান্ত্ৰিক সমাজখনক মলি ক'লেও একেবাৰে ভুল কোৱা ন'হব। আধুনিকতা আৰু পাশ্চাত্য আদৰ্শক আকোৱালী ল'বলৈ যাওঁতে আমাৰ দৰে যুৱ প্ৰজন্মই অলপ হ'লেও ধ্বংসৰ দিশে আগুৱাই গৈ আছে। তথাপি, এইটো নহয় যে আধুনিকতাক প্ৰশ্ৰয় দিব নালাগে। কিয়নো এগৰাকী মহান মনিষী জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে কৈ গৈছে যে ৰূপান্তৰহে জগত সুন্দৰ কৰে। কিন্তু ৰূপান্তৰ বুলি ক'বলৈ গ'লে পুৰণিক বাদ দি নতুনক আকোৱালী লোৱাকে বুজাব নোৱাৰো ৰূপান্তৰ মাজেদি আগুৱাবলৈ সঠিক আদৰ্শৰ প্ৰশ্ৰয় দিয়াটোহে আমাৰ প্ৰজন্মৰ বাবে হয়তো সঠিক হ'ব।

আজিকালি মানুহে কৃত্ৰিমতা তথা আভিজাত্যক আদৰিবলৈ গৈ সেউজীয়া হৃদয়খনক হেৰুৱাই পেলায়। বহু ক্ষেত্ৰত আজিৰ কিছু প্ৰজন্মৰ মনবোৰ ইমানেই যান্ত্ৰিক হৈ পৰিছে যে তল শ্ৰেণীৰ মানুহৰ লগত তথা আত্মীয় মানুহকো বিশ্বাসঘাটকতা কৰিবলৈ যাওঁতে অলপো কুণ্ঠাবোধ নকৰে। এইটো ক্ষেত্ৰত আমি কেৱল মানুহকে দোষী বুলিব নোৱাৰিম। ই হৈছে যুগৰ পৰিৱৰ্তন। যুগৰ পৰিবৰ্তনত মিলিবলৈ গৈ মানুহৰ মনবোৰ কিছু ক্ষেত্ৰত মৰুভূমিত পৰিণত হ'বলৈ ধৰিছে গতিকে মনবোৰ মৰুভূমিত পৰিণত হোৱাৰ আগেয়ে ইয়াক বৰষুণত জীপাল হৈ কুঁহিপাত মেলিবলৈ ধৰা বসন্তৰ পৃথিৱীখনৰ দৰে, সমাজখনো সুন্দৰ ৰূপত প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰাৰহে প্ৰয়োজন। ইয়াৰ বাবে মানুহৰ চিন্তাধাৰাৰ পৰিৱৰ্তনৰ দৰকাৰ। কিয়নো সভ্য মানুহৰ সুচিন্তাইহে সমাজত শান্তি প্ৰতিষ্ঠা কৰিব পাৰে। ●

# হিটলাৰৰ দেশত "পৰীক্ষা"

**ড° চৈতন্য কুমাৰ ভৰদ্বাজ**
*সহকাৰী অধ্যাপক*
*ৰসায়ন বিজ্ঞান বিভাগ*

"

*... ই বা লিখিছে ইমান্‌কৈ মই দেখোন দুখিলা কাগজেই শেষ কৰিব পৰা নাই।" "তই ইমান কি লিখিলি মই দেখোন প্ৰথমতে দিয়া বহীখনেই শেষ কৰিব নোৱাৰিলোঁ।" "পলাচী যুদ্ধৰ বিষয়ে বহলাই লিখিলোঁ"—বন্ধুৰ উত্তৰ। মইও লিখিছিলোঁ, ইমান দেখোন লিখিব লগা বিচাৰিয়েই নাপালোঁ—মনতে ভাবো। পিছলৈ গম পালোঁ সোঁৰে-বাৰেঁ, ওপৰে-তলে এক ইঞ্চিকৈ ৰাখি ডাঙৰ ডাঙৰকৈ লিখিলে তেনেকুৱাকৈ মইও অধিক কাগজ ল'ব পাৰিলেহেঁতেন...*

"

পৰীক্ষা বুলিলে সকলোৰে ভয় লাগে। সেয়া শ্ৰেণীৰ বছৰকীয়া পৰীক্ষায়েই হওঁক বা কোনোবা ৰাষ্ট্ৰীয় প্ৰতিযোগীতামূলক পৰীক্ষায়েই হওঁক আৰু তাৰ ফলাফলেই মানুহ এজনৰ জ্ঞানৰ মাপকাঠি। এখন ভাল কলেজত চিট, চাকৰিৰ নূন্যতম অৰ্হতা আদি পৰীক্ষাৰ নম্বৰকেইটাৰ ওপৰতেই নিৰ্ভৰ কৰে। গতিকে ভয় লগাটো স্বাভাৱিক।

২০১০ চনৰ শেষৰফালে উচ্চ শিক্ষা আৰু আধুনিক প্ৰযুক্তিবিদ্যাৰ জ্ঞান ল'বৰ উদ্দেশ্যেৰে জাৰ্মানীলৈ গৈছিলোঁ। তাত নিজৰ শিক্ষা আৰু গৱেষণাৰ উপৰিও কেতিয়াবা তলৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক পৰীক্ষাগাৰত সহায় কৰা, পৰীক্ষাত তদাৰক কৰা আদি দায়িত্ব দিয়া হৈছিল। মোক এবাৰ পৰীক্ষাৰ হলত তদাৰক কৰিব দিয়া হ'ল। সৌসিদিনালৈকে পৰীক্ষা বুলিলে ভয় খোৱা ভালেই পালোঁ। এখন প্ৰথম বিশ্বৰ দেশত ছাত্ৰ-ছাত্ৰীয়ে কেনেকৈ পৰীক্ষা দিয়ে তাৰেই অভিজ্ঞতা গোটাবলৈ পোৱাৰ আশাৰে মোৰ গৱেষণাগাৰৰ সহকৰ্মী এজনৰ লগত বৰ আগ্ৰহেৰে ওলালোঁ। ভাষাৰ ভিন্নতাৰ কাৰণে তেওঁ থকাটো মোৰ বাবে জৰুৰী। ৰসায়ন বিজ্ঞানৰ অষ্টম আৰু দশম যান্মাষিকৰ ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষা। প্ৰশ্নবোৰ আমাৰ CBSE প্ৰশ্নৰ প্ৰশ্নৰ লগত মিল আছে। বস্তুনিষ্ঠ প্ৰশ্নৰ বাহিৰে আন প্ৰশ্নবোৰৰ তলতেই উত্তৰ লিখিবলৈ ঠাই নিৰ্ধাৰণ কৰা আছে। দুটা বাক্য লিখিবলগীয়া উত্তৰৰ ঠাইত দুডাল সৰলৰেখা টনা আছে (অৰুণাচলৰ ৰাজীৱ গান্ধী বিশ্ববিদ্যালয়ত বৰ্তমান এনে ব্যৱস্থা চলি আছে)। আমাৰ প্ৰশ্নকাকত আৰু উত্তৰবহীবোৰ বেলেগ বেলেগ আছিল (এতিয়াও এই পদ্ধতিয়েই

চলি আছে)। কোনে কিমান লিখিব পাৰে তাৰেই যেন প্ৰতিযোগিতা। ১০০-১৫ নম্বৰ থকা প্ৰশ্নবিলাকৰ উত্তৰ লিখি শিক্ষকক কেতিয়াও সন্তুষ্ট কৰিব নোৱাৰি। লগৰজনে এঘণ্টা নাযাওঁতেই অতিৰিক্ত কাগজ লোৱা দেখিলে আকৌ চিন্তা—“ই বা লিখিছে ইমান্‌কৈ মই দেখোন দুখিলা কাগজেই শেষ কৰিব পৰা নাই।” “তই ইমান কি লিখিলি মই দেখোন প্ৰথমতে দিয়া বহীখনেই শেষ কৰিব নোৱাৰিলোঁ।” “পলাচী যুদ্ধৰ বিষয়ে বহলাই লিখিলোঁ”—বন্ধুৰ উত্তৰ। মইও লিখিছিলোঁ, ইমান দেখোন লিখিব লগা বিচাৰিয়েই নাপালোঁ—মনতে ভাবো। পিছলৈ গম পালোঁ সোঁৱে-বাৱেঁ, ওপৰে-তলে এক ইঞ্চিকৈ ৰাখি ডাঙৰ ডাঙৰকৈ লিখিলে তেনেকুৱাকৈ মইও অধিক কাগজ ল’ব পাৰিলেহেঁতেন। যি কি নহওঁক জাৰ্মানীৰ প্ৰশ্নকাকত দেখি ভাল লাগিল। বাৰে বাৰে উঠি গৈ কাগজ দিয়াৰ কষ্টতো নহ’ল। ২০ জন ছাত্ৰ-ছাত্ৰী, তাৰে দুজন অনুপস্থিত। লগৰজনক সুধিলোঁ—সেইদুজন ছাত্ৰৰ কি হ’ব? “সিহঁতে আকৌ দুটা সুযোগ পাব, মৌখিক বা লিখিত পৰীক্ষা। সিহঁতৰ বাবে আকৌ পৰীক্ষা পতা হ’ব—” তাৰ উত্তৰ শুনি আচৰিত হলোঁ। আমাৰ পৰীক্ষা-ব্যৱস্থাত তেনেকুৱাকৈ পৰীক্ষা পতা নহয়। অৱশ্যে কলেজ/বিশ্ববিদ্যালয়ত কোনোবা এখন কাকত বেয়া হলে বা দিব নোৱাৰিলে, পিছৰ বছৰত তলৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লগত দিব পাৰি। কেইদিনমান পিছত অতিৰিক্ত পৰীক্ষা পতা নহয় (ডিব্ৰুগড় বিশ্ববিদ্যালয়ত পদ্ধতি প্ৰচলিত আছে)। অসুখ হ’লেও কোনোমতে পৰীক্ষা দিব লাগে, নহ’লে এটা বছৰ পিছ পৰিব লাগে। তাত ছাত্ৰ-ছাত্ৰীৰ বহুত সুবিধা! এঘণ্টাৰ পৰীক্ষা। দহ মিনিট নহওঁতেই এজন ছাত্ৰই বহীখনত লিখা উত্তৰ কেইটা ঘচ-ঘচকৈ কাটি বহীখন জমা দি থৈ গ’ল। মই হতবাক! লগৰ জনক কাণে কাণে সুধিলোঁ। যদি গোটেই প্ৰশ্নকেইটা নোৱাৰে বা বেছিখিনি নোৱাৰা প্ৰশ্ন থাকে তেন্তে তেনেকৈ বহীখন জমা দি থৈ গ’লে আকৌ পৰীক্ষা দিব পাৰিব, অনুপস্থিত থকা কেইজনৰ লগত—মৌখিক বা লিখিত! আৰু যদি তেনেকৈ কাটি নিদিয়ে তেতিয়া বহীখনত নম্বৰ দিয়া হ’ব আৰু অনুত্তীৰ্ণ হ’ব পাৰে—লগৰজনে উত্তৰ দিলে। অলপ পাছত আকৌ তেনেকৈ কাটি এজন উঠি গ’ল। বাকী কেইজনে লিখি থাকিল। মই প্ৰত্যেকৰ ওচৰলৈ গৈ কি লিখিছে আৰু পৰিচয় পত্ৰ চালোঁ। বয়স ২৪-২৬ ৰ ভিতৰত আছে। বয়স বুলি কওঁতে এটা কথা মনত পৰিল-বিশ্ববিদ্যালয়লৈ অহাৰ আগতে সকলোৱে সামৰিক বা অসামৰিক বাহিনীত দুবছৰ কাম কৰিব লাগে। আগৰ দিনত এইটো ধৰাবন্ধা নিয়ম আছিল। আজিকালি সলনি হৈছে। পৰীক্ষা হলত বহি থকা সময়খিনিত মই প্ৰত্যেকজনকে ভালকৈ লক্ষ্য কৰি থাকিলোঁ। কিছুমানে একান্ত মনে লিখি আছে, কিছুমানে খিৰিকিৰে বাহিৰলৈ চাই মনত পেলাবলৈ চেষ্টা কৰিছে, কেইজনমানে পেনৰ আগটো মুখত লৈ ভাবুক হোৱাও দেখা পালোঁ। বাৰে বাৰে মোৰ পৰীক্ষাহলত হোৱা অৱস্থাৰ কথা মনত পৰিল। কাষত বহি থকাজনে একান্ত মনে লিখি থকা দেখিলে মোৰ মনত এটা ভয় ভাব সোমাইছিল, বেয়াও লাগিছিল, কিয়নো ভালকৈ নপঢ়িছিলোঁ, আগলৈ পঢ়িম বুলি তাতেই শপত খাইছিলোঁ যদিও সেইটো কেইমুহূৰ্তমানৰ বাবেহে আছিল। যদিও মই কি লিখিছে ধৰিব নোৱাৰোঁ (জাৰ্মান ভাষাত লিখে) তথাপিও সিহঁতেনো কিমান পৰিপাটিকৈ লিখে তাকে চাবলৈ মই প্ৰত্যেকজনৰ ওচৰলৈ গৈছিলোঁ। দুই-তিনিজনৰ বাহিৰে বাকী গোটেইবোৰ অপৰিপাটি, আখৰবোৰ বৰ বেয়া (বহু কম মানুহৰহে ভাল আখৰ দেখিছোঁ, আনকি মোৰ প্ৰফেচৰৰ আখৰো কেতিয়াবা চিনি নাপাওঁ)। ১০ নম্বৰীয়া প্ৰশ্ন আহিলে ছাগে শিক্ষকে অনুমানতে নম্বৰ দিব লাগিব। পঞ্চলিছ মিনিট যোৱাৰ পিছত আকৌ ল’ৰা এজনে উত্তৰবোৰ কাটি বহীখন জমা দি গ’ল। মই খুলি চাই অনুমান কৰিব পাৰিলোঁ ল’ৰাজনে নূন্যতম ৩০ (৬০ ভিতৰত) নম্বৰ পালেহেঁতেন। কিন্তু কিয় তেনে কৰিলে? তাৰমানে পৰীক্ষা আকৌ দিব, হাঁহি উঠিল। এনে পৰীক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক এলেহুৱা কৰা নাইনে—লগৰজনক সুধিলোঁ। প্ৰশ্নকাকত এখন নতুনকৈ লিখি উলিওৱাটো বৰ টান কাম বুলি তাক ক’লোঁ। আগৰ প্ৰশ্ন কাকতখন আকৌ দিলে সিহঁতে গোটেই প্ৰশ্নৰ উত্তৰ কৰিব নোৱাৰে বুলি সি সঠিককৈ ক’লে কাৰণ সিহঁতে সেইকেইটা প্ৰশ্ন আহিব পাৰে বুলি নাভাবে। এইখিনিতে ছিংগাপুৰৰ প্ৰফেচৰ এজনে কোৱা কথা এষাৰ মনত পৰিল, তেওঁ হেনো একেখন প্ৰশ্ন তিনিবাৰলৈ দি পাইছে আৰু যিকেইজন পঢ়াত কেঁচা, সিহঁতে হেনো তথাপিও সম্পূৰ্ণ উত্তৰ কৰিব নোৱাৰিলে আৰু এজনে তিনিবাৰৰ পিছতো অকৃতকাৰ্য হৈছিল।

পৰীক্ষা ব্যৱস্থাটো যদিও সম্পূৰ্ণ জ্ঞানৰ মাপকাঠি নহয়, তথাপিও পৰীক্ষাৰ ভয়ে আমাক পঢ়িবলৈ, মনত ৰাখিবলৈ, জানিবলৈ বাধ্য কৰায়। প্ৰশ্নকাকতৰ গুণাগুণে আমাৰ জ্ঞানক জুখিব পাৰে। এইক্ষেত্ৰত শিক্ষকৰ ভূমিকা গুৰুত্বপূৰ্ণ। সকলো তাৰ ওপৰতেই নিৰ্ভৰ কৰে। জাৰ্মানীৰ দৰে আমাৰ ভাৰততো সৰ্বশিক্ষা অভিযানে সকলো ছাত্ৰ-ছাত্ৰীক শিক্ষিত কৰাৰ আঁচনি হাতত লোৱা যেন লাগে। শুনামতে, এই অভিযান অনুসৰি সকলো ল’ৰা-ছোৱালীক শিক্ষিত কৰিবলৈ পৰীক্ষা পাছ কৰোৱাব লাগিব। সিহঁতে কিবা শিকে নে নিশিকে তাৰ প্ৰতি গুৰুত্ব নাই। যদি কোনো এজন ছাত্ৰ বা ছাত্ৰীয়ে পৰীক্ষাত অকৃতকাৰ্য হয় তেন্তে শিক্ষকজনে পঢ়োৱাত পাকৈত নহয় বুলি ধৰা হয়। তেনে বদনামৰ পৰা হাত সাৰিবলৈ শিক্ষকে কিছুমান নীতিবৰ্হিভূত কাম কৰিবলৈ কুণ্ঠাবোধ নকৰে। ●

# বন্যজন্তু সংৰক্ষণ

**প্ৰিয়ঙ্কা বনিয়া**
**স্নাতক দ্বিতীয় যান্মাসিক**
**বিজ্ঞান শাখা**

কথাতে কয় 'বনৰ প্ৰাণী ধুনীয়া বনৰ কোলাত, শিশু ধুনীয়া মাতৃ কোলাত।' আৰণ্যৰ পৰিৱেশ বন্যপ্ৰাণীৰ সৌন্দৰ্য্য বিকাশৰ যথাৰ্থ ক্ষেত্ৰ, তেনেদৰে বন্যপ্ৰাণী অবিহনে বনৰ সৌন্দৰ্যৰে পূৰ্ণতা অসম্ভৱ। অথচ কাণ্ডজ্ঞানহীন মানুহে সংকীৰ্ণ স্বাৰ্থসিদ্ধিৰ বাবে মাতৃহন্তা পৰশুৰামৰ দৰে মাতৃস্বৰূপা প্ৰকৃতিক হত্যা কৰিবলৈ উদ্যত হৈছে। অৰণ্যৰ বিস্তাৰ কমি আহিছে, লগে লগে বন্যপ্ৰাণীয়ে হেৰুৱাইছে সিহঁতৰ স্বচ্ছন্দ বিহাৰৰ ৰম্যক্ষেত্ৰ অৰণ্য। বন্যপ্ৰাণীৰ নিৰ্বিচাৰে কৰা হত্যালীলাৰ পৰিণতিতো বহু প্ৰাণী বিলুপ্ত হৈ গৈছে।

মানুহে অৱশ্যে আজি পলমকৈ হ'লেও বুজি উঠিছে যে মানৱ জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবেই বন্যপ্ৰাণী, সংৰক্ষণ জৰুৰী। কাৰণ সমগ্ৰ জীৱকূল এক অদৃশ্য জৈৱ শৃংখলাৰে বন্ধা। সেয়েহে, মানুহেও বুজি উঠিছে মানুহৰ দৰে বন্যপ্ৰাণীৰো জীয়াই থকাৰ অধিকাৰ আছে। তদুপৰি অৰণ্যৰ ওপৰত মানুহতকৈও জীৱ জন্তুৰ অধিকাৰ বহুত বেছি।

পৃথিৱীৰ কোনো প্ৰাকৃতিক সম্পদেই অফুৰন্ত নহয়। বিভিন্ন খনিজ সম্পদৰ লগতে পানী, বায়ু, মাটি, অৰণ্য, বন্যপ্ৰাণী — এই সকলোবোৰেই প্ৰাকৃতিক সম্পদ। এই সম্পদবোৰৰ অপচয় আৰু নিৰ্বিচাৰ তথা জধে-মধে কৰা ব্যৱহাৰৰ ফলত মানুহে আজি নানা সমস্যাৰ সন্মুখীন হৈছে। জীৱকুলৰ সাৰ্বিক মংগলৰ বাবে প্ৰাকৃতিক সম্পদৰ অপচয় ৰোধ,পৰিচৰ্যা, ৰক্ষণাবেক্ষণ, পুনৰ উদ্ধাৰ আৰু সীমিত ব্যৱহাৰকে সামগ্ৰিকভাৱে সংৰক্ষণ বোলা হয়। বন্যপ্ৰাণী সংৰক্ষণৰ প্ৰাথমিক চৰ্তই হ'ল দৈৱমণ্ডলৰ সুস্বাস্থ্য বৰ্তাই ৰখা। আন কথাত ক'বলৈ গ'লে জৈৱমণ্ডলৰ সুস্বাস্থ্য অটুট ৰখাৰ বাবেই বন্যপ্ৰাণী সংৰক্ষণ অপৰিহাৰ্য্য। সংৰক্ষণৰ এই প্ৰংসগটো চাৰিভাগত ভগাই চাব পাৰি ঃ

১. **নৈতিক ঃ** প্ৰকৃতিৰ সন্তান হিচাপে যদি মানুহৰ বাচি থকাৰ নৈতিক অধিকাৰ আছে, তেন্তে বন্যপ্ৰাণীও সেই অধিকাৰৰ অধিকাৰী, তদুপৰি কোনো বন্যপ্ৰাণীকে ধ্বংস কৰাৰ নৈতিক অধিকাৰ মানুহৰ নাই।

২. **নান্দনিক ঃ** আৰণ্যক পৰিৱেশতহে বন্যপ্ৰাণীৰ সৌন্দৰ্য্য অনুপম। চিৰিয়াখানত এই সৌন্দৰ্য পোৱা নাযায়। অৰণ্যত বিচৰণ কৰা বন্যপ্ৰাণীৰ সৌন্দৰ্য উপভোগৰ বাবেইতো মানুহ অৰণ্যৰ দৰ্শনৰ বাবে যায়। বন্যপ্ৰাণীৰ এই নান্দনিক দিশটো উপেক্ষা কৰিব নোৱাৰি।

৩. **অৰ্থনৈতিক ঃ** আমাৰ দেশৰ পৰ্যটন শিল্পৰ এক বুজন অংশ বনভিত্তিক। এনেদৰে বন পৰ্যটনৰ পৰা চৰকাৰে কোটি কোটি টকা লাভ কৰিবলৈ সক্ষম হৈছে।

৪. **বৈজ্ঞানিক ঃ** জৈৱমণ্ডলৰ প্ৰতিটো জীৱই এক অদৃশ্য বান্ধোনেৰে বন্ধা। যিকোনো প্ৰাণীৰ অৱলুপ্তি আন বহু প্ৰাণীৰ ক্ষতিৰ কাৰণ হ'ব পাৰে। মানুহে যদি বিজ্ঞান প্ৰদত্ত অস্ত্ৰৰ প্ৰয়োগেৰে বন্যপ্ৰাণীৰ জীয়াই থকাৰ অধিকাৰ কাঢ়ি লয়, তেন্তে প্ৰত্যক্ষ বা পৰোক্ষভাৱে এদিন মানুহে নিজৰ বাচি থকাৰ অধিকাৰো হেৰুৱাব।

পৃথিৱীৰ বিভিন্ন প্ৰজাতিৰ বন্যপ্ৰাণীৰ দ্ৰুত অৱলুপ্তি ঘটিছে। নিম্নোক্ত কাৰককেইটাকে এই অৱলুপ্তিৰ বাবে জগৰীয়া যেন আমাৰ বোধ হয়। (ক) নিৰ্বিচাৰ অৰণ্যহনন, (খ) মানুহৰ স্বাৰ্থসিদ্ধিৰ বাবে নিৰ্বিচাৰ বন্যপ্ৰাণী নিধন, (গ) চোৰাং চিকাৰ আৰু চোৰাং ব্যৱসায়ীৰ দৌৰাত্ম্য আৰু (ঘ) দূষিত পৰিৱেশ, বন্যপ্ৰাণীৰ বিচৰণ ভূমি হ্ৰাস, জৈৱমণ্ডল ভাৰসাম্যহীনতা।

বন্যপ্ৰাণী সংৰক্ষণৰ বাবে চিন্তা কৰা প্ৰথমজন মানুহ আছিল মাৰ্কিন শিল্পী আৰু লেখক জৰ্জ কেটেলিন। বন্যপ্ৰাণী সংৰক্ষণৰ বাবে ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰাৰ প্ৰস্তাৱো দিছিল কেটেলিনে। তেওঁৰ উদ্যোগতে ১৮৭২ চনত আমেৰিকাত বিশ্বৰ প্ৰথমখন ৰাষ্ট্ৰীয় উদ্যান মুকলি কৰা হয়।

প্ৰতিবছৰে ভাৰতত ১৪ লাখ হেক্টৰ বনভূমি নিঃশেষ হয়। বৃক্ষৰোপণৰ জৰিয়তে তাৰ মাত্ৰ আধা অংশহে পূৰণ কৰিব পৰা গৈছে। তদুপৰি ৰাষ্ট্ৰীয় উদ্যান, অভয়াৰণ্য, ব্যাঘ্ৰ প্ৰকল্প আদিৰ জৰিয়তে ভাৰতত বন্যপ্ৰাণী সংৰক্ষণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

পৃথিৱীত এতিয়ালৈকে ১৫ লাখ প্ৰজাতিৰ প্ৰাণী আৰু উদ্ভিদ চিনাক্ত কৰা হৈছে। বিজ্ঞানীসকলৰ মতে পৃথিৱীত চিনাকি-অচিনাকি প্ৰাণী আৰু উদ্ভিদৰ সংখ্যা এক কোটিৰো বেছি। ভাৰতৰ বনাঞ্চলত ২০০০ প্ৰজাতিৰ চৰাই, ৩৫০ প্ৰজাতি স্তন্যপায়ী প্ৰাণী, সৰীসৃপ আৰু মাছৰ বসতি আছে। কিন্তু দুৰ্ভাগ্যৰ কথা ভাৰতত ইয়াৰ মাত্ৰ ৩-৪ শতাংশহে সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে। সেয়েহে বন্যপ্ৰাণী আৰু বনজ সম্পদৰ সংৰক্ষণৰ বাবে এক জনজাগৰণ বৰ জৰুৰী। চৰকাৰী-বেচৰকাৰী সকলো পক্ষৰে সক্ৰিয় সহযোগ আৰু সচেতনতা অবিহনে বন্যপ্ৰাণী সংৰক্ষণ প্ৰক্ৰিয়াৰ সম্পূৰ্ণ সফলতা অসম্ভৱ। ●

# বৃহৎ নদীবান্ধৰ সমস্যা

নদী হৈছে আমাৰ ভাৰতীয় সভ্যতাৰ লগত জড়িত আন এক অংগ কিন্তু আমি মানৱ জাতিয়ে নিজৰ স্বাৰ্থৰ বাবে প্ৰকৃতিৰ অপৰূপ সৃষ্টি নদী সমূহক ধ্বংসৰ গৰাহলৈ ঠেলি দিছো, তাৰে ভিতৰত অন্যতম হ'ল বৃহৎ নদী বান্ধ। আচলতে বৃহৎ নদী বান্ধ মানেনো কি চমুকৈ ক'বলৈ গ'লে নদী এখনৰ প্ৰৱাহিত পানীক মানৱ সৃষ্ট প্ৰণালীৰে ভেটা দি ধৰি ৰাখি প্ৰয়োজন সাপেক্ষে এৰি দিয়া আৰু সেই পানী সমূহৰ দ্বাৰা উন্নত প্ৰযুক্তিৰ সহায়ত বিদ্যুত উৎপাদন কৰা পদ্ধতিয়েই হ'ল নদীবান্ধ। অকল বিদ্যুৎ উৎপাদনেই নদী বান্ধৰ উদ্দেশ্য নহয় ইয়াৰ লগত আনুষংগিক উদ্দেশ্য হিচাবে বানপানী নিয়ন্ত্ৰণ, খেতি পথাৰলৈ জলসিঞ্চনৰ ব্যৱস্থা কৰা আদি। প্ৰকৃতিৰ বিৰুদ্ধে নিৰ্মাণ কৰা নদীবান্ধ সমূহে ভৌগলিক পৰিবেশৰ ওপৰত তথা আৰ্থ-সামাজিক দিশতো বিৰূপ প্ৰভাৱ পেলোৱা দেখা যায়। যেতিয়া কোনো এটা বান্ধৰ পানী এৰি দিয়া হয় তেতিয়া বান্ধৰ Reservoirৰ তলৰ অংশৰ পানীহে এৰি দিয়া হয় এনেক্ষেত্ৰত Reservoirৰ গভীৰতাৰ বাবে Reservoirৰ তলৰ অংশৰ পৰা এৰি দিয়া পানীৰ উষ্ণতা বহুগুণে কম হয় যাৰ ফলত বান্ধৰ নামনি অংশৰ পানীয়ে জীৱকুলৰ বিস্তৰ ক্ষতি হোৱা দেখা যায়। তাৰোপৰি বান্ধৰ নামনি অংশৰ পানীৰ পৰিমান বাৰ মাহতেই খৰালি কালৰ দৰে হৈ পৰে। সাধাৰণতে মাছবোৰে প্ৰজনন প্ৰক্ৰিয়া বাৰিষাৰ সময়ত আৰম্ভ কৰে কিয়নো বাৰিষা কালত নদ-নদীসমূহত পানীৰ পৰিমাণ বেছি থাকে আৰু বাৰিষাৰ সেই সময়ত মাছবোৰে কণীসমূহ 'শত্ৰুৰ পৰা লুকুৱাই ৰাখিব পাৰে কিন্তু বাৰিষাৰ সময়তো বান্ধৰ নামনি অংশৰ পানী খৰালি কালৰ দৰে হৈ পৰে যাৰ ফলত মাছৰ কণীসমূহ শত্ৰুৰ কৱলত পৰাৰ উপৰিও গভীৰ খাদ্য শংকটত বিভিন্ন প্ৰজাতিৰ মাছৰ বিলুপ্তি ঘটে। কোনো এখন নদীৰ দুয়োপাৰৰ খেতি পথাৰ সমূহৰ উৰ্ব্বৰতা আন পথাৰৰ তুলনাত বেছি কিয়নো নদী বাঢ়নী পানীয়ে পথাৰ সমূহত পলস পেলাই সাৰুৱা কৰি তোলে কিন্তু নদীবান্ধ হোৱাৰ লগে লগে তেনেহ'বলৈ নাপায় আনহাতে যেতিয়া বান্ধসমূহৰ পানী এৰি দিয়া হয় তেতিয়া নদীত কিছুমান সৰু-বৰ বানৰ সৃষ্টি হয় যাৰ ফলত নদীৰ তলিত থকা গেদ-বোকা, মাটি, জলজ উদ্ভিদ, সমূহ উটি যায় ফলত নদীসমূহত মাথো সৰু-বৰ শিলৰ টুকুৰা ৰৈ যায় যাৰ বাবে নদীখন শিলাময় নদীলৈ পৰিণত হয়। নদীবান্ধৰ সমস্যাকৈ শেষ কৰিব নোৱাৰি। বৰ্তমান আমাৰ অসমৰ গেৰুকামুখত নিৰ্মাণত বান্ধটো মুঠেই সুৰক্ষিত নহয়, এই বিষয়ে বিজ্ঞমহলে যুক্তি দাঙি ধৰিছে কিয়নো এই বান্ধ আমাৰ অসমৰ খেতিয়ক ৰাইজৰ ক্ষতি কৰাৰ ওপৰিও অসমৰ ভৌগোলিক অৱস্থা তথা ব্ৰহ্মপুত্ৰ নদীৰ ওপৰতো বিৰূপ প্ৰভাৱ পেলাব। যিহেতু আমাৰ অসম তথা উত্তৰ-পূৰ্ব্বাঞ্চলৰ ভূমিকম্প প্ৰৱণতা পূৰ্ণ অঞ্চল এনেধৰণৰ অঞ্চলত নদীবান্ধ মুঠেই সুৰক্ষিত নহয়। মনকৰিবলগীয়া কথা যে যি স্থানত বান্ধ নিৰ্মাণ হৈ আছে সেই ঠাইৰ শিলবোৰত বহু চ্যুতি আছে যাৰ বাবে বান্ধ Reservoirত জমা হোৱা বৃহৎ পানীয়ে শিলবোৰত থকা চ্যুতিবোৰক সক্ৰিয় কৰি তুলিব। ●

সাধাৰণতে মাছবোৰে প্ৰজনন প্ৰক্ৰিয়া বাৰিষাৰ সময়ত আৰম্ভ কৰে কিয়নো বাৰিষা কালত নদ-নদীসমূহত পানীৰ পৰিমাণ বেছি থাকে আৰু বাৰিষাৰ সেই সময়ত মাছবোৰে কণীসমূহ 'শত্ৰুৰ পৰা লুকুৱাই ৰাখিব পাৰে কিন্তু বাৰিষাৰ সময়তো বান্ধৰ নামনি অংশৰ পানী খৰালি কালৰ দৰে হৈ পৰে যাৰ ফলত মাছৰ কণীসমূহ শত্ৰুৰ কৱলত পৰাৰ উপৰিও গভীৰ খাদ্য শংকটত বিভিন্ন প্ৰজাতিৰ মাছৰ বিলুপ্তি ঘটে

**ধীৰাজ কুমাৰ শৰ্মা**
*স্নাতক ষষ্ঠ ষাণ্মাসিক*
*বাণিজ্য শাখা*

# আইন

## একবিংশ শতিকাৰ আধুনিক ভাৰতত ন্যায়পালিকা সংস্কাৰৰ প্ৰয়োজনীয়তা

**আচমিন চুলতানা**
**স্নাতক তৃতীয় বৰ্ষ**
**ৰাজনীতি বিজ্ঞান বিভাগ**

একবিংশ শতিকা বিজ্ঞান সভ্যতাৰ যুগ যদিও মানৱতাহীনতাই গোটেই ভাৰতত দেখা দিছে। ইয়াৰ প্ৰভাৱ আমাৰ সমাজত বাৰুকৈয়ে পৰিছে। দেশত সুবিচাৰৰ অভাৱত চাৰিওফালে অন্যায়-অশান্তি, হত্যা-হিংসা, ধৰ্ষণ, অপহৰণ, দুৰ্নীতি, চোৰ-ডকাইত, কম বয়সত ছোৱালীৰ বিয়া, স্খলিত সমাজ ব্যৱস্থা আদি, যাৰ বাবে মূলতে দায়ী আমাৰ দেশৰ ন্যায়পালিকা, সেয়ে ইয়াৰ সংস্কাৰৰ প্ৰয়োজনীয়তা সুদূৰ প্ৰসাৰী হোৱা প্ৰয়োজন। চৰকাৰৰ যি বিভাগে দেশৰ প্ৰচলিত আইন অনুসৰি সমাজৰ বিভিন্ন ক্ষেত্ৰত সৃষ্টি হোৱা বিবাদসমূহৰ ন্যায়পূৰ্ণ বিচাৰ কৰি প্ৰকৃত দোষীক শাস্তি দিয়ে সেয়ে হ'ল ন্যায়পালিকা। দেশৰ সুখ সমৃদ্ধি আৰু উন্নতি নিৰ্ভৰ কৰে সুবিচাৰৰ ওপৰত। কিন্তু আধুনিক ভাৰতত আইন আদালতে জনসাধাৰণ তথা সমাজৰ সুখ সমৃদ্ধি, উন্নতিত বাধা প্ৰদান কৰিছে, যাৰ ফলত জনসাধাৰণৰ ন্যায়ালয়ৰ ওপৰত বিশ্বাস হেৰুৱাইছে আৰু নিজ হাতত শাসন তুলি লৈ দেশ প্ৰশাসনৰ তাচ্ছিল্য কৰিছে ফলত মৃত্যুক সাৱটি ল'ব লগাত পৰিছে। অভিজাত্য এই ন্যায়পালিকাই সাধাৰণ জনতাক বিতুষ্ট কৰিছে আৰু বিশ্বাস নোহোৱা কৰিছে। সেয়ে বৰ্তমান পৰিস্থিতিকলৈ ভাৰতৰ ন্যায়পালিকাৰ সংস্কাৰ অতি জৰুৰী। দেশ প্ৰশাসন ব্যৱস্থা সুচাৰুৰূপে চলিবলৈ ন্যায়ৰ ভিত্তিত প্ৰতিষ্ঠিত এখন ন্যায়পালিকাৰ প্ৰয়োজন, যিয়ে গতিশীলভাৱে সময়ৰ লগত মিলাই এখন বৈষম্যহীন আদৰ্শ সমাজ গঢ়িব পাৰে য'ত অন্যায় নাথাকে। ন্যায়পালিকা গতিশীল হোৱা উচিত। কিন্তু সভ্যতাৰ অগ্ৰগতিৰ ফলতো একবিংশ শতিকাৰ আধুনিক ভাৰতত ন্যায়পালিকাৰ লেহেম পুৰণিকলীয়া ন্যায়ব্যৱস্থা, সেয়েহে ইয়াৰ সংস্কাৰৰ অতীব প্ৰয়োজনীয়।

**একবিংশ শতিকাৰ আধুনিক ভাৰতৰ ন্যায়পালিকা ঃ** একবিংশ



শতিকাত ভাৰতৰ ন্যায়পালিকাই সক্ৰিয় ভূমিকা পালন কৰে সঁচা তথাপিতো ই জনসাধাৰণৰ কল্যাণ সাধন সম্পূৰ্ণৰূপে কৰিব পৰা নাই। ভাৰতবৰ্ষত বৰ্তমানে কাৰ্যপালিকা আৰু বিধানমণ্ডলৰ কাৰ্যাৱলীত জনসাধাৰণ সন্তুষ্ট নহয়। জনসাধাৰণৰ স্বাৰ্থ ৰক্ষা কৰাত চৰকাৰৰ এই বিলাক অঙ্গ প্ৰায় ব্যৰ্থ হৈছে সেয়েহে জনসাধাৰণে ন্যায়পালিকাক অধিক সক্ৰিয় হোৱাটো বিচাৰে।

ভাৰতৰ উচ্চতম ন্যায়ালয় হৈছে সংবিধানৰ অভিভাৱক, সংবিধানৰ বাখ্যাকৰ্তা আৰু জনসাধাৰণৰ মৌলিক অধিকাৰকে আদি কৰি সকলো ধৰণৰ অধিকাৰৰ ৰক্ষক। কেন্দ্ৰ আৰু ৰাজ্যৰ বাবে সুকীয়া আদালতৰ ব্যৱস্থা আছে। ভাৰতবৰ্ষত উচ্চতম ন্যায়ালয় হ'ল সৰ্বোচ্চ আপীল আদালত। ৰাজ্যৰ উচ্চ ন্যায়ালয় সমূহে উচ্চতম ন্যায়ালয়ৰ অধীনত বিচাৰকাৰ্য সম্পাদন কৰে আকৌ বিশেষ ধৰণৰ বিচাৰকাৰ্য সম্পাদন কৰিবৰ বাবে ভাৰতত সামৰিক আদালত, শিল্প আদালত ইত্যাদি আছে কিন্তু ইয়াৰ পৰিসৰ অতি নিম্ন। যাৰ কাৰণে অতি দূৰত্ব অতিক্ৰমি আহি ন্যায়ালয়ত বিচাৰ কৰি ন্যায়পোৱা অসম্ভৱ। লগতে জনসাধাৰণৰ আইনৰ প্ৰতি সজাগতা লগতে বিশ্বাসৰ অভাৱো দেখা যায়। ইয়াৰ মূল কাৰণ হ'ল একবিংশ শতিকাত ন্যায়পালিকাই আইন সজাগতাৰ ওপৰত কোনো ব্যৱস্থা কৰিব পৰা নাই। যাৰ ফলত আমাৰ মানুহৰ আইন সম্পৰ্কীয় নিম্নতম জ্ঞানখিনি নাই। একাংশ আৰক্ষীৰ পৰা আমোলা বিষয়া আৰু ৰাজনীতিৰ নেতাই মানুহক হাৰাশাস্তি কৰিবলৈ সুবিধা পাইছে সেয়ে ন্যায়পালিকাই এই বিষয়বোৰৰ ওপৰত দৃষ্টি নিক্ষেপ কৰা অতি জৰুৰী কাৰণ আইনৰ মূল উদ্দেশ্য হৈছে ন্যায়ৰ সন্ধান আৰু ন্যায় প্ৰদান কৰা। ভাৰতত আইনৰ চকুত সমান নীতি প্ৰয়োগ হয় যদিও আধুনিক ভাৰতত গণতন্ত্ৰ সাৰমৰ্মহীন ফোপোলা বস্তু। বাস্তৱক্ষেত্ৰত একাংশ মানুহতকৈ আন একাংশৰ মূল্য বেছি। জনসাধাৰণক মতদানৰ অধিকাৰ দিয়াটো সঁচা। কিন্তু মতদানৰ দ্বাৰা গঠন হোৱা চৰকাৰ জনসাধাৰণৰ প্ৰতি দায়বদ্ধ বুলি কোৱাটো মিছা। দৰিদ্ৰ জনগণক সকলো ধৰণৰ আইনগত আৰু ৰাজনৈতিক অধিকাৰ আজিও প্ৰদান কৰা হোৱা নাই কেৱল আভিজাত্যিক আইন হিচাপে পৰিগণিত ভাৰতৰ ন্যায়পালিকাই বৰ্তমান উন্নত প্ৰযুক্তিবিদ্যাৰ দিনটো সংস্কৰণৰ দ্বাৰ 'জাতীয় আইন সাহায্য' প্ৰণয়ন উচিতভাৱে কৰা নাই যাৰ কাৰণে দুখীয়াই সুবিচাৰৰ পৰা বঞ্চিত হ'বলগীয়া হয়। লগতে কিছুমান বিবাদৰ বহুবছৰলৈ বিচাৰ কৰা নহয় সেয়ে নিৰ্দোষীও কাৰাবাস খাটিব লাগে। এনেকৈয়ে আমাৰ ভাৰতে ৰক্ষণশীলভাৱে আইন ব্যৱস্থা চলাই আছে।

বৰ্তমান ভাৰতত বিভিন্ন ধৰণৰ আইন প্ৰস্তুত কৰা হয় কিন্তু ইয়াক সঠিকভাৱে কাৰ্যকৰী কৰাত গুৰুত্ব কম অৰ্থাৎ এযাৰ কথা আছে 'সোপা ধিলা' নীতি প্ৰয়োগ কৰে। ভাৰতৰ আইন আদালতে যেনে একবিংশ শতিকাত ভাৰতীয় প্ৰজন্মৰ বাবে বাল্য বিবাহ কেৱল সাধুকথা কিন্তু দেশত আজিও বেছি সংখ্যক ছোৱালীৰ বিবাহ সম্পন্ন

*...ভাৰতৰ আইন আদালতে যেনে একবিংশ শতিকাত ভাৰতীয় প্ৰজন্মৰ বাবে বাল্য বিবাহ কেৱল সাধুকথা কিন্তু দেশত আজিও বেছি সংখ্যক ছোৱালীৰ বিবাহ সম্পন্ন হয় পোন্ধৰ বছৰ বয়সত। যৌতুকৰ নামত বোৱাৰীক নিৰ্যাতন, ধৰ্ষণ আৰু কিমানযে শুনা যায় ...*

হয় পোন্ধৰ বছৰ বয়সত। যৌতুকৰ নামত বোৱাৰীক নিৰ্যাতন, ধৰ্ষণ আৰু কিমানযে শুনা যায়। কিন্তু ইয়াৰ বাবে মহিলাৰ কম সংখ্যকেহে ন্যায় পায়। সেয়ে দায়বদ্ধ ন্যায়পালিকাৰ অতীৱ প্ৰয়োজন।

**সংস্কাৰৰ প্ৰয়োজনীয়তা আৰু কিছুমান দিশ ঃ** ভাৰতবৰ্ষৰ গণতান্ত্ৰিক প্ৰমূল্যক অক্ষুণ্ণ ৰখাৰ বাবে সংবিধানৰ এক অন্যতম উল্লেখযোগ্য স্তম্ভ ন্যায়পালিকা। এতিয়াও ন্যায়পালিকাৰ কিছুমান দিশ পুৰণিকলীয়া, এই দিশবোৰৰ সংস্কাৰ নহ'লে জনসাধাৰণৰ সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাটোৰ ওপৰত আস্থা হেৰুৱাই পেলাব আৰু বিপদৰ সন্মুখীন হ'ব সাৰ্বভৌম, ধৰ্মনিৰপেক্ষ সমাজবাদী এখন গণৰাজ্য গঢ়াৰ বাবে।

ন্যায়পালিকাৰ স্বাধীনতা সামাজিক দায়বদ্ধতা, দায়িত্বশীলতা, ব্যয়বহুলতা আৰু বিকেন্দ্ৰীকৰণ আদি বিভিন্ন সমস্যাৰ কাৰণে আধুনিক ভাৰতৰ বিচাৰ বিভাগৰ সংস্কাৰ প্ৰয়োজনীয়। বেমাৰৰ আৰম্ভণিত ঔষধ প্ৰয়োগ নকৰি বেমাৰ ভাল হ'লে ঔষধ দিয়া নীতিৰ বাবেই ন্যায়পালিকাৰ সংস্কাৰৰ প্ৰয়োজন। লেহেম গতিৰ বিচাৰ প্ৰক্ৰিয়াই পিছলৈ বহুতো অশান্তি, হিংসাৰ সৃষ্টি কৰে। যাতে বিচাৰপতিসকল সামাজিকভাৱে দায়বদ্ধ হয় সেয়ে ন্যায়পালিকাৰ সংস্কাৰ সাধনৰ সময়ত এই বিষয়ৰ ওপৰতো গুৰুত্ব দিয়া উচিত বিচাৰপতিসকলে যাতে ক্ষমতাৰ অপব্যৱহাৰ কৰিব নোৱাৰে আৰু চৰকাৰী ধন নিজৰ ইচ্ছামতে খৰচ কৰিব নোৱাৰে, সেই বিষয়ত সতৰ্ক দৃষ্টি ৰখা প্ৰয়োজন। ন্যায়পালিকাৰ সংস্কাৰৰ প্ৰয়োজনীয় কিছুমান দিশ তলত আলোচনা কৰা হ'ল।

১। একবিংশ শতিকাৰ আধুনিক ভাৰতৰ ন্যায়পালিকাৰ সংস্কাৰ কৰিবলগীয়া প্ৰধান দিশ হ'ল নিৰ্বাচন। বৰ্তমানৰ নিৰ্বাচনৰ প্ৰতিদন্দ্বীসকল প্ৰায় দুৰ্নীতিগ্ৰস্ত অপৰাধী বিভিন্ন কেলেংকাৰীৰে ভৰপূৰ। সেয়ে দেশৰ শাসনব্যৱস্থা সোলোক-ধোলোক অৱস্থা হয়। এই শাসকসকল শাসনৰ গাদী পোৱাৰ পিছত আৰু নতুন নতুন কেলেংকাৰীত সোমাই পৰে যাৰ ফলত ৰাজনৈতিক নেতা অৰ্থলোভী নেতাত পৰিণত হৈ জনসাধাৰণক হাৰাশাস্তি কৰে। কিন্তু ন্যায়পালিকাই উপযুক্ত প্ৰমাণ, পালেও ইয়াৰ উচিত বিচাৰ

নকৰে সেয়েহে নতুনকৈ এই অপৰাধীসকলৰ বিচাৰ কৰাৰ ব্যৱস্থা কৰিব লাগে।লগতে বিচাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ বাবে বিচাৰ বিভাগত খালি হৈ থকা পদসমূহত অতি শীঘ্ৰে বিচাৰক নিয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। অধিক বিচাৰৰ ৰায়দানৰ বাবে পাঁচ বছৰতকৈ অধিক সময় লোৱা উচিত নহয়।

২। আইন আদলতৰ সংস্কাৰো বৰ্তমান ভাৰতত অতি প্ৰয়োজন। আমাৰ প্ৰশাসনৰ বহু কাম-কাজ আনুষ্ঠানিকতাৰ নামত সময়ৰ শৰ মাৰিব নাজানে আৰু আচল কাম-কাজ পুৰণি আইনৰ ধাৰাৰ অপ্ৰয়োজনীয় দীঘলীয়া লেহেমীয়া প্ৰক্ৰিয়া আৰু পদ্ধতিগত আসোঁৱাহৰ বাবে সাক্ষ্যদান অভিযোগনামা দাখিল, ফৰেনচিক লেব'ৰেটৰীৰ পৰীক্ষাৰ মাজেদি গোচৰবিলাকৰ বিচাৰ হয়গৈ মানে বহু সময়ৰ প্ৰয়োজন হয়। ইয়াৰ বাবে কোনো কোনো গোচৰৰ বাবে কমেও ১৫-২০ বছৰ বা তাতোকৈ বেছি সময় লাগে। আকৌ কেতিয়াবা কোনো গোচৰৰ বিচাৰ এজন মানুহৰ জীৱিত কালত নহ'বগৈয়ো পাৰে। ইয়াৰ উপৰি আন্তঃগাথনিৰ অভাৱত আদালতৰ সংখ্যা, আদালতত বিচাৰকৰ সংখ্যা কম হোৱা, আইনৰ নানা সুৰুঙাৰ বাবে আদালতৰ ব্ৰিটিছ যুগৰ ৰাজকীয় আদৰ-কায়দা বিচাৰ প্ৰক্ৰিয়া মন্থৰহে ৰায়দানত বিলম্ব ঘটে। ৰায়দান কৰাৰ পাছতো আকৌ নানা কাৰণত ৰায়দান কাৰ্যকৰী কৰাত পলম হয়। আকৌ থানাবিলাকত এজাহাৰ গ্ৰহণ কৰা নকৰা, অভিযোগনামা দাখিলত গাফিলতি আদি আছেই। এইদৰেই বিচাৰ প্ৰক্ৰিয়াত নানা বেমেজালি ঘটি এক প্ৰহসনত পৰিণত হয়। ইয়াৰ বাবে দেশৰ প্ৰশাসন আৰু ন্যায়ালয়ৰ প্ৰতি দেশৰ সাধাৰণ জনতাই আস্থা আৰু বিশ্বাস হেৰুৱায়। সেয়ে ন্যায়পালিকাৰ এই দোষবোৰ সংস্কাৰ কৰাৰ অতি প্ৰয়োজন। নহ'লে ন্যায়পালিকাৰ যি অৱস্থা বৰ্তমান ভৱিষ্যতলৈ ইয়াৰ ভয়াবহতা বৃদ্ধি পাব আৰু হত্যাকাৰী, ধৰ্ষণকাৰীৰ দৰে জঘন্য, ঘৃণনীয় অপৰাধীহঁতৰ দৃষ্টান্তমূলক শাস্তিৰ ব্যৱস্থা হওক, নহ'লে অপৰাধীয়ে অপৰাধ কৰিবলৈ ভয় নকৰি আইন-আদালতক অংগুষ্ঠ প্ৰদৰ্শন কৰিব। গতিকে এই জঘন্য আৰু দুৰ্ধৰ্ষ অপৰাধীসকলৰ চৰম শাস্তি দিয়া প্ৰয়োজন। নহ'লে দেশৰ সমাজ বৰ্তি নাথাকিবগৈ। আগলৈ দেশখন অপৰাধীৰ ভূস্বৰ্গত পৰিণত হ'ব।

৩। জনসাধাৰণৰ তথা মৌলিক অধিকাৰৰ একমাত্ৰ ৰক্ষাকৰচ ন্যায়পালিকা তথাপিও আধুনিক সময়ত ইয়াৰ গাফিলতি চকুত পৰে। সমতাৰ অধিকাৰ সাৰমৰ্মহীন হৈছে, আইনৰ চকুত সমান নীতি প্ৰয়োগ হয় কাৰ্যকৰী ক্ষেত্ৰত কৌটিপতিৰ মৰ্যাদা যিমান, গৰীৱৰো মৰ্যাদা সিমান। কিন্তু ভাৰতত মানুহ হিচাপে প্ৰতিজন ব্যক্তিৰ মূল্য সমান নহয়। আজিও একাংশ মানুহতকৈ আন একাংশৰ মূল্য বহুত বেছি। জনগণক মতদানৰ অধিকাৰ দিয়াটো সঁচা। কিন্তু মতদানৰ দ্বাৰা গঠন হোৱা চৰকাৰ জনগণৰ প্ৰতি দায়বদ্ধ বুলি কোৱাটো মিছা। লগতে ভাৰতৰ শাসন ব্যৱস্থাত ন্যায়পালিকাৰ ভূমিকা বৰ গুৰুত্বপূৰ্ণ। এই ন্যায়পালিকাৰ প্ৰধান কৰ্তব্য হ'ল আইনসমূহ যথাযথভাৱে প্ৰয়োগ কৰা আৰু প্ৰতিপালিত হৈছে নে নাই আৰু বিচাৰ প্ৰাৰ্থীক ন্যায় বিচাৰৰ পৰা বঞ্চিত কৰা হৈছে নেকি সেই বিষয়ে সতৰ্ক দৃষ্টি ৰখা। সেয়ে আইন যাতে আইন হৈ কাৰ্যকৰী হয় তথা গণতান্ত্ৰিক নীতি যাতে বিচলিত নহয় তাৰ ওপৰত গুৰুত্ব দিয়াৰ প্ৰয়োজন ন্যায়পালিকাৰ।

৪। ন্যায়পালিকাৰ সংস্কাৰৰ দিশত ইয়াৰ বিকেন্দ্ৰীকৰণৰ ওপৰত গুৰুত্ব দিয়া উচিত। বৰ্তমান অকল দেশৰ ৰাজধানীত উচ্চতম ন্যায়ালয়ৰ কাৰ্যালয় আছে। ৰাজ্যৰ বিভিন্ন ৰাজধানীত উচ্চতম আদালতৰ শাখা স্থাপন কৰি এই শাখাসমূহৰ জৰিয়তে বিচাৰ কাৰ্য সম্পাদন কৰি উচ্চতম আদালতৰ কামৰ বোজা কম কৰিব পাৰি।

৫। ন্যায়পালিকাৰ বিচাৰপতিসকলৰ নিয়োগৰ বিষয়ত দলীয় আনুগত্যতকৈ প্ৰাৰ্থীৰ জ্ঞান আৰু অভিজ্ঞতাৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন। লগতে বিভিন্ন স্থানত প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰি বিচাৰকসকলক সময়ে সময়ে প্ৰশিক্ষণ দিয়া উচিত।

**সামৰণি ঃ** দেশ এখনৰ মেৰুদণ্ড হ'ল ন্যায়পালিকা। এই ন্যায়পালিকাৰ ওপৰতে দেশৰ প্ৰশাসন, চৰকাৰ, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক ইত্যাদি দিশ নিৰ্ভৰ কৰে। একবিংশ শতিকাতো ন্যায়পালিকাই ভাৰতত এনেকুৱা ভূমিকা পালন কৰিছে যাৰ কাৰণে সাধাৰণ জনতাৰ ন্যায়ালয়ৰ ওপৰত বিশ্বাস নোহোৱা উপক্ৰম হৈছে। সেয়ে ন্যায়ালয় সংস্কাৰিত নহ'লে চাৰিওপিনে ধৰ্ম-নিৰপেক্ষতাত হানি, সন্ত্ৰাস, হিংসা, সংঘৰ্ষ, ধৰ্ষণ, হত্যা লীলাই ভাৰতক চানি ধৰিব আৰু সামাজিক স্খলনে দেখা দিব। সেয়ে গণতান্ত্ৰিক প্ৰমূল্যৰ অৱক্ষয় ৰক্ষাত ন্যায়পালিকাক প্ৰয়োজনীয়ভাৱে সংস্কাৰ কৰা জৰুৰী।

গণতন্ত্ৰ হ'ল আইনৰ শাসন। আইন হ'ল সভ্য সমাজৰ ভেটি। সকলো শ্ৰেণীৰ লোক একেলগে অন্তৰ্ভুক্ত নোহোৱা পৰ্যন্ত গণতন্ত্ৰ অৰ্থহীন। চৰকাৰৰ হাতত প্ৰচুৰ ক্ষমতা থাকিলেও আইনৰ শাসন স্বীকাৰ কৰি ন্যায়ালয়ৰ প্ৰতি দায়িত্বশীলতা দেখুৱাবই লাগিব। কিন্তু আধুনিক ভাৰতত ইয়াৰ ব্যতিক্ৰম দেখা যায়। আইন শাসন সকলোৰে ক্ষেত্ৰত সমভাৱে প্ৰযোজ্য নহয়, আইনৰ দৃষ্টিভংগী অভিজাতিক আৰু এই শাসন কাৰ্যকৰী হ'বলৈ ন্যায়পালিকা স্বাধীননে প্ৰশ্ন উঠে। সেয়ে ন্যায়পালিকাই যাতে দেশৰ শাসন স্বাধীন আৰু সুচাৰুৰূপে তথা সক্ৰিয়ভাৱে চলাই নিয়ে তাৰ ওপৰত গুৰুত্ব দিব লাগে। লগতে একবিংশ শতিকাৰ আধুনিক ভাৰতৰ ন্যায়পালিকা যাতে সময় উপযোগী, গতিশীল, সক্ৰিয় ন্যায়ালয় হয় আৰু দুৰ্নীতি, অপৰাধৰ উচিত বিচাৰ ব্যৱস্থা হয় তাৰ ওপৰত গুৰুত্ব দি ন্যায়পালিকাৰ সংস্কাৰৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। ●

## চুটি গল্প



# প্ৰতিদান

**চাহিন হুছেইন**
**একাদশ শ্ৰেণী**
**কলা শাখা**

আকাংক্ষা তাইৰ নাম। ৰতনপুৰ বিদ্যালয়ৰ নৰম মানৰ ছাত্ৰী তাই। চকুত অযুত সপোন আৰু সোণালী ভৱিষ্যতৰ তিৰবিৰণি লৈ বিদ্যালয়লৈ অহা-যোৱা কৰে আকাংক্ষাই। খোজত বিশ্বজয়ৰ আত্মবিশ্বাস। মাক-দেউতাক দুয়ো ডাক্তৰ, সেয়ে অফুৰন্ত প্ৰাণ-প্ৰাচুৰ্যৰে ভৰি থাকে তাইৰ চাৰিওপাশ। একমাত্ৰ সন্তান আকাংক্ষাক কোনোদিনেই মাক-দেউতাকে দুখ অনুভৱ কৰিবলৈ নিদিয়ে।

কিন্তু আজি দুদিন ধৰি তাইৰ মনৰ কোণত এটা অনামী দুখে ঘৰ সাজিছে। কাকো ক'ব নোৱাৰে বুজাব নোৱাৰে। সুখ প্ৰাচুৰ্য্যৰ অভেদ্য বেহুত যেন সৃষ্টি হৈছে এটা ছিদ্ৰ। এতিয়া শৰৎকাল। শেৱালী ফুল তাইৰ প্ৰিয়। ৰাতিপুৱা উঠিয়েই বাগিচাত সোমাই শেৱালি ফুল বুটলি অনা তাইৰ অভ্যাস। আজি দেওবাৰ। আনদিনাৰ দৰেই শেৱালি ফুল বুটলি থাকোতে হঠাতে সেমেকি পৰিল তাইৰ দুচকু। শেৱালি ফুলৰ মৰহি যোৱা পাহিয়ে যেন তাইক সোঁৱৰাই দিলে জীৱনৰ পোৱা নোপোৱাৰ অৰ্থ।

তাইৰ মনটো উৰা মাৰিলে শৈশৱলৈ। তেতিয়া তাই ঘৰৰ ওচৰৰে প্ৰাথমিক বিদ্যালয়ৰ দ্বিতীয় শ্ৰেণীৰ ছাত্ৰী। এনে এটা শেৱালি ফুলা দিনতে সিহঁতৰ শ্ৰেণীত ভৰ্ত্তি হৈছিল এজনী নতুন ছোৱালী। নিশিতা তাইৰ নাম। কৰ্ম আৰু পঢ়া-শুনাত আগৰণুৱা নিশিতাৰ দুচকুত আছিল এটা যেন দুখবোধ। প্ৰথম দিনাই নিজৰ পৰিচয় দিয়াৰ লগতে জিৰণিত তাইৰ কাষত থিয় হৈ কৈছিল—

"বলা, গুদু খেলিম" সেয়ে আৰম্ভণি। আৰম্ভ হৈছিল তাইৰ আৰু নিশিতাৰ নৈৰ পাৰত বালিঘৰ সজা, কাৰোবাৰ বাৰীৰ ৰবাব টেঙা চিঙা, বগৰী বোটলা।... দৌৰি দৌৰি ভাগৰি স্কুলৰ ফিল্ডত বাগৰি পৰা সকলো মুহূৰ্ততে আকাংক্ষা আৰু নিশিতাক একেলগে দেখা গৈছিল।

কিন্তু হঠাতে সিহঁতৰ গাঁৱত মহাজনৰ ঘৰত কাম কৰা নিশিতাৰ মাকৰ মৃত্যু হোৱাত মামাকে লৈ গৈছিল তাইক। তেতিয়া সিহঁত পঞ্চম মানত। দুদিনমান বহুত কান্দিলে আকাংক্ষাই। তাৰ পিছত আকৌ নিজস্ব গতিত বৈ যোৱা নদীৰ দৰে বৈ থাকিল তাই। হেৰাই গ'ল এৰি অহা বলুকাৰ দৰে নিশিতাৰ স্মৃতি। তাৰ ঠাই ল'লে দীপক, অংকুৰ বাবলি, জুৰি আদিয়ে ...।

"বাইদেউ ভিক্ষা দিয়ক। ভগৱানে আপোনাৰ মংগল কৰিব।" পিছফালৰ পৰা মাকৰ লগত শুকুৰবাৰে পূজাৰ বজাৰ কৰিবলৈ যাওঁতে কোনোবাই মাতিছিল এনেদৰে। আকাংক্ষা আৰু মাক বিনীতাই উভতি চাইছিল। চকু গ'ল তাইৰ। সেইয়া যে নিশিতা। হঠাতে তাইৰ স্মৃতিৰ মণিকোঠাৰ তলাটো খোল গ'ল।

"নিশিতা তুমি? মই আকাংক্ষা, চিনি পোৱা নাই মোক? কি হ'ল তোমাৰ? মামাৰাৰ একা? তুমি এইয়া কি কৰিছা?"

ইমানবোৰ প্ৰশ্ন একেলগে কৰাৰ পিছতহে তাই লক্ষ্য কৰিলে, চকু কোটৰত সোমাই যোৱা নিশিতাই সঁচাকৈয়ে তাইক চিনি পোৱা নাই। নাপাবৰে কথা। সৰুতে বেমাৰীৰ দৰে ক্ষীণ-মিন চেহেৰাটো যে এতিয়া মাক-দেউতাকৰ কেলৰি-ভিটামিনৰ ফৰ্মূলাৰ পৰিণতিত নিটোল ৰূপ পাইছে। সেয়ে তাই আকৌ ক'লে, "কিয়, আমি যে ৰতনপুৰ বিদ্যালয়ত

একেলগে পঢ়িছিলোঁ। পঢ়িছিলা তুমি, একেলগে খাইছিলো আমি।"

এইবাৰ যেন নিশিতাৰ দুচকুত দুখবোধে প্ৰাণ পাই উঠিল। বাৰিষাৰ ঢলৰ দৰে হিৰ হিৰকৈ নামি আহিল তাইৰ চকুপানী। "তুমি? আকাংক্ষা? মোৰ সকলো শেষ হৈ গ'ল।" কান্দি কান্দি যেন শেষেই নহ'ব তাইৰ। আকাংক্ষাৰ মাকে নিশিতাক সাৰটি ধৰি এখন চাহ দোকানলৈ লৈ গ'ল। তিনিও বহাৰ অলপ সময় পিছত হোটেলৰ সৰু ল'ৰা এজনে তিনিকাপ চাহ, মিঠাই দি গ'ল। মাকে ক'লে—"খোৱা মাজনী, চাহকাপ খালে তোমাৰ অলপ ভাল লাগিব।"

মাকৰ কথামতে নিশিতাই চাহকাপ খাই যেন অলপ শান্ত হ'ল। তাৰ পিছত আৰম্ভ কৰিলে।

জানা, মাৰ মৃত্যুৰ পিছত মামাৰ লগত মাজুলীলৈ গ'লো। প্ৰথমতে সকলো ঠিকেই আছিল। আইতা আৰু মামাৰ লগত থাকি বিদ্যালয়তো পঢ়িছিলোঁ। বছৰটোৰ আঠমাহ শান্তিৰে কটাও, বাকী চাৰিমাহ পানীৰ মাজত, শৰণাৰ্থী শিবিৰত। লুইতৰ বাঢ়নী পানীয়ে প্ৰতিবাৰে বুৰাই পেলায় ঘৰ। বিদ্যালয়, মথাউৰিৰ শিবিৰত কদৰ্য পৰিৱেশত চৰকাৰী সামান্য সাহায্য, কেতিয়াবা কোনো সহায়কাৰী গোটৰ দয়াত কোনোমতে পাৰ কৰো। আকৌ ঘৰলৈ আহো। এনেদৰে চলি আছিল আমাৰ লগতে বহুতো গাঁৱৰ মানুহৰ জীৱন ৰথ।

কিন্তু এইবাৰ যেন লুইতৰ কোপ দৃষ্টি মোৰ ওপৰত বাৰুকৈয়ে পৰিল। এদিন ৰাতি শুই থাকোঁতে হঠাতে অহা বাঢ়নী পানীয়ে ঘৰ-দুৱাৰ লগতে মামা আইতা আৰু মোকো লৈ গ'ল। পিছদিনা যেতিয়া সাৰ পালো চাৰিওফালে পানী আৰু পানী, পাৰা পাৰহীন, মই গছৰ ভাল এটাত ওলমি আছিলো। বহু সময় তেনেদৰে থকাৰ পিছত এখন নাৱৰ মানুহে মোক পাই শিবিৰত থৈ আহিল। এইবাৰ আৰু ক'লৈ যাম। ঘৰ বুলিবলৈ আপোন বুলিবলৈ মোৰ আছেই বা কোন?

বজাৰৰ হুলস্থূলৰ মাজত নিশিতাৰ উচুপনিৰ শব্দই যেন ঠেকা খাই ফুৰিছিল। আকাংক্ষাৰ মনৰ কথা বুজিয়েই হয়তো মাকে লৈ আহিল তাইক। এই দুদিন নিশিতাই সিহঁতৰ ঘৰৰ কাম কৰিছে—বাচন ধোৱা, ঘৰ সৰা আদি কামবোৰ।

নাই, আকাংক্ষাৰ অন্তৰে শান্তি পোৱা নাই। নিশিতাৰ এনে জীৱন তাইৰ কাম্য নহয়। সৰু কালৰ বন্ধুত্বৰ স্মৃতিয়ে তাইক দংশন কৰিছে অনবৰতে। তাই পঢ়ি থাকোঁতে যেতিয়া নিশিতাই হৰলিক্স আৰু বিস্কুট আনি টেবুলত থৈ যায়, আকাংক্ষাৰ বুকুত যে বেদনা, ক্ষোভৰ জুই জ্বলে, ভগৱানক সুধিবৰ মন যায়।

"কিয় প্ৰভু? নিশিতাৰ কি দোষ? যাৰ বাবে তুমি পঢ়া শুনাত চোকা বুদ্ধিৰ হোৱা স্বত্বেও এটা অসহায় জীৱনলৈ ঠেলি দিয়া কিয়?" প্ৰতিবাদৰ ভাষা বিচাৰি নাপায় তাই। তাইৰ যে প্ৰাণ প্ৰাচুৰ্য পৃথিৱীখনত দুখে কুৰুকি কুৰুকি সোমাইছে? এফালৰ পৰা ভাঙি পেলাইছে তাইক। বোটলা ফুলকেইপাহ খৰাহীটোত লৈ আকাংক্ষাই দেউতাকৰ কোঠাত সোমালগৈ। এই সময়ত যোগাসন কৰে দেউতাকে। সেয়ে তাই বা মাক কোনোৱেই কোঠাটোত নোসোমোৱাটো অলিখিত নিয়মৰ দৰেই। সেয়ে আকাংক্ষাক দেখি প্ৰাণায়াম কৰি থকা দেউতাকে সুধিলে "কি হ'ল মাজনী তোমাৰ? আকাংক্ষাই মনটো এনেভাৱে দৃঢ় কৰিছে যে তাই আজি মনৰ কথা ক'বই। লাগিলে দেউতাক মাকে তাইক বেয়া পাওঁক, ভুল বুজিলে বুজক। আকৌ এবাৰ ভাবিলে মাক-দেউতাক মৰমিয়াল, তাইৰ অন্তৰৰ কথা নুবুজিবনে? যি হয় হ'ব, সেয়ে তাই ক'লে—

"দেউতা, নিশিতাটো মোৰ বান্ধৱী। সেয়ে তাইক দেখোন ঘৰৰ কামত লগোৱাতকৈ স্কুলতে নাম লগাই দিব পাৰো। তাইৰ জীৱনটো শিক্ষাৰে পোহৰাব পাৰো।"

হয়, তাই ঠিকেই দেখিছে। দেউতাকৰ চকুত তাইৰ প্ৰতি সমমৰ্মিতা। তেওঁ ক'লে—"মাৰাৰ লগত কথা পাতি তোমাৰ বিদ্যালয়তে কালি নিশিতাৰ নাম লগাই দিম, হ'ব?"

আকাংক্ষাই একে জাপে দেউতাকক চুমা এটা খাই দৌৰ মাৰিলে নিশিতাক বিচাৰি। নিশিতাই পাকঘৰত বাচন ধুই আছিল। তাই সাৰটি ধৰি নিশিতাক ক'লে, "কালিৰ পৰা আৰু তুমি এইবোৰ কাম কৰিব নালাগে। তুমিও মোৰ লগত স্কুললৈ যাবা।"

নিশিতাৰ দুচকুত দুটোপাল পানী। কৃতজ্ঞতা নে বন্ধুত্বৰ সঁচা প্ৰতিদানত। ●

Let us not pray to be sheltered from dangers but to be fearless when facing them.

-Rabindranath Tagore

Sometimes by losing a battle you find a new way to win the war.

-Donald Trump



# আবেলি

**ভাস্বতী দেৱী**
*স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক*
*অসমীয়া বিভাগ*

অৱশেষত শেষ ৰাতি কাকলিৰ টোপনি আহিল। আজি কিমান দিন হ'ল তাই ঠিক ভালদৰে হিচাপ কৰিব পৰা নাই, এনেদৰে দিনত বোবা মানুহৰ দৰে তাইৰ মনটোও এক প্ৰকাৰ বোবা হৈ থকা আৰু ৰাতি হ'লে তাইৰ ভাৱনা, বাসনা আটাইবোৰ উক্ মুকাই উঠা। চকুৰে টোপনিৰ নামকে নোলোৱা বাবে তাইৰ যে চেহেৰাটো ...। ক'ত গ'ল তাইৰ সেই এসময়ৰ আটিল দেহটো, যাৰ সৌন্দৰ্যত এটা সময়ত লগৰ ছোৱালীবোৰে ডাহতে পুৰি মৰিছিল। তেতিয়াৰ কাকলি আৰু এতিয়াৰ কাকলি...।

কাকলিয়ে মাকৰ ঘৰৰ সোতৰটা বছৰ পাৰ কৰিয়ে ওঠৰ বছৰত ভৰি দিয়াৰ লগে লগে তাইলৈ এটা সম্পৰ্ক লৈ আহিছিল সিহঁতৰ চুবুৰীয়া যাদৱ বুঢ়াই। এইপিনে দ্বিতীয় বিভাগত উচ্চতৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাত কাকলিক মধ্যবিত্তপৰিয়ালটোৰ মুৰব্বী দেউতাক ভবেনে ওচৰৰে এখন কলেজত নামভৰ্ত্তি কৰালে।

আহাৰ মহীয়া দিনৰ দুপৰীয়া। খাওঁ খাওঁ মূৰ্ত্তি ধৰি ৰ'দৰ উত্তাপ ক্ৰমাৎ বাঢ়িবলৈ ধৰিলে। গোহালী ঘৰৰ পিছফালে থকা গমাৰি জোপাত পৰি ফেঁচা চৰাইটোৱে উৰুলি জোকাৰী কাকলিৰ মূৰৰ ওপৰেদি ডেউকা কোবায় উৰি গ'ল। ক'ৰবাৰ পৰাই পাখি লাহী পখিলা এটাই উৰি আহি কাকলিৰ গাত এখন্তেক জিৰণি ল'লে আৰু আকৌ দুৰ দিগন্তলৈ উৰি গ'ল। এনেতে কাকলিৰ বিয়াৰ বাবে যো-জা চলিল। যাদৱ বুঢ়াই সিহঁতৰ ঘৰলৈ সম্পৰ্ক লৈ অনাৰ এমাহৰ ভিতৰতে সিহঁতৰ ওচৰৰে গাওঁ ভেলেউটীপাৰৰ বোৱাৰী হৈ আহিল কাকলি।

এতিয়া শুক্ল পক্ষ। পূৰ্ণিমালৈ আৰু বেছি দিন নাই, জোনটোৱে ঘূৰণীয়া হৈ বাঢ়ি আহিছে। নতুন পোৱাতী গাইৰ গাখীৰৰ দৰে বৰণ লৈ ওলাই অহা চন্দ্ৰমাৰ প্ৰতিচ্ছবিটো নৈখনত পৰিছে আৰু জোনাক ৰাতি দুষ্ট তৰংগই ভাগ ভাগ কৰি দিলে চন্দ্ৰমাৰ প্ৰতিচ্ছবিটো, পুৱাইবাহঁত পোৱালী কেইটাক এৰি থৈ সন্ধিয়াক বোকোচাত লৈ উভতি অহা পখীজাকৰে অকল নহয় আৰু বাঁহত কণী পাৰি উমনি লৈ থকা চৰাই কেইটাৰো ভালপোৱাৰ পৰিসমাপ্তি ঘটালে বাৰিষাৰ গভীৰ ৰাতিৰ এক বিধ্বংসী ধুমুহাই। একে সময়তে কাকলিৰ জীৱনলৈও নিয়তিয়ে লৈ আহিল সেই একেটি ধুমুহা। এই ধুমুহা কাকলিৰ জীৱনৰ ধুমুহা।

ঃ কাকলি আজি তোমাক বৰ সুন্দৰ দেখিছোঁ, আচ্চা তুমি নতুনকৈ ধুনীয়া হ'লা নেকি হে!!

বাপেকৰ সুৰত সুৰ মিলাই ছয় বছৰীয়া পুতেক অনিৰ্বাণেও ক'লে—

ঃ অ মা আজি তোমাক সঁচাকৈ বৰ ধুনীয়া দেখা হৈছে।

বাপেক পুতেকৰ কথা শুনি কাকলিয়ে ক'লে—

ঃ দেখিছোঁ বাপেক পুতেক দুয়োটাই মিলি এতিয়া মোক সৰগৰ অপেশ্বৰীয়ে সজাব।

—এয়া কাকলিৰ বৈবাহিক জীৱনৰ ভাল লগা সময়ৰ শেষৰটো দিনৰ শেষৰটো ভাল লগা কথা। ইতিমধ্যে নিশা নামিছেই। ঘৰৰ পিছফালৰ জোপোহানিৰ পৰা ভাহি অহা উইচিৰিঙাৰ মাতত নিশা এতিয়াও একেবাৰে নিমাত হৈ পৰা নাই। কাকলিয়ে অনিৰ্বাণৰ সৈতে বিচনাত বাগৰ দিলেও তাইৰ টোপনি অহা নাই। টিক্ টিক্ টিক্ টিক্কৈ ঘড়ীটোৱে মাতি আছে। কাকলিয়ে মূৰ তুলি ঘড়ীটোলৈ চালে এঘাৰ বাজি ইতিমধ্যে ত্ৰিশ মিনিট গৈছে। বিচনাতে উঠি বহিল তাই, অনিৰ্বাণৰ মূৰত হাত বুলাই তাই গুণ গুনাইছে—

আমাৰে মইনা শুৱ এ
বাৰীতে বগৰী ৰুৱ এ

বাৰীৰে বগৰী পকি—হঠাৎ তাইৰ বুকুৰ ভিতৰত থকা কলিজাটো যেন কোনোবাই কুঁহিয়াৰ চেপা দিলে, তাই একো সিদ্ধান্ত ল'ব নোৱাৰা হ'ল। আকৌ হৃদয়ৰ এচুকত চটফটাই থকা আবেগেৰে ঘড়ীটোলৈ চালে এক বাজিছে। ফোনটোও চুইচ অফ। কি কৰা যায় কাৰোবাক মাতিব নেকি!! এই ৰাতি তাই ক'লৈ যাব? ইমান পাৰলৈ মানুহজন ক'ত থাকিল, ক'লৈ গ'ল? ক'তো একো হোৱা নাইতো তেওঁ কুশলে আছেতো ...। এলাৰ্ম ঘড়ীটোৱে টঙটঙাই বাজি উঠি পুৱা চাৰি বজাৰ সংকেত দিলে। ৰাতিটো তাই উজাগৰে কটালে। ৰাতিপুৱাটো বিষন্ন হ'লেও সদায় কৰা কামখিনি কৰি অনিৰ্বাণক খুৱাই-বুৱাই স্কুললৈ পঠালে। সময়বোৰ দেখোন আজি তাইৰ কাৰণে বৰ দীঘলীয়া যেন লাগিছে। যোৱাকালি দুপৰীয়াৰে পৰা এতিয়ালৈকে মুখত একো এটাই দিয়া

নাই। সদায় সন্ধিয়া ছটা বজাত আহি পোৱা মানুহজন এতিয়ালৈ...!!!

দেখাত মানুহজনী হৈ আছে যদিও কাকলিৰ ভিতৰখন একপ্ৰকাৰ বলিয়া হৈ উঠিছে, তেনেই দেই-পুৰি মাৰিছে। অনিৰ্বাণক উত্তৰ দি দি কাকলি ভাগৰি গৈছে যে দেউতাক হেনো স্কুললৈ গৈছিল তাৰ পিছত স্কুলৰ পৰা ভণ্টি পেহীয়কৰ ঘৰলৈ গৈছে বুলি কৈয়ে তাই এটা দীঘল হুমুনিয়াহ কাঢ়িলে। কাকলিয়ে অনিৰ্বাণক দিয়া উত্তৰ প্ৰথমখিনি সঁচায়ে কিন্তু; তাৰ লগত সংযোজন কৰা খিনি সত্য নে অসত্য সেয়া তাই নিজে নাজানে। মাথোঁ পুতেকৰ প্ৰশ্নৰ উত্তৰৰ পৰা ৰেহাই পালেই হ'ল। ভাবি চিন্তি কৈ থাকিব পৰাকৈ কাকলিৰ এতিয়া ধৈৰ্য্য সীমান্তৰ বাহিৰত।

সন্ধিয়া নামিছে। সন্ধিয়াৰ অপেক্ষাত ৰৈ থকা আবেলিৰ দীঘল ছাঁবোৰ লাহে লাহে নাইকিয়া হ'ল। বেলি ডুবি আকাশত জোনে ভুমুকি মাৰিলে। চৰাইবোৰ বাহলৈ আহিল। নামঘৰৰ ভিতৰত ডবা বাজিল। হঠাৎ কাকলিয়ে পদুলিমুখত টিলিঙ্ টিলিঙ্কৈ চাইকেলৰ বেল বজা শব্দ শুনিলে। তেতিয়া তাই গোসাঁই ঘৰত চাকি জ্বলাই আছিল আৰু চাকি গছি অইন দিনৰ নিচিনা একেডাল মেচৰ খাটিতে জ্বলি উঠা নাছিল, দুই তিনিবাৰ এনেকৈ লগাই দিয়াৰ পিছত জ্বলি উঠিল যদিও সেই পোহৰত কোনো উজ্জ্বলতা নাছিল আছিল মাথোঁ কলুষতা। গোসাঁই ঘৰৰ পৰা ওলাইয়ে আগফালৰ পিৰালিয়েদি যাওঁতে তাত ওলোমাই থোৱা ঘড়ীটোলৈ চালে সন্ধিয়া পাঁচবাজি ত্ৰিশ মিনিট গৈছে। এতিয়া এই গধূলিখন কোন হ'ব পাৰে? কিজানি কিবা মানুহজনৰ খবৰ আছে—এইবুলি মূৰৰ ওৰনিখন লৈ বুকুৰ ধপ-ধপনি আৰু মনৰ উৎসুকতাৰে বাটৰ শেৱালিজুপিৰ তললৈ আগবাঢ়ি গ'ল...। বিপৰীত দিশৰ পৰা জপনা খুলি চাইকেলেৰে আহিল বাব্‌লু। কিবা খবৰ পাব বুলি কাকলিয়ে বাব্‌লুক মাত লগাবও পাহৰি গৈছে কেৱল তাৰ মুখৰ পিনেহে একেথৰে চাই আছে। কিন্তু নাই তাই আশা কৰাৰ সম্পূৰ্ণ বিপৰীত। সি এইবোৰৰ একো ভু-ৰে পোৱা নাই। অনিৰ্বাণৰ দেউতাক ঘৰত নথকা কথাটো লাহে লাহে দুই এজনে জানিব পাৰিলে। কিন্তু এদিন দুদিনকৈ বহুদিন হোৱাতো অনিৰ্বাণৰ দেউতাকৰ খা-খবৰ নাই। তেওঁ বৰ্তমান নিৰুদ্দেশ। তথাপি কাকলি কেৱল আশাৰ মাজত বন্দী—'তেওঁ আহিব...'!!!

কাকলিয়ে হাতত লোৱা সৰু বেগটো খুচৰি হেণ্ডিমেনজনক ভাড়াটো দিলে। বাছৰ পৰা নামি কাকলিয়ে প্ৰায় ডেৰ কিলোমিটাৰ ৰাস্তা ৰিক্সাত উঠিয়েই অকলেশৰ অৰ্থাৎ—কাকলিৰ গিৰীয়েকৰ স্কুল পালে। ঘৰমুৱা চৰাইজাকৰ সৈতে কাকলিও ঘৰমুৱা হ'ল। ঘৰত অনিৰ্বাণে স্কুলৰ পৰা অহাৰ পাছত এইখিনি সময় অকলে আছে। ৰাতিটো আহিলেই হাতীটো অহা যেন লাগে কাকলিৰ মাক-পুতেক দুয়োটাই এতিয়া শুই আছে। কাকলিৰ বুকুৰ মাজত কুৰুকি কুৰুকি সোমাইছে অনিৰ্বাণে। কাকলিৰ চকুত টোপনি নাই অথচ শুই আছে। তাই হাত দুখন চুলিকোচাৰ তলত ভিৰ দি ঘৰটোৰ চিলিঙখনলৈ চাই আছে। ...ভাবিছিল অলকেশৰ মাষ্টৰৰ চাকৰিটো অলপ কষ্ট কৰিলে হ'ব কিন্তু, নাই নহ'ল। কাকলিওটো কম পঢ়া ছোৱালী নহয়। বিয়াৰ পাছত হ'লে যেনিবা শহুৰেকৰ ঘৰৰ পৰাই বি. এ. পাছ কৰা ছোৱালী। কিন্তু টেট পৰীক্ষাত পাছ কৰা হ'লে তাইৰ চাকৰিটো হোৱাৰ ক্ষীণ আশা এটা আছিল। টেট পৰীক্ষা নিদিয়াৰ বাবে এতিয়া সেই মুধাকনো মৰিল।

কাকলিয়ে লাহে লাহে নিজৰ ঠিকনা হেৰাই পেলাইছে কোন দিশে যাব, ক'লৈ যাব, কি কৰিব?...ইত্যাদি ইত্যাদি এশ এবুৰি প্ৰশ্নই তাইক ভাৰাক্ৰান্ত কৰি তুলিছে। তাই যেন জীৱনৰ সেই জটিল অংকটো মিলাবকে পৰা নাই। কাকলিৰ আগৰ সেই বেণীগথা, চকুত কাজল খনা, ওঁঠত কাঢ়া লিপষ্টিক লগোৱা চখ্‌বোৰ নোহোৱা হ'ল মাত্ৰ কেইটমান দিনৰ ব্যৱধানত। সময় আৰু জীৱনৰ লগে লগে মনৰ কোনোবাখিনিত ভালপোৱাবোৰে খোপনি পুতিলেও সেইবোৰক নেওচি কাকলিয়ে বোকোচাত লৈ ফুৰিছে এক জীয়া যাতনা। তাইৰ দুখৰ সময়তে আকৌ গাঁৱৰ ডাং-বৰলা কেইটাও তাইক মাজে মাজে চিকুটি চাব এৰা নাই কিন্তু; কাকলি চিকুট মৰা ইংগিতক প্ৰশ্ৰয় নিদিয়ে। এইজাতৰ বাহিৰে কাকলিক আকৌ দুই চাৰিজনে সহাৰি নিদিয়া নহয়। গাঁৱৰে কোনোবাই মাজে সময় কাম-বন কৰিবলৈ কাকলিক মাতে। কেতিয়াবা কাপোৰ-কানি ধোৱা, বাচন-বৰ্তন ধুই-পখালি দিয়াৰ লগতে কাৰোবাৰ কাঠী ঘৰত কেতিয়াবা লেচেৰী দি ফুৰে। দিনটোৰ মূৰকত টকা কেইটা চাদৰৰ লোচত বান্ধি সন্ধিয়া ঘৰলৈ আহে কাকলি। কেতিয়াবা কাকলিৰ আচলতে চিঞৰি চিঞৰি কান্দিবৰ মন যায় কিন্তু ... বেচেৰা অনিৰ্বাণৰ শুকান অথচ মৰম লগা সেই আশাবাদী মুখখনলৈ চাই থমকি ৰয় কাকলি। বুকুৰ ভিতৰখনত দপ্‌দপ্‌কৈ জ্বলি উঠা জুইকুৰা উচুপি উচুপি দুগালেৰে বৈ অহা কেইটোপালমান গৰম চকুপানীয়ে কিছুসময়ৰ বাবে নুমাই ৰাখে। জুহাল আৰু জেংখৰি কেইডালৰ লগত সুখৰ ধোঁৱা বৰণীয়া আৰু বিষাদৰ সেউজীয়া মালা গাথে কাকলিয়ে। ইমানদিন কষ্টখোৱাৰ পাছতো কাকলিয়ে ফোট ল'ব বাদ নাই যদিওৱা নিজৰ ওপৰতে ধিক্কাৰ জন্মে কাকলিৰ। কেতিয়াবা আইনাৰ সন্মুখত থিয় হৈ নিজকে প্ৰশ্ন কৰে কাকলিয়ে—এই সেন্দুৰৰ কিবা প্ৰয়োজন আছেনে? মুহূৰ্ততে আকৌ ভাব সলায়-নিশ্চয় আছে, ... তেওঁ আহিব।

আবেলি পৰত দূৰত থকা পশ্চিমৰ গছবোৰৰ সুৰুঙাইদি লহিওৱা বেলিটি পিছদিনা আকৌ ওলাইছেহি পূৱ আকাশত। আবেলিৰ ক্ৰমাৎ দীঘল হৈ পৰা ছাঁবোৰে সন্ধিয়াৰ অপেক্ষাত ৰৈ আছে। চ'তৰ মাহো শেষ হ'বৰে হ'ল বসন্তই এতিয়া ভৰপক যৌৱনত গছৰ আগত ওলোৱা কুঁহিপাতবোৰক বৰকৈ আমনি কৰিছে। অনিৰ্বাণ এতিয়া মাকৰ চাদৰৰ আচলেৰে নাক মোচা ল'ৰাজন নহয়। অনিৰ্বাণ এতিয়া ক্লাচ চেভেনৰ ছাত্ৰ, অনিৰ্বাণে পৰহিৰ পৰাই এটা নতুন ক্লাচ ৰুমত বহিব...

বিচনাত শুই শুইয়ে কিছু সময়ৰ বাবে অতীতক সোঁৱৰিছে আৰু লাহে লাহে চকুহাল সেমেকি উঠিছে। তাৰ পাছত আহিব ধৰা দিনবোৰৰ কথা ভাবি কাকলিৰ দুয়োটা ওঁঠে সামান্য বেকা হৈ হাঁহিছে। কাকলিয়ে কল্পনাৰ সাগৰত ডুব গৈ ক'বই পৰা নাছিল ৰাতি এতিয়া দুই বাজিল। কাকলিয়ে বাগৰ সলাই উৰা কাপোৰখন বুকুলৈ পৰাকৈ টানি আনিলে। ●

"যাগৈ যা ... তাৰ লগতে যা গৈ। তোৰ লগত থাকিব মোৰ অলপো মন নাই। ফোনটো কাট খাই গ'ল। শ্বেতায়ে দুই ছেকেণ্ড মান ফোনটো কাণত লৈয়ে থাকিল।

শ্বেতা এগৰাকী হাঁহিমুখীয়া নাৰী। শ্বেতা আৰু বিক্ৰমৰ প্ৰেম বিবাহ হৈছিল। সিহঁতৰ প্ৰেমত দুয়ো দুয়োকে লৈ বহুত আশা। বিক্ৰম এজন সুপ্ৰসিদ্ধ দায়িত্বশীল ল'ৰা। বিক্ৰমে শ্বেতাক সকলো ক্ষেত্ৰত সহায়-সহযোগিতা কৰাৰ উপৰিও তাইৰ প্ৰতিটো কামত তাইক উৎসাহ দিয়ে। শ্বেতায়ে বিক্ৰমক পায় বহুত সুখী। তাৰদৰে মৰমীয়াল ল'ৰা এজন পাবলৈ সকলো নাৰী তাইৰ সমান ভাগ্যৱতী নহয়। লগৰ সমনীয়া বন্ধু-বান্ধৱীসকলে সিহঁতৰ সম্পৰ্ক লৈ প্ৰশংসা কৰে। তাইৰ গৌৰৱ কৰিব মন যায়। মানুহৰ মাজত বুকু ওপন্দাই খোজকাঢ়িবৰ মন যায়।

কিন্তু সেই গৌৰৱ তাইৰ দুদিনীয়া আলহী আছিল। শ্বেতা আৰু বিক্ৰমৰ সম্পৰ্কত কোনোবা অদৃশ্য শক্তিৰ শেন চকু পৰিল। বিভাগীয় বিয়াগোম দুৰ্নীতি কেলেংকাৰীত বিক্ৰমৰ নামটো সোমাই যোৱাত এক অশান্তিময় পৰিৱেশৰ সৃষ্টি হৈছিল। এদিন পুলিচ আহি বিক্ৰমক হেণ্ডকাপ লগাই লৈ গ'ল। এদিনতে শান্ত হোৱা নাছিল প্ৰশাসন। বাৰম্বাৰ আহি বিক্ৰমৰ নথি-পত্ৰ, ফাইলসমূহ বিচাৰি হাজাৰ হাজাৰটা প্ৰশ্ন কৰিছিল শ্বেতাক। শ্বেতা মানসিকভাৱেও ভাঙি পৰিছিল। দীঘলীয়া কাৰাবাস খাটি এদিন বিক্ৰম ঘৰলৈ উভতিছিল। মিছা কথাত সংযোগ হৈ আত্মহানী মান-সন্মান সকলো শেষ হৈ যোৱাৰ চিন্তাত বিক্ৰম সেই সকলোবোৰ পাহৰিবলৈ মদ খোৱা আৰম্ভ কৰিছিল। মদৰ ওপৰতে জীৱনটো শেষ কৰি দিব চেষ্টা কৰিছিল। শ্বেতাই বহুত বুজালেও তাইক



**কৰিশ্মা তালুকদাৰ**
*স্নাতক পঞ্চম যান্মাসিক*
*অসমীয়া বিভাগ*

কু-বাক্য শুনাই তাৰ পৰা গুচি গৈছিল। অকলে চকুপানী টুকি তাই নিজক শক্তিশালী কৰি তুলে, নিজৰ বাবে নহয় বিক্ৰমৰ বাবে। কাৰণ, শ্বেতাৰ অবিহনে বিক্ৰমৰ আন কোনো নাই। তাই ভাঙি পৰিলে বিক্ৰমক কোনে চাব? মনৰ শক্তি টান কৰি এদিন তাই চাকৰি বিচাৰি ওলাই গ'ল, কিন্তু নাই ... দুৰ্নীতি গ্ৰস্তৰ পত্নী বুলি তাইক কোনেও চাকৰি নিদিয়ে। অৱশেষত এটি প্ৰকাশন সংস্থাত শ্বেতাৰ চাকৰি হৈছিল।

এদিন ৰাতিপুৱা শ্বেতা চাকৰিলৈ যাবলৈ ওলোৱাত, তাইৰ ব'চ নন্দন বৰুৱাই ফোন কৰি তাইক সোনকালে অফিচলৈ মাতিলে। তাই যাবলৈ ওলোৱাত তেতিয়া বিক্ৰমে ক'লে—"বৰ ভাল সময় পাৰ কৰিছা নহয়নে? হয়, তোমাৰ বহু গুণ আছে, আৰু সেইটো তোমাৰ বিউটি এণ্ড ফিগাৰ, যাক তুমি নিতৌ তোমাৰ ব'চ নন্দন বৰুৱাৰ আগত নিলাম কৰা।" এনেবোৰ কু-বাক্য শ্বেতাৰ বাবে নতুন কথা নাছিল। শ্বেতাই ক'লে—"বিক্ৰম, মই কেৱল চাকৰি কৰিবলৈ যাওঁ, সেয়া তুমি ভালকৈ জানা। আন এটা বস্তু মোৰ আছে যাক ছাগে তুমি দেখাই নাই আৰু সেইটো হ'ল মোৰ অনেষ্টি। সততা। যাক মই নিলাম কৰা নাই ... তোমাৰ দৰে।"

সেইদিনা ৰাতিপুৱা শ্বেতাই বিষাদ মন লৈ অফিচলৈ গৈছিল। কোনোৰকমেই মনটো কামত লগাব পৰা নাছিল। "বিক্ৰমক টানকৈ কোৱাটো চাগে ঠিক নহ'ল"—শ্বেতাৰ মনটো বাৰে বাৰে আপচোছ হৈছিল। ফোন কৰিম বুলি ভাবি ভাবি শেষত বিক্ৰমৰ ফোন নম্বৰটো ওলাই ডাইল কৰিলে—'হেল্ল, বিক্ৰম ... কি কৰি আছিলা ... আজি মই সোনকালে ঘৰলৈ যাম ছাৰ নন্দন বৰুৱা হেনো বাহিৰলৈ যাব, সেই গতিকে মই আজি সোনকালে যাব পাৰিম, যাওঁতে তোমাৰ কাৰণে ৰেবতীৰ পৰা চিকেন ছাওমিন, লৈ যাম দিয়া, বহুত দিন তুমি খাওঁ বুলি কোৱা নাই...।"

"হেল্ল বিক্ৰম ... তুমি শুনি আছা নে?"

যা গৈ যা ... তাৰ লগতে যা গৈ। তোৰ লগত থাকিব মোৰ অলপো মন নাই। ফোনটো কাট খাই গ'ল। শ্বেতায়ে দুই ছেকেণ্ড মান ফোনটো কাণত লৈয়ে থাকিল। বিক্ৰমৰ আও মাতেৰে কথাবোৰ শুনি শ্বেতা উচুপি পৰিল। কলেজীয়া জীৱনত বিক্ৰমৰ লগত কটোৱা সময়খিনি বাৰে বাৰে শ্বেতাৰ চকুত ভাহি আহিল। শ্বেতাৰ প্ৰতি বিক্ৰমৰ কিমান ভালপোৱা মৰম আছিল। এদিনত কিমান বাৰ যে ভাল পাওঁ বুলি কৈছিল, হিচাপ নাই। কিন্তু আজি বিক্ৰম বহুত সলনি হ'ল। তাইৰ প্ৰতি সেই আগৰ মৰম ভাল পোৱা নাই। সকলো যেন শেষ হৈ গ'ল নিমিষতে। শ্বেতাৰ বাচি থাকিবলৈ আৰু মন নাই। কিন্তু বিক্ৰমৰ পোহৰে হ'ল শ্বেতা। তাই জীয়াই থাকিবই লাগিব।

চকুৰ পানী মচি তাই হাঁহো নাহাঁহোকে মুখত এটা হাঁহি ফুটাই লৈ দীঘলীয়া হুমুনিয়াহ কাঢ়িলে আৰু লগতে হালধীয়া ৰঙৰ ফাইলটো উলিয়াই লৈ কামত লাগি পৰিল।।●



# অৱসৰ

**ৰিকী কলিতা**
**স্নাতকোত্তৰ তৃতীয় ষাণ্মাসিক**
**অসমীয়া বিভাগ**

*মানুহে মানুহৰ বাবে*
*যদিহে অকনো নাভাবে*
*নানা না নানানা নানা*

হৰিকাই বৰ ৰসেৰে গীত ফাঁকি চিঞঁৰি চিঞঁৰি গাই ঘৰৰ আগফালৰ ঘাঁহ বনবোৰ চিকুনাই আছে। ঘৰখনত একেবাৰে অকলশৰীয়া অনুৰূপা দুৰৰাক হৰি কাইৰ এনেদৰে চিঞঁৰি গোৱা গীতবোৰে কেতিয়াবা আমনি কৰে যদিও তেওঁৰ অকলশৰীয়া ঘৰখনত হৰিকাইৰ ভুল-শুদ্ধৰ এই গীতৰ টুকুৰাবোৰে কিছু সজীৱতা আনে। সেয়ে হৰিকাইৰ বেসুৰীয়া গীতবোৰো অনুৰূপা দুৰৰাৰ মনত সুৰীয়া যেন লাগে।

ৰাতিপুৱাই আগফালৰ বেতৰ চকীখনত বহি একাপ ফিকা চাহ খোৱাটো অনুৰূপা দুৰৰাৰ পুৰণি অভ্যাস। অইন দিনা হ'লে চাহত শোহা মাৰি হৰিকাইৰ গীতবোৰৰ লগতে বিভিন্ন ধৰণৰ কথা পাতি অনুৰূপা দুৰৰাই সময়বোৰ পাৰ কৰে। কিন্তু আজি তেওঁৰ মনটো গধুৰ। এই কথা হৰিকাইয়ো লক্ষ্য নকৰাকৈ থকা নাই।

এনেতে ওচৰতে থকা অনুৰূপা দুৰৰাৰ ফোনটো বাজি উঠে। ফোনৰ শব্দত হৰিকাইৰ গীতৰ মেলা বন্ধ হয় আৰু ফোনৰ সিপাৰে কোন সেয়া জানিবলৈ হৰিকাইয়ো কিছু তৎপৰ হয়।

ঃ হেল্ল, অ, নিবিড় কেতিয়াবাৰ পৰাই তোৰ ফোনটোলৈয়ে বাট চাই আছিলো। ইমান দেৰি কৰিলি। দেউতাৰৰ শ্ৰাদ্ধ আহি পালেহি চোন। দেউতাৰৰ মৃত্যুৰ পাছত এইবাৰ তৃতীয় বাৰ্ষিকী শ্ৰাদ্ধ। তহঁত অহাৰ যো-জা চলাইছনে?

বিদেশত থকা পুত্ৰ নিবিড়ক একে উশাহতে কথাখিনি কৈ যেন অনুৰূপা দুৰৰাই এটা সন্তুষ্টি লভিলে।

ঃ কিন্তু নিবিড় তই দেউতাৰৰ একমাত্ৰ ল'ৰা। সন্ধ্যাও জোৱাইৰ লগত কলিকতালৈ গৈছে। তই নাহিলে মানুহবোৰে...।

অনুৰূপা দুৰৰাৰ উজ্জ্বল হাঁহিটো হঠাতে ম্লান পৰি গ'ল।

ঃ হ'বদে উপায়টো নাই। পাৰিলে সেইদিনা ফোন এটা কৰিবি। কথাখিনি কৈ ফোনৰ সিমূৰে থকা পুত্ৰক বিদায় দিলে।

ঃ শুনিছা হৰিকাই সি হেনো এইবাৰো আহিব নোৱাৰে। নাতি ল'ৰাটোৰ হেনো ইণ্টাৰনেছনেল লেভেলেত কিবা Competition আছে।

কথাখিনি শুনি হৰিকাইৰ মুখখনো পাম যোৱা বেলুনটোৰ দৰে হ'ল।

ঃ সেই বুলি আইদেউ, দেউতাৰ শ্ৰাদ্ধখনতকৈ নো কি ইমান ডাঙৰ কাম। পুতেকটো নোহোৱাকৈ দেউতাৰ শ্ৰাদ্ধখন বৰ উৰুঙা হ'ব আইদেউ।

মনৰ বিৰোধিতা কৰিব নোৱাৰি, হৰিকায়ে সাউৎকৈ কথাষাৰ কৈয়ে পেলালে। গাঁৱৰ অজলা হৰিকায়ে চহৰৰ প্ৰতিযোগিতাৰ যুঁজখনৰ পৰা বহু আঁতৰত। পুখুৰীত নাঙঠ হৈ গো ধোৱা বয়সৰ

পৰা হৰিকাই এইখন ঘৰত আছে। আৰু অনুৰূপাৰ স্বামীক জনা হোৱাৰ দিনাৰ পৰা দেউতা বুলি সম্বোধন কৰিছে। সেয়ে হয়তো দেউতা অৰ্থাৎ অনুৰূপা দুৱৰাৰ স্বামীৰ অনুপস্থিতি আইদেৰে মনত কিবা দুখ পালে হৰিকাইৰ মনটোৰেও হাহাকাৰ কৰি উঠে।

হৰিকাইৰ কথাখিনি শুনি অনুৰূপা দুৱৰাই কিবা ক'ব খুজিও একো নক'লে। কাৰণ হৰিকাই অজলা যদিও বুৰ্বক নহয়। আধুনিকতাৰ সুন্দৰ শব্দবোৰে হৰিকাইৰ মন ভেদিব নোৱাৰে। নিবিড়ৰ ফোনটো থৈ অনুৰূপা দুৱৰা বৰ বেছি ভাগৰুৱা যেন হ'ল। চকু দুটা মুদি চকীখনতে মূৰটো পেলাই দি মনত পেলালে বিশ বছৰ আগৰ কথা। ত্ৰিশ বছৰ আগৰ অনুৰূপা দুৱৰাৰ কথা মনত পেলালে। য'ত স্বামী পলাশ আৰু দুটা শিশু নিবিড় আৰু সন্ধ্যাৰ মাজত অনুৰূপাই নিজকে পৃথিৱীৰ আটাইতকৈ সুখী নাৰী বুলি অনুভৱ কৰিছিল। শাহু-শহুৰ আৰু এগৰাকী বিয়া নোহোৱা ননদ আছিল যদিও অনূৰূপাই তাইৰ পৰিয়ালত এইসকল লোকৰ প্ৰয়োজনীয়তা অনুভৱ নকৰিছিল। সেয়ে হয়তো এদিন পলাশৰ আপত্তি সত্বেও শাহু-শহুৰৰ মাজৰ পৰা সন্ধ্যা আৰু নিবিড়ক লৈ গুৱাহাটীত থকা পলাশৰ ভাড়া ঘৰলৈ একেবাৰে গুচি আহিছিল। বুঢ়া-বুঢ়ীহালৰ মৰমৰ মাজৰ পৰা নাতি দুটাক লৈ আহি অনুৰূপা মনত কোনো ভাৰলেশৰ চিন নাছিল। কাৰণ পলাশ, নিবিড়, সন্ধ্যাৰ মৰমৰ আবদাৰত অনুৰূপাই কাৰোবাৰ নিসংগতাৰ দুখ বুজাৰ সময় নাছিল। সন্ধ্যা আৰু নিবিড়ক বিয়া কৰাই দি অনুৰূপাৰ কিছু আজৰি হৈছিলেহে মাত্ৰ, তেনেতে স্বামী পলাশৰ উচ্চ ৰক্তচাপত মৃত্যু হয়। দেউতাকৰ শ্ৰাদ্ধৰ যাবতীয়া কাম-কাজ কৰি নিবিড় আৰু সন্ধ্যা গুচি গ'ল। এনেকৈ লাহে লাহে অনুৰূপা দুৱৰাৰ জীৱনৰ অৱসৰৰ সময় নামি আহিছিল। মানুহৰ জীৱনৰ এইছোৱা সময়েই বৰ স্পৰ্শকাতৰ। জীৱনৰ আগছোৱাত কৰা কামবোৰৰ বহলকৈ চিন্তা কৰিবলৈ এই ছোৱা সময় যথেষ্ট। স্বামীক হেৰুৱাই পুত্ৰ-জীৰ পৰা দূৰত থাকি অনুৰূপা দুৱৰাৰ এই অৱসৰ সময়ছোৱাত ভাবিবলৈ কোনো নতুন চিন্তা নাছিল।

এসপ্তাহ পিছত পলাশৰ তৃতীয় বাৰ্ষিকী শ্ৰাদ্ধ। আগৰ দুবাৰৰ দৰে এইবাৰো পলাশৰ অবিহনে শ্ৰাদ্ধখন অকলশৰে পাতিব লাগিব বুলি ভাবি অনুৰূপাৰ মনটো হেচা মাৰি ধৰিছে। লগে লগে অলপ আগতে ফোনত নিবিড়ে কোৱা কথাখিনি মনত পৰিল—"মা তুমি ইমান কিয় চিন্তা কৰিছা। আগতেও চোন তুমি সকলোবোৰ নিজেই চম্ভলিছিলা। মা ইউ আৰ ৰিয়েলি ভেৰি ষ্ট্ৰং। মই জানো তুমি সকলো মেনেজ কৰিবা।'

অনুৰূপাই সকলো বুজি পাই, কিন্তু নিবিড়হঁতক সকলো মুখ ফুটাই ক'ব নোৱাৰে। কাৰণ এদিন তাইয়ো নিবিড়-সন্ধ্যাহঁতক ককা-আইতাকৰ বুকুৰ পৰা লৈ আহি বুঢ়া-বুঢ়ী হালে নিজৰ দুখবোৰ মেনেজ কৰি ল'ব বুলিয়ে ভাবিছিল। এতিয়া অনুৰূপা দুৱৰাই বুজে নিবিড়ে কোৱাৰ দৰে মনৰ ভিতৰত অহৰহ দৌৰি থকা দুখ-অভিমান অথবা পাৰ হৈ যোৱা সময়বোৰৰ মেনেজ কৰিব নোৱাৰি।

আন কিছুমানৰ দৰে অনুৰূপা দুৱৰাই সময়ক দোষ দিব নোখোজে। আজিৰ পৰা ত্ৰিশ বছৰ আগৰ সময়খিনি অথবা আজিৰ এই সময়খিনিৰ মাজত অনুৰূপাই কোনো পাৰ্থক্য বিচাৰি নাপায়। অনুৰূপাই দোষ দিয়ে এই অৱসৰ সময়ছোৱাক। কাৰণ ব্যস্ততাৰ শেষতহে যে অৱসৰ আহে।

'সাগৰ সংগমত কতনা সাতুৰিলো।।

হৰিকাইৰ গীতৰ সুৰত হঠাতে অনুৰূপা দুৱৰাৰ তন্ময়তা ভাঙিলে। কিছু সেমেকা হাঁহি চকুত লৈ এসপ্তাহ পিছৰ স্বামীৰ শ্ৰাদ্ধৰ যা-যোগাৰ কৰিবলৈ সিদ্ধান্ত কৰি অনুৰূপা দুৱৰাই খোজ ল'লে। ●

Work out your own salvation. Do not depend on others.
-Buddha



# নষ্টালজিয়া

**শুভাঙ্কৰ বৰুৱা**
*স্নাতক দ্বিতীয় ষাণ্মাসিক*
*বিজ্ঞান শাখা*

হুৰ হুৰ ...........................

হঠাৎ সম্বিত ঘূৰাই পালে মাণিকে। ইমান সময়ে সি যে নিজৰ অতীতৰ স্মৃতিবোৰৰ মাজত হেৰাই আছিল তাকে জানি তাৰ মনটো টেঙাই গ'ল। ক'ত কি হৈছে বুলি এবাৰ চাৰিওফালে চাই ল'লে সি। দূৰৈত কোনোবা এজনে এপাল গৰু খেদি খেদি লৈ গৈ আছে। সি তাৰ পুৰণি পৃথিৱীখনত যে যোৱা তিনি ঘণ্টাই বিচৰণ কৰি আছিল বুজি গ'ল, তাৰ নিজৰ গৰুকেইটালৈ মনত পৰিল। কিন্তু তাৰ গৰুকেইটা নদীৰ পাৰৰ সেই বাকৰিখনত নাই। হঠাৎ সি নিজৰ ভৱিষ্যতক লৈ চিন্তিত হৈ পৰিল। মনত পৰি গ'ল তাৰ জীৱনৰ সেই আটাইতকৈ ভয়ংকৰ দুঃস্বপ্ন যেন লগা দিনবোৰ।

এইখন শাকতোলা নদীৰ কাষৰ সেইখনেই তাৰ অতি আপোন সুন্দৰপুৰ গাঁও। য'ত আছিল তাৰ হেঁপাহৰ ঘৰখন। সেইখন তাৰ বাবে ঘৰ নাছিলে; আছিল এটা মন্দিৰ। মাক দেউতাক আৰু সি যাপন কৰিছিল সুন্দৰ জীৱন। ভঁড়াল বাৰ মাহে শস্যৰে পৰিপূৰ্ণ হৈ আছিল। কিন্তু সেই ঘৰখনলৈ নামি আহিছিল অমানিশাৰ অন্ধকাৰ অতি সংগোপনে। থান-বান কৰি গুছি গৈছিল সকলো। সেয়া বাৰ বছৰ আগৰ কথা আছিল, সি তেতিয়া দশম মানৰ ছাত্ৰ। পঢ়াত চোকা আছিল বাবে মাক-দেউতাকৰ লগতে গাঁওবাসীয়েও তাৰ পৰা উন্নত মানৰ ফলাফল আশা কৰিছিল। কিন্তু বিধাতাই সেইবোৰ হ'বলৈ বাধা দিলে। তিনি চাৰিদিনৰ নেৰানেপেৰা বৰষুণৰ পিছত গাঁওবাসী চিন্তিত হৈ পৰিছিল। পথাৰবোৰ নিজকে মই সেউজীয়া বুলি চিঞৰি সুন্দৰপুৰক সুন্দৰ কৰি তুলিছিল। গতিকে খেতি বেয়া হ'ব বুলি সকলো শংকিত হৈছিল, আৰু সেই অভিশপ্ত নিশা হঠাৎ অহা বানে গোটেই গাঁওখন চেদেলি-ভেদেলি কৰি দিছিল। সেই নিশাই তাৰ মন্দিৰ যেন ঘৰখনো ধ্বংস হৈ গৈছিল। মাক-দেউতাক উটি গৈছিল সেই প্ৰলয়ংকাৰী বানত। জীৱন আৰু মৃত্যুৰ মাজত থাকিও কেনেকৈ বাচি গ'ল সি নিজেই গম নাপালে। সেইদিনাই শেষ হৈ গৈছিল তাৰ সকলো সপোন। কেনেকৈ বছৰ দিন মাহ গুছি গ'ল সি গ'মকে নাপালে। আজি আকৌ তাৰ নিজৰ ভৱিষ্যতলৈ ভয় হৈছে। একমাত্ৰ গৰু হালেই এতিয়া মাণিকৰ নিজৰ বুলিবলৈ আছে। যদি ইহঁতো নোহোৱা হয়, মুখৰ ভিতৰতে ভোৰ-ভোৰালে সি। নিজৰ ভাগ্যক ধিয়াই সি ঘৰলৈ খোজ ল'লে। ঘৰ পাই দেখিলে তাৰ ঘৰৰ কাষতেই ঠিয় দি তালৈ বৈ আছে তাৰ অতিকৈ মৰমৰ গৰুহালে।

কিবা চিন্তাৰ দোমোজাত সি আকৌ স্বপ্নৰ পৃথিৱীত হেৰাই পৰিল, নষ্টালজিক...। ●



# কুহেলিকা কুলশীপাৰৰ

**পৰিস্মিতা দত্ত বৰুৱা**
*স্নাতক ষষ্ঠ ষান্মাষিক*
*কলা শাখা*

"মাকণি ঐ মাকণি, হেৰৌ ভাত গাল দে অ'....."

চোতালতে জালখন থৈ ভদোই আঠুমূৰীয়া ধূতীখন সলাই ঘৈণীয়েক মাকণিক সদায় কোৱাৰ দৰে অলপ খৰ-ধৰকৈ ভাত বাঢ়িবলৈ ক'লে। ঘৈণীয়েকে বোলে—"অ', ইমান খৰ-ধৰকৈনো হাত দুখনেৰে কিমান কাম কৰিম। থিতাতে যদি জগতখন হাতৰ মুঠিতে লাগে, তেন্তে আৰু কেইজনীমান চপাই নলয়নো কিয় ?"—কথাষাৰ কৈ মাকণিয়ে মুখ টিপি হাঁহিলে।

"বোলো হয়নে ? তেন্তে আগতেনো কোৱা নাছিলি কেলেই ? তোৰ আপত্তি নাই বুলি জানিলে ইমানদিনে বেলেগক নহ'লেও নীলাকেই ..."ভদোই কথাষাৰ পূৰ্ণ নকৰি জিভাত কামোৰ মাৰি অন্যফালে মুখ ঘূৰাই দুটা কাঁহ মাৰিলে।

"কি কি কি ? ? ? নীলাকেই, কি বুলি ক'ব খুজিছিলে কওঁকচোন।"—মাকণিয়ে অলপ গহীন হৈ ভাতৰ কাঁহীখন বাঢ়ি আনি ভাত খাবলৈ বহা ভদোক নিদি থমকি ৰয়। "কওঁকচোন কি ক'ব খুজিছিল, নহ'লে কিন্তু ভাত নেপায়।"

"হেৰৌ কিনো জেৰাখন কৰিব লাগিছ—ভাতৰ পাততে ? ভাতখিনি দে অ', সোনকালে খাই আকৌ মাছ বেচিব যাব আছেই।"

"অ' ...ইমানদিনে হ'বলা অকলেই মাছ বেচি বেচি ঘৰখন চলাই আছে। মই যে পোনাকণক কোলাত লৈ- লৈয়েই শুকুৱা মাছবোৰ বেচি আছো, সেইবোৰ কি ? আৰু আপুনি নীলাক অনাৰ কথা কৈছে যে ? তাইলৈ মন মেলিছে যদি যাওঁক লৈ আনক। তেতিয়া চাম কিমান আপোনাক খাটি-নাটি খুৱাই।"—এইবুলি মাকণিয়ে ভাতৰ কাঁহীখন মাটিতে থেকেচা মাৰি থৈ উচাটমাৰি ভাত-পানী নোখোৱাকৈয়ে তেৰ বছৰীয়া পোনাকণক ডাং-কোলাকৈ দাঙি শুকান মাছ ভৰাই থোৱা বটল কেইটা মোনাখনত ভৰাই কুলশী নদীৰ পাৰলৈ যাবলৈ ওলাল। ভদোই উঠি আহি বাট আগচি ধৰি মাকণিৰ হাতত ধৰিলে—"হেৰৌ, আকৰিজনী মই তই ছোৱালী চপোৱাৰ কথা কোৱা কাৰণেহে তোক জোকাইছিলো।'

"হ'ব, মোক কথাৰে ফুচুলাব নাহিব। মই কিবা নেদেখো নেকি কেনেকৈ আপুনি নীলাক দেখিলে ৰঙা, হালধীয়া ৰং ধৰি তাইৰ লগত মেল মাৰিব বহে। তাইৰো চাল-চলন চাইহে আছো। কিবা ওলোটা দেখিবগৈ লাগে, নীলাৰ জীৱনৰ ৰং কলা কৰি দিম।

নীলা কুলশী নদীৰ পাৰৰ এজনী বাপেক নোহোৱা পোহাৰী

ছোৱালী। ভদোৰ মনত তাইৰ বাবে আগৰে পৰা অদৃশ্য মৰমে খেলা কৰি আছে। তাইয়ো ভদোৰ পৰা সহায় সহানুভূতি পাই পাই তাক এক অন্য দৃষ্টিৰে চাবলৈ ধৰিলে।

মাছ মাৰি আহি সন্ধিয়া মাকণিয়ে সদায় কৰাৰ দৰে নিশাৰ সাজৰ বাবে জুহালৰ জুই ধৰিলেগৈ। ভদোই অলপ লাওপানী খাই আহি ঘৰৰ চোতাল পাই মাকণিক চিঞৰিলে—"ঐ মাক, মাকণি, ঐ এইফালে আহ, ক'ত মৰিলি? হেৰৌ, মূৰটো বৰকৈ আচন্দ্ৰাইছে অলপ পানী দেহিচোন।"

"অ' ...কি হ'লনো? অ' ...! আজি চাগে সেইবিধ বেছিকৈ ধৰি



আহিছে।" "ধেই বেটী, তই খালি একেখিনি কথাকেই কেলকেলাই থাক। ই কেলকেলনি সেই বনিয়াটোৰ আগত ক'ৰগৈ যা।"

"কোন বনিয়া? কি হ'লনো কওঁকচোন?"—এইবুলি মাকণিয়ে এচলু এচলুকৈ পানী গিৰীয়েকক মূৰত থপৰিয়াই দিলে। "কথাখিনি শুনিলে তোৰো মূৰত সৰগ খহি পৰিব। শুন, সেই কোনোবা সুমন বনিয়া নে চনিয়াই আমাৰ নদীখন, কুলশী নদীখন বোলে নিলামত কিনি ল'ব। তেতিয়া কি খাবি, কি গাবি?"

কথাখিনি শুনি মাকণিও বহি পৰিল, মনত নানা ছবিয়ে দোলা দিবলৈ ধৰিলে।

এই কথাৰ প্ৰভাৱ নদীকেন্দ্ৰিক সকলো মানুহৰ ওপৰতে পৰিল। নীলাও ইয়াৰ পৰা বঞ্চিত নহ'ল। সেয়েহে মনৰ দুখৰ পাৰাপাৰ ঘটাবলৈ ভদোক নৈৰ পাৰলৈ মাতি আনিলে—"ভদোকাই, মোক কিবা এটা দিহা দে। যিখন নদীৰ ওপৰতেই মই আৰু মাই খাবলৈ লৈছিলোঁ, এতিয়া সেইখনেই আমাৰ পৰা কাঢ়ি নিলে আমি কি খাম, ক'ত যাম?"—এইবুলি নীলাই ভদোৰ বুকুৰ মাজত সোমাই পৰিল। ভদোয়ো তাইক আকোঁৱালি লৈ সংসাৰৰ সকলো দুখ পাহৰি যাব চেষ্টা কৰিলে।

"ভদোকাই এতিয়া তয়েই মোৰ একমাত্ৰ ভৰসা।"

"চিন্তা নকৰিবি অ' সোনপাহি মোৰ। নিজৰ তেজ, পানী কৰিও তোক খুৱাম। তোৰ কাৰণে মই সমগ্ৰ সংসাৰকে ত্যাগ-কৰিম, লাগিলে মাকণিকো।"

এই কথা শুনাৰ লগে লগে সিহঁতৰ অজ্ঞানিতে পিছফালে পোনাকণক লৈ থিয় দি থকা মাকণিয়ে খঙত একো নাই হে পোনাকণক পানীলৈ দলিয়াই দিলে—"এইবোৰ শুনাৰ আগতেই মই মৰি নগ'লো কিয়"—বুলি নিজেও নদীৰ বুকুত জাঁপ দি বিলীন হৈ গ'ল।

এই বজ্ৰাঘাতৰ পৰা স্থিতাৱস্থা পাবলৈ ভদোক কিছুদিন লাগিল। ইতিমধ্যে নদীখনো নিলাম হৈ গ'ল সুমন বনিয়াও আজি নিজ ঠাইলৈ উভতি যাবগৈ। ভদোই যেন অন্তৰৰ সমগ্ৰ দুখ-বেদনা, খং অভিমানৰ দ্বাৰা জাগ্ৰত হৈ এতিয়াই কেৱল সুমন বনিয়াৰ ডিঙি কাটিয়েই জীৱন ৰণ জয় কৰিব। ওচৰতে থকা কাঁচিখন লৈ ভদোই বায়ু বেগেৰে দিশা-দিশ হেৰুৱাই সুমন বনিয়া যাবলৈ ওলোৱা নাওখনৰ ওচৰ পালেগৈ। ইতিমধ্যে নাও মেলি দিছেই। সি কঁকালত খুচি লৈ অনা কাঁচিখন হাতত উলিয়াই লৈ নাওখনৰ ভিতৰত যাবলৈ খৰধৰ কৰোঁতে সি দেখিলে বনিয়াৰ ওচৰত বহি আছে এগৰাকী সোণৰ অলংকাৰ আৰু গাত পাটৰ কাপোৰেৰে সু-সজ্জিতা নৱ-বিবাহিতা নাৰী। সি থমকি ৰৈয়ে গ'ল আৰু নাওঁ গৈ ইতিমধ্যে অদৃশ্য হৈ গ'ল। কইনা সাজত আছিল তাৰ মন-জীৱনৰ যেন শেষ অধ্যায় নীলা।

(মহাবিদ্যালয় সপ্তাহত অনুষ্ঠিত হোৱা চুটিগল্প লেখা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত) ●

# কবিতা শিতান



## 'জীৱন'

ড° ইৰা দাস
সহকাৰী অধ্যাপিকা
অৰ্থনীতি বিভাগ

খিৰিকী মুখত বহিবা?
মাজত যিয়েই নেদেখা
তলত দেখিবা ভূমি আৰু ওপৰত আকাশ!
হয়তো জন্ম আৰু মৃত্যুৰ দৰেই
আৰম্ভণি হয় ভূমিস্পৰ্শত, মাজত জীৱনৰ কোলাহল
আৰু শেষত শূন্যতা
আকাশত বিলীন হোৱা মৃত্যুৰ বিশালতা!

●●●

## 'সুখৰ ঠিকনা'

জগদীশ পাটোৱাৰী
স্নাতক ষষ্ঠ ষাণ্মাসিক
কলা শাখা

সুখ ক'ত পায়?
দিব নেকি এধানিমান মোক অমৃতময় সুখ...
সিদিনা মহানগৰীৰ গলিয়ে গলিয়ে বিচাৰিলোঁ সুখক
নাই আজি বহুদিন হ'ল সুখৰ মুখ দেখা নাই।
সুখক বিচাৰি অট্টালিকাই, অট্টালিকাই টেঙাৰ পেলালো
বাছটেণ্ড, ফুটপাথ সকলোতে চলাথ কৰিলো...
কিজানিবা কৰবাত লগ হৈয়ে মোৰ শৈশৱৰ লগৰী সুখ...
শৈশৱৰ বালি চাপৰিত খেলি থাকোঁতে সিটো মোৰ লগৰী
আছিল
মাৰ সতে স্কুললৈ যাওঁতে তেতিয়াও সি পিচ এৰা নাছিল
স্কুলৰ শেষত আমগছ, বগৰী গছ, নাৰিকল গছ
সকলোতে মাথো সি মোৰ লগৰী আছিল
আৰু হঠাৎ এদিন আঁতৰি গ'ল মোৰ শৈশৱৰ লগৰী 'সুখ'।
আজি হঠাৎ তালৈ বৰ মনত পৰিল
দামী দামী গাড়ীবোৰৰ কলা গ্লাছৰ আঁৰত
ডাঙৰ ডাঙৰ অট্টালিকাৰ ঘৰৰ মূধচত
পাৰ্কত, ৰেষ্টোৰাত নাই মোৰ
এধানিমান লগৰী সুখ...
কিমান ধনী হ'লে সি মোৰ লগৰী হ'ব।
কিমান কলা টকাৰ প্ৰেমত পৰিলে সি মোৰ আপোন হ'ব?
তাৰ সংজ্ঞাও যে আজি মোৰ নাই
লাস-বিলাসেৰে ভৰা ঠাইত পাম জানো সুখক?
য'ত বিচাৰি নাপায় সঁচা মানুহৰ হৃদয়?
নে চিকেন, টঙুৰী আৰু বাৰৰ মাজত ডুবি আছে সুখ
নে ঘৰৰ মূধচৰ আঁৰত জোনটো দেখা
মোৰ গাৱঁৰ মেটমৰা বোজাৰ মাজত আছে সুখ?
সুখক লগ পালে মোৰ ঠিকনা দিবলৈ নাপাহৰিব আপুনি
কিয়নো আজি বহুদিন হ'ল মই সুখৰ মুখ দেখা নাই।

●●●

# নৌকা নামিছে, বৰষা

# অভিমান

**সৌৰভ শইকীয়া**
**প্ৰাক্তন ছাত্ৰ**

গেঞ্জিটো খুলিলেও যেন বৰষুণৰ গোন্ধ
আৰু গুঠি দিলে কাঁইটবোৰেই
টিন্ টিন্ টিন্
টিন্ টিন্ টিন্
এখন অচিন তানপুৰাৰ সজল হাত বাউলিত
মই অধীৰ, উতলা — স্পৰ্শাতুৰ হৈ উঠিছিল
মেঘবোৰে চেঁকুৰি চেঁকুৰি তললৈ নামি আহি, ওহোঁ।
বকুল সৰা বতাহত এপাট খোলা খিৰিকিৰে
তেওঁ দুনয়ন উটুৱাই দিছিল
মন কাগজৰ নাও ঘন কাজলত
মধু চহৰলৈ গুচি গৈছিল
তেওঁৰ ডিঙিৰ কাষত, কাণত মিঠাকৈ চুই দিছিল বতাহে
বকুল ফুলৰ ৰঙৰ এটি আশ্চৰ্য গধূলি, বিৰহী।
হঠাৎ শ্ৰাৱণশৰ্বৰী
আৰু তাইৰ ভিৰ খোৱা এশ আকাশ চুলিৰ মাতাল ভৰা-গন্ধত
বাট ভুল কৰি
সেয়া, দৌৰি দৌৰি নামিছে
সেয়া, কজলাৰ মাজেৰে পলাইছে
ঝুনুক ঝুনুক ঝুনুক জুনুকা পিন্ধা
সেয়া ঝুমুৰ ঝুমুৰ বাজি উঠা
শুনিছা, শুনিছানে
ঘন জাল পেলাই দিলে বৰষুণে
বগা নেটৰ বিস্ফুৰিত কুমাৰী পৃথিৱীৰ এইপাৰে
দুলি দুলি দুলি মাটিত ছায়া থৈ বতাহত
যিমান দূৰ উৰি যায় হিজলৰ গছ
তুমি, তুমিও জোঙা জোঙা বৰষুণৰ উজ্জ্বল শিপা মেলি
তোমাৰ ওঁঠ তোমাৰ স্ফীত স্তন
তোমাৰ পিপাসাত ক্ষৰণ
শিহৰণ..... শিহৰণ
এখন নতুন ৰণাংগনৰ বাবে
এজাক ধাৰাসাৰ আলিংগনৰ বাবে
ড্ৰিম্ তানা নানা
ড্ৰিম্ তানা নানা
অস্ফূট অস্ফূট ..... শুনিছা, শুনিছানে শুনিছাতো?
নৌকা নামিছে বৰষা
বৰ্ষা যেন কোনো এক গোপন নাৰী
যি নাৰীয়ে কেৱল বাকি দিয়ে কামনা।■

কৈছিলা —
ভোগালী উৎসৱলৈ যেন নোযোৱা, তাইৰ লগত
ঠাণ্ডা লাগি জ্বৰ হ'ব
গধূলি টুপী আৰু হাইনেক পিন্ধি থাকিবা

তাইৰ লগতেই কিন্তু আহিছো
ইচ্ছা কৰিয়েই বহিছো
বহিলেনো কি হ'ব?
মইতো বহিমেই
কিয় নবহিম
ছাঁই আপং গাহৰিয়ে যদি নিচা লগায়
লগাওক, আৰু লাগক
সেয়া মোৰ হ'ব
তোমাৰ কি!

তুমিতো আৰু মোক ভাল নোপোৱা
যে মোৰ কিবা হ'লে কষ্ট পাবা
হওক না জ্বৰ, হওক।■

# পোহৰ

**গীতা ৰায়**
**স্নাতক তৃতীয় ষান্মাসিক**
**কলা বিভাগ**

মই নহ'লে জগত নচলিব
বিয়পি পৰিব আন্ধাৰ,
সকলোৱে ভাবি চোৱা মই নহ'লে
চলিবনে এই সংসাৰ।
ধন-সোণ বুলি চিঞৰি থকা
ভাবা এয়াই সুখ,
মই নহ'লে যে একোয়েই নহ'ব
পাহৰি গৈছা মোক।
ময়েই কৰিলোঁ জগতৰ উন্নতি
দেখুৱালো পোহৰৰ বাট,
মোকেই পাহৰি ওলাবলৈ ধৰিছা
ধন-টকা পইচাৰ মাত।
সূৰ্যৰ পোহৰৰ তেজস্ক্ৰিয় শক্তি
আহৰণ কৰিছে জগত,
ময়েই যে সকলোৰে অমূল্য সম্পদ
ৰাখিবা সকলোৱে মনত।

● ● ●



# মইতো তোমাৰ সোঁৱৰণীৰ সোঁৱৰণী নহওঁ

**দেৱশ্ৰী শৰ্মা**
**স্নাতক প্ৰথম ষান্মাসিক**
**বিজ্ঞান শাখা**

শেতেলীত মূৰ থ'লে অজানিতে উচুপি উঠে বুকুখন
হাহাকাৰ কৰি ফুৰো তোমাৰ অস্তিত্ব বিচাৰি।
সপোনত সদায় আহা তুমি অজান দেশৰ কবি হৈ
মনৰ কেনভাচত বোলাই দিয়া কবিতাৰ নানাৰঙী ৰং
চকু মেলিলেই শূণ্য তাত বিলীন হৈ যোৱা তুমি
বলিয়া হৈ যাওঁ মই তুমি শুনোৱা কবিতাৰ শিৰোনামা বিচাৰি।
ৰাতি গভীৰ হৈ আহিলেই প্ৰখৰ হৈ উঠে ক'ৰবাত লুকাই থকা
ভয়বোৰ
বিষাক্ত কীট হৈ দংশিব ধৰে মনৰ সাহসখিনিক
খুটি খুটি পংগু কৰি দিয়ে মোক।
মায়াবী অন্ধকাৰে ৰহস্যময়ী কৰি তোলে বাস্তৱবোৰ
মৌনতাই গ্ৰাস কৰি দিয়ে মুহূৰ্তখিনিক
যেতিয়া মুখামুখি হওঁ কঠিন বাস্তৱৰ,
তুমি যে আজি নাই
এয়াই অপ্ৰত্যাশিত সত্য।
তোমালৈ লিখিম বুলি ওলাই স্থিতপ্ৰজ্ঞ হৈ ৰওঁ ভাষাৰ অভাৱত
মাতালৰ দৰে উন্মাদ হওঁ কবিতাৰ ছন্দ বিচাৰি।
মনৰ মাজত তুমি শুনোৱা কবিতাবোৰে গুণাগথা কৰে।
এজাক চেঁচা বতাহে চুই যায় মূৰৰ পৰা ভৰিলৈ
সেই কবিতাবোৰেই দিয়ে নতুন উৎসাহ নতুন উদ্দম
আৰু জীয়াই থকাৰ প্ৰেৰণা
জানো। তুমি আছা মোতেই বিলীন হৈ
সেয়েহে সপোনত তুমি এযাৰ পংক্তি বাৰুকৈয়ে আওৰোৱা
"সোঁৱৰণীয়ে আমনি কৰিলে এবাৰ ভাবি চাবা
মইতো তোমাৰ সোঁৱৰণীৰ সোঁৱৰণী নহওঁ।

● ● ●



# অনুৰাধা

**প্ৰশান্ত কুমাৰ হালদাৰ**
**স্নাতক তৃতীয় ষান্মাসিক**
**কলা শাখা**

অনুৰাধা,
এটি কবিতা
প্ৰতিটো শব্দই যেন
এটি নিয়ৰ কণিকা
এপাহ হাঁহিভৰা ফুল
অনুৰাধা,
এটি কবিতা
যাৰ দুচকুত লুকাভাকু খেলে
অসীম পোহৰে
যাৰ বুকুৰে বৈ যায় নদী
যাৰ আঁচলৰ পৰা বই
মৰমৰ বৰষুণ
অনুৰাধা,
এটি কবিতা
তোমাৰ সৈতে চিনাকী (মোৰ) বহুদূ
তুমি কবিতা মোৰ হৃদয়ৰ
ৰাণী মোৰ সপোনৰ
আজন্ম জীৱনৰ সহচৰ।
সুৰ হৈ সজাম তোমাক!
পুৰা-গধূলিৰ সুৰ,
সপ্তসুৰ সিঁচি দিম
তোমাৰ বুকুত।
অনুৰাধা,
ভগা পঁজাৰ কবি মই
মৰম বিচাৰি মেলিছো দুহাত
দিবা জানো সঁহাৰি
প্ৰেমেৰে ৰাঙলী হ'ব
তোমাৰ বুকুখনি।

● ● ●



# 'অতীতৰ কিছুমান ধূসৰিত পৃষ্ঠা'

**চঞ্চল সৰকাৰ**
**স্নাতক প্ৰথম ষান্মাসিক**
**বিজ্ঞান শাখা**

আজি বহুদিনৰ পিছত লুটিয়াই চাইছোঁ।
বিচাৰি পাইছোঁ কেৱল,
হতাশা, হুমুনিয়াহ আৰু স্তব্ধতা।
সোঁৰৰণীৰ বন্ধ কুটীৰত
পৰি থকা এই পৃষ্ঠাবোৰৰ মাজত
বিচাৰি পাওঁ কেৱল,
মোৰ স্তব্ধময় অতীত
সেই পৃষ্ঠাবোৰ যেন আজি উকা।
কিন্তু তাত আছে মোৰ
বেদনাৰ ভৰা অতীতৰ কথাছবিখন।
সেইবোৰ কথাই
মোক লৈ যায়,
অতীতৰ গোপন কথাবোৰৰ মাজত।
সেইবোৰ আজি পাহৰিব বিচাৰো মই,
বিচাৰি পাইছো এখিলা ৰঙীন পৃষ্ঠা।
য'ত আছে মোৰ সুখ, দুখ
মৰম ভালপোৱা আৰু বিশ্বাসৰ
ওৰনি খন।
আজি মই তাৰ মাজতেই
জীয়াই থাকিবৰ মন।।

● ● ●

# শৰতৰ বেলাত

সৃষ্টি চৌধুৰী
দ্বাদশ শ্ৰেণী



শৰতৰ বেলাত
কেনভাছত অঁকা ফটোখনত
বতাহে উৰুৱা সময়ৰ এমখা হিচাপ থাকি গ'ল।
ৰঙৰ মাজত আত্মীয়তা
বিষন্নতাৰ কাৰণবোৰ সেইবাবেইতো ৰৈ গ'ল।
উদ্ভাসিত ছবিখনে ইমানবোৰ ক'লে
সহৃদয়তাৰ উমান লৈ আঁতৰিল নমনালৈ।
অচল দিনক চলা কৰি ল'বলে
ফটোখনে দহাই দহাই কৈ গ'ল।
ফটোখনৰ ৰংবোৰ সানি ন'লবলৈ ৰিঙিয়ালে।
মন দিগন্তৰ পটত বোল ঘঁহি ন'লবলৈ ৰিঙিয়ালে।
শৰতৰ নিৰ্মলতাত ফটোখন চাবলৈ কিমান যে অগাভেটা কৰিলোঁ—কাক ক'ম
কোনে বা পতিয়াব।
এতিয়া আৰু ফটোখন ছবি হ'ল।
ৰংবোৰ অস্তমিত সুৰুযত যাবলৈ উদবাউল।
(মৰমৰ বান্ধৱী ধান্যতা চৌধুৰীৰ পৱিত্ৰস্মৃতিত)

●●●

# সিহঁত

চাহিন হুছেইন
একাদশ শ্ৰেণী
কলা শাখা

মাথো দহোটা বছৰৰ পিছত .........
ক'লা চোতাল খনত
বগা মাটিৰ চেকুৰাৰে
আঁক-বাক কৰোঁতেই
চিঞৰিলে তঁপা মূৰেৰে
মানুহ নামৰ সিহঁতবোৰ।
কিন্তু!
ভাগি পৰা জীৱনৰ ছন্দত
বৰযুণৰ কোবাল ঝঙ্কাৰত
মুমুৰ্ষ মানৱৰ আৰ্তনাদ
হেৰাই গ'ল ক'ৰবাত,
নাই হোৱা তথাপিতো
ক্লান্ত সিহঁত।
মাথো কুৰিটা বছৰৰ পিছত ........
বহুতো হেৰাই গ'ল
চকুৰ আগত।
সিহঁতৰ মুখত নিহিত দীপ্তি
সিহঁতৰ আশা ভৰা দৃষ্টি ধ্বংস কৰি
পাইছে ইহঁতে অপূৰ্ব তৃপ্তি!
ইহঁত দেখোন সিহঁতৰেই সৃষ্টি!!
অৱশেষত বহু বছৰৰ পিছত .............
ন পৃথিৱীৰ নতুনত্বত
বহুতো সলনি হ'ল
বিত্ চকুযোৰৰ আঁৰত।
আৰুতো এতিয়া
সিহঁত নহয় চিৰ লাঞ্ছিত
সিহঁত নহয় চিৰ বঞ্চিত
কাৰণ
সিহঁতৰ শক্তিয়ে সদা শঙ্কিত।



●●●

# ঠিকনা বিচাৰি

**উদিত শৰ্মা**
**স্নাতক পঞ্চম যান্মাসিক**
**কলা শাখা**



মন যায় কেতিয়াবা
মুক্ত আকাশত চৰাই হৈ উৰিবলৈ।
মন যায় কেতিয়াবা
সাগৰৰ বকুত ঢৌ হৈ নাচিবলৈ।
মন যায় কেতিয়াবা
মেঘে-মেঘে ঠেকা খাই ব্ৰজ হ'বলৈ।
মন যায়,
ফাগুণৰ পচোৱা বতাহত নিজকে বিলাই দিবলৈ।
কেতিয়াবা মন যায়,
গোলাপৰ পাহি হৈ
ফুলশয্যাৰ সংগী হ'বলৈ।
কেতিয়াবা মন যায়,
ধূলিকণা হৈ তোমাৰ পৰশ পাবলৈ।
মই যে ঠিকনা বিহীন,
এটা উন্মুক্ত উদাসীন।

● ● ●

# হেঁপাহ

**ধৰিত্ৰী দেৱী**
**স্নাতকোত্তৰ প্ৰথম যান্মাসিক**
**অসমীয়া বিভাগ**

প্ৰথম চকু, পুৱাৰ কিৰণত
মেলিলো তোমাৰ দুবাহুৰ মাজত
প্ৰথম দৃষ্টিৰে তোমাক দেখিলো
প্ৰথম মাত শাৰীও তোমাৰে শুনিলো
মৰমৰ ডোলেৰে বান্ধিলা মোক
মৰমৰ চুমাৰে পৰশিলা মোক
দেখিছা য'ত সপোন, তুমি মোক লৈ
পূৰাব খোজো মই তোমাক লগত লৈ
দিবনে শক্তি মোক নেদেখা জনে
দিবনে সঁহাৰি তোমাৰ কোলালে পঠিওৱা জনে
পুৱাৰ কিৰণৰ মৃদু বতাহত
অতনো সুখ মোৰ তোমাৰ ছায়াত
নোৱাৰো পাহৰিব হাঁহিৰ সুৱাগ
তোমাৰ কোলাতেই পোৱা সেই
সতেজ জীৱনৰ আঁকুল হেঁপাহ।
মা মোৰ মৰমৰ মা।

● ● ●



# আবিৰ

**নিশাৰাণী হাজৰিকা**
**স্নাতক প্ৰথম যান্মাসিক**
**কলা শাখা**

নিঃশব্দতাৰো শব্দ থাকে হেনো
গোপনে সৰকি আহে
হেজাৰ জনৰ ভিৰৰ মাজতো কিয় বাৰু মনত পৰে।

উজ্জ্বল ৰাতিপুৱাৰ বৰ্ণিল ছবি
পুৰণি দিনৰ কবিতা এটাই মাতে চিঞৰি
সপোন হেনো সৰে গছৰ পাত যি দৰে সৰে

সময়ৰ চাকনৈয়াত হেৰাই যায়
সম্ভাৱনাৰ ৰঙীন পাপৰি।

●●●



# নষ্টনীড়

**সঙ্গীতা দেৱী**
**স্নাতকোত্তৰ প্ৰথম যান্মাসিক**
**অসমীয়া বিভাগ**

চহৰত বৰষুণ পৰিছে
টোপ টোপ কৈ নে?
জিলিকি উঠেনে জোনাক ৰাতি?
সপোনৰ সাজপিন্ধা ৰাজকুমাৰী
সেমেকা সন্ধিয়াৰ গুণগুণনিত
সাৰ পাই চিঞৰে নীলাভ অনুভুতিয়ে
এই সময় সোণালী
কুঁৱলীয়ে ঢাকি ধৰে প্ৰেমৰ পথ
নীলিম বাসনাত আৱদ্ধ
সোঁৱৰণীৰ সোণালী আখৰ।

●●●

# এমুঠি সুখৰ সন্ধান

**চয়নিকা বৰা**
**স্নাতকোত্তৰ প্ৰথম যান্মাসিক**
**অসমীয়া বিভাগ**

স্বতন্ত্ৰতাৰ অভাৱত সেমেকি
যোৱা ৰঘুমালা জোপাৰ ছাগে
দুখ লাগে নিজৰ সত্বাৰ অভাৱত
তথাপি পৰজীৱী হৈ
ধ্বংস কৰি পেলাই
নিজৰ কৰি লোৱা আৱৰণবোৰক।
হুমুনিয়াহ খেদি খেদি আপোন সকলো
হৈ ৰয়গৈ অদৃশ্যৰ দৰে।
লুইতৰ বলীয়া বানে যদি বুজিলে হয়
পানীৰ সৌন্দৰ্যতকৈ,
ধ্বংসলীলাৰ গৰাহত থকা
বেদনাময় জীৱনটোৰ কথা
তেতিয়াই কিজানি ভটিয়াই যাব
যাবলৈ বাধ্য হ'লহেঁতেন
সুদূৰ এভাৰেষ্ট অভিমুখে।
সুখ উপভোগ কৰিব খুজি
জীৱনৰ যান্ত্ৰিকতাৰ মাজত
হেৰাই যাবলৈ ধৰা সকলে
হয়তো নাজানে যে,
কাঞ্চনজংঘাত সৌন্দৰ্য বিচাৰি
যাব নালাগে...
নালাগে কাশ্মীৰ কন্যাকুমাৰীলৈ,
বিচাৰিব জানিলে শুকান বালিৰ
এটুকুৰা পোহৰত,
জিলমিল জোনাকৰ এপলক দৃষ্টিত,
কিছুমান সৰাপাতৰ গোন্ধ
আৰু স্মৃতিৰ দলিচাখনতে
জিলিকি উঠে স্বতন্ত্ৰ সুখ,
আৰু তেতিয়াই কিজানি মনলৈ আহে...
"কহুৱা বন মোৰ অশান্ত মন
আলফুল হাতেৰে লোৱা সাৰটি।।"

●●●

# অৰুণিমা আজি হেনো তই যাব্িগৈ

**হীৰেন চক্ৰৱৰ্ত্তী**
**স্নাতক পঞ্চম যান্মাসিক**
**বিজ্ঞান শাখা**

অৰুণিমা
আঠোটা দিন তোক চোৱাৰ
চলেৰে
নঙলামুখত কাহ মাৰি
কতবাৰ যোৱা হ'ল,
তোক পিছে জপনা খুলি
চকুত-চকু থৈ মতাই নহ'ল।
তয়ো চাগে ফিকা চাহ
উতলাই উতলাই
বাট চাই ৰ'লি বহুদিন,
জানোচা আহে,
জানোচা আহে...
আয়ে বহুৱাৰেই কৈছিল
তাইৰ গাত চাৰিমহীয়া
লেঠা,
চাৰিডাল কলাকচু টুকুৰিয়াই
দিওঁ
পাৰিলে হাতে গুজি আহ।
নোৱাৰিলোঁ ও
নোৱাৰিলোঁ...
অৰুণিমা,
ভুলতে কৰা ভুলবোৰে
ধান বনা দি কলিজাটো
বানে,
মনটোত মনে মনে এজাক বৰষুণ
কলহৰ কাণে ঢালে,
চকুত বাৰিষাৰ পগলা পুখুৰীটো
পাগলাদিয়াৰ দৰে বাঢ়ে।
চাল্লা...
জহনীত যোৱা সন্ধিয়াবোৰত
ৰমলা বাইৰ ঘৰত বহি



জিভা দোৰোল নোখোৱালৈকে
তোলৈ মনত পৰি বুকুৰে
নস হে
অৰুণিমা ......
ঐ,
তহতৰ চহৰত দহখুজিয়া
বাটটো নিচিনাকৈ
পুহমহীয়া গধুলি
কুঁৱলী পৰেনে?
লেপা মাটি খহা বেৰৰ
সিপাৰে
কেৰাচিনৰ টিপ্‌চাকি জ্বলেনে?

শুনিছো,
তাত হেনো ইয়াৰ দৰে
লখিমী পূজাৰ ৰাতি
বৰ চোতালত
পৰ্দা আৰি চিনেমা চোৱাৰ কথা
নচলে,
হাজিৰাৰ ঘৰত টিকট
একোটা বেচে,
হলবোৰত মানুহ নোজোৰে ...
চহৰ এখন গাওঁলৈ
মুখে-মুখে বাগৰে
জিন্দেগী জন্মত হ্যে ...
অৰুণিমা,
আজি হেনো তই যাবিগৈ...!
হাকুটিয়াই আনিছো
আঠিয়া কলৰ দুটা কলফুল,
পাখৰীজনীৰ দিনটোৰ
গাখীৰ আয়ে তোলৈ বুলি
যতনাইছে,
চোতালত বহি মুঠি-মুঠি
বান্ধিছে মেচেকা কলমৌ ...
বাপুটি দদাইৰ হাততে পঠাম,
কপালৰ ৰঙা বেলি ঢাকি
নোলাবি
মাত লগাব নোৱাৰিলেওঁ
দুৰৰ পৰাই চাম ...।

●●●

গ্ৰন্থ সমালোচনা

# অধ্যাপক পৱন কুমাৰ বৰুৱাৰ 'অসমীয়া গদ্যশৈলী আৰু অন্যান্য'

**ধৃতিকা দেৱী**
*স্নাতকোত্তৰ চতুৰ্থ যান্মাসিক*
*অসমীয়া বিভাগ*




অধ্যাপনাৰ মাজেদি সাহিত্য জীৱনৰ পাতনি মেলা পৱন কুমাৰ বৰুৱা মূলতঃ এগৰাকী কবি নিৱন্ধকাৰ। এগৰাকী সুসংগঠক হিচাবে খ্যাত বৰুৱাই কাব্য চৰ্চাৰে সাহিত্য জীৱনৰ পাতনি মেলি পাচলৈ ভাষা সাহিত্য সংস্কৃতি আদি বিভিন্ন বিষয়ক নিৱন্ধ আদি ৰচনা কৰা আৰু গ্ৰন্থ সম্পাদনাৰ কামত আত্মনিয়োগ কৰি দক্ষতাৰ পৰিচয় দিছে। ২০০২ চনত কটন মহাবিদ্যালয়ৰ পৰা অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক হিচাবে অৱসৰ গ্ৰহণ কৰে। বৰ্তমান বিভিন্ন সাহিত্য অনুষ্ঠানৰ সৈতে জড়িত বৰুৱাচাৰে ছাত্ৰ অৱস্থাৰ পৰাই বিভিন্ন আলোচনী, বাতৰি কাকত আদিত কবিতা লিখি আৰু আলোচনা অথবা গদ্য লিখি স্বকীয় পৰিচয় দিবলৈ সমৰ্থ হৈছে। এইগৰাকী ব্যক্তিৰ নৱতম গ্ৰন্থ ''অসমীয়া গদ্য-শৈলী আৰু অন্যান্য'' নামৰ এখনি অনৱদ্য গদ্য সংকলন প্ৰকাশ পাইছে। সংকলনখনিত বাইশ (২২) টা গদ্য সংযোজন কৰিছে। সেয়া হৈছে—অসমীয়া গদ্যশৈলী, অসমীয়া শিশু সাহিত্য, অসমীয়া পেৰ'ডি, আশীৰ দশকৰ উপন্যাস আৰু ঔপন্যাসিক, প্ৰথম অসমীয়া বাৰ্তালোচনী অৰুণোদয়, অসমীয়া মহিলা আলোচনী, আশীৰ দশকৰ অসমীয়া কবিতা আৰু 'কবিতা' পত্ৰিকা সন্দৰ্ভত, অসমীয়া নাট্য আন্দোলন, অসমীয়া লোকসংস্কৃতিৰ দৰ্পণ, সৃষ্টিশীল ৰচনাত অসমীয়াত্ব আৰু ভাৰতীয়ত্ব, সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱা প্ৰসঙ্গত, ব্যঙ্গ-হাস্যৰসিক বেজবৰুৱা, গোহাঞিবৰুৱাৰ গাওঁবুঢ়া এটি বিশ্লেষণ, জ্যোতিপ্ৰসাদ শ্ৰদ্ধাৰ্ঘ্য, মানৱতাৰ পূজাৰী-বিপ্লৱী বিষ্ণুপ্ৰসাদ ৰাভা, দণ্ডিনাথ কলিতাৰ 'অসমবন্ধ্যা' অন্তৰ্নিহিত বাণী, কৃষ্ণকান্ত সন্দিকৈৰ ব্যক্তিত্ব আৰু

প্ৰতিভা, ধ্বনি কবি বিনন্দ চন্দ্ৰ বৰুৱা, শাৰদীয় গীতিকাৰ পাৰ্বতীপ্ৰসাদ বৰুৱা, গীতি কবি ধনাই বৰা, কাব্যভাৰতীৰ কাব্য জীৱন, কটন কলেজৰ অসমীয়া বিভাগৰ আলোচনাৰে গ্ৰন্থখনি সমাপ্ত কৰিছে। সকলো ভাৰতীয় ভাষাৰ ভিতৰতে অসমীয়া ভাষাতেই প্ৰথমে গদ্যৰ উদ্ভৱ হৈছিল আৰু তেতিয়াই সি বিকাশৰ উচ্চস্তৰত উপনীত হৈছিল। মহাপুৰুষ শঙ্কৰদেৱৰ নাটকৰ গদ্য, আহোম যুগৰ বুৰঞ্জীৰ গদ্য, চৰিতপুথি সমূহৰ গদ্য আৰু ভট্টদেৱৰ কথা গীতাই তাৰ প্ৰমাণ। আধুনিক যুগতো লক্ষ্মীনাথ বেজবৰুৱাৰ পৰা আৰম্ভ কৰি ড° মহেশ্বৰ নেওগদেৱলৈকে এই যুগৰ আটাইকেইজন শ্ৰেষ্ঠ গদ্য লেখকে অতি নিষ্ঠাৰ সৈতে গদ্যৰ সাধনা কৰিছিল আৰু প্ৰতিগৰাকীয়ে স্বকীয় শৈলীৰে একোটা সুন্দৰ নিদৰ্শন ৰাখি থৈ গৈছে। পৰৱৰ্ত্তী সময়ত বিভিন্ন লেখকৰ গদ্যশৈলীৰ মান উন্নত হোৱা দেখা যায়। বৰ্তমান সময়ৰ এগৰাকী সাহিত্য সাধক পৱন কুমাৰ বৰুৱা চাৰৰ গদ্য-শৈলীৰো এটা নিজস্ব প্ৰকাশভংগী দেখিবলৈ পোৱা যায়। তেখেতৰ "অসমীয়া গদ্য-শৈলী আৰু অন্যান্য" নামৰ গদ্য গ্ৰন্থখনিৰো চমু আলোকপাত কৰাৰ বাবে আগবাঢ়িছো।

বৰুৱাদেৱে তেখেতৰ গ্ৰন্থখনিৰ প্ৰথম প্ৰবন্ধ "অসমীয়া গদ্যশৈলী" নামৰ আলোচনাটিত উল্লেখ কৰিছে যে সাম্প্ৰতিক সময়ৰ ভাষাবিজ্ঞানীসকলে অসমীয়া SOV (Subject-Object-Verb) ষ্টাইল বুলি কৈছে। অৰ্থাৎ আদিতে একে উৎসৰ পৰা এই ভাষাৰ উদ্ভৱ হ'লেও ইংৰাজী ভাষাৰ দৰে ৰীতি ইয়াত নাই। অমসীয়া মানুহে "মই খাওঁ ভাত" বুলি নকয়, 'মই ভাত খাওঁ" বুলিহে কয়। ইংৰাজীত ভাষাত 'I eat rice' কথাষাৰত subject (উদ্দেশ্য) I, verb (ক্ৰিয়া) eat আৰু object (কৰ্ম) rice যিদৰে ব্যৱহাৰ কৰা হৈছে অসমীয়া ভাষাত ক্ৰিয়াটো শেষত কোৱা হৈছে। এই প্ৰক্ৰিয়াৰ মূলধাৰা হৈছে নব্য ভাৰতীয় আৰ্য (NIA) আৰু আৰ্যভিন্ন ভাষাৰ মিশ্ৰণ। অসম তথা উত্তৰ-পূৰ্বাঞ্চল বিভিন্ন জনগোষ্ঠীৰ বাসস্থান আৰু বিভিন্ন সংস্কৃতিৰ কঠিয়াতলী। সচাকৈয়ে অসমীয়া গদ্যশৈলীৰ উন্নত পৰ্যায় মহাপুৰুষ শঙ্কৰদেৱৰ পৰা গঢ় লোৱা অসমীয়া ভাষাটোত স্থানীয় অৰ্থাৎ জনগোষ্ঠীয় উপাদান বেছি বুলি পৱন কুমাৰ বৰুৱাদেৱে উল্লেখ কৰিছে।

'অসমীয়া শিশু সাহিত্য' নামৰ আলোচনাটিত বৰুৱা দেৱে লিখিছে— অসমীয়া সাহিত্যই লিখিতৰূপ লাভ কৰাৰ লগে লগে শিশু সাহিত্যও বিকশিত হৈ উঠিছিল বৈষ্ণৱ আৰু জোনাকী যুগত অসমীয়া শিশু সাহিত্যৰ বহুল প্ৰসাৰ সাধিত হ'ল। তুলনামূলকভাৱে চালে আজিৰ শিশু সাহিত্য আগৰ সাহিত্যতকৈ বহুত তলখাপৰ। আজিৰ সাহিত্যও বিচিত্ৰতা থাকিলেও আগৰ শিশুসাহিত্যৰ দৰে বিশ্বজনীনতা নাই। মহাপুৰুষ শঙ্কৰদেৱৰ 'শিশুলীলা', মাধৱদেৱৰ 'পিম্পৰা-গুচোৱা', ৰাম সৰস্বতীৰ 'ভীম ৰচিত' শ্ৰীধৰ কন্দলিৰ 'কাণখোৱা' যুগজয়ী শিশু সাহিত্য। ই একাধাৰে শিশু, ডেকা-বুঢ়া সকলোকে মনোৰঞ্জন কৰিবলৈ সক্ষম হৈছিল।' অৱশ্যে পূৰ্বৰ তুলনাত অসমীয়া শিশুসাহিত্য দুৰ্বল হ'লেও ভালেখিনি নতুন নতুন আলোচনী আৰু বাতৰিকাকতবোৰৰ শিশুপৃষ্ঠাবোৰত ওলোৱা শিশুসাহিত্যই নতুনত্ব দান কৰিছে বুলি আমাৰ ধাৰণা। বৰুৱাচাৰৰ এইলেখাটো যথেষ্ট তথ্য সমৃদ্ধ।

'অসমীয়া পেৰ'ডি' নামৰ আলোচনাটোত পেৰ'ডিৰ উৎপত্তি, বিকাশ আদি সম্পৰ্কত গভীৰভাৱে আলোচনা আৰু অসমীয়া পেৰ'ডি যে বেজবৰুৱাৰ হাততেই বিকশিত হৈছিল তাৰো সুন্দৰ নিদৰ্শন দিছে। প্ৰকৃতাৰ্থত পেৰ'ডি এবিধ সাৰ্থক গদ্য। "আশীৰ দশকৰ উপন্যাস আৰু ঔপন্যাসিক শীৰ্ষক আলোচনাটিত অসমীয়া উপন্যাসৰ দীৰ্ঘ যাত্ৰাৰ কথা উল্লেখ কৰিছে। ইয়াত বীণা বৰুৱাৰ "জীৱনৰ বাটত' উপন্যাসখনে নতুন বাটকটা বুলি উল্লেখ কৰিছে। ইয়াৰ লগতে ভালেসংখ্যক নবীন ঔপন্যাসিকসকলৰ এখন তালিকাও দাঙি ধৰিছে।

'প্ৰথম অসমীয়া বাৰ্তালোচনী অৰুণোদয়' শীৰ্ষক আলোচনাটিত অসমীয়া ভাষাটো প্ৰতিষ্ঠাৰ বাবে মিচনাৰীসকলে কৰা ত্যাগৰ কথা গভীৰ ভাবে আলোচনা আগবঢ়াইছে। 'অসমীয়া মহিলা আলোচনী' নামৰ লেখাটোত প্ৰথম অসমীয়া মহিলা আলোচনী, 'ঘৰ জেউতি' কনকলতা চলিহা আৰু কমলাময় কাকতৰি যুটীয়া সম্পাদনাত প্ৰকাশ পাইছিল বুলি প্ৰবন্ধকাৰ পৱন কুমাৰ বৰুৱা চাৰে তথ্য সহকাৰে উল্লেখ কৰিছে। ইয়াৰ লগতে অধুনা লুপ্ত নতুনকৈ প্ৰকাশ পোৱা সম্পাদনা কৰা সম্পাদিকা সকলৰো নাম 'নন্দিনী' আৰু 'প্ৰিয়সখী' আদিলৈকে উল্লেখ কৰিছে। 'আশীৰ দশকৰ অসমীয়া কবিতা আৰু কবিতা পত্ৰিকা সন্দৰ্ভত' আলোচনাটিত প্ৰবন্ধকাৰে চতুৰ্দ্দশ শতিকাৰ পৰা অসমীয়া কবিতাৰ বিকাশ বৰ্দ্ধনৰ লগতে আশীৰ দশক কবিতা আৰু কবিতা পত্ৰিকা সম্পৰ্কত গভীৰভাৱে আলোচনা আগবঢ়াইছে। 'অসমীয়া নাট্য আন্দোলন' নামৰ নাতিদীৰ্ঘ আলোচনাটিত প্ৰবন্ধকাৰে অসমীয়া নাট্য আন্দোলন সম্পৰ্কত লিখিবলৈ গৈ প্ৰথমতে সংস্কৃত নাটকৰ কথা সুন্দৰকৈ আলোকপাত কৰি অসমীয়া নাট্য আন্দোলনৰ বাটকতীয়া মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ মাধৱদেৱৰ অৱদানৰ কথা উনুকিয়াই ঊনবিংশ শতিকাৰ অসমীয়া নাটকৰ বিষয়বস্তু আৰু আংগিকৰ অভূতপূৰ্ব পৰিৱৰ্তনৰ কথা উল্লেখ কৰিছে। আনহাতে, বিংশ শতিকাত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পাছত অসমীয়া নাট্যসাহিত্যৰ পৰিৱৰ্তনৰ কথাও সুন্দৰভাৱে উনুকিয়াইছে। 'অসমীয়া লোক-সংস্কৃতিৰ দৰঙীৰূপ'—নামৰ আলোচনাটিত দৰঙী লোককৃষ্টিৰ যে সুকীয়া ঐতিহ্য আছে তাকে সাৱলীল ৰূপত উল্লেখ কৰিছে। প্ৰবন্ধটিয়ে পোষক আৰু লোকসংস্কৃতি অধ্যয়নৰ ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰিব বুলি আশা কৰিব পাৰি।

'অসমীয়া গদ্যশৈলী' নামৰ প্ৰৱন্ধ সঙ্কলনখনি অসমীয়া বিভাগৰ অধ্যয়নৰ ছাত্ৰ-ছাত্ৰী আৰু গৱেষকসকলৰ বাবে এখন উপযোগী তথ্য গধুৰ গ্ৰন্থ। প্ৰায়বোৰ আলোচনাই উচ্চমানৰ 'কথা' পাব্লিকেচনৰ দ্বাৰা প্ৰকাশিত গ্ৰন্থখনি ছপাবন্ধা উন্নত। বৰুৱাদেৱৰ—ইতিমধ্যে সম্পাদিত গ্ৰন্থকেইখন হ'ল—"হেমচন্দ্ৰ বৰুৱাৰ সাহিত্য প্ৰতিভা (১৯৮৬) অৰুণোদয় আৰু আনন্দৰামৰ গদ্য (১৯৮৭), শিক্ষাবিদ ৰাম পদ দাস (১৯৯৫), ড° প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যৰ প্ৰতিনিধি ভাষা নিৱন্ধ (১৯৯৮), কথা সাহিত্যিক যোগেশ দাস (২০০২), ভৃগুমণি-কাগয়ুঙৰ মিচিং জনজীৱন ঃ চিন্তা বিচিত্ৰা (২০০২) আদি। তেখেতে বিগত সময়ছোৱাত কেবাখনো ক্ষুদ্ৰ আলোচনীৰ সম্পাদনাৰ লগতে 'ৰুণজুণ' (১৯৭৯) নাম এখন আলোচনীও সম্পাদনা কৰিছিল। ●

# সেহি সব্যসাচী




**ভাৰনা কলিতা**
*স্নাতকোত্তৰ চতুৰ্থ যান্মাসিক*
*অসমীয়া বিভাগ*

সেহি সব্যসাচী এগৰাকী বৈষ্ণৱ ধৰ্মগুৰুৰ জীৱনৰ আধাৰত ৰচিত জীৱনীমূলক উপন্যাস। অসমীয়া সাহিত্য জগতৰ এগৰাকী কথাশিল্পী, যি গৰাকীয়ে চাৰিগৰাকী বৈষ্ণৱ গুৰুৰ জীৱনীভিত্তিক উপন্যাস প্ৰনয়ণ কৰি অভিলেখৰ সৃষ্টি কৰিছে, প্ৰায় ত্ৰিশখন উপন্যাসৰ প্ৰণেতা, 'সৰস্বতী' সন্মানকে ধৰি ভালেমান মৰ্যাদাপূৰ্ণ বঁটাবিজয়ী, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সেইগৰাকী ব্যক্তি ড০ লক্ষ্মীনন্দন বৰা। যি গৰাকীয়ে শঙ্কৰদেৱ, মাধৱদেৱ, গোপাল দেৱ আৰু মথুৰাদাস বুঢ়া আতাৰ পিছতে পঞ্চমখন শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীৰ জীৱনক আধাৰৰূপে লৈ বৰাদেৱে অনুপম উপন্যাস ৰচনা কৰিছে। মাজুলীৰ গড়মূৰ সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰদেৱ গোস্বামীদেৱৰ লৰালিকালৰ পৰা মৃত্যুপৰ্যন্ত জীৱনৰ কোনো ঘটনাকে বাদনিদিয়াকৈ ৰচনা কৰা 'সেহি সব্যসাচী' উপন্যাস খনি ৩১৩ পৃষ্ঠাৰ। প্ৰকাশকঃ ৰাজেন শৰ্মা, জ্যোতি প্ৰকাশন, গ্ৰন্থখনক গ্ৰন্থকাৰে প্ৰধানতঃ দুটা ভাগত ভাগ কৰিছে। প্ৰথম 'অঙ্কুৰণ' খণ্ডক আকৌ এঘাৰটা ভাগ কৰিছে। দ্বিতীয়টো হৈছে 'আত্ম উন্মোচন'। প্ৰথম খণ্ডৰ এঘাৰটা ভাগত শ্ৰীপীতাম্বৰ প্ৰভুৰ জন্ম, ডাঙৰ হৈ সমনীয়াৰ সৈতে উমলি থকা দিনৰ কথা, ডেকা সত্ৰাধিকাৰ বাবলোৰা (পৃ.২৩) আদিৰ বৰ্ণনা- "চফল ডেকা অৱস্থাতে তেওঁৰ অভিজ্ঞতা সাৰস্বত সাধনা আৰু মানসিক উৎকৰ্যৰ প্ৰস্তুতিয়ে সত্ৰৰ সকলোকে চমৎকৃত কৰি তোলা আদি বৰ্ণনা সমূহ পোৱা যায়। পীতাম্বৰ প্ৰভুৱে জানিছিল যে কেৱল শাস্ত্ৰজ্ঞানেই সকলো নহয়। বাহিৰৰ জগত খনৰ লগত সম্পৰ্ক নাথাকিলে শাস্ত্ৰজ্ঞানে এজন ব্যক্তিক পূৰ্ণতা দিব নোৱাৰে। গতিকে বাহিৰৰ পৃথিৱীখনলৈ তেওঁৰ দুৰ্বাৰ আকৰ্ষণ হয়। এই ক্ষেত্ৰত তেওঁৰ অনুপ্ৰেৰণা শঙ্কৰদেৱ-মাধৱদেৱ। দুয়োগৰাকী মহাপুৰুষ শাস্ত্ৰজ্ঞ, ধৰ্ম প্ৰচাৰক, লগতে জন সংযোগ ৰক্ষা কৰাত সিদ্ধহস্ত। তেৰাসকলৰ একশৰণ হৰিনামধৰ্মই জাতিবৰ্ণ নিৰ্বিশেষে সকলোৰে অন্তৰ স্পৰ্শ কৰিছিল। (পৃ.২৪) পীতাম্বৰদেৱেও ভ্ৰমণ কৰিবলৈ ধৰে অৰাজকীয় ধৰণে। বহিৰ্জগতৰ লগত সম্পৰ্ক ৰাখিবলৈ। যাতায়তৰ সুবিধা নথকা, পানীৰ মাজত থকা কাৰণে সত্ৰলৈ আহি পুণ্য অৰ্জন অভিলাষী যৎ সামান্যলোকৰ বাহিৰে অন্যঠাইৰ মানুহ আহিবলৈ ইচ্ছা নকৰা অভ্যন্তৰীণ যাতায়তৰ সুবিধা নথকা মাজুলীৰ বিচ্ছিন্নতাই ইয়াৰ ঘাইকাৰণ। ইয়াৰ ৰক্ষণশীলতা, স্থবিৰতাৰ প্ৰাচীৰ ভেদি আধুনিক জগতৰ অগ্ৰগতিৰ খবৰেৰে সমৃদ্ধ হোৱাটো পীতাম্বৰদেৱৰ দৰে প্ৰতিভাশালী ব্যক্তিৰ বাবেহে সম্ভৱপৰ। বিভিন্ন বাতৰি কাকত আলোচনী আদিৰ উপৰি প্ৰসিদ্ধ গ্ৰন্থসমূহ অধ্যয়ন কৰি জ্ঞান পুষ্ট হয়। গড়মূৰ সত্ৰই এনে এগৰাকী জ্ঞানতপস্বী ধৰ্মাচাৰ্য লাভ কৰে।

অসমত থকা সত্ৰসমূহ দুই প্ৰকাৰৰ—কেৱলীয়া বা উদাসীন ভকত অধিকাৰ থকা সত্ৰ, আৰু গৃহস্থী ভকত থকা সত্ৰ। শঙ্কৰদেৱৰ প্ৰিয়শিষ্য আৰু যোগ্য অধিকাৰী মাধৱদেৱ চিৰকুমাৰ আছিল যদিও শঙ্কৰদেৱৰ তিৰোধানৰ পিছত প্ৰতিষ্ঠা কৰা সত্ৰসমূহ গৃহস্থীয়েই আছিল। তথাপি ভালেমান সত্ৰৰ ভকত অধিকাৰ সকল কেৱলীয়া বা উদাসীন হৈ থকাটো হৰিভক্তিৰ আদৰ্শনীয় পথ বুলি বিবেচিত হ'ল। বহু সন্ত-মহন্তৰ ধাৰণা এয়ে আছিল যে গৃহস্থী হৈ চলালে একান্তমনে হৰিভক্তি আৰু শাস্ত্ৰচৰ্চাত বাধা আদি পৰে আৰু সংসাৰচক্ৰত বন্দী কৰি ৰাখিব পাৰে। ইয়াৰ ফলতেই বোধকৰোঁ, আউনী আটী, দক্ষিণ পাট, গড়মূৰ, কমলাবাৰী আদি উদাসীন সত্ৰৰ সৃষ্টি হ'ল। বৌদ্ধ মঠৰ সৈতে সত্ৰৰ বহুখিনি মিল আছে।

বংশীগোপালদেৱৰ লক্ষ্মীনাৰায়ণদেৱেই মাজুলীৰ গড়মূৰ সত্ৰৰ প্ৰতিষ্ঠাতা। নিৰঞ্জনদেৱ আউনী আটী সত্ৰৰ অধিকাৰ হোৱাৰ কেইবছৰ মানৰ পাছতেই আউনী আটী সত্ৰ প্ৰতিষ্ঠা হয় ১৬৫৩ চনত। গড়মূৰ সত্ৰ প্ৰতিষ্ঠা হয় ১৬৫৭ চনত। ১৫৪৮ চনত জয়ধ্বজসিংহ ৰাজপাটত উঠাৰ পিছতে তেওঁ হিন্দুধৰ্ম সংস্থাপন কাৰ্যত ব্ৰতী হৈছিল। প্ৰথমে আউনী আটী সত্ৰ পাতে আৰু আউনী আটী সত্ৰৰ আৰ্হিত দুখন সত্ৰ পাতে। সেইসত্ৰ দুখন হ'ল দক্ষিণপাট আৰু গড়মূৰ। এই গড়মূৰ সত্ৰই ৰাজ অনুগ্ৰহ লাভ কৰা বাবে দেৱোত্তৰ মাটি, পাইক, গৰু, মহ আদিৰে সমৃদ্ধ আছিল। কিন্তু পাছত অধিকাৰ ৰঘুদেৱে ইংৰাজ শাসকৰ আজ্ঞা নমনাৰ কাৰণে পূৰ্বৰ সমৃদ্ধিৰ পৰা বঞ্চিত হ'ল।

পীতম্বৰদেৱগোস্বামী এগৰাকী ধৰ্মসংস্কাৰক আৰু বৈজ্ঞানিক মনোভাৱৰ লোক, তেখেতে আধুনিক যুগৰ সূচনাকাৰী বাতৰি কাকত, আলোচনী আদিৰ উপৰিও বিভিন্ন কিতাপ পত্ৰৰ যোগেদি নিজক সংস্কাৰ ব্ৰতী কৰিছিল। অসমৰ মানুহ আৰু সমাজৰ ওপৰত সত্ৰৰ চূড়ান্ত প্ৰভাৱ আৰু সামাজিক উত্তৰণৰ বাবে সত্ৰসমূহৰ ভূমিকা অনস্বীকাৰ্য, গতিকে সত্ৰসমূহ একগোট হৈ সমাজৰ উন্নতিৰ হকে কাম কৰিলেহে অসমীয়া সমাজখনৰ উন্নতি হ'ব। পীতাম্বৰ প্ৰভু নিজেই

এজন সত্ৰৰ অধিকাৰ হোৱা স্বত্বেও অনুভৱ কৰিছিল যে ধৰ্মাচাৰ্য্য সকলে শিক্ষিত লোকৰ সু-পৰামৰ্শ লৈ নিজকে সংশোধন কৰিব লাগে। এই উদ্দেশ্যেৰে বাতৰি কাকতলৈ চিঠিও লেখিছিল। সেই পদক্ষেপত গোসাঁই মহন্ত সকলৰ সহাৰি পোৱা নাছিল ফলত তেখেত অকলশৰীয়াকৈ আগবাঢ়িব লগা হৈছিল। গোস্বামীদেৱে অস্পৃশ্যতা বৰ্জন আৰু বৰ্ণ বৈষম্য হীন সমাজ এজন গঢ়িবৰ বাবে আকাঙ্ক্ষা কৰি ঈশ্বৰক সহায় ৰূপে লৈ কামত আগবাঢ়িছিল।

শ্ৰীমন্ত শঙ্কৰদেৱেও এনে এখন সমাজ বিচাৰিছিল য'ত সকলো জনগোষ্ঠীৰ লোকৰ মাজত ভেদাভেদ নেথাকে। তাৰ বাবে তেৰাই অহোপুৰুষাৰ্থ কৰিছিল, গাৰোৰ গোবিন্দ, মিচিঙৰ বলাই আতৈ, কছাৰীৰ ৰাম আতৈ আদি জনজাতীয় লোকক প্ৰধান শিষ্য হিচাবে পাইছিল।

শঙ্কৰদেৱৰ আদৰ্শত অনুপ্ৰাণিত হোৱা গোস্বামীদেৱে প্ৰত্যেকটো জন-জাতিকে সচেতন কৰি তেওঁলোকক শঙ্কৰদেৱৰ উদাৰ মানৱীয় ধৰ্মত দীক্ষিত কৰি অধ্যাত্মজ্ঞান আৰু সত্ৰীয়া তথা শঙ্কৰী সংস্কৃতিৰ দ্বাৰাই আপোন কৰি ল'বলৈ সিদ্ধান্ত লৈছিল। সাতসাগৰ তেৰ নদী পাৰ হৈ খ্ৰীষ্টিয়ান মিচনেৰী সকলে যদি অসমৰ দুৰ্গম পাহাৰলৈ গৈ জনজাতীয় খিলঞ্জীয়া লোকৰ বাবে কাম কৰিব পাৰে তেনেহলে সত্ৰসমূহে নোৱাৰিব কিয়?

শ্ৰীপীতাম্বৰ দেৱ গোস্বামীদেৱে দেখিছিল যে ধৰ্মাচাৰ্য সকল পূৰ্বৰ সত্ৰৰ আচল আদৰ্শৰ পৰা ভ্ৰষ্ট হৈছে। পূৰ্বে মহাপুৰুষসকলে গাৰো, মিকিৰ, কছাৰী আদি অৱনত জাতিক নামধৰ্ম দি হিন্দুসমাজৰ অন্তৰ্ভুক্ত কৰি লৈছিল। খাছীয়া জাতিপূৰ্বে হিন্দু আছিল বুলি অনেক প্ৰত্নতাত্ত্বিক বিশেষজ্ঞ সকলে কয়। আমাৰ গুৰু সকলৰ অৱহেলা দেখি বঙ্গদেশৰ জনদিয়েক সন্যাসী আহি অসমত হিন্দুমিছন গঠন কৰি অসমৰ বিধৰ্ম লোকক হিন্দুধৰ্মত দীক্ষিত কৰিছে।

পূৰ্বতে 'সত্ৰ' শব্দটোৰ অভিধা বেলেগ আছিল। য'ত সৎপুৰুষসকল, সৎ গুণবিলাক একত্ৰ হৈ আছিল তাকে 'সত্ৰ' বুলিছিল। পূৰ্বেসত্ৰত কিছুমান সৎ স্বভাৱী ভকত আৰু গুৰুস্থানীয় এজন জ্ঞানীপুৰুষ একত্ৰ হৈ সমাজত ধৰ্মপ্ৰচাৰ কৰি সমাজ সংৰক্ষণ কৰিছিল, সেইসময়ত আন আন ৰাজ্যত বাল্যবিবাহৰ বিৰুদ্ধে, বিধৱা বিবাহৰ সপক্ষে আন্দোলন হৈছিল, আৰু তাৰ নেতৃত্ব লৈছিল ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ প্ৰভৃতি সমাজ সংস্কাৰকে, অসমতো এই বাল্যবিবাহ বন্ধ কৰাৰ বিৰুদ্ধে আৰু বিধৱা বিবাহৰ সপক্ষে পীতাম্বৰ দেৱ গোস্বামীদেৱে সংস্কাৰসাধন কৰিবলৈ যত্ন কৰিছিল। মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত হোৱা অসহযোগ আন্দোলনতো পীতাম্বৰদেৱগোস্বামী প্ৰভুৱে যোগ দিছিল। পাণ্ডুনগৰত হোৱা কংগ্ৰেছৰ জাতীয় অধিবেশনত পীতাম্বৰ দেৱৰ ভূমিকা অন্ত নপৰিল। নতুন উদ্যমেৰে মাজুলীলৈ উভতি আহি সমাজৰ কাম কৰিবলৈ ধৰিলে, অসমৰ অধিকাংশ এলেকাত শিক্ষাৰ পোহৰ নাই। শিক্ষা তথা সাংস্কৃতিৰ উত্তৰণেৰে দেশবাসীৰ জীৱন উন্নত কৰিবলৈ চেষ্টা কৰিলে। স্বাধীনতা আন্দোলনত অসমৰ স্বনামধন্য লোক সকলৰ লগতে পীতাম্বৰদেৱগোস্বামীও (ক) শাখাৰ কাৰাবাসী হৈছিল। তেওঁক আৰু ডেকাসত্ৰাধিকাৰ কৃষ্ণচন্দ্ৰ দেৱগোস্বামীক সত্ৰৰ গোসাঁই মৰ্যদাৰে ৰখা দেখি সকলোৱে ভাল পাইছিল। জেলত থাকিহে পীতাম্বৰ প্ৰভুৱে গীতাশাস্ত্ৰৰ সৰ্বকালত প্ৰাসঙ্গিকতা অনুভৱ কৰিলে। কাৰাগাৰত দুটাবছৰ অতি কষ্টেৰে পাৰ কৰিব লগা হৈছিল।

গড়মূৰ সত্ৰই আন্দোলনত আগভাগ লোৱা বুলি ভাবি মাজুলীবাসীৰ ওপৰত অত্যাচাৰ চলালে। মাজুলীৰ শস্য উৎপাদনত বিঘিনি ঘটালে। উৎপাদিত শস্যৰ কিছুমান চৰকাৰলৈ গ'ল সেনাৰ বাবে। মাজুলীয়ে জীয়াতু ভোগিলে। সেইবোৰ শুনি গোস্বামীদেৱে নীৰৱে চকুলো টুকিলে। ১৯৪৫ চনৰ পহিলা এপ্ৰিলত পীতাম্বৰ দেৱগোস্বামীয়ে মুক্তি লাভ কৰে। বিপুল অভ্যৰ্থনাৰে খোল-তালেৰে গোস্বামীদেৱক শোভাযাত্ৰা কৰি মাজুলীলৈ মাৰনাৱত লৈ যায়। ইয়াৰ পিছতে পীতাম্বৰ প্ৰভুৱে মিকিৰ পাহাৰলৈ গৈ তাত শিক্ষাৰ ব্যৱস্থা আৰু শঙ্কৰগুৰুৰ বিশুদ্ধ ধৰ্ম প্ৰচাৰ কৰে। দেশ স্বাধীন হ'ল। মহামানৱ মহাত্মা গান্ধীৰ মৃত্যুৰ সংবাদে তেখেতক অতিশয় কষ্ট দিলে। কমলাবাৰীত আয়োজন কৰা বিৰাট শোক সভাত সুবক্তা পীতাম্বৰ প্ৰভুৱে দুৰাযাৰমান কৈয়েই বক্তব্য সামৰিছিল।

পীতাম্বৰ দেৱগোস্বামীয়ে অসম জাতীয় কংগ্ৰেছ পৰিত্যাগ কৰিলে। অসমৰ বিভিন্ন ঠাইত সিচৰিত হৈ থকা সত্ৰসমূহৰ শিষ্য সকল মাজুলীত গোট খোৱাত এখন সভা অনুষ্ঠিত কৰি সেই সভাত ধৰ্মীয় আলোচনাৰ লগতে সংস্কাৰ মুখী উপদেশ প্ৰদান কৰিলে। উদাসীন ভকত সকলক বিবাহৰ অনুমতি দিলে। তেওঁলোক যাতে চৰিত্ৰগত দোষত নপৰে। শিষ্যসকলক কৰ্মৰ উদ্গনি দি গোস্বামী প্ৰভুৱে ভাষণ শেষ কৰিলে আৰু ক'লে যে জীৱনৰ শেষ দিন কেইটা নাম-কীৰ্ত্তন কৰিয়েই নীৰৱে পাৰ কৰিব বুলি ক'লে। কিন্তু নীৰৱে থাকি কাল কটোৱাৰ কথা কৈছিল যদিও ১৯৫৯ চনত আগষ্ট মাহত 'সনাতন ধৰ্মৰ মুখপত্ৰ' নামৰ এখন ধৰ্মসম্পৰ্কীয় তিনিমহীয়া আলোচনী প্ৰকাশ কৰিবলৈ মন মেলিলে। এই পত্ৰিকাৰ কথাখিনি প্ৰথমতে শিষ্যসকলক লৈ লিখিছিল। ১৯৫৮ চনৰ ১৫ আগষ্ট তাৰিখে গুৱাহাটীত স্বাধীনতা দিৱস উপলক্ষে গুৱাহাটীৰ বিৰাট জনসভাত পীতাম্বৰ দেৱগোস্বামীক সম্বৰ্দ্ধনা জনোৱা হ'ল। এইগৰাকী মহান গুৰু যিজন কেৱল অসমৰেই নহয় সমগ্ৰ ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ পথ প্ৰদৰ্শক, প্ৰীতি, সম্প্ৰীতি আৰু বন্ধুত্ব আৰু সহযোগিতাৰ নতুন সমাজক গঢ় দিওঁতা, সমাজৰ কুসংস্কাৰ আৰু ৰক্ষণশীলতাৰ প্ৰাচীৰ ভেদি বেদনাময় যুগৰ আৱৰ্জনা বৰ্জন কৰি মানৱ আদৰ্শ আৰু আত্মিক সম্পৰ্ক প্ৰতিষ্ঠা। কৰাটোৱেই যাৰ সপোন, কোনো ৰাজনৈতিক স্বাৰ্থ আৰু আশা-আকাঙ্ক্ষাৰ জগতৰ পৰা নিজকে আতৰাইযিজনে দেশৰ হ'কে আন্দোলনত নামি পৰিছিল সেইগৰাকী মহান ধৰ্মাধিকাৰী, মহাজ্ঞানী, চিৰসংগ্ৰামী গুৰু শ্ৰীশ্ৰীপীতাম্বৰ গোস্বামীদেৱে ১৯৬২ চনৰ ২০ অক্টোবৰত ইহলীলা সম্বৰণ কৰে।

ড০ লক্ষ্মীনন্দন বৰাদেৱৰ ৰচিত 'সেহি সব্যসাচী' নামৰ জীৱনী মূলক উপন্যাসখনিত শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীৰ বৰ্ণময় জীৱনৰ মনোৰম বৰ্ণনা পঢ়িলে লেখক বৰা চাৰৰ প্ৰতি শ্ৰদ্ধাত মুৰ দোঁ যায়। হয়তো জীৱনীমূলক উপাখ্যান জীৱন্তৰূপত চিত্ৰিত কৰা উপন্যাস অসমীয়া সাহিত্যত বিৰল। ৩১৩ পৃষ্ঠাৰ গ্ৰন্থ খনৰ স্পষ্ট প্ৰকাশ ভঙ্গী, বানানৰ অশুদ্ধি নথকা, বাক্য গাথঁনি, ভাষা, ৰচনাৰীতিয়ে পঢুঁৱৈ সকলক সহজে আকৰ্ষণ কৰিব পাৰে। গ্ৰন্থখনিত সত্ৰৰ ভিতৰৰ গোপন অথচ সত্য কথাও প্ৰকাশ কৰিছে। উপন্যাসখনি নামাকৰণতো গ্ৰন্থকাৰে সাফল্য লাভ কৰিছে। নামাকৰণতো যে যুক্তিসঙ্গত হৈছে সেই কথা গ্ৰন্থকাৰে কৰাপাতত উল্লেখ কৰিছে। শ্ৰীপীতাম্বৰ দেৱ গোস্বামী এগৰাকী চিৰসংগ্ৰামৰত ব্যক্তি। অৰ্জুনৰ দহটানামৰ ভিতৰত এটা নাম 'সব্যসাচী'। সেয়ে গ্ৰন্থকাৰে অৰ্জুনৰ দৰে সংগ্ৰামী ব্যক্তি শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামীৰ জীৱনালেখ্যভিত্তিক উপন্যাসক 'সেহি সব্যসাচী' নামেৰে নামাকৰণ কৰাটো অতিশয় উত্তম কাম হোৱা বুলি ক'ব পাৰি। তাৎপৰ্যপূৰ্ণ এয়েযে গ্ৰন্থখনে ভালেমান ঐতিহাসিক তথ্যও বহন কৰিছে। এইগৰাকী পীতাম্বৰদেৱ গোস্বামীৰ জীৱনাদৰ্শই সদায় অসমবাসীক অনুপ্ৰাণিত কৰাৰ প্ৰতিশ্ৰুতি বহন কৰিলে। পীতাম্বৰদেৱ দেশবাসীৰ মহাজীৱনৰ পথ প্ৰদৰ্শক হ'ল। তেওঁ জনতাক যুগৰ সৈতে খাপ খুৱাই পোহৰলৈ আগবাঢ়ি যাবলৈ চানেকী দেখুৱাই গ'ল। প্ৰমাণ কৰি গ'ল যে প্ৰতিভাক স্বাৰ্থত্যাগৰ আদৰ্শৰে পৰোপকাৰত প্ৰয়োগ নকৰিলে কোনেও অমৰত্ব লাভ কৰিব নোৱাৰে।■

অনুভৱ অভিজ্ঞতা

# যুৱ মহোৎসৱৰ অভিজ্ঞতা (১)

জয় জয়তে গুৱাহাটী প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু আৰু কৰ্মচাৰীবৃন্দলৈ মই মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। মই শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ পৰা অসমীয়া বিভাগত স্নাতক ডিগ্ৰী লাভ কৰি গুৱাহাটী প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ত অসমীয়া বিভাগৰ স্নাতকোত্তৰ মহলাৰ প্ৰথম বৰ্ষত নামভৰ্ত্তি কৰিছিলোঁ। বৰ্তমান মই স্নাতকোত্তৰ মহলাৰ অসমীয়া বিভাগৰ চতুৰ্থ ষান্মাসিকৰ ছাত্ৰী। যোৱা বেলিৰ দৰে এইবেলিও ২০১৪-২০১৫ বৰ্ষত গুৱাহাটী বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ পৰা বিভিন্ন সংগীত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিবলৈ পাই মই নথৈ আনন্দিত হৈছো আৰু মোক এইকন সুবিধা দিয়াৰ বাবে প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সমূহ ছাৰ বাইদেউসকললৈ মই মোৰ তৰফৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। এইবেলি গুৱাহাটী বিশ্ববিদ্যালয়ে এটা সুন্দৰ নিয়ম পালন কৰিছে। যাৰ জৰিয়তে আমাৰ যথেষ্ট সুবিধা হৈছে। আচলতে এইবেলি সকলোবোৰ অনুষ্ঠান অতি সুন্দৰভাৱে হৈ গৈছে। আৰু সংগীত বিভাগৰ প্ৰতিযোগিতাখন কৰোঁতে আমি একো অসুবিধা পোৱা নাই আৰু সময়ৰ একো অভাৱ হোৱা নাই। আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে—এইবেলিও ২০১৪-২০১৫ বৰ্ষত গুৱাহাটী বিশ্ববিদ্যালয়ে প্ৰত্যেক বছৰে অনুষ্ঠিত কৰি অহা আন্তঃ মহাবিদ্যালয় যুৱ-মহোৎসৱৰ সংগীত বিভাগৰ প্ৰতিযোগিতাখন বিভিন্ন জিলাভিত্তিক আয়োজন কৰিছিল। ইয়াৰ উপৰিও এচ. বি দেউৰা কলেজত অনুষ্ঠিত হৈছিল। আৰু সেই প্ৰতিযোগিতাখনত মই প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ পৰা সংগীত বিভাগৰ প্ৰতিযোগিতাখনিত অংশ গ্ৰহণ কৰিছিলোঁ আৰু তাত মই জ্যোতি সংগীত, ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, পাৰ্বতী প্ৰসাদ বৰুৱা সংগীত, বনগীত, আধুনিক গীত, বৰগীত, লোকগীত আৰু জয়ন্ত হাজৰিকা সংগীতত অংশ গ্ৰহণ কৰিছিলো। তাৰ ভিতৰত মই ভূপেন্দ্ৰ সংগীতত প্ৰথম, জয়ন্ত হাজৰিকা সংগীতত প্ৰথম পাৰ্বতী প্ৰসাদ বৰুৱা সংগীতত প্ৰথম আৰু বনগীতত প্ৰথম। এই চাৰিটা বিষয়ত অতি সফলতাৰে গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱৰ সংগীত বিভাগৰ প্ৰতিযোগীতাখনত যাবলৈ সক্ষম হওঁ। ইয়াৰ মাজতে আৰু এটা কথা জনাবলৈ পাই সুখী হৈছো যে—বিচাৰকৰ আসনত বহা জে. পি. দাস ছাৰ, গৌতম শৰ্মা ছাৰ, আৰু মনোজ শৰ্মা ছাৰেও মোক ভৱিষ্যতে আগুৱাই যাবলৈ প্ৰেৰণা যোগাইছিল। আৰু যথেষ্ট উৎসাহ দিছিল। তাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ত মই পাৰ্বতী প্ৰসাদ বৰুৱা সংগীত, ভূপেন্দ্ৰ সংগীত, বনগীত, আৰু জয়ন্ত হাজৰিকা সংগীতত অংশ গ্ৰহণ কৰিছিলোঁ আৰু পাৰ্বতী প্ৰসাদ বৰুৱা সংগীত, জয়ন্ত হাজৰিকা সংগীত আৰু বনগীতত পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হওঁ। সঁচাকৈয়ে তেতিয়া মোৰ মনটো বহুত ভাল লাগিছিল। ক'বলৈ গ'লে এই ক্ষেত্ৰত মোক মহাবিদ্যালয়ৰ ছাৰ বাইদেউসকলে যথেষ্ট সহায় কৰিছিল। ইয়াতে এটা কথা ক'ব লাগিব যে—বুৰঞ্জী বিভাগৰ অধ্যাপক বিশ্বজিৎ দেৱ মহন্ত ছাৰদেৱক মই মোৰ তৰফৰ পৰা অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ ছাৰে মোক বহুতো সহায় কৰিছিল আৰু প্ৰত্যেক সময়তে মোৰ লগত উপস্থিত থাকি মোক যথেষ্ট উৎসাহ দিছিল। ইয়াৰ উপৰিও অভিজিৎ দত্ত ছাৰ, ড° কল্পনা তালুকদাৰ বাইদেউ, ড° বৈকুণ্ঠ ৰাজবংশী ছাৰ, ইত্যাদি সকলোৱে মোক উৎসাহ উদ্দীপনা যোগাইছিল আৰু ইয়াৰ বাহিৰেও মোৰ সংগীতৰ গুৰু মথুৰা দাস ছাৰেও মোক প্ৰত্যেক ক্ষেত্ৰতে সহায় কৰি আহিছে। ক'বলৈ গ'লে মোৰ মা-দেউতা, মোৰ সংগীতৰ গুৰু মথুৰা দাস ছাৰ আৰু মহাবিদ্যালয়ৰ সকলো ছাৰ বাইদেউৰ সহায়, উৎসাহ আৰু আৰ্শীবাদৰ কাৰণেই যেন এই সফলতাৰ মুখ দেখা পাইছো। সেয়েহে মহাবিদ্যালয়ৰ ছাৰ বাইদেউসকলে কৰা সহায় আৰু মৰম স্নেহৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰো। আচলতে ক'বলৈ গ'লে বহু কথাই থাকে। কিন্তু অনুভৱ আচলতে লিখনিৰে কৈ শেষ কৰিব নোৱাৰি। শেষত মই আকৌ এবাৰ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সমূহ ছাৰ বাইদেউসকললৈ শ্ৰদ্ধা জ্ঞাপন কৰিছো আৰু আশা কৰিছো যে আহি থকা দিনবোৰতো যেন মই এনেদৰেই মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিব পাৰো। অনুভৱবোৰ লিখোতে কিবা যদি ভুল ভ্ৰান্তি হৈছে মোক ক্ষমা মাৰ্জনা কৰে যেন। ●



**সঙ্গীতা ৰাজবংশী**
**স্নাতকোত্তৰ চতুৰ্থ ষান্মাসিক**
**অসমীয়া বিভাগ**

# যুৱ মহোৎসৱৰ অভিজ্ঞতা (২)



**ধীৰাজ কুমাৰ শৰ্মা**
*স্নাতক পঞ্চম ষান্মাসিক*
*বাণিজ্য শাখা*

অন্য দিনাৰ দৰে সেইদিনাও সন্ধিয়া ফুৰিবলৈ গৈছিলোঁ। এনেতে এটা ফোন আহিল বন্ধু হিমাংশু শৰ্মাৰ পৰা যুৱমহোৎসৱত অংশ গ্ৰহণ কৰিব লাগে বক্তৃতা প্ৰতিযোগিতাৰ বাবে। নেটৱৰ্কৰ সমস্যাৰ বাবে বক্তৃতা প্ৰতিযোগিতা শব্দটো ভালদৰে শুনা পোৱা নাছিলোঁ যদিও আগৰপৰা হিমাংশুই এনেধৰণৰ সেউজ সংকেত দি থৈছিল পিছে তৰ্ক প্ৰতিযোগিতাৰ বাবেহে গতিকে মইয়ো অনুমানত ধৰি ল'লো যে তৰ্ক প্ৰতিযোগিতাৰ বাবে মোক কোৱা হৈছে। কিছুসময় পিছত নিহালৰ পৰা বিষয়টো গম পালো। বিষয়টো পঢ়ি ভালেই পালো কিয়নো ৰাজনীতিৰ প্ৰতি মোৰ আগৰ পৰাই দুৰ্বলতা আছিল। দাদা পৱিত্ৰ চহৰীয়াৰ লগত ৰাতি বিষয়টোৰ ওপৰত কথা পাতিলোঁ। নিজেও ৰাতি কিছুসময় গোটাই অনুশীলনী আৰম্ভ কৰিলোঁ। ডেল কাৰ্নেগীৰ "Public Speaking" কিতাপখনৰ পৰা কিছু টিপচ্ ল'লো। আব্ৰাহাম লিংকনৰ ভাষণ প্ৰস্তুতকৰণৰ পদ্ধতি সমূহ সচৰাচৰ অধ্যয়ন কৰাৰ দৰে অধ্যয়ন কৰিলোঁ। মোৰ লেপটপত মজুত থকা ৰাজনৈতিক নেতা হিমন্ত বিশ্ব শৰ্মাৰ ভাষণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ ভাষণ সমূহ চালোঁ। সৰ্বশেষত সদনত সাংসদসকলৰ তৰ্ক কৰাৰ পদ্ধতি সমূহ চাই নিদ্ৰাদেৱীৰ কোলাত বিলীন হৈ গ'লো। পিছদিনা ৰাতিপুৱা ছিপাঝাৰৰ ঘৰৰ পৰা ৬০ কিঃমিঃ পথ বাইকেৰে আহি কলেজ পালোঁ। কলেজ পাইয়ে অৰ্থনীতি বিভাগৰ বিদ্যুত ছাৰক ল'গ পালো। ছাৰৰ লগতো বিষয়টোৰ ওপৰত আলোচনা কৰি বিশ্ববিদ্যালয় লৈ ৰাওনা হ'লো। প্ৰতিযোগিতালৈ আধাঘণ্টা থকা অৱস্থাতে হিমাংশুৰ পৰা সত্যৰ মুখামুখি হ'লো যে মই তৰ্ক নহয় বক্তৃতাহে দিব লাগিব। অলপ ভয় খালো যদিও নিজকে সাহস দি ৰাখিলোঁ। যি হ'ব সময়ত দেখা যাব। নিৰ্দিষ্ট সময় আহিল। যুগুতাই ৰখা চাৰিটা পইণ্টক অলপ মা-মছলা দি উপস্থাপন কৰিলোঁ। যদি কোনোবা ভাই-ভনীয়ে এই লেখাটো পঢ়ি আছে তেওঁলোকলৈ ডেল কাৰ্নেগীৰ গ্ৰন্থ এখনৰ উদ্ধৃতি এটা আগবঢ়ালোঁ—"তুমি কেনেকৈ ভাষণ দিবা সেই বিষয়ে যেতিয়া তুমি কল্পনা কৰিবা-তেতিয়া তুমি এনেদৰে চিন্তা কৰিবা যে তুমি সকলো দেখা পাইছা।"

আমাৰ বক্তৃতা প্ৰতিযোগিতাৰ সেইদিনা মোৰ দ্বাৰা উপস্থাপন কৰা বক্তৃতাৰ কিছু অংশ উল্লেখ কৰি যুৱ-মহোৎসৱৰ অভিজ্ঞতা বৰ্ণনা সমাপ্ত কৰিম—

বিষয় ঃ সাম্প্ৰাতিক সময়ত ক্ষমতা কেন্দ্ৰীক ৰাজনীতি মতাদৰ্শৰ কোনো স্থান নাই।

**(ক) অগপৰ উদাহৰণ ঃ** অসম আন্দোলন গঢ়ি উঠিছিল সম্পূৰ্ণ জাতীয়তাবাদী ধাৰাৰ ওপৰত। পিছলৈ আন্দোলনকাৰী নেতাসকলে জনসাধাৰণৰ বাবে জাতীয় বীৰ হৈ জাতীয়তাবাদৰ ঢোল বজাই চৰকাৰ গঠন কৰিলে যদিও পিছৰবাৰ জাতীয়তাবাদৰ ঢোল বজোৱা অগপই মুখ থেকেচা খাবলৈ বাধ্য হয় আৰু ৰাজ্যত কংগ্ৰেছৰ চৰকাৰ গঠন হয়। কিন্তু আমোদজনক কথা যে জাতীয়তাবাদৰ ঢোল বজোৱা অগপই কমিউনিষ্ট দলৰ যি দলে অসম আন্দোলনৰ সময়ত জাতীয়তাবাদী নেতাসকলৰ বিপৰীত মেৰু আছিল সেইদলৰ লগত বুজাবুজি কৰি ক্ষমতাৰ খকত আমাৰ মাৰ যোৱা সকলে পুনৰবাৰ চৰকাৰ গঠন কৰিলে।

**(খ) জম্মু-কাশ্মীৰৰ উদাহৰণ ঃ** জম্মু-কাশ্মীৰৰ যোৱাবাৰৰ বিধান সভাৰ কথা সকলোৰে জ্ঞাত তাত ওমৰ আব্দুল্লাৰ চৰকাৰক প্ৰতিহত কৰিবৰ যেন কাৰো ক্ষমতা নাছিল। কিন্তু অকল ক্ষমতাৰ বাবে ৰাজনৈতিক মতাদৰ্শৰ অমিল দুটা দল PDP আৰু BJP য়ে কংগ্ৰেছক প্ৰতিহত কৰি মিত্ৰজোট গঠন কৰিলে। ক'ৰ ধৰ্মীয় ৰাজনীতি কৰা মুছলমান সমৰ্থিত PDP আৰু সততে হিন্দুত্ববাদী মনোভাৱ অহা বুলি অভিযোগ থকা BJPৰ মতাদৰ্শ। এইয়া কেৱল ক্ষমতাৰ খকৰ বাবেই নহয়নে?

আচলতে ক্ষমতা বা গাদীক যদি আমি এটা পকা আপেলৰ লগত তুলনা কৰো ৰাজনৈতিক নেতাসকল হ'ল আপেল, খকত দৌৰ দিয়া একো একোজন আপেল খকুৱা।

এনেধৰণৰ কিছুমান কথাৰে সেইদিনাৰ বক্তৃতা সামৰণি মাৰিছিলোঁ। এক সুন্দৰ অভিজ্ঞতাৰ বাবে আমাৰ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালৈ শতকোটি নমস্কাৰ জনাইছে।

জয়তু প্ৰাগজ্যোতিষ মহাবিদ্যালয়
জয় আই অসম। ●

## খেল জগত

# মেৰী কম ঃ উত্তৰ পূৰ্বাঞ্চলৰ গৌৰৱ




সংগ্ৰাহক ঃ নিতুল নমঃশূদ্ৰ
*ষষ্ঠ যান্মাসিক*
*কলা শাখা*

সমগ্ৰ ভাৰতবৰ্ষত যিটো নামে খলকনি তুলিছে, যাৰ কথা চৰ্চ্চা হৈছে সকলোৰে মুখে-মুখে, প্ৰত্যেকগৰাকী নাৰীয়ে গৰ্বেৰে এবাৰলৈ যাক মনত পেলাইছে, সেই গৰাকী নাৰী হ'ল, আমাৰ চুবুৰীয়া ৰাজ্যৰ মহিলা বক্সাৰ এম. চি. মেৰী কম (Mangte Chungneijang Mary Kom)। এইগৰাকী বক্সাৰৰ জন্ম হৈছিল ১৯৮৩ চনৰ ১ মাৰ্চত।

মেৰী কম এগৰাকী ভাৰতীয় বক্সাৰ, যিয়ে ২০১২ চনৰ চামাৰ অলিম্পিকত খেলিবলৈ সুযোগ পাইছিল আৰু ৫১ কেজি ওজনত খেলি ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল। বিশ্বমহিলা বক্সিংৰ Flyweightত মেৰী কমৰ ৰেংকিং আছিল-৪।

এইগৰাকী সফল মহিলা খেলুৱৈৰ অলপতে এখন আত্মজীৱনীও প্ৰকাশ পাইছে। নাম হ'ল—"Unbreakable"। বিশ্বখিতাপ পোৱাৰ পিছতো মেৰী কমে পাহৰি যোৱা নাই নিজ মাতৃভূমিক। ইম্ফলৰ মহিলাসকলৰ আত্মৰক্ষাৰ প্ৰশিক্ষণৰ বাবে ফাইট ক্লাব এটা খুলি মহিলাসকলক প্ৰশিক্ষণ দি আছে।

এইগৰাকী খেলুৱৈৰ জন্ম হৈছিল মণিপুৰৰ সুৰচন্দ্ৰপুৰৰ কাংথেইত। নিচেই সাধাৰণ পৰিয়ালত জন্মগ্ৰহণ কৰা মেৰি কমৰ মাক-দেউতাক খেতিয়ক আছিল। তথাপিও মেৰী কমৰ পঢ়া-শুনাত মাক-দেউতাকে যত্ন লৈছিল। প্ৰাইমেৰী স্কুলৰ পৰা ষষ্ঠশ্ৰেণীলৈকে মেৰী কমে লোকটাক্ খ্ৰীষ্টান মডেল স্কুলত পঢ়িছিল। তাৰপিছত অষ্টম শ্ৰেণীলৈ মেৰী কম চেইণ্ট জেভিয়াৰ্চ কেথলিক স্কুলত পঢ়িবলৈ গ'ল। ইয়াৰপিছত তাইক নৱম-দশম শ্ৰেণীৰ বাবে আদিমজাতি হাইস্কুললৈ পঢ়িবলৈ পঠালে। পিছে সেইবাৰ মেৰী কম উত্তীৰ্ণ হ'ব নোৱাৰিলে। এইবাৰ মেৰী কমে ইম্ফলৰ NIOSৰ পৰা পৰীক্ষা দি উত্তীৰ্ণ হ'বলৈ সক্ষম হ'ল আৰু পৰৱৰ্তী সময়ত, সুৰচন্দ্ৰপুৰ কলেজৰ পৰা গ্ৰেজুৱেট হ'বলৈ সক্ষম হয়।

মেৰী কমে প্ৰথমে এথেলেটিকছত বৰ বেছি পাৰদৰ্শিতা দেখুওৱা নাছিল। আৰু কোনো দিনে সেইটোৱেই জীৱনৰ পেছা হ'ব বুলিও নিশ্চিত কৰা নাছিল। কিন্তু ২০০০ চনৰ পৰা মণিপুৰৰ লামপাকত এম. নৰজিৎ সিঙৰ লগত বক্সিংৰ বাবে ট্ৰেনিং আৰম্ভ কৰে। সেইসময়তে মেৰী কমৰ বিবাহ হৈছিল দিল্লী বিশ্ববিদ্যালয়ত অধ্যয়নৰত কে. অনলাৰ কম (K. Onler Kom)ৰ লগত আৰু দুটা যমজ সন্তানৰ মাতৃও হ'ল মেৰী কম। প্ৰশিক্ষণৰ ৮ বছৰৰ পিছত, ২০০৮ চনত প্ৰথমবাৰৰ বাবে মেৰী কমে বক্সিংত ৰূপৰ পদক পাবলৈ সক্ষম হৈছিল। অৱশ্যে চীনদেশত অনুষ্ঠিত এছিয়ান উইমেন বক্সিং AIBAত মেৰী কমে সোণৰ পদক পাই ওৱৰ্ল্ড বক্সিং চেম্পিয়ানৰ খিতাপ অৰ্জন কৰে। আনহাতে ২০০৯ চনত ভিয়েটনামত হোৱা 'ইনডৰ গেমচ'ত সোণৰ পদক, ২০১০ চনত কাজাগিস্থানত হোৱা এছিয়ান উইমেন বক্সিংত সোণৰ পদক, আৰু ৪৮ কেজি ওজনৰ বাৰবাভোচত হোৱা এচিয়াৰ উইমেন ওৱৰ্ল্ড চেম্পিয়ানত সোণৰ পদক অৰ্জন কৰে। পৰৱৰ্তী সময়ত ২০১১ আৰু ২০১২ চনতে মেৰী কমে সোণৰ পদক অৰ্জন কৰিছিল।

২০১০ চনৰ অক্টোবৰত কমনওৱেলথ্ গেমছ হৈছিল দিল্লীত। অৱশ্যে সেইবাৰ মহিলা বক্সিং খেলৰ অন্তৰ্ভুক্ত নহ'লেও, সঞ্জয় আৰু

হৰজিৎ সিঙৰ সৈতে অলিম্পিক শিখা লৈ দৌৰাৰ বাবে সন্মানীয় আমন্ত্ৰণ লাভ কৰিছিল।

একেলেথাৰিয়ে ৫ বাৰকৈ ৪৬ কেজি আৰু ৪৮ কেজি ওজনৰ বক্সিং খেলত মেৰী কমে সোণৰ পদক পাই ভাৰতবৰ্ষৰ গৌৰৱ আটুট ৰাখিবলৈ সক্ষম হৈছিল।

এইবাৰ মেৰী কমে অলিম্পিক খেললৈ মন মেলিলে। ২০১২ চনত লণ্ডনত অনুষ্ঠিত হোৱা গ্ৰীষ্মকালীন অলিম্পিক খেলত ভাগ ল'বলৈ গৈ ব্ৰঞ্জৰ পদক পাবলৈ সক্ষম হ'ল। মণিপুৰ চৰকাৰে মেৰী কমৰ সফলতাত সন্তুষ্ট হৈ তেওঁলৈ ৫০ লাখ টকা আৰু ২ বিঘা মাটি দান দিয়ে। অলিম্পিক খেলৰ সামৰণি অনুষ্ঠানত মেৰী কমে ভাৰতৰ ত্ৰিৰঙ্গা পতাকা লৈ শোভাযাত্ৰাত যোগ দিবলৈ সুযোগ পায়।

মেৰী কমৰ সফলতাৰ খতিয়ান ঃ

| বছৰ | স্থান | ওজন | প্ৰতিযেগিতা | ঠাই |
|---|---|---|---|---|
| ২০০১ | দ্বিতীয় | ৪৮ | ওৱাৰ্ল্ড উইমেন এমেচাৰ বক্সিং চেম্পিয়ান | পেনচিলভেনিয়া, আমেৰিকা |
| ২০০২ | প্ৰথম | ৪৫ | ওৱাৰ্ল্ড উইমেন এমেচাৰ বক্সিং চেম্পিয়ান | অন্তলিয়া, তুৰ্কি |
| ২০০২ | প্ৰথম | ৪৫ | উইটচ কাপ | পীচ, হাংগেৰী |
| ২০০৩ | প্ৰথম | ৪৬ | এচিয়ান উইমেন চেম্পিয়ান | হীচাৰ, ইণ্ডিয়া |
| ২০০৪ | প্ৰথম | ৪১ | এচিয়ান উইমেন ওৱাৰ্ল্ড কাপ | টেনচ্বাৰ্গ, নৰৱে |
| ২০০৫ | প্ৰথম | ৪৬ | উইমেন ওৱাৰ্ল্ড এমেচাৰ বক্সিং চেম্পিয়ান | ৰাচিয়া |
| ২০০৫ | প্ৰথম | ৪৬ | এচিয়ান উইমেন চেম্পিয়নশ্বিপ্ | কৌচিয়াঙ, টাইৱান্ |
| ২০০৬ | প্ৰথম | ৪৬ | উইমেন ওৱাৰ্ল্ড এমেচাৰ বক্সিং চেম্পিয়ান | নতুন দিল্লী |
| ২০০৬ | প্ৰথম | ৪৬ | ভেনাচ উইমেন'চ বক্স কাপ | ভেজিল, ডেনমাৰ্ক |
| ২০০৮ | প্ৰথম | ৪৬ | উইমেন ওৱাৰ্ল্ড এমেচাৰ বক্সিং | নিঙস্বো, চীন |
| ২০০৮ | দ্বিতীয় | ৪৬ | গুৱাহাটী, ভাৰত | – |
| ২০০৯ | প্ৰথম | ৪৬ | এচিয়ান ইনৰ্ডৰ গেমছ | হানয়, ভিয়েটনাম |
| ২০১০ | প্ৰথম | ৪৬ | এচিয়ান উইমেন চেম্পিয়ন | কাজাগিস্থান |
| ২০১০ | প্ৰথম | ৪৮ | এচিয়ান উইমেন এমেচাৰ বক্সিং চেম্পিয়নশ্বিপ্ | ব্ৰিজটাউন, বাৰবাডো |
| ২০১০ | তৃতীয় | ৫১ | এচিয়ান গেমছ | গুণজঅ, চীন |
| ২০১১ | প্ৰথম | ৪৮ | এচিয়ান উইমেন কাপ | হাইকো, চীন |
| ২০১২ | প্ৰথম | ৪১ | এচিয়ান উইমেন চেম্পিয়ান | উলানবাটাৰ, মঙ্গোলিয়া |
| ২০১২ | তৃতীয় | ৫১ | গ্ৰীষ্মকালীন অলিম্পিক | লণ্ডন |
| ২০১৪ | প্ৰথম | ৫১ | এচিয়ান গেমছ | ইন্চিঅ'ন, শাউথ কোৰিয়া |

**National:**

- Gold- 1st Women Nat. Boxing Championship, Chennai; 06-12/02/2001
- The East Open Boxing Champ, Bengal; 11-14/12/2001
- 2nd Sr World Women Boxing Championship, New Delhi; 26-30/12/2001
- National Women Sort Meet, New Delhi; 26-30/12/2001

- 32nd National Games, Hyderabad, 2002
- 3rd Sr World Women Boxing Champ, Aizawl; 04-08/03/2003
- 4th Sr WWBC, Kokrajhar, Assam; 24-28/02/2004
- 5th Sr WWBC, Kerala; 26-30/12/2004
- 6th Sr WWBC, Jamshedpur; 26th November-3rd December, 2005
- 10th Sr WNBC, Jamshedpur lost QF by 1-4 on 5th October, 2009

**Awards and recognitions:**

- Padma Bhushan (Sports), 2013
- Arjuna Award (Boxing), 2003
- Padma Shree (Sports), 2006
- Contender for Rajiv Gandhi Khel Ratna Award, 2007
- People of the Year- Limca Book of Records, 2007
- CNN-IBN & Reliance Industries' Real Heroes Award, 14th April, 2008
- Pepsi MTV Youth Icon, 2008
- 'Magnificent Mary', AIBA, 2008
- Rajiv Gandhi Khel Ratna Award, 2009
- International Boxing Association's Ambassdor for Women's Boxing, 2009
- Sportswoman of the Year, 2010, Sahara Sports Award

**For the bronze medal at the 2012 London Olympics**

- Rs. 50lakh (US$83,000) cash award from the Rajasthan Government
- Rs. 50lakh (US$83,000) cash award and two acres of land from the Manipur Government
- Rs. 20lakh (US$33,000) cash award from the Assam Government
- Rs. 10lakh (US$17,000) cash award from the Arunachal Pradesh Government
- Rs. 10lakh (US$17,000) cash award from the Ministry of Tribal Affairs (India)
- Rs. 40lakh (US$66,000) cash award from the North Eastern Council

**Media:**

Her autobiography "*Unbreakable*" was published by Harper Collins in late 2013. Following this a biographical film named "*Mary Kom*" was released on 5th September, 2014 starring Priyanka Chopra in the lead role and directed by Omung Kumar.

In 2015, Mary Kom became the first first amateur to surpass several professional atheletes in India in earnings, endorsements and awards.



# English Section

# Pragjyotish College: A Peep into its Past with an Eye to the Future

**Atanu Kr. Chowdhury**
Associate Professor & HoD
Department of Economics

Pragjyotish College has completed 61 years of its glorious existence on 1st September 2015. After turning Golden in 2004 it became Dia mond in 2014. What an innings of half a century and beyond it is playing! An innings filled with many ups and downs, and trials and tribulations. It is a story worth telling hundred times. For it is such a story which shows that people of our society, some intimately involved as an administrator, a teacher, a non-teaching staff or as a student for more than a couple of decades or for a few years, can also struggle and achieve what societies in other parts of our country and the world had achieved.

The youth today besides practising proper hygienic methods on their own, should also visit rural areas, villages, countryside, schools, colleges and ways of mainiaining proper hygiene is to be made understood and demonstrated properly. Hospitals should have proper guidelines and counselling units for the patients. Governments responsibility is very important in this regard. NGO's, social activists, differenty SHG's can come forward as well for this major cause and issue of Health and proper hygiene.

Only then, will we have a more stronger, more developed, disease-free and healthier nation. ●

*The traveller has to knock at every alien door to come to his own, and one has to wander through all the outer worlds to reach the innermost shrine at the end.*

*-Rabindranath Tagore*

SHORT STORY

# Life in a City



**Ipsita Dey**
***T.D.C., 2nd Semester***
***Department of Zoology***

A city is a place where one can find all types of people, practising various occupations. Life in a city is always hectic and crazy, everyone is always running everywhere, there is no time for anyone to stand for a minute and look at the beautiful sunrise or the freshly flowered blooms of spring.

In such a typical city, there lived a small girl called Hena. She lined with her mother, father and grandmother in a 2 BHK flat like any other city girl, she attended school learnt music and painting she was a wonderful little girl, whom everyone loved. As usual she had numerous friends and likewise she was any other ordinary girl.

One day, she was returning from her school when she heard a stifle coming from an old lady. The old lady was sitting on the gravelled city paths, her dress was tattlered and torn at places, she had hair as white as the winter snow, and the wrinkles on her face, seemed a million years old. Tears dropped from the eyes like dew drops. The old lady was sitting with a basketfull of melons.

Because Hena was a kind-hearted girl, she stepped ahead and asked the old lady the reason of her grievance. The old lady replied that her son who was the only earning member of her family hand died in a road accident, a few days back. As her son was dead there was no one to feed her grandchildren, herself or her daughter in-law whatever money she had saved, all were spent in the last rites of her son.

Hena, asked her why no one tried helping her, or if she had even asked for help to this, the old lady replied that when she asked for help from her relatives, friends and neighbours, no one came forward. Instead some one showed them flase sympathy when others behaved rudely to with her.

Listening to her story. Hena felt deeply touched and sad she brought the old lady to her father and explained to him, the old lady's pain. Hena's father was a government servant and a man of values and principles. He decided to help, the old lady so he managed a petty job for the old lady in his department. In this way, days turned into years and Hena forgot all about this incident as she became engrossed in her studies. She turned to become an engineer, got the opportunity to work in a MNC.

One particular night, when she was returning from her work place she was attcked by some goons. Hena was scared but later she gathered her self courage and confidence as she tried to protect and defend herself. Out of the dark lanes a young lad aged around twenty-one years, came to her rescue. He fought along side her and protected her. In the meantime, the police arrived on the scene. While Hena was thanking the young boy, she enquired of his identity. To this the boy informed her that he was the younger grandchild of the old lady whom she had helped a long time ago. He also informed her that with the help of Hena's father they became financially stable and well maintained. He always tried contacting her for thanking but somehow it was never successful. ●

# The Marigolds and the Sweater

**Bhaskar Borah**
**T.D.C., 4th Semester**
**Department of Economics**

I always feel great waking up late on a Sunday. Sitting in the breakfast table I couldnot find my son, Biki. I enquired my wife as she placed the toast on my plate.

"Where is Biki, won't he have breakfast with us?"

"He is too quick dear. He has already finished his breakfast."

"Does that also mean that he has finished his glass of milk."

"Oh! you can bet on it."

"What should I do with this boy?"

"C'mon, he is too young to finish the whole glass."

"Yah, sure. But where is he now?"

"He is in your study. I think he will find someting there to play with."

"I hope not."

Finishing my breakfast I went to my study to look for my three year old son. When I opened the door I was quite amazed to see the way he was sitting in my chair staring right at his grandfather's photoframe which was kept an my table. He looked at the photograph with such sincerity and curiosity that he was not even disturbed by my presence as I entered the room. I want towards him and stood next to the chair giving a gentle tap on it. He woke up from his world of curiosity and looked at me.

"Good moring, dad" giving me a hug.

"What's my prince doing?"

"Just looking at Grandpa's picture. He is like you."

"No, my dear I am like him."

"But that is what I said no."

"Ya, almost."

Then he started firing his queer questions at me.

"Was Grandpa always like this" looking at the pic.

"Most of the time."

"Did he always wear those glasses?"

"Yes."

"While sleeping also?"

"Yes, sometimes when he used to fall asleep reading books."

"Did he read all the big books also?"

"Yes, my dear, all of them."

"Did he always keep on smilling?"

"Yes, always."

"Do you remember him."

Before I could answer this question my wife came in.

"Why are you troubling your dad, beta. He has some work to do. Come lets go to the garden and play."

"Ok, but we will play hide and seek"

"Okay"

"But I will hide first."

"Okay as you demand my king."

I gave him a kiss and both of them went to the garden. But I still had my father's photograph in my hand. His-face still seemed to be fresh like the morning dew. His hair fully black. It was not naturally black though. His warming smile which oven his big spectacles were unable to hide, made him look so lively. I sat on the chair holding the frame. I still had his-fresh memories in my mind and in my heart. I still remember the day.

I came home early from the office that day, only to find my father watering the lovely marigolds. I walked upto him.

"Taa, you need not do all this–Why don't you call Dilip."

Dilip was our gardener.

"No, I was just sitting idle and thought of watering these flowers. Since I don't have any work to do all day. So I thought why not water these beauties.

Aren't these lovely?"

"Of course they are."

"Flowers always remind me of your mother."

"Man was much more beautiful than these flowers Taa."

"Of course and her tongue sharper than the knife."

"Ya, thats true." and we both laughed.

"Where is Sujata, Taa?" I enquired about my wife.

"Oh! she is sleeping. She had her lunch and as she was-feeling tired I told her to sleep."

Sujata was pregnant by 6 months at that time.

I went inside with Taa, and we both had lunch together. As always, I discussed everything about work that day. I always used to share everything I do with my dad, right from my childhood. Sometimes he was a friend, sometimes a brother and sometimes a teacher. He guided me through everything and every path.

After lunch we both went for a short nap. In the evening all three of us had tea in the garden. Taa kept looking at the flowers. Sujata was knitting a sweater for the baby to come. Taa than moved his head towards sujata's hand and stopped. I asked Sujata to bring some biscuits from inside. After she went inside I asked Dad.

"What happened Taa, you look sad?"

"No, I am not sad. I am just missing your mom very today. You remeber when you were in school; during the winter months she always used to knitt Sweaters for both of us."

"Yes, Taa I still remember that. It always used to be a size bigger than me".

"Same in my case. But I loved the smile that she used to shower when I wore her hand knitted Sweater."

"That must be very special to you Taa."

"Ofcourse and it is still."

That night when we all went to bed, I had my wife resting in my arms. I whispered to her–

"Sweetheart."

"Yes"

"Can you do me a favour?"

"Ofcourse say what do you want?"

"Can you knitt a sweater for Taa?"

"Its not a favour. Its a pleasure. Sure I will do that ... Okay tomorrow moring I will take his measurements."

"Okay." with a short but genunie smile I kissed her good night.

The next morning I woke up and went to my father's room only to find him sleeping; forever. This time he looked more relaxed, though he was not smiling but his face, his posture was much happier. That day I lost a man but many persons. Few days after his death the marigolds dried up. When I asked Dilip he told it may be due to the cold weather.

I woke up from my thoughts when my son dashed at me.

"Dad, come on. Lets play in the garden."

"Ofcourse" And I got up from the chair. Kept the photograph on the table and rubbed the moisture from my eyes. While I was playing with my son in the garden, my wife came.

"Biki, wear this Sweater, it is too cold"

"No, Mom I don't like it!

After much wresting and making faces Biki finally wore his mom's hand-knitted Sweater and gave an unwilling smile. Sujata smiled back.

I immediately turned at the marigolds. They were glowing in the winter sun. ●

# সম্পাদকীয় প্ৰতিবেদন



**কিশোৰ কলিতা**
**স্নাতক ষষ্ঠ ষান্মাসিক, কলা শাখা**
**উপ-সভাপতি**

**স্মৃতিৰ অক্ষিপটত ঃ**

প্ৰতিবেদনৰ পাতনিতে মই সেই মহান মনীষী সকললৈ মোৰ হিয়াৰ সুনিভৃত কোণৰ পৰা নিগৰি অহা অকৃত্ৰিম শ্ৰদ্ধা, অশ্ৰু-অঞ্জলি যাচিব খুজিছোঁ যিসকল মহান মনীষীৰ একান্ত প্ৰচেষ্টা, সাধনা আৰু ত্যাগৰ বলত আমি প্ৰত্যেকেই আজি একো একোজন 'প্ৰাগ্‌জ্যোতিষীয়' বুলি গৌৰৱ কৰিব পাৰিছোঁ।

প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ নিচিনা এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়ত কোনো ধৰণৰ পূৰ্ব পৰিকল্পনা অবিহনে একমাত্ৰ মহাবিদ্যালয়ৰ অধিকাংশ ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা, অনুৰোধ তথা বন্ধু-বৰ্গৰ সহযোগিতাত ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো। এক নভবা স্বপ্নৰ ফলশ্ৰুতি হিচাপে মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ মৰম, সহযোগিতা আৰু লগতে বন্ধু-বৰ্গৰ অপাৰ সহায় সহযোগিতাত প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ ২০১৪-২০১৫ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হ'লো। মোক মহাবিদ্যালয়খনৰ বাবে সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়সমূহ ছাত্ৰ ছাত্ৰী আৰু শিক্ষাগুৰুসকললৈ মোৰ অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মোক উপসভাপতিৰ দায়িত্ব অৰ্পণ কৰাৰ পিছতেই মোৰ কাণত এটাই কথা বাৰুকৈ গুণ গুণাই আছিল মানসী দাসৰ ৰোগৰ চিকিৎসা। মানসী দাস আমাৰ মহাবিদ্যালয়ৰ প্ৰাণী বিদ্যা বিভাগৰ এগৰাকী ছাত্ৰী আছিল। কিন্তু তেওঁৰ উচিত চিকিৎসাৰ বাবে উপযুক্ত পৰিমাণৰ ধনৰ ব্যৱস্থা কৰিবলৈ তেওঁৰ পৰিয়ালবৰ্গৰ সামৰ্থ নাছিল। এই কথাষাৰে মোক যথেষ্ট শোকাম্বিত কৰিলে। কিন্তু মই হাত সাৱটি বহি নাথাকি আমাৰ ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যক লগত লৈ আৰু মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ সহযোগত মহাবিদ্যালয়ৰ প্ৰতিজন শিক্ষক অনাশিক্ষক কৰ্মচাৰী আৰু বহুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ পৰা মুঠ ২৩,০০০ হাজাৰ টকা সংগ্ৰহ কৰি তেওঁৰ পিতৃ শ্ৰীযুত প্ৰণৱ কুমাৰ দাসৰ হাতত ২৯/১১/২০১৪ তাৰিখে অৰ্পণ কৰিছিলোঁ। কিন্তু ক'বলৈ পাই যথেষ্ট দুঃখিত যে মানসী দাস এতিয়া আৰু আমাৰ মাজত নাই। আহক আমি সকলোৰে মিলি প্ৰাৰ্থনা কৰো তেওঁৰ বিদেহী আত্মাই যে চিৰশান্তি লাভ কৰে। এয়াই আছিল আমাৰ ছাত্ৰ একতা সভাৰ প্ৰথম প্ৰচেষ্টা আৰু প্ৰথম সফলতা।

**সৰস্বতী পূজা ঃ**

মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পাছতেই মোৰ প্ৰথম কাৰ্যসূচী হিচাপে পাওঁ বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীদেৱীৰ পূজা ভাগ। বিগত বছৰৰ দৰে এইবেলিও ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগত প্ৰতি বছৰৰ দৰে গভীৰ শ্ৰদ্ধাৰে আৰু উলহ মালহৰে শ্ৰীশ্ৰীসৰস্বতী দেৱীৰ পূজা উদ্‌যাপন কৰা হয়।

**মহাবিদ্যালয় সপ্তাহ (২৯ জানুৱাৰীৰ পৰা ৩ ফেব্ৰুৱাৰীলৈ) ঃ**

মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীবৃন্দ আৰু শিক্ষাগুৰুসকলৰ সক্ৰিয় সহযোগত পূজাভাগ সমাপন হোৱা পিছতে অনুষ্ঠিত হয় মহাবিদ্যালয়ৰ শীৰ্ষক ক্ৰীড়া সমাৰোহ। ছাত্ৰ একতা সভাৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতেই আমাৰ ছাত্ৰ একতা সভাৰ এক বিশেষ কাৰ্যসূচী আছিল মহাবিদ্যালয় সপ্তাহ সুকলমে পালন কৰা। এই মহাবিদ্যালয় সপ্তাহ জানুৱাৰী মাহৰ ২৯ তাৰিখৰ পৰা আৰম্ভ হৈ ফেব্ৰুৱাৰী মাহৰ ৩ তাৰিখে সামৰণি পৰিছিল। 'মহাবিদ্যালয় সপ্তাহ'ৰ প্ৰথম দিনাখন আমি এটি বৰ্ণাঢ্য অনুষ্ঠান সাংস্কৃতিক শোভাযাত্ৰাৰ আয়োজন কৰিছিলোঁ। এই শোভাযাত্ৰাত বিভিন্ন সাংস্কৃতিক দলসমূহৰ যোগদানৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে কৰ্মচাৰীবৃন্দইও আন্তৰিক সহযোগিতা আগবঢ়াইছিল। এই মহাবিদ্যালয় সপ্তাহত কম সময়ৰ ভিতৰতে ছাৰ বাইদেউৰ সহযোগত বিভিন্ন সম্পাদকে বিভিন্ন ধৰণৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছিল আৰু ছাত্ৰ-ছাত্ৰীসকলেও তেওঁলোকৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। প্ৰতিযোগিতাসমূহ ক্ৰমে—ক্ৰিকেট, ছালাড ডেকেৰেচন, ফুল ডেকোৰেচন, কইনা প্ৰতিযোগিতা, একক অভিনয়, চিত্ৰাংকন ইত্যাদি বিভিন্ন প্ৰতিযোগিতাত সকলোৰে অংশ গ্ৰহণ কৰি মহাবিদ্যালয়খনৰ এক সৌন্দৰ্যপূৰ্ণ বাতাবৰণৰ সৃষ্টি কৰিছিল। ছাত্ৰ একতা সভাৰ সাঃ সম্পাদকৰ সৈতে অন্যান্য সম্পাদকসকলৰ মনোমালিন্য ঘটাৰ ফলত মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাৰ আটাইবোৰ কাম মোক অৰ্পণ কৰা হৈছিল আৰু উল্লেখযোগ্য যে বিভিন্ন জনৰ মুখৰ পৰা জানিব

পাৰিছিলোঁ সপ্তাহৰ মুকলি সভাখনৰ সকলো ব্যৱস্থা, অনুষ্ঠান যথেষ্ট উন্নত মানদণ্ডৰ হৈছিল। এই কথাষাৰ মোক সঁচাকৈ যথেষ্ট আনন্দিত কৰিছিল।

**সম্বৰ্দ্ধনা অনুষ্ঠানঃ**

এইখিনিতেই ক'বলৈ পাই যথেষ্ট সুখী যে মহাবিদ্যালয় সপ্তাহৰ মুকলি সভাখন চলাই নিয়াৰ বাবে মোক যি ধনৰাশি মোকলাই দিয়া হৈছিল তাৰে কিছু পৰিমাণৰ ধন মোৰ হাতত ৰৈ গৈছিল আৰু মই সেইধন ৰাশি আমাৰ মাননীয় কোষাধ্যক্ষ মহোদয়ৰ হাতত অৰ্পণ কৰিছিলোঁ। সেই সময়ত মোৰ কিছু সংখ্যক ছাত্ৰ ছাত্ৰীয়ে কৈছিল যে আমাৰ মহাবিদ্যালয়ৰ NCCৰ বহু সংখ্যক Cadetএ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ গৈ সুনাম কঢ়িয়াই আনিছে। কিন্তু তেওঁলোকক আমাৰ মহাবিদ্যালয়ত সেই উপযুক্ত সন্মান দিয়াৰ পৰা বিৰত আছিল। কিন্তু মই হাত সাৰটি বহি নাথাকি মোৰ অতিৰিক্ত ৰৈ যোৱা ধন ৰাশিৰে NCCৰ প্ৰতিজন Cadet আৰু লগত অন্যান্য বিষয়ত সুনাম কঢ়িয়াই অনা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এখন সম্বৰ্দ্ধনা অনুষ্ঠানৰ আয়োজন কৰিছিলো আৰু প্ৰত্যেককে এখন ফুলাম গামোচা আৰু মানপত্ৰৰে সম্বৰ্ধনা জনাইছিলো। এয়াই আছিল প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ ইতিহাসত ছাত্ৰ একতা সভাৰ দ্বাৰা আয়োজিত প্ৰথমখন সম্বৰ্দ্ধনা অনুষ্ঠান। মোৰ এই পৰিকল্পনা সফল হ'বলৈ সক্ষম হৈছিল একমাত্ৰ মোৰ সহপাঠী সম্পাদকসকলৰ সহযোগিতাত। আশা কৰো আমাৰ পৰৱৰ্তী পৰ্যায়ৰ ছাত্ৰ একতা সভাই যেন মোৰ এই পৰিকল্পনা জীয়াই ৰাখে।

**নৱাগত আদৰণি সভা ঃ**

ইয়াৰ পাছত আহিছিল সকলো নৱাগতই অতি আগ্ৰহে বাট চাই থকা দিনটো 'নৱাগত আদৰণি সভা'। অতি উলহ-মালহেৰে আৰু জাকজমকীয়া অনুষ্ঠানেৰে এই সভাখন সুকলমে পাৰ হৈ যায়। আমাৰ এই নৱাগত আদৰণি সভাখন বিগত বছৰসমূহতকৈ যথেষ্ট ব্যতিক্ৰম ভাৱে উপস্থাপন কৰা হয়।

**আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ ঃ**

গুৱাহাটী বিশ্ববিদ্যালয়ৰ অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ আছিল আমাৰ অন্তিম কাৰ্যসূচী। এই যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ অধিক সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰি পুৰষ্কাৰ লাভ কৰিবলৈ সক্ষম হয়। এই ক্ষেত্ৰত আমাৰ শিক্ষাগুৰুসকল তথা আমাৰ ছাত্ৰ একতা সভাৰ সম্পাদক সকলৰো যথেষ্ট অৰিহণা আছে।

**শলাগ দৰ্পণত ঃ**

শেষত মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° হলধৰ তালুকদাৰ ছাৰ, অধ্যক্ষা মহোদয়া পল্লৱী শৰ্মা বাইদেউ আৰু সকলো সময়তে মোক দিহা পৰামৰ্শ দি সহায় সহযোগিতাত আগবঢ়োৱা ড° বৈকুণ্ঠ ৰাজবংশী ছাৰ, অভিজিৎ দত্ত ছাৰ, ড° জয়ন্ত ডেকা ছাৰ আৰু মোৰ তত্ত্বাৱধায়ক ড° প্ৰণতি শৰ্মা গোস্বামী বাইদেউলৈ মোৰ তৰফৰ পৰা কৃতজ্ঞতা জনাইছোঁ। তদুপৰি প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ নিচিনা এখন ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানৰ উপ-সভাপতিৰ দায়িত্ব বহন কৰোঁতে হয়তো অজানিতে কৰবাত ভুল-ত্ৰুটি হ'ব পাৰে তাৰ বাবে মই ক্ষমা ভিক্ষা মাগিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা।

● ● ●



## প্ৰসেনজিৎ কলিতা

**স্নাতক চতুৰ্থ ষাণ্মাসিক,**
**বিজ্ঞান শাখা**
**সাধাৰণ সম্পাদক**

জয়, জয়তে, মই প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়খনৰ প্ৰতি মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছোঁ। সাধাৰণ সম্পাদকৰ প্ৰতিবেদনৰ আৰম্ভণিতে মই মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক মোৰ আন্তৰিক ধন্যবাদ জনাইছোঁ।

আমি দায়িত্বভাৰ লোৱাৰ পিছতে 'মহাবিদ্যালয় সপ্তাহ' হৈছে। আমাৰ প্ৰথম কাৰ্যসূচী অনুসৰি প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীসকলৰ সম্পূৰ্ণ সহযোগত আমি যোৱা ২৯-০১-২০১৫ তাৰিখৰ পৰা ৩০-০২-২০১৫ লৈ অতি সুন্দৰভাৱে সফলতাৰে বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাবিদ্যালয় সপ্তাহ আয়োজন কৰিবলৈ সক্ষম হৈছিলোঁ। প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ ইতিহাসত সোণালী আখৰেৰে লিখিব পৰাকৈ 'মহাবিদ্যালয় সপ্তাহ'ৰ লগত সংগতি ৰাখি এটি নতুন দিশ সংযোজিত কৰিবলৈ সক্ষম হৈছিলোঁ। সেয়া হ'ল— 'মহাবিদ্যালয়ৰ সপ্তাহ'ৰ প্ৰথম দিনা অনুষ্ঠিত কৰি উলিওৱা এটি বৰ্ণাঢ্য অনুষ্ঠান "সাংস্কৃতিক শোভাযাত্ৰা "ৰ আয়োজন। এই শোভাযাত্ৰাত বিভিন্ন সংস্কৃতিৰ—দল সমূহৰ যোগদানৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে কৰ্মচাৰী বৃন্দয়ো আন্তৰিক সহযোগিতা আগবঢ়াইছিল। ইয়াৰ পিছত মহাবিদ্যালয় সপ্তাহৰ চাৰি দিনৰ কাৰ্যসূচী অনুযায়ী শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ মাজত

কিছু খেল ধেমালিও অনুষ্ঠিত কৰা হৈছিল। ক্ৰমে—ক্ৰিকেট, ভলীবল, কেৰেম, কাব্বাডি, বেডমিণ্টন, টেবুল টেনিচ, চেচ, লুডু, লাঠি দলিওৱা, কবিতা আবৃত্তি, কবিতা লিখা, একক অভিনয়, চিত্ৰাংকণ, কইনা প্ৰতিযোগিতা আৰু সংগীত প্ৰতিযোগিতা ইত্যাদি বিভিন্ন প্ৰতিযোগিতাত সকলোৱে অংশ গ্ৰহণ কৰি অতি উলহ-মালহেৰে প্ৰতিযোগিতাসমূহৰ লগতে মহাবিদ্যালয়ৰ সৌষ্ঠৱ বৃদ্ধিত অৰিহনা যোগাইছিল। ইয়াৰ লগতে মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী বৃন্দও বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি উৎফুল্লিত হৈছিল।

উল্লেখযোগ্য যে বিভিন্নজনৰ মুখৰ পৰা জানিব পাৰিছিলোঁ যে অইন বাৰতকৈ 'মহাবিদ্যালয় সপ্তাহ'ত অংশ গ্ৰহণ কৰা প্ৰতিযোগীৰ সংখ্যা এইবাৰ অত্যাধিক। প্ৰতিযোগীয়ে বটা গ্ৰহণ কৰাৰ যি মনোবৃত্তি তাৰ জৰিয়তে অদূৰ ভৱিষ্যতেও তেওঁলোকে ব্যক্তিত্বৰ লগতে দেশৰ সুনাম কঢ়িয়াই আনিব পাৰিব বুলি আমি আশা কৰিলোঁ।

ছাত্ৰ একতা সভাৰ প্ৰতিনিধি হিচাপে নিজৰ যি দায়িত্ব তাক মোৰ লগতে মোৰ সতীৰ্থসকলেও অক্লান্ত প্ৰচেষ্টা কৰি গৈছে প্ৰতিটো কাৰ্যসূচীতে। আমাৰ কাৰ্যকালৰ ভিতৰত বিভিন্ন কলেজসমূহেও অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ আৰু পুৰস্কাৰ প্ৰাপ্তিৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ অতীতৰ পৰা এটা ইতিহাস আছে। ক্ৰিকেট, ফুটবল, ইত্যাদি বহুতো খেলত দেখুৱা পাৰদৰ্শীতাই আমাৰ মহাবিদ্যালয়েই সুনাম কঢ়িয়াই আনিছে। মহাবিদ্যালয়ৰ প্ৰতিটো অনুষ্ঠানক সু-শৃংখলিতভাৱে সহায়-সহযোগ আগবঢ়োৱাৰ ক্ষেত্ৰত মহাবিদ্যালয় আছু গোট, এন, চি, চি, এন, এচ, এচ; ৰেডৰিবন আদি শাখাসমূহৰ সাহাৰ্য চিৰস্মৰণীয়।

উল্লেখযোগ্য যে, পুৰণিৰ গমনৰ লগে, লগে, নতুনৰ যিদৰে আগমন হয় ঠিক তেনেদৰে আমি গ্ৰহণ কৰা কাৰ্যকাল আৰু তাৰো এদিন অন্ত পৰিবই। সাধাৰণ সম্পাদকৰ দৰে যি গুৰু দায়িত্বভাৰ মোক অৰ্পণ কৰিছিল তাৰ প্ৰতি সন্মান ৰাখি মই অতি নিষ্ঠাৰে আনুষ্ঠানিকভাৱে নিজৰ প্ৰতিটো কামেই দায়িত্ব অনুসাৰে পালন কৰিছোঁ। মোৰ কাৰ্যকালত যদি অজানিতে কৰা ভুলৰ বাবে সকলোৰে ওচৰত বিনম্ৰভাৱে ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ আৰু লগতে অনাগত দিনটো সাধাৰণ ছাত্ৰ হিচাপেও আমি মহাবিদ্যালয়খনৰ প্ৰতি থকা দায়িত্ব অতি নিষ্ঠাৰে পালন কৰি যাম।

ধন্যবাদেৰে—

"জয়তু প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়"

"জয়তু প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

● ● ●




## সুৰজিৎ বৰ্মণ

**স্নাতক চতুৰ্থ ষান্মাসিক, বিজ্ঞান শাখা**

**সহ-সাধাৰণ সম্পাদক**


প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সহঃ সাধাৰণ সম্পাদক হিচাপে পৰিচয় দিবলৈ লোৱাৰ পৰ্বত মই অসম তথা ভাৰত ভূমিৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া শ্বহীদ বীৰ-বীৰাঙ্গনালৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। তদুপৰি যিসকল স্বনামধন্য দূৰদৰ্শী ব্যক্তিৰ পৰিশ্ৰমৰ মাজেৰে এনে এখন ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান গঢ় লৈ উঠিলে, সেই বৰেণ্য ব্যক্তিসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

ছাত্ৰ একতা সভাৰ পদত থিয় দিয়া ক্ষণৰ পৰাই মহাবিদ্যালয় নিয়ম-নীতি অটুট ৰাখি সম্পাদকৰ দায়িত্ব ভাৰ গ্ৰহণ কৰি তাক সূচাৰুৰূপে চলাই নিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিলোঁ। ইয়াত কিমান দূৰ সফল হৈছো তাৰ বিচাৰ দায়িত্ব মই মোৰ শিক্ষাগুৰুৰ হাতত ন্যস্ত কৰিলোঁ। দায়িত্বভাৰ এক জ্ঞানস্বৰূপ। বাৰুকৈয়ে এই জ্ঞান অতুলনীয়। সাধাৰণ ছাত্ৰ হিচাপে এই ছাত্ৰ একতা সভাত অন্তৰ্ভুক্ত হৈ সমূহ ছাত্ৰ-ছাত্ৰীক সহায়-পৰামৰ্শ প্ৰদানত অৱহেলা প্ৰকাশ মোৰ জ্ঞাত নহয়। প্ৰতিবেদনত হয়তো মোৰ কাৰ্যৰে থূল মূল অংশ সন্নিৱিষ্ট কৰাটো বাঞ্চনীয়, কিন্তু মই এই কাৰ্যৰ মাজেৰে ভৱিষ্যত গঢ়ি তোলাৰ যিবোৰ জ্ঞান-সহায় আহৰণ কৰিলো, তাৰ বাবে মই সদায় মোৰ শিক্ষাগুৰু তথা মোৰ সহপাঠীসকলৰ আগত চিৰ ঋণী হৈ ৰ'ম।

ছাত্ৰ জাতিৰ একতাই প্ৰধান। তদুপৰি তাতোকৈ উল্লেখনীয় ছাত্ৰ আৰু শিক্ষকৰ পৰস্পৰ সহযোগিতা। শিক্ষকৰ ভাল উপদেশ তথা সু-শিক্ষাৰ আমি ফলকস্বৰূপ। এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। মহাবিদ্যালয়ৰ চিনাকি এই সম্বন্ধৰ ওপৰতেই নিৰ্ভৰশীল। এইখিনিতে উল্লেখ কৰিবলৈ বিচাৰোঁ যে ছাত্ৰ-ছাত্ৰীসকলৰ মৌলিক-বৌদ্ধিক বিকাশৰ মাজেৰে তাৰ লগত জড়িত সমূহ সমস্যা সমাধানৰ ক্ষেত্ৰত হেঙাৰৰূপে থিয় দিয়া সমূহ ব্যক্তিবিশেষকৰ বিৰুদ্ধে ছাত্ৰ সমাজে সদায় চৰম ভূমিকা লোৱাটো অতিকৈ গুৰুত্বপূৰ্ণ।

"ছাত্ৰ-ৰাজনীতি" নামটো সঘনাই মনলৈ আহে। এজন সাধাৰণ ছাত্ৰ হিচাপে পৰিচয় দি, এনে ৰাজনৈতিক মনোভাৱৰ পৰা নিজকে বিৰত ৰাখিছিলোঁ। তদুপৰি এনে দুষ্ট মনোভাৱৰ দ্বাৰা মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰিবলৈ যত্ন কৰা সমূহ ব্যক্তিবিশেষৰ বিৰুদ্ধে যুঁজ দিয়াত কেতিয়াও পিছুৱাই অহা নাছিলোঁ। হয়তো নিৰ্দ্দিষ্ট সময়ত কাৰ্যভাৰৰ বোজাই মোৰ অধ্যয়নৰ দিশত কিছু প্ৰভাৱ পেলাইছিল; কিন্তু মোৰ পথ-প্ৰদৰ্শক ৰূপত সদায় মোৰ শিক্ষাগুৰুসকল সহায়ক আছিল। এই ক্ষণতে মই মোৰ পদাৰ্থ বিজ্ঞান বিভাগৰ সমূহ শিক্ষাগুৰুক মোৰ শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। বিভাগীয় পৰিচয় বাৰুকৈয়ে প্ৰয়োজনীয় যিহেতু এনে এটি গৌৰৱশীল বিভাগত জড়িত হৈ মই ছাত্ৰ-জীৱনৰ সমূহ জ্ঞান আহৰণ কৰিবলৈ সক্ষম হৈছিলোঁ। এই ছেগতে মই এইখন মহাবিদ্যালয়ৰ প্ৰাক্তন

অধ্যক্ষ হলধৰ তালুকদাৰ ছাৰ, বৰ্তমানৰ অধ্যক্ষা পল্লৱী শৰ্মা বাইদেউ, তত্বাৱধায়ক মানৱ ডেকা ছাৰ, শ্ৰদ্ধাৰ ড° বৈকুণ্ঠ ৰাজবংশী, ড° বিশ্বজ্যোতি দেৱ মহন্ত, নীৰেন্দ্ৰ নাথ ঠাকুৰীয়া ছাৰ, ড° প্ৰিয়ম বৰঠাকুৰ, বদন চন্দ্ৰ মহন্ত ছাৰ, ড° জয়ন্ত ডেকা, প্ৰদীপ চন্দ্ৰ কলিতা ছাৰ, ড° অভিজিৎ কুমাৰ দত্ত প্ৰমুখ্যে পদাৰ্থ বিজ্ঞান বিভাগৰ শিক্ষাগুৰু প্ৰণৱ কুমাৰ দাস ছাৰ, ড° ৰঞ্জিতা ডেকা বাইদেউ, ড° মৃণালিনী দাস চুতীয়া বাইদেউ, সৌমাৰ ৰাজখোৱা ছাৰ, ড° ৰুণিমা বৈশ্য আৰু মোৰ পদ তত্বাৱধায়ক মানৱ ডেকা ছাৰলৈ সমূহ শিক্ষাগুৰুসকল, ছাত্ৰ-একতা সভাৰ সদস্যসকল, পুথিভঁৰাল তথা কাৰ্যালয়ৰ সমূহ কৰ্মকৰ্তা আৰু মোৰ মৰমৰ সহপাঠী আৰু ছাত্ৰ-ছাত্ৰীসকললৈ মই মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

প্ৰতিবেদনৰ হয়তো অন্ত পালেহি। লিখিত আকাৰে কৰ্তব্যৰ চানেকি প্ৰদানৰ পৰা বিৰত থাকিবলৈ বিচাৰিছোঁ যদিও থূল-মূলকৈ এক আভাস দিবলৈ যত্ন কৰিছোঁ। সমূহ বিভাগীয় সম্পাদকৰ কাৰ্যত সহায়-সহযোগিতা, মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজাৰ আয়োজন, স্বৰ্গীয় মানসী দাসৰ চিকিৎসা সহায়, বান সাহাৰ্য বিতৰণ, “মৈত্ৰী”—আন্ত সন্মিলনত যোগদান, N.C.C. তথা আন আন দিশত পাৰদৰ্শিতা অৰ্জনকাৰী ছাত্ৰ-ছাত্ৰীৰ অভিনন্দন, যুৱ-মহোৎসৱ, কেন্টিন তথা ছাত্ৰ জিৰণী কোঠাৰ ব্যৱস্থাপনা আৰু অন্তত এক সুন্দৰ “নৱাগত আদৰণি সভাৰ” আয়োজন মোৰ কৰ্মৰ এক চমু বিৰৰণী।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল-ভ্ৰান্তিৰ ক্ষমা বিচাৰি ছাত্ৰ-শিক্ষক সম্বন্ধ দৃঢ় কামনাৰ লগতে মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰ উন্নতি আৰু প্ৰগতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

“জয়তু প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়”

“জয়তু প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় ছাত্ৰ একতা সভা”

“জয় আই অসম”

●●●

## হিমাংশু শৰ্মা



**স্নাতক দ্বিতীয় ষাণ্মাসিক, কলা শাখা**
**সম্পাদক**
**ছাত্ৰ জিৰণী কোঠা আৰু**
**লঘু খেল বিভাগ**

প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই মহান ব্যক্তি সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা, অশ্ৰু অঞ্জলি যাচিব বিচাৰিছো, যিসকল মহান মনীষীৰ একান্ত প্ৰচেষ্টা আৰু ত্যাগৰ ফলত আমি সকলোৱে নিজকে একো একোজন প্ৰাগ্‌জ্যোতিষীয় বুলি গৌৰৱ কৰিব পাৰিছোঁ।

ইং ১৯৫৪ চনতে কলি মেলা প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় আজি একবিংশ শতিকাৰ এটা সম্পূৰ্ণ ফুল, যাৰ সুগন্ধই সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলকেই আমোলমোলাই ৰাখিছে। এইখন মহাবিদ্যালয় চৌহদৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশে মোক বাৰুকৈয়ে আপ্লুত কৰিছিল। লাহে লাহে নিৰ্বাচনৰ সময় চমু চাপি আহিছিল আৰু মহাবিদ্যালয়ৰ মোৰ সহপাঠী আৰু দাদা-বাইদেউ সকলৰ অনুৰোধত মই ছাত্ৰ একতা সভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ আগবাঢ়িছিলোঁ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা আৰু সমৰ্থনত মই ছাত্ৰ জিৰণি কোঠা আৰু লঘু খেল বিভাগত জয়ী হ'লো, যাৰ কাৰণে মই ধন্যবাদ জনাব বিচাৰিম প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক। এই মহান মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ এজন সম্পাদকৰ পদবী অলংকৃত কৰিবলৈ পায় যথেষ্ট গৌৰৱ অনুভৱ কৰিছিলোঁ। ৫ নৱেম্বৰ,২০১৪ ইং তাৰিখে সম্পাদক হিচাপে নিজৰ দায়িত্ব নিষ্ঠা আৰু সততাৰে পালন কৰিম বুলি শপত গ্ৰহণ কৰি, ছাত্ৰ একতা সভাৰ কক্ষত নিজৰ আসনখনক সন্মান জনাই বহিছিলোঁ।

কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছত শুনিবলৈ পালো আমাৰ মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ ছাত্ৰী মানসী দাসে জাপানিজ এনকেফেলাইটিচ্ ৰোগত ভূগি আছে। লগে লগে আমি তেওঁৰ খবৰ ল'বলৈ গ'লো আৰু গম পালো তেওঁৰ ঘৰৰ অৰ্থনৈতিক অৱস্থা কিছু দুৰ্বল। তাৰ পিছত আমি ছাত্ৰ একতা সভাই অধ্যক্ষ মহোদয় আৰু প্ৰবক্তা সকলৰ লগত আলোচনাত মিলিত হৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, মাননীয় আৰু প্ৰবক্তা সকলৰ সহযোগত সৰ্বমুঠ নগদ ২৩,০০০/- টকা সাহায্য হিচাপে আগবঢ়ালোঁ। কিন্তু অৱশেষত দুৰ্ভাগ্যবশতঃ মানসী দাসক আৰু আমি আমাৰ মাজত ঘূৰাই নাপালোঁ।

**সৰস্বতী পূজা ঃ** চাওঁতে চাওঁতে বিদ্যাৰ অধিষ্ঠাত্ৰী, হংসবাহিনী দেৱী সৰস্বতী পূজাভাগ পালেহি। মহাবিদ্যালয়ৰ অধ্যাপকসকলৰ তত্বাৱধানত, ছাত্ৰ একতা সভা আৰু সমূহ ছাত্ৰ-ছাত্ৰীৰ সহযোগত পূজাভাগ আনন্দ-উলাহৰ মাজেৰে সুকলমে পাৰ হৈ গ'ল।

**মহাবিদ্যালয় সপ্তাহঃ** এতিয়া আহিছো ছাত্ৰ-ছাত্ৰীৰ দক্ষতা বিকাশৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অনুষ্ঠান— মহাবিদ্যালয় সপ্তাহলৈ। ২৯-০১-২০১৫ ইং তাৰিখৰ পৰা ০৩-০২-২০১৫ তাৰিখলৈ অনুষ্ঠিত হোৱা ‘মহাবিদ্যালয় সপ্তাহ’ অতি সুকলমে পাৰ হৈ গৈছিল। বিশেষকৈ লঘুখেল বিভাগৰ সমূহ খেল-ধেমালি সুচাৰুৰূপে সম্পন্ন কৰিবলৈ সক্ষম হৈছিলোঁ। আৰু এই ক্ষেত্ৰত মোক মোৰ তত্বাৱধায়ক মাননীয় বিদ্যুত বিকাশ বৈশ্যছাৰে বিভিন্ন ধৰণৰ পৰামৰ্শৰে সহায় কৰিছিল আৰু লগতে মহাবিদ্যালয়ৰ কেইজনমান আগৰণুৱা ছাত্ৰ-ছাত্ৰীয়ে মোক যথেষ্টখিনি সহায় কৰিছিল।

ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিটো প্ৰতিযোগিতাতেই অংশ গ্ৰহণ কৰি নিজৰ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল। এনেকৈয়ে সাংস্কৃতিক শোভাযাত্ৰাৰ পৰা আৰম্ভ কৰি বঁটা-বিতৰণী সভালৈকে সমূহ কাৰ্যসূচী তত্বাৱধায়ক আৰু ছাত্ৰ একতা সভাৰ পূৰ্ণ সহযোগিতাত সুস্থিৰতাৰ মাজেৰে সম্পন্ন হয়।

**সম্বৰ্দ্ধনা অনুষ্ঠান ঃ** আমাৰ মহাবিদ্যালয়ৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আন্তঃৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছিল। সেয়েহে তেওঁলোকক সন্মান জনোৱাৰ অৰ্থে ছাত্ৰ একতা সভাৰ তৰফৰ পৰা এখনি সম্বৰ্দ্ধনা সভাৰ আয়োজন কৰিছিলোঁ।

**আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ ঃ** প্ৰতিবছৰৰ দৰে যোৱাটো বছৰতো আমাৰ মহাবিদ্যালয়ৰ কিছু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰিছিল। কিন্তু সাংস্কৃতিক বিভাগ আৰু সংগীত বিভাগৰ সম্পাদকৰ অনুপস্থিতিত মহাবিদ্যালয়ৰ অংশ গ্ৰহণকাৰী দলটোক প্ৰতিনিধিত্ব কৰাৰ দায়িত্ব মোক অৰ্পণ কৰা হৈছিল। উক্ত মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে পাৰদৰ্শিতা দেখুৱাই মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছিল।

**নৱাগত আদৰণি সভা ঃ** শেষত আমাৰ অন্তিম কাৰ্যসূচী হিচাপে নৱাগত সকলক আদৰণি জনোৱাৰ বাবে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰিছিলোঁ। উক্ত সভাখন চলাই নিয়াত আমাৰ মহাবিদ্যালয়ৰ প্ৰবক্তা সকলে আমাক ছাত্ৰ একতা সভাক যথেষ্টখিনি সহায় কৰিছিল। লগতে উক্ত সভাখন আনবোৰৰ তুলনাত কিছু পৰিমাণে উন্নত হোৱা বুলি শুনি আনন্দিত হৈছিলোঁ।

লাহে লাহে আমি আগবাঢ়িলো আমাৰ কাৰ্যকালৰ অন্তিম পৰ্যায়ৰ ফালে। আমি ছাত্ৰ একতা সভাই আমাৰ কাৰ্যকালত মহাবিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰতো যথেষ্ট গুৰুত্ব প্ৰদান কৰিছিলোঁ। বিশেষকৈ মোৰ বিভাগৰ ছাত্ৰ জিৰণি কোঠাটো নিৰ্মাণ কৰাত যথেষ্ট গুৰুত্ব দিছিলোঁ। লগতে প্ৰস্ৰাৱগাৰ, ছাত্ৰ একতা সভাৰ প্ৰয়োজনীয় সামগ্ৰী, উন্নতমানৰ খোৱা-পানীৰ ব্যৱস্থা, উন্নত মানৰ গ্ৰন্থাগাৰ, ছাত্ৰ-ছাত্ৰীৰ বাবে ইণ্টাৰনেট সেৱাৰ ব্যৱস্থা কৰা আদি বিভিন্ন ক্ষেত্ৰৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে আমি সদায়েই চেষ্টা চলাই আহিছিলোঁ। আনহাতে, NCC ব্লকৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে আমি বহুবাৰ আবেদন কৰাৰ পিছত হয়তো নগণ্য পৰিমাণৰ কাম হ'ল যদিও সম্পূৰ্ণ কামখিনি হৈ নুঠিল।

ছাত্ৰ একতা সভাৰ কাৰ্যকালত মোৰ বিভাগৰ তত্বাৱধায়ক ড° বিদ্যুৎ বিকাশ বৈশ্য ছাৰে মোক সকলো ক্ষেত্ৰতে দিহা-পৰামৰ্শৰ জৰিয়তে যথেষ্টখিনি সহায় কৰিছিল। লগতে ড° অভিজিৎ দত্ত ছাৰ, ড° বৈকুণ্ঠ ৰাজবংশী ছাৰ, বিশ্বজ্যোতি দেৱ মহন্ত ছাৰে আমাক বিভিন্ন ধৰণৰ পৰামৰ্শ আগবঢ়াই সহায় সহযোগ কৰিছিল। বিশেষকৈ ছাত্ৰ একতা সভাৰ সমূহ তত্বাৱধায়ক, মাননীয় প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ মহোদয় হলধৰ তালুকদাৰ ছাৰ, মাননীয় অধ্যক্ষা মহোদয়া পল্লৱী শৰ্মা বাইদেউৰে আমাৰ প্ৰতিটো কামতে যথেষ্ট সহযোগ কৰি পথ প্ৰদৰ্শকৰ ভূমিকা পালন কৰিছিল। সেয়েহে সকলোৰে প্ৰতি মই আৰু ছাত্ৰ একতা সভাই কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক প্ৰতিটো কাৰ্যক্ৰমত সহায় সহযোগিতা কৰাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আশা কৰো, আমাৰ পিছৰ ছাত্ৰ একতা সভাইয়ো যাতে নিষ্ঠা সহকাৰে কাম কৰি মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাম কৰি যায়।

শেষত প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিলো আৰু অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিলোঁ।

জয়তু প্ৰাগজ্যোতিষ মহাবিদ্যালয়।।

জয়তু প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা।।

● ● ●



## ৰীপা দাস

**স্নাতক দ্বিতীয় ষান্মাসিক, কলা শাখা**
**সম্পাদক**
**ছাত্ৰী জিৰণি কোঠা আৰু**
**লঘু খেল বিভাগ**

কাৰ্যভাৰ গ্ৰহণ কৰিয়েই সামৰ্থ অনুসৰি যিখিনি সম্ভৱ সেই সুবিধাখিনি ছাত্ৰী ছাত্ৰীসকলক দিবলৈ চেষ্টা কৰাৰ লগতে মহাবিদ্যালয় কৰ্তৃপক্ষকো ছাত্ৰীসকলে সচৰাচৰ সন্মুখীন হোৱা অসুবিধা সমূহৰ বিষয়ে অৱগত কৰাইছিলোঁ এইখিনিতে উল্লেখ কৰিব বিচাৰিছোঁ যে মোৰ কাৰ্যকালতে ছাত্ৰী জিৰণী কোঠাত পৰ্দা, Notice Board, একুৱাগাৰ্ড, কোঠাটোত ভাঙি থকা খিৰিকিৰ আইনা লগোৱা, ডাষ্টবিন ইত্যাদি যোগান ধৰাৰ উপৰি ভালেমান বহুদিনীয়া অভাৱ পূৰণ কৰিবলৈ সমৰ্থ হৈছিলোঁ।

মোৰ কাৰ্যভাৰ সুচাৰুৰূপে পালন কৰি নিয়াত সম্পূৰ্ণ দিহা পৰামৰ্শ আৰু হাতে কামে সহায় আগবঢ়োৱাৰ বাবে মোৰ বিভাগীয় তত্বাৱধায়িকা শ্ৰদ্ধাৰ ড° ইৰা দাস বাইদেউক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰতিবেদনৰ শেষত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লো।

প্ৰাগজ্যোতিষ মহাবিদ্যালয় গৌৰৱোজ্জ্বল ভৱিষ্যতৰ কামনাৰে প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিছোঁ।

"জয়তু প্ৰাগজ্যোতিষ মহাবিদ্যালয়"

"জয়তু প্ৰাগজ্যোতিষ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

● ● ●




## চিমি মহন্ত

**স্নাতক পঞ্চম ষান্মাসিক,**

**বিজ্ঞান শাখা**

**সম্পাদক**

**তৰ্ক আৰু আলোচনাচক্ৰ বিভাগ**


প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে তেওঁলোকৰ আপ্ৰাণ চেষ্টা আৰু কষ্টৰ ফলত আমাৰ এই প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় গঢ়ি তুলি প্ৰত্যেকগৰাকী ছাত্ৰ-ছাত্ৰীলৈ সি এক জ্ঞানৰ পোহৰ আগবঢ়ালে, সেই মহান ব্যক্তিসকললৈ মই শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে আমাৰ ছাত্ৰ একতা সভাৰ প্ৰথম দায়িত্ব আহি পৰিছিল মহাবিদ্যালয় সপ্তাহ সুকলমে পালন কৰা। এই 'মহাবিদ্যালয় সপ্তাহ' জানুৱাৰী মাহৰ ২৭-০১-২০১৫ তাৰিখৰ পৰা আৰম্ভ হৈ ০১-০২-০২১৫ ফেব্ৰুৱাৰী তাৰিখে সামৰণি পৰিছিল। এই মহাবিদ্যালয় সপ্তাহৰ কম সময়ৰ ভিতৰতে ছাৰ বাইদেউ আৰু মোৰ ছাত্ৰ একতা সভাৰ সদস্যসকলৰ সহযোগত মই তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতা ইত্যাদি অনুষ্ঠিত কৰাৰ এক বিৰল সুযোগ লাভ কৰিছিলোঁ আৰু ইয়াত মোক বিশেষভাৱে সহায় কৰিছিল মোৰ তত্বাৱধায়ক ড° অভিজিৎ কুমাৰ দত্ত চাৰে।

মই পৰম গৌৰৱেৰে জনাবলৈ পাই সুখী হৈছো যে মোৰ কাৰ্যকালৰ সময়ছোৱাত আমাৰ মহাবিদ্যালয় ছাত্ৰী চেহনাজ চুলতানাই ৰঙিয়া মহাবিদ্যালয়ত অনুষ্ঠিত সদৌ অসম ভিত্তিত হোৱা তৰ্ক প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰি আমাৰ মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। ইয়াৰোপৰি বৰপেটাত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতা তৃতীয় পুৰষ্কাৰ লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে।

সদৌ শেষত প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ লগতে তৰ্ক বিভাগৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ কাৰ্যকালত হোৱা অনিচ্ছাকৃত ভূলৰ বাবে মাৰ্জনা বিচাৰি আৰু দেশ জাতিৰ অস্তিত্ব ৰক্ষাৰ্থে প্ৰাণাহুতি দিয়া শ্বহিদসকলৰ প্ৰতি প্ৰণিপাত জনাই মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

*"জয়তু প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়"*

*"জয়তু প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় ছাত্ৰ একতা সভা"*

● ● ●




## থেংতম্ বে

**স্নাতক পঞ্চম ষান্মাসিক,**

**বিজ্ঞান শাখা**

**সম্পাদক, সংগীত বিভাগ**


প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বীৰ শ্বহীদে দেশ মাতৃৰ হকে সকলো স্বাৰ্থ ত্যাগ কৰি নিজকে উৎসৰ্গা কৰিলে তেওঁলোকৰ চৰণত পোন প্ৰথমে প্ৰণাম জনাইছোঁ, লগতে এই মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকললৈ মোৰ শতকোটি প্ৰণাম আৰু সমূহ প্ৰাগ্‌জ্যোতিষীয়লৈ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

লুইতৰ পাৰৰ ঐতিহ্যমণ্ডিত প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সংগীত বিভাগৰ সম্পাদকৰ দৰে গুৰুত্বপূৰ্ণ পদত নিৰ্বাচিত হোৱা বাবে মই সকলো অগ্ৰজ, অনুজ, তথা বন্ধু-বান্ধৱলৈ হিয়াভৰা মৰম যাঁচিছোঁ।

নিৰ্বাচিত হৈয়েই চেষ্টা কৰিছিলো মহাবিদ্যালয় সপ্তাহৰ সংগীত বিভাগৰ প্ৰতিযোগিতাসমূহ যাতে এক নতুন ৰূপেৰে উপস্থাপন কৰিব পাৰো। এইক্ষেত্ৰত মোৰ তত্বাৱধায়ক বিশ্বজ্যোতি দেৱ মহন্ত চাৰৰ পৰা যথেষ্ট উৎসাহ আৰু অনুপ্ৰেৰণা লাভ কৰিছিলোঁ। মহাবিদ্যালয় সপ্তাহত মই ভিন্ন ধৰণৰ সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰিছিলোঁ। লোকগীত, জ্যোতি সংগীত, ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, বৰগীত, শাস্ত্ৰীয় সংগীত আৰু লঘু শাস্ত্ৰীয় সংগীত আদি প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিছিলোঁ। আমাৰ মহাবিদ্যালয়ত সংগীত প্ৰতিভাৰ অভাৱ নাই। যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰিছিল। বহু প্ৰতিযোগীয়ে পুৰস্কাৰ লাভ কৰে যদিও সংগীতা ৰাজবংশীয়ে শ্ৰেষ্ঠ কণ্ঠশিল্পীৰ সন্মান লাভ কৰে।

তদুপৰি যুৱ মহোৎসৱৰ দৰে উচ্চ মানদণ্ডৰ প্ৰতিযোগিতা আমাৰ মহাবিদ্যালয়ৰ শিক্ষাৰ্থীয়ে পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়। এয়া আমাৰ মহাবিদ্যালয়ৰ বাবে গৌৰৱৰ কথা। ২০১৪-১৫ বৰ্ষত গুৱাহাটী বিশ্ববিদ্যালয়ে অনুষ্ঠিত হোৱা সংগীত প্ৰতিযোগিতাত জ্যোতি সংগীত, ৰাভা সংগীত, ভূপেন্দ্ৰ সংগীত, পাৰ্বতী প্ৰসাদ বৰুৱা সংগীত, বনগীত, আধুনিক গীত বৰগীত, লোকগীত আৰু জয়ন্ত হাজৰিকা সংগীতত অংশ গ্ৰহণ কৰিছিল আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী সংগীতা ৰাজবংশীয়ে। প্ৰথমে এই প্ৰতিযোগিতাসমূহ জিলা ভিত্তিক আয়োজন কৰা হৈছিল আৰু এই প্ৰতিযোগিতাসমূহত আমাৰ মহাবিদ্যালয়ে ভূপেন্দ্ৰ সংগীতত জয়ন্ত হাজৰিকা সংগীত, পাৰ্বতী প্ৰসাদ বৰুৱা সংগীত আৰু বনগীতত প্ৰথম পুৰষ্কাৰ লাভ কৰে। তাৰ পিছত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা পাৰ্বতী প্ৰসাদ

বৰুৱা সংগীত, জয়ন্ত হাজৰিকা সংগীত আৰু বনগীততো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীগৰাকীয়ে পুৰস্কাৰ বুটলিবলৈ সক্ষম হয়।

মোৰ সাধ্যানুসাৰে কৰণীয় সকলোখিনি মই কৰিলোঁ। কিন্তু সফল হ'লো নে অসফল সেয়া মই বিচাৰ কৰিব নোৱাৰিম। তদুপৰি মোৰ কাৰ্যকালত সহায় কৰা প্ৰত্যেকজন ছাৰ-বাইদেউ আৰু মোৰ সতীৰ্থসকলক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু মোৰ তত্বাৱধায়ক অধ্যাপক বিশ্বজ্যোতি দেৱ মহন্ত ছাৰক বিশেষভাৱে ধন্যবাদ ও কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

"জয়তু প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়"

"জয়তু প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

● ● ●



**Sunita Boro**
**T.D.C., 4th Semester**
**General Sports Secretary**

At the beginning I wanted to offer my heartful gratitude or thanks to all the members of teaching staff, non-teaching staff and my fellow union members. I want to express my gratitude to our honourable Ex-Principal Prof. Haladhar Talukdar Sir, Present Principal i/c Mrs Pallabi Sharmah Madam and our respected Dr. Amarjyoti Dutta sir for their guidance and encouragment. I served as General Sports Secretary.

After taking charge our first step was to organise the annual college week. In my section I organised Kabbaddi and shot-put and both boys and girls participated there. By the help of my fellow members I succeded in organising events. The cultural rally was also a grand success. There after we organised Saraswati Puja. Last but not the least we organised the Freshmen social.

At last, I was blessed to be a member of P.C.S.U and a student of Pragjyotish College. I want to thanks all the members of P.C.S.U without their support I cannot success. I wish a warm, charming and bright future for our college.

"LONG LIVE PRAGJYOTISH COLLEGE"
"LONG LIVE PRAGJYOTISH COLLEGE STUDENTS UNION"
"জয় আই অসম"

● ● ●



**অলিভা দাস**
**স্নাতক প্ৰথম ষান্মাসিক, কলা শাখা**
**সম্পাদক, সংস্কৃতি আৰু সুকুমাৰ কলা বিভাগ**

জয় জয়তে, যিসকল মহান ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলচ উচ্চ শিক্ষাৰ এই মহান অনুষ্ঠানটো গঢ় লৈ উঠিছে সেইসকল মহান ব্যক্তিৰ লগতে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠানৰ অধ্যক্ষ, তীৰ্থনাথ শৰ্মাদেৱৰ চৰণত সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ আৰু লগতে মহাবিদ্যালয়খনৰ সমূহ শিক্ষাগুৰুলৈ প্ৰণাম জনাইছোঁ। তদুপৰি সংস্কৃতি আৰু সুকুমাৰ কলা বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বাচিত কৰাৰ বাবে সমূহ প্ৰাগ্‌জ্যোতিষীয়লৈ মই ধন্যবাদ জ্ঞাপন কৰিলোঁ।

সম্পাদক হিচাপে সংস্কৃতি আৰু সুকুমাৰ কলা বিভাগৰ কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতেই আমাৰ ছাত্ৰ একতা সভাৰ প্ৰথম কাৰ্যসূচী আছিল মহাবিদ্যালয় সপ্তাহ সুকলমে পালন কৰা। 'মহাবিদ্যালয় সপ্তাহ'ত মোৰ বিভাগৰ তৰফৰ পৰা মুকাভিনয়, একক অভিনয়, নাটক প্ৰতিযোগিতা, চিত্ৰাঙ্কন প্ৰতিযোগিতা, ফ'টোগ্ৰাফী প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰিছিলোঁ। প্ৰতিযোগিতাসমূহত প্ৰতিভাৰ অভাৱ নাছিল। বহু প্ৰতিযোগীয়ে এই প্ৰতিযোগিতাসমূহত অংশ গ্ৰহণ কৰাৰ লগতে পুৰস্কাৰ বুটলিবলৈও সক্ষম হৈছিল।

ইয়াৰ পিছতেই মোৰ বাবে প্ৰত্যাহ্বান আছিল 'নৱাগত আদৰণি সভা'ৰ সাংস্কৃতিক অনুষ্ঠানৰ কাৰ্যসূচী নিয়াৰিকৈ প্ৰস্তুত কৰা। এই ক্ষেত্ৰত মোক ছাত্ৰ একতা সভাৰ প্ৰত্যেকজন সদস্যই যথেষ্ট সহায় আগবঢ়াইছিল। সকলোৰে সহায় সহযোগত অতি সুন্দৰকৈ নৱাগত আদৰণি সভাখন অনুষ্ঠিত হৈছিল। নৱাগত আদৰণি সভাত পৰিবেশন হোৱা প্ৰত্যেকটো

নৃত্য-গীতেই আছিল প্ৰশংসাৰ যোগ্য।

মই মোৰ এবছৰীয়া কাৰ্যকালত মোৰ তত্বাৱধায়ক অধ্যাপক ড° ৰঞ্জন কুমাৰ বৰা চাৰৰ পৰা বহু সহায় সহযোগিতা পাইছিলোঁ। তেখেতে মোক সকলো ক্ষেত্ৰতে যথেষ্ট উৎসাহ-উদ্‌গনি জনাইছিল। তেখেতৰ ওচৰত মই চিৰকৃতজ্ঞ।

সদৌ শেষত মোৰ প্ৰত্যেকটো কামত সকলো সময়তে সহায় সহযোগ আগবঢ়োৱা প্ৰত্যেকজন চাৰ-বাইদেউ, আৰু বন্ধু-বান্ধৱীলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। লিখনিৰ শেষত মোৰ কাৰ্যকালৰ সময়ত হোৱা অজানিত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ লগতে অদূৰ ভৱিষ্যতে প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ে যাতে উন্নতিৰ উচ্চ শিখৰত উপনীত হয় তাকে কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

"জয়তু প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়"

"জয়তু প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় ছাত্ৰ একতা সভা"

● ● ●



## অনামিকা নাথ

**স্নাতকোত্তৰ চতুৰ্থ যান্মাসিক,**

**অসমীয়া বিভাগ**

**সম্পাদক, সমাজ সেৱা বিভাগ**

প্ৰতিবেদনৰ আৰম্ভণিতে প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সমূহ শিক্ষক-শিক্ষয়িত্ৰী, সহযোগী আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শ্ৰদ্ধা আৰু শুভকামনা জ্ঞাপন কৰিছোঁ। যিসকল ব্যক্তিৰ অপৰিসীম সাহস, ধৈৰ্য, কষ্ট আৰু ত্যাগৰ কাৰণে ঐতিহ্যমণ্ডিত প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয় আজিও জিলিকি আছে, সেই মহান ব্যক্তিসকলৰ চৰণত প্ৰণিপাত জনাইছোঁ।

ঐতিহ্যমণ্ডিত প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ত প্ৰতি বছৰে হাজাৰ হাজাৰ শিক্ষাৰ্থীয়ে চকুত সপোন, আৰু জীৱন গঢ়াৰ আশা লৈ এই মহাবিদ্যালয়লৈ ঢাপলি মেলে আৰু ছাত্ৰ-ছাত্ৰীৰ এই সপোনবোৰ বাস্তৱ ৰূপত প্ৰতিফলিত কৰি প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ে এক বৃহৎ শিক্ষানুষ্ঠান হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছে।

মহাবিদ্যালয় ২০১৫ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজ-সেৱা বিভাগৰ সম্পাদক পদত নিৰ্বাচিতো হ'লো। ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদক হিচাপে শপত গ্ৰহণ কৰাৰ কিছুদিন পিছতে 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ শুভাৰম্ভণি কৰা হয় পতাকা উত্তোলনেৰে। 'মহাবিদ্যালয় সপ্তাহ'ত বিভিন্ন প্ৰতিযোগিতাৰ লগতে সমাজ সেৱা বিভাগৰ ফালৰ পৰাও 'সমাজ-সেৱা' নামেৰে এটি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

'মহাবিদ্যালয়-সপ্তাহ'ৰ পিছত 'সৰস্বতী-পূজা' উলহ-মালহেৰে উদ্‌যাপন কৰা হয়।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ চৌহদ সদায় পৰিষ্কাৰ আৰু সুন্দৰ হৈ থাকে তাৰ প্ৰতি লক্ষ্য ৰাখি সামৰ্থনুযায়ী চেষ্টা কৰিছিলোঁ। সমাজসেৱা প্ৰতিজন ব্যক্তিৰে এক পৱিত্ৰ কৰ্তব্য। মহাবিদ্যালয়খনক পৰিষ্কাৰ-পৰিচ্ছন্নকৈ আৰু সুন্দৰ কৰি তুলিবলৈ হ'লে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ দায়িত্ব পালন কৰিব লাগিব। যেনে—ক্লাছ ৰুমৰ ভিতৰত আৰু বাহিৰত য'তে-ত'তে থু, পিক নেপেলায়, কাগজ বা অন্য কোনো খাদ্যৰ পেকেট মহাবিদ্যালয়ৰ চৌহদত নেপেলায় ইত্যাদি।

সমাজসেৱা সম্পাদক ৰূপে মোৰ দায়িত্বত থকা সকলো কাম নিষ্ঠাৰে পালন কৰিবলৈ চেষ্টা কৰিছোঁ। তথাপি মোৰ কাৰ্যকালত হৈ যোৱা অনিচ্ছাকৃত ভুল ত্ৰুটিৰ বাবে সকলোৰে ওচৰত থকা প্ৰাৰ্থনা মাগিলোঁ।

শেষত, মোক বিভিন্ন দিশত সু-দিহা পৰামৰ্শ আগবঢ়োৱাৰ বাবে মোৰ তত্বাৱধায়ক বৰুণ সাহা চাৰক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু প্ৰগতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়

"জয়তু ছাত্ৰ একতা সভা"

● ● ●



## Pranjyoti Sarma

**T.D.C., 6th Semester**

**Cricket Secretary**

**(Selected)**

Achievement cannot be achieved in a dream. Achievement comes from something deep inside–a sense of discipline, sincerity and a vision.

There are so many ways to show our gratitude towards the persons who have faith on us. Here, I want to express my gratitude to our honourable Principal, and our respected Dr. Jayanta Deka Sir, for their encouragement and confidence boost. I am very much grateful to Dr. Jayanta Deka Sir, who

gave me the opportunity to serve as a cricket Secretary to our Pragjyotish College.

During my tenure, in College Week, I organised events such as Cricket Tournament at Latashil play ground with the participation of 200 students in it.

Our College participated in Inter College Cricket tournament held in Gauhati Univercity. Under the my guidance as a Cricket Secretary. Last but the least as a part of this college, I learnt and experienced a lot of things. Finally, I extend my best wishes to the new members of the Student Union.....

"LONG LIVE PRAGJYOTISH COLLEGE"
"LONG LIVE PRAGJYOTISH COLLEGE STUDENTS UNION"

● ● ●



**ৰাজকমল বেজবৰুৱা**
**স্নাতক তৃতীয় ষান্মাসিক, বিজ্ঞান শাখা**
**ভাৰপ্ৰাপ্ত সম্পাদক**
**ফুটবল, ভলীবল, বাস্কেটবল বিভাগ**

প্ৰতিবেদনৰ আৰম্ভণিতে 'প্ৰাগজ্যোতিষ মহাবিদ্যালয়'ৰ সমূহ ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ ফুটবল, ভলীবল, বাস্কেটবল সম্পাদক হৈ মহাবিদ্যালয়খনলৈ অকৃত্ৰিম সেৱা আগবঢ়াবলৈ সুযোগ দিয়া বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। যিহেতু ২০১৪-১৫ বৰ্ষৰ নিৰ্বাচনত মোৰ পদটোত কোনো প্ৰাৰ্থী প্ৰতিদ্বন্দ্বীতা কৰিব পৰা নাছিল অৱশেষত শিক্ষক-শিক্ষয়িত্ৰী আমাৰ অধ্যক্ষ মহোদয় আৰু ছাত্ৰ একতা সভাৰ বাকী সমূহ সদস্যৰ সন্মতি মোক এই গুৰুত দায়িত্ব অৰ্পন কৰা হৈছিল। সকলোৰে আশা পূৰণ কৰিবলৈ মই যথা সম্ভৱ চেষ্টা কৰিছিলো। পিছে মই কিমান সফল সেই বিচাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ হাতত।

মোৰ কাৰ্যকালৰ প্ৰথমতেই মহাবিদ্যালয়ৰ "সপ্তাহ সমাৰোহ' কেইদিনমানৰ পিছতে অনুষ্ঠিত হৈছিল। সেই প্ৰত্যেককেইদিনেই সকলো ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন খেল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল আৰু মই তেওঁলোকক যিমান পাৰো সহায় সহযোগিতা আগবঢ়াইছিলো। মোৰ কাৰ্যকালত খেল সম্পাদক তত্বাৱধায়ক নৱ ছাৰ তথা অন্যান্য তত্বাৱধায়কসকলৰ অনুপ্ৰেৰণা লাভ কৰিছিলো। সেয়েহে তেখেতসকলৰ ওচৰত মই কৃতজ্ঞতা আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ। মোৰ কাৰ্যকালৰ অন্যতম এটা দিন আছিল যেতিয়া মহাবিদ্যালয় বাস্কেটবল দলে 'Sikkim Manipal University' ত হোৱা ৰাষ্ট্ৰীয় এখন প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ পাবলৈ সক্ষম হৈছিল। মইয়ো এই দলৰ অংশীদাৰ হবলৈ পাই সুখী হৈছিলোঁ।

মোৰ কাৰ্যকালত মই কামবোৰ কৰি যাওঁতে হয়তো কোনো ভুল-ত্ৰুটি ৰৈ গৈছিল।

'হস্তীৰো পিছলে পাৱ
সৎজনৰো বুৰে নাওঁ।

গতিকে ভুল-শুদ্ধৰ মাজতেই আমাৰ মহাবিদ্যালয়ৰ উন্নতিৰ হকে 'গুৰুজনাৰ তত্বাৱধানত আমাৰ যথাসম্ভৱ সাধ্য অনুসাৰে আৰু একান্ত প্ৰচেষ্টাৰে সকলোবোৰ কাম কাৰ্যকৰী কৰি তুলিবলৈ অপ্ৰাণ চেষ্টা কৰিলো। তথাপিও যদি ভুল-ত্ৰুটি ৰৈ গৈছে সকলোৰে আগত ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

সদৌ শেষত, প্ৰাগজ্যোতিষ মহাবিদ্যালয়ৰ সৰ্ব্বাংগীন উন্নতি আৰু প্ৰাগজ্যোতিষ্ মহাবিদ্যালয়ৰ আলোচনীখনি সদায় উজ্জ্বল হৈ থকাৰ কামনাৰে মোৰ এই বাৰ্ষিক প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

'জয়তু প্ৰাগজ্যোতিষ মহাবিদ্যালয়'
জয় আই অসম'

● ● ●



# List of Editors of 'Pragjyotishiya' and Professors-in-charge

Since 1956-57 to 2014-2015

| Sl. No. | Year | Editor's Name | Prof.-in-Charge |
|---|---|---|---|
| 1st | 1956-57 | Mahibur Rahman | Prof. Sarbananda Ray |
| 2nd | 1957-58 | Satyavati Phukan | Prof. Sarbananda Ray |
| 3rd | 1958-59 | Birendra Nath Talukdar | Prof. Gadadhar Deva Sarma |
| 4th | 1959-60 | Amiya Kumar Barman | Prof. Gadadhar Deva Sarma |
| 5th | 1960-61 | Ambunath Sarma | Prof. Bhabananda Deka |
| – | 1961-62 | – | – |
| 6th | 1962-63 | Siva Charan Kalita | Prof. Bhabananda Deka |
| – | 1963-64 | – | – |
| 7th | 1964-65 | Ajit Kumar Das | Prof. Bhabananda Deka |
| 8th | 1965-66 | Badal Chakravarty | Prof. Dr. Kiran Ch. Sarma |
| 9th | 1966-67 | Ram Narayan Sarma | Prof. Madhusudan Oja |
| 10th | 1967-68 | Bhabesh Mishra | Prof. Madhusudan Oja |
| 11th | 1968-69 | Samin Ara Begam | Prof. Madhusudan Oja |
| 12th | 1969-70 | – | – |
| 13th | 1970-71 | Birendra Nath Kalita | Prof. Madhusudan Oja |
| 14th | 1971-72 | Lila Bordoloi | Prof. Madhusudan Oja |
| 15th | 1972-73 | Harendra Nath Sarma | Prof. Madhusudan Oja |
| 16th | 1973-74 | Bulbul Ara Saikia | Prof. Madhusudan Oja |
| 17th | 1974-75 | Khagen Ch. Choudhury | Prof. Gadadhar Deva Sarma |
| 18th | 1975-76 | Mir Mukib Hussain | Prof. Gadadhar Deva Sarma |
| 19th | 1976-77 | Rabindra Ch. Sarma | Prof. Gadadhar Deva Sarma |
| 20th | 1977-78 | Pratap Kr. Barua | Prof. Gadadhar Deva Sarma<br>Prof. Dr. Nabin Ch. Sarma |
| 21st | 1978-79 | Isfak Ahmed | Prof. Gadadhar Deva Sarma |
| – | 1979-80 | – | – |
| 22nd | 1980-81 | Mahesh Prasad Sarma | Prof. Sushil Sarma |
| – | 1981-82 | – | – |
| 23rd | 1982-83 | Deva Sarma | Prof. Sushil Sarma |

| | | | |
|---|---|---|---|
| – | 1983-84 | – | – |
| – | 1984-85 | – | – |
| – | 1985-86 | Surya Kalita | unpublished |
| – | 1986-87 | Nilamoni Sarma | Do |
| – | 1987-88 | Surya Kalita | Do |
| 24th | 1988-89 | Dhiraj Kr. Deka | Prof. Paramananda Rajbongshi |
| – | 1989-90 | – | – |
| 25th | 1990-91 | Mridul Kr. Dutta | Prof. Paramananda Rajbongshi |
| 26th | 1991-92 | Utpal Kalita | Prof. Paramananda Rajbongshi |
| – | 1992-93 | – | – |
| – | 1993-94 | Dipankar Das | unpublished |
| 27th | 1994-95 | Dipen Ch. Das | Prof. Dr. Narayan Das |
| 28th | 1995-96 | Trikendrajit Sarma | Prof. Dr. Narayan Das |
| 29th | 1996-97 | Mukul Bharali | Prof. Dr. Paramananda Rajbongshi |
| – | 1997-98 | Pranjal Kr. Kashyap | unpublished |
| 30th | 1998-99 | Akhil Ch. Das | Prof. Paramananda Majumdar |
| 31st | 1999-2000 | Kankan Bora | Prof. Dr. Pranati Sarma Goswami |
| 32nd | 2000-01 | Mrinal Jyoti Medhi | Prof. Dr. Paramananda Rajbongshi |
| 33rd | 2001-02 | Ashim Kalita | Prof. Paramananda Majumdar |
| 34th | 2002-03 | Deepjyoti Saharia | Prof. Dr. Bibha Bharali |
| 35th | 2003-04 | Rajib Das<br>Pranab Kalita | Prof. Nirendra Nath Thakuria |
| 36th | 2004-05 | Ranjan Jyoti Deka | Prof. Dr. Indira Saikia Bora |
| 37th | 2005-06 | Dhanjyoti Medhi | Prof. Dr. Runima Baishya |
| 38th | 2006-07 | Dhrubajyoti Das | Prof. Dr. Runima Baishya |
| 39th | 2007-08 | Jitumoni Saharia | Prof. Dr. Jyotirmay Sengupta |
| 40th | 2008-10 | Amrit Kr. Upadhyay | Prof. Dr. Indira Saikia Bora |
| – | 2010-11 | – | – |
| 41st | 2011-12 | Sambhuram Deka | Prof. Dr. Paramananda Majumdar |
| 42nd | 2012-13 | Manoj Lahkar | Prof. Dr. Runima Baishya |
| 43rd | 2013-14 | Jogesh Kalita | Prof. Dr. Baikuntha Rajbongshi |
| 44th | 2014-15 | Dhritika Devi | Prof. Dr. Indira Saikia Bora |